শান্তি আৰু যুদ্ধত

অহিংসা

প্ৰথম খণ্ড

মোহনদাস কৰমচাঁদ গান্ধী

মূল সংস্কৰণ
নৱজীৱন ট্ৰাস্ট, আহমেদাবাদ

DIRECTORATE OF LIBRARY SERVICES
ASSAM GUWAHATI

অসমীয়া সংস্কৰণ
অসম একাডেমী : গুৱাহাটী
১৯৬৯

SHANTI ARU YUDDHAT AHIMSA, an Assamese translation of the 'Non Violence in Peace and War by M K Gandhi originally published by Navajeevan Trust Ahmedabad. The Assamese version is published by the Assam Academy, Gauhati, 1969. Price Rs. 10 00

অসম একাডেমীৰ হৈ সাধাৰণ সম্পাদক
শ্ৰীভগৱান চন্দ্ৰ শহকৰৰ দ্বাৰা প্ৰকাশিত

মূল্য দহ টকা

মুদ্ৰক
শ্ৰীগোপালচন্দ্ৰ ৰায়
নাভানা প্ৰিণ্টিং ৱৰ্কচ প্ৰাইভেট লিমিটেড
৪৭ গণেশচন্দ্ৰ এভিনিউ
কলিকতা ১৩

সম্পাদকৰ দুষাৰ

অহিংসা আৰু তাৰ প্ৰয়োগ সম্পৰ্কে উদ্ভৱ হোৱা নানা প্ৰশ্ন, আশোঁৰাহ, সন্দেহ আৰু সমস্যাৰ উত্তৰ বা ব্যাখ্যা হিচাপে মহাত্মা গান্ধীয়ে হৰিজন, ইয়ং ইণ্ডিয়া আদি বাতৰিকাকতত প্ৰকাশ কৰা প্ৰবন্ধাৱলী আৰু এই সম্পৰ্কে বিশিষ্ট লোকৰ লগত কৰা আলোচনাৰ সাৰমৰ্ম সকলন কৰি নৱজীৱন ট্ৰাষ্টে Non-violence in Peace and War' নাম দি দুই খণ্ডত ইংৰাজী ভাষাত প্ৰকাশ কৰা বৃহৎ গ্ৰন্থখনৰ প্ৰথমৰ কিছু অংশ অসমীয়াত অনুবাদ কৰি অসম একাডেমীৰ তৰফৰ পৰা এই পুথিখন প্ৰকাশ কৰিবলৈ লোৱা হৈছে। অহিংসা সম্পৰ্কে মহাত্মা গান্ধীৰ বিচাৰধাৰা অধ্যয়ন কৰিবলৈ এই পুথিখনে যথেষ্ট সমল যোগাব।

পৰমেশ্বৰৰ সংৰূপ সত্যোপলব্ধিয়ে মনুষ্যৰ পৰম পুৰুষাৰ্থ আৰু সত্যই পৰমেশ্বৰ—এয়ে আছিল মহাত্মা গান্ধীৰ একান্ত বিশ্বাস আৰু জীৱন দৰ্শনৰ মূল প্ৰতিপাদন। অহিংসা সত্যোপলব্ধিৰ সাধন। কায়োবাক্যমনে সম্পূৰ্ণ অহিংস হব নোৱাৰিলে সত্যোপলব্ধি হব নোৱাৰে আৰু অহিংসাৰ অনুশীলনত যেয়ে যিমানে অগ্ৰসৰ হব তেওঁৰ প্ৰতি সত্যৰ বিমল জ্যোতিও সিমানেই প্ৰতিভাত হব আৰু নিয়ত ঐকান্তিক প্ৰচেষ্টাৰে ক্ৰমে লক্ষ্যৰ পিনে আগবাঢ়ি যাব পাৰিব। অনাসক্ত কৰ্ম্মযোগী মহাত্মা গান্ধীয়ে পৰমেশ্বৰত অটল আৰু দৃঢ় বিশ্বাস স্থাপন কৰি অহিংসাৰ অনুশীলনৰ বাবে প্ৰয়োজনীয় আধ্যাত্মিক শক্তি আহৰণ কৰিছিল আৰু ব্যক্তিগত, পাৰিবাৰিক, সামাজিক, জাতীয় আৰু আন্তৰ্জাতীয়—সকলো ক্ষেত্ৰতে আৰু সকলো পৰিস্থিতিতে অহিংসানীতি গ্ৰহণ আৰু অহিংস পন্থাৰ প্ৰয়োগৰ পৰামৰ্শ দিছিল। মহাত্মা গান্ধীয়ে নিজে প্ৰয়োগ নকৰা কোনো ব্যৱস্থা বা নীতিকে আনক গ্ৰহণ কৰিবলৈ পৰামৰ্শ নিদিছিল আৰু নিজৰ জীৱনত যি নীতি প্ৰযোজ্য তাকেহে আনকো গ্ৰহণ কৰিবলৈ উপদেশ দিছিল।

যুদ্ধবিধ্বস্ত আৰু বেদনাসিক্ত পৃথিৱীত শান্তিপূৰ্ণ জীৱন যাপন কৰিবলৈ আৰু মানৱ মহিমাৰ পূৰ্ণ বিকাশৰ পৰিবেশ গঢ়ি তুলিবলৈ হলে সকলো সমস্যাকে শান্তিপূৰ্ণ অহিংস উপায়েৰে সমাধান কৰিব পাৰিব লাগিব। হিংসাত্মক যুদ্ধনীতি সম্পূৰ্ণভাৱে বৰ্জন কৰিব লাগিব। অহিংসাই একমাত্ৰ পন্থা আৰু হিংসাত্মক পন্থাই কেতিয়াও স্থায়ী শান্তি আনিব নোৱাৰে। হিংসাই অধিকতৰ

হিংসাৰ পথ সুচল কৰে আৰু মানবৰ হীন প্ৰবৃত্তি চৰিতাৰ্থৰ ইন্ধন যোগায়। অহিংসা নৈতিকতাৰ ভেটি আৰু কায়োবাক্যমনে অহিংসাৰ অনুশীলন কৰিহে প্ৰকৃত নৈতিক জীৱন যাপন কৰিব পাৰি। অহিংসা আপাতিক কাৰ্য্যসাধিকা নীতি নহয়, ই জীৱনদৰ্শন আৰু জীৱনাদৰ্শ। সত্য আৰু অহিংসা মহাত্মা গান্ধীৰ মতে এটা মুদ্ৰাৰে দুটা পিঠিৰ নিচিনা আৰু এটা অবিহনে আনটো থাকিব নোৱাৰে। তাত্বিক ফালৰ পৰা অৱশ্যে সত্য সাধ্য বা লক্ষ্য আৰু অহিংসা সাধন। কিন্তু এই সাধন আৰু লক্ষ্য পূৰ্ব্বানুপূৰ্ব্বিক নহয়, দুয়ো সমকালীন আৰু সম্পূৰ্ণ অঙ্গাঙ্গী আৰু আবয়বিক।

অহিংসাৰ পথ কাপুৰুষ আৰু ভীতু লোকৰ পথ নহয়। অহিংসা অসহায়তা ভাবৰ নিষ্ক্ৰিয় অভিব্যক্তি বা ঔদাসীন্য নহয়। অহিংসা শক্তিমন্তৰ পথ। অন্তৰত অদম্য শক্তিৰ সঞ্চাৰ নহলে কোনো প্ৰকৃত অহিংস হব নোৱাৰে। অহিংসা হিংসাতকৈ অশেষ গুণে শ্ৰেয় আৰু অধিকতৰ সাহসিক কাম। অহিংসা মনুষ্য জাতিৰ নীতি, হিংসা পাশবিক প্ৰবৃত্তি। অহিংসাৰ গতিশীল অৱস্থাই সক্ৰিয় প্ৰেম আৰু অন্যায় অসত্যৰ প্ৰতিৰোধক অহিংসা সচেতন আত্মপীড়ন। গতিকে এনে অহিংসাৰ অনুশীলন অবিৰত আৰু নিয়ত সাধনা, চিত্তৰ স্থৈৰ্য্য আৰু পৰমেশ্বৰত বিশ্বাস আৰু আত্মনিবেদন সাপেক্ষ। এই সাধনা কল্পনা বিলাস নহয়, ই বাস্তব আদৰ্শবাদীৰ প্ৰতিপাদনীয় ধৰ্ম্ম। মহাত্মা গান্ধীয়ে বিশ্বৰ নানা জটিল পৰিস্থিতি আৰু হিংসাত্মক ঘটনা প্ৰবাহৰ সন্দৰ্ভত অহিংস নীতি আৰু অহিংস পন্থাৰ সাৰ্ব্বত্ৰিক প্ৰয়োগৰ প্ৰয়োজনীয়তা আৰু সম্ভাব্যতা এই গ্ৰন্থত প্ৰতিপাদন কৰিছে। এই পুথিয়ে পাঠকসকলক অহিংসা সম্পৰ্কে মহাত্মা গান্ধীৰ বিচাৰ ধাৰা অধ্যয়ন কৰাত সহায় কৰিব বুলি আমাৰ বিশ্বাস। 'শান্তি আৰু যুদ্ধত অহিংসা'ৰ বাকীছোৱাও ক্ৰমে প্ৰকাশ কৰাৰ আশা আমি ৰাখিছোঁ আৰু গোটেই কিতাপখনৰ পূৰ্ণ অধ্যয়নেহে অহিংসনীতি আৰু তাৰ প্ৰায়োগিক প্ৰয়োজনীয়তাৰ সম্যক ধাৰণা দিব পাৰিব।

এই পুথিখন প্ৰকাশ কৰোঁতে যি সকলে প্ৰবন্ধবোৰ অনুবাদ কৰি আমাক সহায় কৰিছে তেখেতসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সম্পাদনাত ৰৈ যোৱা ভুলত্ৰুটিৰ বাবে মাৰ্জ্জনা বিচাৰিছোঁ আৰু এই দোষত্ৰুটিবোৰ পিছৰ সংস্কৰণত শুধৰাবলৈ আশা ৰাখিছোঁ।

জাতিৰ জনক মহামানব মহাত্মা গান্ধীৰ শতবাৰ্ষিকী সমাৰোহ উপলক্ষ্যে

তেওঁবেই প্ৰধান সাধ্য আৰু জীৱনজোৰা সাধনা অহিংসা ব্ৰতৰ আলোচনা আৰু সম্যক অৱগতিত এই পুথিখান সহায়ক হলে অসম একাডেমীৰ এই প্ৰয়াস সাৰ্থক হব।

শ্ৰীশৰৎচন্দ্ৰ গোস্বামী

প্ৰকাশকৰ নিবেদন

গান্ধী শতবাৰ্ষিকী উৎসৱৰ সময়ছোৱাৰ ভিতৰত গান্ধীজীৰ কোনো এখন গ্ৰন্থ অসমীয়া ভাষাত প্ৰকাশ কৰি উলিওৱাৰ বিষয়ে অসম একাডেমীয়ে গুণাগঁথা কৰি আছিল। এনেতে অসম চৰকাৰৰ তৰফৰ পৰা পাঁচ হাজাৰ ৰূপৰ এটি অনুদান অসম একাডেমীলৈ আগবঢ়ালে। আৰু লগতে গান্ধীজীৰ 'শান্তি আৰু যুদ্ধত অহিংসা' (Non-violence in Peace and War) কিতাপখন অসমীয়া ভাষাত তৰ্জমা কৰি প্ৰকাশ কৰিবলৈ কলে। 'শান্তি আৰু যুদ্ধত অহিংসা' কিতাপখন গান্ধীজীয়ে বিভিন্ন সময়ত কিছুমান বিশিষ্ট লোকলৈ অহিংসাৰ বিষয়ে লিখা চিঠিৰ সমষ্টি। আহমেদাবাদৰ প্ৰখ্যাত প্ৰকাশক নৱজীৱন ট্ৰাস্টে এই চিঠিসমূহ সংকলন কৰি দুটা খণ্ডত ভাগ কৰি লৈ ৯০০ (ন শ) পৃষ্ঠাৰ দুখন ডাঙৰ আকাৰৰ কিতাপ কৰি ইংৰাজীত প্ৰকাশ কৰিছে আৰু Non-violence in Peace and War ('শান্তি আৰু যুদ্ধত অহিংসা') নামেৰে নামকৰণ কৰিছে।

অসম চৰকাৰৰ পাঁচ হাজাৰ টকীয়া সামান্য অনুদানেৰে এই কিতাপখন অসমীয়ালৈ অনুবাদ কৰি লৈ প্ৰকাশ কৰা সম্ভৱ নহয় হেতুকে অসম একাডেমীয়ে তেতিয়াৰ শিক্ষাধিকাৰৰ ওচৰত এই বিষয়ে আলোচনা চলালে। আৰু চৰকাৰৰ পৰা বিত্তীয় সাহায্য পাঁচ হাজাৰ টকাতকৈ অধিক বঢ়াই দিবলৈ অনুৰোধ কৰিলে। বৰ্দ্ধিত বিত্তীয় সাহায্য পোৱা সম্ভৱ নহলত অসম একাডেমীয়ে কেইবাটাও খণ্ডত কিতাপখন প্ৰকাশ কৰিবলৈ সিদ্ধান্ত ললে আৰু এই সিদ্ধান্তৰ বিষয়ে অসম চৰকাৰৰ প্ৰাক্তন শিক্ষাধিকাৰক জানিবলৈ দিয়া হল।

ইয়াৰ পিছত গ্ৰন্থখনৰ প্ৰকাশক নৱজীৱন ট্ৰাস্টৰ ওচৰত কিতাপখন ভাগ ভাগকৈ অসমীয়াত প্ৰকাশ কৰাৰ বাবে অনুমতি বিচৰা হ'ল। আৰু প্ৰয়োজনীয় ৰাজহ (Royalty) আদায় দি কিতাপখন অসমীয়ালৈ অনুবাদ কৰি দুটাতকৈ অধিক খণ্ডত প্ৰকাশ কৰাৰ অনুমতি তেখেতসকলৰ পৰা পোৱা হ'ল। এই অনুমতিৰ বাবে এই প্ৰসঙ্গতে অসম একাডেমীয়ে নৱজীৱন ট্ৰাস্টলৈ শলাগৰ শৰাই আগ বঢ়াইছে।

'শান্তি আৰু যুদ্ধত অহিংসা' কিতাপখন আমাক ইংৰাজীৰ পৰা অসমীয়ালৈ অনুবাদ কৰি দিছে অসমৰ কেইবাগৰাকী বিশিষ্ট লেখকে। তেখেতসকলৰ

প্ৰত্যেককে অসম একাডেমীয়ে ধন্যবাদ আৰু শলাগ জনাইছে। সমগ্ৰ নাটনি আৰু নানা আহুকালৰ মাজেদি অসম একাডেমীৰ উপ-সভাপতি অধ্যক্ষ শ্ৰীশৰৎচন্দ্ৰ গোস্বামী দেৱে কিতাপখন সম্পাদনা কৰি দিয়া বাবে আমি তেখেতৰো শলাগ লৈছোঁ। তদুপৰি অসম চৰকাৰে দ্বিতীয় অনুদান আগবঢ়াই গ্ৰন্থখন প্ৰকাশ কৰিবলৈ সহায় কৰাৰ বাবে অসম একাডেমীয়ে চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছে।

সদৌশেহত এই গ্ৰন্থখন গান্ধী শতবাৰ্ষিকী উৎসৱ উপলক্ষে জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীজীলৈ অসম একাডেমীৰ সামান্য শ্ৰদ্ধাঞ্জলি হিচাপে আমি অসমীয়া পাঠক পাঠিকাসকললৈ আগবঢ়ালোঁ।

শ্ৰীভগৱানচন্দ্ৰ লহকৰ
সাধাৰণ সম্পাদক, অসম একাডেমী

অনুবাদকসকল

	নাম	পৃষ্ঠা নং
১।	শ্ৰীশৰৎচন্দ্ৰ গোস্বামী	গ-জ ১-৪৮
২।	" নবেন্দ্ৰনাথ শৰ্ম্মা	৪৮-১১২ ২৫৭ ২৭১
৩।	" কমলেশ্বৰ শৰ্ম্মা	১১২-১৩২
৪।	" পূৰ্ণচন্দ্ৰ বৰদলৈ	১৩২-১৫১ ১৮০ ১৮৫
৫।	" অতুলচন্দ্ৰ বৰুৱা	১৫২ ১৬৫
৬।	" কমল গগৈ	১৬৬ ১৭৫
৭।	" হেমন্তকুমাৰ শৰ্ম্মা	১৭৬ ১৭৯
৮।	" ৰজনীকান্ত শৰ্ম্মা	১৮৫ ২০০
৯।	" প্ৰফুল্ল বৰুৱা	২০০ ২১৩
১০।	" গোলোকচন্দ্ৰ গোস্বামী	২১৩ ২৩২
১১।	" পূৰ্ণানন্দ শইকীয়া	২৩২ ২৪৬
১২।	" তিলক হাজৰিকা	২৪৭-২৫৭ ৩১৪-৩৩০
১৩।	" প্ৰফুল্ল কটকী	২৭২ ২৮৯
১৪।	" ধৰ্ম্মদত্ত শৰ্ম্মা	২৮৯ ৩০০
১৫।	" যোগেশ দাস	৩০১ ৩১৪
১৬।	" ফণী তালুকদাৰ	৩৩০-৩৪৫

ক্ৰমবিকাশত অহিংসা

বৈজ্ঞানিক আবিষ্কাৰে বিভিন্ন বিজ্ঞানৰ পুথিসমূহক প্ৰকাশিত হোৱাৰ অলপ সময়ৰ ভিতৰতে অপ্ৰচলিত কৰি পেলায়। উদাহৰণস্বৰূপে, চিকিৎসাবিজ্ঞানৰ ছাত্ৰ এজনে কেন্সাৰ বা কৰ্কটৰোগৰ উৎপত্তিৰ কাৰণ সম্পৰ্কে অধ্যয়ন কৰোঁতে এই বিষয়ে ৰচিত শেহতীয়া পুথিহে বিচাৰিব আৰু কুৰি বছৰ বা দহ বছৰ আগেয়ে প্ৰকাশিত হোৱা এই বিষয়ৰ পুথিখনো বাছনিত নলব। পঞ্চাশ বছৰ আগতে প্ৰকাশিত হোৱা অস্ত্ৰচিকিৎসাৰ কিতাপ এখন সেই সময়ত যিমানেই মূল্যবান নাথাকক কিয়, বৰ্তমানে পুৰণি কিতাপ বেচা দোকানত পৰি থাকি তাৰ ছপাখৰচতো বিক্ৰি হোৱা টান। গবেষণা আৰু অধ্যৱসায়ৰ কীৰ্তিস্তম্ভ স্বৰূপ হিউমৰ ‘হিস্ট ৰি অব ইংলেণ্ড’ আজিকালি লোকে নপঢ়ে কাৰণ ঐতিহাসিক গবেষণাই এই কিতাপৰ প্ৰকাশনৰ পিছত ভাত কোৱা বহু কথাকেই অসত্য আৰু নিৰ্ভৰযোগ্য তথ্য নহয় বুলি প্ৰতিপাদন কৰিছে।

কিন্তু আধ্যাত্মিক বিজ্ঞানৰ বেলিকা এই কথা নাখাটে। ঋষি পতঞ্জলিয়ে তেওঁৰ যোগসূত্ৰ কেইবা শতাব্দী আগতে প্ৰণয়ন কৰিছিল। পতঞ্জলিৰ কাল বা জন্মসময় সম্পৰ্কে পঞ্চাশ বছৰ আগেয়ে লিখা কিতাপ পিছত হোৱা গবেষণাই স্থানচ্যুত কৰিব পাৰে। কিন্তু এই সূত্ৰসমূহ নিজৰ জীৱনত অভ্যাসত পৰিণত কৰিবলৈ অনুশীলন কৰা লোকে প্ৰণয়ন কৰা ইয়াৰ ভাষ্য যেতিয়াই নিলিখক লাগে, কেতিয়াও অপ্ৰচলিত বা আওপুৰণি হৈ যাব নোৱাৰে। কাৰণ প্ৰত্যেকখন ভাষ্যই গ্ৰন্থকৰ্তাৰ আধ্যাত্মিক অভিজ্ঞতা আৰু উৎকৰ্ষৰ পৰিণতি প্ৰতিফলিত কৰে আৰু আত্মোপলব্ধিৰ প্ৰতিটো পদক্ষেপেই এই মাৰ্গত প্ৰৱেশ কৰা অনু-সন্ধিৎসু লোকৰ সহায় আৰু পথপ্ৰদৰ্শক হয়। এনে প্ৰতিজন তীৰ্থযাত্ৰীয়েই সত্যৰ গবেষণাগাৰৰ একোজন গবেষক আৰু সত্য অনন্ত। সত্যৰ আবিষ্কাৰ কোনোদিনেই পূৰ্ণ হব নোৱাৰে আৰু এই পথত প্ৰতিটো ঐকান্তিক প্ৰচেষ্টাৰ সবল উক্তিৰেই মূল্য আছে। এই দৃষ্টিভঙ্গীৰ পৰা গান্ধীজীয়ে অহিংসা সম্পৰ্কে লিখা সকলো প্ৰবন্ধ ৰচনাকালৰ সময় সঙ্গতি ৰাখি যুগুত কৰি প্ৰকাশ কৰা এই কিতাপখন সকলো পৰিস্থিতিৰ সন্মুখীন হৈও সত্যৰ অন্বেষণ আৰু অনুশীলনত ব্ৰতী আৰু এই ব্ৰতত অহিংসাই একমাত্ৰ পথ বুলি উপলব্ধি কৰা লোকসকলৰ বাবে অতিশয় মূল্যবান গ্ৰন্থ। যেতিয়া উপলব্ধি কৰা হয় যে গান্ধীজীৰ সত্য আৰু অহিংসাৰ অন্বেষণ অকল সত্যান্বেষণৰ বাবেই নহয়; ই সাংসাৰিক লক্ষ্য-

সমূহত উপনীত হোৱাতো প্ৰযোজ্য, তেতিয়া ইয়াৰ মূল্য আৰু বেছি হৈ উঠে। *আন্তৰ্জাতিক ইতিহাসৰ স্বনামধন্য গবেষক* অধ্যাপক টইনবীয়ে 'এ স্টাডি অব হিস্টৰি' নামৰ কালজয়ী গ্ৰন্থত এই বিশেষত্বৰ উল্লেখ কৰিছে। তেওঁৰ মতে "নম্ৰতাক' সমানে 'অহিংসাও' বুলিব পাৰি আৰু যদিও ওপৰে ওপৰে চালে ই নেতিবাচক ভাবধাৰা যেন লাগে প্ৰকৃততে দকৈ গমি চালে ইয়াত একাধিক অন্ত্যাৰ্থক সত্য নিহিত আছে। তেওঁ অহিংসা শব্দটোৰ চাৰিটা পৃথক অৰ্থ ব্যক্ত কৰিছে। নিকৃষ্ট পৰ্য্যায়ত কোনো মহৎ বা সৃষ্টিধৰ্ম্মী ভাবপ্ৰকাশক নহৈ অতদিনে হিংসাৰ প্ৰশ্ৰয় লৈ কৰি থকা কাৰ্য্যই ঈপ্সিত ফল দিব নোৱাৰাত আৰু আমুৱাই অৱসাদযুক্ত কৰাত হিংসাত্মক পন্থাৰ বিফলতাই মনত হতাশা আৰু ভ্ৰান্তি জগোৱাৰ পৰিণতি হিচাপে অহিংসা আচৰণে ঠাই লব পাৰে। এনে নিকৃষ্ট ধৰণৰ অহিংসাৰ কুখ্যাত পটন্তৰ হিচাপে খ্ৰীষ্টজন্মৰ সপ্তদশ শতাব্দীৰ শেষ পঁচিশ বছৰৰ পৰা আৰম্ভ হৈ আমাৰ বৰ্ত্তমান সময়লৈকে পশ্চিমীয়া জগতত চলি থকা ধৰ্ম্মীয় সহিষ্ণুতাৰ উল্লেখ কৰিব পাৰি। আনহাতে অহিংসাই মনত এনে দৃঢ় বিশ্বাস জন্মাব পাৰে যে এই বিনন্দীয়া সংসাৰত ভগৱানে মানুহক গ্ৰহণ কৰিবলৈ দিয়া সকলো ভূমিকাতে এটা নিষ্কাম মনোভাব গ্ৰহণ কৰিব লাগে। ভগবানৰ সৃষ্ট এই বিশ্বব্ৰহ্মাণ্ডত লীলাৰ মাজেৰেই অনিৰ্ব্বচনীয় অধিকাৰ আৰু ইচ্ছা তেওঁ প্ৰকাশ কৰে আৰু মানুহে ইয়াত হস্তক্ষেপ কৰাৰ কথা ভাবিলে ভগবানৰ ইচ্ছা প্ৰকাশৰ সহায় নহৈ অন্তৰায় স্বৰূপহে হব। অগুভাথ ইজৰাইলৰ অহিংসাৰ অন্তৰালত এনে এটা একান্ত বিশ্বাস আছিল। এই দ্বিতীয় পৰ্য্যায়ৰ অহিংসা যিমান নিষ্ঠাপূৰ্ণ আৰু ধৰ্ম্মপৰায়ণ, প্ৰথমবিধ সিমান নীতিনিয়ম ৰহিত আৰু উদাস কিন্তু তথাপি এই দ্বিতীয় পৰ্য্যায়ৰ অহিংসাদৰ্শনো সৃষ্টিধৰ্ম্মী নোহোৱাত ভ্ৰমাত্মক পৰ্য্যায়ৰ অহিংসা যেনেই লাগে। অহিংসা কোনো গঠনমূলক কামৰ উপায় হিচাপে অনুশীলন কৰিব পাৰি আৰু এই লক্ষ্য জাগতিক হবও পাৰে নাইবা পাৰলৌকিক হবও পাৰে।

"সাংসাৰিক উদ্দেশ্য সিদ্ধিৰ বাবে অনুশীলন কৰা অহিংসাৰ শ্ৰেষ্ঠ নিদৰ্শন হৈছে ৰাজনীতি ক্ষেত্ৰত কৌশল হিচাবে গ্ৰহণ কৰা মহাত্মা গান্ধীৰ অহিংস অসহযোগ আচৰণ। মহাত্মা গান্ধী আৰু তেওঁৰ অনুগামীসকলৰ লক্ষ্য হৈছে ভাৰতৰ জনসাধাৰণৰ বাবে পূৰ্ণস্বায়ত্ত শাসনৰ ৰাজনৈতিক অধিকাৰ লাভ কৰা আৰু এই কৌশলৰ দ্বাৰা লক্ষ্যত উপনীত হবলৈ কৰা চেষ্টাই তেওঁৰ উচ্চ বিচাৰশক্তি আৰু নৈতিকতাৰ মৌলিকতা প্ৰকাশ কৰিছে। পশ্চিমীয়া এখন

'ভেনিটি ফেয়াৰত' এই লক্ষ্যৰ মূল্যাঙ্কন বৰ্ত্তমানে অমূল্য মূল্যত কৰিছে। আমাৰ পশ্চিমীয়া জাতীয়তাবাদে এনে ছুৰ্ল্লভ সম্পদ লাভৰ বাবে কৰা প্ৰচেষ্টাত কেতিয়াও হিংসাত্মক কাৰ্য্যৰ পৰা বিৰত থাকিব পৰা নাই। শাৰীৰিক হিংসা নহলেও অন্তৰৰ হিংসা আছেই। গতিকে গান্ধীৰ অহিংস কাৰ্য্যপন্থা, কৌশল আৰু নৈপুণ্য পশ্চিমীয়া সাঁচৰ 'বৃহৎ সমাজৰ' ৰাজনৈতিক কাৰ্য্যপন্থাৰ পৰা কালৰি কাটি যোৱা এটা মন কৰিবলগীয়া নতুন বিচাৰ ধাৰা। অহিংসাৰ এই আচৰণত অৱশ্যে কেৱল উপায় হিচাপে নহৈ আন্দোলনৰ কৌশল হোৱাত সিমান অভিনৱত্ব পৰ্য্যবসিত হোৱা নাই। গান্ধী অহিংসব্ৰতী হৈছে কাৰণ তেওঁৰ উদ্দেশ্য সাধনৰ বাবে ইয়াক উৎকৃষ্ট কাৰ্য্যকৰী উপায় হিচাপে বিবেচনা কৰিছে আৰু তেওঁৰ উদ্দেশ্য সাংসাৰিক। আনহাতে যীচুৱে আৰু জোহান বেন আকৈয়ে গ্ৰহণ কৰা অহিংসব্ৰতৰ ক্ষেত্ৰ ইহলোকৰ পৰিবৰ্ত্তে ঊৰ্দ্ধলোকত হলেও ই ইহলোকত প্ৰতিফলিত হৈছে।"

অধ্যাপক টইনবীয়ে কিন্তু গান্ধীজীয়ে কিয় এই সংসাৰৰ সমস্যা সমাধানত অহিংসাৰ অনুশীলন কৰিবলৈ আগবাঢ়ি আহিছিল তাৰ যুক্তিবোৰ ভালকৈ গমিপিতি চাব পৰা নাই। মূলত: গান্ধীজীয়ে নৈতিক আৰু প্ৰাকৃতিক নীতি নিয়মে নিয়ন্ত্ৰণ কৰা কথাত ইহলৌকিক আৰু পাৰলৌকিক ক্ষেত্ৰৰ মাজত কোনো পাৰ্থক্য স্বীকাৰ নকৰিছিল। তেওঁৰ বাবে বাহ্যজগত অন্তৰ্জগতৰ প্ৰকাশ বা প্ৰতিচ্ছবি মাত্ৰ আৰু এই কথা তেওঁ বাৰে বাৰে কৈছিল যে "বিশ্বব্ৰহ্মাণ্ড পৰমাণুত সঙ্কুচিত হৈ আছে। পৰমাণুৰ বাবে এটা নিয়ম আৰু বিশ্বব্ৰহ্মাণ্ডৰ বাবে আন এটা বেলেগ নিয়ম নাই।"

'ধূলিকণিকাত বিশ্ব,
বনৰ ফুলত স্বৰ্গ,
হাতৰ তলুৱাত অসীমৰ ধৃতি
আৰু পলত অনন্ত কাল'—

অকল কবিৰ দৃষ্টিৰেই যে তেওঁ চাব পাৰিছিল এনে নহয়, বাস্তৱ আধ্যাত্মিক অভিজ্ঞতাৰেই তেওঁ এই দৃঢ় মত পোষণ কৰিছিল যে নৈতিক নীতিয়ে যদি মানুহৰ দৈনন্দিন আচৰণত নিয়ামক নীতি হিচাপে পথ প্ৰদৰ্শক হব নোৱাৰে তেন্তে তেনে নৈতিক নীতিৰ কোনো অৰ্থ নাই। গতিকে যিসকলে সাংসাৰিক বা পাৰলৌকিক ক্ষেত্ৰৰ উদ্দেশ্য সাধনত অহিংসব্ৰতী হবৰ ইচ্ছা কৰে তেওঁলোকৰ বাবে অহিংসাৰ অৰ্থ আৰু তাৎপৰ্য্য বিকাশৰ অধ্যয়নৰ বাবে এই গ্ৰন্থ অতি

প্ৰয়োজনীয়। তেওঁ কোৱাৰ দৰে "জীৱন্ত ধৰ্ম্ম প্ৰবচনৰ দৰে মানি নিজৰ জীৱনত অনুশীলন কৰাৰ বাহিৰে ব্যক্তিক বা সমষ্টিক অহিংসা ব্ৰতত প্ৰশিক্ষণ দিয়াৰ কোনো চম্ পথ নাই। নিজৰ জীৱনত বোলা কথাখিনিয়েই বিস্তৰ অধ্যয়ন, অসীম অধ্যৱসায় আৰু সকলো কলুষৰ পৰা আত্মশুদ্ধি ধৰি লোৱা বুজায়।" তাৰ পিছত তেওঁ দৈহিক বলতকৈ আধ্যাত্মিক শক্তিৰ শ্ৰেষ্ঠতা এই দৰে প্ৰতি-পাদন কৰিছে "তুমি যদি প্ৰাকৃতিক বিজ্ঞানসমূহ আয়ত্ত কৰিবলৈ জীৱনব্যাপী ব্ৰতী হব লাগে তেন্তে মানবজাতি বিচাৰি পোৱা সৰ্ব্ববৃহৎ আধ্যাত্মিক শক্তিক আয়ত্ত কৰিবলৈ কিমান জন্মৰ সাধনাৰ প্ৰয়োজন হব? কেইবা জন্ম লাগিলেও উদ্বিগ্ন হোৱাৰ প্ৰয়োজন জানো আছে? কাৰণ জীৱনৰ যদি এয়েই একমাত্ৰ সাৰবস্তু হয়, এয়ে যদি একমাত্ৰ কাম্যবস্তু হয়, তেন্তে ইয়াক আয়ত্ত কৰিবলৈ যিখিনি প্ৰচেষ্টাই কৰা হয়, সিয়েই সাৰ্থক। তুমি প্ৰথমে স্বৰ্গৰাজ্যৰ কামনা কৰা, বাকী সকলো আপোনা আপুনি আহিব। এই স্বৰ্গৰাজ্যই অহিংসা।"

ওপৰে ওপৰে চালে এই গ্ৰন্থত ভালেমান বিসঙ্গতি চকুত পৰিব। বিখ্যাত শান্তিকামী বি, ডি, লিজে উদাহৰণ স্বৰূপে গান্ধীজীয়ে বুৱাৰ যুদ্ধত আৰু ১৯১৪ চনৰ পৰা ১৯১৮ চনলৈকে হোৱা মহাসমৰত যোগ দিয়া বাবে তীব্ৰভাবে সমালোচনা কৰি বিসঙ্গতি আঙুলিয়াইছিল। দেখোঁতেই এই যুদ্ধৰ প্ৰতি তীব্ৰবিৰোধ আৰু যুদ্ধ মাত্ৰকেই বিৰোধ কৰা গান্ধীজীৰ পক্ষে সেই যুদ্ধত যোগ দিয়াটো খাপ নোখোৱা কথা। এসময়ত তেওঁ এইদৰে কোৱাৰ প্ৰয়োজন বোধ কৰিছিল—"যি সকলে অনুধাৱণ কৰিবলৈ ইচ্ছা কৰে তেওঁলোকক অনুধাৱণ কৰি দেশৰ হকে যুঁজ কৰিবলৈ পৰামৰ্শ দিয়াত মই ইতস্তত নকৰোঁ।" তেওঁ যে হিংসাৰ পথেৰে স্বৰাজ লাভৰ কামনা কৰিছিল তেনে নহয়। তেওঁ কৈছিল "মোৰ কল্পনাৰ স্বৰাজত অস্ত্ৰ শস্ত্ৰৰ কোনো প্ৰয়োজন নাই।" কিন্তু তাৰ লগতে তেওঁ কৈছিল—"কিন্তু বৰ্ত্তমানৰ প্ৰচেষ্টাত সেই সপোন সম্পূৰ্ণভাবে বাস্তৱত পৰিণত হব বুলি মই আশা কৰা নাই।" ১৯২১ চনৰ খিলাফত আন্দোলনক লক্ষ্য কৰিয়েই তেওঁ এই উক্তি কৰিছিল। তেওঁ আৰু কৈছিল "কাৰণ দেশবাসীক তেনেভাবে প্ৰস্তুত কৰিবলৈ বিস্তৃত কাৰ্য্যসূচী দিব পৰাকৈ আগবাঢ়িছোঁ বুলি মই বিবেচনা কৰিব পৰা নাই।" সেই সময়ত বাৰে বাৰে মহাত্মাই এই কথাটো কৈছিল—"কাৰ্য্যকৰীভাবে সৰ্ব্বজনীন অহিংসা প্ৰচাৰ কৰিবলৈ এতিয়াও মই সামৰ্থ্য লাভ কৰা নাই।" অহিংসাৰ পূজাৰী হৈও ১৯১৪ চনৰ পৰা ১৯১৮ চনলৈকে এই কালছোৱাত কিয় অসহযোগ প্ৰচাৰ

কৰা নাছিল তাৰ যুক্তি তেওঁ একেটা বাক্যেৰেই দিছিল—"সহযোগ প্ৰতিৰোধ কৰিবলৈ মোৰ কোনো প্ৰতিষ্ঠাই নাছিল।" ২৯ বছৰে দেশৰ সেৱাত আত্ম-নিয়োগ কৰি আৰু এই নীতি কাৰ্য্যকৰী ভাবে অনুশীলন কৰি এতিয়া যি প্ৰতিষ্ঠা লাভ কৰিছে সেই অৰ্থতে তেওঁ প্ৰতিষ্ঠাৰ কথা কৈছিল। "সাম্ৰাজ্যৰ যুদ্ধ আৰু যুদ্ধকালীন প্ৰস্তুতি প্ৰতিৰোধ কৰিবলৈ আস্থা আৰু শক্তি" এদিন হয়তো সেই সময়ৰ ত্যাগ আৰু সেৱাৰ দ্বাৰা পাব বুলি তেওঁ আশা কৰিছিল। এটা সময়ত তেওঁ অতি ক্ষুদ্ৰ হলেও সাম্ৰাজ্যৰ এটা গোট হিচাপে কৰ্ত্তব্যৰ কালৰ পৰা বিচাৰ কৰিছিল আৰু যেতিয়ালৈকে তেওঁ ব্ৰিটিছ সাম্ৰাজ্যই দিয়া শান্তি আৰু নিৰাপত্তা ভোগ কৰিছে তেতিয়ালৈকে সাম্ৰাজ্যৰ সেৱা কৰা তেওঁৰ কৰ্ত্তব্য বুলি তেওঁ কৈছিল। আজিও তেওঁ সেই 'শান্তি আৰু নিৰাপত্তা' ভোগ কৰি আছে, কিন্তু সেই শান্তি আজি কবৰৰ শান্তি আৰু সেই নিৰাপত্তা আজি গোলামৰ নিৰাপত্তা হৈছে। গতিকে আজি তেওঁৰ আত্মাই সেই সাম্ৰাজ্যৰ বিৰুদ্ধে থিয় দিছে। সেই সাম্ৰাজ্য আজি তেওঁৰ মনত অন্যায় আৰু নিষ্পেষণৰ সমশব্দত পৰিণত হৈছে আৰু সেই সাম্ৰাজ্যৰ যুদ্ধৰ প্ৰতি অবিৰাম বিৰোধৰ সংকল্প লৈছে। আনকি কুৰি বছৰ আগতেই তেওঁ জানিছিল যে ভাৰতবৰ্ষৰ দুৰ্ব্বলতাই সমগ্ৰ মানব জাতিকেই সংক্ৰামিত কৰিব আৰু দুৰ্নীতিত লিপ্ত কৰিব আৰু আজি সেই কথাৰ সুদূৰপ্ৰসাৰী প্ৰভাব উপলব্ধি কৰিব পাৰিছে। এইবোৰ কোনো বিসঙ্গতিৰ কথা নহয়। গছৰ শিপা, গা গছ, বাকলি আৰু তাৰ পাত, ফুল আৰু ফলৰ মাজত যিদৰে কোনো বিসঙ্গতি নাই সেইদৰে এই কথাবিলাকৰো কোনো বিসঙ্গতি নাই। গছৰ পুলিটো যিদৰে এই সকলোবোৰৰ মাজেৰেই বিকশিত হয় তেনেকৈ অহিংসা অন্বেষণ আৰু অনুশীলনৰ অনুৰাগে সমস্ত জীৱনৰ মাজেৰে মহাত্মা গান্ধীৰ চিন্তা, আচৰণ, কথা আৰু লিখাৰ মাজেৰে প্ৰকাশ পাইছে। পাঠকসকলে এই গ্ৰন্থত থকা কথাখিনি পঢ়ক, অধ্যয়ন কৰক, ৰোমন্থন কৰক আৰু তাৎপৰ্য্য উপলব্ধি কৰিবৰ চেষ্টা কৰক আৰু তেতিয়া তেওঁলোকে দেখিব যে ই অকল আত্মোপলব্ধি প্ৰয়াসী মহান আত্মাৰ জীৱন পদ্ধতিৰ নীতি নিয়মৰ আবয়বিক ক্ৰমবিকাশেই নহয়, সংঘাত, ৰক্তক্ষয় আদিৰ পৰা মানবজাতিৰ মুক্তিৰ পথো ইয়াত প্ৰকাশ পাইছে। অধ্যাপক টইনবীৰ ভাষাত কবলৈ গলে "হিংসাই নিজে নিজে লয় পায় আৰু অকল নম্ৰতাকেহে বা অহিংসাকেহে সংসাৰত এৰি যায়।"

বোম্বাই ১৫ ৫ ৪২

মহাদেব দেশাই

পাঠক সকললৈ—

মোৰ লিখাবোৰ মনোযোগেৰে অধ্যয়ন কৰা পাঠকক আৰু এইবোৰৰ প্ৰতি অনুৰাগ থকা আন লোকসকলক কোৱা উচিত হব যে মতৰ সঙ্গতি ৰক্ষাৰ বাবে মই মুঠেই উৎকণ্ঠিত হোৱা নাই। মোৰ সত্যান্বেষণত মই বহুত ধাৰণা পৰিহাৰ কৰিছোঁ আৰু ভালেমান নতুন কথা শিকিছোঁ। বয়সত বুঢ়া হৈছোঁ যদিও মই যে অন্তৰতো বাঢ়িবলৈ এৰিছোঁ তেনে ধাৰণা মোৰ হোৱা নাই, নাইবা মোৰ শৰীৰৰ লয় হলেও বৃদ্ধি যে লয় হৈ যাব তেনে অনুভৱো মোৰ হোৱা নাই। প্ৰতিমুহূৰ্ত্তত মোৰ ভগৱান স্বৰূপ সত্যৰ আহ্বান পালনৰ প্ৰস্তুতিৰ বাবেহে মই উৎকণ্ঠিত আৰু সেই কাৰণে একে বিষয়ৰ ওপৰত লিখা দুটাৰ মাজত বিৰোধ পালে পাঠকে যদি এতিয়াও মোৰ মস্তিষ্ক সুস্থ আছে বুলি বিশ্বাস কৰে তেন্তে তেওঁ যেন সেই বিষয়ে লিখা পিছৰ কথাখিনিহে বাছি লয়।

এম কে গান্ধী

হৰিজন ২৯ ৪ ৩৩

সূচী

অধ্যায়		পৃষ্ঠা
	সম্পাদকৰ দুষাৰ	গ
	প্ৰকাশকৰ নিবেদন	চ
	ক্ৰমবিকাশত অহিংসা (মহাদেব দেশাই)	ঝ
	পাঠকসকললৈ	চ
১	হিংসানীতি	১
২	এটা পদক্ষেপেই মোৰ বাবে যথেষ্ট	৪
৩	আফগান ভূতৰ ভয়	৭
৪	আমাৰ প্ৰতিবেশী সকল	৯
৫	সীমান্তৰ বন্ধুসকল	১১
৬	আফগানৰ ভয়	১৪
৭	বৈদেশিক নীতি	১৭
৮	সৈন্যসকল	১৯
৯	আফগানিস্থানত থকা হিন্দুসকল	২০
১০	যুদ্ধত মোৰ ভাগ	২২
১১	মই যোৱা যুদ্ধত কিয় সহায় কৰিছিলো।	২৫
১২	আশাৰ মৰিমুৰ কেনেকৈ হ'ল ?	২৯
১৩	মোৰ পথ	৩১
১৪	স্বৰাজৰ অধীনত	৩৪
১৫	পশ্চিমৰ বাবে কি ?	৩৫
১৬	আমেৰিকাৰ বন্ধুসকললৈ	৩৮
১৭	বাধ্যতামূলক সামৰিক শিক্ষা	৪৩
১৮	ইউৰোপৰ পৰা	৪৮
১৯	ইউৰোপীয় সভ্যতা	৫৩
২০	এটা প্ৰশ্ন	৬১
২১	আমাৰ শক্তিহীনতা	৬২
২২	সকাহ দিওঁতে	৬৭
২৩	যুদ্ধ নে শান্তি ?	৭০
২৪	অহিংসাৰ সীমা থাকে নে ?	৭৩

অধ্যায়		পৃষ্ঠা
২৫	অপ্ৰতিৰোধ—প্ৰকৃত আৰু অপ্ৰকৃত	৭৭
২৬	অহিংসাৰ সপক্ষে	৮১
২৭	যুদ্ধৰ মানবীয় প্ৰভাৱ	৮৩
২৮	যুদ্ধৰ বিপক্ষে যুদ্ধ	৮৬
২৯	এতিয়াও একেটাতে	৮৮
৩০	যুদ্ধৰ প্ৰতি মোৰ মনোভাৱ	৯২
৩১	আমি কি কৰিব লাগিব ?	৯৫
৩২	'যুদ্ধৰ প্ৰতি মোৰ মনোভাৱ'	৯৮
৩৩	তৰোৱাল বনাম আত্মা	১০৪
৩৪	বিবেকৰ বাবে	১০৫
৩৫	নাৰী আৰু যুদ্ধ	১০৬
৩৬	এটা জটিল সমস্যা	১০৯
৩৭	কেলগ চুক্তি	১১২
৩৮	আমাৰ পছন্দ	১১৮
৩৯	সামৰিক আঁচনি	১২৩
৪০	দুৰ্গম পথ	১২৯
৪১	ভ্ৰান্ত ধাৰণাৰ নিৰসন	১৩২
৪২	ব্ৰিটিছসকল যেতিয়া আঁতৰি যাব	১৩৬
৪৩	অহিংসাৰ নীতি আৰু অনুশীলন (ম দে)	১৩৭
৪৪	বৃহত্তম শক্তি	১৪৩
৪৫	অহিংসা সম্পৰ্কে এটি কথিকা (ম দে)	১৪৭
৪৬	শান্তিৰ সমাধি	১৫২
৪৭	প্ৰেমহে ভগৱান, যুদ্ধৰ নহয়	১৫৩
৪৮	আমাৰ জীৱনৰ ধৰ্ম	১৫৬
৪৯	হিন্দুধৰ্ম্মৰ বাণী	১৬০
৫০	অহিংসা সাঁথৰ	১৬২
৫১	অহিংসা সম্পৰ্কে আলোচনা (ম দে)	১৬৬
৫২	আমাৰ ব্যৰ্থতা	১৭৩
৫৩	আত্মবিশ্লেষণৰ কাৰণে আবেদন	১৭৬

অধ্যায়		পৃষ্ঠা
৫৪	আমি কি বাছি লম ?	১৮০
৫৫	সামৰিকশক্তি বনাম নৈতিকশক্তি	১৮৩
৫৬	আৰু কেইটামান প্ৰশ্ন (ম দে)	১৮৫
৫৭	শান্তিবাহিনীৰ অৰ্হতাসমূহ	১৮৭
৫৮	অতি গুৰুত্বপূৰ্ণ প্ৰশ্ন (ম দে)	১৯০
৫৯	চীনলৈ বাণী (ম দে)	১৯১
৬০	যুক্তিযুক্ত পৰিণতি	১৯২
৬১	মই যদি এজন জেক হলেঁহেতেন	১৯৬
৬২	মহিলাসকলৰ বিশেষ মিছন	২০০
৬৩	বৃহৎ শক্তিসমূহে কিয় নোৱাৰিব ?	২০৩
৬৪	ইহুদীসকল	২০৬
৬৫	ৰাষ্ট্ৰীয় নৃশংসতাৰ বিৰুদ্ধে কেনেকৈ সংগ্ৰাম কৰিব ? (ম দে)	২১২
৬৬	জাৰ্ম্মান সমালোচকলৈ উত্তৰ	২১৩
৬৭	কেইটামান প্ৰশ্নৰ উত্তৰ	২১৫
৬৮	অহিংসা আৰু বিশ্বৰ সঙ্কট (পিয়াৰিলাল)	২১৭
৬৯	এজন জাপানী অতিথি (ম দে)	২২৬
৭০	অহিংসা ফলদায়ক নহয় নেকি ?	২২৯
৭১	চীন আৰু জাপান (ম দে)	২৩২
৭২	বেদনাসিক্ত এখন পৃথিৱী (পিয়াৰিলাল)	২৩৪
৭৩	বেদনাসিক্ত এখন পৃথিৱী	২৪৭
৭৪	অহিংসাৰ কাৰ্য্যকাৰিতা	২৫৩
৭৫	ক্ষমা প্ৰাৰ্থনাৰ প্ৰশ্ন নাই	২৫৭
৭৬.	কি কৰা উচিত ?	২৫৯
৭৭.	ইহুদী-সংক্ৰান্ত প্ৰশ্ন	২৬৩
৭৮.	প্ৰত্যাহাৰ	২৬৬
৭৯	অক্সফোৰ্ড সমষ্টি আৰু নৈতিক পুনৰ সশস্ত্ৰীকৰণ (ম. দে)	২৬৮
৮০.	যুদ্ধ-সংক্ৰান্ত প্ৰস্তাৱ	২৭০
৮১.	আসন্ন সঙ্কট	২৭২
৮২	চিমলা-ভ্ৰমণ	২৭৩

অধ্যায়		পৃষ্ঠা
৮৩	মোৰ সহানুভূতিৰ উৎস	২৭৬
৮৪	সাহসী পোলেণ্ডবাসীলৈ	২৭৯
৮৫	ৱৰ্কিং কমিটীৰ ইস্তাহাৰ	২৮০
৮৬	এগৰাকী পোলেণ্ড ভগ্নীৰ মানসিক উৎকণ্ঠা	২৮৯
৮৭	ভাৰতবৰ্ষ এখন সামৰিক দেশ নে ?	২৯১
৮৮	সাথৰ	২৯৩
৮৯	ভাৰতৰ মনোভাৱ	২৯৭
৯০	পৰীক্ষা	৩০১
৯১	এটি প্ৰশ্ন	৩০৪
৯২	হিন্দু মুছলমানৰ সংঘৰ্ষ	৩০৬
৯৩	বিনাচৰ্ত্তে সমৰ্থন ?	৩০৭
৯৪	পৰীক্ষাৰ সময় (ম দে)	৩০৮
৯৫	সিন্ধুৰ সংঘৰ্ষ	৩১৫
৯৬	পৰম কৰুণাময়ৰ হাতত	৩১৬
৯৭	সিন্ধুৰ শোকাবহ ঘটনা	৩২১
৯৮	সিন্ধুৰ শোকাবহ ঘটনা	৩২৫
৯৯	এজন শান্তিবাদীৰ সন্দেহ (ম দে)	৩২৭
১০০	সামগ্ৰিক সৈন্য ভৰ্ত্তিকৰণ	৩২৯
১০২	প্ৰতিৰক্ষাৰ প্ৰশ্ন	৩২৯
১০২	অধিক অপবাদ	৩৩০
১০৩	নোৱাখালিৰ হিন্দুসকললৈ মোৰ উপদেশ	৩৩২
১০৪	যেতিয়া ব্ৰিটিছ আঁতৰি যাব	৩৩৪
১০৫	কিছুমান প্ৰশ্ন (এ কে)	৩৩৬
১০৬	আমেৰিকাৰ পৰা দুটা প্ৰশ্ন	৩৩৭
১০৭	অহিংসাৰ সাৰ্থকতা কি ?	৩৪০
১০৮	গণতন্ত্ৰ আৰু অহিংসা	৩৪৪

[১]

হিংসানীতি

মই বিশ্বাস কৰোঁ যে য'ত অকল ভীৰুতা আৰু হিংসাৰ মাজত এটা পথ বাছিব লগা হয় তাত মই হিংসাৰ পথ লবলৈ পৰামৰ্শ দিম। সেয়েহে মোৰ ডাঙৰ লৰাজনে যেতিয়া এইদৰে সুধিছিল যে ১৯০৮ চনত মোক মৰিয়াই প্ৰায় মাৰি পেলাবৰ উপক্ৰম কৰাৰ সময়ত যদি সি উপস্থিত থাকিলহেঁতেন, তেতিয়া সি মোক মাৰি পেলাবলৈ এৰি দি দৌৰি পলোৱা ভাল হ'লহেঁতেন, নে সি তাৰ শাৰীৰিক শক্তি প্ৰয়োগ কৰি মোক বচাবলৈ চেষ্টা কৰা উচিত হ'লহেঁতেন— তেতিয়া মই তাক কৈছিলোঁ যে হিংসা প্ৰয়োগ কৰি হলেও মোক ৰক্ষা কৰা-টোৱেই তাৰ কৰ্ত্তব্য হ'লহেঁতেন। সেইকাৰণেই মই তথাকথিত জুলুবিদ্ৰোহ বা বুৱাৰ যুদ্ধত অংশগ্ৰহণ কৰিছিলোঁ আৰু যোৱা যুদ্ধতো লাগিছিলোঁ। সেই কাৰণেই যি সকলে হিংসাৰ পন্থাত বিশ্বাস কৰে তেওঁলোকৰ বাবে মই অস্ত্ৰ-শিক্ষাৰো সমৰ্থন কৰোঁ। কাপুৰুষৰ দৰে সহায়হীনভাৱে অপযশ আৰু লাঞ্ছনা সহি থকাতকৈ আত্মসন্মান ৰক্ষা কৰিবলৈ ভাৰতবৰ্ষই বৰং অস্ত্ৰ-শস্ত্ৰেৰে সজ্জিত হোৱাটোকে মই বাঞ্ছা কৰিম।

কিন্তু মই বিশ্বাস কৰোঁ যে অহিংসা হিংসাতকৈ অশেষগুণে শ্ৰেয়, ক্ষমা শাস্তিতকৈ বেছি সাহসিক কাম। ক্ষমাই সৈনিকক ভূষিত কৰে। কিন্তু শাস্তি দিয়াৰ ক্ষমতা থাকিলেহে শাস্তিৰ বিৰতিক ক্ষমা বুলিব পাৰি। শক্তিহীন অসহায় লোকে ছলনাৰে দেখুওৱা তেনে আচৰণ অৰ্থহীন। মেকুৰীৰ হাতত পৰি নিজক চিৰাচিৰ কৰিবলৈ এৰি দি নিগনিয়ে সেই মেকুৰীক ক্ষমা কৰাৰ কথাই নুঠে। সেইকাৰণে যি সকলে জেনেৰেল ডায়াৰ আৰু তেওঁৰ লগৰীয়া-সকলক উপযুক্ত শাস্তি দিবলৈ দাবী কৰিছে মই তেওঁলোকৰ অনুভূতিৰ প্ৰতি সমাদৰ জনাওঁ। পাৰিলে তেওঁলোকে তেওঁক চিৰাচিৰ কৰি পেলালেহেঁতেন। কিন্তু মই ভাৰতবৰ্ষক নি সহায় বুলি বিশ্বাস নকৰোঁ। মই নিজকে অসহায় প্ৰাণী বুলিও বিশ্বাস নকৰোঁ। মই কেৱল ভাৰতবৰ্ষৰ আৰু মোৰ শক্তি এটা সজ উদ্দেশ্যত প্ৰয়োগ কৰিবলৈ বিচাৰোঁ।

মোক যেন কোনোৱে ভুল নুবুজে। বল শাৰীৰিক শক্তিৰ পৰা নাহে। ই আহে এটা অদম্য সংকল্পৰ পৰা। শাৰীৰিক শক্তিত সাধাৰণ জুলু এজনৰ লগত এজন সাধাৰণ ইংৰাজে কেৰ মাৰিব নোৱাৰে। কিন্তু জুলু এজনে ইংৰাজ

লৰা এজন দেখিলেও পলাই যায় কাৰণ সি লৰাজনৰ বিভলভাৰটোলৈ ভয় কৰে নাইবা যিবিলাকে লৰাজনৰ বাবে বিভলভাৰটো ব্যৱহাৰ কৰে সিহঁতক দেখিলেও পলায়। সি মৰিবলৈ ভয় কৰে আৰু গাঠলু শৰীৰ থকা সত্বেও সি শক্তিহীন। আমি ক্ষন্তেকতে উপলব্ধি কৰিব পাৰোঁ যে ভাৰতত এশ হাজাৰ ইংৰাজ লোকে তিনিশ নিযুত লোকক ভয় খুৱাই ৰাখিব নোৱাৰে। গতিকে নিশ্চিত ৰূপত প্ৰদৰ্শন কৰা ক্ষমা ভাৰতৰ বাবে নিশ্চিত শক্তিৰ পৰিচায়ক। ক্ষমাৰ এই সচেতনতাৰ লগতে নিশ্চয় বিৰাট ঢৌ আমাৰ অন্তৰত উদিত হব। আৰু এই শক্তিয়ে কোনো ডায়াৰে বা কোনো ক্ৰেঙ্ক জনচনে ভাৰতৰ ওপৰত কোনো প্ৰকাৰৰ অপমান জাপি দিয়া অসম্ভৱ কৰি তুলিব। এই মুহূৰ্ত্তত মই এই কথাটো সকলোৱে হৃদয়ঙ্গম কৰাব নোৱাৰিলেও তাত বিশেষ ক্ষতি হব বুলি নাভাবোঁ। ক্ৰুদ্ধ আৰু প্ৰতিশোধ পৰায়ণ হব নোৱাৰিলে আমি যেন পদদলিত, এনে এটা ভাব আমাৰ অন্তৰত জাগিব ধৰিছে। কিন্তু মই এই কথা কবলৈ নেৰোঁ যে ভাৰতে শাস্তিবিধানৰ অধিকাৰ ত্যাগ কৰিলে অধিক লাভৱান হব। আমাৰ হাতত কৰিবলগীয়া অনেক সজ কাম আছে, জগতত আমি সজ আদৰ্শ প্ৰতিষ্ঠা কৰিব লাগিব।

মই কল্পনাবিলাসী নহওঁ। মই নিজকে বাস্তৱ আদৰ্শবাদী বুলি অনুভৱ কৰোঁ। অহিংসা ধৰ্ম্ম অকল ঋষি আৰু সাধুসন্তসকলৰ বাবেই নহয়, ই সৰ্ব্বসাধাৰণৰেই ধৰ্ম্ম। অহিংসা মনুষ্যজাতিৰ নীতি, হিংসা পশুৰ স্বভাৱ। পশুৰ আত্মা সুপ্ত আৰু ই শাৰীৰিক শক্তিৰ বাহিৰে আন নীতি নিয়ম নাজানে। মানুহৰ মৰ্য্যাদাই উচ্চনীতিৰ প্ৰতি সমাদৰ জনায় আৰু সেই নীতিয়েই হৈছে আত্মাৰ বল।

গতিকে মই ভাৰতৰ সন্মুখত অতীতৰ আত্মোৎসৰ্গৰ নীতি উত্থাপিত কৰিবলৈ ওলাইছোঁ। কাৰণ সত্যাগ্ৰহ, অসহযোগ, নিষ্ক্ৰিয় প্ৰতিৰোধ আদি সকলো আত্মপীড়নৰ বিভিন্ন নামান্তৰ মাথোন। যিসকল ঋষিয়ে হিংসাৰ মাজত অহিংসাৰ নীতি আবিষ্কাৰ কৰিছিল তেওঁলোকৰ মনীষা নিউটনতকৈ বেছি আছিল। তেওঁলোক ৱেলিংটনতকৈ বেছি সাহসী যোদ্ধা আছিল। সকলো অস্ত্ৰৰ প্ৰয়োগ জানি, তাৰ নিষ্ফলতা উপলব্ধি কৰি তেওঁলোকে জৰ্জৰিত জগতক শিকালে মুক্তিৰ পথ হিংসা নহয়, অহিংসাহে। "অহিংসাৰ গতিশীল অৱস্থা সচেতন আত্মপীড়ন। ই দুৰ্বৃত্তৰ ইচ্ছাৰ প্ৰতি নীৰৱ আত্মসমৰ্পণ নহয়, আনহাতে ই নিজৰ সমস্ত সত্তাৰে অত্যাচাৰীৰ ইচ্ছাৰ বিৰুদ্ধে থিয় হোৱাকেহে

বুজায়। এই নীতিৰ ওপৰত নিৰ্ভৰ কৰি এজন ব্যক্তিয়ে অকলে নিজৰ সন্মান, ধৰ্ম্ম, আত্মা আৰু বিবেক ৰক্ষাৰ কাৰণে অন্যায়ৰ সাম্ৰাজ্য এখনৰ সমস্ত শক্তিৰ বিৰুদ্ধে ফেৰ পাতিব পাৰে আৰু সেই সাম্ৰাজ্যৰ হয় পতন নহয় পৰিবৰ্ত্তনৰ বুনিয়াদ তৈয়াৰ কৰিব পাৰে।

গতিকে দুৰ্ব্বল বুলি ভাবি মই ভাৰতবৰ্ষক অহিংস হবলৈ জোৰ কৰা নাই। ভাৰতবৰ্ষৰ শক্তি আৰু ক্ষমতাৰ প্ৰতি সজাগ হৈহে অহিংসা আচৰণ কৰিব লাগে বুলি মই কৈছোঁ। এই শক্তিক উপলব্ধি কৰিবলৈ ভাৰতক কোনো অস্ত্ৰশিক্ষা নালাগে। আমাক এই শিক্ষাৰ আৱশ্যক যেন লাগে কাৰণ আমি আমাক মাত্ৰ একোটা মাংসপিণ্ড বুলি ভাবোঁ। মই বিচাৰোঁ ভাৰতবৰ্ষই উপলব্ধি কৰক যে ভাৰতৰ অবিনাশী আত্মা এটা আছে আৰু সেই আত্মাৰ সকলো ভৌতিক দুৰ্ব্বলতাক জয় কৰিব পৰা আৰু সমগ্ৰ পৃথিৱীৰ একত্ৰিত শক্তিকো পৰাভূত কৰিব পৰা এটা মহান শক্তি আছে। প্ৰচণ্ড মহোদধিৰ উত্তাল তৰঙ্গেৰে বেষ্টিত সুৰক্ষিতপ্ৰায় লঙ্কাৰ দুৰ্দ্ধৰ্ষ শক্তিসম্পন্ন দশানন ৰাৱণৰ বিৰুদ্ধে এদল বান্দৰ লৈ যুদ্ধ কৰিবলৈ যোৱা মানৱ মাত্ৰ ৰামৰ আখ্যানে কি বুজায়? ই ভৌতিক পৰাক্ৰমৰ ওপৰত আধ্যাত্মিক শক্তিৰ বিজয় সুবুজায়নে? সি যি নহওক বাস্তৱকৰ্ম্মী হিচাপে মই ভাৰতবৰ্ষই ৰাজনীতি ক্ষেত্ৰত আধ্যাত্মিক জীৱনযাপনৰ কাৰ্য্যকাৰিতা উপলব্ধি কৰাৰ দিনলৈ বাট চাই বৈ থাকিবলৈ ইচ্ছা নকৰোঁ। ভাৰতবৰ্ষই আজি ইংৰাজৰ স্বয়ংক্ৰিয় বন্দুক, টেঙ্ক, উৰাজাহাজ আদিৰ আগত নিজকে শক্তিহীন আৰু জঠৰ বুলি বিবেচনা কৰিছে আৰু এই দুৰ্ব্বলতাৰ বাবেই অসহযোগৰ পথ লৈছে। তথাপি ই একে উদ্দেশ্যকে পূৰণ কৰিব অৰ্থাৎ যদি বুজন সংখ্যাৰ লোকে এই অসহযোগত প্ৰবৃত্ত হয় তেন্তে ইয়েই ভাৰতক ব্ৰিটিছৰ অন্যায় নিষ্পেষণৰ পৰা মুক্ত কৰিব পাৰিব।

মোৰ এই অসহযোগ চিন ফেইনিজিমৰ পৰা পৃথক। কাৰণ ইয়াৰ আচনিত হিংসাৰ আচৰণ খাপ নাখায়। হিংসা আৰু অসহযোগ এই দুয়োটা একেলগে আচৰণ কৰিব নোৱাৰি। মই হিংসাত বিশ্বাসী লোকসকলকো এই শান্তিপূৰ্ণ অসহযোগত যোগ দি ইয়াৰ কাৰ্য্যকাৰিতা পৰীক্ষা কৰিবলৈ আহ্বান জনাওঁ। কোনো অন্তৰ্নিহিত দুৰ্ব্বলতাৰ বাবে ই অকৃতকাৰ্য্য হব নোৱাৰে। সঁহাৰিৰ দৈন্যৰ বাবে হয়তো ই কাৰ্য্যকৰী হব নোৱাৰিব পাৰে। তেতিয়া হয়তো প্ৰকৃত বিপদৰ কাল উপস্থিত হব। জাতীয় অৱমাননা আৰু সহি থাকিব নোৱাৰা উগ্ৰমনা দেশপ্ৰেমিকসকলৰ অন্তৰত বহ্নি তেতিয়া জ্বলি উঠিব

পাৰে। তেওঁলোকে হিংসাৰ আশ্ৰয় লব। মই যিমানদূৰ বুজিছোঁ তেওঁলোকে অন্যায়ৰ পৰা নিজক বা নিজৰ দেশক মুক্ত কৰিব নোৱাৰাকৈয়ে নাশ হৈ যাব। ভাৰতবৰ্ষই যদি তৰোৱালতন্ত্ৰৰ আশ্ৰয় লয় তেতিয়া হয়তো সাময়িক জয়লাভ কৰিব পাৰে। তেতিয়া ভাৰতবৰ্ষ আৰু মোৰ অন্তৰৰ গৌৰবৰ বস্তু হৈ নাথাকিব। মই ভাৰতৰ লগত একাত্ম কাৰণ মোৰ সকলো মই ভাৰতৰ পৰাই পাইছোঁ। মই সম্পূৰ্ণকৈ বিশ্বাস কৰোঁ যে বিশ্বৰ বাবে ভাৰতে ঈশ্বৰ প্ৰেৰিত কাম কৰিব লাগিব। ভাৰতে ইউৰোপক অন্ধৰ দৰে অনুকৰণ কৰিব নালাগে। ভাৰতে তৰোৱালতন্ত্ৰ গ্ৰহণ কৰিলে মোৰ কাৰণে এটা অগ্নিপৰীক্ষাৰ সময় আহিব। আশাকৰো মই হুঁহকি নাযাম। মোৰ ধৰ্ম্মৰ ভৌগোলিক সীমা নাই। ইয়াত যদি মোৰ জীৱন্ত বিশ্বাস আছে তেন্তে এই ধৰ্ম্মই ভাৰতবৰ্ষৰ প্ৰেমবো ঊৰ্দ্ধত বিচৰণ কৰিব। মোৰ বিশ্বাসত হিন্দু ধৰ্ম্মৰ মূল অহিংসা আৰু এই অহিংসা ধৰ্ম্মৰ জৰিয়তেই মই ভাৰতবৰ্ষৰ সেৱাৰ বাবে মোৰ জীৱন সমৰ্পণ কৰিছোঁ।

ইয়ং ইণ্ডিয়া ১১-৮ ১৯২

[২]

এটা পদক্ষেপেই মোৰ বাবে যথেষ্ট

মিষ্টাৰ ষ্টোকচ এজন খ্ৰীষ্টিয়ান। ঈশ্বৰ প্ৰদৰ্শিত পথ তেওঁ অনুসৰণ কৰিবলৈ ইচ্ছা কৰে। তেওঁ ভাৰতবৰ্ষকে বাসভূমি হিচাপে লৈছে। ভৈয়ামৰ ভাৰত বৰ্ষৰ পৰা আঁতৰত থাকি, পাহাৰীয় লোকসকলৰ সেৱা কৰি তেওঁ কোটাগিৰি পাহাৰত থাকিবলৈ লৈছে। তাৰে পৰা তেওঁ অসহযোগ আন্দোলনৰ গম গতি নিৰীক্ষণ কৰি আছিল। কলিকতাৰ 'দি চাৰ্জেণ্ট' আৰু আন আন বাতৰি কাকতলৈ তেওঁ অসহযোগ সম্পৰ্কে তিনিটা প্ৰবন্ধ পৰিবেশন কৰিছিল। মই বঙ্গদেশ ভ্ৰমণ কৰা কালত এই প্ৰবন্ধকেইটা পঢ়াৰ সুযোগ পাইছিলোঁ। মিষ্টাৰ ষ্টোকচে অসহযোগ সমৰ্থন কৰে কিন্তু ইয়াৰ পূৰ্ণ কৃতকাৰ্য্যতাত অৰ্থাৎ ব্ৰিটিছক ভাৰতৰ পৰা অপসাৰণত তেওঁ অতিশয় আতঙ্কিত। তেওঁৰ মনত ভাৰতবৰ্ষৰ এনে এখন ভ্ৰমাত্মক ছবি ভাঁহি উঠিছিল যে ব্ৰিটিছসকল ভাৰতৰ পৰা অপসাৰিত হলে ভাৰতবৰ্ষক উত্তৰ পশ্চিম দিশৰ পৰা আফগানবিলাকে আক্ৰমণ কৰিব আৰু পাহাৰী গুৰ্খাবিলাকে লুটপাট কৰিব। মই কাৰ্ডিনাল নিউম্যানৰ সুৰতে সুৰ মিলাই কওঁ—"সুদূৰত কি হব তাক চাবলৈ মই নকওঁ, এটা পদক্ষেপেই

মোৰ বাবে যথেষ্ট।" এই আন্দোলন মূলতঃ ধৰ্ম্মীয় আন্দোলন, ঈশ্বৰক ভয় কৰা প্ৰতিজন লোকৰ কৰ্ত্তব্য হৈছে পৰিণামত কি হয় তাৰ প্ৰতি ভ্ৰূক্ষেপ নকৰি গৰ্হিত বা বেয়াৰ পৰা সম্পূৰ্ণ আঁতৰত থকা। ভাল কামৰ পৰিণতি নিশ্চয় ভাল হব—এই কথাত তেওঁৰ সম্পূৰ্ণ বিশ্বাস থাকিব লাগিব। মোৰ বোধেৰে গীতাৰ অনাসক্ত কৰ্ম্মৰ এয়ে তত্ত্ব। ঈশ্বৰে মানুহক ভবিষ্যতৰ বুকুত ভুমুকিয়াবলৈ দিয়া নাই। সত্যৰ অন্বেষণত নিজৰ জীৱন বিপন্ন হলেও ধাৰ্ম্মিক মানুহে সত্যকেই অনুসৰণ কৰে। তেওঁ জানে যে চয়তান পিশাচৰ পথ লোৱাতকৈ ভগবাননিৰ্দ্দিষ্ট পথত থাকি মৃত্যুও শ্ৰেয়। গতিকে যি সকলে বুজি পাইছে যে এই চৰকাৰে চয়তান পিশাচৰ হে প্ৰতিনিধিত্ব কৰে তেনে লোকৰ পক্ষে এই চৰকাৰৰ লগত সম্পূৰ্ণ অসহযোগ কৰাৰ বাহিৰে গত্যন্তৰ নাই।

তথাপি ভাৰতবৰ্ষৰ পৰা হঠাতে ব্ৰিটিছসকল গুচি গ'লে কি বেয়া হব পাৰে আলোচনা কৰা যাওক। গুৰ্খা আৰু পাঠানসকলে যদি আমাক আক্ৰমণ কৰে কৰক, তাৰ পৰা কি হব? বৰ্ত্তমান চৰকাৰে আমাৰ ওপৰত যি নৈতিক আৰু দৈহিক হিংসাত্মক অত্যাচাৰ নিয়তভাবে চলাই আছে তাৰ পৰিবৰ্ত্তে তেওঁলোকৰ হিংসাত্মক কাৰ্য্যৰ সমুচিত প্ৰত্যুত্তৰ আমি দিব পাৰিম। মিঃ ষ্টোকচে বোধহয় শাৰীৰিক শক্তি প্ৰয়োগ একেবাৰে বাদ দিয়া নাই। সংযুক্ত ভাৰতবৰ্ষৰ ৰাজপুত, শিখ আৰু মুছলমান যোদ্ধাসকলৰ সামূহিক শক্তিক যি কোনো দিশৰ পৰা বা সকলো দিশৰ পৰা অহা লোটনিয়াৰসকলক সেও মনাবলৈ দায়িত্ব দিয়া হব। আটাইতকৈ বেয়াটোকে বাৰু কল্পনা কৰা যাওক,—বঙ্গোপসাগৰৰ দিশৰ পৰা জাপানে আমাক আগুৰি ধৰিলে, গুৰ্খাসকলে পাহাৰৰ পৰা আক্ৰমণ কৰিলে আৰু উত্তৰ পশ্চিম দিশৰ পৰা পাঠানসকল আহিল। আমি যদি তেওঁলোকক বিতাড়িত কৰিব নোৱাৰোঁ আমি তেওঁলোকৰ লগত বুজাপৰা কৰিম আৰু প্ৰথম সুযোগতে তেওঁলোকক বাহিৰ কৰি দিম। নিঃসহায় ভাবে দেখ দেখ অন্যায় শাসনৰ ওচৰত আত্মসমৰ্পণ কৰি থকাতকৈ নিশ্চয় এইটো বেছি সাহসিকতাৰ পথ হব।

কিন্তু মই এনে নৈৰাশ্যজনক বিষাদপূৰ্ণ ছবি মনলৈ আনিব নোখোজোঁ। যদি এই আন্দোলন অহিংসা আৰু অসহযোগৰ জৰিয়তে সাফল্যমণ্ডিত হয়, আৰু মিঃ ষ্টোকচে এনে অনুমানকে কৰিছে—ইংৰাজসকলে ইয়াতে থাকক বা আঁতৰিয়েই যাওক, তেওঁলোকে বন্ধু হিচাপে আৰু সমান অংশীদাৰ হিচাপে সুসঙ্গত আপোচ-মীমাংসাৰ জৰিয়তেহে তেনে কৰিব। ইংৰাজেই হওক বা

আন কোনোবাই হওক, মই মানুহৰ প্ৰকৃতিৰ সততাত বিশ্বাস কৰোঁ। গতিকে ইংৰাজসকলে একে বাতিতেই আঁতৰি যাব বুলি মই বিশ্বাস নকৰোঁ।

গুৰ্খা আৰু আফগানসকল অসংশোধনীয় বা ভাল পথলৈ আনিব নোৱাৰা আৰু গুধবনিৰ প্ৰভাৱত মূঠেই সঁহাৰি নিদিয়া চোৰ ডকাইত বুলি মই ধৰি লম নে? মই কেতিয়াও বিশ্বাস নকৰোঁ। ভাৰতবৰ্ষই যদি নিজস্ব আধ্যাত্মিকতাৰ পথলৈ প্ৰত্যাবৰ্ত্তন কৰে ই নিশ্চয় ওচৰ সামৰে থকা জনজাতীয় লোকসকলৰ মঙ্গলৰ বাবে চকু দিব আৰু প্ৰয়োজন হলে তেওঁলোকক সহায় সমৰ্থনো কৰিব। প্ৰতিবেশীৰ প্ৰতি থকা দায়িত্বৰ বাবেই ভাৰতে এনে কাম কৰিব, ভয়ৰ বাবে নহয়। জাপান আৰু ব্ৰিটিছক ভাৰতে একে সময়তে একেদৰে চাব লাগিব। নিজৰ দেশৰ চাৰিসীমাৰ ভিতৰত উৎপাদন কৰিব পৰা কোনো বস্তুকে বিদেশীৰ পৰা আনি ব্যৱহাৰ কৰাটো পাপ বুলি লবলৈ ভাৰতে যদি শিকিব পাৰে তেতিয়া জাপানে ভাৰতক আক্ৰমণ কৰাৰ প্ৰয়োজন বোধ নকৰিব। ভাৰতে যথেষ্ট পৰিমাণৰ খাদ্যবস্তু উৎপাদন কৰিব পাৰে, মুনিহ তিৰোতাই কোনো অসুবিধা নোপোৱাকৈ নগ্নতা নিবাৰণ কৰিবলৈ আৰু জাৰ জহৰ হাত সাৰিবলৈ যথেষ্ট কাপোৰ উৎপাদন কৰিব পাৰে। আমি বিদেশী জাতিৰ লগত যদি তেওঁলোকৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীল মনোভাব লৈ আচৰণ কৰোঁ তেন্তে আমি তেওঁলোকৰ লোভ উদ্ৰেক কৰিম আৰু আক্ৰমণৰ বলি হম। আমি তেওঁলোকৰ প্ৰত্যেকৰ পৰা স্বাধীন হবলৈ শিকিব লাগিব।

গতিকে অৱশেষত হিংসাৰেই হওক বা অহিংসাৰেই হওক আমি কৃতকাৰ্য্য হ'লে মোৰ মতে আমাৰ ভবিষ্যত কেতিয়াও মি ষ্টোকচে কল্পনা কৰাৰ দৰে অন্ধকাৰময় নহয়। মোৰ মতে অনুমান কৰিব পৰা কোনো সম্ভাব্য পৰিস্থিতিয়ে বৰ্ত্তমানৰ ভীক আৰু অসহায় অৱস্থাতকৈ কম অন্ধকাৰাচ্ছন্ন হব। আমি নিজে আমাৰ বাবে অঙ্কিত কৰি লোৱা অহিংস আৰু ত্যাগৰ উন্মুক্ত আৰু সম্মানজনক পথ আস্থা আৰু নিৰ্ভয়ে অনুসৰণ কৰাৰ বাহিৰে আন কোনো ভাল পন্থা লব নোৱাৰোঁ।

ইয়ং ইণ্ডিয়া, ২৯ ১২ ১৯২

[৩]

আফগান ভূতৰ ভয়

পাঠক সকলে আন এঠাইত এজন সাংবাদিকে উত্থাপন কৰা এজাউৰি প্ৰশ্ন পাব। তাৰ ভিতৰত আটাইতকৈ গুৰুতৰ প্ৰশ্নটো হৈছে আফগান আক্ৰমণৰ ভয় সম্পৰ্কে দিয়া মৌলানা মহম্মদ আলীৰ এটা ভাষণৰ ওপৰত। সাংবাদিকজনে উত্থাপন কৰা মৌলানা মহম্মদ আলীৰ বক্তৃতাটো মই পঢ়া নাই। তেওঁ কওক বা নকওক, যদি আফগানিস্থানৰ আমীৰে ব্ৰিটিছ চৰকাৰৰ বিৰুদ্ধে যুদ্ধত নামে মই নিশ্চয় এক হিচাপে তেওঁক সহায় কৰিম, অৰ্থাৎ যি চৰকাৰে সমগ্ৰ জাতিৰ বিশ্বাস হেৰুৱাইছে সেই চৰকাৰক ক্ষমতাত অধিষ্ঠিত কৰি ৰাখিবৰ বাবে কৰা যি কোনো সহায়ে মহাপাপ হব বুলি মই মোৰ দেশবাসীক মুক্তকণ্ঠে কম। আনহাতে আমীৰৰ বাবে সৈন্য বা ধন সংগ্ৰহ কৰিবলৈ মই ভাৰত-বাসীক অনুৰোধ নকৰোঁ। তেনে কৰাটো খিলাফত, পঞ্জাব আৰু স্বৰাজৰ উদ্দেশ্যে হিন্দু মুছলমান উভয়ে গ্ৰহণ কৰা অহিংসনীতিৰ বিপৰীতে যাব। আৰু মোৰ বিশ্বাস মৌলানা মহম্মদ আলীয়ে সেই বক্তৃতাত মই কোৱাতকৈ বেলেগ অৰ্থ কৰা নাছিল। হিন্দু আৰু মুছলমানসকলৰ এই সংহতি থকালৈকে তেওঁ আচলতে ইয়াৰ অন্যথা কৰিবও নোৱাৰে। মুছলমান-সকলে ইচ্ছা কৰিলে এই সংহতি ভাঙি দিব পাৰে। কিন্তু গোটেই কথাটো বিচাৰ কৰি চালে দেখা যাব যে এই সংহতি নিকপকণীয়া আৰু অভঙ্গনীয়। এই সংহতি ভঙ্গ কৰা মানেই ভাৰতৰ উদ্দেশ্য নষ্ট কৰি দিয়া। বৰ্ত্তমান পৰিস্থিতিত হিন্দু আৰু মুছলমান সকলে যুটীয়াভাবে সশস্ত্ৰ বিদ্ৰোহ কৰিব পাৰে বুলি মই পতিয়ন যাব নোৱাৰোঁ আৰু মুছলমানসকলেও এনে এটা সশস্ত্ৰ বিদ্ৰোহৰ পৰিকল্পনাত কৃতকাৰ্য্য হব বুলি আশা কৰিব নোৱাৰোঁ।

সি যি নহওক, আফগান আক্ৰমণৰ ভয় আছে বুলি পাঠকসকলক বিশ্বাস-নকৰিবলৈ মই ৰঢ়াই দঢ়াই কৈকিয়াই দিওঁ। তেওঁলোকে যে নিজৰ সামৰিক লিখক-সকলে প্ৰায়ে আমাক এই গুপুত কথা জানিবলৈ দিয়ে যে তেওঁলোকৰ বেছি ভাগ শান্তিমূলক যুদ্ধযাত্ৰাই হয় সৈন্যসকলৰ প্ৰশিক্ষণৰ বাবে নাইবা অকামিলা হৈ বহি থকা সামৰিক বাহিনীক কামত লগাই থবৰ বাবে কৰা অভিযান। দুৰ্ব্বল, নিৰস্ত্ৰ, নিঃসহায়, যেয়ে যিহকে কয় তাকে শুনি বিশ্বাস কৰা ভাৰতবৰ্ষৰ

ইয়াৰ চৰকাৰে কেনেকৈ সম্মোহিত কৰি তথা লগাই ৰাখিছে তাক ভাৰতবৰ্ষই উপলব্ধি কৰিব পৰা নাই। আন কি আমাৰ মাজৰে খ্যাতিসম্পন্ন লোকৰ বহুতেই আজিও প্ৰকৃততে বিশ্বাস কৰে যে সামৰিক বাজেটৰ অঙ্ক উত্তৰোত্তৰ বৃদ্ধি বহিৰাক্ৰমণৰ পৰা ভাৰতক ৰক্ষা কৰিবৰ বাবেহে প্ৰয়োজন হৈছে। কিন্তু মই কওঁ যে এই বাজেটৰ অঙ্ক উৰ্দ্ধমুখী হোৱাৰ কাৰণ হৈছে শিখ, গুৰ্খা, পাঠান আৰু ৰাজপুতসকলৰ ওপৰত চৰকাৰৰ বিশ্বাসৰ অভাব অৰ্থাৎ আমাৰ ওপৰত বিশ্বাসৰ অভাব আৰু আমাক বলেৰে বহতীয়া কৰি ৰখাৰ প্ৰয়োজন। আমীৰৰ লগত সন্ধি কৰাৰ বাবে হোৱা চৰকাৰৰ উদ্বিগ্নতা মোৰ বিশ্বাসমতে ভাৰতীয় সৈন্যৰ আস্থা হেৰুৱাৰ ভয়তহে হৈছে, ৰুছিয়াই আক্ৰমণ কৰিব বুলি হোৱা ভয়ত নহয়। আজি ৰুছিয়াৰ পৰা আক্ৰমণৰ ভয় সচাঁকৈয়ে নাই। মই কেতিয়াও বলশ্বেভিক ভয় ভাবুকিত বিশ্বাস কৰা নাই। আৰু বঙ্গৰ দুলাল এজনৰ কথাৰে কবলৈ গলে "ৰাইজৰ প্ৰীতি আৰু মৰমৰ বহল দৃষ্টিভঙ্গীত আধাৰিত" কোনো ভাৰত চৰকাৰেই ৰুছিয়াৰ পৰা নাইবা বলশ্বেভিক সকলৰ পৰা নাইবা কোনো দিশৰ পৰাই ভয় পোৱা উচিত জানো? সন্তুষ্ট আৰু শক্তিশালী ভাৰতবৰ্ষই তদুপৰি গ্ৰেটবৃটেনৰ লগত মিত্ৰতা পাশত আবদ্ধ হৈ যি কোনো সময়তে যি কোনো দিশৰ পৰা অহা আক্ৰমণ ওফৰাই দিব নিশ্চয় পাৰিব। কিন্তু এই চৰকাৰে ইচ্ছা কৰিয়েই আমাক পৌৰুষহীন কৰি ৰাখিছে, আমাক ওচৰ-চুবুৰীয়াসকলৰ আৰু সমগ্ৰ বিশ্বৰ পৰা চিৰন্তন ভীতিগ্ৰস্ত কৰি ৰাখিছে আৰু ভাৰতবৰ্ষৰ বিপুল সম্পদৰাজি শোষণ কৰি আমাক প্ৰতিৰক্ষা বিষয়তেই হওক নাইবা ক্ৰমবৰ্দ্ধমান দৰিদ্ৰতাৰ বাবে হোৱা সাধাৰণ সমস্যা সমাধানৰ বাবেই হওক কোনো পন্থা লব নোৱাৰাকৈ ৰাখি আমাৰ আত্মবিশ্বাস নোহোৱা কৰি পেলাইছে। সেই কাৰণে মই নিশ্চয় আশা কৰোঁ আমীৰে এই চৰকাৰৰ লগত কোনো চুক্তিত নোসোমাব। এই চৰকাৰৰ লগত কৰা যি কোনো চুক্তিয়েই ইচলাম আৰু ভাৰতবৰ্ষৰ স্বাৰ্থৰ প্ৰতিকূলে যাব। এই চৰকাৰে তথাকথিত জৰুৰী অৱস্থাৰ দোহাই দিও ডায়াৰৰ নীতি পৰিহাৰ কৰিবলৈ অসম্মত হৈ, মুছলমানসকলৰ ওপৰত বিশ্বাস ৰাখিবলৈ ইচ্ছা নকৰি, আৰু ভাৰতবৰ্ষক ওপৰলৈ উঠিবলৈ দিয়াত অনিচ্ছুক হৈ ভাৰতৰ বিৰুদ্ধে আক্ৰমণাত্মক চুক্তিত আফগানিস্থানক সুমুৱাবলৈ চেষ্টা কৰিছে। (মই ভাৰত চৰকাৰক সাম্ৰাজ্যবাদী চৰকাৰৰ পৰা পৃথক কৰি নিশ্চয় চাব নোৱাৰোঁ)। মই আশা কৰোঁ অসহযোগত ব্ৰতী হিচাপে আমাৰ মাত্ৰ এটাই কথা, আমি নিজে সহযোগৰ পৰা আঁতৰত থাকি

আনে এই চৰকাৰৰ লগত সহযোগ কৰক এই কামনা আমি কেতিয়াও কৰিব নোৱাৰোঁ।

ইয়ং ইণ্ডিয়া, ৪।৫।১৯২১

[৪]

আমাৰ প্ৰতিবেশীসকল

মিষ্টাৰ এণ্ড্ৰুজে মোক সুধিছে—মোৰ 'আফগান ভূতৰ ভয়' প্ৰবন্ধটোৱে স্পষ্টভাবে আফগানসকলক ভাৰত আক্ৰমণ কৰিবৰ বাবে আমন্ত্ৰণ জনোৱা নাই নে আৰু এই ক্ষেত্ৰত মই হিংসাৰ সমৰ্থন কৰাত অংশীদাৰ হোৱা নাই নে? মোৰ প্ৰবন্ধটো ভাৰতবাসী আৰু চৰকাৰক লক্ষ্য কৰিহে লিখা হৈছে। আফগানসকলক ইমান মূৰ্খ বুলি মই বিশ্বাস নকৰোঁ যে মোৰ প্ৰবন্ধটোৰ জোৰতহে তেওঁলোকে ভাৰত আক্ৰমণ কৰিব। কিন্তু মই দেখিছোঁ মিষ্টাৰ এণ্ড্ৰুজে পোষণ কৰা ধাৰণা এই প্ৰবন্ধটোৰ পৰা হব পাৰে। সেই কাৰণে মই সকলো সংশ্লিষ্ট লোককে ততাতৈয়াকৈ জনাব খোজোঁ যে আফগান নাইবা আন কাৰো পৰা আমি সহায় কামনাতো নকৰোঁৱেই বৰং যাতে তেওঁলোকৰ কোনোৱে আমাক সহায় নকৰে সেইটোৱেই দৃঢ়ভাবে কামনা কৰোঁ। চৰকাৰৰ লগত বুজাপৰা কৰিবলৈ কোনো বাহিৰা শক্তিৰ সহায় নোলোৱাকৈ ভাৰতৰ নিজৰ সামৰ্থ্য আছে বুলি দৃঢ়ভাবেই বিশ্বাস কৰোঁ। তদুপৰি একমাত্ৰ অহিংস উপায়েৰেই আমি আমাৰ লক্ষ্যত যে উপনীত হব পাৰোঁ তাৰ যথাৰ্থতা প্ৰদৰ্শন কৰিবলৈকো মই আগ্ৰহান্বিত। সেইকাৰণে আফগানসকলক ভাৰতৰ সীমাৰ সিপাৰে ৰাখিবলৈ মই সকলো শক্তি প্ৰয়োগ কৰিম। কিন্তু তেওঁলোকক সীমাৰ বাহিৰত ৰাখিবলৈ হোৱা উদ্বিগ্নতাই এই চৰকাৰক ধনেজনে সহায় কৰাত পৰিণত হব নোৱাৰে।

প্ৰবন্ধটোত মোৰ বক্তব্য যিমানদূৰ সম্ভৱ স্পষ্টভাবেই বুজাই দিছোঁ। মোৰ কাৰণে চৰকাৰ বৰ্ত্তমানে আটাইতকৈ অসহনীয়, ভাৰতবৰ্ষৰ মানুহৰ মনুষ্যত্ব বিকাশৰ বাবে ই অতি বিপদজনক, আৰু যিয়েই নহওক লাগে এই চৰকাৰৰ সংস্কাৰ মই কামনা কৰোঁ। এইটো মোৰ দৃঢ় মত যে এই চৰকাৰ সম্পূৰ্ণ বিধৰ্মী চৰকাৰ। কিছুসংখ্যক সৎ ইংৰাজ আৰু সৎ ভাৰতীয় লোক এই চৰকাৰৰ সমৰ্থক থকা বাবে ভাৰতৰ কাৰণে ই আৰু অধিক বিপদজনক হৈ উঠিছে। ই

এই চৰকাৰৰ অন্তৰ্নিহিত আপদীয়া কথাবোৰৰ পৰা জাতিৰ চকু আঁতৰাই ৰাখিছে। মোৰ অভিযোগ কোনো ব্যক্তিবিশেষৰ প্ৰতি নহয়, ই চৰকাৰ বোলা ব্যৱস্থাৰ ওপৰতহে। খ্যাতনামা ভাইচৰয়সকলেও এই ব্যৱস্থাৰ গৰল নাশ কৰিবলৈ শক্তিহীন হৈ পৰিছে। গৰলেই ইয়াৰ বুনিয়াদ। গতিকে এই ব্যৱস্থাৰ পৰিবৰ্ত্তে ভাৰতত যি কোনো বেয়া পৰিস্থিতিয়েই উদ্ভৱ নহওক কিয় তাক মানিবলৈ মই সাজু আছোঁ।

অৱশ্যে 'মই কি কৰা উচিত' সি কি কৰিব পাৰোঁ তাতকৈ সম্পূৰ্ণ পৃথক। মই দুখেৰে স্বীকাৰ কৰিব লাগিব যে, এই আন্দোলনে সামৰিক শ্ৰেণীৰ লোকসকলৰ ওপৰত এনে প্ৰভাৱ পেলাব পৰা নাই যে চৰকাৰক প্ৰয়োজনৰ সময়ত সহায় কৰিবলৈ অস্বীকাৰ কৰিব পৰা সাহস তেওঁলোকৰ হব। যেতিয়া সামৰিক শ্ৰেণীৰ লোকসকলে উপলব্ধি কৰিব যে তেওঁলোকে জাতিটোৰ বাবেহে জীৱন ধৰিছে, যেতিয়া তেওঁলোকে বুজি পাব যে হুকুম মানি আনক হত্যা কৰা সৈনিকৰ কৰ্ত্তব্যপালনৰ ভেৰাকুটাহে, তেতিয়া ভাৰতে ঐহিক স্বাধীনতাৰ যুদ্ধত জয়ী হব। বৰ্ত্তমান অৱস্থাত ভাৰতীয় সৈন্য সাধাৰণ লোকৰ দৰেই সমানেই ভীতিগ্ৰস্ত। জীবিকাৰ আন সংস্থান নাপাইহে তেওঁলোকে সামৰিক বাহিনীত ভৰ্ত্তি হবলৈ আহিছে। চৰকাৰেও এই হত্যাৰ বৃত্তিটো বিশেষ বটা-পুৰস্কাৰৰ ব্যৱস্থা কৰি লোভনীয় কৰিছে আৰু বিশেষ চতুৰতাৰে শাস্তিবিধানৰ ব্যৱস্থা কৰি এবাৰ সোমালে ইয়াৰ পৰা সহজে ওলাই যোৱা অসম্ভৱ কৰি ৰাখিছে। গতিকে বৰ্ত্তমান পৰিস্থিতিত তৎকালীন আফগানসকলৰ ভাৰত আক্ৰমণ হলেও ব্ৰিটিছ চৰকাৰে ভাৰতীয় লোকৰ যে সাহায্য নাপাব তেনে এটা ভ্ৰান্ত বিশ্বাস মই কৰিব নোৱাৰোঁ। কিন্তু অসহযোগ আন্দোলন পৰা যুক্তি-যুক্তমতে উদ্ভৱ হোৱা অৱস্থাটো, বিশেষকৈ প্ৰত্যাহ্বান জনোৱাৰ পিছত, জাতিৰ আগত উত্থাপন কৰাটো মোৰ কৰ্ত্তব্য। আফগানসকলৰ পৰা কাল্পনিক ভয়ত ভীত নহবলৈ ৰাইজক সঁকিয়াই দিয়াটোও প্ৰয়োজনীয়।

প্ৰশ্নটোৰ দ্বিতীয় ভাগ মোৰ মতে অহিংসাৰ প্ৰতি থকা ভুল ধাৰণাৰ বাবেহে জাগিছে। চৰকাৰৰ বিৰুদ্ধে আনে যুদ্ধত নামিলে চৰকাৰক সহায় কৰা কোনো অহিংস অসহযোগীৰ কৰ্ত্তব্যৰ ভিতৰত নপৰে। অহিংস অসহযোগীয়ে তেনে কোনো যুদ্ধক গোপনে বা প্ৰকাশ্যে উৎসাহ নিদিয়ে আৰু সহায়ো নকৰে। তেওঁ ইয়াত প্ৰত্যক্ষ বা পৰোক্ষভাবে কোনো প্ৰকাৰে যোগদান নকৰিব পাৰে। কিন্তু যুদ্ধৰ সামৰণিৰ বাবে চৰকাৰক সহায় কৰাটো তেওঁৰ কৰ্ত্তব্য নহয়।

তাৰ পৰিবৰ্ত্তে তেওঁ যি শক্তিক নিৰ্ম্মূল কৰিবলৈ কামনা কৰে সেই শক্তিৰ পৰাজয় হোৱাৰ বাবে তেওঁ প্ৰাৰ্থনা জনাব। গতিকে মোৰ অহিংস নীতিৰ তত্ত্বৰ ফালৰ পৰা আফগান আক্ৰমণ অবিচলিতভাবে চিন্তা কৰিব পাৰোঁ আৰু সেই একেদৰেই ভাৰতৰ নিৰাপত্তাৰো চিন্তা কৰিব পাৰোঁ। আফগানসকলৰ ভাৰতৰ প্ৰতি কোনো বিদ্বেষ নাই। তেওঁলোক ধৰ্ম্মভীৰু জাতি। কলিকতাত বা বোম্বাইত হোৱা দুই এটা আসুৰিক বা নিষ্ঠুৰ ঘটনাৰ নিদৰ্শনত তেওঁলোকক বিচাৰ নকৰিবলৈ মই অসহযোগীসকলক সাবধান কৰি দিওঁ। সীমান্তত থকা ব্ৰিটিছ চকীটো উঠাই আনিলেই আফগানসকলে ভাৰতৰ ওপৰত জপিয়াই পৰিব বুলি ধাৰণা কৰাটো এটা অন্ধবিশ্বাস। যদি তেওঁলোকে ভাৰত দখল কৰিব খোজে তেন্তে তেওঁলোকক বাধা দিয়াৰ কোনো ব্যৱস্থা যে নাই সেইটো আমি মনত ৰখা উচিত। আমি আমাৰ দেশখন যেনেকৈ ভাল পাওঁ বুলি ভাবোঁ তেনেকৈ তেওঁলোকেও নিজৰ দেশখন ভাল পায়। সীমান্তৰ আশেপাশে থকা লোকসকলৰ কঠিন সমস্যাবোৰ সম্পৰ্কে মই বেলেগ এটা প্ৰবন্ধত আলোচনা কৰিব লাগিব।

ইয়ং ইণ্ডিয়া ১৮ ৫ ১৯২১

[৫]

সীমান্তৰ বন্ধুসকল

সীমান্তত বসবাস কৰা পঞ্জাবীসকল সমগ্ৰ ভাৰতবৰ্ষৰে সহানুভূতি পোৱাৰ যোগ্য। তেওঁলোক ওচৰে পাজৰে থকা জনজাতীয় লোকৰ আক্ৰমণৰ পৰা অৰক্ষিত, তেওঁলোকৰ প্ৰতিৰক্ষাৰ কোনো ব্যৱস্থা নাই, আৰু মই পোৱা সকলো বিবৰণৰ মৰ্ম্মমতে চৰকাৰে তেওঁলোকৰ ৰক্ষণাবেক্ষণৰ বা নিৰাপত্তাৰ কোনো ব্যৱস্থা নলয় আৰু যদি কোনো অভিযোগ পায় তেন্তে তেনে অভিযোগকাৰীক চৰকাৰে হয় আলীভ্ৰাতৃদ্বয় বা মোৰ ওচৰলৈ পঠাই দিয়ে। সীমান্তৰ দায়িত্ব আমাৰ হাতত থকাহেঁতেন আমি কি কৰিলোঁহেঁতেন মোৰ জনা আছে। আমি এই জিলা কেইখনৰ নিৰস্ত্ৰ জনসাধাৰণক ৰক্ষা কৰাৰ প্ৰচেষ্টাত মৃত্যু পৰ্য্যন্ত বৰণ কৰিলোঁহেঁতেন। প্ৰয়োজন হলে আমি এই লোকসকলক আত্মৰক্ষাৰ বাবে অস্ত্ৰশস্ত্ৰও দিলোঁহেঁতেন। কিন্তু তাতোকৈ বেছি আমি এই জনজাতীয় লোক-সকলক বন্ধুৰূপে আমাৰ কৰীয়া কৰি ললোঁহেঁতেন আৰু তেওঁলোকক লুটপাট

কৰি ফুৰা ডকাইতৰ পৰিবৰ্তে বিশ্বাসযোগ্য প্ৰতিবেশীলৈ ৰূপান্তৰিত কৰিলোঁহেতেন। কিন্তু আমি যি পাইছোঁ সেইভাবেই পৰিস্থিতি গ্ৰহণ কৰিবলগীয়া হৈছে। মই এই ভাব পোষণ কৰিছোঁ যে হিন্দু আৰু মুছলমানসকল পৰস্পৰৰ বন্ধু আৰু ভাবোঁ যে কোনো মুছলমানে বিশ্বাসঘাতকতা কৰি হিন্দুসকলৰ বিৰুদ্ধে জনজাতীয়লোকক সহায় নকৰে। সীমান্তৰ এইপাৰে থকা মুছলমানসকলে তেওঁলোকক সহায় কৰিব পৰা অতিশয় সুবিধাজনক অৱস্থাত আছে।

আমি জনজাতীয় লোকসকলৰ বাবে নিৰাশ হ'ব নালাগে। আমি প্ৰায়েই তেওঁলোকত কোনো আশা নাই বুলি বিবেচনা কৰি আহিছোঁ। মোৰ মতে তেওঁলোকক যুক্তিৰে বশ কৰিব পাৰি। তেওঁলোকে ঈশ্বৰক ভয় কৰে। তেওঁলোকে অকল আমোদৰ বাবেই লুটপাট নকৰে। মোৰ বিশ্বাস তেওঁলোকে নিজেই বৰ্তমানে বিস্তাৰ লাভ কৰা আত্মশুদ্ধিৰ ঢৌৰ দ্বাৰা প্ৰভাবান্বিত হ'বলৈ ধৰিছে।

জনজাতীয় লোকসকলক সংস্কাৰ কৰা পন্থা মন্থৰ আৰু কষ্টকৰ বুলি মই জানো। যিসকল লোকৰ সা সম্পত্তি লুণ্ঠিত হৈছে বা যিসকল লোকে আত্মীয়স্বজন হেৰুৱাইছে তেওঁলোকক অৱশ্যে এই কথাই বিশেষ একো সান্ত্বনা দিব নোৱাৰে।

এই বাধাবিপদৰ উৎস একেটাই। আমি ইংৰাজসকলক ভয় কৰোঁ আৰু আমি তেওঁলোকৰ গোলাম হৈছোঁ। আমি জনজাতীয় লোকসকলক ভয় কৰোঁ আৰু আমি আমাৰ দাসত্ব লৈয়ে সন্তুষ্ট হৈ আছোঁ। আমাক জনজাতীয় লোকসকলৰ উপদ্ৰৱৰ পৰা ৰক্ষা কৰি থকা বুলি ইংৰাজসকলৰ ওচৰত আমি কৃতজ্ঞ হৈ আছোঁ। লুণ্ঠনকাৰী বুলি ভবা লোকসকলৰ ওপৰত নিজৰ আৰু পৰিয়ালবৰ্গৰ নিৰাপত্তাৰ বাবে নিৰ্ভৰশীল হৈ থকাতকৈ আত্মসন্মান থকা লোক এজনৰ বাবে অধিক লাজ আৰু অৱমাননাৰ কথা মই ভাবিব নোৱাৰোঁ। মোৰ মনুষ্যত্বৰ বিনিময়ত নিৰাপত্তা ক্ৰয় কৰাতকৈ মই আৰু মোৰ সকলো নাশ হোৱাটোকে বৰং শ্ৰেয় বুলি ভাবোঁ। আমাৰ সাধাৰণ কাজকামৰ পৰা ঈশ্বৰক ইচ্ছাকৃত ভাবে বিতাড়িত কৰাৰ কাৰণেই আমাৰ এই নিঃসহায় অৱস্থাৰ সৃষ্টি হৈছে। আমি সকলো কথাতে নিৰীশ্বৰবাদী হৈছোঁ আৰু সেই কাৰণেই আমাৰ নিৰাপত্তাৰ বাবে আমি শেহাত্তৰত শাৰীৰিক শক্তিৰ ওপৰত বিশ্বাস কৰিব লগা হৈছে। দৈহিক বিপদৰ সন্মুখত আমি আমাৰ সকলো দৰ্শনকে জলাঞ্জলি দিওঁ। আমি দৈনন্দিন জীৱনত ঈশ্বৰবিমুখ হৈছোঁ। যদি

আমি সামান্যভাবেও ঈশ্বৰত বিশ্বাস কৰিব পাৰিলোঁহেতেন আমি জনজাতীয় লোকৰ পৰা ভয় বা দুখ পাবৰ কোনো কাৰণ নেথাকিলহেতেন। তেনেক্ষেত্ৰত আমি হয়তো সময়ত আমাৰ আত্মসম্মান বিসৰ্জন দিয়াতকৈ আমাৰ সা সম্পত্তি ত্যাগ কৰিবলৈ নাইবা বিশেষ পৰিস্থিতিত আমাৰ জীৱন বিসৰ্জন দিবলৈকো প্ৰস্তুত হৈ থাকিব লাগিব। আমি দৃঢ়ভাবে এই বিশ্বাস ত্যাগ কৰিব লাগিব যে আমাৰ প্ৰতিবেশীসকল অসভ্য আৰু মানুহৰ অন্তৰত থকা সজ প্ৰবৃত্তিৰ প্ৰতি কোনো সঁহাৰি জনাব নোৱাৰে।

আমাৰ আত্মসম্মানৰ লগত সঙ্গতি ৰাখি কাম কৰিব পৰা আমাৰ সমুখত দুটা পথ আছে। আমি ডকাইতি আৰু লুটপাতৰ বিৰুদ্ধে তাকৰীয়া বলেৰে হলেও প্ৰতিৰক্ষাৰ বাবে প্ৰস্তুত হব লাগিব নাইবা আমাৰ প্ৰতিবেশীসকলৰ অন্তৰত মানুহৰ সজ প্ৰবৃত্তিৰ প্ৰতিক্ৰিয়াৰ উন্মেষ হব পাৰে বুলি বিশ্বাস কৰি এই জনজাতীয় লোকসকলক সংশোধনৰ পথলৈ আনিব লাগিব। মই ভাবোঁ এই দুয়োটা পন্থাই একেলগে কাম কৰিব। মই সকলো উপায়ে তৃতীয় পথটো, অৰ্থাৎ আমাক বিপদৰ পৰা ৰক্ষা কৰিবৰ বাবে ব্ৰিটিছৰ গুলিৰ ওপৰত নিৰ্ভৰশীল হোৱাটো ত্যাগ কৰিব লাগিব। ই জাতীয় আত্মহত্যাৰ নিশ্চিত পথ।

মোৰ লিখাবোৰ জনজাতীয় লোকসকলৰ হাতত পৰিলে মই নিশ্চয় তেওঁ লোকক লুটপাত আৰু ডকাইতি কৰাৰ অভ্যাস ত্যাগ কৰিবলৈ কলোঁহেতেন। কোনো এজন পুৰুষ বা এগৰাকী নাৰীক লুটপাত কৰোঁতে তেওঁলোকে যি হজৰতক কৰুণা আৰু ন্যায়ৰ ভগবানৰ দূত বুলি বিশ্বাস কৰে আৰু যাৰ নামত সকলোতকৈ অধিক মূল্য দিয়ে সেই হজৰতৰ শিক্ষা অথলে নিয়াইছে। এই সবল প্ৰকৃতিৰ লোকসকলৰ ওপৰত প্ৰভাৱ থকা প্ৰতিজন মুছলমান আৰু উলেমাৰে তেওঁলোকক এইদৰে কৈ দিয়াটো কৰ্তব্য যে তেওঁলোকে আগন্তুক বিপদৰ পৰা ইচলামক ৰক্ষা কৰিবলৈ যদি বৰঙনি আগবঢ়াব খোজে তেন্তে তেওঁলোকে মাত্ৰ প্ৰতিবেশীসকলক অত্যাচাৰ কৰাৰ পৰা বিৰত থাকক। এই প্ৰতিবেশীসকলে তেওঁলোকক কোনো অন্যায় কৰা নায়েই বৰং তেওঁলোক হিন্দুৱেই হওক বা মুছলমানেই হওক তেওঁলোকে ইচলামৰ সম্মান ৰক্ষা কৰিবৰ বাবে যথাসাধ্য চেষ্টা কৰি আহিছে।

ইয়ং ইণ্ডিয়া, ২৫-৫ ১৯২১

[৬]

আফগানৰ ভয়

কোনো কোনো স্বাৰ্থজনিত মহলে তোলা আফগান বিপদৰ ধ্বনিত শ্ৰীবিপিনচন্দ্ৰ পালেও বিপদৰ আশঙ্কা কৰা দেখি মোৰ দৰে বহুতৰে মনত আচৰিত যেন লাগিছে। তেওঁ পূৰ্ণ স্বৰাজৰ বিশ্বাসী। মই তেওঁক জনাব খোজোঁ যে নিঃসহায়ৰ মনোভাব সম্পূৰ্ণকৈ ত্যাগ কৰিব নোৱাৰালৈকে আমি ভাৰতবৰ্ষত স্বৰাজ প্ৰতিষ্ঠা কৰিব নোৱাৰোঁ। আফগানৰ পৰাই হওক বা আন কোনো দিশৰ পৰাই হওক—দেশৰ ভিতৰত উদ্ভৱ হোৱা সকলো বিপদৰ সন্মুখীন হবলৈ হোৱা প্ৰস্তুতিয়েই স্বৰাজৰ অৰ্থ। অসহযোগ আন্দোলনৰ সমগ্ৰ আঁচনি মানুহৰ বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত আৰু যদি তেওঁলোকে বিশ্বাসযোগ্য নোহোৱাৰ প্ৰমাণ দিয়ে তেন্তে তেওঁলোকৰ বিশ্বাসঘাতকতাক আমাৰ আত্মপীড়নেৰে সন্মুখীন হবলৈ সাজু থাকিব লাগিব। এলাহাবাদত বহা হিন্দু মুছলমান সন্মিলনত তেওঁ ডক্টৰ চাপ্ৰুক উত্তৰ দি কোৱা যথাৰ্থ কথাখিনি মই শ্ৰীপালক সোঁৱৰাই দিব খোজোঁ। তেওঁ কৈছিল যে যি সংহতি, সবল আৰু ত্যাগৰ বলেৰে বৰ্ত্তমানৰ গোলামিৰ সমাপ্তি ঘটাব পৰা যাব সেই একে শক্তিয়েই আমাক আন তেনে ধৰণৰ সমস্যাৰ পৰাও মুক্ত কৰিব পাৰিব।

শ্ৰীপালে ভয় কৰা 'প্যান ইচলামবাদ' বা সৰ্ব্বইচলামবাদ মুছলমান এজনে সকলো মুছলিম ৰাষ্ট্ৰৰ একতা কামনা কৰা হিচাপে প্ৰশংসনীয় মতবাদ। যদি এই মতবাদৰ সকলো মুছলিম শক্তিক একত্ৰিত কৰি বিশ্বক শোষণ কৰা নাইবা বলেৰে ধৰ্মান্তৰ কৰা উদ্দেশ্যে হয় তেন্তে ই এটা বিপদজনক মতবাদ। মোৰ পৰিচিত কোনো সুস্থ মস্তিষ্কৰ মুছলমানে মই জনাত কেতিয়াও এনে মতবাদ পোষণ কৰা নাই। পাশবিক শক্তিৰ আধিপত্যত আজি বিশ্ব বিৰক্ত হৈ উঠিছে।

মই শ্ৰীপালক আশ্বাসেৰে জনাব খোজোঁ যে মই যি কোনো আবেগৰ বশবৰ্ত্তী হৈ তৎকালেই গা জোকাৰি উঠাত বিশ্বাস নকৰোঁ। যি বেয়া তাক মই পৰিহাৰ কৰোঁ আৰু যি ভাল তাক মই সাৱটি ধৰোঁ। কোনো নৈষ্ঠিক হিন্দুৰে নকৰাৰ দৰে কোনো মুছলমানেও আফগান শাসনক আদৰনি নজনায় বুলিয়েই মোৰ ধাৰণা। আফগান আক্ৰমণ সম্পৰ্কে লিখা প্ৰবন্ধটোত মই সহকৰ্মী

এজনৰ শুদ্ধ মত সমৰ্থন কৰাত আৰু স্বাৰ্থজনিত মহলত উঠা ধ্বনিত আতঙ্কিত নহ'বলৈ ভাৰতবৰ্ষক শঁকিয়াই দিয়াত মন দিছিলোঁ।।

আফগান আক্ৰমণে নাইবা তেনে আক্ৰমণৰ উৰা বাতৰিৰ প্ৰচাৰত আমাৰ মুছলমানসকলৰ এটা বুজন সংখ্যাই মুকলি বিদ্ৰোহ নহলেও আইন-শৃঙ্খলা নামানি অত্যাচাৰ কৰিব বুলি শ্ৰীপালে পোষণ কৰা মতৰ মই সম্পূৰ্ণ বিৰোধিতা কৰোঁ। তাৰ বিপৰীতে মোৰ দৃঢ়বিশ্বাস যে তেওঁলোকৰ ধৰ্মৰ সম্মানৰ নিচিনা ইমান ডাঙৰ সঙ্কটাপন্ন পৰিস্থিতিত আজি কোনো মুছলমানেই তেনে মূৰ্খামি নকৰে। মৌলানা চৌকত আলীয়ে বাৰে বাৰে কোৱাৰ দৰে—হিংসাক অহিংসাৰ লগত সানমিহলি নকৰিবলৈ মুছলমানসকলৰ যথেষ্ট বুদ্ধি আছে। মুছলমানসকলৰ লগত নিজে এটা বুজাপৰা কৰিবলৈ বিৰাট সংখ্যক হিন্দুৰ আগ্ৰহৰ কথা কৈ শ্ৰীপালে হিন্দুসকলৰ প্ৰতি মহৎ অন্যায় কৰিছে। মই তেওঁক আশ্বাসেৰে কব পাৰোঁ যে তেওঁ হিন্দুৰ মনোভাব সম্পূৰ্ণ ভুলকৈহে অধ্যয়ন কৰিছে। গো সম্পৰ্কে হিন্দুসকল যিমান পৰিমাণে সজাগ, মুছলমানসকলেও খিলাফত সম্পৰ্কে সিমানেই উদ্বিগ্ন। হিন্দুসকলে জানে যে প্ৰত্যেকজন হিন্দুৱে অন্তৰেৰে পোষণ কৰা গো ৰক্ষাৰ আশা মুছলমানসকলৰ সদিচ্ছা আৰু সহযোগ নহলে চৰিতাৰ্থ কৰিব নোৱাৰি। মই অঙ্গীকাৰ কৰি কব পাৰোঁ যে মুছলমানসকলে গো ৰক্ষণত সহায় কৰিলে হিন্দুসকলে তেওঁলোকে পূৰ্ব্বে কৰা সকলো অন্যায় অপকাৰৰ কথা পাহৰি যাব আৰু তেনেকৈ হিন্দুসকলৰ স্বইচ্ছাকৃত সহায়ত ইচলামৰ সম্মান সংৰক্ষিত হ'লে প্ৰতিজন মুছলমানে হিন্দু-সকলৰ ওচৰত চিৰকাল কৃতজ্ঞ হৈ থাকিব।

হিন্দু আৰু মুছলমানসকলে আফগান আক্ৰমণক ওলগ জনাব বুলি শ্ৰীপালে কৰা দাবীৰ সত্যতা মই সম্পূৰ্ণভাবে অস্বীকাৰ কৰোঁ। মৌলানা মহম্মদ আলীৰ অভিপ্ৰেত ধাৰণা বুলি ওলোৱা কথাৰ বিৰুদ্ধে হোৱা প্ৰতিবাদেই ভাৰতবৰ্ষই যে আফগান আক্ৰমণ সহ্য নকৰে সেই বিষয়ে যি কোনো লোকক পতিয়ন নিয়াবলৈ যথেষ্ট প্ৰমাণ।

শ্ৰীপালে উদ্বুকিয়াইছে যে যদি আমীৰে আক্ৰমণ কৰে আৰু যদি আমি চৰকাৰক সহায় নকৰোঁ তেন্তে দেশত বিপ্লৱৰ বাহিৰে আন একো হব নোৱাৰে। মই আন এটা বিকল্প সঙ্কেত দিব খোজোঁ। যদি ভাৰতবৰ্ষই অসহযোগী ভাৰতবৰ্ষ হিচাপে সহায় নকৰে তেন্তে চৰকাৰে জনগণৰ লগত আপোচ-মীমাংসাত আহিব। ব্ৰিটিছ লোকসকলক সাধাৰণ জ্ঞান বৰ্জিত বা বুদ্ধিহীন

লোক বুলি বিবেচনা নকৰোঁ যে তেওঁলোকে খিলাফতৰ বাবে আৰু পঞ্জাবত কৰা অন্যায়ৰ বাবে ভাৰতৰ লগত বুজাপৰাত নাহি ভাৰত ত্যাগ কৰি আঁতৰি যাব। মই বেছ ভালকৈ জানো যে ভাৰতবৰ্ষই আদেশ দিব পৰা শক্তি কেতিয়াও আয়ত্ত কৰিব পৰা নাই। মই কেৱল এটা সম্ভাব্য বিকল্প পথৰহে সংকেত দিছোঁ।

শ্ৰীপালে লালাজী আৰু মোৰ চিমলাত কৰা ঘোষণা আৰু আমাৰ আগৰ ঘোষণাৰ মাজত পাৰ্থক্য দেখিছে। মই তেনে কোনো কথা নাজানো। লালাজী বা মই কেতিয়াও আফগান আক্ৰমণক ওলগ জনোৱা নাই। কিন্তু মই আনন্দেৰে আৰু নিশ্চিতভাবে মোৰ নিজৰ অৱস্থাৰ কথা ব্যক্ত কৰিব খোজোঁ।

(১) আফগানসকলে ভাৰতবৰ্ষ আক্ৰমণ কৰিবলৈ ইচ্ছা কৰে বুলি মই বিশ্বাস নকৰোঁ।

(২) চৰকাৰে আফগান আক্ৰমণৰ সন্মুখীন হবলৈ সম্পূৰ্ণ প্ৰস্তুত বুলি মই বিশ্বাস কৰোঁ।

(৩) মই দুখেৰে স্বীকাৰ কৰিছোঁ যে আফগান আক্ৰমণ হলে প্ৰত্যেকজন ৰজা মহাৰজাই বিনাচৰ্ত্তে চৰকাৰক সহায় কৰিব।

(৪) মই এইটোও বিশ্বাস কৰোঁ যে যিহেতু জাতি হিচাপে আমি মনোবলহীন, আশঙ্কাযুক্ত, আফগানসকলৰ অভিপ্ৰায়ৰ প্ৰতি বিশ্বাসহীন আৰু হিন্দু মুছলমান পৰস্পৰৰ মাজত অবিশ্বাস, সেই কাৰণে বহুতেই মাত্ৰ আতঙ্কতে চৰকাৰক সহায় কৰাত হেতা ওপৰা লগাব আৰু পৰিণামত ভাৰতৰ দাসত্বৰ শিকলি আৰু মজবুত কৰা হব।

(৫) তাত্ত্বিক বিচাৰত খিলাফতৰ উদ্দেশ্যে ভাৰত আক্ৰমণৰ পৰা ব্ৰিটিছ চৰকাৰ আক্ৰমণক পৃথক কৰি চোৱা সম্ভৱ হব পাৰে। আফগানসকলে ব্ৰিটিছ চৰকাৰক বিব্ৰত কৰিবলৈহে ভাৰতবৰ্ষ আক্ৰমণ কৰিব আৰু যদি কৃতকাৰ্য্য হবলৈ সমৰ্থ হয় তেন্তে ভাৰতত ৰাজ্য প্ৰতিষ্ঠা কৰাৰ লোভ সামৰিব পাৰিব বুলি বাস্তৱক্ষেত্ৰত মই হলে বিশ্বাস নকৰোঁ।

(৬) এনে বিশ্বাস পোষণ কৰিও মই কওঁ যে যি চৰকাৰক গুচাব বা সংশোধন কৰিবলৈ কামনা কৰা হৈছে আকৌ সেই চৰকাৰকে বিনাচৰ্ত্তে সাহায্য দান অসহযোগব্ৰতীৰ ধৰ্ম্মৰ পৰিপন্থী কথা।

(৭) কৰ্ত্তব্যপৰায়ণ আৰু বিবেকী মুষ্টিমেয় লোকৰ বিৰুদ্ধাচৰণে বৰ্ত্তমান ঘটনা প্ৰবাহত বিশেষ কোনো প্ৰভাব পেলাব নোৱাৰিব পাৰে কিন্তু তেওঁলোকে সাহসী ভাৰত অভ্যুত্থানৰ বীজ সিঁচা হব।

(৮) আত্মসন্মানৰ বিনিময়ত আফগান আক্ৰমণৰ পৰা স্বাধীনতা কিনি লোৱাতকৈ আফগানসকলৰ হাতত ভাৰত নিঃশেষ হৈ যোৱাকে বৰং মই কামনা কৰিম। যি চৰকাৰে খিলাফত আৰু পঞ্জাবৰ ক্ষতস্থানৰ পৰা ৰক্ত ক্ষৰিত হৈ থাকিবলৈ দিছে, সেই অননুতপ্ত চৰকাৰে ভাৰতক ৰক্ষা কৰাটোৱেই ভাৰতে আত্মসন্মান বিক্ৰী কৰাৰ সমান।

(৯) ব্ৰিটিছ জাতিৰ ওপৰত মোৰ বিশ্বাস এনে যে আমি যথেষ্ট আত্মিপ্ৰায়িক শক্তি আৰু আত্মত্যাগৰ দৃষ্টান্ত প্ৰদৰ্শন কৰিব পাৰিলে ব্ৰিটিছ জাতিয়ে সম্পূৰ্ণ সঁহাৰি দিব। ইতিহাসৰ অধ্যয়নে মোক এই কথাই পতিয়ন নিয়াইছে যে তেওঁলোকে অকল শুদ্ধ ন্যায়ৰ প্ৰতি সৈমান নহয়। তেওঁলোকৰ সাধাৰণ জ্ঞানৰ বাবে ই অতি বিমূৰ্ত্ত কথা। কিন্তু যেতিয়া ন্যায়ৰ লগত শক্তিৰ সংযোগ হয় তেতিয়া তেওঁলোকে দূৰদৰ্শিতাৰে তাৰ প্ৰতি সঁহাৰি জনায়।

(১০) প্ৰত্যেকজন অসহযোগব্ৰতীয়েই আফগানসকলক জনাই দিয়া কৰ্ত্তব্য যে তেওঁ খিলাফতক প্ৰাকযুদ্ধ মৰ্য্যাদাত প্ৰতিষ্ঠিত কৰিবলৈ অসহযোগ আন্দোলনৰ সামৰ্থ্য আছে বুলি বিশ্বাস কৰে, ভাৰতবৰ্ষই তেওঁলোকৰ সশস্ত্ৰ হস্তক্ষেপ কেতিয়াও নিবিচাৰে, ভাৰতক পদদলিত কৰি ৰখাত ইন্ধন যোগাব পৰা কোনো প্ৰকাৰ চুক্তিত ব্ৰিটিছ চৰকাৰৰ লগত আবদ্ধ নোহোৱাটোকে প্ৰতিজন অসহযোগীয়ে সমাদৰ জনাব আৰু প্ৰতিবেশীসকলৰ প্ৰতি ভাৰতৰ পৰম সৌহাৰ্দ্দ্য আৰু সদ্ভাবৰ বাহিৰে আন একো ভাব নাই।

ইয়ং ইণ্ডিয়া ১ ৬-১৯২১

[৭]
বৈদেশিক নীতি

ৱাৰ্কিং কমিটীয়ে (কংগ্ৰেছ কাৰ্য্যপালিকাই) বৈদেশিক নীতি সম্পৰ্কে অনুমোদন কৰি বিতৰণ কৰা খচৰা প্ৰস্তাবটো সম্বন্ধে এটা মৃদু আলোড়নৰ সৃষ্টি হৈছে। কাৰ্য্যপালিকাই বৈদেশিক নীতি গভীৰভাবে আলোচনা কৰাত কিছুলোকে আশ্চৰ্য্য প্ৰকাশ কৰা কথাই এইটোৱে সূচায় যে তেওঁলোকৰ মতে ভাৰতবৰ্ষ কেতিয়াও স্বৰাজৰ বাবে উপযুক্ত হোৱা নাই। মই আগতে এই কথাটো পতিয়ন নিয়াবলৈ কেবাবাৰো চেষ্টা কৰিছো যে প্ৰত্যেক লোক আৰু প্ৰত্যেক জাতি স্বৰাজ লাভ কৰিবলৈ উপযুক্ত, নাইবা আন প্ৰকাৰে কবলৈ গলে

কোনো জাতিয়ে আন এটা জাতিৰ তলতীয়া হৈ থাকিবৰ প্ৰয়োজন নাই। প্ৰকৃততে আমি যেতিয়া স্বৰাজ প্ৰতিষ্ঠাৰ আঁচনিক পূৰ্ণৰূপ দিবলৈ ওলাইছোঁ এনে অৱস্থাত আমি আমাৰ বৈদেশিক নীতি নিৰ্দ্ধাৰণ আৰু ঘোষণা কৰাটো একান্ত প্ৰয়োজন। বিশ্বৰ লগত আমি কি সম্বন্ধ স্থাপন কৰিব খোজোঁ তাক স্পষ্টভাবে ঘোষণা কৰিবলৈ আমি বাধ্য। আমি যদি আমাৰ প্ৰতিবেশীসকলক ভয় নকৰোঁ নাইবা আমি যথেষ্ট শক্তিশালী বুলি অনুভব কৰিলেও যদি আন কাৰো ওপৰত আমাৰ আক্ৰোশ বা লোভ নাই আমি তাক কৈ দিব লাগিব। সেইদৰেই আমি বিশ্বক কৈ দিব লাগিব আমি আমাৰ চিপাহীসকলক ফ্ৰান্সৰ বা মেচোপটামিয়াৰ ৰণক্ষেত্ৰলৈ পঠাম নে নপঠাম। জাতীয় সমস্যাৰ লগত জড়িত কোনো কথাতে আমাৰ মনৰ ভাব খোলোচা কৰি কৈ দিবলৈ আমি সঙ্কোচ কৰিব নালাগিব।

লুধিয়ানাৰ পৰা এজন সংবাদদাতাই বাইজৰ মনত জাগি থকা উত্তেজনা সম্পৰ্কে এলানি প্ৰশ্ন মোলৈ পঠিয়াইছিল। মই সেই প্ৰশ্নবোৰ মোৰ উত্তৰ সহ তলত উল্লেখ কৰিলোঁ।

(১) ভাৰতৰ বৈদেশিক নীতি নিৰ্দ্ধাৰণত ইয়াৰ জনসাধাৰণৰ স্বাৰ্থৰ বাহিৰে আন কিবা বিবেচনাই নিয়ন্ত্ৰণ কৰিব নেকি?

স্বাভাৱিকতে আন সকলো কথাৰ উপৰি ভাৰতৰ স্বাৰ্থই অগ্ৰাধিকাৰ পাব।

(২) ভাৰতৰ ধন বা জন ইংলণ্ড বা তেনে কোনো ৰাজ্যৰ হকে যুদ্ধত নিয়োজিত হব নেকি?

যদি ভাৰতবৰ্ষই আনজাতিৰ হকে যুদ্ধত লিপ্ত হবলৈ চুক্তিবদ্ধ হয় তেন্তে কৰিব লাগিব।

(৩) দেশৰ আইন কোনো সম্প্ৰদায়, গোষ্ঠী বা সমাজৰ তলতীয়া হব নেকি?

নিশ্চয় নহয়। কিন্তু প্ৰতিবেশী মিত্ৰক সহায় কৰিব পৰা আইন হব পাৰে। যেনে—যদি আমি স্বাধীন হলোঁহেতেন তেন্তে আমাৰ শক্তি অনুসৰি তুৰ্কক ধন জনেৰে সহায় কৰিলোঁহেতেন।

(৪) কোনো ধৰ্ম্ম, বৰ্ণ বা শ্ৰেণীৰ সংৰক্ষণৰ বাবে কোনো চৰকাৰ যন্ত্ৰৰ দৰে সহায় হোৱা উচিত হবনে?

স্বৰাজ চৰকাৰ হলে নামৰ সাৰ্থকতা হিচাপে ভাৰতবৰ্ষৰ লোকে অৱলম্বন কৰা যি কোনো ধৰ্ম্মকে আৰু বাহিৰৰ পৰা আহি ভাৰতবৰ্ষত বসবাস কৰিবলৈ লোৱা সকলো জাতিকে সংৰক্ষণ কৰিব লাগিব।

(৫) শাস্ত্ৰ আৰু ছৰিয়তৰ উক্তি আৰু দেশৰ প্ৰয়োজনৰ বিৰোধ হ'লে কথাবিলাক কেনেকৈ মীমাংসা কৰা যাব ?

এই প্ৰশ্ন অবান্তৰ। কোনো সম্প্ৰদায়ৰ বা সেই সম্প্ৰদায়ে অৱলম্বন কৰা ধৰ্মৰ প্ৰয়োজন নিশ্চয় দেশৰ প্ৰয়োজনেই হ'ব।

(৬) জমিদাৰ আৰু ৰায়তৰ সম্বন্ধ বিদ্ৰোহৰ ওপৰতেই ৰক্ষিবনে ?

মোৰ আশা স্বৰাজত সেই সম্বন্ধ নৱৰ্ত্তিব। তেওঁলোক সুখী হ'ব আৰু পৰস্পৰৰ উপকাৰী হ'ব।

(৭) মাতৃভূমিৰ প্ৰতি আনুগত্যত কোনো চৰ্ত্ত থকা উচিত নে, আৰু সি কেনেকৈ হ'ব পাৰে ?

দেশৰ প্ৰতি থকা আনুগত্য সদায় ভগৱানৰ প্ৰতি থকা আনুগত্যৰ তলতীয়া।

ইয়ং ইণ্ডিয়া, ২।১।১৯২১

[৮]

সৈন্যসকল

ভ্ৰাতৃদ্বয় আৰু তেওঁলোকৰ সহচৰসকলৰ ওপৰত কৰা গোচৰৰ কথা আৰু ইস্তাহাৰ সৈন্যসকলৰ শিবিৰ পাইছেগৈ আৰু সৈন্যসকলে গুণাগথা কৰিব লাগিছে, যদি তেওঁলোকে চাকৰি এৰি যায় তেন্তে তেওঁলোক কেনেকৈ চলিব। তেওঁলোকৰ হকে এজন সাংবাদিকে সুধিছে, স্বৰাজ হ'লে তেওঁলোকৰ প্ৰতি কেনে ব্যৱহাৰ কৰা হ'ব। প্ৰথম কথাটোৰ সম্পৰ্কে ৱাৰ্কিং কমিটীয়ে পথ দেখুৱাই দিছে। প্ৰত্যেকজন সৈন্যই বোৱনী বা মৰাপাট ধুনী হ'ব পাৰে। মৰাপাট ধুনীত বাহুৰ শক্তি লাগে আৰু প্ৰত্যেকজন সৈন্যৰেই সেই শক্তি আছে। বোম্বাইত এজন মৰাপাট ধুনীয়েই দিনে ছটকাৰ পৰা তিনিটকালৈ উপাৰ্জ্জন কৰে। পঞ্জাবৰ বহু বোৱনীয়ে তাঁত এৰি টকাৰ বাবে সৈন্যৰ তৰোৱাল লৈছে। মই পূৰ্ব্বে উল্লেখ কৰা লোকসকলক পিছৰ শ্ৰেণীৰ লোক-সকলতকৈ বহুত বেছি ভাল বুলি বিবেচনা কৰোঁ। মই চিপাহীৰ কামটো সন্মানজনক বুলি কেতিয়াও স্বীকাৰ কৰিব নোৱাৰোঁ কাৰণ কোন সময়ত কাৰ বিৰুদ্ধে তৰোৱাল লব লাগিব সেই ক্ষেত্ৰত তেওঁলোকৰ কোনো বাছ-বিচাৰৰ ক্ষমতা নাই। চিপাহীসকলৰ সেৱা আমাক ৰক্ষা কৰাতকৈ আমাক

গোলাম কৰি ৰখাতহে বেছি প্ৰযোজিত হৈছে, আনহাতে বোৱনী এজনে আজি দেশৰ স্বাধীনতা অৰ্জ্জনত সচাকৈ মুক্তিদাতা হব পাৰে আৰু সেই হিচাপে তেওঁহে প্ৰকৃত সৈনিক হব।

এজন বন্ধুৱে মোক কৈছিল যে কংগ্ৰেছে বোৱাকটা আৰু মৰাপাটধুনাৰ লগতে খেতিবাতিকো অন্তভু‍ৰ্ক্ত কৰিব লাগে। তৎকালীন ব্যৱস্থা হিচাপে কৃষি অন্তভু‍ৰ্ক্ত কৰিব নোৱাৰি কাৰণ কৃষিত ইমান সহজে ধৰিব নোৱাৰি আৰু কৃষিত যথেষ্ট মূলধনৰো প্ৰয়োজন। আমাৰ হাতত সেই সম্বল নাই কাৰণে সম্প্ৰতি ই কাৰ্য্যকৰী নহব। স্বৰাজ হলে কি হব তাৰ উত্তৰ সহজ। সৈনিক সকল তেতিয়া ভেৰোনীয়া সৈন্য হৈ নাথাকিব কাৰণ তেওঁলোকে তেতিয়া জাতীয় সামৰিক বাহিনী গঠন কৰিব আৰু তেওঁলোকৰ কাম হব একমাত্ৰ প্ৰতিৰক্ষা আৰু সংৰক্ষণ কৰা। জাতীয় সমস্যা সমাধান নিৰ্দ্ধাৰণ আদিত তেওঁলোকৰ মাত থাকিব। তেওঁলোকক কেতিয়াও পশ্চিমৰ নিৰুপদ্ৰৱ তুৰ্কী বা আৰবসকলক কটামৰা কৰিবলৈ নাইবা পূবৰ নিৰ্দ্দ্ৰু চীন বা মান লোকৰ বিৰুদ্ধেও পঠোৱা নহব।

ইয়ং ইণ্ডিয়া ২৭ ১ ১৯২১

[৯]

আফগানিস্থানত থকা হিন্দুসকল

ইয়ং ইণ্ডিয়াৰ সম্পাদক মহোদয়লৈ,

মহাশয়,

অসহযোগ আন্দোলনৰ জৰিয়তে স্বৰাজ লাভত বিশ্বাস নকৰি আৰু খিলাফত আন্দোলনে বৰ্ত্তমানে শাসন কৰি থকা পিশচীয়া চৰকাৰতকৈ বেছি অত্যাচাৰী আৰু অধৰ্মী মুছলিম শাসনৰ প্ৰবৰ্ত্তনৰ বাবে অন্তৰেৰে প্ৰস্তুত হৈ থকা সকলকহে শক্তিশালী কৰিব বুলি বিশ্বাস কৰা আৰু নিজ বিচাৰেৰে দেশক ভালপোৱা এজন নগণ্য ভাৰতবাসীৰ এই মত যদি কোনো প্ৰকাৰৰ বিবেচনাৰ যোগ্য হয় তেন্তে মই তলত উল্লেখ কৰা কথাটোৰ সমিধান বিচাৰিব পাৰোঁনে ?

বেলোৰ 'জাৰ্নেল অব এ পলিটিকেল মিছন টু আফগানিস্থান' নামৰ পত্ৰিকাত পঢ়িবলৈ পাইছিলোঁ। যে হিন্দকিসকল অৰ্থাৎ আফগানিস্থানৰ হিন্দুসকলে নানা অপমানজনক আৰু বেয়া ধৰণৰ বাধা-নিষেধ ভুগিব লগা

হৈছে। উদাহৰণ স্বৰূপে তেওঁলোকে জিজিয়া কৰ দিব লাগে, তেওঁলোকে এক বিশেষ ধৰণৰ পোছাক পিন্ধিব লগা হৈছে, তেওঁলোকক জিন বান্ধি ঘোৰাত উঠিবলৈ দিয়া নহয় ইত্যাদি। এনে বিধান অৱশ্যে আফগানিস্থানৰ মুছলিম চৰকাৰেই প্ৰবৰ্ত্তন কৰিছে। ইতিমধ্যে এই অৱস্থা ভালৰ ফালে পৰিবৰ্ত্তন কৰা হৈছে বুলি মই নাজানো। আফগানিস্থানে ভাৰতবৰ্ষ আক্ৰমণ কৰাৰ প্ৰকাশ্যে সমৰ্থন ঘোষণা কৰা খিলাফতোৱালা বন্ধু ভালেমান আপোনাৰ আছে। আফগানিস্থানত হিন্দুসকলৰ প্ৰতি কৰা বৈষম্যমূলক আইনৰ বাধা নিষেধবিলাক উঠাই লোৱা হৈছে নেকি এই সম্পৰ্কে আপুনি তাত থকা হিন্দুসকলক জনাব নে? যদি এতিয়াও উঠাই লোৱা নাই তেন্তে আপুনি পিশচীয়া চৰকাৰে ভাৰতবাসীসকলৰ প্ৰতি কৰি থকা তথাকথিত ক্ৰীতদাসৰ দৰে ব্যৱহাৰ উঠাই লোৱাৰ কথা যিমান জোৰেৰে কৈ আছে ঠিক সিমান জোৰেৰেই আফগান চৰকাৰক সেই বৈষম্যমূলক নীতি প্ৰত্যাহাৰ কৰিবলৈ কব নে? আফগানিস্থানৰ মুছলিম চৰকাৰে হিন্দুসকলৰ ওপৰত যি অত্যাচাৰ কৰিছে এই পিশচীয়া চৰকাৰৰ জাতিয়ে ভাৰতবাসীক কেতিয়াও সিমান দুৰ্ব্যৱহাৰ কৰা নাই।

মই বিশ্বাস কৰোঁ আপুনি খিলাফত আন্দোলন সমৰ্থন কৰাতকৈ অস্পৃশ্যতা বৰ্জ্জন সম্পৰ্কে লোৱা সবল মনোভাবে বেছি উপকাৰ সাধিছে। যদি আপুনি হিন্দুসকলৰ মাজৰ পৰা অস্পৃশ্যতা আৰু প্ৰাদেশিক বিভেদ ভাৱ আঁতৰাব পাৰে তেন্তে আপুনি মানৱতাৰ এগৰাকী শ্ৰেষ্ঠ উপকাৰী পুৰুষ হিচাপে গণ্য হব। মুছলমানসকল নিজৰ স্বাৰ্থ ৰক্ষাৰ বাবে যথেষ্ট সবল। ইতি

ৰতনগিৰি আপোনাৰ

২৪ ১ ১৯২১ আৰ, চি, বেনাৰ্জ্জী

[আফগানিস্থানত হিন্দুসকলৰ প্ৰতি কৰা আচৰণ সম্পৰ্কে মই একো নাজানো, কিন্তু মই এই সাংবাদিকজনে দিয়া বিবৃতিটোৰ সত্যতা সম্প্ৰতি মানি চলিবলৈ সাজু আছোঁ। আমি ভাৰতবৰ্ষত আফগানশাসন প্ৰবৰ্ত্তন কৰিবলৈ ওলোৱা হলে অৱশ্যে এই কথাৰ গুৰুত্ব আছিল। বৰ্ত্তমান সময়ত মই ভাৰতবৰ্ষৰ কুশাসনৰ প্ৰতিহে নজৰ দিছোঁ। এই শাসনে যদি মোক ঘোৰাত উঠি ফুৰিবলৈ অনুমতি দিছে তথাপি ই নিজৰ দেশতে মোক দাস কৰি ৰাখিছে। আফগান বা আন কোনো মুছলমান শক্তি সোমাই পৰাৰ ভয়ত মই এই কুশাসন ওকবাই পেলোৱাৰ চেষ্টাৰ পৰা বিৰত হব নোৱাৰোঁ। সাংবাদিকজনে উপলব্ধি কৰিব

যে যেতিয়া আমি স্বৰাজ লাভ কৰিম তেতিয়া যি কোনো কুশাসনকে প্ৰতিৰোধ কৰিব পৰা শক্তিও আমি আহৰণ কৰিম। ছেন্দহাৰ্স্টত প্ৰশিক্ষণৰ প্ৰয়োজন নোহোৱাকৈয়ে আমি দেশৰ হকে আৰু ধৰ্মৰ বাবে মৃত্যুবৰণ কৰিব পৰা শিক্ষা লাভ কৰিব লাগিব। মো ক গা]

ইয়ং ইণ্ডিয়া ৩ ১১ ১৯২১

[১০]

যুদ্ধত মোৰ ভাগ

ই‌ংলণ্ডলৈ আহিয়েই জানিব পাৰিলোঁ যে গোখেলে চিকিৎসাৰ বাবে গৈ পেৰিচত আটক হৈ থাকিব লগা হৈছে আৰু লণ্ডন আৰু পেৰিচৰ মাজত যোগাযোগ বিচ্ছিন্ন হৈ পৰা গতিকে তেওঁ কেতিয়া যে উভতিব পাৰিব তাৰ একো নিশ্চয়তা নাই। তেওঁক দেখা নকৰাকৈ মই ঘৰলৈ যাবলৈ ইচ্ছা কৰা নাছিলোঁ কিন্তু তেওঁ কেতিয়া যে আহি পাব তাক নিশ্চয়কৈ কোনোৱে কব নোৱাৰে।

ইতিমধ্যে মই কি কৰি থাকোঁ ? যুদ্ধ সম্পৰ্কে মোৰ কৰ্ত্তব্য কি ? একেলগে জেল খটা বন্ধু আৰু সত্যাগ্ৰহী চোৰাবজী আদাজনিয়াই তেতিয়া লণ্ডনত ওকালতিৰ বাবে পঢ়ি আছিল। তেওঁ শ্ৰেষ্ঠ সত্যাগ্ৰহী সকলৰ এজন আছিল আৰু যাতে উভটি আহি দক্ষিণ আফ্ৰিকাত তেওঁ মোৰ ঠাই লব পাৰে তাৰ বাবে তেওঁক বেৰিষ্টাৰ হৈ আহিবলৈ পঠোৱা হৈছিল। ডাক্তৰ প্ৰাণজীৱন দাস মেহটাই তেওঁক খৰচ পাতি যোগাইছিল। এওঁৰ সৈতে আৰু এওঁৰ জৰিয়তেই ডাক্তৰ জীৱৰাজ মেহটা আৰু সেই সময়ত ইংলণ্ডত পঢ়ি থকা লোকসকলৰ লগত কথাবতৰা হৈছিলোঁ। তেওঁলোকৰ লগত আলোচনা কৰি গ্ৰেটব্ৰিটেন আৰু আয়াৰলেণ্ডত থকা ভাৰতীয় লোকসকলৰ এখন সভা আহ্বান কৰা হৈছিল। মই তেওঁলোকৰ আগত মোৰ মনোভাৱ ব্যক্ত কৰিছিলোঁ।

ইংলণ্ডত থকা ভাৰতীয়সকলে যুদ্ধত যি পাৰে সহায় কৰা উচিত বুলি মোৰ ভাৱ হৈছিল। ইংৰাজ ছাত্ৰসকলে সামৰিক বাহিনীত যোগ দিবলৈ আগবাঢ়ি গৈছিল আৰু ভাৰতীয়সকলেও তাকে কৰিব পাৰিলেহেঁতেন। এই যুক্তিৰ বিপক্ষে বহুতবোৰ আপত্তি দৰ্শোৱা হৈছিল। ভাৰতীয় আৰু

ইংৰাজ ছাত্ৰৰ মাজত ব্ৰহ্মাণ্ডৰ পাৰ্থক্য আছিল বুলি কোৱা হৈছিল। আমি আছিলোঁ ভৃত্য, তেওঁলোক আছিল গৰাকী। গৰাকীৰ প্ৰয়োজনৰ সময়ত ভৃত্যই কেনেকৈ সহযোগ আগবঢ়াব পাৰে? মুক্তিপ্ৰয়াসী ভৃত্যই গৰাকীৰ প্ৰয়োজন নিজৰ সুযোগ হিচাপে গ্ৰহণ কৰা কৰ্ত্তব্য নহয়নে? এনেকুৱা যুক্তি তেতিয়া মোৰ মনত নালাগিল। ভাৰতীয় আৰু ইংৰাজলোকৰ মৰ্য্যাদাৰ পাৰ্থক্য মই বুজিছিলোঁ, কিন্তু আমি যে একেবাৰে ভৃত্যত পৰিণত হৈছোঁ এই কথাত মোৰ বিশ্বাস নাছিল। ব্ৰিটিছ শাসন প্ৰণালীৰ দোষতকৈ ব্যক্তিগত ব্ৰিটিছ বিষয়াৰ দোষহে বেছি আছিল বুলি মোৰ তেতিয়া ধাৰণা হৈছিল আৰু এই বিষয়াসকলৰ অন্তৰ প্ৰেমেৰে জয় কৰিব পাৰিম বুলি ভাবিছিলোঁ। ব্ৰিটিছসকলৰ সহায় আৰু সহযোগত যদি আমাৰ মৰ্য্যাদা উন্নয়নৰ আমি আশা কৰোঁ তেন্তে তেওঁলোকৰ সহায় লাভ কৰিবলৈ বিপদৰ সময়ত তেওঁলোকক সহায় কৰা আমাৰ কৰ্ত্তব্য আছিল। যদিও তেওঁলোকৰ শাসন দোষযুক্ত আছিল তথাপি আজি ই যেনে অসহনীয় হৈ পৰিছে তেতিয়া তেনে হোৱা নাছিল। কিন্তু এই শাসন ব্যৱস্থাত বিশ্বাস হেৰুৱাই আজি যদি মই ব্ৰিটিছ চৰকাৰৰ লগত সহযোগ কৰিবলৈ অস্বীকাৰ কৰোঁ, তেন্তে মোৰ সেই বন্ধুসকলে সেই সময়ত অকল শাসন ব্যৱস্থাতেই নহয়, বিষয়াসকলৰ ওপৰতো বিশ্বাস হেৰুৱাই কেনেকৈ সহযোগ কৰিব পাৰে?

বিৰোধ কৰা বন্ধুসকলে অনুভৱ কৰিছিল যে ভাৰতীয়সকলৰ দাবী স্পষ্টভাবে ঘোষণা কৰা আৰু ভাৰতীয় লোকৰ মৰ্য্যাদা উন্নত কৰাৰ সেইটোৱে উপযুক্ত সময় আছিল।

মই ভাবিছিলোঁ যে ইংলণ্ডৰ প্ৰয়োজন আমাৰ সুযোগলৈ ৰূপান্তৰ কৰিব নালাগে আৰু যুদ্ধ চলি থাকে মানে আমাৰ দাবীৰ বাবে হেচা নিদিয়াই বেছি শোভনীয় আৰু দূৰদৰ্শিতাৰ কাম হব। সেইকাৰণে মই মোৰ পৰামৰ্শতে লাগি আছিলোঁ আৰু যি সকলে স্বেচ্ছাসেৱক হিচাপে নাম ভৰ্ত্তি কৰিব খোজে তেওঁলোকক আহ্বান কৰিছিলোঁ। সঁহাৰি ভালেই হৈছিল আৰু প্ৰায় সকলো প্ৰদেশৰে আৰু সকলো ধৰ্ম্মৰেই লোক এই স্বেচ্ছাসেৱক বাহিনীত আছিল। মই এই সকলো কথা জনাই আৰু আমাৰ প্ৰস্তাৱ গ্ৰহণত যদি পূৰ্ব্ব চৰ্ত্ত হিচাপে শুশ্ৰূষা বাহিনীৰ প্ৰশিক্ষণ লব লগা হয় তেন্তে সেই প্ৰশিক্ষণ লবলৈকো আমি প্ৰস্তুত আছোঁ বুলি জনাই লৰ্ড ক্ৰুইলৈ এখন চিঠি লিখিলোঁ।

লৰ্ড ক্ৰুইয়ে কিছু ইতস্ততঃ কৰি আমাৰ প্ৰস্তাৱ গ্ৰহণ কৰিলে আৰু

সাম্রাজ্যৰ এনে বিপদৰ সময়ত আমাৰ সেৱা আগবঢ়োৱা বাবে আমাক ধন্যবাদ জনালে।

বিখ্যাত ডাক্তৰ কেণ্টলীৰ তলত স্বেচ্ছাসেৱক সকলে আহত লোকক দিব লগা শুশ্রূষাৰ প্রাথমিক প্রশিক্ষণ লবলৈ আৰম্ভ কৰিলে। এই প্রশিক্ষণ ছয় সপ্তাহকাল জোৰা চুটি প্রশিক্ষণ আছিল কিন্তু প্রাথমিক শুশ্রূষাৰ গোটেই পাঠ্যক্রমকে আবৰি লোৱা আছিল।

আমাৰ শ্রেণীত প্রায় আমি ৮০ জন আছিলোঁ। ছয় সপ্তাহৰ শেষত আমাৰ পৰীক্ষা লোৱা হৈছিল আৰু এজনৰ বাহিৰে সকলোৱেই উত্তীর্ণ হৈছিল। এই সকলৰ কাৰণে চৰকাৰে সামৰিক কুচকাৱাজ আৰু আন বিষয়ৰো প্রশিক্ষণৰ ব্যৱস্থা কৰিছিল। এই কামৰ ভাৰ কর্নেল বেকাৰৰ ওপৰত দিয়া হৈছিল।

সেইসময়ত লণ্ডনৰ দৃশ্য চাবলগীয়া আছিল। কোনো ঠাইতে আতঙ্ক নাই কিন্তু সকলোৱে সাধ্যানুসাৰে সাহায্য কৰাত ব্যস্ত। সমর্থসকলে যুজাৰু হিচাবে প্রশিক্ষণ লবলৈ আৰম্ভ কৰিছিল। বুঢ়া, অসমর্থ আৰু তিৰোতাসকলে কি কাম কৰিব ? তেওঁলোকৰ কাৰণেও কাম কৰিবলৈ বিচাৰিলে যথেষ্ট কাম আছিল। তেওঁলোকেও আহত লোকসকলৰ বাবে কাপোৰ কাটি পোছাক আদি কৰাত আৰু আহত হোৱা স্থানত বন্ধা কাপোৰ আদি তৈয়াৰ কৰাত আত্মনিয়োগ কৰিছিল।

লিচিয়াম নামৰ মহিলাসকলৰ ক্লাব এটাই সৈন্যসকলৰ বাবে যিমান পাৰে পোছাক পৰিচ্ছদ তৈয়াৰ কৰাত লাগিছিল। শ্রীমতী সৰোজিনী নাইডু এই ক্লাবৰ সভ্যা আছিল আৰু তেওঁ সর্ব্বান্ত কৰণে এই কামত মনপ্রাণ ঢালি লাগিছিল। তেওঁৰ লগত এয়ে মোৰ প্রথম পৰিচয় আছিল। তেওঁ মোৰ আগত চিলাইৰ বাবে গচ দি কাটি থোৱা এদম কাপোৰ আনি দিলে আৰু এইবোৰ চিলাই কৰাই তেওঁক ঘূৰাই দিবলৈ কলে। মই তেওঁৰ এই দাবীৰ সমাদৰ জনাই প্রশিক্ষণ লোৱা সময় ছোৱাত বন্ধুবান্ধৱৰ সহায়ত যিমান পাৰোঁ কাপোৰ চিলাই দিছিলোঁ।

(আত্মচৰিত, চতুর্থ অংশ ৩৮ অধ্যায়)

[১১]

মই বোৱা যুদ্ধত কিয় সহায় কৰিছিলোঁ ?

এজন সাংবাদিকে তলত উল্লেখ কৰাৰ দৰে চোকা কেতবোৰ প্ৰশ্ন কৰিছে —

"যেতিয়া জুলুসকলে ব্ৰিটিছ বেদখলকাৰীসকলৰ বিৰুদ্ধে স্বাধীনতা লাভৰ বাবে উঠিল, তেতিয়া আপুনি এই তথাকথিত বিদ্ৰোহ দমনৰ বাবে ব্ৰিটিছসকলক সহায় কৰিছিল। বিদেশী শাসনৰ কবলৰ পৰা মুক্ত হ'বলৈ কৰা প্ৰচেষ্টা বিদ্ৰোহ নে? জিন ডাৰ্ক বিদ্ৰোহী আছিল নে? জৰ্জ ৱাছিংটন এজন বিদ্ৰোহী আছিল নে? ডি ভেলেৰা জানো বিদ্ৰোহী? আপুনি কব পাৰে যে জুলুসকলে হিংসাৰ আশ্ৰয় লৈছিল। মই আপোনাক সুধিব খোজো। তেওঁলোকৰ লক্ষ্য বেয়া আছিল নে উপায় বেয়া আছিল? উপায় হয়তো বেয়া আছিল কিন্তু উদ্দেশ্য নিশ্চয় বেয়া নাছিল। গতিকে আপুনি অনুগ্ৰহ কৰি এই সাথৰটোৰ সমিধান দিব নে? বোৱা যুদ্ধত যেতিয়া পৰাক্ৰমী জাৰ্মানসকলে আৰু অষ্ট্ৰিয়ানসকলে সাহসেৰে বিশ্বৰ সম্মিলিত শক্তিৰ বিৰুদ্ধে যুদ্ধ কৰিছিল তেতিয়া আপুনি ভাৰতবৰ্ষক কোনো অপকাৰ নকৰা এই জাতিকেইটাৰ বিৰুদ্ধে ব্ৰিটিছক সহায় কৰিবলৈ মানুহ মকৰল কৰাত লাগি গ'ল। দুটা জাতিৰ মাজত সংঘৰ্ষ হলেই কোনো এটাৰ সপক্ষে বা বিপক্ষে মত দিয়াৰ আগতে দুয়োটা দলৰ কথা শুনাৰ প্ৰয়োজন। বোৱা যুদ্ধত আমি একপক্ষৰ কথাহে শুনিবলৈ পাইছিলোঁ। আৰু সেই পক্ষটোৰো সত্যনিষ্ঠা বা সাধুতা সম্পৰ্কে বৰ সুখ্যাতি নাই। আপুনি চিৰকাল নিষ্ক্ৰিয় প্ৰতিৰোধ আৰু অহিংসাৰ কথা কৈ আহিছে। তেনেহলে এই যুদ্ধৰ ভালবেয়া কাৰণ সম্পৰ্কে একো নজনা আৰু সাম্ৰাজ্য বাদৰ পঙ্কিলতাত নিৰ্লজ্জভাবে নিমজ্জিত জাতি এটাৰ পৰিপুষ্টিত সহায় কৰিবলৈ মানুহক আপুনি কিয় ফুচুলাই সম্মত কৰাইছে? আপুনি হয়তো কব আপোনাৰ ব্ৰিটিছ আমোলাতান্ত্ৰিক শাসনত বিশ্বাস আছে। যি জাতিৰ সকলো কাজকাম প্ৰতিশ্ৰুতি আৰু আশ্বাসৰ ঠিক ঠিকৰৈ বিপৰীতে যায় তেনে বিদেশীলোকক কোনোবাই বিশ্বাস কৰিব পাৰেনে? আপোনাৰ দৰে উচ্চক্ষমতাসম্পন্ন কোনো লোকৰ বাবেই এইটো হব নালাগিছিল। গতিকে অনুগ্ৰহ কৰি এই দ্বিতীয় সাথৰটো বুজাই দিব।

আৰু আন এটা কথাৰ প্ৰতি আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিব খোজোঁ। আপুনি এজন অহিংসাৰ পূজাৰী। বৰ্তমান পৰিস্থিতিত আমি কঠোৰভাবে অহিংস হব লাগে। কিন্তু ভাৰতবৰ্ষ যেতিয়া স্বাধীন হব তেতিয়াও আন

বিদেশী জাতিয়ে আক্রমণ কৰিলেও আমি অস্ত্র ত্যাগ কৰিয়েই থাকিমনে? ৰেল, টেলিগ্ৰাফ, জাহাজ আদিয়ে আমাৰ দেশৰ উৎপন্ন বস্তুৰ ৰপ্তানি বৃদ্ধিৰ কামত লাগিব নোৱাৰিলে আপুনি এইবিলাককো বৰ্জ্জন কৰিব নেকি?"

মোৰ নিজৰ বিষয়ে বিসঙ্গতিৰ অনেক অভিযোগ শুনিবলৈ আৰু পঢ়িবলৈ পাওঁ। এই অভিযোগবিলাকে মোৰ বাহিৰে কাকো সংশ্লিষ্ট নকৰে বাবে মই এইবোৰৰ উত্তৰ দিব নোখোজোঁ। কিন্তু সাংবাদিকজনে উত্থাপন কৰা প্ৰশ্নবোৰ সৰ্ব্বসাধাৰণৰ বাবে প্ৰয়োজনীয় আৰু প্ৰণিধানযোগ্য। এইবিলাক অৱশ্যে মোৰ বাবে নতুন নহয়। কিন্তু এইবোৰৰ সমিধান মই ইয়ং ইণ্ডিয়াৰ স্তম্ভত দিয়া মনত পৰে।

মই অকল জুলুবিদ্ৰোহৰ সময়তেই মোৰ সেৱা আগবঢ়োৱা নাছিলোঁ, তাৰ আগতে হোৱা বুৱাৰ যুদ্ধতো মোৰ সাহায্য আগবঢ়াইছিলোঁ। মই যোৱা যুদ্ধত অকল ভাৰতবৰ্ষত সৈন্য সংগ্ৰহৰ কাম কৰা নাছিলোঁ, ১৯১৪ চনত লণ্ডনতো এম্বুলেন্স বাহিনীৰ বাবে লোক সংগ্ৰহ কৰিছিলোঁ। গতিকে যদি মই পাপ কৰিছোঁ তেন্তে মোৰ পাপৰ পাত্ৰৰ মাত্ৰা পূৰাপূৰি হৈছে। মই কোনো সময়তে চৰকাৰক সেৱা কৰাৰ সুযোগ এৰি দিয়া নাই। সেই সঙ্কট পূৰ্ণ পৰিস্থিতিত দুটা প্ৰশ্ন মোৰ আগত উদয় হৈছিল। সাম্ৰাজ্যৰ নাগৰিক হিচাপে মোৰ কৰ্ত্তব্য কি আৰু সেই সময়ত মই সাম্ৰাজ্যৰ এজন নাগৰিক বুলিয়েই বিশ্বাস কৰিছিলোঁ, আৰু অহিংসা ধৰ্ম্মৰ একান্ত আৰু সম্পূৰ্ণ বিশ্বাসী হিচাপে মোৰ কৰ্ত্তব্য কি?

মই এতিয়া উপলব্ধি কৰিছোঁ যে মই সাম্ৰাজ্যৰ এজন নাগৰিক বুলি ভবাটো মোৰ ভুল হৈছিল। কিন্তু এই চাৰিওবাৰে মই সৰলভাবেই বিশ্বাস কৰিছিলোঁ যে মোৰ দেশে নানা অক্ষমতা আৰু অসামৰ্থ্যৰ সন্মুখীন হৈ আছিলেও ই ধীৰে ধীৰে স্বাধীনতাৰ ফালে অগ্ৰসৰ হৈছিল আৰু মই বিশ্বাস কৰিছিলোঁ যে মোটামুটি ভাবে জনমতৰ পিনৰ পৰা বিচাৰ কৰিলে এই চৰকাৰ একেবাৰেই বেয়া নহয় আৰু ব্ৰিটিছ বিষয়াসকল সংকীৰ্ণমনা আৰু ভাঠছালৰ হলেও সৎলোক আছিল। এনে ভাব পোষণ কৰি এজন সাধাৰণ ইংৰাজ লোকে এনে পৰিস্থিতিত যি কৰিলেহেতেন মই তাকে কৰিবলৈ বিচাৰিছিলোঁ। স্বাধীনভাবে কাম কৰিবলৈ মোৰ জ্ঞান আৰু গুৰুত্বও যথেষ্ট নাছিল। মন্ত্ৰী-পৰ্য্যায়ৰ সিদ্ধান্তবোৰ মই বিচাৰালয়ৰ ন্যায়সম্মত গুৰুত্বেৰে বিশ্লেষণ বা বিচাৰ

কৰি চোৱাৰ প্ৰয়োজন বোধ কৰা নাছিলোঁ। মই বুৱাৰ যুদ্ধৰ সময়তেই হওক বা জুলুবিদ্ৰোহৰ সময়তেই হওক বা যোৱা যুদ্ধৰ সময়তেই হওক মন্ত্ৰীসকলৰ মনত হিংসা বা কপটতা থকাৰ অভিযোগ কৰা নাছিলোঁ। মই ইংৰাজসকলক মানবজাতিৰ আন মানুহতকৈ বিশেষভাবে বেয়া বা নিকৃষ্ট বুলি ভবা নাছিলোঁ আৰু আজিও নাভাবোঁ। আন মানুহৰ দৰে তেওঁলোকৰো উচ্চ আদৰ্শ আৰু সজকামৰ অনুশীলনৰ যোগ্যতা থকা বুলি আৰু সেইদৰে ভুলচুক কৰিব পৰা বুলি ভাবিছিলোঁ আৰু এতিয়াও ভাবোঁ। সেইকাৰণে সাম্ৰাজ্যৰ বিপদৰ সময়ত মই এজন মানুহ হিচাপে আৰু নাগৰিক হিচাপে মোৰ সামান্য সেৱা স্থানীয়ভাৱেই হওক বা সাধাৰণভাৱেই হওক আগবঢ়াই মোৰ কৰ্ত্তব্য-পালন কৰিছিলোঁ বুলি ভাবিছিলোঁ। স্বৰাজ লাভ কৰিলে প্ৰতিজন ভাৰত বাসীয়েই এইদৰেই কাম কৰিব বুলি মই কামনা কৰোঁ। যদি প্ৰতিটো সম্ভাব্য ঘটনাতে আমি প্ৰত্যেকে আইন নিজৰ হাতত লওঁ আৰু সোণৰ তুলাচনীত আমাৰ ভবিষ্যৎ জাতীয় বিধান পৰিষদৰ সিদ্ধান্ত বিশ্লেষণ কৰি বিচাৰ কৰিবলৈ যাওঁ তেন্তে ই চৰম দুৰ্ভাগ্য আৰু বিপৰ্য্যয়ৰ কথা হব। মই মোৰ স্বকীয়া বিচাৰ জাতীয় প্ৰতিনিধিসকলৰ সামূহিক সিদ্ধান্তত সমৰ্পণ কৰিব লাগিব, অৱশ্যে জাতীয় প্ৰতিনিধি নিৰ্ব্বাচন কৰোঁতে মই বিশেষভাৱে চিন্তা কৰিব লাগিব। ইয়াৰ বাহিৰে আন কোনো পন্থাৰেই গণতান্ত্ৰিক চৰকাৰ এদিনো চলা সম্ভৱ নহয় বুলি মই জানো।

মোৰ কাৰণে এতিয়া গোটেই পৰিস্থিতি সলনি হৈ গৈছে। মই ভাবোঁ মোৰ চকু এতিয়া মেল খাইছে। অভিজ্ঞতাই মোক বুজন কৰিছে। বৰ্ত্তমান প্ৰচলিত শাসন ব্যৱস্থা মই সম্পূৰ্ণ বেয়া আৰু অনিষ্টকাৰী বুলি বিবেচনা কৰোঁ আৰু ইয়াক শেষ কৰিবলৈ বা শোধন কৰিবলৈ বিশেষ জাতীয় প্ৰচেষ্টাৰ প্ৰয়োজন। এই ব্যৱস্থাত আত্ম উন্নয়নৰ কোনো অন্তৰ্নিহিত শক্তি নাই। যদিও ভালেমান ইংৰাজ প্ৰশাসক সৎ মানুহ বুলি এতিয়াও বিশ্বাস কৰোঁ ই মোৰ কোনো কামত নাহে, কাৰণ মই যিদৰে অতদিনে অন্ধ আৰু ভ্ৰান্ত হৈ আছিলোঁ তেওঁলোকো সেইদৰেই আছে। সেইকাৰণে এই সাম্ৰাজ্য মোৰ বা মই ইয়াৰ নাগৰিক বুলি কোৱা কথাত মই কোনো গৌৰব বোধ নকৰোঁ। আনহাতে মই সম্পূৰ্ণ উপলব্ধি কৰিছোঁ যে মই এই সাম্ৰাজ্যৰ এজন পৰীয়া বা জাতিভ্ৰষ্ট বা অস্পৃশ্য লোক। গতিকে মই ইয়াৰ আমূল পৰিবৰ্ত্তন বা পতনৰ বাবে অনুক্ষণ প্ৰাৰ্থনা কৰিব লাগিব। হিন্দু অস্পৃশ্য এজনেও

হিন্দুধৰ্ম্ম বা হিন্দুসমাজৰ তেনে পৰিবৰ্ত্তনৰ বাবে প্ৰাৰ্থনা কৰাৰ সম্পূৰ্ণ যুক্তি আছে। পিছৰটো হৈছে অহিংসাৰ কথা আৰু ই বেছি দুৰ্ব্বোধ্য। মোৰ অহিংসাৰ ধাৰণাই মই লাগি থকা প্ৰায়বোৰ কামৰ পৰা সদায় বিৰত কৰি ৰখাৰ পোষকতা কৰে। মোৰ আত্মাই যিকোনো দোষ বা যন্ত্ৰণাৰে নি সহায় দৰ্শক হৈ থাকি শান্তি নাপায়। কিন্তু মোৰ নিচিনা দুৰ্ব্বল, নিশকতীয়া আৰু দুৰ্ভগীয়া লোকৰ পক্ষে প্ৰত্যেকটো দোষ সংশোধন কৰা নাইবা মই দেখা সকলোবোৰ দোষ দুৰ্গতিৰ ভাগ লোৱাৰ পৰা মোক সম্পূৰ্ণ নিৰ্লিপ্ত বা মুক্ত কৰি ৰখা সম্ভব নহয়। মোৰ অন্তৰ আত্মাই এফালে টানে আৰু মোৰ তেজমাংসৰ শৰীৰে মোক বিপৰীত দিশলৈ টানে। এই দুয়োটা শক্তিৰ প্ৰভাবৰ পৰা মুক্ত হৈ কাম কৰিবৰ স্বাতন্ত্ৰ্য আছে। কিন্তু এই স্বাতন্ত্ৰ্য অৰ্জ্জন কৰিব লাগিব লাহে লাহে আৰু কষ্টসাধ্য পৰ্য্যায়ক্ৰমে। যান্ত্ৰিকভাবে কাম কৰিবলৈ অনিচ্ছা কৰাই স্বাতন্ত্ৰ্য লাভ নহয়, অনাসক্তভাৱে কাম কৰিহে এই স্বাতন্ত্ৰ্য লাভ কৰিব পাৰি। এই সংঘাতত ৰক্তমাংসৰ কামনা লালসাক নিয়তভাৱেই হত্যাৰ প্ৰচেষ্টাত ৰত থকা হয় যাতে আত্মাই সম্পূৰ্ণ মুক্তভাৱে আত্মপ্ৰকাশ কৰিব পাৰে।

আনহাতে মই আন লোকসকলতকৈ কোনো গুণেই জ্ঞানশ্ৰেষ্ঠ নোহোৱা সাধাৰণ নাগৰিক এজন মাত্ৰ। মই অহিংসাত বিশ্বাস কৰিছিলোঁ। আনসকলে ইয়াত মুঠেই বিশ্বাস নকৰিছিল। আনহাতে তেওঁলোকে খং আৰু ঘৃণাৰ বশবৰ্ত্তী হৈ চৰকাৰক সহায় কৰা কৰ্ত্তব্যও পালন কৰিবলৈ অস্বীকাৰ কৰিছিল। সহকৰ্ম্মী হিচাপে তেওঁলোকক শুদ্ধপথেৰে পৰিচালিত কৰা মোৰ কৰ্ত্তব্য আছিল। সেইহেতুকে মই তেওঁলোকৰ কৰ্ত্তব্য সম্পৰ্কে সকলো কথা বুজাই দিছিলো, অহিংসাৰ নীতি বাখ্যা কৰি দিছিলোঁ আৰু তেওঁলোকক ইচ্ছামতে পথ লবলৈ কৈছিলোঁ। তেওঁলোকে স্বইচ্ছাই বাট লৈছিল। অহিংসাৰ কথা লৈ মোৰ কৃতকৰ্ম্মৰ বাবে মই অনুতাপ নকৰোঁ। কাৰণ স্বৰাজ প্ৰতিষ্ঠা হলেও যিসকলে অস্ত্ৰধাৰণ কৰি দেশৰ হকে যুজ কৰিবলৈ ইচ্ছা কৰে তেওঁলোকক তাকে কৰিবলৈ পৰামৰ্শ দিয়াত মই ইতস্তত নকৰোঁ।

এই প্ৰসঙ্গতে দ্বিতীয় প্ৰশ্নটোলৈ অহা যাওক। মোৰ কল্পনাৰ স্বৰাজত অস্ত্ৰশস্ত্ৰৰ কোনো প্ৰয়োজনেই নাথাকিব। কিন্তু মোৰ সেই সপোন বৰ্ত্তমান প্ৰচেষ্টাৰ পৰিণতি হিচাপে সম্পূৰ্ণকৈ বাস্তৱত ৰূপায়িত হব বুলি আশা কৰা

নাই। কাৰণ প্ৰথমতে বৰ্ত্তমানৰ প্ৰচেষ্টাত সেইটোকে সাম্প্ৰতিক লক্ষ্য হিচাপে নিয়োজিত হোৱা নাই আৰু দ্বিতীয়তে জাতিটোক সেই লক্ষ্যত উপনীত হবলৈ প্ৰয়োজনীয় প্ৰস্তুতিৰ বাবে বিস্তাৰিত আচৰণ বিধি প্ৰণয়ন কৰিবলৈ মই যথেষ্ট সক্ষম হোৱা বুলি বিবেচনা কৰিব পৰা নাই। মই নিজেই এতিয়াও ৰিপুবিলাকৰ আসক্তি অনুৰাগেৰে আৰু মানব প্ৰকৃতিৰ দুৰ্ব্বলতাৰে ভৰি আছোঁ। গতিকে সেই আহ্বান বা ক্ষমতা অনুভব কৰিব পৰা নাই। মই মাত্ৰ এইখিনিকেই কব পাৰোঁ যে মোৰ এই দুৰ্ব্বলতাবোৰৰ পৰা মুক্ত হবলৈ অবিৰত প্ৰচেষ্টা চলাই আছোঁ। মোৰ বিশ্বাস, মোৰ ইন্দ্ৰিয়বোৰ দমন আৰু পৰাভব কৰিব পৰা শক্তি মই লাভ কৰিছোঁ কিন্তু মই পাপ কৰিব নোৱাৰা অৱস্থালৈ অহা নাই, অৰ্থাৎ মোৰ ইন্দ্ৰিয়বিলাকে মোৰ ওপৰত ক্ৰিয়া কৰিব নোৱাৰা অৱস্থালৈ আহিব পৰা নাই। মোৰ বিশ্বাস প্ৰত্যেক মানুহেই বিশ্বৰ সকলো বৰ্জ্জন কৰি নিজ অন্তৰত একমাত্ৰ ভগবানৰ স্থিতি অনুভব কৰা পবিত্ৰ, অনিৰ্ব্বচনীয় নিষ্পাপ মনৰ অৱস্থা পাব পাৰে। মই স্বীকাৰ কৰিবই লাগিব এই অৱস্থা মোৰ বাবে এতিয়াও বহুত দূৰৈত। সেইকাৰণে মোৰ পক্ষে জাতিটোৰ আগত বাস্তব আচৰণত সম্পূৰ্ণ অহিংস হব পৰা পন্থা এটা প্ৰদৰ্শন কৰা সম্ভব হোৱা নাই।

ইয়ং ইণ্ডিয়া ১৭ ১১ ১৯২১

[১২]

আশাৰ মৰিমুৰ কেনেকৈ হ'ল*

মোৰ ৰাজহুৱা জীৱন ১৮৯৩ চনত দক্ষিণ আফ্ৰিকাত এক প্ৰতিকূল অৱস্থাত আৰম্ভ হয়। ব্ৰিটিছ কৰ্তৃপক্ষৰ লগত সেই দেশত মোৰ প্ৰথম সান্নিধ্য মুঠেই সুখজনক নাছিল। মই উপলব্ধি কৰিলোঁ যে মানুহ হিচাপে আৰু ভাৰতবাসী হিচাপে মোৰ কোনো অধিকাৰ নাই। আৰু স্পষ্টকৈ কবলৈ হলে মই উপলব্ধি কৰিলোঁ যে মানুহ হিচাপে মোৰ কোনো অধিকাৰ নাই কাৰণ মই ভাৰতবাসী।

মই কিন্তু হতাশ হোৱা নাছিলোঁ। মই ভাবিছিলোঁ যে ভাৰতীয়সকলৰ

---

* ১৮-৩-১৯২২ তাৰিখে বিচাৰৰ সময়ত আদালতৰ সন্মুখত গান্ধীজীয়ে দিয়া বিবৃতিৰ পৰা।

প্ৰতি কৰা এনে আচৰণ মূলত আৰু স্বাভাবিকতে ভাল ব্যৱস্থা এটাৰ উপকৰাকৈ হোৱা টেমুনা বা ফোঁহোৰা স্বৰূপ। চৰকাৰক মই স্বেচ্ছামূলক আৰু আন্তৰিকতাৰে সহযোগ আগবঢ়াইছিলোঁ। এই চৰকাৰৰ অনুভব কৰা দোষবিলাক মই মুক্তভাৱেই সমালোচনা কৰিছিলোঁ, কিন্তু ইয়াক কেতিয়াও ধ্বংস কৰাৰ কামনা কৰা নাছিলোঁ।

সেই কাৰণেই যেতিয়া ১৮৯৯ চনত বুৱাৰসকলৰ প্ৰত্যাহ্বানে সাম্ৰাজ্যৰ অস্তিত্বৰ ভয়ৰ কাৰণ হৈ উঠিছিল তেতিয়া মই মোৰ সেৱা আগবঢ়াইছিলোঁ, স্বেচ্ছাসেৱক শুশ্ৰূষা বাহিনী এটা সংগঠন কৰিছিলোঁ আৰু লেডি স্মীথৰ সাহায্য কাৰ্য্যত কেইবাঠাইতো কাম কৰিছিলোঁ। সেইদৰে ১৯০৬ চনত জুলুবিদ্ৰোহৰ সময়ত মই আহতলোকসকলক যুদ্ধক্ষেত্ৰৰ পৰা চাঙ্গীৰে কঢ়িয়াই নিয়া বাহিনী এটা সংগঠন কৰিছিলো আৰু বিদ্ৰোহ শাম নকটালৈকে কাম কৰিছিলোঁ। এই দুয়োবাৰেই মোক পদক দিয়া হৈছিল আৰু আনকি চৰকাৰী নথি পত্ৰত মোৰ এই কামৰ শলাগ লোৱাও হৈছিল। দক্ষিণ আফ্ৰিকাত কৰা কামৰ বাবে লৰ্ড হাৰ্ডিঞ্জে মোক কাইজৰ ই হিন্দ সোণৰ পদক দিছিল। ১৯১৪ চনত যেতিয়া ইংলণ্ড আৰু জাৰ্ম্মানিৰ যুদ্ধ আৰম্ভ হ'ল তেতিয়া মই লণ্ডনত থকা ভাৰতীয় লোকসকলেৰে বিশেষকৈ ছাত্ৰসকলেৰে লণ্ডনত এটা স্বেচ্ছাসেৱক শুশ্ৰূষাকাৰী বাহিনী সংগঠন কৰিছিলোঁ। এই স্বেচ্ছাসেৱক বাহিনীয়ে বহুমূলীয়া কাম কৰিছিল বুলি কৰ্তৃপক্ষই স্বীকৃতি জনাইছিল। অৱশেষত ভাৰতবৰ্ষত ১৯১৮ চনত দিল্লীত বহা ৱাৰ কাউন্সিলত যেতিয়া লৰ্ড চেমচ ফোৰ্ডে সৈন্য সংগ্ৰহৰ বাবে বিশেষভাবে গোহাৰি জনাইছিল তেতিয়া মোৰ ভগ্ন স্বাস্থ্যলৈকো কাণষাৰ নকৰি খেদা জিলাত সৈন্য সংগ্ৰহৰ বাবে লাগিছিলোঁ আৰু যথেষ্ট সঁহাৰিও পাইছিলোঁ। কিন্তু ইতিমধ্যে যুদ্ধ ভাঙিল আৰু সৈন্য সংগ্ৰহৰ প্ৰয়োজন নাই বুলি আদেশ জাৰি কৰিলে। এই সকলোবোৰ সেৱাৰ প্ৰচেষ্টাত মোক এই বিশ্বাসে উদগনি দিছিল যে এই সেৱাৰ দ্বাৰাই সাম্ৰাজ্যত মোৰ দেশৰ লোকৰ বাবে সমান মৰ্য্যাদাৰ স্থান পোৱাটো সম্ভব হব।

প্ৰথম আঘাত আহিল ৰাওলাট আইনৰ ৰূপত আৰু এই আইনৰ দ্বাৰা জনসাধাৰণৰ প্ৰকৃত স্বাধীনতা অপহৰণ কৰাৰ ব্যৱস্থা কৰা হৈছিল। ইয়াৰ বিৰুদ্ধে আন্দোলনৰ নেতৃত্ব লবলৈ মই আদিষ্ট হোৱা যেন অনুভব কৰিছিলোঁ। তাৰ পিছত আহিল পঞ্জাবত সংঘটিত নৃশংস অত্যাচাৰ। এই অত্যাচাৰ

জালিয়ানাবাগৰ হত্যাকাণ্ডৰে আৰম্ভ হৈছিল আৰু পেট চোচোৰাই যাব লগা হুকুম, ৰাজহুৱাভাৱে দিয়া বেত্ৰাঘাত আদি কৰি আন আন অবৰ্ণনীয় লাঞ্ছনা আৰু অৱমাননাৰে তাৰ পৰিণতি হৈছিল। মই স্পষ্টকৈ দেখিছিলোঁ। যে তুৰাকৰ আৰু ইচলামৰ পবিত্ৰ ঠাইবিলাকৰ অখণ্ডতা সম্পৰ্কে প্ৰধান মন্ত্ৰীয়ে ভাৰতীয় মুছলমানসকলক দিয়া প্ৰতিশ্ৰুতিও পালন কৰাৰ কোনো লক্ষণ নাই। তথাপি বন্ধুবান্ধব সকলৰ সন্দেহ আৰু গুৰুতৰ সাৱধানবাণী সত্বেও ১৯১৯ চনত অমৃতচৰ কংগ্ৰেছত সহযোগ আগবঢ়াবলৈ আৰু মণ্টেগু-চেমচ ফোৰ্ড সংস্কাৰ ব্যৱস্থা মানি লৈ পৰীক্ষামূলক হিচাপে কাম কৰিবলৈ যুজ কৰিছিলোঁ। মই আশা কৰিছিলোঁ। যে প্ৰধান মন্ত্ৰীয়ে ভাৰতীয় মুছলমান সকলক দিয়া প্ৰতিশ্ৰুতি পালন কৰা হব, পঞ্জাবৰ প্ৰতি কৰা অন্যায়ৰ প্ৰতিকাৰ হব আৰু যদিও এই শাসন সংস্কাৰ ব্যৱস্থা ভালেমান আসোঁৱাহযুক্ত আৰু অপূৰ্ণ তথাপি ইয়াৰ দ্বাৰাই ভাৰতৰ জাতীয় জীৱনত এটা নতুন যুগৰ পাতনি মেলিব।

কিন্তু সকলো আশা চুৰমাৰ হৈ গ'ল। খিলাফতৰ প্ৰতিশ্ৰুতি পালন কৰা নহ'ল। পঞ্জাবৰ জঘন্য অত্যাচাৰ তেলটেঙা ঘঁহি ঢাকি ৰাখিলে, প্ৰায়বোৰ অভিযুক্ত অপৰাধীলোকক অকল যে কোনো শাস্তিৰেই বিধান নকৰিলে এনে নহয় তেওঁলোকক চাকৰিতো ৰখা হল আৰু কিছুমানে ভাৰতীয়লোকে দিয়া ৰাজহেকেই পেঞ্চন ভোগ কৰি থাকিল আৰু কিছুমানৰ ক্ষেত্ৰত এই জঘন্য কামৰ বাবে পুৰস্কাৰ হে দিয়া হ'ল। মই এইটোও স্পষ্টকৈ দেখিলোঁ। যে এই সংস্কাৰ আইনে অন্তৰতো কোনো পৰিৱৰ্তন সাধন নকৰিলেই বৰং ই ভাৰতৰ ঐশ্বৰ্য্য আৰু সম্বল বেছিকৈ শোষণ কৰাৰ পথহে হ'ল আৰু ভাৰতৰ পৰাধীনতাক দীৰ্ঘকালীন কৰি ৰখাৰ উপায়ত পৰিণত হ'ল।

ইয়ং ইণ্ডিয়া ২৩-৩-১৯২২

[১৩]

মোৰ পথ

বৰ্তমান জগত ইউৰোপ আৰু আমেৰিকাৰ মনোযোগ আকৰ্ষণ কৰিব পৰাটো মোৰ কাৰণে সৌভাগ্য আৰু দুৰ্ভাগ্যৰ কথা হৈছে। মোৰ এইটো সৌভাগ্যৰ কথা যে মোৰ বাণী আৰু আদৰ্শ পশ্চিমীয়া দেশবোৰে অধ্যয়ন

কৰিবলৈ আৰু বুজিবলৈ লৈছে। এইটো মোৰ দুৰ্ভাগ্য যে মোৰ এই কথাবোৰ হয় অজানিতে অতিৰঞ্জিত কৰা হৈছে নাইবা ইচ্ছা কৰিয়েই তাৰ বিকৃত ৰূপ দিয়া হৈছে। প্ৰতিটো সত্যই স্বত প্ৰামাণ্য আৰু অন্তৰ্নিহিত শক্তিবিশিষ্ট। গতিকে মোৰ কথা অতি বিকৃতভাবে উত্থাপিত কৰিলেও মই বিপৰ্য্যস্ত নোহোৱাকৈ থাকো। এজন ইউৰোপীয় মৰমিয়াল বন্ধুৱে মোলৈ এটা সাৱধানবাণী পঠাইছে আৰু যদি তেওঁক দিয়া খবৰটো সচা হয় তেন্তে এই বাৰ্ত্তাটোৱে ইয়াকে সূচায় যে ৰুছিয়াই হয় ইচ্ছা কৰি নাইবা অজানিতে মোক ভুল বুজিছে। বাৰ্ত্তাটো তুলি দিয়া হ'ল।

> "বাৰ্লিনত থকা ৰুছিয়াৰ প্ৰতিনিধি এম ক্ৰেষ্টিনস্কীক ৰুছিয়াৰ বৈদেশিক বিভাগৰ মন্ত্ৰীয়ে গান্ধীক আনুষ্ঠানিকভাবে আদৰনি জনাবলৈ নিৰ্দ্দেশ দিব আৰু 'পৰিস্থিতিৰ সুযোগ লৈ তেওঁৰ অনুগামীসকলৰ মাজত বলশ্বেভিক প্ৰচাৰ কাৰ্য্য চলাবলৈ কব।' তাৰোপৰি ক্ৰেষ্টিনস্কীক গান্ধীক ৰুছিয়ালৈ আহিবলৈ আমন্ত্ৰণ জনোৱাৰ ভাৰ দিয়া হব। এছিয়াৰ নিষ্পেষিত লোকৰ মাজত বিতৰণ কৰিবলৈ প্ৰচাৰ সাহিত্য প্ৰকাশনৰ বাবে আৰ্থিক সাহায্য আগবঢাবলৈকো তেওঁক কৰ্ত্তৃত্ব দিয়া হৈছে আৰু অৰিয়েণ্টেল ক্লাব আৰু সচিবালয়ৰ বাবে গান্ধীৰ মতৰ অনুগামী (গান্ধীৰ মতৰ অনুগামী নে মস্কোৰ মতৰ অনুগামী ?) ছাত্ৰসকলৰ বাবে গান্ধীৰ নামত এটা ধনৰ টোপোলা ৰাখিবলৈকো কৰ্ত্তৃত্ব দিয়া হৈছে। অৱশেষত তিনি-জন হিন্দুক এই কামৰ বাবে লোৱা হব। এই আটাইখিনি কথা ৰুছিয়াৰ 'ৰুল'খনৰ নিচিনা বাতৰি কাকতবোৰত ১৮ অক্টোবৰত প্ৰকাশিত হৈছে।"

এই বাৰ্ত্তাটোৱে মোক জাৰ্মানি বা ৰুছিয়া ভ্ৰমণৰ বাবে আমন্ত্ৰণ জনোৱা হব পাৰে বুলি বাতৰি পৰিবেশন কৰাৰ ইঙ্গিত দিছে। কোৱা নিষ্প্ৰয়োজন যে মই তেনে কোনো আমন্ত্ৰণ পোৱা নাছিলোঁ আৰু সেই মহৎ দেশ কেইখন ভ্ৰমণৰ অলপো ইচ্ছাও নাছিল। মই এই কথাৰ প্ৰতি সম্পূৰ্ণ সজাগ যে মই যি সত্যৰ ব্ৰতী হৈছোঁ তাক ভাৰতবৰ্ষই এতিয়াও সম্পূৰ্ণকৈ গ্ৰহণ কৰা নাই। ইয়াৰ কাৰ্য্যকাৰিত্ব এতিয়াও সম্পূৰ্ণকৈ প্ৰমাণিত হোৱা নাই। ভাৰতবৰ্ষত মোৰ কৰ্ম্মপন্থা এতিয়াও পৰীক্ষামূলক অৱস্থাতে আছে। এনে পৰিস্থিতিত বিদেশত প্ৰচাৰকাৰ্য্য চলোৱা দুঃসাহসিক কাম মোৰ বাবে একেবাৰেই আগতীয়া হব। যদি মোৰ এই অন্বেষণ ভাৰতবৰ্ষত নিদৰ্শনীয় ভাবে কৃতকাৰ্য্য হয় মই তাতে সন্তুষ্ট থাকিম।

মোৰ পথ পৰিষ্কাৰ। মোক যি কোনো হিংসাৰ কাৰ্য্যত লিপ্ত কৰাৰ খোজা সকলো প্ৰচেষ্টা ব্যৰ্থ হব। মোৰ কোনো গোপনীয় কৌশল বা পদ্ধতি নাই। সত্যৰ বাহিৰে আন কোনো কূটনীতি মই নাজানো। অহিংসাৰ বাহিৰে মোৰ কোনো অস্ত্ৰ নাই। অজানিতে হয়তো সাময়িক ভাবে মই পথচ্যুত হব পাৰোঁ কিন্তু সকলো সময়ৰ বাবে হব নোৱাৰোঁ। গতিকে মোৰ সীমা সুনিৰ্দ্দিষ্ট আৰু তাৰ ভিতৰতহে মোক জড়িত বা লিপ্ত কৰাব পাৰে। ইয়াৰ আগেও অন্যায়ভাৱে কেবাবাৰো মোক টানিবলৈ চেষ্টা কৰা হৈছে। মই যিমানদূৰ জানো প্ৰতিবাৰেই সেই চেষ্টা বিফল হৈছে।

প্ৰকৃততে বলশ্বেভিজম কি মই এতিয়াও নাজানো। মই ইয়াক অধ্যয়ন কৰিব পৰা নাই। সুদূৰ ভবিষ্যতত ই কছিয়াৰ বাবে মঙ্গলজনক হয় নে নহয় তাকো মই নাজানো। কিন্তু মই জানো যে হিংসাৰ ওপৰত আৰু ভগবানৰ অস্তিত্ব অস্বীকাৰৰ ওপৰত প্ৰতিষ্ঠিত বাবে ই মোৰ বাবে অপ্ৰীতিকৰ। মই কৃতকাৰ্য্যতাৰ বাবে হিংসাৰ চমু বাটত বিশ্বাস নকৰোঁ। মোৰ প্ৰতি মনোযোগ দিয়া বলশ্বেভিক বন্ধুসকলে জনা উচিত যে মই তেওঁলোকৰ সৎ উদ্দেশ্যৰ প্ৰতি যিমানেই সমাদৰ আৰু সহানুভূতি নজনাওঁ কিয় এই উদ্দেশ্যৰ সমাধানতো হিংসাত্মক পন্থা প্ৰয়োগৰ মই আপোচবিহীন বিৰোধী। গতিকে হিংসা সমৰ্থন কৰা মতবাদ আৰু মোৰ মাজত কোনো মিলনৰ স্থল নাই। কিন্তু মোৰ অহিংস ধৰ্ম্মই ৰাজবিপ্লবী বা হিংসাত্মক পন্থাত বিশ্বাসী লোকৰ লগত মিলামিছা কৰাৰ পৰা বিৰততো নকৰেই বৰং বাধ্যহে কৰে। কিন্তু এই সংসৰ্গৰ সদায় একমাত্ৰ উদ্দেশ্য হৈছে তেওঁলোকক এই পথৰ পৰা একৰাই অনা কাৰণ মই তেওঁলোকৰ ভুল হোৱা বুলি ভাবোঁ। অভিজ্ঞতাই মোক পতিয়ন নিয়াইছে যে অসত্য আৰু হিংসাই কেতিয়াও চিৰস্থায়ী মঙ্গল আনয়ন কৰিব নোৱাৰে। আন কি যদি মোৰ এই বিশ্বাস আসক্তিজনিত ভ্ৰম, তথাপি সকলোৱে স্বীকাৰ কৰিব যে এই ভ্ৰম মনোমোহা ভ্ৰম।

ইয়ং ইণ্ডিয়া ১১ ১২ ১৯২৪

[১৪]

স্বৰাজৰ অধীনত

"আপোনাৰ স্বৰাজত সৈন্যৰ কোনো স্থান থাকিব নে? আপোনাৰ স্বৰাজ চৰকাৰে সৈন্য ৰাখিব নে? যদি ৰখা হয়, তেওঁলোকে যুদ্ধ কৰিব নে, অৰ্থাৎ প্ৰয়োজন হলে তেওঁলোকে শাৰীৰিক শক্তি প্ৰয়োগ কৰিব, নে তেওঁলোকৰ শত্ৰুৰ বিৰুদ্ধে সত্যাগ্ৰহ কৰিব?"

হায়। মোৰ আজিৰ স্বৰাজত সৈন্যৰ স্থান আছে। মোৰ এই বিপ্লবী বন্ধুজনে জনা উচিত যে ব্ৰিটিছৰ এই সমগ্ৰ জাতিটোক নিৰস্ত্ৰীকৰণ কৰা আৰু তাৰ পৰিণামত পঙ্গু কৰি ৰখা কাৰ্য্যক মই আটাইতকৈ জঘন্য পাপকাৰ্য্য বুলি বৰ্ণনা কৰিছোঁ। দেশক সৰ্ব্বাত্মক অহিংসাৰ শিক্ষা দিবলৈ মোৰ শক্তি হোৱা নাই। গতিকে মই স্বাধীনতা অৰ্জ্জনৰ উদ্দেশ্যে সীমিত ক্ষেত্ৰতহে অহিংসাৰ শিক্ষা দিছোঁ আৰু আন্তৰ্জাতিক সম্বন্ধ নিৰূপণৰ ক্ষেত্ৰতো অহিংসাৰ প্ৰয়োগৰ কথা কৈছো। কিন্তু মোৰ অক্ষমতা অহিংস নীতিৰ অক্ষমতা বুলি কোনোৱে যেন ভুল নকৰে। মোৰ বুদ্ধিৰে মই ইয়াক সৰ্ব্বজ্যোতিমান দেখিছো। মোৰ অন্তৰে ইয়াক উপলব্ধি কৰিছে। কিন্তু কাৰ্য্যকৰী হিচাপে সৰ্ব্বজনীন অহিংসা প্ৰচাৰৰ যোগ্যতা মই এতিয়াও আয়ত্ত কৰিব পৰা নাই। এই মহৎ কামৰ বাবে মই এতিয়াও যথেষ্ট আগবাঢ়িব পৰা নাই। মোৰ এতিয়াও খং ৰাগ আছে, মোৰ অন্তৰত এতিয়াও দ্বৈতভাব আছে। মই ৰিপুবিলাক নিয়ন্ত্ৰিত কৰি চলিব পাৰোঁ, মই প্ৰবৃত্তিবোৰ দমন কৰি ৰাখিব পাৰোঁ, কিন্তু অহিংসা সাৰ্ব্বজনীন ৰূপত প্ৰচাৰ কৰাৰ আগতে মই সকলো ইন্দ্ৰিয় আৰু প্ৰবৃত্তিৰ প্ৰৰোচনাৰ পৰা সম্পূৰ্ণ মুক্ত হব পাৰিব লাগিব। মই পাপ কাৰ্য্যৰ সম্পূৰ্ণ অপাৰগ হব লাগিব। এই বিপ্লবী বন্ধুজনে মোৰ হকে আৰু মোৰ লগতে প্ৰাৰ্থনা কৰক মই যেন সোনকালে সেই অৱস্থাত উপনীত হব পাৰোঁ। কিন্তু ইতিমধ্যে তেওঁ যেন মোৰ লগত এই এটা দিশত এই এটা খোজ মাত্ৰ আগবাঢ়ে আৰু মই দিনৰ পোহৰৰ দৰেই ইয়াৰ স্পষ্টৰূপ দেখিবলৈ পাইছোঁ সেয়ে হৈছে কঠোৰ অহিংস উপায়ে ভাৰতবৰ্ষৰ স্বাধীনতা অৰ্জ্জন। স্বৰাজ লাভৰ পিছত তোমাৰ আৰু মোৰ শৃঙ্খলিত, বুদ্ধিমান, আৰু শিক্ষিত পুলিচবাহিনী থাকিব আৰু তেতিয়া মই বা আন কোনোৱে যদি আভ্যন্তৰীণ শৃঙ্খলা আৰু বহিঃশত্ৰুৰ লগত কৰিবলগীয়া আচৰণৰ অন্য কোনো পন্থা দিব নোৱাৰোঁ। তেন্তে

এই পুলিচবাহিনী আভ্যন্তৰীণ শৃঙ্খলা সংৰক্ষণ আৰু বহিঃশত্ৰুৰ আক্ৰমণ প্ৰতিহত কৰিব।

ইয়ং ইণ্ডিয়া ৭ ৫ ১৯২৫

[১৫]

পশ্চিমৰ বাবে কি ?

এগৰাকী ইউৰোপৰ বন্ধুৱে এইদৰে লিখিছে

"পশ্চিমৰ অগণন দুৰ্ভিক্ষগ্ৰস্ত লোকৰ উপকাৰৰ অৰ্থে কি কৰিব পাৰি আৰু কি ব্যৱস্থা হাতত লবলৈ আপুনি পৰামৰ্শ দিয়ে ? দুৰ্ভিক্ষগ্ৰস্ত অগণন লোকৰ কথা কওঁতে মই ইউৰোপ আৰু আমেৰিকাৰ নিচেই দুখীয়া হজুৱা লোকসকলৰ কথা কৈছোঁ। এই লোকসকলক তৰ নোপোৱা দঁ গাতলৈ হেচি পঠোৱা হৈছে, এওঁলোকে যি জীৱন যাপন কৰে তাক প্ৰকৃততে জীৱন বুলিব নোৱাৰি। এওঁলোক তীব্ৰ অভাৱগ্ৰস্ত, এওঁলোকৰ কোনো স্বৰাজৰ সপোন নাই, ভাৰতৰ জনগণতকৈও এওঁলোকৰ অৱস্থা অতি নিৰাশজনক কাৰণ সান্ত্বনাৰ স্থল ভগবানত বিশ্বাস এওঁলোকৰ নাই আৰু তাৰ পৰিবৰ্তে ঘৃণাইহে এওঁলোকৰ মন আবৰি পেলাইছে।

"ভাৰতীয় জাতিক হেচি ৰখা লোহ হাতে ইয়াতো কাম কৰিছে। এই স্বাধীন দেশবিলাকতো সেই দানবীয় ব্যৱস্থা কাৰ্য্যকৰী হৈ উঠিছে। লোভৰ উন্মাদনাৰ বাবে ৰাজনীতি নিৰৰ্থক হৈছে। যি কোনো উপায়েৰে নাৰকীয় জীৱনৰ পৰিত্ৰাণ পাবলৈ কৰা চেষ্টাত জনসাধাৰণ পাপত নিমজ্জিত হৈছে আৰু পৰিণামত গভীৰতৰ নৰকৰ সৃষ্টি কৰিছে। খ্ৰীষ্টিয়ান ধৰ্ম্মই বহু শতাব্দী ধৰি ক্ষমতাপন্ন আৰু লোভীৰ পক্ষাৱলম্বন কৰি অহা, মান হেৰোৱাত এইলোকসকলে ধৰ্ম্মৰ আশ্বাসতো কোনো পথ নেদেখা হৈছে।

"অৱশ্যে মহাত্মাজীয়ে এই উত্তৰ দিব বুলি মই ভাবোঁ যে যদি সমগ্ৰ পশ্চিমৰ জগত ইতিমধ্যে নষ্ট হৈ যোৱা নাই তেন্তে জনসাধাৰণৰ মুক্তিৰ একমাত্ৰ উপায় হৈছে সুশৃঙ্খলিতভাবে অহিংস প্ৰতিৰোধৰ ব্যাপক আচৰণ। কিন্তু ইউৰোপৰ মাটি আৰু মনত অহিংসাৰ পৰম্পৰা নাই। আন কি এই মতবাদৰ প্ৰচাৰত প্ৰচণ্ড বাধা আৰু অসুবিধাৰ সৃষ্টি হ'ব। ইয়াক যথাৰ্থভাবে বুজাবলৈ আৰু প্ৰয়োগ কৰিবলৈ কি কৰা যায় !"

এই বন্ধুজনে ইমান আন্তৰিকভাবে সোধা এই প্ৰশ্নৰ অন্তৰালত থকা সমস্যা মোৰ সীমাৰ বাহিৰত পৰে। গতিকে প্ৰশ্নকৰ্ত্তা আৰু মোৰ মাজত থকা সৌহাৰ্দ্দ্য সৌজন্যৰ স্বীকৃতি স্বৰূপেহে এই প্ৰশ্নৰ উত্তৰ দিবলৈ চেষ্টা কৰিছোঁ। সুবিবেচিত বিচাৰ আৰু তৰ্কৰ প্ৰতি যি মূল্য আৰোপ কৰা যায় তাৰ বাহিৰে মোৰ এই উত্তৰত আন বিশেষ কোনো মূল্য নাই বুলি মই স্বীকাৰ কৰিছোঁ। মই ইউৰোপৰ এই ৰোগৰ কাৰণ নিৰ্ণয় কৰিবও নাজানো আৰু ভাৰতৰ ক্ষেত্ৰত যি দৰে ৰোগ নিৰ্ণয় কৰি প্ৰতিকাৰ বিধান কৰিব পাৰোঁ সেইদৰে এই ক্ষেত্ৰত প্ৰতিকাৰ বা ঔষধৰো ব্যৱস্থা দিব নোৱাৰোঁ।

যদিও ইউৰোপৰ দেশবোৰত জনসাধাৰণে ৰাজনৈতিক স্বায়ত্তশাসন ভোগ কৰে তথাপি মই ভাবোঁ যে ইউৰোপ আৰু ভাৰতবৰ্ষৰ ৰোগৰ মৌলিকত্ব একেই। যদিও মই ভাৰতৰ জাতীয় জীৱনৰ বাবে ৰাজনৈতিক ক্ষমতাৰ হস্তান্তৰ অতি আৱশ্যকীয় বুলি বিবেচনা কৰোঁ তথাপি ভাৰতবৰ্ষলৈ অকল ৰাজনৈতিক ক্ষমতাৰ হস্তান্তৰ হলেই মোৰ আকাঙ্ক্ষা পূৰণ নহব। ইউৰোপৰ লোকসকলৰ ৰাজনৈতিক ক্ষমতা আছে তাত সন্দেহ নাই, কিন্তু তেওঁলোকৰ স্বৰাজ নাই। তেওঁলোকৰ আংশিক উপকাৰৰ বাবে এছিয়া আৰু আফ্ৰিকাৰ জাতিসমূহ শোষিত হৈছে আৰু আনহাতে তেওঁলোকৰ ক্ষেত্ৰতো গণতন্ত্ৰৰ পবিত্ৰ নামত শাসকশ্ৰেণী বা গোষ্ঠীয়ে তেওঁলোকক শোষণ কৰিছে। গতিকে মূলত ৰোগ ভাৰতৰ দৰে একেই যেন লাগে। গতিকে একে প্ৰতিকাৰ বিধানেই ইয়াতো প্ৰযোজ্য হব যেন লাগে। সকলো ফাকি ফুকা আঁতৰাই পেলালে ইউৰোপৰ জনসাধাৰণৰ শোষণ হিংসাৰ দ্বাৰাই প্ৰবৰ্ত্তাই ৰখা হৈছে।

জনসাধাৰণৰ হিংসাই এই ৰোগৰ উপশম কৰিব নোৱাৰে। আজি পৰ্য্যন্ত অভিজ্ঞতাই এইটোৱেই শিকায় যে হিংসাৰ দ্বাৰা লাভ কৰা কৃতকাৰ্য্যতা সদায় ক্ষণস্থায়ী হয়। ই আৰু অধিক হিংসাৰ ফাললৈ লৈ যায়। এতিয়া-লৈকে যিমানবোৰ পন্থা চেষ্টা কৰা হৈছে সি কেৱল হিংসাৰেই বিভিন্ন ৰূপ আৰু হিংসাব্ৰতী জনৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰা কৃত্ৰিম বাধা নিষেধ। চৰম মুহূৰ্ত্তত এই বাধানিষেধ স্বাভাবিকতেই ভাঙি পৰে। গতিকে মই দেখাত যদি ইউৰোপীয় জনসাধাৰণে মুক্তি বিচাৰে তেন্তে সোনকালেই হওক বা পলমকৈয়ে হওক তেওঁলোকে অহিংসাৰ পথ লব লাগিব। আটাইবিলাকে একগোট হৈ আৰু তৎক্ষণাৎ এই পথ লোৱাৰ আশা নাই কাৰণেই মই নিৰাশ হোৱা নাই। কালৰ অনন্ত সোঁতত অলপ কেইহাজাৰ বছৰ ক্ষুদ্ৰ কণিকামাত্ৰ। পশ্চাৎপদ

নোহোৱাকৈ দৃঢ় বিশ্বাস স্থাপন কৰি কোনোৱে ইয়াক আৰম্ভ কৰিব লাগিব। ইউৰোপৰ জনসাধাৰণেও যে ইয়াৰ প্ৰতি সঁহাৰি জনাব তাত মোৰ সন্দেহ নাই, কিন্তু সময়ৰ পিনৰ পৰা অহিংসাৰ বিৰাট আৰু ব্যাপক পৰীক্ষাতকৈ ইয়াৰ মুক্তিৰ বাণীৰ সম্যক উপলব্ধিহে বেছি গুৰুত্বপূৰ্ণ কথা।

জনসাধাৰণে কিহৰ পৰা মুক্তি পাব? অস্পষ্ট আৰু সাধাৰণ ভাবে 'শোষণ আৰু অধ পতনৰ পৰা' বুলি উত্তৰ দিলেই যথেষ্ট নহব। আজি মূলধন খটোৱা লোকে যি প্ৰতিপত্তি আৰু মৰ্য্যাদা লাভ কৰিছে তাক পোৱাই ইয়াৰ উত্তৰ নহবনে? যদি সেয়ে হয় তেন্তে ইয়াক অকল হিংসাৰ দ্বাৰাইহে লাভ কৰিব পাৰি। কিন্তু যদি তেওঁলোকে মূলধন খটোৱাৰ পৰা উদ্ভৱ হোৱা দুখদুৰ্গতি আঁতৰাব খোজে, অৰ্থাৎ যদি তেওঁলোকে মূলধনৰ দৃষ্টিভঙ্গীকে সংশোধন কৰিব খোজে তেন্তে তেওঁলোকে শ্ৰমৰ উৎপাদিত সামগ্ৰীৰ ন্যায় বিতৰণ পাবৰ বাবে চেষ্টা চলাব লাগিব। এই মনোভাবে আমাক তৎক্ষণাৎ স্বইচ্ছাই গ্ৰহণ কৰা সন্তুষ্টি আৰু সৰলতালৈ আগবঢাই নিব। এই নতুন দৃষ্টিভঙ্গীত জাগতিক বস্তুৰ অভাব বৃদ্ধি আমাৰ লক্ষ্য নহব, বৰং আমাৰ সুখ স্বাচ্ছন্দ্যৰ লগত সঙ্গতি ৰাখি অভাব নিয়ন্ত্ৰণ কৰাহে আমাৰ আদৰ্শ হব। যিমানেই পাওঁ সংগ্ৰহ কৰোঁ এই চিন্তা তেতিয়া আমি পৰিহাৰ কৰি সকলোৰে পক্ষে যি পোৱা সম্ভৱ নহয় তেন্তে বস্তু আহৰণ কৰিবলৈ নিবৃত্ত হম। মোৰ ধাৰণা ইউৰোপৰ জনসাধাৰণক অৰ্থনীতিৰ দিশৰ পৰা কৃতকাৰ্য্যতাৰে গোহাৰি জনাই আকৃষ্ট কৰা টান নহয় আৰু এনে এটা পৰীক্ষা কিছু পৰিমাণে সফলতাৰে চলোৱাৰ লগে লগেই নিশ্চয় অপৰিমিত আৰু অজানিতে আধ্যাত্মিক ফল লাভ কৰাত উপনীত কৰিব। আধ্যাত্মিক নীতি নিজ ক্ষেত্ৰতহে কাম কৰে বুলি মই বিশ্বাস নকৰোঁ। তাৰ পৰিবৰ্ত্তে ই দৈনন্দিন জীৱনৰ সাধাৰণ কাজ কামৰ মাজেৰেই আত্মপ্ৰকাশ কৰে। এইদৰে ই অৰ্থ নৈতিক, সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত বেখাপাত কৰে। ইউৰোপৰ জনসাধাৰণক যদি মই উল্লেখ কৰা মতে কামত প্ৰৰোচিত কৰিব পাৰি তেতিয়া দেখিব যে তেওঁলোকৰ লক্ষ্যত উপনীত হবলৈ হিংসাৰ কোনো প্ৰয়োজন নাই আৰু অহিংসাৰ অনুশীলনে তেওঁলোকক সহজে আত্মস্বভাব উপলব্ধি কৰাব। আনকি মোৰ কাৰণে যেখাত স্বাভাৱিক আৰু সহজসাধ্য যেন লাগিলেও নিষ্ক্ৰিয় ভাৰতীয় জনগণৰ মনত খোপনি পুতিবলৈ ইউৰোপৰ ক্ৰিয়াশীল জনসাধাৰণৰ ক্ষেত্ৰতকৈ বেছি সময় লাগিব পাৰে। কিন্তু মই পুনৰ এই কথা দোহাৰিছোঁ যে মোৰ যুক্তি অনুমান আৰু

ধৰিলোঁৱা কথাৰ ওপৰত প্ৰতিষ্ঠিত, গতিকে তাৰ গুৰুত্বও সেই ভাবেই লোৱা উচিত হব।

ইয় ইণ্ডিয়া, ৩ ৯ ১৯২৫

[১৬]

আমেৰিকাৰ বন্ধুসকললৈ

আমেৰিকা আৰু ইউৰোপৰ ইমানবোৰ অচিনাকী বন্ধুৰ সৌহাৰ্দ্দ্য লাভ কৰা মোৰ বাবে সৌভাগ্যৰ কথা। ইয়াৰ পৰিধি, বিশেষকৈ আমেৰিকাত দিনে দিনে বাঢ়ি অহা দেখি মই আৰু সুখ পাইছোঁ। এবছৰমান আগেয়ে সেই মহাদেশলৈ যাবলৈ মোক আন্তৰিকতাৰে আমন্ত্ৰণ জনোৱা হৈছিল। সেই আমন্ত্ৰণ এতিয়া পুনৰ অধিক জোৰেৰে আগবঢাইছে আৰু মোৰ সকলো খৰচ-পাতি তেওঁলোকে বহন কৰিব বুলি জনাইছে। সেই সময়ত আৰু এতিয়াও মই তেওঁলোকৰ এনে প্ৰীতিপূৰ্ণ আমন্ত্ৰণ গ্ৰহণত সঁহাৰি দিব পৰা নাই। এই আমন্ত্ৰণ গ্ৰহণ কৰা অতি সহজ কথা, কিন্তু মই এই লোভ সামৰিব লাগিব। কাৰণ যেতিয়ালৈকে ভাৰতবৰ্ষৰ জ্ঞানী আৰু বুদ্ধিমান লোকসকলৰ মাজত মই প্ৰতিষ্ঠা লাভ কৰিব নোৱাৰোঁ তেতিয়ালৈকে মই সেই মহাদেশৰ লোকসকলৰ মাজত কোনো কাৰ্য্যকৰী প্ৰভাব পেলাব বা গোহাৰি জনাব নোৱাৰোঁ বুলি অনুভৱ কৰোঁ।

মোৰ মূলতত্ত্বৰ সত্যতাত তিলমাত্ৰও সন্দেহৰ ঠাঁই নাই। কিন্তু মই ভাৰতৰ শিক্ষিত লোকৰ সৰহ ভাগক মোৰ মতত নিব পৰা সামৰ্থ্য মোৰ এতিয়াও হোৱা নাই। গতিকে যেতিয়ালৈকে মই ভাৰতবৰ্ষৰ শিক্ষিত সম্প্ৰদায়ৰ পৰা এঘৰীয়া হৈ থাকোঁ তেতিয়ালৈকে আমেৰিকা বা ইউৰোপৰ পৰা মোৰ দেশৰ বাবে সাহায্য মই আশা কৰিব নোৱাৰোঁ। মই সমগ্ৰ বিশ্বৰ কথা আগত ৰাখিয়েই চিন্তা কৰোঁ। মোৰ স্বদেশভক্তিয়ে সমগ্ৰ মানবজাতিৰ কল্যাণ আবৰি লয়। গতিকে মোৰ ভাৰতবৰ্ষৰ সেৱাই মানবতাৰ সেৱাক আবৰি লয়। কিন্তু পশ্চিমৰ সহায়ৰ ওপৰত আশা কৰি এৰি দিলে মই মোৰ কৰ্ত্তব্যৰ সীমাৰ পৰা আঁতৰি যোৱা যেন অনুভব কৰোঁ। সম্প্ৰতি ভাৰতৰ সক মকৰ পৰাই কৈ পশ্চিমৰ পৰা যি সহায় পাওঁ তাতে মই সন্তুষ্ট থাকিবলৈ বিচাৰোঁ। যদি মই আমেৰিকা বা ইউৰোপলৈ যাব লাগে, তেন্তে মই শক্তি লৈ যাব লাগিব,

দুৰ্ব্বলতা লৈ নহয়। কিন্তু আজি মই মোৰ দেশৰ দুৰ্ব্বলতাৰ বাবে মইয়ো দুৰ্ব্বল অনুভব কৰিছোঁ। কাৰণ ভাৰতবৰ্ষৰ সকলো মুক্তিৰ আঁচনি দেশৰ আভ্যন্তৰীণ শক্তিবৃদ্ধিৰ ওপৰত প্ৰতিষ্ঠিত হৈছে। ই আত্মশুদ্ধিৰ আঁচনি। গতিকে পশ্চিমৰ লোকে এই আন্দোলনৰ আভ্যন্তৰীণ তত্ত্বৰ অধ্যয়ন কৰিবলৈ বিশেষজ্ঞসকলক ভাৰ দি ভাৰতৰ এই আন্দোলনক ভালভাবে সহায় কৰিব পাৰে। এই বিশেষজ্ঞসকলে মুক্তমনেৰে আৰু সত্যান্বেষণৰ উপযুক্ত নম্ৰতা আৰু বিনয়ৰ মনোভাব লৈ ভাৰতবৰ্ষলৈ আহক। মই আমেৰিকালৈ গলে মোৰ সত্যৰ প্ৰতি একান্ত অনুৰাগ থকা সত্ত্বেও হয়তো ইয়াৰ প্ৰকৃত কথাৰ যি গৌৰবোজ্জল ভাষ্য এটা দাঙি ধৰিব পাৰোঁ তাৰ পৰিবৰ্ত্তে তেওঁলোক ইয়ালৈ আহিলে তেওঁলোকে প্ৰকৃত কথাৰ প্ৰকৃত সম্ভেদ পাব। মই কোৱাই হওক বা লিখাই হওক শব্দৰ শক্তিতকৈ চিন্তাশক্তিত বেছি বিশ্বাস কৰোঁ। মই প্ৰতিনিধিত্ব কৰা আন্দোলনৰ যদি অন্তৰ্নিহিত শক্তি আছে, আৰু যদি ইয়াৰ ওপৰত ভগবানৰ আশীৰ্ব্বাদ আছে তেন্তে বিশ্বৰ বিভিন্ন অংশত শাৰীৰিক উপস্থিতিৰে প্ৰচাৰ কৰিব নোৱাৰিলেও ই সমগ্ৰ বিশ্বতে বিয়পি পৰিব। সি যিয়েই নহওক বৰ্ত্তমান মুহূৰ্ত্তত মই পোহৰৰ ৰেঙনি দেখা নাই। যেতিয়ালৈকে ভাৰতৰ সীমাৰ বাহিৰলৈ যাবৰ বাবে পৰিষ্কাৰ পথ মই দেখা নাপাওঁ তেতিয়ালৈকে মই ধৈৰ্য্যেৰে ভাৰতবৰ্ষতে খুপি খুপি গৈ থাকিব লাগিব।

আমেৰিকাৰ বন্ধুজনে তালৈ যাবলৈ জোৰ কৰি আমন্ত্ৰণ কৰাৰ লগতে মোৰ বিবেচনাৰ বাবে কেইটামান প্ৰশ্ন সুধি পঠাইছে। মই সেই প্ৰশ্নবোৰ সাদৰে গ্ৰহণ কৰি এই স্তম্ভতে তাৰ উত্তৰ দিয়াৰ সুযোগ লওঁ।।

তেওঁ কৈছে

> "আপুনি ইয়ালৈ অহা বা নহাৰ সিদ্ধান্ত এতিয়াই লয় বা পলমকৈ লয়, মোৰ বিশ্বাস এই প্ৰশ্নকেইটা আপোনাৰ বিবেচনাযোগ্য হব। এই প্ৰশ্ন কেইটাই ভালেমান দিনৰ পৰা মোৰ মনত অবিৰাম ভাবে জাগি আছে।"

তেওঁৰ প্ৰথম প্ৰশ্ন হৈছে

> "সমগ্ৰ বিশ্বৰ, বিশেষকৈ ইংলণ্ড আৰু আমেৰিকাৰ এটা নতুন সচেতনতা জাগৰিত কৰি ভাৰতবৰ্ষৰ সাহায্যৰ বাবে উত্তম উপায় হিচাপে লোৱাৰ আপোনাৰ সময় আহিছেনে বা আহিব লাগিছেনে?"

এই প্ৰশ্নৰ উত্তৰ মই আগতেই আংশিক ভাবেই দিছোঁ। মোৰ মতে ভাৰতবৰ্ষৰ বাহিৰলৈ গৈ সমগ্ৰ বিশ্বত এটা নতুন সচেতনতা জগাই তোলাৰ সময়

এতিয়াও অহা নাই, এই দিন যি কোনো সময়তে আহিব পাৰে। আন হাতে আন কি এতিয়াও ইয়াৰ কাৰ্য্যক্ৰম আওপকীয়াভাবে আৰু গম নোপোৱাকৈ অতি ধীৰে ধীৰে হলেও চলিব লাগিছে।

> "বৰ্ত্তমান সময়ত সমগ্ৰ মানবজাতিৰ স্বাৰ্থ সকলো ঠাইতে এনেকৈ নোৱাৰাকৈ ওতপ্ৰোতভাবে জড়িত। এনে অৱস্থাত ভাৰতৰ দৰে এখন দেশে অকলে আন আন দেশৰ লগত জড়িত হৈ থকা সম্বন্ধৰ পৰা কেনেকৈ ওলাই আহিব ?"

লিখকৰ লগত ময়ো বিশ্বাস কৰোঁ যে কোনো এখন দেশেই দীৰ্ঘকালৰ বাবে অকলশৰে থাকিব নোৱাৰে। স্বৰাজ লাভৰ বৰ্ত্তমানৰ আঁচনি অকলশৰীয়া অৱস্থা লাভৰ বাবে নহয়, ই সকলোৰে বাবে পূৰ্ণ আত্মোপলব্ধি আৰু আত্ম-বিকাশৰহে পৰিকল্পনা। বৰ্ত্তমানৰ দাসত্ব আৰু নিসহায় অৱস্থাই অকল ভাৰতকে আঘাত কৰা নাই, নাইবা অকল ইংলণ্ডকে আঘাত কৰা নাই, ই সমগ্ৰ বিশ্বকে আঘাত কৰিছে।

> "আপোনাৰ বাণী আৰু কাৰ্য্যপন্থা প্ৰকৃততে বিশ্বধৰ্ম্মৰ বাণী নহয়নে আৰু ইয়াৰ শক্তিয়ে স্পৰ্শ কৰা ইয়াৰ, তাৰ আৰু নানাদেশৰ ব্যক্তিসকলে লাহে লাহে বিশ্বক নতুনকৈ গঢ়াৰ চেষ্টা নকৰিবনে ?"

গৰ্ব্বৰ লেশমাত্ৰ নোহোৱাকৈ আৰু বিনয়ভাবে যদি মই কব পাৰোঁ তেন্তে আচলতে মোৰ বাণী আৰু কাৰ্য্যপন্থা মূলত সমগ্ৰ বিশ্বৰ বাবে প্ৰযোজ্য। পশ্চিমৰ পুৰুষ নাৰী নিৰ্ব্বিশেষে অলেখ লোকে ইয়াৰ প্ৰতি আচৰিত ভাবে সঁহাৰি জনাইছে আৰু এই সমাদৰ কৰা লোকসকলৰ সংখ্যা দিনে দিনে বাঢ়িব লাগিছে জানি মই বৰ সন্তোষ পাইছোঁ।

> "যদি আপুনি আপোনাৰ বাণী অকল প্ৰাচ্যৰ ভাষাতহে প্ৰচাৰ কৰে আৰু ভাৰতৰ অস্থায়ীকালীন অৱস্থাৰ পৰিপ্ৰেক্ষিতহে প্ৰদৰ্শন কৰে তেন্তে অনাবশ্যক কথা কেতবোৰৰ লগত মৌলিক কথাৰ সংঘাত বা ভুল বুজা বুজি হোৱাৰ বিপদ নাইনে ? অকল ভাৰতবৰ্ষত হোৱা কেতবোৰ চৰম অৱস্থা সাৰ্ব্বজনীন ভাবে অতি প্ৰয়োজনীয় বুলি ভুল বুজাৰ সৃষ্টি নহবনে ?"

লিখকে আঙুলিয়াই দিয়া বিপদৰ প্ৰতি মই সজাগ। কিন্তু ই অনিবাৰ্য্য যেন লাগিছে। অসম্পূৰ্ণ পৰীক্ষাত ব্যস্ত থকা আৰু অসম্পূৰ্ণতাৰ বাবে বহুল ক্ষেত্ৰত ফলাফলৰ সূচনা কৰিব নোৱাৰা আৰু প্ৰাপ্ত ফলাফলৰ পৰিণাম হিচাপে সহজবোধগম্য ভাষাত অনুশীলনৰ ইঙ্গিত দিব নোৱাৰা বৈজ্ঞানিকৰ অৱস্থাই

মোৰ অৱস্থা। গতিকে পৰীক্ষা চলি থকা অৱস্থাত মোৰ পৰীক্ষা সম্পৰ্কে ভুল বুজাবুজিৰ দায়িত্ব মই লবই লাগিব। এই অৱস্থা আগেও হৈছে আৰু বোধহয় এতিয়াও হৈ আছে।

"আপুনি আমেৰিকালৈ আহি আপোনাৰ বাণী যে প্ৰাচ্য আৰু পাশ্চাত্য সভ্যতা উভয়কে আবৰি লয় এইটো বিশ্বক কোৱা উচিত নহবনে? (সকলো দোষ থকা সত্বেও জীয়াই থকা সকলো জাতিতকৈ আমেৰিকাৰ আধ্যাত্মিকতাৰ সম্ভাব্যতা বেছি।)"

সাধাৰণতে মানুহে মোৰ বাণী ফলাফলৰ জৰিয়তেহে বুজিব। গতিকে সম্ভবত আৰু বিশেষকৈ বৰ্ত্তমান সময়ৰ বাবে এই বাণী কাৰ্য্যকৰীভাবে বিশ্বক শুনোৱাৰ চমু উপায় হব বাণীয়ে নিজেই নিজক ব্যক্ত কৰাটোৱেই।

"উদাহৰণ স্বৰূপে আপোনাৰ পৰা প্ৰেৰণা লাভ কৰা পাশ্চাত্য দেশৰ অনুগামীসকলে সুতাকটা যঁতৰৰ প্ৰচাৰ আৰু সুতাকটা অভ্যাস কৰিবনে?"

পশ্চিমীয়া লোকসকলৰ বাবে সুতাকটা যঁতৰৰ প্ৰচাৰ আৰু অনুশীলন নিশ্চয় প্ৰয়োজনীয় নহয়। অৱশ্যে তেওঁলোকে সহানুভূতিৰ বাবে নাইবা নিয়মানুবৰ্ত্তিতাৰ বাবে নাইবা তেওঁলোকৰ অনুপম সৃজনী আৰু উদ্ভাবিকা শক্তি প্ৰয়োগ কৰি ইয়াৰ মূলতত্ত্ব কুটীৰ শিল্পৰ ৰূপ সংৰক্ষণ কৰিব পৰাকৈ যঁতৰৰ উন্নতি সাধন কৰি ইয়াক অধিক কাৰ্য্যদক্ষ যন্ত্ৰত পৰিণত কৰিব পাৰে। কিন্তু যঁতৰৰ বাণী ইয়াৰ পৰিধিতকৈ বহুত বেছি ব্যাপক। ইয়াৰ শিক্ষা হৈছে সৰলতা, মানবসেৱা, আনক অপকাৰ নকৰাকৈ জীৱন যাপন, আৰু ধনী আৰু দুখীয়াৰ মাজত, মূলধন থটোৱা লোক আৰু শ্ৰমিকৰ মাজত, ৰাজপুত্ৰ আৰু কৃষকৰ মাজত অবিচ্ছেদ্য সম্বন্ধ স্থাপন। এই ব্যাপক শিক্ষাই স্বাভাবিকতে সকলোৰে বাবে ইয়াৰ মৰ্ম্মবাণী।

"ৰেল পৰিবহন, ডাক্তৰ, চিকিৎসালয় আৰু বৰ্ত্তমান সভ্যতাৰ আন আন ব্যৱস্থাৰ প্ৰতি পোষণ কৰা আপোনাৰ নিন্দাৰ মনোভাব অচল আৰু অপৰিবৰ্ত্তনীয়নে? প্ৰথমতে আমি যন্ত্ৰপাতিক, আৰু বৰ্ত্তমান যুগৰ সাংগঠনিক, বৈজ্ঞানিক আৰু উৎপাদনৰ শক্তিসমূহক আধ্যাত্মিকতাৰ ৰূপ দিব পৰা মহান মনোভাব বিকাশৰ চেষ্টা কৰিব নালাগিবনে?"

ৰেল পৰিবহন আদিৰ প্ৰতি মোৰ নিন্দা য'ত খাটে তাত এতিয়াও সত্য হৈ আছে। এই আন্দোলনৰ লগত তাৰ কোনো সম্পৰ্ক নাই আৰু এই

আন্দোলনে লিখকে উল্লেখ কৰা কোনো অনুষ্ঠানকে অৱহেলা কৰা নাই। বৰ্ত্তমান আন্দোলনত মই ৰেল পৰিবহন বা চিকিৎসালয়ক আক্ৰমণ কৰা নাই। কিন্তু এখন আদৰ্শ ৰাষ্ট্ৰত মোৰ কাৰণে এই বিলাকৰ প্ৰয়োজন খুব কম থাকিব বা মুঠেই নাথাকে বুলি অনুমান হয়। বৰ্ত্তমানৰ আন্দোলনত লিখকে যি বিচাৰিছে ঠিক সেইটোৱেই। তথাপি ই যন্ত্ৰপাতিক আধ্যাত্মিক কৰাৰ প্ৰচেষ্টা নহয়, কাৰণ এইটো অসম্ভব কাম যেন লাগে। ই যদি সম্ভবপৰ হয় যন্ত্ৰৰ অন্তৰালত থকা মানুহৰ মনত মানবতাৰ মনোভাব জাগৰণ কৰাৰ প্ৰচেষ্টা। ধন আৰু ক্ষমতা অলপ কেইজনমানৰ হাতত থুপ খুৱাবলৈ আৰু অগণন লোকক শোষণ কৰিবলৈ যন্ত্ৰপাতিৰ সংগঠন কৰা কাৰ্য্যক মই সম্পূৰ্ণ ভুল বুলি বিবেচনা কৰোঁ। বৰ্ত্তমান যুগৰ যন্ত্ৰপাতিৰ বেছিভাগ সংগঠনেই এই ধৰণৰ। যঁতৰ প্ৰবৰ্ত্তনৰ এই আন্দোলন একচেতীয়া আৰু শোষণৰ অৱস্থাৰ পৰা যন্ত্ৰপাতিক গুচাই তাক প্ৰকৃত অৱস্থাত স্থাপন কৰাৰ বাবেই এটা সাংগঠনিক প্ৰচেষ্টা। মোৰ এই আঁচনিত যন্ত্ৰপাতিৰ তত্বাবধানত থকা লোকে তেওঁলোকৰ নিজৰ বাবে বা নিজৰ দেশৰ বাবে নাভাবি গোটেই মানবজাতিৰ বাবেই চিন্তা কৰিব। এইদৰে লাঙ্কাছায়াৰৰ লোকে ভাৰতবৰ্ষৰ লোকক শোষণ কৰিবৰ বাবে যন্ত্ৰপাতি নচলাব, বৰং তাৰ পৰিবৰ্ত্তে ভাৰতবৰ্ষৰ লোকে তেওঁলোকৰ নিজ নিজ গাওঁত তেওঁলোকৰ কপাহ কাপোৰত পৰিণত কৰিবলৈ উপায় উদ্ভাবন কৰি দি তেওঁলোকক সহায় কৰিব পাৰে। মোৰ আঁচনিত আমেৰিকাবাসীসকলেও তেওঁলোকৰ উদ্ভাবনী কৌশলৰ জৰিয়তে পৃথিবীৰ আন আন জাতিক শোষণ কৰি চহকী হবলৈ চেষ্টা কৰিব নোৱাৰে।

"আমেৰিকাৰ দৰে ইমান অনুকূল পৰিবেশত ভাৰতৰ অগণন লোকৰ আত্মাৰ আৰু আন ঠাইত থকা সকলো লোকৰ মুক্তি আনয়ন কৰিব পৰাকৈ মানুহৰ শ্ৰেষ্ঠ সচেতনতাৰ ক্ৰমবিকাশত তাক অভিপ্ৰায় আৰু শক্তি, সাহস আৰু দয়ালৈ পৰিষ্কাৰ আৰু উন্নীত কৰা সম্ভব নহয়নে ?"

নি সন্দেহে সম্ভব। প্ৰকৃততে মই আশা কৰোঁ আমেৰিকাই শ্ৰেষ্ঠ মানবতাৰ সচেতনতা উদ্ভাবন কৰিব। কিন্তু সম্ভবত সেই সময় এতিয়াও আহি পোৱা নাই। বোধহয় ভাৰতবৰ্ষই নিজৰ আত্মা উপলব্ধি কৰাৰ আগেয়ে নহয়। আমেৰিকা আৰু ইউৰোপে ভাৰতবৰ্ষৰ কঠোৰ পথ যিমান পাৰে উজু কৰিবলৈ চেষ্টা কৰা দেখিলে মই যি আনন্দ পাম তাক আন একোৱে দিব নোৱাৰে। ভাৰতবৰ্ষৰ প্ৰতি লোভ সম্বৰণ কৰি আৰু ভাৰতবৰ্ষৰ নিজ নিজ গাওঁত থকা

প্ৰাচীন উদ্যোগৰ পুনৰুত্থানত উৎসাহ যোগাই তেওঁলোকে এই কাম কৰিব পাৰে।

"প্ৰত্যেক দেশৰে মোৰ দৰে লোক আপোনাৰ প্ৰতি কিয় কৃতজ্ঞ আৰু কিয় আপোনাক অনুসৰণ কৰিবলৈ আগ্ৰহান্বিত? ই প্ৰধানতঃ এই দুটা কাৰণৰ বাবে নহয়নে

প্ৰথমটো হৈছে—গোটেই বিশ্বৰে মৌলিক প্ৰয়োজন হৈছে এটা নতুন আধ্যাত্মিক সচেতনতা, সাধাৰণ মানুহৰো চিন্তা আৰু অনুভূতি সকলো মানুহতে একে ভগবানৰ অস্তিত্বৰ, আৰু সকলোৰে মাজত ঐক্য আৰু ভ্ৰাতৃত্বৰ উপলব্ধি নহয়নে?

দ্বিতীয়টো কাৰণ আন সকলো ব্যাপকভাবে জনা মানুহতকৈ আপোনাৰ এই সচেতনতা সম্পূৰ্ণ আছে আৰু এই ভাব আনৰ মনত জগাবৰ ক্ষমতা আপোনাৰ আছে বাবেই নহয়নে?"

লিখকৰ অনুমান যেন সচা হয় তাকে মাত্ৰ মই কামনা কৰিব পাৰোঁ।

"ভগবানে মানুহক বিপদৰ সময়ত আশ্বাস দিয়ে এইটো আজি বিশ্বজোৰা প্ৰয়োজন, নহয় জানো? আৰু আপুনিয়ে তাৰ উত্তম উত্তৰ দিব পাৰে। আপোনাৰ উদ্দেশ্য অকল ভাৰতবৰ্ষতে কেনেকৈ ফলবতী হব? মোৰ শৰীৰৰ ভাৰসাম্য চেৰাই যদি এখন হাত বা এখন ভৰি অত্যধিক ভাবে পুষ্ট হৈ পৰে তেন্তে ই মোৰ শৰীৰৰ স্বাস্থ্য ভাল কৰিবনে, নাইবা সেই অনুগৃহীত অঙ্গটোৰেই স্থায়ী উপকাৰ কিবা হবনে?"

মোৰ উদ্দেশ্য যে অকল ভাৰততেই পূৰ্ণ নহয় তাৰ প্ৰতি মই সম্পূৰ্ণ সজাগ। কিন্তু মই মোৰ সীমিত শক্তি জানো আৰু মই বুজোঁ যে ভাৰতবৰ্ষত কৰা পৰীক্ষাৰ ফল জানিব নোৱাৰালৈকে সম্প্ৰতি মই ভাৰতৰ ক্ষেত্ৰতে সীমিত হৈ থাকিব লাগিব। মই আগতে কোৱাৰ দৰে মই ভাৰতবৰ্ষ মুক্ত আৰু সবল হোৱাটো চাবলৈ কামনা কৰোঁ যাতে ভাৰতবৰ্ষই বিশ্বৰ মঙ্গলৰ বাবে স্বেচ্ছাই আৰু পবিত্ৰভাবে নিজে ত্যাগৰ মন্ত্ৰ আগবঢ়াব পাৰে। ব্যক্তিয়ে পবিত্ৰ হৈ পৰিয়ালৰ বাবে ত্যাগ কৰিব পাৰে, পৰিয়ালে গাওঁৰ বাবে, গাওঁৱে জিলাৰ বাবে, জিলাই প্ৰদেশৰ বাবে, প্ৰদেশে জাতিৰ বাবে আৰু জাতিয়ে সকলোৰে বাবে ত্যাগ কৰে।

"আপোনাৰ বাণীৰ প্ৰতি গভীৰ শ্ৰদ্ধা জনাই মই কব পাৰোঁনে যে

আপোনাৰ দৃষ্টি আৰু প্ৰেৰণা অকল বা প্ৰধানত ভাৰতত আবদ্ধ নাৰাখি বিশ্বৰ লগত মিলাই দিব পাৰিলে তাৰ বেছি উপকাৰ হব ?"

এই কথাটোৰ যুক্তিৰ গুৰুত্ব মই উপলব্ধি কৰোঁ। এইটো একেবাৰে অসম্ভব নহয় যে মোৰ পশ্চিমৰ ভ্ৰমণে মোক বহল দৃষ্টিভঙ্গী দিব নোৱাৰিব পাৰে কাৰণ মই প্ৰদৰ্শন কৰিবলৈ চেষ্টা কৰিছোঁ যে ই আটাইতকৈ বহল হৈয়েই আছে। কিন্তু এই ভ্ৰমণে এই দৃষ্টিভঙ্গী বাস্তবত ৰূপায়িত কৰাৰ নতুন পথ আবিষ্কাৰ কৰাত সহায় কৰিব পাৰে। মোৰ যদি তেনে প্ৰয়োজন হয়, ভগবানে মোৰ বাট মুকলি কৰি দিব।

'ভাৰতবৰ্ষতেই হওক বা আন ঠাইতেই হওক যি আত্মাৰ শক্তিৰে ব্যক্তিয়ে নিজৰ অন্তৰত আৰু তেওঁৰ চতুৰ্দ্দিকে থকা ভগবৎশক্তিৰ প্ৰেৰণাত সাহসিক আৰু শ্ৰেষ্ঠ বিকাশ পাব পাৰ তেনে আত্মাৰ শক্তিৰ দৰে ৰাজনৈতিক প্ৰশাসনো প্ৰয়োজনীয়নে ?"

স্বাভাৱিক ব্যক্তিৰ আত্মাশক্তি যি কোনো সময়তে আটাইতকৈ ডাঙৰ বস্তু। ৰাজনৈতিক ৰূপ এই আত্মাশক্তিৰ মূৰ্ত্ত বিকাশ। স্বাভাৱিক ব্যক্তিৰ আত্মাশক্তি প্ৰশাসনৰ ৰাজনৈতিক ৰূপতকৈ বেলেগ আৰু পৃথককৈ থাকিব পৰা বস্তু বুলি মই নাভাবোঁ। সেইকাৰণে মই বিশ্বাস কৰোঁ যে মূঠৰ ওপৰত এটা জাতিয়ে যি চৰকাৰ পাবৰ যোগ্য তেনে চৰকাৰ পায়। অৰ্থাৎ স্বায়ত্তশাসন আত্ম প্ৰচেষ্টাৰ জৰিয়তেহে আহিব পাৰে।

"সকলো ঠাইতে ব্যক্তিৰ এই আত্মাশক্তিৰ বিশুদ্ধীকৰণ আৰু বিকাশৰ মৌলিক প্ৰয়োজন সম্ভৱত অলপ কেইজনমানে আৰম্ভ কৰি স্বৰ্গীয় সংসৰ্গৰ দৰে বহুতলৈ বিয়পি যোৱাটোৱেই নহয়নে ?"

হয়, ই ঠিক তেনেকুৱাই।

'আপুনি ঠিক শিক্ষাই দিছে যে এনে আত্মাবলৰ ঐকান্তিক উৎকৰ্ষণে ভাৰতবৰ্ষৰ স্বাধীনতালাভ নিশ্চিত কৰিব। ই সকলো ঠাইতে সকলো প্ৰকাৰৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু আন্তৰাষ্ট্ৰীয় আৰু যুদ্ধ-শান্তিৰ প্ৰশ্নকে ধৰি সকলো সমস্যাতে ৰূপ দিব নোৱাৰিবনে ? বৰ্ত্তমান সময়ত যেতিয়া সমগ্ৰ মানবজাতি একে প্ৰতিবেশী, পৃথিবীৰ আন ঠাইতকৈ ভাৰতবৰ্ষত মানব সভ্যতাৰ এই কথা কেইটাক মূলত শ্ৰেষ্ঠ কৰিব পৰা যাবনে ?"

এই প্ৰশ্নটোৰ উত্তৰ আগৰ কথাখিনিত দিছোঁ। এই পৃষ্ঠা কেইটাত

আগতে মই এই কথা ন দি কৈছোঁ যে ভাৰতবৰ্ষৰ স্বাধীনতাই সমৰ আৰু শান্তি সম্পৰ্কে বিশ্বৰ দৃষ্টিভঙ্গীৰ বৈপ্লবিক পৰিবৰ্ত্তন আনয়ন কৰিব। ভাৰতবৰ্ষৰ দুৰ্ব্বলতাই সমগ্ৰ মানব জাতিকে স্পৰ্শ কৰিছে।

> "এই প্ৰশ্নকেইটাৰ উত্তৰ কেনেকৈ দিব লাগে তাক মোতকৈ বা আন মানুহতকৈ আপুনি ভালদৰে জানে। আমেৰিকাৰ আৰু সমগ্ৰ মানব-জাতিৰ জৰুৰী সমস্যাবিলাকৰ সমাধানৰ আশা কৰি মই মাত্ৰ আপোনাৰ মহান উদ্দেশ্যৰ প্ৰতি মোৰ ঐকান্তিক আস্থা ব্যক্ত কৰিব খুজিছোঁ আৰু আপোনাৰ নেতৃত্বৰ প্ৰতি অনুৰাগ জনাব খুজিছোঁ। গতিকে অনুগ্ৰহ কৰি আপুনি মনত ৰাখিবনে যে (কোনো সময়ত) আপোনাৰ মহান প্ৰেৰণাৰে প্ৰদৰ্শন কৰা পথেৰে আগবঢ়াত যদি ভাৰতবৰ্ষৰ অগ্ৰগতিৰ পথ বন্ধ হয় আৰু পাশ্চাত্য জগত আগবাঢ়ি অহাৰ বাবে অপেক্ষা কৰিব লগা হলে পশ্চিমৰ পৰা আমি আপোনাক প্ৰাৰ্থনা জনাওঁ যেন আপোনাৰ কেই মাহমানৰ সময় আমাক দিয়ে আৰু আপুনি নিজে আমাৰ মাজত থাকে। মোৰ নিজৰ ধাৰণা আপুনি যদি আমাক আহ্বান কৰে আৰু প্ৰশিক্ষণ দিয়ে, (আপোনাৰ অলেখ অনুগামী গোটেই পৃথিবীতে সিঁচৰিত হৈ আছে) তেন্তে এই মহান আৰু অভিনৱ বিশ্বব্যাপী আত্মিক কমনৱেলথ গঢ়ি তোলাত আমি জীৱনব্যাপী আপোনাৰ লগ লম আৰু ইয়াতেই মানবৰ বহুদিনীয়া বিশ্বভ্ৰাতৃত্বৰ, গণতন্ত্ৰৰ, শান্তি আৰু আধ্যাত্মিক প্ৰগতিৰ সপোনে ভাৰততে হওক বা ইংলণ্ড, আমেৰিকা বা যি কোনো ঠাইতেই হওক সৰ্ব্বসাধাৰণ লোকৰ দৈনন্দিন জীৱনত ৰূপ লৈ প্ৰতিফলিত হব।"

বিশ্বনেতৃত্বৰ বাবে মোৰ আত্মবিশ্বাস থকা হলে ভাল হ'লহেতেন। মোৰ নিজৰ প্ৰতি কোনো মিছা সম্ভ্ৰম বা মৰ্য্যাদা নাই। অন্তৰৰ পৰা নিৰ্দ্দেশ পোৱা হেতেন মই এক মুহূৰ্ত্তও অপেক্ষা নকৰি পোনে পোনেই ইমান সাদৰৰ এই আমন্ত্ৰণ ৰক্ষা কৰিলোঁহেতেন। কিন্তু মোৰ সজাগ সীমাবদ্ধতাই এই পৰীক্ষা ক্ষুদ্ৰ অংশতে মোক সীমিত কৰি ৰাখিবলৈ দিয়া যেন মোৰ ধাৰণা হৈছে। সৰু অংশ এটাত যি সত্য হব সমগ্ৰ বিশ্বতে সি সত্য হব যেন লাগে। এইটো সচা কথা যে ভাৰতবৰ্ষৰ প্ৰগতি মই যি দিশেৰে বিচাৰোঁ সি যেন থমকি ৰৈছে কিন্তু মই ভাবোঁ সি দেখাতহে তেনে হোৱা যেন লাগিছে। ১৯২০ চনত যি ক্ষুদ্ৰ বীজ সিঁচা হৈছিল সি ধ্বংস হব নোৱাৰে। মোৰ ধাৰণা ই দ্ৰুতকৈ শিপাইছে। সোনকালেই ই প্ৰকাণ্ড গছ হৈ ওলাই পৰিব। কিন্তু মোৰ মনত এটা ভুল বিশ্বাসে ঠাই লৈছে। মোৰ মনত আশঙ্কা হৈছে যে মোৰ আমেৰিকা ভ্ৰমণৰ

পৰা পোৱা ক্ষণিকৰ কৃত্রিম উৎসাহে ইয়াক সঞ্জীৱিত কৰিব নোৱাৰে। মই সমগ্র বিশ্বৰ সাহায্যৰ বাবে উৎসুক হৈ আছোঁ। ই আহিব লাগিছে যেন দেখিছোঁ। জৰুৰী আমন্ত্রণে তাৰ ভিতৰত এটা চিন। কিন্তু এই পাৱনী আৰু শক্তিদায়িনী সাহায্য মহা প্লাবনৰ দৰে অহাৰ আগতে আমি তাৰ বাবে যোগ্য হব লাগিব বুলি ভাবোঁ।

ইয় ইণ্ডিয়া ১৭ ৯ ১৯২৫

[১৭]

বাধ্যতামূলক সামৰিক শিক্ষা

এলাহাবাদৰ এজন স্নাতকে লিখিছে—

"মই এলাহাবাদ বিশ্ববিদ্যালয়ৰ এজন ৰেজিষ্টার্ড স্নাতক। এলাহাবাদ বিশ্ববিদ্যালয়ৰ কোর্ট সভালৈ সদস্য নির্ব্বাচনত ভোট দিয়াৰ মোৰ অধিকাৰ আছে।

বিশ্ববিদ্যালয়সমূহত সামৰিক শিক্ষা বাধ্যতামূলক কৰাৰ বিৰোধ কৰা বাবে মোক জগৰীয়া কৰা হৈছে। এই বিষয়ে ইয়ং ইণ্ডিয়া কাগজৰ জৰিয়তে মই আপোনাৰ মতামত জানিবলৈ বাঞ্ছা কৰোঁ। মোৰ মত চমুকৈ কবলৈ গলে এই

মই স্বীকাৰ কৰোঁ যে স্বৰাজ চৰকাৰৰ তলত আমাৰ যুবকসকলে সামৰিক বাহিনীত চাকৰি হিচাপে কাম কৰিব লাগিব আৰু আমি সেই মনোভাবক উৎসাহ দিব লাগিব। কিন্তু বিদেশী শাসনৰ তলত মোৰ এই নিৰাপত্তাৰ ভাৰসা নাই যে বিশ্ববিদ্যালয়ৰ এই শিক্ষার্থীবাহিনীক ভাৰতীয় সামৰিক বাহিনীক ইতিপূর্ব্বে লগোৱাৰ দৰে ভাৰতীয় জাতিৰ বিৰুদ্ধে নলগাব। তাৰ উপৰিও যদি আমাৰ যুবকসকলক সামৰিক প্রশিক্ষণ লবলৈ বাধ্য কৰা হয় তেন্তে ই আমাৰ নৈতিক গোলামিৰ শিকলিত আন এটা আঙঠি নহবনে? আত্মবিশ্বাসত মুক্ত পৰিবেশ থাকিব লগা বিশ্ববিদ্যালয়ৰ আদর্শৰ লগত ইয়াৰ সংঘাত নহবনে? ই আমাৰ জীৱন আদর্শক সামৰিক গঢ়ত ৰূপায়িত নকৰিবনে? বিদেশৰ বিশ্ববিদ্যালয় সম্পর্কে মোৰ জ্ঞান সীমিত, কিন্তু মই যিখিনি খবৰ গোটাইছোঁ তাৰ পৰা মই জানিব পাৰিছোঁ যে ইংলণ্ড আৰু আমেৰিকাৰ দৰে স্বাধীন দেশতো বিশ্ববিদ্যালয়বিলাকত তেনে কোনো বাধ্যবাধকতা নাই। আনকি

ৰাজনৈতিক বিচাৰ বাদ দিলেও আমি জানো ব্যক্তিৰ বিবেক-বিবেচনাৰ স্বাধীনতা দিব নালাগিব? এই বিবেকৰ স্বাধীনতা ৰক্ষাৰ বাবেই ভালেমান ইংৰাজলোকে যুদ্ধৰ সময়ত কাৰাবাস বৰণ কৰা নাছিলনে? তেওঁলোকৰ সকলোৰে নিশ্চয় মৃত্যুৰ ভয় নাছিল।

"এই কথাবোৰ সৰ্ব্বপ্ৰকাৰে বিবেচনাযোগ্য। আনহাতে শাৰীৰিক ব্যায়ামত বাধ্যতামূলক প্ৰশিক্ষণৰ মই পক্ষপাতী আৰু আনন্দেৰে তাক সমৰ্থন কৰোঁ। মই ভাবোঁ ইয়াক বাধ্যতামূলক কৰিলেই বিশ্ববিদ্যালয়ৰ সকলো প্ৰয়োজন পূৰ্ণ হয়।

'জীৱনত বা ৰাজনীতিত ভিন্ন মত পোষণ কৰা সকলৰ প্ৰতি বিশ্ববিদ্যালয়ৰ দুৱাৰ বন্ধ কৰা আমাৰ উচিত নহব। এই অনুষ্ঠানবোৰত ইতিমধ্যে অতিমাত্ৰাই সংকোচন আৰম্ভ হৈছে।"

যুদ্ধনীতিবিৰোধী ধৰ্ম্মমত পোষণকাৰীহিচাপে এই সংবাদদাতা জনে বিশ্ববিদ্যালয়ৰ বাধ্যতামূলক সামৰিক প্ৰশিক্ষণ সম্পৰ্কে কোৱা আটাইখিনি কথা মই অন্তৰেৰে সমৰ্থন কৰোঁ। কিন্তু যুক্তিবোৰ আন কি অকল প্ৰয়োজনবাদ আৰু জাতীয়তাবাদৰ দিশৰ পৰা বিচাৰ কৰিলেও যুক্তিসঙ্গত যেন লাগে। বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীবাহিনীক জাতীয় স্বাৰ্থৰ প্ৰতিকূলে ব্যৱহাৰ নকৰাৰ নিৰাপত্তা তো নায়েই বৰং যেতিয়ালৈকে এই চৰকাৰে জাতীয়তাবাদ বিৰোধী মনোভাব পোষণ কৰি থাকে তেতিয়ালৈকে এই শিক্ষাৰ্থীবাহিনীক সময়ত প্ৰয়োজন হলে জাতিৰ বিৰুদ্ধেই প্ৰয়োগ কৰাৰ সকলো সম্ভাবনাই আছে। ভবিষ্যত কোনোবা এক ডায়াৰক এই বিশ্ববিদ্যালয়ৰ লোকেৰেই আন এখন জালিয়ানাবাগ সৃষ্টি কৰাত কিহে বাধা দিব পাৰে? সাম্ৰাজ্যৰ বাণিজ্যৰ স্বাৰ্থত দমনৰ প্ৰয়োজন হওঁতে নিৰীহ চীনাসকলৰ বিৰুদ্ধে আৰু সমানে নিৰপৰাধী ভিন্নতীয়সকলৰ বিৰুদ্ধে কৰা সামৰিক অভিযানত আমাৰ ডেকাসকলে স্বেচ্ছাই আগবাঢ়ি নাহিবনে? যুদ্ধত স্বেচ্ছাই যোগ দিয়া কিছুমান ডেকাই তেওঁলোকৰ আচৰণ সমৰ্থন কৰি কৈছিল যে যুদ্ধত যোগ দি তেওঁলোকে যুদ্ধবিদ্যাৰ অভিজ্ঞতা অৰ্জ্জন কৰিছে। সীমান্তৰ পৰা হোৱা অভিযানতো জানিয়েই হওক বা অজানিতেই হওক এনে যুক্তিয়েই প্ৰৰোচিত কৰিছিল। যি সকলে কৃতকাৰ্য্যতাৰে সাম্ৰাজ্য শাসন কৰে তেওঁলোকৰ মনুষ্য প্ৰকৃতিৰ সম্যক জ্ঞান আছে। ই নিশ্চয় বেয়া বা ধূৰ্ত্তামি নহয়। উচ্চ প্ৰবৃত্তিৰ তাড়নাত ই অতি সুন্দৰ ভাবে কাম কৰে। সামৰিক বাহিনীত যোগ দিয়াৰ আগতে

হাজাৰ হাজাৰ যুৱকে আনুগত্যৰ শপত খাব লাগে আৰু ইউনিয়ন জেক পতাকাক অলেখ বাৰ অভিবাদন কৰিব লাগে। এই আচৰণে স্বাভাৱিকতে তেওঁলোকৰ মনত আনুগত্যৰ মনোভাব উন্মেষ কৰিব আৰু উপৰিৱালাৰ গুলি কৰাৰ হুকুম পালন কৰি নিজৰ লোককো গুলিয়াই মাৰিব। গতিকে অহিংসাৰ সম্পূৰ্ণ বিশ্বাসী হৈও যিসকলে আৱশ্যক অনুসৰি সময়ত অনুধাৱণ কৰাৰ প্ৰয়োজন মানি লয় তেওঁলোকে সামৰিক প্ৰশিক্ষণ লোৱাৰ কথা মই বুজোঁ আৰু সমাদৰ কৰোঁ। কিন্তু যি চৰকাৰ জনসাধাৰণৰ অভাব প্ৰয়োজনৰ প্ৰতি সম্পূৰ্ণ উদাসীন তেনে চৰকাৰৰ তলত দেশৰ যুৱকসকলে সামৰিক প্ৰশিক্ষণ লোৱাৰ কথা মই সমৰ্থন কৰিব নোৱাৰোঁ আৰু মই সকলো ক্ষেত্ৰতে আনকি জাতীয় চৰকাৰৰ তলতো বাধ্যতামূলক সামৰিক প্ৰশিক্ষণৰ বিৰুদ্ধাচৰণ কৰা উচিত বুলি ভাবোঁ। যিসকলে সামৰিক প্ৰশিক্ষণ লবলৈ ইচ্ছা নকৰে তেওঁলোকক ৰাজহুৱা বিশ্ববিদ্যালয়ত শিক্ষালাভৰ সুযোগৰ পৰা বঞ্চিত কৰা উচিত নহয়। শৰীৰচৰ্চা সম্পূৰ্ণ বেলেগ কথা। ই আন বিষয়ৰ দৰে যি কোনো ভাল শিক্ষানুষ্ঠানৰেই শিক্ষণীয় বিষয় হব পাৰে আৰু হোৱা উচিত।

ইয়ং ইণ্ডিয়া ২৪ ৯ ১৯২৫

[১৮]
ইউৰোপৰ পৰা

এপিনে মোৰ ক্ষুদ্ৰতা আৰু সীমাবদ্ধতা আৰু আনপিনে মোৰ ওপৰত মানুহে কৰা বহুত আশা—এই কথাটো ভাবি মোৰ মনটো উদ্বিগ্ন হৈ উঠে, মই জেকিল আৰু হাইডৰ অদ্ভুত সংমিশ্ৰণ এটাহে মাত্ৰ। গতিকে মই বুজিছোঁ, মানুহে মোৰ পৰা আশা কৰা নাই, কৰিছে আন এজন 'মই'ৰ পৰা, যি 'মই' সত্য আৰু অহিংসা এই দুই অমূল্য গুণৰ অৱতাৰ—যিমানেই অসম্পূৰ্ণ হওক সেই অৱতাৰ, ই কিন্তু আপেক্ষিক ভাবেহে মহত্তৰ। এই উপলব্ধিৰ লগে লগেই মোৰ মনটো আকৌ থিৰ হৈ পৰে। সেই কাৰণে মোৰ পশ্চিমীয়া দেশৰ সত্যান্বেষী বন্ধুসকলক যি পাৰোঁ সহায় কৰি দিয়াৰ দায়িত্বখিনিৰ পৰা মই গা এৰা দিব নোৱাৰোঁ।

আমেৰিকাৰ পৰা অহা এখন চিঠিৰ বিষয়ে আগতেই আলোচনা কৰিছোঁ।

এয়া মোৰ সন্মুখত আৰু এখন চিঠি। এইখন আহিছে জাৰ্মানিৰ পৰা। চিঠিখন সুন্দৰভাবে যুক্তি দি লেখা। প্ৰায় এমাহমান এইখন মোৰ ওচৰত আছে। পোনতে মই ভাবিছিলোঁ। উত্তৰটো ব্যক্তিগত ভাবেই লিখি পঠাওঁ আৰু পত্ৰলিখকে ইচ্ছা কৰিলে জাৰ্মানিত প্ৰকাশ কৰিব পাৰে বুলি লিখি দিওঁ। কিন্তু আকৌ এবাৰ পঢ়ি মই ঠিক কৰিলোঁ যে চিঠিখনৰ বিষয়ে এই শিতানত আলোচনা কৰাই ভাল। তলত চিঠিখনৰ সম্পূৰ্ণ পাঠ তুলি দিলোঁ।

"অকল ভাৰততেই নহয়, পৃথিবীৰ বাকী অংশয়ো আপোনাৰ সত্যাগ্ৰহ আৰু স্বদেশীৰ বাণী শুনিছে। ইউৰোপৰ বহুসংখ্যক ডেকা গাভৰুৱে আপোনাৰ মতত বিশ্বাস কৰে। ৰাজনৈতিক ভাৱধাৰাক কাৰ্যত পৰিণত কৰিবলৈ এটা নতুন মনোভাৱ তেওঁলোকে তাৰ মাজত দেখা পাইছে। ইমান দিনে ই তেওঁলোকৰ সপোন হৈ আছিল মাত্ৰ। কিন্তু আপোনাৰ বাণীৰ সত্যতাৰ বিষয়ে পতিয়ন যোৱাসকলৰো বহুতে তাৰ খুটি নাটি কিছুমান নামানে। মানুহৰ পৰা আপুনি যিমানখিনি বিচাৰিছে তাৰ কিছুমানত তেওঁলোকৰ মত নাই। তেনে লোকসকলৰ নামতে এই চিঠি লিখা হৈছে।

১৯২১ চনৰ একৈছ মাৰ্চৰ দিনা এটা প্ৰশ্নৰ উত্তৰত আপুনি কৈছিল সত্যাগ্ৰহৰ দাবী হৈছে সৰ্ব্বাত্মক অহিংসা আৰু হিংসাত্মক আক্ৰমণৰ সন্মুখীন হলেও আনকি এগৰাকী তিৰোতা মানুহেও হিংসাত্মক উপায়েৰে আত্মৰক্ষা কৰিব নোৱাৰিব। আনপিনে ইংৰাজ চৰকাৰে জেনেৰেল ডায়াৰক শাস্তি দিব লাগে বুলি আপুনি পৰামৰ্শ দিয়াৰ কথা সকলোৱে জানে। তাৰ পৰা বুজা যায় যে হিংসাত্মক উপায়েৰে আইন শৃংখলা ৰক্ষা কৰাৰ আবশ্যকতা আপুনিও উপলব্ধি কৰিছে। ইয়াৰ পৰা মই মাত্ৰ এই সিদ্ধান্ততে উপনীত হব পাৰোঁ যে মৃত্যুদণ্ড বিধানত আপোনাৰ আপত্তি নাই, গতিকে সাধাৰণ নৰহত্যাক আপুনি নিন্দনীয় বুলি নাভাৱে। জীৱনটো আপুনি ইমান তুচ্ছ বুলি ভাৱে যে সত্যাগ্ৰহৰ কাৰণে আপুনি হাজাৰ হাজাৰ ভাৰতবাসীক নিজৰ জীৱন দিবলৈ কৈছে। মানুহৰ জীৱনৰ নিম্নতম হস্তক্ষেপ শাস্তি আৰু উচ্চতম হস্তক্ষেপ মৃত্যুদণ্ড—এই দুয়োটাই একে নীতিৰ ওপৰতে প্ৰতিষ্ঠিত কাৰণ দুয়োটা ক্ষেত্ৰতে এটা বাহ্যিক শক্তিয়ে মানুহক নিজ ধৰ্মৰ পৰা আঁতৰি যাবলৈ প্ৰৰোচিত কৰে। এইবোৰ কথা আপুনি জানে বুলি মই নিঃসন্দেহ। চিন্তা যাৰ যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত তেওঁলোকে জানে একেটা নীতিয়েই মানুহৰ ওপৰত

কিছুদিনীয়া শান্তিৰ বিধানো কৰে আৰু চিৰকলীয়া শান্তিৰ বিধানো কৰে। এই দুয়োটাৰে পাৰ্থক্য কেৱলমাত্ৰ আকাৰতহে, প্ৰকাৰত নহয়। তেওঁলোকে আৰু জানে যে যিজনে সাধাৰণ দণ্ডবিধানৰ হৈ থিয় দিয়ে, তেওঁ নৰহত্যা বুলিলে নাক কোঁচালে নচলিব।

অসহযোগক আপুনি লৈছে ভাৰতৰ স্বাধীনতাৰ অকল আদৰ্শস্বৰূপেই নহয়, এক নিৰাপদ আৰু শীঘ্ৰ পন্থা স্বৰূপেও আৰু য'ত অস্ত্ৰশস্ত্ৰেৰে সুসজ্জিত এটা চৰকাৰৰ বিপক্ষে গোটেই জাতিটোৱেই বিদ্ৰোহ কৰি উঠিবলগীয়া হয় তাতহে সেই পন্থা সম্ভব হব পাৰে, কিন্তু সমগ্ৰ দেশবাসীয়েই যেতিয়া আন এখন ৰাষ্ট্ৰৰ পৰা নিজৰ অধিকাৰসমূহ লাভ কৰিবলগীয়া হয়, তেতিয়া অসহযোগৰ নীতিয়ে একো কৰিব নোৱাৰে, কাৰণ এই আনখন ৰাষ্ট্ৰই আন কিছুসংখ্যক ৰাষ্ট্ৰৰ লগত মিত্ৰতা সূত্ৰত আবদ্ধ হব পাৰে। অৱশ্যে তাৰে কিছুসংখ্যকে নিৰপেক্ষতাও অৱলম্বন কৰিব পাৰে। যিহেতু কোনো এখন ৰাষ্ট্ৰই আন সকলোবোৰ ৰাষ্ট্ৰৰ পৰা আঁতৰি থাকিব নোৱাৰে, যেতিয়ালৈকে সকলো ৰাষ্ট্ৰকে সামৰি লোৱা এখন প্ৰকৃত জাতিসংঘৰ জন্ম নহয় তেতিয়ালৈকে অসহযোগ এটা প্ৰকৃত শক্তি হব নোৱাৰে। সেই কাৰণেই আমি জাতিসংঘৰ কাৰণে সংগ্ৰাম কৰিছোঁ; কিন্তু এটা শক্তিশালী পুলিচবাহিনী ৰাখিবলৈকো আমি সেই কাৰণেই চেষ্টা চলাইছোঁ, নহলে ভিতৰৰ বিদ্ৰোহ আৰু উচ্ছৃংখলতাই সকলো বৈদেশিক নীতিকে অসম্ভৱ কৰি তুলিব। গতিকেই আমি দেখাত আন আন চৰকাৰে আমাক যিটো কৰিবলৈ হাক দিছে, সেইটোকে তেওঁলোকে নিজৰ ক্ষেত্ৰত কৰিছে—কোনোবা শত্ৰুৱে আক্ৰমণ কৰে বুলি নিজকে অস্ত্ৰশস্ত্ৰেৰে সুসজ্জিত কৰিছে। সাময়িকভাবে তেওঁলোকে তাকে কৰিবই লাগিব আৰু আমিও তাকে কৰা উচিত, যদিহে আমি সঘনে আক্ৰমণৰ সম্মুখীন হৈ থাকিব নোখোজোঁ। আমি আশা কৰিছোঁ আপুনি আমাৰ দৃষ্টিভঙ্গী বুজি পাব। যদি বুজি পায় আৰু এই চিঠিৰ উত্তৰত আমাক জানিবলৈ দিয়ে আমি তেন্তে আপোনাৰ ওচৰত কৃতজ্ঞ থাকিম, কাৰণ ইউৰোপৰ ডেকাশক্তিয়ে এই প্ৰশ্নসমূহৰ প্ৰতি আপোনাৰ মনোভাব কি জানিব খোজে, কিন্তু আপুনি যেন আকৌ নাভাবে যে আমি আপোনাৰ সত্যাগ্ৰহ নীতিৰ বিষয়ে আপোনাৰ পৰা কিবা কথা আগতীয়াকৈ উলিয়াব খুজিছোঁ।

কিন্তু সৰ্বাত্মক অহিংসাৰে হোৱা অসহযোগ আমি দেখা নাই। সি প্ৰকৃততে ক'তো কেতিয়াও উদ্যাপিত হোৱা নাই—হোৱা নাই আপোনাৰ দ্বাৰা, হোৱা নাই আনকি যীশুখ্ৰীষ্টৰ দ্বাৰাও—যি যীশুৱে তেওঁৰ উদ্ধৰ্ম-বিলাকক মন্দিৰৰ পৰা খেদি দিছিল। আমাৰ কাৰণে সত্যাগ্ৰহ মানে

ভ্ৰাতৃত্ব আৰু ত্যাগৰ কাৰণে অকুণ্ঠিত সমৰ্থন, আৰু তাকেই গোটেই ভাৰতীয় জাতি আৰু আপুনি আমাৰ আগত অতি মোহনীয় ভাবে প্ৰদৰ্শন কৰিলে। মনৰ সেইটো স্তৰ পাবলৈকে আমি আশা কৰোঁ। কাৰণ আমি বুজিছোঁ, এটা পদ্ধতি দোষযুক্ত হব পাৰে, কিন্তু সেইবুলি একশ্ৰেণীৰ মানুহ বা এটা সমগ্ৰ জাতিক তাৰ কাৰণে দুষ্ট বুলি অভিহিত কৰিব নোৱাৰি (এই বিষয়ে আপুনি লিখিছিল ১৩ জুলাই, ১৯২১ তাৰিখে)। ধূৰ্ত্তামি বা অসতৰ অন্ধ সমৰ্থনকাৰীক ঘিণ কৰাতকৈ পুতৌ কৰাহে উচিত। যিসকলে এই কথা বুজি পাইছে তেওঁলোকেই বিশ্বভ্ৰাতৃত্বৰ নতুন পথত বাট বুলিবলৈ আৰম্ভ কৰিছে, আৰু এই পথেই লৈ যাব লক্ষ্যস্থললৈ, সত্যৰ বিজয়স্তম্ভৰ ওচৰলৈ, সত্যাগ্ৰহলৈ।

এই চিঠিৰ উত্তৰস্বৰূপে আমি আপোনাৰ পৰা দুটা বিষয়ে পৰামৰ্শ বিচাৰিছোঁ। এটা হৈছে—আপুনিতো আমাক দেশৰ কাৰণে যি উপায়কে আমি ন্যায়সঙ্গত বুলি ভাবোঁ সেই উপায়েৰেই যুজিব লাগে বুলি পৰামৰ্শ দিবই; কিন্তু তাৰ উপৰি আপুনি কিহক ন্যায় বুলি ভাবে সেই বিষয়েও জানিবলৈ আমি বৰ ইচ্ছা কৰিছোঁ। আৰু এটা কথা, পূৰ্ণ অহিংসা মানে আমি বুজোঁ অসতৰ বিপক্ষে কৰা সকলো প্ৰকাৰ প্ৰকৃত যুদ্ধকে ত্যাগ কৰা আৰু সেই কাৰণেই আমি তাক দূষণীয় বুলি ভাবোঁ, কাৰণ যি পুলিচে দোষীক বিনা শাস্তিৰে সাৰি যাবলৈ দিয়ে তেনে পুলিচক আমি দুষ্ট বুলিমেই। কিন্তু আপুনি আকৌ তাকে দেখোন সমৰ্থন কৰে। আপোনাৰ এই সমৰ্থনৰ যুক্তি কি?—বিশেষকৈ এই বিষয়ে আমি আপোনাৰ পৰা জানিবলৈ বিচাৰোঁ।

আমাৰ বিশ্বাস, আমি প্ৰথমে আমাৰ নিজ ধৰ্ম অনুশীলন কৰিব লাগে, আৰু সেই সকলোবোৰৰ আগতে, ভগবানে আমাৰ জীৱনটো যিভাবে গঢ় দিবলৈ বাঞ্ছা কৰে তেনে ভাবেই আমি তাক গঢ় দিয়া উচিত। কিন্তু কেতিয়াবা আমাৰ লগৰ মানুহে নিজে তেওঁলোকৰ জীৱনৰ ওপৰত আমাৰ হস্তক্ষেপ বিচাৰে; নহলে কেতিয়াবা এনে অৱস্থাত পৰা যায় যে এনেকৈ হস্তক্ষেপ কৰিহে সমস্ত পৃথিবীৰে ভয়ৰ কাৰণ হৈ উঠা এটা অসৎ শক্তিক আমি দমন কৰিব পাৰোঁ। এই দুয়োটা ক্ষেত্ৰত মানুহৰ জীৱনত হস্তক্ষেপ কৰিবলৈ আমাৰ অধিকাৰ আৰু দায়িত্ব ভগবানে আমাক দিছে। আমি ভাবোঁ, আন ক্ষেত্ৰত মানুহে আনৰ জীৱনত হস্তক্ষেপ কৰাটো ন্যায়সঙ্গত কথা নহয়, কাৰণ কেৱল ভগবানেহে মানুহৰ আত্মাৰ মাজেদি দেখে আৰু মানুহৰ পক্ষে কি ন্যায় পথ তাক নিৰ্ণয় কৰিব পাৰে। আৰু আমাৰ বিশ্বাস, ভগবানৰ স্থান লবলৈ যোৱাতকৈ আৰু ডাঙৰ ঈশ্বৰবিৰোধী কাম একো হব নোৱাৰে। ইংৰাজ জাতিটোক আমি তেনে ঈশ্বৰবিৰোধ অপৰাধ

কৰা বুলি ভাবোঁ কাৰণ তেওঁলোকে গোটেই পৃথিবীৰে মানুহৰ ওপৰত হস্তক্ষেপ কৰাটোকে তেওঁলোকৰ জীৱনৰ পবিত্ৰ লক্ষ্য বুলি ভাবে।

এই কাৰণেই আমি বুজি নাপাওঁ কেনেকৈ আপুনি বিবাহিত স্বামী স্ত্ৰীক পৰস্পৰৰ সন্মতি নোহোৱাকৈ ইজনৰ পৰা সিজনক আঁতৰি থাকিবলৈ পৰামৰ্শ দিব পাৰে। কাৰণ এনে হকাবধাৰ ফলস্বৰূপে মানুহে পাপাসক্ত হৈ যাব পাৰে। তেনেবোৰ ক্ষেত্ৰত আপুনি বিবাহ বিচ্ছেদৰ কাৰণে পৰামৰ্শ দিয়াই ভাল।

অনুগ্ৰহ কৰি আমাৰ এই প্ৰশ্নবোৰৰ উত্তৰ দিব। আপুনি দাঙি ধৰা আদৰ্শটো পাই আমি ইমান আনন্দ পাইছোঁ আৰু সেই কাৰণেই আপোনাৰ নিৰ্দ্ধাৰিত মানদণ্ডত জীৱন নিৰ্ব্বাহ কৰিবৰ কাৰণে শুদ্ধ পন্থা কোনটো হব সেই বিষয়ে আমি নিশ্চিত হব খোজোঁ।"

ভ্ৰমণ কালছোৱাত মোৰ হাতত 'ইয়ং ইণ্ডিয়া'ৰ নথি পত্ৰ নাই কিন্তু "সত্যাগ্ৰহ মানে সৰ্ব্বাত্মক অহিংসা আৰু হিংসাত্মক আক্ৰমণৰ সন্মুখীন হলেও, আন কি এগৰাকী তিৰোতামানুহেও হিংসাত্মক উপায়েৰে আত্মৰক্ষা কৰিব নোৱাৰিব"—এই কথাখিনি মানি লোৱাত মোৰ কোনো অসুবিধা নাই। কিন্তু এই ধৰণৰ কথা হৈছে এটা আদৰ্শ অৱস্থাৰ কথা আৰু সেইকাৰণে যিসকল নৰনাৰীয়ে তেওঁলোকৰ অন্তৰ ইমান নিকা কৰি লৈছে যে তেওঁলোকৰ অন্তৰত আৰু কোনো অসদ্ভাৱ নোহোৱা হৈ গৈছে, খং ৰাগ নোহোৱা হৈছে, হিংসাৰ অন্ত হৈছে—কেৱল তেনে নৰনাৰীৰ প্ৰতিহে কথাখিনি লিখা হৈছিল। তাৰ মানে এইটো নুবুজায় যে কল্পিত সেই তিৰোতা মানুহ গৰাকীয়ে নিজকে উৎপীড়িত হবলৈ নীৰৱে এৰি দিব। প্ৰথম কথা, এনেকুৱা এগৰাকী তিৰোতা মানুহ হিংসাত্মক আক্ৰমণৰ সন্মুখীন নহয়েই, দ্বিতীয়তে সন্মুখীন হলেও দুৰ্ব্বৃত্তৰ প্ৰতি হিংসাৰ প্ৰয়োগ নকৰাকৈও মানুহগৰাকীয়ে সম্পূৰ্ণৰূপে নিজৰ সন্মান ৰাখিব পাৰিব।

পিছে, মই এতিয়া খুটি নাটিলৈ নাযাওঁ। আনকি হিংসাৰ সহায়েৰে আত্মৰক্ষা কৰিব পৰা তিৰোতামানুহৰ সংখ্যাও সৰহ নহয়। সুখৰ বিষয়, তেনে অশিষ্ট আচৰণৰ দৃষ্টান্তও বৰ বেছি নহয়। সি যি কি নহওক গূঢ়াৰ্থত মই এটা কথাত বিশ্বাস কৰোঁ যে সম্পূৰ্ণ পবিত্ৰতা নিজেই নিজৰ ৰক্ষক। নিকৃষ্টতম দুৰ্ব্বৃত্ততাও কিছু সময়ৰ কাৰণে জ্বলন্ত পবিত্ৰতাৰ সন্মুখত তেৰা হৈ পৰে।

জেনেৰেল ডায়াৰ সম্পৰ্কে মোৰ মনোভাৱৰ বিষয় সংবাদদাতাই শুদ্ধকৈ বুজা নাই। তেওঁ শুনি সুখী হব যে, জেনেৰেল ডায়াৰৰ শাস্তি হব নেলাগে বুলি অকল ময়ে কোৱা নাই আনকি মোৰ সহকৰ্ম্মীসকলেও বিশেষকৈ মোৰ প্ৰতি তেওঁলোকৰ এটা উদাৰ শ্ৰদ্ধা থকা কাৰণে ডায়াৰৰ শাস্তিৰ বাবে তোলা দাবী উঠাই লৈছিল। কিন্তু যিটো মই বিচাৰিছিলোঁ আৰু আজিও টানি ধৰি আছোঁ, সেইটো হৈছে যে জেনেৰেল ডায়াৰৰ পেন্‌ছন্ বন্ধ কৰিব লাগে। অপৰাধীক তাৰ অপৰাধৰ বাবে মূল্য দিয়াটো অহিংসাৰ পৰিকল্পনাৰ ভিতৰত নাই আৰু জেনেৰেল ডায়াৰক পেন্‌ছন্ দি থকাটো মই সমৰ্থন কৰা হলে কাৰ্য্যত কথা সেইটোৱেই হলহেতেন্। কিন্তু মোক যেন ভুল বুজা নহয়। সম্ভৱ স্থলত অপৰাধীৰ প্ৰতি শাস্তিবিধান কৰিবলৈকো মই সমৰ্থন দিব পাৰোঁ। উদাহৰণস্বৰূপে সমাজৰ বৰ্ত্তমান পৰিস্থিতিত চোৰ ডকাইতক ধৰি আটক কৰি থবলৈ দিবলৈকো মই পাছ নোহোঁহকোঁ। তেনেকৈ আটক কৰি থোৱাটোৱেই একধৰণৰ শাস্তি। কিন্তু মই ইয়াকো স্বীকাৰ কৰোঁ যে তেতিয়া হলে বিশুদ্ধ নীতিৰ পতন হব। সেইটোৱে নীতিৰ দুৰ্ব্বলতা সুবুজায়, বুজাব মোৰ নিজৰ দুৰ্ব্বলতা। সমাজৰ বৰ্ত্তমান পৰিস্থিতিত এনেবোৰ ক্ষেত্ৰত মই আন কোনো নিবাৰণৰ উপায়ৰ ইঙ্গিত দিব নোৱাৰোঁ। সেই কাৰণে, কাটেকথন মই শাস্তিৰ ঠাইতকৈও, সংস্কাৰৰ ঠাই হিচাপে ব্যৱহাৰ কৰাৰহে মত পোষণ কৰোঁ।

কিন্তু মানুহ একেবাৰেই মাৰি পেলোৱা আৰু কেৱল বন্দী কৰি থোৱা বা কায়িক শাস্তি দিয়াৰ মাজত এটা পাৰ্থক্য মই দেখুৱাব খোজোঁ। মই ভাবোঁ যে পাৰ্থক্যটো অকল মাত্ৰাতে নহয়, প্ৰকাৰতো। বন্দী কৰি থৈও পিছত শাস্তি মই বন্দ কৰিব পাৰোঁ। যিজন মানুহৰ ওপৰত কায়িক শাস্তি বিহা হৈছে তেওঁৰ মই ক্ষতিপূৰণ কৰিব পাৰোঁ। কিন্তু এবাৰ মানুহটো মাৰি পেলালে তাৰ পিছত আৰু তাক বন্দ কৰা বা ক্ষতিপূৰণ দিয়াৰ প্ৰশ্ন নুঠে। কেৱল ভগবানেহে জীৱন লব পাৰে, কাৰণ জীৱন অকল তেওঁহে দিয়ে।

বাহিৰৰ পৰা বিধান কৰা শাস্তি আৰু সত্যাগ্ৰহীৰ আত্মদাহ—এই দুইটাকে লগ লগাই চাওঁতে, আশা কৰোঁ সংবাদদাতাৰ মনত কোনো খেলিমেলিৰ সৃষ্টি হোৱা নাই। কিন্তু খেলিমেলিৰ যাতে কোনো সম্ভাৱনাও নাথাকে তাৰ কাৰণে মই এইটো স্পষ্ট কৰি দিব খুজিছোঁ যে এজনে আনজনক আঘাত

কৰাৰ ক্ষেত্ৰতহে হিংসানীতিৰ কথা কোৱা হয়। আনপিনে আঘাত নিজৰ গাত পাতি লোৱাটো অকৌ সত্যাগ্ৰহৰে সাৰমৰ্মৰ কথা। আৰু সেইটোৱেই হৈছে আনৰ প্ৰতি কৰা হিংসাৰ পৰিবৰ্ত্তে বাছি লোৱা পন্থা। সত্যাগ্ৰহৰ কাৰণে হাজাৰ হাজাৰ লোকে প্ৰাণ দিছে। আৰু মই চাই আছোঁ। তাৰ কাৰণ এইটো নহয় যে মই জীৱনক তুচ্ছ জ্ঞান কৰোঁ। তাৰ কাৰণ এইটোহে— মই জানো ইয়াৰ ফলস্বৰূপে মুঠ হিচাপত কম মানুহহে মৰিবগৈ আৰু তাতকৈও ডাঙৰ কথা, যিসকলৰ জীৱন হানি হৈছে তেওঁলোক মহৎ হৈ গৈছে আৰু তেওঁলোকে ত্যাগৰ দ্বাৰা পৃথিৱীক নৈতিক সম্বলেৰে চহকী কৰি গৈছে। মোৰ বোধেৰে সংবাদদাতাই সচা কথাই কৈছে যে অসহযোগ কেৱল এটা আদৰ্শই নহয়, ই 'ভাৰতৰ স্বাধীনতাৰ কাৰণে নিৰাপদ আৰু দ্ৰুত পন্থা।' লগতে মই এইটো ইঙ্গিতো দিছোঁ যে আন আন ৰাষ্ট্ৰয়ো পৰস্পৰৰ মাজত এই নীতি অৱলম্বন কৰিব পাৰে। মই জানো, যোৱা যুদ্ধৰ কথা কবলৈ গলে বোকাত ভৰি পেলোৱা হব। কিন্তু মোৰ ভয় হৈছে, কথাটো স্পষ্ট কৰি দিবৰ কাৰণে মই সেই বিষয়ে কবই লাগিব। মই বুজা মতে এইখন যুদ্ধ আছিল দুয়ো পক্ষৰে নিজৰ নিজৰ ভড়ঁাল চহকী কৰাৰ যুদ্ধ। এইখন যুদ্ধ হৈছিল দুৰ্ব্বল জাতিসমূহৰ পৰা কাঢ়ি খুঁহি অনা সা-সম্পত্তি ভগোৱাৰ যুদ্ধ— তাকে ধুৰাইপকাই কোৱা হৈছে পৃথিৱীৰ বাণিজ্য বুলি। আজি জাৰ্মানিয়ে যদি তেওঁলোকৰ নীতি সলনি কৰে আৰু পৃথিৱীৰ বাণিজ্যক ভাগ কৰাত তেওঁলোকৰ স্বাধীনতা প্ৰয়োগ নকৰি, তেওঁলোকৰ নৈতিক শ্ৰেষ্ঠতাৰে পৃথিৱীৰ দুৰ্ব্বল শক্তিসমূহক ৰক্ষা কৰাত প্ৰয়োগ কৰিম বুলি সংকল্প লয় তেওঁলোকে কোনো অস্ত্ৰৰ সহায় নোলোৱাকৈ সেইটো নিশ্চয় কৰিব পাৰে। ইউৰোপে যদি আত্মহত্যা কৰিব নোখোজে তেন্তে এদিন নহয় এদিন সাধাৰণ নিৰস্ত্ৰীকৰণৰ পথ লবই লাগিব আৰু দেখা যাব যে এই সাধাৰণ নিৰস্ত্ৰীকৰণ আৰম্ভ হোৱাৰ আগতেই কোনো এটা জাতিয়ে, বহুত সম্ভাব্য বিপদৰ সম্মুখীন হৈও নিৰস্ত্ৰীকৰণৰ বাবে সাহ কৰি ওলাই আহিবই লাগিব। সেইটো যদি সচাকৈয়ে বাস্তৱত পৰিণত হয় তেন্তে সি বৰ সুখৰ কথা হব আৰু সেই জাতিৰ অহিংসা এনে এটা স্তৰলৈ উন্নীত হব যে তেওঁলোক সকলোৰে শ্ৰদ্ধাভাজন হৈ উঠিব। তেওঁলোকৰ বিচাৰ হব নিভুৰ্ল, তেওঁলোকৰ সিদ্ধান্ত হব দৃঢ়, তেওঁলোকৰ বীৰত্বব্যঞ্জক আত্মত্যাগ হব মহান আৰু সেই জাতিয়ে যেনেকৈ নিজৰ কাৰণে জীয়াই থাকিব খোজে, আনৰ কাৰণেও জীয়াই থাকিব। এই যুদ্ধ বিষয়টো

মই আৰু বেছি দূৰলৈ বঢাই নিব নোখোজোঁ। মই জানো যে ইয়াৰ সকলো দিশ নজনাকৈয়ে এটা ব্যৱহাৰিক প্ৰশ্নৰ বিষয়ে তত্ত্বমূলক আলোচনা কৰিছোঁ। মোৰ যদি বুজাত ভুল হোৱা নাই, মোৰ একমাত্ৰ চেলু হৈছে যে সংবাদদাতাই মোক তাকে কৰিবলৈ কৈছে।

সৰ্ব্বাত্মক অহিংসা মই যুক্তিৰে সমৰ্থন কৰোঁ আৰু মানুহ আৰু মানুহৰ মাজত, জাতি আৰু জাতিৰ মাজত ই সদায় সম্ভৱপৰ কথা কিন্তু ই "অসতৰ বিপক্ষে সকলো প্ৰকৃত যুদ্ধকে ত্যাগ কৰা" নুবুজায়। আনপিনে মোৰ ধাৰণাৰ যি অহিংসা সি অসতৰ বিপক্ষে প্ৰতিবোধতকৈ বেছি সক্ৰিয় আৰু বেছি প্ৰকৃত যুদ্ধ। প্ৰতিশোধে স্বভাৱতে অসতৰ শক্তি বৃদ্ধি কৰে। মই চিন্তা কৰিছোঁ অনৈতিকতাৰ বিৰুদ্ধে এটা মানসিক তথা নৈতিক প্ৰতিবোধৰ কথা। অত্যাচাৰীৰ তৰোৱালৰ ধাৰ মই সম্পূৰ্ণৰূপে ভোতা কৰিব খোজোঁ। তাৰ বিপক্ষে এখন চোকা তৰোৱাল ধৰি নহয়, মই তাৰ বিপক্ষে শাৰীৰিক প্ৰতিবোধ দিম বুলি সি যি আশা কৰিছিল সেই আশা ভঙ্গ কৰি। তাৰ পৰিবৰ্ত্তে মই যি আত্মাৰ প্ৰতিবোধ দিম সেইটো সি বুজিব নোৱাৰিব। প্ৰথমতে ই তাক জলকৃতবক লগাই দিব আৰু অবশেষত সি ইয়াক স্বীকৃতি দিবলৈ বাধ্য হব— যি স্বীকৃতিয়ে তাক তললৈ ননমায় উন্নীতহে কৰিব। কোনোবাই কব পাৰে এইটোও এটা আদৰ্শ অৱস্থা আৰু হয়ও সচাকৈয়ে। যিবোৰ তথ্যৰ পৰা মোৰ যুক্তিসমূহ আহৰণ কৰিছোঁ সেইবোৰ ইউক্লিডৰ সূত্ৰসমূহৰ দৰেই সত্য। এই সূত্ৰসমূহো কম সত্য নহয় কাৰণ কাৰ্য্যত আমি ব্লেকবৰ্ডত ইউক্লিডৰ ৰেখা এড়ালো আঁকিব নোৱাৰোঁ। কিন্তু ইউক্লিডৰ সংজ্ঞাসমূহ মনত নৰখাকৈ আনকি জ্যামিতিবিদসকলো চলিব নোৱাৰে। তেনেকৈ আমিও মানে জাৰ্মান বন্ধুজন, তেওঁৰ লগৰীয়াসকল আৰু ময়ো যি মূলতথ্যসমূহৰ ওপৰত সত্যাগ্ৰহৰ নীতি প্ৰতিষ্ঠিত সেইবোৰ দলিয়াই পেলাব নোৱাৰোঁ।

এতিয়া মই উত্তৰ দিবলগীয়া থাকিল এটা মাত্ৰ জটিল প্ৰশ্নৰ। ইংৰাজ-বিলাকে গোটেই জগতৰে শিক্ষক হোৱাৰ অধিকাৰটো তেওঁলোকৰে বুলি ধৰি লোৱাৰ লগতে বিবাহিত নৰ নাৰীৰ বিষয়ে মোৰ মতামত পত্ৰলিখকে তুলনা কৰিছে অতি কৌশলেৰে। পিছে তুলনাটো ইয়াত নাখাটে। বিবাহবন্ধনে পৰস্পৰৰ সম্মতিৰ ওপৰতহে ইটোৱে সিটোক দেখা কৰাৰ কথা নিৰ্ভৰ কৰে। কিন্তু আত্বা-আতৰি হৈ থাকিবলৈ তেনেকুৱা পাৰস্পৰিক সম্মতিৰ কোনো প্ৰয়োজন নিশ্চয় নাই। যেতিয়া দুজনৰ একজনে সংযমৰ সকলো বান্ধ ছিঙি

পেলায় তেতিয়া বৈবাহিক জীৱন অসহ্য হৈ পৰিব—অসহ্য হয়েই সদায়। যেতিয়া দুজন সঙ্গীয়ে তেওঁলোকৰ মিলন বাঞ্ছনীয় বুলি সম্মতি প্ৰকাশ কৰে বিবাহে তেতিয়া আন সকলোকে বাদ দি সেই দুজন সঙ্গীৰ মিলন দৃঢ় কৰে। কিন্তু এজন সঙ্গীক আনজনৰ মিলনেচ্ছাৰ বশৱৰ্ত্তী হবই লাগিব বুলি দাবী কৰাৰ অধিকাৰ বিবাহে নিদিয়ে। যেতিয়া এজন সঙ্গীয়ে কোনো নৈতিক বা আন কাৰণত আনজনৰ ইচ্ছানুযায়ী চলিব নোৱাৰে তেতিয়া কি কৰা হব সি এটা বেলেগ প্ৰশ্ন। ব্যক্তিগত ভাবে মই যদি অকল নৈতিক কাৰণৰ বাবেই সংযত হৈ থাকিবলৈ বিচাৰোঁ আৰু যদি দেখোঁ যে মোৰ নৈতিক পথ ৰুদ্ধ কৰাতকৈ বিবাহ বিচ্ছেদেই একমাত্ৰ উপায়, তেতিয়া তাকো গ্ৰহণ কৰিবলৈ মই পাছ নোহোঁহকোঁ।

ইয়ং ইণ্ডিয়া ৮১ ১৯২৫

[১৯]

ইউৰোপীয় সভ্যতা

'গেভ চ ভানস্ক মেগাচিন্' নামৰ আলোচনীখনত ছপা হোৱা এটা প্ৰবন্ধৰ কেই অংশমানৰ অনুবাদ এজন ডেনিছ বন্ধুৱে মোলৈ পঠাইছে। এই অংশখিনিৰ শিতানৰ তেওঁ নামকৰণ কৰিছে "ইউৰোপীয় সভ্যতা আৰু গান্ধী" বুলি। শিৰোনামাটো ইয়ং ইণ্ডিয়াৰ কাৰণে উপযোগীকৈ লওঁতে মোৰ নামটো তাৰ পৰা বাদ দিলো। কাৰণ এই অংশবিলাকত য'ত য'ত মোৰ মতামতৰ বিষয়ে কোৱা হৈছে, সেইখিনি বাদ দিছো। ইয়ং ইণ্ডিয়াৰ পাঠকৰ কাৰণে মোৰ মতামত বিলাকত নতুনত্ব একো নাই। গোৱা অনুবাদখিনি এয়া

"ইউৰোপে তাৰ সভ্যতাক লৈ, তাৰ খ্ৰীষ্টীয় সভ্যতাক লৈ গৌৰৱ কৰে।

সমগ্ৰ পৃথিবীতে শুক্ল জাতিৰ বিজয় যাত্ৰাই হৈছে আজি সময়ৰ সঙ্কেত।

সেই জাতিৰ বিজয়যাত্ৰা—সেইটো সচা। কিন্তু সভ্যতাৰ, মানৱতাৰ, খ্ৰীষ্টান ধৰ্ম্মৰ? ন্যায়ৰ দেৱতাই তেওঁৰ মুখ ঘূৰাই কান্দিছে।

অন্য জাতিৰ প্ৰতি ঘৃণা আৰু অমানবীয়তাৰ এখন নৰক ক'ত আছে আপুনি চাবলৈ যাব খোজেনে? তেতিয়া ইউৰোপলৈ যাওক।

চীনত খ্ৰীষ্টান শক্তিবিলাকৰ সমূহীয়া নীতিলৈ মন কৰক। প্ৰথম অঙ্ক ইউৰোপীয় লাভখোৰসকলে যুগ যুগ ধৰি কৰা নিলৰ্জ্জ নিষ্কাশন। দ্বিতীয় অঙ্ক জাৰ্মান নেতৃত্বাধীনত ইউৰোপৰ 'হুনিক ক্ৰুচেড' আৰম্ভ আৰু সেয়ে 'চিম্পলিচিছিমাছ' নামৰ ব্যঙ্গ কাকত খনে জাৰ্মান কৰ্ম্মচাৰীৰ মুখত দিয়া কাল্পনিক কথা। কথাখিনি আছিল এনেকুৱা 'এতিয়া মই সেই ধ্ৰুৱসত্যটোৰ এটা সবল প্ৰচাৰ আৰু চীনা গাহৰি কুকুৰমখাৰ (swinedogs) ওপৰেদি জয়যাত্ৰাৰ শুভ কামনা কৰি এয়া মদ আগ বঢ়াইছো।'

চীনাবিলাকে আমাক 'ৰঙামূৰীয়া অসভ্যবোৰ' 'বা 'ৰঙামূৰীয়া পিশাচবোৰ' বোলাটো সম্পূৰ্ণ যুক্তিসঙ্গত হৈছে।

এতিয়া আহক ইউৰোপৰ কিছুমান মানৱ বংশধৰৰ পিনে মন কৰোঁ।

ইটালীয়সকলৰ কথালৈ শ্ৰদ্ধাৰে আঙুলিয়াব পাৰি, কাৰণ খ্ৰীষ্টান ধৰ্ম্মই তেওঁলোকক প্ৰায় ৪০০ খ্ৰীষ্টাব্দতে বনৰীয়া জন্তুৰ দৰে জন্তু ধৰাৰ ফান্দ পতা অভ্যাস এৰুৱালে। এটা অদ্ভূত কাহিনীৰ পৰা পোৱা যায় কেনেকৈ অতি অনিচ্ছাৰেহে প্ৰাচীন ৰোমানবিলাকে 'চাৰাচেনছ' বিলাক এৰি দিছিল। এজন পুৰোহিতে তেওঁৰ তলত ধৰ্ম্মান্তৰ গ্ৰহণ কৰা শিষ্যবিলাকক চাৰ্কাচৰপৰা আঁতৰাই ৰাখিবলৈ টান পাইছিল। তেতিয়া তেওঁ কৈছিল—"মৰমৰ খ্ৰীষ্টানসকল। তোমালোকে জড়োপাসনাৰ এই ৰক্তাক্ত খেলবোৰ ত্যাগ কৰিবই লাগিব। তেতিয়া পুৰস্কাৰস্বৰূপে তোমালোকে স্বৰ্গত এটা ভুমি চোৱা সুৰুঙা পাবলৈ আশা কৰিব পাৰা—যি সুৰুঙাৰ মাজেদি নৰকৰ চিৰন্তন জুইত জলি শান্তি ভুগি থকা পাপীবোৰক তোমালোকে সন্মান কৰিব পাৰিবা।" সচাকৈয়ে এটা সুন্দৰ, মহৎ খ্ৰীষ্টীয় ধাৰণা।

স্পেনীয় সকল আটাইতকৈ উত্তম খ্ৰীষ্টান জাতি। সেই জাতিৰ মানদণ্ড দেখুৱাবলৈ এটা কথালৈ মন কৰিলেই যথেষ্ট হব যে বলধি যুজ আজিলৈকে স্পেনীয়সকলৰ প্ৰিয় খেল হৈ আছে। নিৰ্ম্মম জন্তু নিষ্পেষণ-কাৰী 'গ্ৰান্টৰীডৰ' জনেই হৈছে তেওঁলোকৰ জাতীয় বীৰ।

ফ্ৰান্সে চিকাৰৰ 'পাৰকৰ্চ'ৰ সৃষ্টি কৰিছে।

ইংলণ্ডই একেটা মহান খেলতে ধৰি আছে। বড়দিনৰ সন্মানাৰ্থে প্ৰকাশ কৰা সচিত্ৰ কাকতবিলাকলৈ চাওকচোন, দেখা পাব শান্তি আৰু দানশীলতাৰ ভোজ। তেনেহাৰ্কত এটা ভোজ টানি থাকোঁতে এজন

শুনিছু ভদ্ৰলোকে এগৰাকী ভদ্ৰমহিলাক কথাপ্ৰসঙ্গত কলে তেওঁ বোলে এটা শিয়াল গুলিয়ালে। "হায় ভগবান! তেনেকৈ নকব। শিয়াল গুলিয়ালে?"—তেওঁ তৎক্ষণাত তেওঁৰ বাহুতে থাপ মাৰি ধৰি এই বুলি চিঞৰি দিলে। তাৰ পিছত তেওঁ ঘিণতে সেই মানুহজনৰ ফালে পিঠি দেখুৱালে, কাৰণ সেই সামান্য জন্তুটোক উৎপীড়ন নকৰাকৈ মাৰি পেলোৱাটো ভদ্ৰলোকৰ কাম নহয়। এবাৰ এজন ডেনিছ পুৰোহিতে লোহিতসাগৰত জাহাজেদি গৈ থাকোঁতে সেই ঠাইৰ কিছুমান মানুহক ধনমুদ্ৰা বিচাৰি পানীত ডুবিওৱা দেখিছিল। কিন্তু ইংৰাজ ভদ্ৰমহিলা কেইগৰাকীয়ে সিহঁতক জাহাজৰ ডেকৰ পৰা জপিওৱা দেখিয়েই ক্ষান্ত হোৱা নাই, তেওঁলোকে খেলটো আৰু মনোগ্ৰাহী কৰিবৰ কাৰণে সিহঁতক মাস্তুলৰ ওপৰৰ পৰা জপিয়াবলৈ আদেশ দিছিল। কানি যুদ্ধ আৰু যোৱা কেই শতাব্দীত আয়াৰলেণ্ডৰ প্ৰতি কৰা ব্যৱহাৰে ইংৰাজ নৈতিকতাৰ সাক্ষ্য দিব। ইংৰাজজাতিয়ে সৰ্ব্বব্যাপী বাধ্যতামূলক ভাবে সৈন্য ভৰ্ত্তিকৰণৰ বিৰোধিতা কৰা হেতুকে সৌভাগ্যবশত বলপ্ৰয়োগেৰে কামানৰ খাদ্যত পৰিণত হোৱাৰ পৰা ইংলণ্ড হাত সাৰি থাকিল। কিন্তু মহাসমৰৰ ভাৰতীয় স্বেচ্ছাসেৱকসকলক উদাৰভাবে প্ৰতিশ্ৰুতি দিয়া পুৰস্কাৰৰ কি হ'ল? অমৃতসৰৰ নাম কলেই এই বিষয়ে যথেষ্ট হব।

বলশ্বেভিজম্ আৰু 'কম মূল্যৰ' জাতিসকলৰ ওপৰত অতি প্ৰণালীবদ্ধ ভাবে হোৱা অত্যাচাৰৰ আগতে জাৰ্মানিয়ে প্ৰভুসকলৰ নৈতিকতা সৃষ্টি কৰিলে। ১৮৯৫ চনৰ সৰ্ব্বজাৰ্ম্মানিক আচনিয়ে 'পূৰ্ণ জাৰ্ম্মানসকলক ভোটদানৰ, পাৰ্লিয়ামেণ্ট আৰু বিষয়সমূহলৈ মনোনীত হোৱাৰ আৰু মাটি সম্পত্তি কিনাৰ সুবিধা দিছে। দেশত থকা বিদেশীবিলাকক নীহ শ্ৰেণীৰ 'কায়িক পৰিশ্ৰমৰ অনুশীলনকাৰী' বুলিয়েই তেওঁলোকে ইচ্ছা কৰিয়েই সহ্য কৰি থাকে। এখন জাৰ্ম্মান চিকিৎসালয়লৈ দৰ্শক হিচাপে অহা এজন ডেনিছ চাৰ্জ্জনে এবাৰ এটা শৰীৰৰ পৰা আন এটালৈ এডাল জীয়া স্নায়ু স্থানান্তৰিত হোৱা দেখিছিল। কেনেকৈ যথেষ্ট পৰিমাণৰ স্নায়ু পাব পাৰি তেওঁ চিন্তা কৰা দেখি জাৰ্ম্মান অধ্যাপকজনে উত্তৰ দিছিল, 'আমাৰ পোলেণ্ডবাসী ঢেৰ আছে নহয়'। ১৯১২ চনৰ ডেলব্ৰাক আইনমতে জাৰ্ম্মানবিলাকে আন দেশত গৈ সেই দেশৰ অসন্দেহী বিদেশী ৰাষ্ট্ৰৰ পৰা মনে মনে নাগৰিকত্ব আদায় কৰাৰ পিছত তেওঁলোকক গোপনে জাৰ্ম্মান সাম্ৰাজ্যৰ নাগৰিক হৈ থকাৰ অধিকাৰ দিয়া হৈছিল— সৰ্ব্বজাৰ্ম্মান নীতিৰ হাজাৰ হাজাৰ গোপন প্ৰতিনিধি তৈয়াৰ কৰাৰ সুন্দৰ মহৎ উপায়। সৰ্ব্বব্যাপী সৈন্যভৰ্ত্তিৰ পৰা জাৰ্ম্মানবিলাকে সংগ্ৰহ কৰিলে তেওঁলোকৰ যুদ্ধত কামানৰ আহাৰ হিচাপে ব্যৱহাৰ কৰিবলৈ 'কম মূল্যৰ'

জাতিসমূহৰ লাখ লাখ লৰা। ইপিনে যৰত সিহঁতৰ আত্মীয়স্বজনৰ ওপৰত কৰা হৈছিল পাশবিক অত্যাচাৰ। মহাযুদ্ধত এনেকৈয়ে উত্তৰ শ্লেচ্‌বিগৰ ৬০০০ ডেনমার্কবাসীক হত্যা কৰা হৈছিল। লোকৰ লগত তেওঁলোকে মৰিবলগীয়া হৈছিল আৰু মৰিবলগীয়া হৈছিল ঘৃণনীয় পৰিস্থিতিত। অসামৰিক সর্ব্বব্যাপী সৈন্যভর্ত্তিকৰণৰ দ্বাৰা জার্ম্মানবিলাকে হাজাৰ হাজাৰ বেলজিয়ানক দাসত্বৰ শিকলি পিন্ধাই দিলে, কেতিয়াবা এই দুৰ্ভগীয়াবিলাকক জুই জলি থকা ঠাইত বলেৰে কামত লগোৱা হৈছিল।

সৌভাগ্যবশত বলশ্বেভিজমৰ শাসন প্রতিষ্ঠা কৰাত বলশ্বেভিষ্টবিলাক মহান জার্ম্মান বিষয়াবিলাকৰ ওচৰত ঋণী। দুর্ভাগ্যবশত' পাশবিকতা আৰু মিথ্যাৰ সর্ব্বজার্ম্মান পদ্ধতি প্রয়োগ কৰা হৈছিল আৰু এই প্রয়োগত তেওঁলোকে সকলোকে চেৰ পেলাইছিল। ইয়াত আমি ইহুদীবিলাকৰ গোৰা আকোঁৰগোজ মনোভাব দেখা পাওঁ—যাৰ পৰিণতি হৈছে বলিয়ালি। এইখিনিতে আমি ১৯২২ চনত এ, চাপ্রুড নিয়ে প্রকাশ কৰা 'শ্বেকা উলিবজেট' নামৰ পত্তসংগ্রহৰ ভিতৰৰ কথাখিনিলৈ আঙুলিয়াব পাৰোঁ—'তোমালোকে প্রেমৰ গীত গাবলৈ ভাল পোৱা। মই তোমা লোকক আন গীত গাবলৈ শিকাম।—তেজ, হত্যা আৰু মৃত্যুৰ গীত। ভেটফুলৰ মৃদুগোন্ধ আৰু যথেষ্ট হৈছে। মই হত্যাৰ ফুলহে ভাল পাওঁ। ওচৰচুবুৰীয়াক মৰম কৰা মানুহটোক ক্রুছবিদ্ধ কৰি আটাইতকৈ বেছি আনন্দ পোৱা যায়। এটা মানুহ টুকুৰাটুকুৰ কৰি কাটি পেলোৱাত কি স্ফূর্ত্তি! সি কেনেকৈ ভয়ত কোঁচমোচ খায় চোৰাঁচোন, ফাঁচি দিয়া মানুহটোৰে লাহে লাহে টেটুত চেপি ধৰোঁতে কেনেকৈ কঁপে। আঘাত দি কি যে আনন্দ লাগে! আমাৰ মৃত্যুদণ্ড শুনা এজাল ৰচি, এটা গুলি। এখন বেৰ। জুই দিয়া,—আৰু তোমাৰ ভাগ্যত মিলিব কবৰ।'

ইউৰোপীয় নৈতিকতা সম্পর্কে তিনিটা কথাৰ ওপৰত জোৰ দিয়া হৈছে। প্রভুসকলৰ নৈতিকতা, জীৱনৰ নীতি, আৰু হত্যাৰ নীতি। ইউৰোপীয় মানদণ্ডৰ উদাহৰণ দিবলৈ মই এটা বক্তৃতা তুলি দিলোঁ। বক্তৃতাটো দিছিল অধ্যাপক থিয়লে ১৯১৫ চনত কীয়েলৰ বমগার্টেন বোলা ঠাইত (ছপা হৈছিল নৰডেনশ্বে অলগেমিন্ ৎেইটুং নামৰ কাগজত ১৫ মে, ১৯১৫ তাৰিখে)।

ধার্ম্মিক অধ্যাপকজনে কয় যে বাইবেলৰ পর্ব্বতৰ ওপৰৰ ধর্ম্মোপদেশে যুদ্ধ নালাগে বুলি কয়। কিন্তু এই বিধান কেৱল ব্যক্তিগত লোকৰ কাৰণেহে। 'পর্ব্বতৰ ওপৰৰ ধর্ম্মোপদেশ"ত নিহিত নৈতিক পথে

আমাৰ জাতীয় মানদণ্ডলৈ আঙুলিয়াতকৈও আমাৰ নৈতিক জীৱনৰ আন এটা দিশৰ কথাহে কয়। ব্যক্তিৰ কাৰণে ইয়াৰ বিধিসমূহ ভঙ্গ কৰা হোৱা নাই, কাৰণ আমি উপলব্ধি কৰোঁ যে আনপিনে এই ধৰ্মোপদেশ-সমূহ আমাৰ জাতীয় আৰু সামাজিক জীৱনৰ বিধি নহয়।' অধ্যাপক বি,এ কোৱা মতে ৰাষ্ট্ৰ ভগবানে সৃজন কৰিছে আৰু ইয়াক সৰ্ব্বশক্তি প্ৰয়োগ কৰি ৰক্ষা কৰিবই লাগিব। মহান জাতি এটাৰ লক্ষণ হৈছে, ই তাৰ মহৎ উদ্দেশ্যসমূহ সাফল্যমণ্ডিত কৰিবৰ কাৰণে চৰম উপায়বোৰ কামত লগায়, আন কি আক্ৰমণাত্মক যুদ্ধতো নামে। আমি জাৰ্মান-বিলাকে যুদ্ধত সম্মতি দি ভাল পোৱাই নহয়, অতি ছৰমুৰকৈ আমি এই যুদ্ধত নেতৃত্ব দিয়াটো কৰ্ত্তব্য বুলি ভাবোঁ। আজিৰ দিনত লুছিটানিয়াৰ ধ্বংসৰ প্ৰতি যি আনন্দৰ কিৰিলি পাৰি নমস্কাৰ জনাবলৈ আৰু জাৰ্মান অস্ত্ৰশস্ত্ৰৰ দুৰ্জ্জেয় শক্তিত আনন্দ প্ৰকাশ কৰিবলৈ মনস্থ কৰা নাই, সি প্ৰকৃত জাৰ্মান নহয়।'

এই উদ্ধৃতাংশবিলাকে এটা ভয়াবহ ছবি আঁকিছে কিন্তু সম্ভবত এইবোৰ মূলত সচাই। ইউৰোপীয় জাতিবিলাকৰ কাৰ্য্যকলাপ যে পৰ্ব্বতৰ ওপৰৰ ধৰ্ম্মোপদেশে দিয়া শিক্ষাৰ ওলোটা মোৰ বোধেৰে সেই কথা নকলেও হব। এই উদ্ধৃতিবোৰ মই দিছোঁ কেবল এটা লাগতিয়াল সতৰ্কবাণীত ভিৰ দিবলৈ যাতে ইউৰোপীয় অস্ত্ৰশস্ত্ৰৰ জলমলনি আৰু চিক্‌মিকনিয়ে আমাক থিয় হৈ থকা ঠাইৰ পৰা উঠাই লৈ নাযায়। অলপ আগতে দাঙি ধৰা ছবিখন যদি সমগ্ৰ ইউৰোপৰ ছবি হ'লহেতেন ইউৰোপৰ পক্ষে আৰু লগতে গোটেই পৃথিবীৰ পক্ষে ই বৰ দুখৰ কথাই হলহেতেন। সুখৰ বিষয়, ইউৰোপত এক বুজন সংখ্যক নৰ নাৰী আছে যি এই যুদ্ধ, জৰ আৰু ধন সম্পত্তি আৰু বৈষয়িক সুখৰ বিৰামহীন উন্মত্ত অন্বেষণক ৰোধ কৰিবলৈ তেওঁলোকৰ সৰ্ব্বশক্তি প্ৰয়োগ কৰিছে। এনে লোকসকলৰ সংখ্যা আৰু প্ৰতিপত্তি যে দিনে দিনে বাঢিছে তাক আশা কৰিবৰ যুক্তি আছে। এই নৱজাগৰণত ভাগ লবলৈ ভাৰতৰ ভাগ্য হওক আৰু যি ইউৰোপীয় আতিশায্যবিলাকক ইউৰোপৰ উত্তম চিন্তাশীল লোকসকলে অজস্ৰ নিন্দাবাণীৰে তিৰস্কাৰ কৰিছে, আৰু স্থায়ী নিয়ন্ত্ৰণৰ অধীনলৈ আনিবলৈ মানুহৰ দৰে যত্ন কৰিছে সেই আতিশায্যবিলাকৰ প্ৰচৰত মুৰ দোৱাই নৱজাগৰণৰ অগ্ৰগতিত বাধা দিয়াতকৈ তাক আগবঢ়াই নিয়াৰ ভাগ্যহে যেন ভাৰতৰ হওক।

ইয়ং ইণ্ডিয়া ১৫ ১ ১৯২৫

[২০]

এটা প্ৰশ্ন

"আফ্ৰিকাত থাকোতেও আৰু ইয়াতো যেতিয়া যুদ্ধক্ষেত্ৰত কাম কৰিবলৈ মানুহ ভৰ্ত্তি কৰিছিল, তেতিয়াও আপুনি যুদ্ধৰ উদ্দেশ্যক সহায় কৰা নাছিলনে? ই আপোনাৰ অহিংসা নীতিৰ লগত কেনেকৈ খাপ খায়?"

দক্ষিণ আফ্ৰিকা আৰু ইংলণ্ডত ৰোগী সাহাৰ্য্যৰ কামৰ কাৰণে মানুহ ভৰ্ত্তি কৰোঁতে আৰু ভাৰতবৰ্ষত যুদ্ধক্ষেত্ৰৰ কামৰ কাৰণে মানুহক নিয়োগ কৰি ফুৰোঁতে, মই যুদ্ধৰ উদ্দেশ্যত সহায় কৰা নাছিলোঁ, সহায় কৰিছিলোঁ ব্ৰিটিছ সাম্ৰাজ্য বোলা অনুষ্ঠানটোক যাৰ বিষয়ে তেতিয়া মোৰ এটা বিশ্বাস আছিল যে মূলত ই এটা পৰোপকাৰী অনুষ্ঠানেই। যুদ্ধৰ প্ৰতি মোৰ বিৰূপ মনোভাব এতিয়া যেনেকুৱা তেতিয়াও তেনেকুৱাই আছিল, তেতিয়া মই কান্ধত এটা বন্দুক লব নোৱাৰিলোঁহেতেন, নললোঁহেতেন। কিন্তু মানুহৰ জীৱন এটা অকলশৰীয়া সৰলৰেখা নহয়, ই হৈছে প্ৰায়ে পৰস্পৰবিৰোধী কিছুমান কৰ্ত্তব্যৰ সমষ্টি। অবিৰতভাবে মানুহে দুটা কৰ্ত্তব্যৰ মাজত এটা বাছি লব লগাত পৰে। নাগৰিক হিচাপে নহয়, কেতিয়াও নহয়, এতিয়াও নহয়। যুদ্ধৰ অনুষ্ঠানৰ বিপক্ষে এটা আন্দোলনৰ নেতৃত্ব কৰা এজন সংস্কাৰক হিচাপেহে মই কিছুমান মানুহক উপদেশ দিবলগীয়া হৈছিল, বাট দেখুৱাব লগীয়া হৈছিল —যুদ্ধত বিশ্বাস কৰা কিছুমান মানুহক, যিবিলাক মানুহে কাপুৰুষালিৰ কাৰণেই হওক, বা অসৎ অভিপ্ৰায়ৰ কাৰণেই হওক বা ব্ৰিটিছ চৰকাৰৰ ওপৰত উঠা খঙৰ কাৰণেই হওক, সৈন্যবাহিনীত ভৰ্ত্তি নহৈছিল। তেওঁলোকে যুদ্ধত যেতিয়ালৈকে বিশ্বাস কৰি থাকে আৰু যেতিয়ালৈকে ব্ৰিটিছ সংবিধানৰ প্ৰতি আনুগত্য স্বীকাৰ কৰি থাকে তেতিয়ালৈকে তাক সমৰ্থন কৰাটো তেওঁলোকৰ কৰ্ত্তব্য—এই উপদেশ তেওঁলোকক দিবলৈ মই পাছ নোহোঁহকোঁ। সামৰিক অস্ত্ৰৰ ব্যৱহাৰত যদিও মোৰ বিশ্বাস নাই আৰু মই প্ৰচাৰ কৰা অহিংসা ধৰ্ম্মৰ সি বিৰোধী যদিও, ঘৃণনীয় 'আৰ্মছ এক্ট'ক বদ কৰিবলৈ কৰা আন্দোলনত যোগ দিবলৈ মই পাছ নোহোঁহকোঁ। এই আৰ্মছ এক্টক মই ভাৰতবৰ্ষত ব্ৰিটিছ চৰকাৰৰ এটা হীনতম কাৰ্য্য বুলি ধৰোঁ। প্ৰতিশোধত মোৰ বিশ্বাস নাই। কিন্তু অহিংসাৰ বিষয় একো নজনা বেচিয়া গাৱঁৰ মানুহে যেতিয়া

অস্ত্ৰৰ সহায়েৰে তেওঁলোকৰ তিৰোতাসকলৰ সম্মান ৰক্ষা কৰিব নোৱাৰিলে, তেতিয়া তেওঁলোকক কাপুৰুষালিৰ দোষত দোষী বুলি কৰলৈ মই পাছ হোহকা নাছিলোঁ। সংবাদদাতাই জনা উচিত, সিদিনা মাত্ৰ মই হিন্দুবিলাকক কৈ দিছোঁ যে, তেওঁলোকে যদি পূৰ্ণ অহিংসাত বিশ্বাস নকৰে আৰু তাৰ অনুশীলন নকৰে, আৰু তেনে অৱস্থাত যদি কেতিয়াবা কোনো নাৰী অপহৰণ-কাৰীয়ে তেওঁলোকৰ তিৰোতোবিলাকক ধৰি নিবলৈ আহিলেও তেওঁলোকে অস্ত্ৰৰ সহায়েৰে তিৰোতাৰ সম্মান ৰক্ষা কৰিব নোৱাৰে, তেন্তে তেওঁলোকে নিজ ধৰ্ম্ম আৰু মানবতাৰ বিপক্ষে অপৰাধী সাব্যস্ত হব। আৰু এইবিলাক উপদেশ আৰু মোৰ ইয়াৰ আগৰ অনুশীলন মই মোৰ অহিংসা ধৰ্ম্মৰ প্ৰচাৰৰ লগত অকল সামঞ্জস্যপূৰ্ণ বুলিয়েই ভবা নাই—সেই প্ৰচাৰৰ পোনপটীয়া ফল বুলিও ভাবোঁ। এই মহান নীতি বৰ্ণনা কৰা সহজ, তাক বুজি লোৱা আৰু মৰামৰি, হুলস্থুল আৰু থং ৰাগৰ এখন পৃথিবীত তাৰ অনুশীলন কৰাটো কিমান টান তাক মই দিনে দিনে উপলব্ধি কৰি আহিছোঁ। আৰু ইয়েই নহলে যে জীৱনৰ কোনো মূল্য নাই সেই বিশ্বাসো মোৰ দিনে দিনে গাঢ় হৈ আহিছে।

ইয়ং ইণ্ডিয়া ৫ ১১ ১৯২৫

[২১]

আমাৰ শক্তিহীনতা

হাকিম চাহাব আজমল খাঁ আৰু ডা আনচাৰিয়ে চিৰিয়াকে ধৰি ইউৰোপৰ নানা ঠাইত বহুত ফুৰি-চাকি আহিয়েই এই চিঠিখন মোলৈ লিখিছে

দক্ষিণ চিৰিয়াত ড্ৰুচবিলাকে বাস কৰে। এই নিপীড়িত লোকসকলে তাৰ শাসকশক্তি ফৰাচীবিলাকৰ বিৰুদ্ধে সশস্ত্ৰ প্ৰতিৰোধ চলাইছে আৰু অলপতে হোৱা এই সংক্ৰান্ত ঘটনাৱলীয়ে ফৰাচী চৰকাৰৰ ভয়ঙ্কৰ ৰূপ পোহৰলৈ উলিয়াই দিছে। পেলেষ্টাইনৰ আটাইতকৈ জনপ্ৰিয় আৰু প্ৰতিপত্তিশালী মুছলমান লাজনা টুট টানফিজিয়াৰ সম্পাদক চৈয়দ জামালুদ্দিন আলহুছেইনিয়ে পেলেষ্টাইনৰ পৰা পঠোৱা এখন টেলিগ্ৰামৰ পৰা জনা গৈছে যে ফৰাচী বোমাবৰ্ষণৰ পৰা ডামস্কচ্ চহৰখনৰ ভয়ানক ক্ষতি হৈছে আৰু মৃত্যুৰ সংখ্যাও হৈছে অতিপাত। যদিও ব্ৰিটেনৰ

বাতৰিকাকতত প্ৰকাশিত নানান বিৱৰণীৰ পৰা বুজা যায় যে, চিৰিয়াৰ অৱস্থা বেয়া, তথাপি পেলেষ্টাইনৰ পৰা পোৱা এই টেলিগ্ৰাম আৰু কাইৰোৰ পৰা পলমকৈ পোৱা ৰয়টাৰৰ টেলিগ্ৰামে দেখুৱাই দিছে যে দ্ৰুচদেশ আৰু ডামস্কচ বাসীৰ ওপৰত কৰা ব্যৱহাৰ অতি বৰ্ব্বৰ আৰু অমানুষিক। অলপতে এই ভয়াবহতাৰ নিদৰ্শনৰ বাহিৰেও, চিৰিয়াত ভ্ৰমণ কৰি ফুৰোঁতে বহুত ঘটনাই আমাৰ চকুত পৰিছিল যিবিলাকে ফৰাচীবিলাকৰ উদাসীনতা আৰু চিৰিয়াত থকা ফৰাচী শাসনাধীন ঠাইৰ মানুহৰ মৌলিক অধিকাৰৰ প্ৰতি ফৰাচীবিলাকৰ সম্পূৰ্ণ অৱজ্ঞাৰ কথা প্ৰমাণ কৰে।

আমি আমাৰ অভিজ্ঞতাখিনি ভাৰতৰ বাতৰিকাকত সমূহত প্ৰকাশ কৰিছোঁৱেই, কিন্তু 'হমদৰ্দ'ত প্ৰকাশ হোৱা উৰ্দ্দু বিৱৰণীখিনি নপঢ়িলেও যাতে চলে তাৰ কাৰণে চিৰিয়াৰ পৰিস্থিতিৰ কিছুমান মন কৰিবলগীয়া ঘটনা চমুকৈ কব খোজোঁ।

যেতিয়া জাতিসঙ্ঘই চিৰিয়াৰ শাসনভাৰ ফ্ৰান্সক দিলে, তেতিয়া ফৰাচী চৰকাৰ আৰু উচ্চ আয়ুক্তই চিৰিয়াৰ প্ৰত্যেক আভ্যন্তৰীণ বিষয়ত পূৰ্ণ স্বায়ত্তশাসন দিয়া হব বুলি এটা ৰাজহুৱা ঘোষণা দিছিল। চিৰিয়াখন বহুত স্বায়ত্তশাসিত প্ৰদেশত ভাগ হব, প্ৰত্যেক প্ৰদেশতে প্ৰজাই বাছি দিয়া এজন ৰাজ্যপাল আৰু প্ৰজাৰ প্ৰতিনিধিত্ব কৰা আৰু প্ৰজাই নিৰ্ব্বাচন কৰা এখন পৰামৰ্শদাতা সভা থাকিব। লেবানন আৰু ডামস্কচ প্ৰদেশত এই প্ৰতিশ্ৰুতি আংশিকভাৱে আৰু বাহ্যিকভাবে পালন হৈছিল সচা কিন্তু দ্ৰুচবিলাকৰ ঠাই হৰান প্ৰদেশক স্বায়ত্তশাসনো দিয়া নাই, সভাও দিয়া নাই বা প্ৰজাৰ দ্বাৰা নিৰ্ব্বাচিত সভাপতিও দিয়া নাই, গৈ থৈ দিলেগৈ এজন ফৰাচী বিষয়া—কেপ্তেইন কাৰবিয়লাক—দ্ৰুচবিলাকৰ ইচ্ছাৰ বিৰুদ্ধে আৰু যেতিয়া তেওঁলোকে ইয়াৰ বিপক্ষে বিক্ষোভ-প্ৰদৰ্শন আৰু আপত্তি কৰিবলৈ ধৰিলে, তেতিয়া তেওঁলোকৰ সজাতিসকল ফৰাচী-বিলাকে অপমান কৰিলে, তেওঁলোকৰ মাজৰ মুখিয়াল মুখিয়াল মানুহক ৰাজহুৱাভাবে ককৰ্থনা কৰিলে, ফাটেকত দিলে আৰু তেওঁলোকৰ তিৰোতাবিলাকক বেয়া ব্যৱহাৰ কৰিলে।

কেপ্তেইন কাৰবিয়লা ফৰাচী কংগোৰ পৰা অহা। ফৰাচীবিলাকে ফৰাচী কংগোৰ অধিবাসীসকলক যি উৎপীড়ন কৰিছিল সেই উৎপীড়নকে এতিয়া কাৰবিয়লাই দ্ৰুচবিলাকৰ ওপৰত অনুশীলন কৰিছিল; কিন্তু দ্ৰুচবিলাক আছিল প্ৰাচীন, গৰ্ব্বী আৰু যুজাৰু জাতি। তেওঁলোকে এই উৎপীড়নবিলাকত বাধা প্ৰদান কৰিছিল। অস্ত্ৰ ধৰিবলৈ তেওঁলোক বাধ্য

হৈছিল। তেওঁলোকে ফৰাচী সৈন্যৰ বিস্তৰ ক্ষতিসাধন কৰিলে আৰু এতিয়ালৈকে তেওঁলোকৰ দেশক ফৰাচীবিলাকে কৰা আক্ৰমণ কৃতকাৰ্য্য তাৰে প্ৰতিৰোধ কৰিছে, কিন্তু ফৰাচীবিলাকে ওচৰচুবুৰীয়া অংশবিলাকত তাৰ মানে ডামস্কচ আৰু এলেপ্প'ত যি কাণ্ড কৰিছে তাৰ ফলস্বৰূপেই এই অংশবিলাকলৈ বিদ্ৰোহ বিয়পি পৰিছে। ওপৰত কোৱা টেলিগ্ৰাম বিলাকে ডামস্কচৰ ওপৰত অলপতে হোৱা অত্যাচাৰ উৎপীড়নৰে উল্লেখ কৰিছে।

ফৰাচী চৰকাৰে অন্যায় আৰু অসৎ পদ্ধতিৰ প্ৰয়োগো কৰিছে। দেশৰ সকলোখিনি সোণ অপহৰণ কৰি দেশখনক সম্পত্তিহীন কৰিছে আৰু কাগজৰ ধনেৰে তাক পূৰণ কৰিছে। লাহে লাহে সিহঁতে দেশৰ সকলো ধনসম্পত্তিৰ থলবোৰ নোহোৱা কৰিলে আৰু ফলত দেশখন অসহায় আৰু দৰিদ্ৰ হৈ পৰিছে। এনেকৈ ধনসম্পত্তিতো নোহোৱা কৰিছেই তদুপৰি তেওঁলোকে জৰিমনা আৰু শাস্তিৰ নামত নগৰ আৰু গাৱঁৰ পৰা ধন চুচিছে।

এইখিনি আমি আপোনালৈ লিখিছোঁ এছিয়াৰে এই ভাইককাইহঁতৰ প্ৰতি আপোনাৰ সহানুভূতিৰ উদ্ৰেক কৰিবলৈ, লগতে যি জাতিসংঘই ফ্ৰান্সক এই শাসন ভাৰ দিছিল, সেই জাতিসংঘলৈ কংগ্ৰেছ সভাপতি হিচাপে আপুনি যাতে নিজে টেলিগ্ৰাম কৰে আৰু আন আন কংগ্ৰেছ অনুষ্ঠানসমূহকো তেনে কৰিবলৈ অনুৰোধ জনাই তাকে এই চিঠিৰে আমি আপোনাক খাটিছোঁ। এনে এটা কামৰ কাৰণে বৰ্ত্তমান ভাৰতৰ অৱস্থা যে বৰ অনুকূল নহয় সেই বিষয়ে আমি সচেতন। কিন্তু ভাৰতীয় হিচাপে, মুছলমান হিচাপে আৰু এছিয়াবাসী হিচাপে এইটো আমাৰ সুনিশ্চিত মত যে, সকলো এছিয়াবাসী জাতিৰ পক্ষে আমি সহানুভূতি জনোৱা উচিত আৰু তেওঁলোকৰ লগত সৌহাৰ্দ্দ্যপূৰ্ণ সম্বন্ধ স্থাপন কৰা উচিত—ই তেওঁলোকৰ কাৰণে আৰু আমাৰ কাৰণেও লাগতিয়াল হব।"

কংগ্ৰেছৰ নামত জাতিসংঘলৈ টেলিগ্ৰাম পঠাবলৈ মই সন্মত হব নোৱাৰিলোঁ। গতিকে মই উত্তৰ পঠালোঁ।

"আপুনি আৰু হাকিম চাহাবে চহী কৰা চিঠিখন পাইছোঁ। কংগ্ৰেছ সভাপতিয়ে জাতিসংঘলৈ টেলিগ্ৰাম কৰাৰ পৰা কি লাভ হব? মোক নিজকে পিঞ্জৰাবদ্ধ সিংহ যেন লাগিছে—পাৰ্থক্য এইখিনিতেই যে, সিংহটোৱে এনে অৱস্থাত দমদমাই, হৰহৰাই থাকে, দাঁত কামোৰে, লোহাৰ শলি-বিলাক মৰিয়াই খটিয়াই থাকে, কিন্তু মই মোৰ সীমাবদ্ধতাৰ কথা অনুভৱ কৰোঁ আৰু দমদমাই নাথাকোঁ। আমাৰ পাছফালে যদি কিবা শক্তি

থাকিলহেতেন, তেন্তে আপোনালোকে ইঙ্গিত দিয়া মতে তৎক্ষণাৎ টেলিগ্ৰাম পঠালোঁহেতেন। ইয়ং ইণ্ডিয়াৰ পিঠিত মই প্ৰকাশ নকৰা কথাবোৰ মোৰ অন্তৰৰ গভীৰতম প্ৰদেশত পোত খাই আছে আৰু যিবোৰ মই বাহিৰত প্ৰকাশ কৰোঁ তাতকৈ সেইবোৰ বহুত বেছি গধুৰ। কিন্তু অদৃশ্য শক্তিৰ আগত কোনোদিনেই সেইবোৰ মই প্ৰকাশ নকৰাকৈ নাথাকোঁ। আমাৰ চাৰিওফালে থকা দিগন্তৰ কথা মই যেতিয়া ভাবোঁ, মোৰ অন্তৰখন কগ্ন হৈ পৰে, ক্লান্ত হৈ পৰে। আৰু যেতিয়া মই অন্তৰৰ শান্ত, ক্ষুদ্ৰ স্বৰটি শুনিবলৈ পাওঁ, মোৰ মন আশাৰে ভৰি পৰে, আৰু মোৰ চাৰিওফালে দপদপকৈ জুই জ্বলি আছে যদিও মুখত মোৰ হাঁহি বিৰিঙি উঠে। আমাৰ নিশকতীয়া অৱস্থা বাহিৰত সদৰি কৰি দিবলগীয়া অৱস্থাৰ পৰা মোক ৰক্ষা কৰক।"

কিন্তু জাতিসংঘলৈ টেলিগ্ৰাম পঠোৱাৰ কথা এৰি যিটো আটাইতকৈ ভাল হয়, মই তাকে কৰিলোঁ— সেই মূল্যবান চিঠিখন আৰু মই দিয়া তাৰ উত্তৰ প্ৰকাশ কৰি দিলোঁ। যাৰ পাছফালে শক্তি নাই, তেনেকুৱা গোহাৰি জনোৱাত মোৰ বিশ্বাস নাই। গোহাৰি জনাওঁতাসকলৰ যদি তেওঁলোকৰ গোহাৰি কাৰ্য্যক্ষম কৰি তুলিবলৈ কিবা এটা কৰোঁ বুলি, কিবা ত্যাগ কৰোঁ বুলি এটা প্ৰতিজ্ঞা থাকে তেতিয়াহে সেই গোহাৰিৰ পৰা নৈতিক শক্তিৰ উৎপন্ন হয়। এই মূলনীতিটো আন কি সৰু সৰু লৰাছোৱালীয়েও সিঁহতৰ সহজ জ্ঞানৰ দ্বাৰাই বুজি পায়। থাবলৈ নাপালে সিঁহতে কান্দে বা যদি সিঁহত দুষ্ট হয়, তেন্তে সিঁহতে যি খোজে তাকে নাপালে মাকইতক মাৰে। এই নীতি আমি যদি স্বীকাৰ নকৰোঁ আৰু তাক কাৰ্য্যত পৰিণত নকৰোঁ তেন্তে আমি অন্ততঃ কংগ্ৰেছক আৰু নিজকে হাঁহিয়াতৰ পাত্ৰ কৰি তুলিম আৰু তাতকৈ নিকৃষ্টতৰ অৱস্থাৰ হাত সাৰিব পাৰিলেও।

ইচ্ছা কৰিলেও আমি ধূৰ্ত্ত হব নোৱাৰোঁ। আমি ইচ্ছা কৰিলেহে কষ্ট ভোগ কৰিবলৈ গাত লব পাৰোঁ। চিৰিয়াৰ ওপৰত কৰা এই অপমান, পাশৱিকতা বা জাৱাৰে কৰা ধৰণৰ বৰ্ব্বৰতা বা আন যিহকে কওক, তাৰ আগত আমাৰ যে শক্তি একেবাৰেই নাই তাক ভাৰতবাসী হিচাপেই হওক বা হিন্দু হিচাপেই বা মুছলমান হিচাপেই বা খ্ৰীষ্টিয়ান বা পাৰ্চী বা এছিয়াবাসী হিচাপেই হওক—আমি সকলোৱে উপলব্ধি কৰিলে মই ভাল পাওঁ। জন্তু বিলাকে ধুমুহা-বতাহত সকলোৱে লগ লাগে, পৰস্পৰে পৰস্পৰৰ পৰা তাপ আৰু সাহস বিচাৰে। আমাৰো শক্তিহীনতাখিনি যদি আমি উপলব্ধি কৰোঁ

তেন্তে অন্ততঃ আমি সিহঁতকে অনুকৰণ কৰিবলৈ শিকিব পাৰোঁ। বতৰৰ দেৱতাক ক্ৰোধ সম্বৰণ কৰিবলৈ সিহঁতে বৃথাই গোহাৰি নজনায়। সিহঁতে মাত্ৰ তাৰ পৰা আত্মৰক্ষাৰ ব্যৱস্থা কৰে।

আৰু আমি কি কৰোঁ? হিন্দু আৰু মুছলমানে ইটোৱে সিটোৰ লগত কাজিয়া কৰোঁ আৰু ফলত দিনে দিনে আমাৰ মাজৰ ব্যৱধানটো বহল হৈ গৈছে যেন লাগে। যতঁৰৰ তাৎপৰ্য্য আমি এতিয়াও বুজিব পৰা নাই। যিবিলাকে পাৰিছে সেইবিলাকে চেলু উলিয়াই সূতা নকটাকৈ আৰু খদ্দৰ নিপিন্ধাকৈ থাকে। আমাৰ চাৰিওফালে ধুমুহা বতাহে দম দমাই আছে। আৰু আমি ইজনে সিজনৰ তাপ বিচৰাতকৈ জাৰত কঁপি থাকোঁ আৰু ধুমুহাৰ দেৱতাক শান্ত হবলৈ অনুনয় বিনয় কৰোঁ। মই যদিও হিন্দু মুছলমানৰ মিলন ঘটাব নোৱাৰোঁ, অন্তত অনুকম্পা বিচাৰি কৰা গোহাৰি পত্ৰত চহী নকৰাৰ ব্যৱহাৰিক বুদ্ধিখিনি মোৰ আছে।

আৰু জাতিসংঘনো কি? প্ৰকৃততে ই কেৱল ইংলণ্ড আৰু ফ্ৰান্স নহয় জানো? আনবিলাক শক্তিৰ কিবা মূল্য আছে জানো? যি ফ্ৰান্সে তাৰ ভ্ৰাতৃত্ব, সমত্ব আৰু ন্যায়ৰ নীতিকে অস্বীকাৰ কৰিছে আৰু সেই ফ্ৰান্সৰ ওচৰত গোহাৰি জনোৱাৰ পৰা কিবা লাভ হবনে? জাৰ্ম্মানিৰ প্ৰতি সিহঁতে ন্যায় বিচাৰ কৰা নাই, ফ্ৰান্স আৰু ৰিফ্‌বিলাকৰ মাজত ভ্ৰাতৃত্ব নাই বুলিলেও হয়, আৰু চিৰিয়াত সিহঁতে সমতাৰ নীতি ভৰিৰে মোহাৰি পেলাইছে। আমি যদি ইংলণ্ডৰ ওচৰত গোহাৰি জনাব খোজোঁ তেন্তে আমাৰ জাতিসংঘলৈ যোৱাৰ আৱশ্যক নাই। ইংলণ্ড আমাৰ বেছি ওচৰৰ্ষীয়া। কেতিয়াবা অন্তেকৰ কাৰণে দিল্লীলৈ নামি অহা সময়খিনিৰ বাহিৰে বাকী সময়ত ইংৰাজ-সকল দেখোন চিমলাতে বহি থাকে। ইংলণ্ডৰ বিপক্ষে গোহাৰি জনাবলৈ যোৱা আৰু অগাস্টাছৰ বিপক্ষে চীজাৰক জনোৱা একে কথা।

আমি তেন্তে একেবাৰেই নগ্ঠা সত্যটোকে উপলব্ধি কৰোঁ আহক আৰু জাতিটোক নিজ কৰ্ত্তব্য পালনৰ বাবে আহ্বান কৰোঁহক। ভাৰতবৰ্ষৰ ভৱিষ্যতে চিৰিয়াই সকাহ পাব। আৰু আমি যদি আমাৰ নিজৰ গৰিমা নিজে বুজি নাপাওঁ তেন্তে আমাৰ ক্ষুদ্ৰতাকে স্বীকাৰ কৰি মনে মনে থাকোঁহক। কিন্তু আমি সৰু হৈ থকাৰ প্ৰয়োজন নাই। আমি অন্ততঃ এটা কাম নিয়াৰিকৈ কৰিব পাৰোঁ, হয় আমাৰ চাৰিঠেঙীয়া ভাইককাইহঁতে কৰাৰ দৰে আমিও যুদ্ধ কৰি কৰি তিক্ততাৰে তাৰ শাৰৰণি মাৰোঁহক,

নহয় পৃথিবীৰ বুৰজীত হোৱা আটাইতকৈ বিশালতম পৰিসৰৰ সহযোগিতাৰ মাজেদি নিজেও শিকোঁ৷ আৰু আনকো শিকাওঁ। আমাতকৈ যিবিলাক দুৰ্ব্বল সেইবিলাকক শোষণ কৰাটো একেবাৰেই অসাৰ্থক—অসাৰ্থক কিয় একেবাৰেই পাপপূৰ্ণ কাম। লাখ লাখ মানুহৰ মাজত সেই সহযোগিতা সম্ভৱ হয় কেৱল যতঁৰৰ মাজেদি।

ইয়ং ইণ্ডিয়া ১২ ১১ ১৯২৫

[২২]

সকাহ দিওঁতে

এজন জাৰ্ম্মান বন্ধুৰ পৰা পোৱা তলৰ কথাখিনি আনন্দেৰে প্ৰকাশ কৰিছোঁ।

"যোৱা বছৰ আপুনি ইয়ং ইণ্ডিয়াত জাৰ্ম্মানিৰ বিষয়ে বহুত প্ৰবন্ধ বা জাৰ্ম্মানিৰ পৰা পোৱা বহুত চিঠিপত্ৰ প্ৰকাশ কৰিছিল—যিবিলাকে নিশ্চয় আমাৰ দেশৰ পৰিস্থিতি সম্পৰ্কে এটা ভুল ধাৰণা দিছে। যদিও মই নিশ্চিত যে জাৰ্ম্মান জাতিটোৰ বিষয়ে আপোনাৰ মনত ঘৃণাৰ ভাব নাই, তথাপি আমাৰ দেশৰ বিষয়ে কিবা ভুল খবৰ ওলালে তাক মই শুধৰাই দিম বুলি ভাবিছোঁ। ১০ জুলাই, ১৯২৫ তাৰিখে চি এফ এণ্ড্ৰুজে মোলৈ লিখি পঠিওৱা তেওঁৰ বক্তব্যখিনি সমৰ্থন কৰিব বুলিয়েই মই আশা কৰিছোঁ৷

'মোৰ বিশ্বাস বিশুদ্ধ ভাববাদৰ ভিত্তিত আন আন জাতিতকৈ ভাৰত আৰু জাৰ্ম্মানিয়েই বেছি ওচৰ চাপিব পাৰিব।' আৰু অতি বিনয়সহকাৰে আপোনাৰ অবগতিৰ অৰ্থে উল্লিখিত সেই প্ৰবন্ধবিলাকৰ বিষয়ে মই কিছুমান মন্তব্য দিব খোজোঁ।

আপোনাৰ এটা গভীৰতম স্বীকাৰোক্তিৰেই মই আৰম্ভ কৰোঁ বাৰু, 'মোৰ আশ্ৰয়স্থল' (ই ই ৯ ১০ ২৪)। এনেকুৱা এটা কাতৰ মিনতিৰ আগত সমালোচনাৰ এটা শব্দও উচ্চাৰিত হব নোৱাৰে। আন কি কেইজাৰকো অজ্ঞাতসাৰেও কোনো অন্যায় কৰিব নোৱাৰে। তেওঁ কেতিয়াও ইউৰোপৰ ৰাজমুকুটলৈ চকু দিয়া নাছিল। তেওঁৰ ধাৰণা আছিল যুদ্ধকালীন প্ৰচাৰসমূহৰ এটা মাত্ৰ অদ্ভুত সৃষ্টি। তেওঁ আছিল এজন শোকাবহ ভাৱৰীয়া, এটা দুৰ্ভগীয়া মূৰ্খ, এটা অযথোচিত শিক্ষা আৰু তোষামোদকৰ পৰিস্থিতিৰ সৃষ্টি মাত্ৰ। আমি তেওঁক ক্ষমা নকৰোঁ, কিন্তু

তেওঁৰ মনে-চিতে নথকা কোনো কথাৰ কাৰণে আমি তেওঁক দোষাৰোপ নকৰোঁ।

'ইউৰোপৰ পৰা' (ই ই ১৯২৫ সং ৪৭) শিৰোনামাৰ প্ৰবন্ধটোৰ বিষয়ে আপত্তি কৰিবলগীয়া একো নাই। জাৰ্মান যুবক আন্দোলনৰ কোনোবা সভ্যই লিখা যেন পাওঁ সেইখন চিঠি। ইউৰোপৰ পৰা চীনলৈকে সকলো জাতিৰ লগতে ভাৰত আৰু আমেৰিকাৰো ডেকাসকলৰ মন আৰু আত্মাৰ নবজাগৰণৰ আন্দোলনে নিশ্চয় আপোনাৰ মন ভৱিষ্যতৰ বিষয়ে বেছি বিশ্বাসেৰে ভৰাই তুলিব।। আশা কৰোঁ বুঢ়া চামে যি উপলব্ধি কৰিব নোৱাৰিলে তাক এই ডেকা চামে এবাৰ কৰিব। তেওঁলোকৰ সৰহ ভাগেই সাম্ৰাজ্যবাদ বিৰোধী আৰু তেওঁলোকে সকলো জাতিৰ বাবে স্বাধীনতা আৰু তথাকথিত উপনিবেশবোৰৰ মুক্তিৰ বাবে থিয় দিছে, ধনতন্ত্ৰবাদ আৰু বস্তুতন্ত্ৰবাদৰ পুৰণি পথ তেওঁলোকে ত্যাগ কৰাৰ চেষ্টা কৰিছে। ইংৰাজ যুবক আন্দোলনৰ পৰা অহা প্ৰতিবেদন সন্নিবিষ্ট থকা কেইখনমান পুস্তিকা মই আপোনালৈ পঠাম। যদি এতিয়াও ইয়াৰ আকাৰ ক্ষুদ্ৰ হৈয়ে আছে তথাপি অহা কিছু বছৰলৈ ই কিন্তু এটা মহৎ আৰু নতুন আশাৰ সঞ্চাৰ কৰিছে। তাৰে কিছুমানত কেৱল সাক্ষী প্ৰমাণৰ কথাহে আছে কিন্তু ভাৰতীয় যুবকৰ ওপৰত লিখা প্ৰতিবেদনবোৰ পঢ়ি আপুনি আমোদ পাব।

৪২ সংখ্যাৰ 'ইউৰোপীয় সভ্যতা' নামৰ প্ৰবন্ধটো তাৰ হাবভাব আৰু সন্দেহবাদী মনোভাৱৰ পক্ষৰ পৰা ঠিকেই হৈছে। কিন্তু মোৰ হ'লে এটা আশঙ্কা হয় জাৰ্মানৰ প্ৰতি থকা ডেনমাৰ্কৰ বিৰূপ ভাবৰ কাৰণে তাত দিয়া খবৰবোৰ হয়তো অতিৰঞ্জিত হৈছে। নীৎসেৰ জীৱন দৰ্শনৰ গুৰুসকলৰ নৈতিকতাৰ যি কল্পনাবিলাস তাৰ লগত প্ৰুছিয়ান সেনাপতিবিলাকৰ নৈতিকতাৰ কোনো সম্বন্ধ নাই। এই প্ৰুছিয়ান সেনাপতিবিলাকে তাৰ জোখমাখ পাহৰি পেলাইছে। সৰ্বজাৰ্মান প্ৰচাৰটো হৈছে কিছুমান কমসংখ্যক কিন্তু সাংঘাতিক দলপকোৱা মানুহৰ যুক্তিহীন কামকাজ। কিন্তু আমাৰ চৰকাৰৰ শেষ সিদ্ধান্তসমূহত তেওঁলোকৰ প্ৰভাৱ বিশেষ পৰা নাছিল। মাত্ৰ কিছু পৰিমাণে পৰা বুলি কব পাৰি যুদ্ধৰ শেহৰ কেইবছৰ-মানতহে। অধ্যাপক বম্‌গাৰ্টেন নিজেই আছিল যুদ্ধৰ শেহ ছোৱাৰ এজন উদাৰপন্থী ঈশ্বৰতাত্ত্বিক আৰু সামৰিকতাবাদৰ বিপৰীতে যুঁজ কৰা অগ্ৰগণী নেতা। জাতিসমূহৰ মাজত এটা বুজাবুজিৰ সৃষ্টি কৰিবলৈ তেওঁ অশেষ যত্ন কৰিছিল।

জীৱিত আয়ু দেহান্তৰিত কৰাৰ ('তাৰ কাৰণে আমাৰ যথেষ্ট পোলেণ্ড-বাসী আছে') যি কাহিনী আছে সেইটো সচা হলেও হব পাৰে কিন্তু

অতিৰঞ্জিত। সকলো ক্ষেত্ৰতে দি সচা বুলি কেতিয়াও ক'ব নোৱাৰি। সেইটো কিজানি ধেমালিতে কোৱা কথাও হ'ব পাৰে। কথাটো ঠিক অস্ত্ৰোপচাৰ চিকিৎসাৰ দৰে। অস্ত্ৰোপচাৰটো দেখাত বৰ অমানুষিক কাৰ্য্য যেন লাগে, কাৰণ চিকিৎসকসকলে তেওঁলোকৰ অন্তৰতম অনুভূতিখিনি লুকুৱাই ৰাখে, নহলে যে দয়া মমতাই তেওঁলোকক অভিভূত কৰি পেলাব। মনত ৰাখিব যুদ্ধ আৰম্ভ হোৱাৰ পিছত পোলেণ্ড শোচনীয়-ভাবে পৰাজিত হোৱাৰ আগে আগে জাৰ্মানিয়ে পোলেণ্ডবাসীসকলৰ বাবে এখন স্বাধীন ৰাষ্ট্ৰৰ সৃষ্টি কৰিছিল।

শ্লেছৱিগৰ প্ৰশ্নটো বৰ জটিল। যুদ্ধত আমি যথেষ্ট অন্যায় কৰিছিলোঁ। তাৰ ভিতৰত আটাইতকৈ বেছি অন্যায় আছিল বেলজিয়াম আক্ৰমণ কৰাটো। কিন্তু শ্লেছৱিগৰ ৬,০০০ ডেনমাৰ্কবাসীক আমি হত্যা কৰি বুলি আদেশ দিয়া নাছিলোঁ। আইৰিছ বিলাক ইংৰাজ চৰকাৰৰ যেনেকুৱা প্ৰজা, শ্লেছৱিগ আৰু এলচাছৰ বাসিন্দাবিলাকো চৰকাৰৰ তেনেকুৱা প্ৰজা। আত্মৰক্ষাত জাৰ্মানি পাশৱিক আছিল, কিন্তু ইয়াৰ আগৰ আমাৰ বিৰোধীসকল জানো ইয়াতকৈ কম পাশৱিক আছিল? সে তেওঁলোকে বুজাবুজিৰ মাজেদি যুদ্ধৰ উপশম ঘটাবলৈ চেষ্টা কৰিছিল?

মোৰ বোধেৰে যোৱা দিনবোৰ পাছ পেলাই থৈ আগবাঢ়ি যোৱাহে ভাল, ইউৰোপীয় অৱনতিৰ তিক্ত আৰু শোকাবহ স্মৃতিবোৰ আকৌ বাৰেপতি উজাৰি দি ইটোসিটো জাতিৰ ওপৰত নৈতিক দায়িত্বৰ বোজা পেলাই দিয়াৰ পৰা একো লাভ নাই। ডেনমাৰ্কবাসীসকলকে ধৰি আমি সকলোৱে ভুল পথ লৈছিলোঁ, আমি সকলোৱে ডেনমাৰ্ক আৰু জাৰ্মানে, হাতত ধৰাধৰিকৈ আত্মাৰ, প্ৰকৃত সংস্কৃতিৰ আৰু বিশ্বাসৰ পুনৰুজ্জীৱনৰ পথ বিচাৰিব লাগিব।

শেষত, নং ৪৭ 'জাৰ্মানিৰ চিঞৰ'। এই বিষয়ে আপুনি যি উত্তৰ দিছে তাৰ লগত আমি একমত। লিথকজন আছিল উচ্ছৃঙ্খল অনুভূতিৰ পৰা সৃষ্ট হোৱা এক উচ্ছ্বাসপ্ৰৱণ কৰ্মহীনতাৰ উদাহৰণ মাত্ৰ। অতিপাত বিপদৰ সময়ত কোনো কোনো মানুহ এনেকুৱা হোৱা দেখা যায়। দুৰ্নীতি আন ঠাইতকৈ ইয়াত বেছি বেয়া নহয়। এটা মাত্ৰ ইয়াৰ প্ৰতিকাৰ আছে কাম! কাম কৰা, কিবা এটা কৰা। নৱজীৱন পোৱা এটা জাতিৰ কাৰণে, তেকাশক্তিৰ কাৰণে, বহুত কামেই কৰিবলগীয়া আছে। উৎসাহ-প্ৰৱণ, আনকি উদ্ভট জাৰ্মান প্ৰশংসাকাৰী কোনো কোনোৰ পৰা বহুত চিঠি আপুনি পাব। তেওঁলোকৰ ভাব-অনুভূতিবোৰ আমি বুজি পাওঁ তাৰ কাৰণে আমি দুখিত কিন্তু সেইবোৰে জাৰ্মানিৰ প্ৰতিনিধিত্ব নকৰে।"

জাৰ্মানসকল বা জাৰ্মানি সম্পৰ্কে যে মোৰ কোনো ঘৃণাসূচক অভিমত নাই এই বিষয়ে পত্ৰলিখক নিশ্চিন্ত হোৱাটো উচিতেই হৈছে। তেনে অভিমত পোষণ কৰিবলৈ নো কাৰ সাহ আছে? জাৰ্মানসকল মহান আৰু সাহসী জাতি, শ্ৰমশীলতা, পাণ্ডিত্য আৰু সাহসৰ বাবে তেওঁলোক পৃথিবীৰে প্ৰশংসাৰ পাত্ৰ। তেওঁলোকে শান্তি আন্দোলনৰ নেতৃত্ব বহন কৰিব বুলি সকলোৱে আশা কৰে। যোৱা যুদ্ধত তেওঁলোক হাৰিছে হয় কিন্তু পৰাভূত হোৱা নাই। তেওঁলোকৰ অত্যুৎকৃষ্ট শক্তি কেৱল তেওঁলোকৰ নিজৰ উন্নতিৰ কাৰণেহে প্ৰয়োগ কৰিব, পৃথিবীত আনৰ যি হয় হওক, তেনেকুৱা কথা নহৈ তেওঁলোকে যেন সমগ্ৰ পৃথিবীৰ উন্নতিৰ কাৰণে তেওঁলোকৰ শক্তি প্ৰয়োগ কৰে এই পৰিবৰ্তনৰ এতিয়া আৱশ্যক হৈছে। সেই বাঞ্ছিত পৰিবৰ্তন তেওঁলোকৰ আৰু পৃথিবীৰ আন আন দেশৰ লোকৰ যেন আহিব ধৰিছে তাৰ চিন দেখা গৈছে।

ইয়ং ইণ্ডিয়া ২৫ ২ ১৯২৬

[২৩]

যুদ্ধ নে শান্তি?

মিষ্টাৰ কাৰ্বি পেজে বিশ্বযুদ্ধৰ ওপৰত লিখা অতি বলীয়ান পুস্তিকাখনৰ প্ৰধান অংশ কেইটাৰ যে মই উদ্ধৃতি দিছিলোঁ সেয়া এনেয়ে দিয়া নাছিলোঁ। আশা কৰোঁ পাঠকসকলে সেইখিনি যথাযোগ্য সাৱধানতা আৰু মনোযোগেৰে পঢ়িছে। মিষ্টাৰ পেজে নিয়াৰিকৈ প্ৰমাণ কৰিছে যে দুয়ো পক্ষৰ গাতে সমান দোষ, দুয়ো পক্ষই বৰ্ব্বৰ আৰু অমানুষিক কাৰ্য্যত লিপ্ত হৈছিল। মিষ্টাৰ পেজৰ সহায় নোহোৱাকৈও আমি জানিব পাৰিলোঁহেতেন যে এইখন যুদ্ধত যিমান প্ৰাণহানি হৈছে, সিমান প্ৰাণহানি কেতিয়াবা হৈছিল বুলি বুৰঞ্জীয়ে নকয়। নৈতিক ক্ষতি হৈছিল তাতকৈও বেছি। শৰীৰ ধ্বংসৰ কাৰণে যিমান বিষাক্ত শক্তিৰ উৎকৰ্ষ সাধন কৰা হৈছিল, সিমানেই কৰা হৈছিল আত্মাৰ ধ্বংসৰ কাৰণেও (সেয়া আছিল মিছা আৰু প্ৰবঞ্চনা)। তাৰ ফলাফল শৰীৰৰ ওপৰত যিমান ভয়াবহ হৈছিল, নৈতিকতাৰ ওপৰতো সিমানেই হৈছিল। যুদ্ধৰ ফলস্বৰূপে যৌন-সম্পৰ্কীয় নৈতিকতাৰ বান্ধ একেবাৰেই ভাগি পৰাৰ প্ৰতিক্ৰিয়া মানৱ জাতিৰ ওপৰত কিমান গাঢ় হৈছে তাৰ বুজ লবৰ সময় এতিয়াও আহি পৰা নাই। পাপে পুণ্যৰ সিংহাসন বলেৰে

দখল কৰিছে। মানুহৰ ভিতৰৰ পশুটোৱে সাময়িকভাবে তাৰ প্ৰভুত্ব বিস্তাৰ কৰিছে।

ইয়াৰ ফলাফল পিছত যিটো ওলাবগৈ সি কিজানি এতিয়াই প্ৰত্যক্ষভাবে দেখা দিয়াতকৈ বহুত বেছি ভয়াবহ। ইউৰোপৰ কোনো এখন ৰাষ্ট্ৰৰ চৰকাৰৰ স্থিৰতা নাই। কোনো শ্ৰেণীৰ লোকেই নিজৰ অৱস্থাত সন্তুষ্ট নহয়। প্ৰত্যেকেই আনক দবাই নিজৰ অৱস্থা উন্নত কৰিবলৈ বিচাৰে। ৰাষ্ট্ৰসমূহৰ মাজৰ যুদ্ধ এতিয়া ৰাষ্ট্ৰৰ ভিতৰৰ আভ্যন্তৰীণ যুদ্ধত পৰিণত হৈছেগৈ।

ভাৰতবৰ্ষই নিজৰ পন্থা বাছি লব লাগিব। ইচ্ছা কৰিলে ভাৰতেও যুদ্ধৰ পথ লৈ চাব পাৰে। কিন্তু তেতিয়া ভাৰতবৰ্ষ আৰু তললৈ যাব। যুদ্ধকলাৰ শিক্ষাৰ প্ৰথম পাঠ ভাৰতে হিন্দু মুছলমানৰ কাজিয়াৰ মাজতে লৈছে যেন লাগিছে। ভাৰতে যদি যুদ্ধৰ দ্বাৰা স্বাধীনতা লাভ কৰাটো সম্ভৱ হয়, ইয়াৰ অৱস্থা তেতিয়া বোধহয় ফ্ৰান্স আৰু ইংলণ্ডতকৈ কোনো গুণে ভাল নহব, বৰং বেছি বেয়াহে হ'ব। অতীতৰ উদাহৰণ এতিয়া আৰু নাখাটে। জাপানৰ আপেক্ষিক উন্নতিয়েও এতিয়া কোনো পথ প্ৰদৰ্শন নকৰে। কাৰণ, ৰুছ-জাপান যুদ্ধৰ পিছৰ পৰা যুদ্ধৰ 'বিজ্ঞানে' বহুত 'অগ্ৰগতি' লাভ কৰিছে। ইয়াৰ ফলাফল মাত্ৰ ইউৰোপৰ বৰ্ত্তমান পৰিস্থিতিলৈ চাইহে বুজিব পাৰি। আমি নিৰাপদে ক'ব পাৰোঁ, যদি ভাৰতে যুদ্ধৰ পথেৰে ব্ৰিটিছৰ বুৰলি কাৰৰ পৰা সোলোকাই পেলায়, তেন্তে মি পেজে বিশদভাবে বৰ্ণোৱা শোচনীয় অৱস্থাৰ মাজেদি ভাৰতবৰ্ষ পাৰ হ'ব লাগিব।

কিন্তু শান্তিৰ পথো ভাৰতবৰ্ষৰ কাৰণে মুকলি আছে। স্বাধীনতা নিশ্চিত, যদিহে ভাৰতে ধৈৰ্য্য ধৰিব পাৰে। আমাৰ অধৈৰ্য্য স্বভাৱৰ গুণে যদিও আমি সেই পথ দীঘল যেন দেখোঁ, প্ৰকৃততে সেই পথ চমুহে। শান্তিৰ পথত আভ্যন্তৰীণ উন্নতি আৰু স্থিৰতা সুনিশ্চিত। এই পথ আমি নলওঁ, কাৰণ আমি ভাবোঁ যে তাকে কৰিলে আমাৰ ওপৰত নপতা ফুকন হৈ বহাজনৰ ইচ্ছাৰ ওচৰত আমি আত্মসমৰ্পণ কৰাহে হ'ব। কিন্তু আমি যেতিয়াই উপলব্ধি কৰোঁ যে নপতা-ফুকন হৈ বহাটো মাত্ৰ তথাকথিতহে আৰু আমাৰ জীৱন আৰু সা-সম্পত্তি আমিও সেই নপতা-ফুকনক বহওৱাত সহায় কৰাহে হয়, তেতিয়াই আমি নিষ্ক্ৰিয়ভাবে তাকে মানি লোৱাৰ উদাসীন মনোভাৱৰ পৰিবৰ্ত্তন ঘটাব লাগিব। এই পৰিবৰ্ত্তনৰ ফলত হোৱা দুখ-কষ্ট, যুদ্ধৰ পথ ললে আমাৰ যি কায়িক কষ্ট আৰু নৈতিক ক্ষতি হ'ব তাৰ তুলনাত

একোৱেই নহয়। আৰু যুদ্ধৰ দুখ কষ্টই দুয়োপক্ষৰে অনিষ্ট সাধন কৰে। শান্তিৰ পথ ল'লে যি দুখ কষ্ট ভোগ কৰিবলগীয়া হয় সি দুয়ো পক্ষৰে উপকাৰ সাধন কৰে। সেই দুখকষ্ট হ'ব নৱজন্মৰ আনুষঙ্গিকভাবে অহা আনন্দৰ কষ্ট।

১৯২০ ২১ চনৰ ঘটনাসমূহৰ ভিত্তিত লৰালৰিকৈ এটা সৰ্বাত্মক সিদ্ধান্ত ললে সি আমাক বিপথে নিব। তেনে কৰা আমাৰ উচিত নহব। সেই চমকপ্ৰদ সময়ছোৱাৰ ভিতৰত মহৎ কাৰ্য্যসমূহ সম্পাদিত হৈছিল। তথাপি, আমি সত্যপৰায়ণ আৰু নিষ্ঠাবান হোৱা হলে যিথিনি হলহেতেন তাৰ তুলনাত সেয়া একোৱেই নহয়। আমাৰ বহুতৰে বুকুত আছিল হিংসা। মুখেৰেহে আমি অহিংসাৰ প্ৰতি সম্মান প্ৰদৰ্শন কৰিছিলোঁ। আৰু আমি তেনেকৈ নিজেই গ্ৰহণ কৰা নীতিৰ প্ৰতি মিথ্যাচৰণ কৰিছিলোঁ যদিও তাৰ বাবে নিজকে দোষ দিবলৈ আৰু শুধৰাবলৈ এৰি দোষ দিছিলোঁ সেই নীতিক। যি ৰোগে আমাক বিষাক্ত কৰি তুলিছিল তাৰ চিন ফুটি ওলাইছিল চৌৰিচোৰাত। আমাৰ পথ শান্তিপূৰ্ণ, অহিংস বুলি আমি দাবী কৰিছিলোঁ। সেই দাবী আমি সম্পূৰ্ণভাৱে সাব্যস্ত কৰি ৰাখিব নোৱাৰিলোঁ। শত্ৰুৰ ঠাট্টা মস্কৰালৈ আমি মন কৰিব নালাগে। সিহঁতে তো য'ত হিংসাৰ লেশমাত্ৰও নাই তাতো হিংসা দেখা পাইছিল। কিন্তু আমি 'ভিতৰৰ শান্ত ক্ষুদ্ৰ স্বৰটি'ৰ বিচাৰ দলিয়াই পেলাব নোৱাৰোঁ। ভিতৰৰ হিংস্ৰকতাৰ কথা ই জানিছিল।

শান্তিৰ পথেই সত্যৰ পথ। সত্যপৰায়ণতা আনকি শান্তি প্ৰৱণতাতকৈও বেছি গুৰুত্বপূৰ্ণ। দৰাচলতে মিছাকথাই হিংসাৰ জননী। সত্যপৰায়ণ মানুহ বেছি সময়লৈ হিংস্ৰক হৈ থাকিব নোৱাৰে। অন্বেষণৰ পথত আগুৱাই গৈ থাকোঁতে তেওঁ দেখা পাব যে তেওঁ হিংস্ৰক হোৱাৰ কোনো আৱশ্যকতা নাই। তেওঁ আৰু নতুনকৈ দেখা পাব যে তেওঁৰ ভিতৰত যেতিয়ালৈকে অকণমানো হিংস্ৰকতাৰ লেশ থাকিব তেতিয়ালৈকে তেওঁ অন্বেষিত সত্য কেতিয়াও বিচাৰি নেপায়।

এপিনে সত্য আৰু অহিংসাৰ মাজৰ পথ আৰু আন পিনে অসত্য আৰু হিংসাৰ পথ। দুয়োটাতে মাজবাটত ফালৰি কটাৰ উপায় নাই। চিন্তা, বাক্য আৰু কৰ্মত সম্পূৰ্ণৰূপে অহিংস হবৰ জোখাৰে আমাৰ হয়তো বল নাথাকিব পাৰে। কিন্তু আমি অহিংসাক আমাৰ লক্ষ্যস্বৰূপে আগত ৰাখিব লাগিব আৰু তাৰ প্ৰতি স্থিৰ গতিৰে অগ্ৰসৰ হব লাগিব। এজন ব্যক্তিয়েই

হওক; এটা জাতিয়েই হওক বা পৃথিবীখনেই হওক, স্বাধীনতা অর্জন কৰিব লাগিব যি পৰিমাণে প্ৰত্যেকে অহিংসা আয়ত্ত কৰে ঠিক সেই অনুপাতেহে। গতিকে যিসকলে অহিংসাকে প্ৰকৃত একমাত্ৰ উপায় বুলি বিশ্বাস কৰে, তেওঁলোকেই বৰ্ত্তমানৰ দুৰ্ভেদ্য অন্ধকাৰৰ মাজত অহিংসাৰ বন্তি উজ্জ্বল কৰি দীপ্তিমান কৰি ৰাখক। কেইজনমানৰ সত্যপৰায়ণতাৰে মূল্য থাকিব, লাখ লাখৰ অসত্যপৰায়ণতা এছাটি বতাহৰ আগতে তুহ পতান উৰাদি উৰি যাব।

ইয়ং ইণ্ডিয়া ২ ৫ ১৯২৬

[২৪]

অহিংসাৰ সীমা আছেনে?

নাম ধাম দি এজন সংবাদদাতাই লিখা চিঠি এখনৰ অংশবিশেষ তলত তুলি দিলোঁ।

“মাদ্ৰাজত কংগ্ৰেছ কৰ্ম্মীসকলৰ কি হৈছে আপুনি চাগৈ জানেই। যোৱা দুদিনত ‘জাষ্টিছ পাৰ্টি’ৰ মানুহে দুৰ্জ্জয় গালি পাৰিছে। শ্ৰী ৰ লগত লগ লাগি শ্ৰী এ কংগ্ৰেছপ্ৰাৰ্থী শ্ৰী ৰ কাৰণে ভোট বিচাৰি ফুৰিছে। জাস্টিছ পাৰ্টিৰ এটা দলে শ্ৰী আৰু আন কিছুমানৰ পাছ লৈছিল। তেওঁলোক আহি যেতিয়া জাস্টিছপ্ৰাৰ্থীৰ ঘৰ পালেহি, তেতিয়া হঠাৎ কংগ্ৰেছকৰ্ম্মীসকলক আগুৰি ধৰিলে আৰু ৰ মুখত থু পেলালে। আপুনি জানে, আপোনাতকৈ কোনেও বেছি নাজানে—মুখত থু পেলোৱাটো কিমান অসম্মানৰ কথা। সাম্প্ৰদায়িকতাই ৰাজহুৱা জীৱন আৰু কৰ্ম্মক অধঃপতনৰ পথত ইমান তললৈ নিব পাৰিলেনে? ইমান গভীৰ অসম্মান আৰু অপমানৰ ক্ষেত্ৰত কংগ্ৰেছপন্থী এজনে কি কৰা উচিত সেই সম্পৰ্কে আপোনাৰ অহিংসাৰ সূত্ৰই কি কয় তাকে বুজিবলৈকে এই কেইআষাৰ কথা আপোনালৈ লিখিছোঁ। শ্ৰী ক মাৰধৰো কৰিছে। চৰকাৰৰ প্ৰতি আমাৰ মনোভাৱৰ কথা কবলৈ গ’লে আমি ক’ম যে, আমাৰ ব্যৱহাৰত অহিংস হৈ থকাটোৱেই বেছি সুবিধাৰ কথা হব। কিন্তু আমাৰ নিজৰ দেশৰে কুপথে চালিত, নিষ্ঠুৰ যিবিলাক মানুহে মাৰধৰ কৰে, গালৈ থু পেলায় আৰু শান্তিপূৰ্ণ কংগ্ৰেছী মানুহৰ গালৈ বিষ্ঠা দলিয়ায়, সেইবিলাক মানুহৰ প্ৰতিও আমি অহিংস মনোবৃত্তিকে লৈ থকাটো সমীচীন হবনে? আৰু এটা কথা, মই আপোনাৰ দৃষ্টিগোচৰ কৰিব পাৰোঁনে কংগ্ৰেছৰ প্ৰতি সহানুভূতিশীল লোক বহুত, কিন্তু

ভেৰোনীয়া গুণ্ডা আঙুলি মূৰত লেখিব পৰা, আৰু যদি আমি গুণ্ডামি বন্ধ কৰিব খোজোঁ। তেন্তে হিংসাত্মক কৰ্ম্মপন্থাৰেহে অতি ফলদায়ক হিচাপে তাক সাধন কৰিব পাৰিম ? কিন্তু আমি হলোঁ এনে এটা অনুষ্ঠানৰ সভ্য যি অহিংস হম বুলি প্ৰতিশ্ৰুত হৈ আছে। প্ৰৰোচনা দিনক দিনে বাঢ়ি আহিছে আৰু ডেকা অনুগামীসকলক আইনৰ দণ্ড নিজ হাতে লোৱাৰ পৰা বিৰত ৰখাটো কংগ্ৰেছকৰ্ম্মীৰ পক্ষে সম্ভৱ নহবও পাৰে। গতিকে মই আপোনাক সুধিব পাৰোঁনে অহিংসাৰ লগত ব্যক্তিগত প্ৰতিৰক্ষা খাপ খাব নে ? কি ৰূপত তাক প্ৰয়োগ কৰা উচিত ? জাস্টিছপাৰ্টিৰ গুণ্ডামি চাল চলনে অহিংসাৰ প্ৰতি আমাৰ বিশ্বাসক কঠোৰ পৰীক্ষাৰ সমুখীন কৰিছে। গতিকে এই সংকটৰ সময়ত আমি মাদ্ৰাজৰ মানুহ আপোনাৰ উপদেশৰ পৰা উপকৃত হম। আপোনাৰ মতামত আপুনি যিমান সোনকালে পাৰে প্ৰকাশ কৰি দিবলৈ আপোনাক যে অনুৰোধ কৰিছোঁ তাৰ এটা কাৰণ হৈছে আমি শুনিছোঁ জাস্টিছ পাৰ্টিয়ে হেনো গুণ্ডামিৰ কাৰ্য্যপ্ৰণালী হাতত লৈছে তাৰ দ্বাৰা কিমানদূৰ কৃতকাৰ্য্য হ'ব পাৰি চাবৰ কাৰণে আৰু যদি তেওঁলোকে দেখে যে ই কৃতকাৰ্য্য হৈছে, তেতিয়া হলে তেওঁলোকে কাউন্সিল আৰু বিধানসভাৰ অহা নৱেম্বৰ মাহত হবলগীয়া নিৰ্ব্বাচনত কংগ্ৰেছৰ বিপক্ষে ৰাজনৈতিক যুদ্ধত তাক কামত খটুৱাবলৈ এটা নিয়মিত কলা কৌশলত পৰিণত কৰিব।"

মই ইচ্ছা কৰিয়েই মানুহ আৰু ঠাইৰ নাম দিয়া নাই; কাৰণ এই নাম বিলাক মোৰ কোনো কামত নাহে। ফলৰ প্ৰত্যাশাৰে অহিংসা পথ অৱলম্বন কৰাৰ দিন কেতিয়াবাই পাৰ হৈ গ'ল। যিবিলাক মনে চিত্তে অহিংস নহয়, তেওঁলোক সংবাদদাতাই উল্লেখ কৰা পৰিস্থিতিতো যে অহিংস হৈ থাকিবই লাগিব এনে কোনো বাধ্য বাধকতা নাই। অহিংসাই যদিও কংগ্ৰেছৰ নীতি, কোনেও এতিয়া আৰু অহিংস হোৱা বা হৈ থকাৰ বিষয়ে সেই নীতিৰ কথা তুলিয়ায়। যিজন কংগ্ৰেছীয়েই অহিংস, তেওঁ অহিংস হোৱাৰ কাৰণ হৈছে যে তেওঁ সেয়ে নহৈ নোৱাৰে। সেইকাৰণে মোৰ সুদৃঢ় পৰামৰ্শ হৈছে এয়ে যে, অহিংসাৰ সম্পৰ্কত কোনেও মোৰ বা আন কোনো কংগ্ৰেছী লোকৰ পৰামৰ্শ লোৱাৰ আৱশ্যকতা নাই। প্ৰত্যেকেই নিজৰ নিজৰ দায়িত্বেৰে কাম কৰিব লাগিব আৰু নিজৰ নিজৰ কাৰ্য্যক্ষমতা আৰু বিশ্বাসেৰে যিহকে ভাল বুলি ভাবে সেই হিচাপে অহিংসাৰ অৰ্থ কৰিব। মই প্ৰায়ে লক্ষ্য কৰিছোঁ যে, কিছুমান দুৰ্বল মানুহে যেতিয়া নিজৰ কাপুৰুষালিৰ কাৰণে তেওঁলোকৰ নিজৰ বা তেওঁলোকৰ তত্বাৱধানত থকা মানুহৰ সম্মান ৰক্ষা কৰিবলৈ অসমৰ্থ হয়,

তেতিয়াই তেওঁলোকে আহি সাহেকৈ কংগ্ৰেছৰ নীতি বা মোৰ পৰামৰ্শৰ আশ্ৰয় লয়। অসহযোগ আন্দোলন যেতিয়া পূৰ্ণোদ্যমে চলি আছিল তেতিয়া বেটিয়াৰ ওচৰত ঘটা ঘটনাটো মনত পেলাই চাইছো। গাৱঁৰ কিছুমান ঘৰত লুট হৈছিল। মানুহবিলাকে নিজৰ লৰা তিৰোতা, সা-সম্পত্তি সকলো লুণ্ঠনকাৰীইতে যি কৰে কৰক বুলি এৰি থৈ পলাই গুচি গৈছিল। এনেকৈ নিজৰ দায়িত্বৰ প্ৰতি আওহেলা কৰি কাপুৰুষালি কৰাৰ কাৰণে মই যেতিয়া তেওঁলোকক গালি পাৰিলোঁ তেতিয়া তেওঁলোকে লজ্জাহীনভাবে অহিংসাৰ কথা কলে। ৰাজহুৱাভাবেই মই তেওঁলোকৰ আচৰণৰ নিন্দা কৰিলোঁ। আৰু কলোঁ যে যিবিলাকে অহিংসাক উপলব্ধি নকৰে আৰু লৰা তিৰোতা ৰক্ষাৰ ভাৰ যিবিলাকৰ আছে, তেনেলোকে যদি হিংসা আচৰণ কৰে তেন্তে মোৰ অহিংসাত সেই হিংসাৰ বাবে স্থান আছে। কাপুৰুষালি ঢাকিবৰ বাবে অহিংসা নহয়, ই সাহসীলোকৰ পৰম গুণ। হাতত তৰোৱাল ধাৰণৰ পৰা অহিংসালৈ ৰূপান্তৰ হোৱাটো সম্ভৱ আৰু কেতিয়াবা কেতিয়াবা সি অতি সহজেই হয়। গতিকে যি আঘাত কৰিব পাৰে সিয়েইহে অহিংসও হ'ব পাৰে। অহিংসা হৈছে কাৰবাৰ অন্তৰত প্ৰতিশোধৰ ইচ্ছা হলে সেই ইচ্ছাৰ যুৰৰ ওপৰত বহওৱা সচেতন ইচ্ছাকৃত সংযম। কিন্তু অকৰ্মণ্য, স্ত্ৰৈণ, অসহায় আত্মসমৰ্পণতকৈ প্ৰতিশোধ সদায়েই শ্ৰেয়। ক্ষমাৰ স্থান আৰু ওপৰত। প্ৰতিশোধো দুৰ্ব্বলতাই। প্ৰতিশোধৰ ভাব আহে অনিষ্টৰ ভয়ৰ পৰা কল্পিত বা বাস্তৱ অনিষ্ট। কুকুৰৰ যেতিয়া ভয় লাগে তেতিয়া সি ভুকে, কামোৰে। যিজনে পৃথিবীত কাকো ভয় নকৰে তেনেলোকক কোনোবাই বৃথাই অনিষ্ট সাধন কৰিবলৈ চেষ্টা কৰিলেও তাৰ বিপক্ষে তেওঁ ক্ৰুদ্ধ হৈ নপৰে। সৰু সৰু লৰা ছোৱালীয়ে সূৰ্য্যলৈ ধুলি মাৰে। তাৰ বাবে সূৰ্য্যাই সিহঁতৰ ওপৰত প্ৰতিশোধ নলয়। ধুলি মাৰি সিহঁতে নিজৰেই অনিষ্ট সাধন কৰে।

সংবাদদাতাই আষ্টিছ পাৰ্টিৰ মানুহৰ কুকাৰ্য্যৰ বিষয়ে লিখা কথাবিলাক সচা নে মিছা নাজানো। ঘটনাটোৰৰ বোধহয় আৰু এটা দিশ আছে। কিন্তু কথাবোৰ সচা বুলি ধৰিলেও, যিবিলাকক থু পেলাইছে, বা মাৰিছে বা বিষ্ঠা দলিয়াইছে তেওঁলোকক মই অভিনন্দনহে জনাইছো। এই অপমান সহ্য কৰিবলৈ তেওঁলোকৰ অন্তৰত যদি সাহস আছিল আৰু যদি তেওঁলোকৰ মান কি মনতো কোনো প্ৰতিশোধৰ ভাব জাগি উঠা নাছিল, তেন্তে তেওঁলোকৰ

একো অনিষ্ট হোৱা নাছিল। কিন্তু তেওঁলোকৰ যদি খং উঠিছিল আৰু কাৰ্য্যসিদ্ধিৰ কাৰণেহে তেওঁলোক প্ৰতিশোধ নোলোৱাকৈ আছিল তেতিয়া হলে তেওঁলোকে তাক সহ্য কৰি থকাটো সম্পূৰ্ণ ভুল হৈছে। আত্মসম্মানৰ জ্ঞান যাৰ থাকে তাৰ বাবে কাৰ্য্যসিদ্ধিৰ কথা অতি তুচ্ছ। সংবাদদাতাই লিখিছে জাষ্টিছ পাৰ্টিৰ মানুহতকৈ খ্যাতনামা কংগ্ৰেছী লোকৰ সংখ্যা বহুত বেছি আছিল। এই কংগ্ৰেছীলোকসকলে দুৰ্বৃত্তবিলাকক কি শাস্তিনো দিব পাৰিলেহেতেন বাৰু? মই ভাবি পাব নাপাওঁ। তেওঁলোকে বিষ্ঠাৰ বিপৰীতে বিষ্ঠা, থুৰ বিপৰীতে থু, গালিৰ বিপৰীতে গালি দিব লাগিছিলনে কি? নে, জাষ্টিছ পাৰ্টিৰ কম সংখ্যক গুণ্ডাকেইটাক আওকাণ কৰিলে সংখ্যাগুৰু দলটোৰ আত্মসম্মান বেছি ৰক্ষা পৰিলহেতেন? অসহযোগ আন্দোলন যেতিয়া চলিছিল তেতিয়া সভাবিলাকত ব্যাঘাত জন্মাবলৈ অহা গুণ্ডাক কি কৰা হৈছিল মই জানো। স্বেচ্ছাসেৱকসকলে সিহঁতক অকনো আঘাত নিদিয়াকৈ বহুৱাই দিছিল কিন্তু তথাপি যদি সিহঁতে চিঞৰ বাখৰ কৰিয়েই থাকিছিল, তেতিয়া সিহঁতৰ চিঞৰ বাখৰ আওকাণ কৰা হৈছিল। মই জানো আন কি সেইবিলাক দিনতো বহুত ক্ষেত্ৰত অহিংসাৰ নীতি ভঙ্গ কৰা হৈছিল আৰু যদি কোনোবাই সভাবিলাকত আহুকালৰ সৃষ্টি কৰিবলৈ বা প্ৰতিবাদ কৰিবলৈ একাষাৰো মাত মাতিছিল, তেতিয়া হিংস হৈ থকা সংখ্যাগুৰুসকলে সিহঁতক কেতিয়াবা মাৰধৰো কৰিছিল আৰু তাৰ পৰা সংখ্যাগুৰুসকলৰ কুখ্যাতি হৈছিল আৰু লগতে তেনে কৰি তেওঁলোকে আন্দোলনটোৰ প্ৰতি বিশ্বাসঘাতকতা কৰা হৈছিল। এইজন কংগ্ৰেছী আৰু আন যিসকলৰ তেওঁ প্ৰতিনিধিত্ব কৰে, সেই সকলোলৈকে মই এই পৰামৰ্শ আগবঢ়াব খুজিছোঁ যে, যদি জাষ্টিছ পাৰ্টি বা আন কোনো দলক কংগ্ৰেছলৈ ঘূৰাই আনিব লাগে তেতিয়া হলে তেওঁলোকে কঠোৰ ব্যৱহাৰ কৰিলেও তেওঁলোকৰ প্ৰতি কোমল ব্যৱহাৰ কৰিব লাগিব। প্ৰতি পক্ষীয় সকলোকে যদি হেচি ধৰিব লগা হয়, তেন্তে দুগুণ প্ৰতিশোধ বা ডায়াৰী নীতিকে প্ৰতিকাৰৰ পথ হিচাপে বাছি লব লাগিব। অৱশ্যে তাকে কৰিলেই আমি স্বৰাজৰ ওচৰ চাপিম নে নেচাপিম সেইটো এটা বেলেগ প্ৰশ্ন।

কিন্তু বিশ্বাস য'ত নাই তাত মোৰ সকলো পৰামৰ্শই অথলে যাব। গতিকে প্ৰত্যেক কংগ্ৰেছী লোকে সকলোবোৰ কথা জুখি মাখি চাই নিজৰ নিৰ্ব্বাচিত পথ বাছি লওক আৰু সেই হিচাপে কাম কৰক, তেহেলৈ তাৰ পৰা যি ফলাফলেই হওক লাগিলে। তেতিয়াহে তেওঁৰ কাম হব প্ৰকৃত কাম। ভুল হব

পাৰে কোনো কথা নাই। অতি নিয়াৰিকৈ শুদ্ধ কৰি কৰা কামবো যদি পাছফালে বিশ্বাস নাথাকে তেন্তে তেনে কামতকৈ অজ্ঞাতসাৰে কৰা হেজাৰ ভুলো ভাল। সেই কাম চূণ খহি বগা কৰি থোৱা এটা কবৰৰ দৰে। দেশৰ প্ৰতি যদি আমি সত্যপৰায়ণ হ'ব লাগে, আমাৰ নিৰ্ব্বাচিত লক্ষ্যলৈ দেশখন আগুৱাই নিব লাগে, তেন্তে আমি আগতে নিজৰ প্ৰতি সত্যপৰায়ণ হ'ব লাগিব। মুখেৰে অহিংসা অহিংসা কৰি থাকিলে একো লাভ নাই। অহিংসাতো এখন কাপোৰ নহয় যে ইচ্ছা কৰিলেই তাক পিন্ধিব পাৰি আৰু ইচ্ছা কৰিলেই সোলোকাই থব পাৰি। অন্তঃকৰণত তাৰ স্থান, আৰু ই আমাৰ সত্তাৰেই এটা অবিচ্ছেদ্য অংশ।

ইয়ং ইণ্ডিয়া ১২ ৮ ১৯২৬

[২৫]

অপ্ৰতিবোধ—প্ৰকৃত আৰু অবাস্তৱ

আমেৰিকাখন হৈছে ই গোষ্ঠী সি গোষ্ঠীৰ মাজত বিৰাট পৰিসৰত হোৱা দন খৰিয়ালৰ বাহ। সেই সাহিয়াল দেশখনত উদ্যোগী নৰ নাৰীও আছে যিসকলে সেই আহুকলীয়া সমস্যাটো অপ্ৰতিবোধৰ পন্থাৰে সমাধান কৰিবলৈ বিচাৰিছে। এনেকুৱা এজন মাৰ্কিন বন্ধুৱে 'ডি ইনকোৱাৰিৰি' (অনুসন্ধান) নামৰ এটা প্ৰবন্ধ পঠিয়াইছে। অপ্ৰতিবোধৰ বিষয়ে এটা মনোগ্ৰাহী আলোচনা এই প্ৰবন্ধত আছে। ইয়াৰ কিছুমান উদাহৰণ আছে যিবোৰ একগোট কৰি অপ্ৰতিবোধৰ শ্ৰেণীভুক্ত কৰিব পাৰি। মই তিনিটা উদাহৰণ বাছি লৈছোঁ।

"এজন চীনা ছাত্ৰই স্নাতক হোৱাৰ আগে আগে যি বাহিৰৰ বিশ্ববিদ্যালয়ৰ পৰা তেওঁ স্নাতক হব, সেই বিশ্ববিদ্যালয়ত তেওঁ লাভ কৰা অভিজ্ঞতাৰ বৰ্ণনা দিছে। সৰহ ভাগ ক্ষেত্ৰতে তেওঁ বোলে বন্ধুত্বপূৰ্ণ ব্যৱহাৰ পোৱা নাছিল, যদিও অৱশ্যে তাৰ ভিতৰতে দুই এজন আছিল, যি কেইজনে সাধাৰণতে নকৰা কাম কৰি তেওঁৰ লগত বন্ধুত্ব কৰিছিল আৰু তেওঁক আন কি সপ্তাহৰ অন্তত তেওঁৰ ঘৰলৈ নিমন্ত্ৰণো কৰিছিল। আনপিনে আকৌ তেওঁৰ ঠিক পাছৰ খোটালিতে থকা তেওঁৰে সহপাঠী এজনে তেওঁৰ দুৱাৰলৈ জোতা দলিয়াই আৰু তেনে ধৰণৰ ধূৰ্ত্তালি কৰি নিজকে ক্ৰোধ আৰু ঘৃণাৰ পাত্ৰ কৰি তুলিছিল। মাৰ্কিন লোকজনে

চীনা ছাত্ৰজনক ঘৰলৈ মাতি নি মাক-ভনীয়েকৰ লগত চিনাকি কৰি দিয়া কথাটোত তেওঁক দেখিব নোৱাৰা এই ছাত্ৰজনে অতিপাত ঘৃণা বিকৃচিনা প্ৰকাশ কৰা চীনা ছাত্ৰজনে শুনিছিল। চীনাজনে তেতিয়াই মনস্থ কৰিলে যে তেওঁ এই ছাত্ৰজনক তেওঁক শ্ৰদ্ধা কৰিবলৈ শিকাব—তেওঁৰ কাৰণে নহয়, তেওঁৰ মৰমৰ মাতৃভূমিৰ কাৰণে।

গতিকে তেওঁ নকৰা কাম কৰিলে। তেওঁৰ সেই ওচৰচুবুৰীয়াৰ লগত বন্ধু পাতিলে। প্ৰত্যেক দিনেই তেওঁ সিজনক 'সুপ্ৰভাত'ৰ অভিনন্দন জনাবলৈ ললে। প্ৰথমে অৱশ্যে তেওঁ সঁহাৰি নাপাইছিল। সকলো অপমান আওকাণ কৰি তেওঁ সেই ওচৰচুবুৰীয়াজনৰ প্ৰতি মৰমিয়াল ব্যৱহাৰ কৰিবলৈ ধৰিলে আৰু তেওঁক সহায় কৰিবলৈ ধৰিলে। তেওঁৰ সেই ওচৰচুবুৰীয়াজনৰ যেতিয়া টকা পইচাৰ টান পৰা বুলি তেওঁ জানিছিল, তেতিয়া তেওঁ সিজনক তেওঁৰ লগত চিনেমালৈ যাবলৈ নিমন্ত্ৰণ কৰিছিল। লাহে লাহে তেওঁলোকে বেছি ঘনাই ইজনে সিজনৰ লগত কথা পাতিবলৈ ধৰিলে আৰু দেখিলে যে দুয়োৰে ভিতৰত বহুতো উমৈহতীয়া স্বাৰ্থৰ কথা আছে। কিছুদিনৰ পিছত সেই ছাত্ৰজনে তেওঁক ঘৰলৈ মাতি নিলে।

'আমি ঘনিষ্ঠ বন্ধু হৈ গলোঁ।' চীনাজনে শেহত কৈছে। 'ইয়াৰ পিছত মই বছৰত আৰু সপ্তাহান্তে বহুত দিন তেওঁলোকৰ ঘৰলৈ গৈছোঁ, বিশ্ববিদ্যালয় এৰি যোৱাৰ পিছত মই জানিম যে মোৰ অন্ততঃ এজন লগৰীয়াই মোৰ লগ এৰিব লগীয়া হোৱাত দুখ পাব।'

"বেল'ৰে সমাৰ খ্ৰীষ্টিয়ান যুবক সংঘৰ সম্পাদকজনে এদিন গধূলি বাৰজন ডেনমাৰ্কবাসীক ঘৰলৈ লৈ আহিছিল। তেওঁলোকে বেলৰ আলিত কাম কৰিছিল। শুবলৈ তেওঁলোকৰ ঠাই নাছিল। অন্য গোষ্ঠীৰ প্ৰতি বিদ্বেষ ভাবাপন্ন ইংৰাজীভাষী কেইজনে আপত্তি কৰিবলৈ আৰম্ভ কৰিলে আৰু বিদেশীক ঘৰলৈ অনাত বিক্ষোভ প্ৰকাশ কৰিলে। সি যি কি নহওক নতুনকৈ অহাসকলৰ ভিতৰত এজন আছিল সংগীতত পটু। মাৰ্কিন লোক কেইজনে সম্পাদকৰ ওচৰত ওজৰ আপত্তি কৰি থাকোঁতে সিপিনে তেওঁলোক একৰ্ডিয়ান বজোৱাত লাগি গ'ল। তেওঁ সুৰলা সুৰ বজাবলৈ ধৰিলে আৰু সোনকালেই তাৰ সুফল দেখা গ'ল। খাচ দেশীয় কেইজনৰ খং সোনকালেই মাৰ যাবলৈ ধৰিলে; মুখৰ গালি মুখতে শুকাল, তেওঁলোকৰ অন্তৰ কুমলি গ'ল। সেই ৰাতি বিদেশীলোকজনে পৰিবেশন কৰা সংগীত তেওঁলোকে বহুত পৰলৈকে শুনি থাকিল। (পিটাৰ ৰবাৰ্টচ্, 'দি নিউ ইমিগ্ৰেশ্বন', দি মেক্‌মিলান কোং, ১৯২২, পৃঃ ৩০০)

"কেলিফৰ্ণিয়াৰ... ত এটা জাপানী উপনিবেশ আছে। বহুত বছৰৰ আগেয়ে জমিদাৰৰ কিছুমান প্ৰকৃত প্ৰতিনিধিয়ে কিছু মাটি আন জাপানী লোকক বেচিব খুজিছিল। তাতে জাপানীলোক আহি ভৰি পৰিব বুলি ভাবি বগা চামৰাসকল জিকাৰ খাই উঠিল। সভা সমিতি হ'ল, প্ৰধান ৰাজআলিত ডাঙৰ আখৰেৰে লিখি দিয়া হ'ল, 'কোনো জাপানী ইয়ালৈ অহাটো আমি নিবিচাৰোঁ।'

" ৰ এজন পুৰণি জাপানী অধিবাসী আছিল তেওঁলোকৰ খেতিয়ক সম্মিলনৰ সভ্য। বগা চামৰাসকলৰ লগত তেওঁৰ ভাল আছিল। তেওঁ বগা চামৰাসকলৰ ওচৰ চাপিল আৰু তেওঁলোকৰ লগত কথা বতৰা হৈ এই কথাত সম্মত হ'ল যে তালৈ আৰু বেছি জাপানী লোক অহাটো ভাল কথা নহব। লেখাখিনি এনেদৰে সলনি কৰা হ'ল 'ইয়ালৈ আৰু বেছি জাপানী অহাটো আমি নিবিচাৰোঁ।'

"যিজনে এই কথাখিনি কৈছিল তেওঁ ভাবে যে এই কামে গোষ্টিটোক একতাৰ পথত আৰু বেছি অগ্ৰসৰ কৰি দিলে আৰু সেই ঠাইত জাপানী আৰু বগা চামৰাৰ মাজত সম্বন্ধ উন্নত কৰি তুলিলে। তলৰ ঘটনাটোৱেই তাৰ সাক্ষী।

" ৰ জাপানী সকলে যেতিয়া জানিলে যে মাৰ্কিনসকলৰ গীৰ্জাঘৰ টকা পইচাৰ নাটনিত পৰিছে, তেওঁলোকে তাৰ সাহায্যাৰ্থে জাপানী হিচাপে গীৰ্জাঘৰৰ যি কাম তাক কৰাৰ বাহিৰেও বছৰি এটা নিৰ্দ্দিষ্ট অংশৰ ধন দিব।"

এতিয়া প্ৰথমটো প্ৰকৃত অপ্ৰতিবোধত পৰে। দ্বিতীয়টো অপ্ৰতিবোধতকৈও প্ৰত্যুৎপন্নমতিত্বৰহে উদাহৰণ। কোৱামতে তৃতীয়টোক কিছুমানে কাপুৰুষালি বুলিয়েই ভাবে, কাপুৰুষালি নহলেও অন্ততঃ ই যে স্বাৰ্থপ্ৰণোদিত সেইটো একেবাৰেই সচা। তাত থকা জাপানীসকলে নিজৰ ভূসম্পত্তিখিনি ৰক্ষা কৰিবৰ কাৰণে আৰু জাপানীলোক তালৈ অহা বন্ধ কৰাত সম্মতি জনালে। কৰ্ম্মপন্থা হিচাপে হয়তো নিভু্লেই হৈছে। সেইটোৱেই হয়তো একমাত্ৰ বাঞ্চনীয় পন্থা। কিন্তু সেইটো অপ্ৰতিবোধ হলে নাছিল।

অপ্ৰতিবোধ হৈছে সমাজৰ মঙ্গলৰ কাৰণে ইচ্ছাকৃত ভাবে মানি লোৱা সংযম। সেইকাৰণে ই তীব্ৰ কৰ্ম্মপ্ৰৱণ, হৃদয় পবিত্ৰ কৰিব পৰা এটা অন্তৰৰ শক্তি। ই প্ৰায়েই অপ্ৰতিবোধকাৰীৰ ঐহিক উন্নতিৰ পৰিপন্থী হয়। ই আন কি তেওঁৰ ঐহিক জীৱনৰ ধ্বংসও সাধন কৰিব পাৰে। ইয়াৰ সিপাজাল

থাকে আন্তৰিক শক্তিত। দুৰ্বলতাত কেতিয়াও নাথাকে। ইয়াৰ প্ৰয়োগ কৰোঁতে সচেতনভাবে কৰিব লাগিব। গতিকে, ইয়াৰ বাবে শাৰীৰিক প্ৰতিৰোধ দিব পৰা ক্ষমতা থাকিবই লাগিব। গতিকে শেষোক্ত উদাহৰণত, তাৰ্গে নতুনকৈ আহিব খোজা জাপানীসকলৰ অধিকাৰ সমৰ্পণ কৰি দিয়াতকৈ তেওঁলোকে যদি তেওঁলোকৰ সকলো সা সম্পত্তি এৰি দিলেহেতেন তেতিয়াহে অপ্ৰতিৰোধ কৰা হ'লহেতেন। তাৰ কাৰণে তেওঁলোকে হয়তো মৃত্যু বা অবৰ্ণনীয় অত্যাচাৰ ভোগ কৰিবলগীয়া হ'লহেতেন, আৰু তাৰ বাবে আন কি মনে মনেও প্ৰতিশোধ লোৱাৰ ভাব পোষণ কৰিব নোৱাৰিলেহেতেন আৰু তেতিয়া হলেই তেওঁলোকক শাস্তি দিয়া মানুহবিলাকৰ অন্তৰ তেওঁলোকে গলাই দিব পাৰিলেহেতেন। তেওঁলোকে নিজৰ কোনো অসুবিধা নোহোৱাকৈ তেওঁলোকৰ সম্পত্তি ৰক্ষা কৰিব পৰা কথাটোৱে সত্যৰ জয় সূচায়। অপ্ৰতিৰোধৰ নীতিমতে মাৰ্কিন গীৰ্জা ঘৰলৈ বিপদৰ সময়ত দিয়া দানটো ভেটিহে, সি কেতিয়াও সদিচ্ছা বা মুক্ত দানৰ প্ৰতীক নহয়। অপ্ৰতিৰোধৰ তত্ত্ব আহৰণ কৰাটো আত্মবিলোপ আৰু আমাৰ ভিতৰত লুকাই থকা শক্তিসমূহৰ উপলব্ধি কৰাৰ এটা দীঘলীয়া প্ৰশিক্ষণৰ কথা। ই মানুহৰ জীৱনৰ দৃষ্টিভঙ্গী সলনি কৰি দিয়ে। ই পৃথকভাবে বস্তুৰ মূল্যাঙ্কন কৰে, আৰু আগেয়ে ভাবিচিন্তি যোৱা সকলোবোৰ কথা ওলটপালট কৰি পেলায়। ই যেতিয়া যথেষ্ট তীব্ৰ হৈ পৰে, তেতিয়া গোটেই বিশ্বব্ৰহ্মাণ্ডকে গ্ৰাস কৰিব পাৰে। ই আত্মাৰ উচ্চতম বিকাশ আৰু গতিকে শ্ৰেষ্ঠ শক্তি। ইয়াত সম্পূৰ্ণ অনুশীলনৰ বাবে সকলোৱে অন্তৰত এক জোখৰ সচেতন অপ্ৰতিৰোধ নাথাকিলেও হয়। এজন মানুহৰো যদি সেয়ে থাকে তথাপি হয়—ঠিক যেনেকৈ অধীনস্থ হিচাপে ভৰ্তি হোৱা লাখ লাখ সৈন্যৰ শক্তি নিয়ন্ত্ৰিত কৰা আৰু পৰিচালনা কৰাৰ কাৰণে এজন সেনাপতিয়েই যথেষ্ট। সেনাপতিয়ে কিয় বা কিহৰ কাৰণে তেনে ধৰণেৰে সিঁহতক চলায় নাজানিলেও সিঁহতে তাক মানি চলে। মাত্ৰ এজন ৰামৰ বান্দৰবিলাকেই দহমূৰীয়া ৰাৱণৰ অগণন সুসজ্জিত সেনাক ছেদেলি ভেদেলি কৰি দিব পাৰিছিল।

ইয়ং ইণ্ডিয়া ২৩-৯ ১৯২৬

[২৬]

অহিংসাৰ সপক্ষে

এজন বন্ধুৱে নিউইয়ৰ্ক নেশ্যন কাকতৰ এছোৱা কাটি দি পঠাইছে

"কিছুদিনৰ আগতে (১৯২৪ৰ শেষতেই নে ১৯২৫তে) চীনত থকা পঁচিশজনীয়া এটা মাৰ্কিন ধৰ্মপ্ৰচাৰকৰ দলে পিকিঙত থকা মাৰ্কিন মন্ত্ৰীলৈ এই বুলি গোহাৰি জনাইছিল"

"নিম্নস্বাক্ষৰকাৰী মাৰ্কিন ধৰ্মপ্ৰচাৰকসকল ভ্ৰাতৃত্ব আৰু শান্তিৰ বাৰ্ত্তাবাহী স্বৰূপে চীনত আছোঁহক। খ্ৰীষ্টৰ নতুন জীৱনলৈ পথ দেখুৱাই লৈ যোৱাটোৱেই আমাৰ কাম। তাৰ দ্বাৰা ভ্ৰাতৃত্বৰ উন্নতি সাধন কৰা হব আৰু যুদ্ধৰ সম্ভাৱনা নোহোৱা হব। আমি সেইদেখি আমাৰ আন্তৰিক ইচ্ছা প্ৰকাশ কৰিছোঁ। আমাক বা আমাৰ সা সম্পত্তি ৰক্ষা কৰাৰ কাৰণে কোনো ধৰণৰ সামৰিক শক্তি, বিশেষকৈ বিদেশী সামৰিক শক্তি যেন প্ৰয়োগ কৰা নহয়, আৰু আইনবিৰোধী লোকৰ হাতত আমি যদি বন্দী হওঁ বা আমাৰ মৃত্যু হয়, আমাক মুক্ত কৰি আনিবৰ কাৰণে যেন কোনো ধন খৰচ কৰা নহয়, কোনো শাস্তিমূলক অভিযান চলোৱা নহয়, কোনো ক্ষতিপূৰণ আদায় কৰা নহয়। যি কোনো পৰিস্থিতিতে, আনকি বিনা প্ৰতিশোধে অন্যায় নিৰ্য্যাতন ভোগ কৰি হলেও, ব্যক্তিগত সদিচ্ছাৰ মনোবৃত্তি সকলো মানুহৰ মাজত প্ৰতিফলন কৰাইহে ন্যায় আৰু শান্তি প্ৰতিষ্ঠাৰ পথ বুলি ভাবিয়েই আমি এনেদৰে খোপনি পুতিছোঁ।"

"কিন্তু মাৰ্কিন দূতাবাসৰ পৰা তাৰ উত্তৰ আহিল যে চীনত থকা মাৰ্কিন লোকসকলৰ নিৰাপত্তাৰ ব্যৱস্থা কৰাটো আৱশ্যকীয়। গতিকে তেওঁলোকৰ সেই অৱস্থাৰ লগত তেওঁলোকৰ দৰ্খাস্ত সঙ্গতিহীন। গতিকে জৰুৰী অৱস্থা হলে দৰ্খাস্তকাৰীসকলৰ ক্ষেত্ৰতো দিহা ব্যৱস্থাৰ ব্যতিক্ৰম নহব।"

কেতিয়াবা এনেকুৱা এটা পৰিস্থিতি হয় যে, দেখাত দুটা বিপৰীত ব্যৱস্থা একে সময়তে ন্যায়সঙ্গত হৈ পৰে। ওপৰৰ ঘটনাটো তাৰে এটা উদাহৰণ। সাহিত্যাল ধৰ্মপ্ৰচাৰকসকলৰ কাৰণে আন মনোভাব হোৱাটো সম্ভৱ নাছিল, যদিও আজিকালি অৱশ্যে বহুত কমেইহে তেনে ব্যৱস্থা গ্ৰহণ কৰিব। প্ৰায় ত্ৰিশ বছৰৰ আগতে যে স্বৰ্গীয় লৰ্ড চলচ্ বাৰিৰ ওচৰত এটা সঁজাতিদলে অনিচ্ছুক চীনাসকলৰ মাজত তেওঁলোকৰ বাণী প্ৰচাৰৰ কাৰণে ব্ৰিটিছৰ বন্দুক-

থকা নাৱৰ সহায় বিচাৰিছিল সেয়া জানো চীনৰে কথা নহয়? তেতিয়া মহামতি স্বৰ্গীয় মাৰ্কেচে ধৰ্মপ্ৰচাৰকসকলক কৈ দিবলগীয়া হৈছিল যে তেওঁলোকে যদি ব্ৰিটিছ সামৰিক বাহিনীৰ সহায় লব খোজে তেন্তে তেওঁলোকে আন্তৰ্জাতিক আইন কানুন মানিব লাগিব আৰু তেওঁলোকৰ ধৰ্মপ্ৰচাৰৰ উৎসাহ কিছু সংযত কৰিব লাগিব। তেওঁ তেওঁলোকক মনত পেলাই দিছিল যে আগৰ দিনৰ ধৰ্মপ্ৰচাৰকসকলে আন কি পৃথিবীৰ সুদূৰতম অঞ্চলত ঘূৰি ফুৰোঁতেও ভগৱানৰ বাহিৰে আন কাকো ৰক্ষা কৰিবলৈ খাটনি ধৰা নাছিল আৰু তেওঁলোকৰ জীৱন সদায় বিপদৰ মাজেদিয়েই অতিবাহিত কৰিছিল। নিউইয়ৰ্ক নেশ্যনে দাঙি ধৰা ঘটনাৰ ক্ষেত্ৰতো প্ৰতিবেদনত কোৱা মতে ধৰ্ম প্ৰচাৰকসকলে সেই প্ৰাচীন নিয়মকে মানি চলিছিল।

কিন্তু মাৰ্কিন চৰকাৰে যিটো উত্তৰ দিয়া বুলি কোৱা হৈছে সেইটোকেহে দিব পাৰিব, যেতিয়ালৈকে তেওঁলোকৰ বৰ্ত্তমানৰ ৰীতি নীতি চলি থাকে। সেই উত্তৰে বৰ্ত্তমান ৰীতি নীতি যে কিমান অসৎ তাকে দেখুৱায়। বাকু সেইটো বেলেগ কথা। আমেৰিকাৰ আত্মসন্মানে জোৰৰ ওপৰত নিৰ্ভৰ কৰি চলে। নৈতিক বলৰ ওপৰত নকৰে। কিন্তু নিজৰ তথাকথিত সন্মান বা নাম অটুট ৰাখিবৰ কাৰণে আমেৰিকাই কিয় সমগ্ৰ সৈন্যবাহিনী প্ৰয়োগ কৰিব লাগে? যদি পঁচিশজন ধৰ্মপ্ৰচাৰকে অনিমন্ত্ৰিতভাবে তেওঁলোকৰ বাণী প্ৰচাৰ কৰিবলৈ যায় আৰু তাতে মৃত্যুৰ মুখত পৰে তেন্তে তাৰ পৰা আমেৰিকাৰ সন্মানত কি আঘাত পৰিব? সেইটোৱেই বোধহয় ধৰ্মপ্ৰচাৰকৰ দলটোৰ কাৰণে উত্তম পন্থা আছিল। বাধাপ্ৰদান কৰি মাৰ্কিন চৰকাৰে কষ্টভোগৰ নীতিৰ পূৰ্ণ প্ৰয়োগৰ পথত মাত্ৰ অন্তৰায়ৰ সৃষ্টিহে কৰিলে। কিন্তু আমেৰিকাৰ আত্মসংযমে দৃষ্টিভঙ্গীৰ এটা সম্পূৰ্ণ পৰিবৰ্ত্তন ঘটালেহেঁতেন। আজিকালি নাগৰিকৰ প্ৰতিৰক্ষাৰ অৰ্থ হৈছে জাতীয় বাণিজ্য অৰ্থাৎ শোষণৰ প্ৰতিৰক্ষা। সেই শোষণ কৰিবৰ হলে এটা অনিচ্ছুক জাতিৰ ওপৰত বাণিজ্য জাপি দিবৰ কাৰণে বল প্ৰয়োগ কৰা হব বুলি ধৰি লবই লাগিব। গতিকে এটা অৰ্থত জাতিবিলাক একোটা ডকাইতৰ দল হৈ পৰিছে অথচ তেওঁলোক হোৱা উচিত আছিল সমূহীয়া মঙ্গলৰ কাৰণে শান্তিৰে একত্ৰিত হোৱা নৰ নাৰীৰ সমষ্টি। পিছৰটোৰ ক্ষেত্ৰত তেওঁলোকৰ শক্তি থাকিব তেওঁলোকৰ খাৰবাৰুদৰ ব্যৱহাৰৰ কৌশলত নহয়, তেওঁলোকৰ উচ্চতৰ নৈতিক চৰিত্ৰত। পঁচিশজন ধৰ্মপ্ৰচাৰকৰ আচৰণ এই পুনৰ্গঠিত সমাজ বা আন কি পুনৰ্গঠিত জাতিসমূহৰ এটা জান-নেজান ছাঁ।

তেওঁলোকে জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে তেওঁলোকৰ নৈতিক কাৰ্য্যত পৰিণত কৰি চলিছিল নে নাই নাজানো। মাৰ্কিন চৰকাৰে তেওঁলোকৰ নিজৰে বিপক্ষে তেওঁলোকক প্ৰতিৰক্ষা দান কৰিম বুলি ভয় খুওৱাতো তেওঁলোকে যে প্ৰতিশোধৰ যি কোনো চেষ্টাকে নোহোৱা কৰি দিব পাৰিলে বা প্ৰতিহত কৰিব পাৰিলে, তাক মই দেখুৱাই নিদিলেও হব। কিন্তু তাৰ অৰ্থ সম্পূৰ্ণ আত্মবিলুপ্তি। আৰু যদি কোনোবাই বলপ্ৰয়োগকে পূজাৰ দেৱতা বুলি মনাৰ বিপক্ষে সংগ্ৰাম কৰিব খোজে তেন্তে পাশবিক বলপ্ৰয়োগৰ বিশুদ্ধ ভক্তসকলৰ মাজত যি উপায়ৰ প্ৰচলন হয়, তাতকৈ বেলেগ উপায় অবলম্বন কৰিব লাগিব।

পাহৰিলে নচলিব বৰ্ত্তমানৰ পাশবিক বলপ্ৰয়োগৰ পূজাৰীসকলৰ পাছফালে এটা দাৰ্শনিক মতবাদ আছে আৰু বুৰঞ্জীতো তাৰ উদাহৰণ আছে। ক্ষুদ্ৰাতিক্ষুদ্ৰ অসামৰিক মানৱগোষ্ঠীয়ে তাৰ পৰা ভয় কৰিবলগীয়া একো নাই— যদিহে তেওঁলোকৰ অন্তৰত অটল বিশ্বাস থাকে। কিন্তু পাশবিক শক্তি নোহোৱাকৈ সমাজক একগোট কৰি ৰাখিব পৰা বিশ্বাসটো বৰ্ত্তমান নাইকিয়া যেন লাগিছে। যদি এজন মানুহে গোটেই পৃথিবীৰ বিপক্ষে থিয় দিব পাৰে, তেন্তে দুজন বা ততোধিক মানুহে লগ লাগি থাকিব নোৱাৰিব কিয়? ইয়াৰ যিটো উত্তৰ দিয়া হয় মই জানো। মনে মনে আমাৰ গাত যি বিদ্ৰোহে ধীৰ গতিৰে আহি উঠিছে তাৰ সম্ভাবনাসমূহ সময়েহে মাত্ৰ দেখুৱাই দিব। কাম আৰম্ভ হোৱাৰ পিছত জল্পনা কল্পনা কৰা মানে সময় নষ্ট কৰা। যিবিলাকৰ বিশ্বাস আছে তেওঁলোকে প্ৰত্যক্ষ ফলাফল দেখুৱাব নোৱাৰা হলেও প্ৰাথমিক চেষ্টাতে যোগ দিব।

ইয়ং ইণ্ডিয়া ২১ ১ ১৯২৬

[২৭]

যুদ্ধৰ মানবীয় প্ৰস্তাব!

'ব্ৰভাৰহুড' (ভ্ৰাতৃত্ব) নামৰ আলোচনীখনৰ মাৰ্চৰ সংখ্যাত 'যুদ্ধ' শিৰোনামা দি লিখা এটা প্ৰবন্ধৰ পৰা তলৰ মনোগ্ৰাহী ছেদ কেইটা তুলি দিলোঁ। *

"যোদ্ধা বাৰ ভিৰোতা আৰু লৰাছোৱালীবিলাকে লযোনে থাকিবলগীয়া হৈছিল আৰু এই কুবুদ্ধি খটুৱাই অৱস্থাৰ সৃষ্টি কৰা হৈছিল কিন্তু এটা

'অৰ্থনৈতিক হেচা'ৰ কাৰণেহে সেইটো হোৱা বুলি বাহিৰত দেখুওৱা হৈছিল। কিন্তু পিছৰ বাৰ সিইতক গেচ প্ৰয়োগ কৰি মৰা হ'ব। এৰোপ্লেনবিলাকে এনকুৱা বিহ পেলাই থৈ যাব যাৰ পৰা গোটেই অসামৰিক জনতা নিশ্চিহ্ন হৈ যাব। এডিচনে কৈছে যে লণ্ডনত যি কেইনিযুত মানুহ আছে তাক তিনি ঘণ্টাত নিষ্পত্তি কৰি দিয়াটো একো টান কথা নহব। প্ৰত্যেক সভ্য দেশতে ৰসায়ন বিজ্ঞানীসকলে এটা বিশেষ মাৰাত্মক বিহৰ সন্ধানত কাম কৰি আছে। 'টুথ' (সত্য) আলোচনীৰ মতে ইংলণ্ডত আমাৰ চৰকাৰ ব্যস্ত আছে বিহ গেচৰ উৎকৰ্ষ সাধনত আৰু সেই কাৰ্য্যত দিনে দুটাকৈ প্ৰাণী হত্যা কৰিছে। এবছৰত ৬৮৯টা মেকুৰী, গিনিপিগ, নিগনি, ছাগলি, বান্দৰ, শহাপহু আৰু এন্দুৰ অনা হৈছিল আৰু বিহ গেচৰ উৎকৰ্ষ সাধনত তাৰে ৬১৮টা মৰা হৈছিল। ইয়াৰ পিছৰ যুদ্ধখন কিমান ভয়াবহ হব তলত দিয়া কথাখিনিৰ পৰা তাৰ এটা ধাৰণা পোৱা যাব। সন্ধিৰ পিছৰ পৰা এতিয়ালৈকে বন্দুকে ঢুকি পোৱা দূৰত্ব দুগুণ কৰা হ'ল। এতিয়া এনেকুৱা মেছিনগান ওলাইছে যিবিলাকে মিনিটত ১৫০০ গুলি মাৰিব পাৰে। এটা স্বয়ংক্ৰিয় বৰটোপে এতিয়া মিনিটত ১২০ টাকৈ চোৱা এক পাউণ্ড গুলি মাৰিব পাৰিব। আৰু এবিধ বোল ইঞ্চীয়া বন্দুক আছে যি এক টনতকৈ বেছি গধুৰ ক্ষেপণাস্ত্ৰ সাতাইশ মাইল দূৰলৈ মাৰি পঠাব পাৰে। আমেৰিকাৰ ৰাসায়নিক যুদ্ধবিষয়ক সেৱাই (কেমিকেল ৱৰফেয়াৰ চাৰ্ভিচ) এনেকুৱা এবিধ জুলীয়া পদাৰ্থ উলিয়াইছে যাৰ তিনিটোপ মাত্ৰ কোনো মানুহৰ যিকোনো অঙ্গৰ ছালত লগাই দিলে তৎক্ষণাৎ মানুহটো মৰি যাব। এই জুলীয়া পদাৰ্থৰ দুই টন কঢ়িয়াই নিয়া এখন উৰাজাহাজে বহুমাইল জোৰা ঠাইৰ জনপ্ৰাণী শেষ কৰি দিব পাৰে। ব্ৰিটিছ সেনাবাহিনীৰ সেনাপতি ছুইন্টনে কৈছে 'ভবিষ্যতৰ যুদ্ধৰ ভাণ্ডৰ অস্ত্ৰ হ'ব মাৰাত্মক জীৱাণু। যুদ্ধৰ পিছৰ পৰা আমি এনেকুৱা কিছুমান জীৱাণু আৱিষ্কাৰ আৰু বৃদ্ধি কৰিছোঁ যিবিলাক নগৰ আৰু সেনাবাহিনীৰ ওপৰত পেলাই দিলে এদিনতে এটা জাতি হত্যা কৰিব পাৰিব।'

"কোনোবাই যদি কেতিয়াবা অযথা আশাবাদী হৈ আছে, তেওঁ মনত পেলাওক যে আমি ১৯২৪ চনত শিক্ষাত খৰচ কৰিছিলোঁ চল্লিশ নিযুত, অস্ত্ৰ সজ্জাত খৰচ কৰিছিলোঁ একৈশ নিযুত, পানীয়ত খৰচ কৰিছিলোঁ যোল্ল নিযুত। বিজ্ঞানেৰে মানুহ মৰা কামটো বৰ ব্যয়সাধ্য আৰু মোক কৈছে ফ্ৰান্সৰ লগত হোৱা এখন সৰু অমীমাংসাকাৰী যুদ্ধতে যিখিনি নাইট্ৰোজেনৰ খৰচ হৈছে সেই খিনিৰে ভাৰতবৰ্ষক এবাৰৰ

দুৰ্ভিক্ষৰ পৰা ৰক্ষা কৰিবৰ কাৰণে যথেষ্ট। পৃথিবীৰ ডাঙৰ ডাঙৰ শক্তি সমূহে এতিয়াও অস্ত্ৰসজ্জাত তেওঁলোকৰ ধনভৰ্ড়ালৰ কিমান যে ধন ঢালিছে শুনিলে বিশ্বাসেই নহয় অথচ বুৰঞ্জীয়ে স্পষ্ট প্ৰমাণ কৰি দিছে অস্ত্ৰসজ্জা বঢ়োৱা মানে যুদ্ধৰ সম্ভাৱনা বঢোৱা। কেইমিনিট মানৰ ভিতৰতে শান্তিপ্ৰিয় আমেৰিকাই বিমান সম্প্ৰসাৰণৰ কাৰণে পঁচাশী নিযুত ডলাৰ খৰচ কৰিবলৈ সিদ্ধান্ত ললে আৰু অস্ত্ৰসজ্জাৰ প্ৰতিযোগিতাত এই অগ্ৰগতিৰ লেখ কোনেও নললে। পৰিস্থিতিৰ পৰিহাস হৈছে যি গ্ৰেটব্ৰিটেনে অস্ত্ৰসজ্জাত ১৯১৩ চনত যিমান খৰচ কৰিছিল আজি তাৰ প্ৰায় দুগুণ খৰচ কৰিছে, কিন্তু আনপিনে বিজয়ী শক্তিসমূহে এনেকুৱা খৰচৰ পৰা জাৰ্মানিক মুক্তি দিছে যাতে শিল্প আৰু বাণিজ্যৰ ক্ষেত্ৰত সেই দেশৰ লগত প্ৰতিযোগিতা চলাওঁতে সেই শক্তিসমূহে নিজেই সৃষ্টি কৰা কিছুমান আহকালৰ সমুখীন হ'বলগীয়া হয়।"

ইহাৰ লগতে 'ভি লানচেট' আলোচনীৰ পৰা (জুন ১৮, ১৯২৭) মই এইখিনি যোগ দিছোঁ৷

"ব্ৰিটিছ সৈন্যবাহিনী আহি যোৱাৰ লগে লগে বহুত মানুহে ইনফ্লুয়েঞ্জা আৰু নিউমোনিয়াত ভুগিছে কিন্তু যৌন ৰোগৰ প্ৰকোপ আটাইতকৈ বেছি হৈছে আৰু যিমান পাৰি সিমান প্ৰতিৰোধ ব্যৱস্থা লোৱাতো ৰোগীৰ সংখ্যা ক্ৰমে বাঢ়িয়েই আছে । উত্তৰ আৰু দক্ষিণৰ পৰা কিছু সংখ্যক বেশ্যা আহি ছাংহাইত গোট খাইছেহি। সিহঁতৰ বেছি ভাগেই হৈছে চীনা (শতকৰা ৬ ভাগ), কছদেশীয় (শতকৰা ৩০), আৰু জাপানী (শতকৰা ৫)। বেছি ভাগ বেশ্যালয় কৰাটীবিলাক থকা ঠাইত আৰু চীনা জিলাবিলাকৰ নগৰৰ আলিবাটৰ কাষত। যৌন ৰোগৰ ইমান প্ৰাদুৰ্ভাৱ হৈছে যে সৈন্যবাহিনীৰ কাৰণে ই এটা চিন্তাৰ বিষয় হৈ পৰিছে। তাক কমাবৰ কাৰণে চেষ্টাৰ অকণো ত্ৰুটি কৰা হোৱা নাই।"

তথাপি জনাশুনা মানুহে বক্তৃতা কৰে 'যুদ্ধৰ মানবীয় প্ৰভাৱ'ৰ ওপৰত, আৰু সহজে বিশ্বাস কৰা বহুলোক আছে যি আকৌ তাতে যোগ দিয়ে!

ইয়ং ইণ্ডিয়া, ১১ ৮ ১৯২৭

[২৮]

যুদ্ধৰ বিপক্ষে যুদ্ধ

এজন সংবাদদাতাই লিখিছে

"মই এইখিনি লিখাৰ কাৰণ হৈছে এয়ে যে সত্য আৰু অহিংসাৰ ভক্ত হিচাপে নিজ জীৱনৰ অভিজ্ঞতাৰ ভেটিত লিখা যুদ্ধ বিষয়ক আপোনাৰ মনোভাৱে বহুতৰে মন জোকাৰি পেলাইছে, আৰু ইয়াৰ বিষয়ে বেছি উপযুক্ত লোকে এই বিষয়ে আপোনালৈ লিখিব। কিন্তু বিষয়টোৰ মোৰ মনত খুন্দিওৱা কেইটামান দিশ মই দাঙি ধৰিম। বেয়া বস্তুক বাধা দিব নোৱাৰিলেও সেই বেয়া বস্তুৰ লগত নিজকে লেটি পেটি কৰাটো সত্য আৰু অহিংসাৰ নিয়ম শৃঙ্খলাৰ যে পৰিপন্থী সেইটো জানো এটা মূলনীতি নহয়? বহুতে কয় যুদ্ধ যিমানেই বেয়া নহওক তাৰ আৱশ্যক আছে। কিন্তু তাৰ পিছত আৰু যুদ্ধ সৃষ্টি কৰাটো দুষ্কাৰ্য্য বুলি যে পৃথিবীয়ে উপলব্ধি কৰিব সেইবুলি যুদ্ধ সমৰ্থন কৰাৰ কোনো যুক্তি নাই। হবই নোৱাৰে। সেয়ে হওক চাৰি মানুহৰ উদাসীনতা আৰু গভীৰভাৱে বাঢ়েহে আৰু জীৱনৰ পবিত্ৰতাৰ বিষয়ে যি অনুভূতি সি ধ্বংস হৈ যায়। অৰাজকতাবাদীবিলাকে আপোনাৰ দৰেই যুক্তি দেখুৱাই কব 'আমি ইউৰোপীয় আক্ৰমণ আৰু সন্ত্ৰাসবাদ বন্ধ কৰিব নোৱাৰোঁ। জনতাৰ শক্তিৰে আমি সন্ত্ৰাসবাদক বাধা দিব নোৱাৰোঁ। কিন্তু আমি যদি তেওঁলোকৰ বিপক্ষে সন্ত্ৰাসবাদৰ ক্ৰিয়া পদ্ধতিসমূহ প্ৰয়োগ কৰি তাৰ দুষ্কাৰ্য্যখিনি উদঙাই দেখুৱাব পাৰোঁ তেতিয়াই তেওঁলোকে তেওঁলোকৰ মনোভাৱৰ ভুল বুজি পাব আৰু আমি নিজে সন্ত্ৰাসবাদৰ পৰা মুক্ত হোৱাৰ লগে লগে পৃথিবীকো তাৰপৰা ৰক্ষা কৰিব পাৰিম। আমাৰ শাসকসকলে যেতিয়ালৈকে হিংসাৰ আশ্ৰয় লৈ থাকিব আৰু যেতিয়ালৈকে আমি সন্ত্ৰাসবাদক ঘিণ কৰি থাকিম, তেতিয়ালৈকে এই অস্ত্ৰবিলাক ব্যৱহাৰ কৰাৰ পৰা কি অপকাৰ হ'ব পাৰে যদিহে আমি সেইবিলাকক ভূতৰ দৰে আমাক লম্ভিবলৈ নিদিওঁ?' মহাযুদ্ধই সচাকৈয়ে জাতিসমূহৰ, বিশেষকৈ জয়ী হোৱা সকলৰ কিবা উপকাৰ সাধন কৰিলে জানো? জয়ৰ ফল— ধন সম্পত্তিৰ ফালৰ পৰা, নীতিৰ ফালৰ পৰা আৰু সমাজৰ ফালৰ পৰা তেওঁলোকৰ বহুত ক্ষতি সাধিত হ'ল। তেওঁলোকৰ সকলো নৈতিক মানদণ্ড ওলট পালট হৈ গ'ল আৰু কেৱল আন্দোলন চলাই থকাৰ এটা চেষ্টা আৰু আন্তৰ্জাতিক চালচলনত সত্য আৰু সাধুতাৰ প্ৰতি অশ্ৰদ্ধা দিনক দিনে বেছি প্ৰকট হৈ উঠিছে। যুদ্ধ যিমানেই ন্যায় প্ৰণোদিত নহওক তাৰপৰা কিবা উপকাৰ সাধিত হব পাৰে নে? তাক বাধা

দিয়াটো জানো আমাৰ কৰ্তব্য নহয় আৰু তাত সক্ৰিয়ভাৱেই হওক বা নিষ্ক্ৰিয়ভাৱেই হওক যি কোনো ভাৱেই মনে মনে থকাতকৈ উদ্দেশ্যৰ সফলতাৰ কাৰণে কষ্ট ভোগ কৰাই উচিত নহয় জানো? যুদ্ধত সক্ৰিয় ভাবে লিপ্ত থকা সকলতকৈ শান্তিবাদীসকলে উদ্দেশ্য সাধনত বেছি বৰঙণি যোগোৱা বুলি আপুনি বিশ্বাস নকৰেনে? ১৯১৪ চনত হয়তো আপুনি ভাবিছিল যে ব্ৰিটিছৰ মনোভাব ন্যায়পূৰ্ণই আছিল আৰু আপুনি এতিয়া কোৱা কথাবোৰে সেই সময়ৰ আপোনাৰ মনোভাৱহে প্ৰকাশ কৰিছে যেন লাগে। এতিয়া জানো আপুনি অনুভৱ কৰে যে আপোনাৰ সেই মনোভাৱ নিৰ্ভুল আছিল? কালিলৈ যদি আকৌ এখন যুদ্ধ ঘোষণা কৰা হয়, তেনে যুদ্ধত যোগ দি যুদ্ধৰ পিছৰ অৱস্থা উন্নত কৰিব পাৰিম বুলি আশা কৰি আপুনি যুদ্ধত যোগ দিব নেকি? কথাখিনি মই ভালভাৱে ভাঙি পাতি ক'ব পৰা নাই মই জানো কিন্তু আপুনি নিশ্চয় বুজিব পাৰিছে মই কি কবলৈ চেষ্টা কৰিছো। ইয়াৰ এটা উত্তৰ পালে সুখী হ'ম।"

সংবাদদাতাৰ লগত মই একমত যে তেওঁ কথাখিনি অতি উত্তমভাবে ভাঙি পাতি কব পৰা নাই। কিন্তু কেৱল সাপ্তাহিক আলোচনীত লিখা বুলিয়েই গভীৰভাৱে লিখা কথাও যি সাৱধানে নপঢে তেওঁ তেনেকুৱা কিছুমান পঢ়ুৱৈৰে এজন। উল্লিখিত অধ্যায়টো সংবাদদাতাৰ নিচিনা পঢ়ুৱৈয়ে যদি আকৌ এবাৰ পঢ়ি চায় তাৰ পৰা তেওঁলোকে বিচাৰি উলিয়াব পাৰিব যে —

১। মই যুদ্ধত বিশ্বাস কৰা বাবে যুদ্ধৰ হকে কাম কৰা নাছিলো। কৰিছিলোঁ, কাৰণ আওপকীয়াকৈ হলেও যুদ্ধত যোগ নিদি মোৰ উপায় নাছিল।

২। যোগ দিয়াত বাধা দিবলৈ মোৰ ক্ষমতা নাছিল।

৩। যুদ্ধত যোগ দি যুদ্ধৰ পৰা হাত সাৰিব পাৰি বুলি মই বিশ্বাস নকৰোঁ যেনেকৈ মই বিশ্বাস নকৰোঁ যে দুষ্কাৰ্য্যত লিপ্ত হৈ দুষ্কাৰ্য্যৰ হাত সাৰিব পাৰি। আমি যাক গৰ্হিত বা অবাঞ্ছিত কাৰ্য্য বুলি ভাবোঁ তেনেকুৱা বহুত কাৰ্য্যত আমি কেতিয়াবা সচাসচিকৈ অসহায় অৱস্থাত পৰি লিপ্ত হ'বলগীয়া হয়। কিন্তু অৱস্থাৰ সৈতে এইটো কথা যে একে নহয় সেই বিষয়ে আমি স্পষ্ট হোৱা উচিত।

৪। অৰাজকতাবাদীবিলাকৰ যুক্তি ইয়াত অপ্ৰাসঙ্গিক কাৰণ তেওঁলোকে সন্ত্ৰাসবাদত যোগ দিওঁতে তেওঁলোকে নিজেই দিছে নিজ ইচ্ছাৰে আৰু আগতে জানি শুনিয়েই যোগ দিছে।

৫। যুদ্ধই নিশ্চয় তথাকথিত বিজয়ী শক্তিসমূহৰ একো উপকাৰ সাধিব পৰা নাছিল।

৬। ফাটেকখটা শান্তিবাদী প্ৰতিবোধীসকলে যে শান্তিৰ উদ্দেশ্য সাধনত বৰঙণি যোগাইছিল সেইটো নিশ্চিত।

৭। কালিলৈ যদি এখন যুদ্ধ ঘোষণা কৰা হয়, বৰ্ত্তমান চৰকাৰৰ বিষয়ে মোৰ এতিয়াৰ যি অভিমত তাক লৈ মই সেই যুদ্ধত কোনো ৰকমেই সাহাৰ্য্য আগবঢ়াব নোৱাৰোঁ, আনপিনে, আনেও যাতে যুদ্ধত সহায় নকৰে তাৰ বাবে মোৰ সকলো শক্তিকে প্ৰয়োগ কৰা উচিত আৰু তাৰ পৰাজয় ঘটাবৰ কাৰণে অহিংসাৰ পক্ষে সম্ভৱ আৰু সামঞ্জস্যপূৰ্ণ সকলো কৰা উচিত।

ইয়ং ইণ্ডিয়া ৮ ৩-১৯২৮

[২৯]

এতিয়াও একেটাতে

মোৰ নিজ জীৱনৰ বিষয়ে লিখা যিটো অধ্যায়ত মই যোৱা যুদ্ধত যোগ দিয়াৰ বিষয়* আলোচনা কৰিছোঁ তাৰ কথাবিলাকে মোৰ বন্ধু আৰু সমালোচক সকলক দোধোৰমোৰত পেলাইছে। এয়া আৰু এখন চিঠি :—

"আপোনাৰ আত্মজীৱনচৰিতৰ ৪ৰ্থ খণ্ডৰ ৩৮শ অধ্যায়ত ১৯১৪ ১৮ৰ যুদ্ধত যোগ দিয়াৰ কথা আপুনি প্ৰথম বাৰৰ কাৰণে অৱতাৰণা কৰিছে।

কিছুমান কথাত মোৰ আমনি লাগিছিল, পাছৰ অধ্যায়ত, আৰু কিজানি লিখালিখিৰ যোগেদি বিষয়টো বেছি সম্পূৰ্ণভাৱে বিকাশপ্ৰাপ্ত হ'ব তাকে ভাবি আশা আৰু উৎকণ্ঠাৰে বাট চাই আছিলোঁ।

সেইটো কিছুদূৰ হৈছেই। কিন্তু এতিয়াও দুটা কথা মোৰ আশানুৰূপ ভাৱে ভালকৈ বুজাই লিখা হোৱা নাই।

আপোনাৰ ভুল হৈছে বুলি ভাবি মই আপোনালৈ লিখা নাই, লিখিছোঁ এই বিশ্বাসেৰে যে মই আপোনাৰ লিখাৰ সম্পূৰ্ণ অৰ্থ ধৰিব পৰা নাই, মোৰ অৱস্থাত পৰা আৰু বহুত মানুহ নিশ্চয় আছে কাৰণেই আপোনাৰ পৰা মই কোৱা ব্যাখ্যাখিনি খুজিবলৈ সাহ পাইছোঁ।

* এই কিতাপৰ ১০ নং প্ৰবন্ধ।

প্ৰথম কথা: কিহে বাৰু সচাকৈয়ে আপোনাক যুদ্ধত অংশ গ্ৰহণ কৰিবলৈ উদগালে? আপুনি কৈছে 'তিনিটা পথৰ যেই সেই এটা মোৰ কাৰণে মুকলি আছিল। যুদ্ধৰ বিপক্ষে মই দেখাদেখিকৈয়ে প্ৰতিৰোধ আন্দোলন ঘোষণা কৰিব পাৰিলোঁহেতেন আৰু সত্যাগ্ৰহৰ নীতি অনুসৰি সাম্ৰাজ্যৰ কামত অসহযোগ কৰিব পাৰিলোঁহেতেন যেতিয়ালৈকে ই তাৰ সামৰিক নীতি সলনি নকৰে, নহলে বা ইয়াৰে চাইঁটিতি কিছুমান আইন অমান্য কৰি ফাটেক খাটিব পাৰিলোঁহেতেন, বা নহলে মই সাম্ৰাজ্যৰ পক্ষে যুদ্ধত অংশ গ্ৰহণ কৰিব পাৰিলোঁহেতেন আৰু তাৰ দ্বাৰা যুদ্ধৰ হিংসামূলক কাৰ্য্য প্ৰতিৰোধ কৰিবলৈ সামৰ্থ্য আৰু যোগ্যতা অৰ্জ্জন কৰিব পাৰিলোঁহেতেন। এই সামৰ্থ্য আৰু যোগ্যতা মোৰ নাছিল সেইকাৰণে মই ভাবিছিলোঁ। যে যুদ্ধত যোগ দিবলৈ মোৰ একোৱেই নাছিল।'

যুদ্ধত অংশ গ্ৰহণ কৰি তাৰ হিংসাকাৰ্য্য প্ৰতিৰোধ কৰিবলৈ আপুনি কি সামৰ্থ্য আৰু যোগ্যতা অৰ্জ্জন কৰাৰ কথা কৈছে?

মই বুজি পাইছোঁ আপোনাৰ কথাটো এটা ব্যক্তিগত, আৰু যুদ্ধত লিপ্ত হৈ থকা বিভিন্ন দেশৰ অধিবাসীসকলৰ কথাতকৈ বেলেগ। তেওঁলোকৰ দৰে আপোনাক যুদ্ধৰ কামত ভৰ্ত্তি কৰি লগাই দিয়াৰ প্ৰশ্ন নুঠে। গতিকে স্বাভাৱিকতে নিষ্ক্ৰিয় প্ৰতিৰোধৰ পথ আপোনাৰ আগত মুকলি নাছিল। তেনে অৱস্থাত যুদ্ধৰ বিপক্ষে কোনো প্ৰতিবাদ কৰাৰ ক্ষমতা আপোনাৰ নথকা হেতু আপুনি তেনে প্ৰতিবাদ বাজহুৱা ভাবে কৰিবলৈ গলে নিষ্ফল হোৱাতকৈও নিকৃষ্টহে হ'লহেতেন। গতিকে যিটো নকৰিলে নহয় তাতকৈ অসহায় অংশ গ্ৰহণৰ দায়িত্ব এক ধনিষ্ঠাও বেছিকৈ লব লাগিছিল কিয়?

ওপৰৰ উক্তিখিনিৰ পৰা যদিও যুদ্ধৰ হিংসাকাৰ্য্যৰ প্ৰতিৰোধ কৰিবৰ কাৰণে ক্ষমতাখিনি অৰ্জ্জন কৰিবৰ বাবেহে যুদ্ধত যোগ দিছিল বুলি মানুহে বুজিব, সিপিনে আকৌ স্থানান্তৰত আপুনি স্পষ্টকৈ কৈছে যে আপোনাৰ কাৰ্য্যৰ দ্বাৰা আপুনি আপোনাৰ নিজৰ কাৰণে আৰু দেশৰ কাৰণে এটা স্থান পাবৰ কাৰণে আশা কৰিছিল, কেৱল যুদ্ধ প্ৰতিৰোধ কৰিবৰ কাৰণে নহয় এনে এটা সিদ্ধান্তত উপনীত হোৱা যায়।

আৰু ইয়াৰ পৰাই দ্বিতীয় প্ৰশ্নটোৰ অৱতাৰণা হয়। কিবা লাভৰ আশাত যুদ্ধত যোগ দিয়াটো ঠিক কথা হৈছিলনে?

গীতাৰ শিক্ষাৰ লগত ইয়াৰ সামঞ্জস্য কোনখিনিত মই বিচাৰি পোৱা নাই কাৰণ গীতাই কয় যে আমি কেতিয়াও ফলৰ আশাৰে কাম কৰিব নালাগে।

গোটেই অধ্যায়টোতে আপুনি ব্ৰিটিছ সাম্ৰাজ্যক সহায় কৰা নকৰাৰ যুক্তি দাঙি ধৰিছে আৰু মই উপলব্ধি কৰিছোঁ প্ৰথমতে তোলা প্ৰশ্নটো এটা ব্যক্তিগত প্ৰশ্ন আছিল। হলেও, ই অনিবাৰ্য্যভাবে এটা প্ৰশ্নলৈ লৈ যায় যুদ্ধত যুদ্ধ হিচাপে আমি যোগ দিয়াটো উচিত নে অনুচিত ?”

বহুত সানমিহলি অভিপ্ৰায় লগ লাগি যে মোক যুদ্ধত যোগ দিবলৈ খুচিয়াই দিছিল সেই বিষয়ে সন্দেহ নাই। দুটা কথা মোৰ মনত আছে। ব্যক্তিগত হিচাপে যদিও মই যুদ্ধ বিৰোধীয়েই আছিলো, কাৰ্য্যকৰী ভাবে অহিংস প্ৰতিৰোধ চলাবলৈ মোৰ তেতিয়া কোনো প্ৰতিষ্ঠা নাছিল। কিছু প্ৰকৃত নি স্বাৰ্থ সেৱা, প্ৰেমৰ কিছু হৃদয় খোলা অবদান দিব পাৰিলেহে অহিংস প্ৰতিৰোধ কৰা সম্ভৱ। উদাহৰণ স্বৰূপে, অসভ্য মানুহ এটাই জন্তু বলি দিয়াত মই বাধা দিবলৈ হ'লে তাৰ প্ৰতি মোৰ কিবা মৰমৰ কামৰ দ্বাৰা বা আন কোনো উপায়ে সি মোক তাৰ বন্ধু বুলি জানিব লাগিব, তেহে হ'ব। পৃথিৱীয়ে কৰা নানান দুষ্কাৰ্য্যৰ বিচাৰ কৰিবলৈ মই বিচাৰকৰ আসনত বহা নাই। মই নিজেই দোষ ত্ৰুটিৰে ভৰা। তাৰ বাবে আনে মোক ক্ষমা কৰাটো, মোৰ প্ৰতি উদাৰ হোৱাটো মই বিচাৰোঁ। গতিকে যেতিয়ালৈকে পৃথিৱীৰ বিপক্ষে সাৰ্থক বলবান্ যুক্তি দাঙি ধৰাৰ বা সৃষ্টি কৰাৰ সুযোগ নাপাওঁ তেতিয়ালৈকে তাৰ দোষ ত্ৰুটিবোৰ সহ্য কৰি যাওঁ। মই সদায় নিজৰ জীৱনত অহিংসাৰ অনুশীলন কৰিবলৈ চেষ্টা কৰি আহিছোঁ। গতিকে, মই অনুভৱ কৰিছিলো। সাম্ৰাজ্যৰ যুদ্ধ আৰু যুদ্ধৰ বাবে প্ৰস্তুতিক বাধা দিয়াৰ ক্ষমতা আৰু বিশ্বাসখিনি মই আয়ত্ত কৰিব পাৰিলে জনতাৰ মাজত অহিংসা কিমান দূৰ সম্ভৱ হ'ব পাৰে তাৰ এটা পৰীক্ষা চাবলৈ মোৰ পক্ষে সি ভালেই হ'লহেতেন।

আনটো অভিপ্ৰায়ৰ কথা কওঁ। সাম্ৰাজ্যৰ ৰাষ্ট্ৰনীতিজ্ঞ সকলৰ সমৰ্থনেৰে আৰু সহায়েৰে স্বৰাজৰ কাৰণে নিজকে উপযুক্ত কৰি তোলা জীৱন মৰণ যুদ্ধত সাম্ৰাজ্যখনক সেৱা কৰাৰ বাহিৰে আন কোনো উপায়ে মই নিজকে উপযুক্ত কৰি গঢ়িব নোৱাৰিলোঁ। এইটো কথা ভালকৈ বুজিব লাগিব যে, মই মোৰ ১৯১৪ চনৰ মনোভাৱৰ কথা লিখিছোঁ। তেতিয়া সাম্ৰাজ্যত মোৰ বিশ্বাস আছিল আৰু বিশ্বাস আছিল যে ভাৰতৰ স্বাধীনতা সংগ্ৰামত এওঁলোকে নিশ্চয় ভাৰতক সহায় কৰিব। তেতিয়া মই যদি আজিৰ দৰে অহিংস বিদ্ৰোহী হলহেতেন, মই কেতিয়াও সাহায্য আগ নবঢ়ালোঁহেতেন আৰু অহিংসাৰ

নীতিৰ লগত সামঞ্জস্য থকা যি কোনো প্ৰচেষ্টাৰে তাৰ উদ্দেশ্য বিফল কৰিবলৈ যত্ন কৰিলে হেঁতেন।

যুদ্ধৰ প্ৰতি মোৰ বিৰোধ আৰু অবিশ্বাস তেতিয়া যিমান আছিল এতিয়াও সিমানেই আছে। পিছে এটা কথা আমি স্বীকাৰ কৰা উচিত যে, পৃথিৱীত বহুত কাম আছে যিবোৰ আমি অন্তৰেৰে বিৰোধিতা কৰিলেও শেষত কৰিবই লগীয়া হয়। মই যুদ্ধৰ প্ৰতি যিমান বিৰোধী, ক্ষুদ্ৰতম প্ৰাণীটোৰ জীৱন হানি কৰাটোতো সিমানেই বিৰোধী। কিন্তু এনেকুৱা জীৱ হত্যা মই সদায়েই কৰি আহিছোঁ লগতে এই আশাও ৰাখিছো যে কেতিয়াবা মই আৰু তেনে কাম নকৰাকৈয়ে কাৰ্য্য সিদ্ধি কৰিব পাৰিম। তথাপি মানুহে মোক অহিংসাৰ সমৰ্থক বুলি ভাবিব পৰাৰ অৰ্হতাখিনি লাভ কৰিবলৈ হ'লে, মোৰ চেষ্টা সজ, কষ্টক কষ্ট নোবোলা আৰু নেৰানেপেৰা হব লাগিব।

শৰীৰ ধাৰণ কৰাৰ আৰু আৱশ্যক নোহোৱা অৱস্থা পালেই তাকে 'মোক্ষ' বোলে আৰু দোষ-ত্ৰুটিহীন অহিংস মানুহৰ আৱশ্যক আছে কাৰণেই এই মোক্ষৰ ধাৰণাৰ সৃষ্টি হৈছে। আন সকলো বস্তু ধাৰণ কৰাৰ দৰে শৰীৰ ধাৰণতো কিছু হিংসাৰ আৱশ্যক হবই—তাৰ মাত্ৰা যিমানেই কম নহওক। আচল কথা হৈছে পৰস্পৰ বিবদমান যেন লগা নানান দাবীৰ মাজৰ পৰা কৰ্ত্তব্যৰ পথ বাছি উলিওৱাটো সদায় সহজ নহয়।

অৱশেষত কওঁ, উল্লিখিত গীতাৰ শ্লোকটোৰ দুটা অৰ্থ কৰিব পাৰি। এটা হৈছে, আমাৰ কৰ্ম্মৰ পাছফালে কোনো স্বাৰ্থপৰ উদ্দেশ্য থাকিব নেলাগিব। স্বৰাজ লাভ কৰাটো কোনো স্বাৰ্থপৰ উদ্দেশ্য নহয়। দ্বিতীয়তে, কৰ্ম্মফলৰ পৰা নিৰ্লিপ্ত হৈ থকাৰ অৰ্থ কৰ্ম্মৰ ফল নজনাকৈ থকাটো নহয়, বা কৰ্ম্মফলক অশ্ৰদ্ধা কৰা বা অস্বীকাৰ কৰা নহয়। নিৰ্লিপ্ত হোৱাই কেতিয়াও কৰ্ম্ম কৰিবলৈ এৰা বুজায় কাৰণ অভীষ্ট কৰ্ম্মফল কামৰ পৰা নাহিবও পাৰে। আনপিনে অভিপ্ৰেত কৰ্ম্মফল সময়মতে নিশ্চয় আহিবই বুলি অটল বিশ্বাসৰহে ই প্ৰমাণ।

ইয়ং ইণ্ডিয়া ১৩-৯-১৯২৮

[৩০]

যুদ্ধৰ প্ৰতি মোৰ মনোভাৱ

ৰেভ বি ডে লিগটে ‘ইভলিউশ্যন্’ (বিবৰ্ত্তন) নামৰ এখন ফৰাচী আলোচনীত এখন দীঘল মুকলি চিঠি লিখিছে। তেওঁ অনুগ্ৰহ কৰি তাৰ এটা অনুবাদো দিছে। বুৰৰ যুদ্ধত আৰু পিছত মহাযুদ্ধত মই যোগদান কৰাটো মুকলি চিঠিখনে মোক প্ৰবলভাবে সমালোচনা কৰিছে আৰু অহিংসাৰ পৰিপ্ৰেক্ষিতত মোৰ আচৰণৰ ব্যাখ্যা বিচাৰিছে। মোৰ আন আন বন্ধুৱেও মোক একে প্ৰশ্নকে সুধিছে। এই স্তম্ভকেইটাত মই কেইবাবাৰো ব্যাখ্যা দিবলৈ যত্ন কৰিছোঁ।

কেৱল অহিংসাৰ তুলাচনীত জুখি চাবলৈ গলে মোৰ আচৰণৰ কোনো ব্যাখ্যাই নোহোৱা হয়। যিবিলাকে ধ্বংসৰ অস্ত্ৰচালনা কৰে আৰু যিবিলাকে ৰে’ড ক্ৰচৰ কাম কৰে, এই দুয়োবিধ মানুহৰ ভিতৰত মই কোনো পাৰ্থক্য নাই বুলি ভাবোঁ। দুয়োবিধেই যুদ্ধত যোগ দিয়ে আৰু সমৰ্থন জনায়। কিন্তু এই গোটেই কেইবছৰৰ অন্তৰ্দৃষ্টিৰ পিছতো মই অনুভৱ কৰিছোঁ যে মই যি পৰিস্থিতিৰ মাজত নিজকে বিচাৰি পাইছিলোঁ, বুৰৰ যুদ্ধত আৰু ইউৰোপীয় মহাযুদ্ধত তথা ১৯ ৬ চনত নাটালত হোৱা জুলু ‘বিদ্ৰোহ’ত মই যি পথ অনুসৰণ কৰিছিলোঁ তাক বাধ্য হৈহে কৰিবলগীয়াত পৰিছিলোঁ।

জীৱনৰ ওপৰত অগণন শক্তিৰ শাসন প্ৰভাৱ। জীৱনটো অতি সুকলমে চলিলহেতেন, যদিহে কেৱলমাত্ৰ এটা সাধাৰণ নীতিৰে মানুহে জীৱনৰ কৰ্ম্মৰ পথ নিৰ্দ্ধাৰণ কৰিব পাৰিলেহেতেন—যি নীতি কোনো এক বিশেষ মুহূৰ্ত্তৰ পৰিস্থিতিত কেনেকৈ পালন কৰা উচিত তাক মুহূৰ্ত্তও চিন্তা নকৰাকৈ থিৰাং কৰিব পাৰি। কিন্তু এনেকৈ সহজে থিৰাং কৰিব পৰা এটা ঘটনাও মোৰ মনত নপৰে।

ধ্বংসৰ অস্ত্ৰবিদ্যাত প্ৰশিক্ষণ লবলৈ মই সুবিধা পাইছিলোঁ কিন্তু তথাপি মই যিহেতু যুদ্ধবিৰোধী হিচাপে দৃঢ প্ৰতিশ্ৰুত, কেতিয়াও মই সেই প্ৰশিক্ষণ নললোঁ। পোনপটীয়াকৈ মানুহৰ জীৱননাশ কৰাৰ পৰা মই বোধহয় এনেকৈয়ে ৰক্ষা পৰিলোঁ। কিন্তু যেতিয়ালৈকে মই বলৰ ওপৰত প্ৰতিষ্ঠিত এটা চৰকাৰৰ অধীনত বাস কৰিছোঁ আৰু সেই চৰকাৰে দিয়া নানা সা-সুবিধা স্ব-ইচ্ছাৰে গ্ৰহণ কৰিছোঁ তেতিয়ালৈকে মোৰ শক্তি অনুসাৰে সেই চৰকাৰক যুদ্ধত লিপ্ত

থকা অৱস্থাত মই সহায় কৰিবলৈ বাধ্য। অৱশ্তে মই যদি সেই চৰকাৰৰ লগত অসহযোগ কৰিলোঁহেতেন আৰু চৰকাৰে দিয়া সা সুবিধাবোৰ যিমান দূৰ পাৰোঁ ত্যাগ কৰিলোঁহেতেন তেতিয়া বেলেগ কথা আছিল।

এটা উদাহৰণ দিওঁ। মই এটা অনুষ্ঠানৰ সভ্য। সেই অনুষ্ঠানটোৰ যি মাটি আছে তাৰ শস্য বান্দৰে নষ্ট কৰাৰ এটা আশঙ্কা আছে। সকলো প্ৰাণীৰেই জীৱন সমানে পবিত্ৰ বুলি মই ভাবোঁ আৰু গতিকে বান্দৰক যি কোনো আঘাত দিলে মই তাত অহিং সা ভঙ্গ হোৱা বুলি ক'ম। কিন্তু শস্য ৰক্ষা কৰিবৰ কাৰণে বান্দৰক আক্ৰমণ কৰিবলৈ উচটাই দিয়াত বা নিৰ্দ্দেশ দিয়াত মই অলপো পাছ নোহোঁহকো। এই আপদটোৰ পৰা হাত সাৰিবলৈ মই বিচাৰোঁ। অনুষ্ঠান এৰি বা অনুষ্ঠানটো ভাঙি দি সেই আপদৰ হাত সাৰিব পাৰোঁ। কিন্তু সেইটো মই নকৰোঁ কাৰণ কতো এনে এখন সমাজ পাম বুলি আশা নকৰোঁ য'ত কোনো খেতি খোলা নাথাকিব আৰু গতিকে কোনো প্ৰাণনাশ নহব। ভয়ত, কঁপি কঁপি, নম্ৰভাৱে আৰু আত্মসংযমেৰে মই বান্দৰক আঘাত কৰা কামত যোগ দিলোঁ—মনতে সদায় আশা ৰাখিলোঁ কোনোবা দিনা হয়তো ইয়াৰ এটা বেলেগ পন্থা বিচাৰি পাম।

তথাপি মই তিনিবাৰ যুদ্ধৰ কামত যোগ দিলো। মই যি সমাজত বাস কৰোঁ সেই সমাজখনৰ লগত সম্বন্ধ ছিঙিব নোৱাৰিলো, ছিঙা হলেও সেইটো বলিয়ালিহে হলহেতেন। সেই তিনিটা ক্ষেত্ৰত ব্ৰিটিছ চৰকাৰৰ লগত অসহযোগ কৰাৰ কথা মই ভবা নাছিলোঁ। সেই চৰকাৰ সম্পৰ্কে মোৰ আজিৰ মনোভাৱ একেবাৰেই বেলেগ। গতিকে মই নিজ ইচ্ছাৰে তাৰ যুদ্ধত যোগ দিব নোৱাৰোঁ আৰু যদি মোক অনুধাৱণ কৰিবলৈ বা আন ধৰণে তাৰ সামৰিক কাৰ্য্যকলাপত যোগ দিবলৈ কোনোবাই বাধ্য কৰিলেহেতেন, তেন্তে মই তাৰ পৰিবৰ্ত্তে কাটেক খাটিবলৈ বা চিপজৰী লবলৈকো আগবাঢ়ি গলোঁহেতেন।

কিন্তু তথাপি সাথৰৰ সমাধান ন'হল। যদি এটা জাতীয় চৰকাৰ থাকিল হেতেন, যুদ্ধত মই পোনপটীয়াকৈ যোগ দিয়াটো উচিত নহলহেতেন, কিন্তু মই এনে কিছুমান পাৰিপাৰ্শ্বিক অৱস্থাৰ কথা ধাৰণা কৰিব পাৰোঁ য'ত সামৰিক প্ৰশিক্ষণ লবলৈ ইচ্ছা কৰা মানুহক প্ৰশিক্ষণ লবলৈ সম্মতি দিয়াটো মোৰ কৰ্ত্তব্য হ'লহেতেন। কাৰণ মই জানো চৰকাৰৰ সকলো সদস্যই মই অহিংসাত যিমান দূৰ বিশ্বাস কৰোঁ সিমান নকৰিলেহেতেন। কোনো ব্যক্তিক বা সমাজক বাধ্য কৰি অহিংস কৰিব নোৱাৰি।

অতি ৰহস্যজনকভাবে অহিংসাই কাম কৰে। প্ৰায়ে মানুহৰ কাম কাজ অহিংসাৰ চিন্তাধাৰাৰে বিশ্লেষণ কৰিব নোৱাৰি। তেনেকৈয়ে আকৌ মানুহজন কেতিয়াবা অহিংসা শব্দটোৰ উচ্চতম অৰ্থত সম্পূৰ্ণ অহিংস হৈ থাকিলেও আৰু পিছত গৈ অহিংস বুলি প্ৰমাণিত হলেও, কামকাজবিলাকত এখন হিংসাৰ আৱৰণ দেখা যাব পাৰে। গতিকে মোৰ আচৰণৰ বিষয়ে মই ইমানকে দাবী কৰিব পাৰোঁ যে, মোৰ কামৰ যি উদাহৰণ ওপৰত দিয়া হৈছে, সেইবিলাক অহিংসা প্ৰণোদিত। তাত কোনো জাতীয়তা বা তেনে আন কোনো তলথাপৰ স্বাৰ্থ নাছিল। এটা স্বাৰ্থক হেচি তল পেলাই জাতীয় বা আন কোনো স্বাৰ্থক ওপৰলৈ তোলাত মোৰ বিশ্বাস নাই।

মোৰ যুক্তিতৰ্ক আৰু বেছি দূৰলৈ নিনিও। ভাষাৰ আন যিমানেই সবলতা নাথাকক, মানুহৰ ভাব সম্পূৰ্ণৰূপে প্ৰকাশ কৰাৰ মাধ্যম হিচাপে ই দুৰ্ব্বল। অহিংসা মোৰ কাৰণে কেৱল এটা দাৰ্শনিক নীতিয়েই নহয়। ই মোৰ জীৱনৰ বিধি, মোৰ প্ৰাণ। মই জানো, মই বেছিভাগতেই উত্তীৰ্ণ হব নোৱাৰোঁ, কেতিয়াবা ইচ্ছাকৃতভাবে আৰু সৰহক্ষেত্ৰতে মোৰ অজ্ঞাতসাৰে। ই বুদ্ধিৰ কথা নহয়, অন্ত কৰণৰ হে কথা। ভগৱানৰ ওচৰত নিৰন্তৰ প্ৰাৰ্থনা, চৰম বিনয়, আত্মসমৰ্পণ আৰু আত্মবলিদানৰ কাৰণে সদা প্ৰস্তুতিয়ে প্ৰকৃত পথৰ সন্ধান দিয়ে। উচ্চতম পৰ্য্যায়ৰ নিৰ্ভীকতা আৰু সাহস হলেহে ইয়াৰ অনুশীলন সম্ভৱ হয়। মোৰ অসম্পূৰ্ণতাৰ কথা মই জানো, জানি দুখ লাগে।

কিন্তু মোৰ অন্তৰৰ যি পোহৰ সি ধীৰ, পৰিষ্কাৰ। সত্য আৰু অহিংসাৰে নাসাৰিলে আমি সাৰিব নোৱাৰোঁ। মই জানো, যুদ্ধ কৰা অন্যায়, যুদ্ধটো দুৰাৰোগ্যভাৱে বেয়া বস্তু। মই ইয়াকো জানো যুদ্ধই বিদায় লবই লাগিব। মোৰ অতি দৃঢ় বিশ্বাস ৰক্তপাতেৰে বা প্ৰবঞ্চনাৰে লাভ কৰা স্বাধীনতা স্বাধীনতাই নহয়। মই কৰিছোঁ বুলি অভিযোগ কৰা সকলো কামেই সমৰ্থনৰ অযোগ্য হওক, কথা নাই, কিন্তু মোৰ কোনো কাৰ্য্যৰ দ্বাৰা মোক যেন অহিংসা ত্যাগ কৰা বুলি নাভাবক আৰু যি কোনো ৰূপতে হিংসা আৰু অসত্যক সমৰ্থন কৰা বুলি নাভাবক। হিংসা নহয়, অসত্য নহয়, অহিংসা আৰু সত্যহে আমাৰ জীৱনৰ বিধি।

ইয়ং ইণ্ডিয়া, ১৩-৯ ১৯২৮

[৩১]

'আমি কি কৰিব লাগিব ?'

গোধ্ৰাত শ্ৰীপুৰুষোত্তম শাহে আততায়ীৰ হাতত বীৰৰ দৰে মৃত্যু বৰণ কৰিছিল। এই শোকাবহ ঘটনাটোৰ বিষয়ে এটা টোকা দুসপ্তাহৰ আগতে মই নবজীৱনত লিখিছিলোঁ। টোকাটোৰ শিৰোনামা দিছিলোঁ 'গোধ্ৰাত হিন্দু মুছলমানৰ যুদ্ধ'। বহুত হিন্দুৱে শিৰোনামাটো ভালপোৱা নাছিল আৰু শুদ্ধ কৰি দিবলৈ মোলৈ খঙেৰে চিঠি লিখিছিল। তেওঁলোকৰ দাবী পূৰণ কৰাটো মই অসম্ভৱ দেখিলোঁ। তাৰ দুৰ্ভোগ ভুগিবলগীয়া মানুহ এজনেই হওক বা বেছিয়েই হওক বা লাগিলে এজনে বেছি অগ্ৰসৰ হৈ আনজনে কেৱল কষ্ট ভোগেই কৰক, যদি গোটেই ঘটনাৱলী দুটা সম্প্ৰদায়ৰ মাজত যুদ্ধৰ অৱস্থা হোৱাৰ কাৰণেই সংঘটিত হৈছে, তেন্তে মই তাক যুদ্ধ বুলি বৰ্ণনা কৰাই উচিত। গোধ্ৰাতেই হওক বা আন ঠাইতেই হওক, দুটা সম্প্ৰদায়ৰ ভিতৰত আজি যুদ্ধৰ অৱস্থা চলি আছে। কপাল ভাল এই যুদ্ধৰ উত্তেজনাটো নগৰী আৰু মহা নগৰীতে আবদ্ধ হৈ আছে। সেইবিলাকত যিকোনো এটা ৰূপত যুদ্ধ চলিয়েই আছে। কিন্তু গাওঁ অঞ্চল তাৰ পৰা সম্পূৰ্ণৰূপেই মুক্ত। গোধ্ৰাৰ বিষয়ে মোলৈ লিখা সংবাদদাতা কিজনেও আনকি অস্বীকাৰ কৰা নাই যে, তাত যি সাম্প্ৰদায়িক অৰিয়া অৰি চলি আছিল, তাৰ ফলতে ঘটনাবোৰ ঘটিবলৈ পালে।

সংবাদদাতাসকলে যদি কেৱল শিৰোনামাটো লৈয়ে লিখিলেহেতেন, মই তেওঁলোকলৈ ভিতৰুৱাকৈ চিঠি লিখিয়েই এৰিলোঁহেতেন, নবজীৱনত তাৰ বিষয়ে একো নিলিখিলোঁৱেইহেতেন। কিন্তু আৰু কিছুমান চিঠি আছে যিবিলাকৰ যোগেদি সংবাদদাতাকিজনে বেলেগ বেলেগ কথাত তেওঁলোকৰ ক্ৰোধ প্ৰকাশ কৰিছে। আহমদাবাদৰ এজন স্বেচ্ছাসেৱক গোধ্ৰালৈ গৈছিল। তেওঁ লিখিছে

> "আপুনি লিখিছে যে, আপুনি এই কাজিয়াবিলাকত মনে মনে থাকিব লাগিব। খিলাফতৰ সময়ত আপুনি মনে মনে নাথাকিছিল কিয় ? কিয় আমাক মুছলমানৰ লগত যোগ দিবলৈ কৈছিল ? আপোনাৰ অহিংসাৰ নীতিৰ বিষয়ে আপুনি মনে মনে নাথাকে কিয় ? দুটা সম্প্ৰদায়ে যেতিয়া কটাকটি কৰি মৰিছে, হিন্দুবিলাকক গুৰি কৰি পেলাইছে, তেতিয়া আপোনাৰ মৌনতাৰ কি যুক্তি আছে ? অহিংসাৰ তাত কিটো আছে ? দুটা ঘটনাৰ প্ৰতি মই আপোনাৰ মনোযোগ আকৰ্ষণ কৰিছোঁ।

এজন হিন্দু দোকানীয়ে মোৰ ওচৰত এই বুলি আপত্তি কৰিছিল' 'মুছলমানবিলাকে মোৰ দোকানৰ পৰা থৈলাই থৈলাই চাউল লৈ যায়, প্ৰায়েই তাৰ দাম নিদিয়াকৈয়ে। ক'ৰবাত মোৰ দোকান লুট কৰে বুলি ভয়ত মই পইচা সাধিবও নোৱাৰোঁ। গতিকে, মই অনিচ্ছা সত্বেও প্ৰত্যেক মাহেই ৫০ৰ পৰা ৭৫ মোনলৈকে চাউল দান কৰিব লগা হৈছে।'

আন কোনো কোনোৱে আপত্তি কৰিছিল 'মুছলমানবিলাকে আমাৰ ঘৰ আক্ৰমণ কৰি আমাৰ সমুখতে আমাৰ তিৰোতাক অপমান কৰে আৰু আমি হাত সাবটি বহি থাকিব লগা হয়। আমি যদি কেনেবাকৈ সাহ কৰি এবাৰ প্ৰতিবাদ কৰিলো তেন্তে আমাৰ ফালে আধ্যা। সিহঁতৰ বিপক্ষে এটা আপত্তি তুলিবলৈকো আনকি আমাৰ সাহস নহয়।'

এনেবোৰ ক্ষেত্ৰত আপুনি কি পৰামৰ্শ দিয়ে? আপোনাৰ অহিংসাক ইয়াত আপুনি কেনেকৈ কামত খটুৱাব? নে, ইয়াতো আপুনি মনে মনে থকাটোকে উত্তম বুলি ভাবিব?"

এইকেইটা আৰু এনেকুৱা আন আন প্ৰশ্নৰ উত্তৰ এই কেইপৃষ্ঠাত বাৰে বাৰে দিয়া হৈছে। হওক বাৰু, তথাপি যেতিয়া আকৌ সেই প্ৰশ্নকেইটাকে তুলিছে, দোহাৰাৰ ভয় থাকিলেও, মোৰ মতামতখিনি আকৌ এবাৰ বুজাই দিয়াই ভাল বুলি ভাবিলোঁ।

ভয়াতুৰ বা কাপুৰুষৰ কাৰণে অহিংসা নহয়। মৃত্যুবৰণ কৰিবলৈ যি প্ৰস্তুত তাৰ বাবেহে অহিংসা। তৰোৱালহস্তে যি মৃত্যুবৰণ কৰে সি সাহসী, সন্দেহ নাই, কিন্তু যি কেঞা আঙুলিটোও নোতোলাকৈ মৃত্যুৰ কাৰণে আগবাঢ়ি যায়, পাছ নোহোঁহকে, সি আৰু বেছি সাহসী। কিন্তু মাৰ খাম বুলি ভয়ত যি নিজৰ চাউলৰ মোনাটো এৰি দিয়ে সি কাপুৰুষ। সি কেতিয়াও অহিংসাৰ সমৰ্থক নহয়। অহিংসাৰ লগত তাৰ কোনো সম্পৰ্ক নাই। ঘৰৰ তিৰোতা মানুহক আনে অপমান কৰিব তেনেকুৱাত কোনোবা মতা মানুহে যদি চাই থাকে, তেন্তে সেইজন মতা নহয়, তাৰ ওভোতাহে। তেওঁ স্বামী, বা পিতৃ বা ককাই ভাই হোৱাৰ উপযুক্ত নহয়। এনেকুৱা মানুহৰ আপত্তি কৰাৰ কোনো অধিকাৰ নাই।

হিন্দু আৰু মুছলমানৰ মাজত যি আকোৰগোজ শত্ৰুতা, ওপৰত কোৱা ঘটনাবোৰৰ তাৰ লগত কোনো সম্পৰ্ক নাই। য'ত মূৰ্খ থাকে, ত'ত ধূৰ্ত থাকিবই। য'ত ভীৰু থাকে, ত'ত দাবি দি খোৱা মানুহ থাকিবই, তেহেলৈ হিন্দুৱেই হওক বা মুছলমানেই হওক। হিন্দু-মুছলমানৰ কাজিয়া আৰম্ভ

হোৱাৰ আগতো এনেবোৰ ঘটনা ঘটিয়েই আছিল। গতিকে এতিয়া এই দুই সম্প্ৰদায়ৰ এটাক কেনেকৈ এশিকনি দিয়া যায় বা কেনেকৈ মানবীয়তাৰ শিক্ষা দিয়া যায়, সেইটো প্ৰশ্ন নহয়, প্ৰশ্ন হৈছে ভীৰু এটাক কেনেকৈ সাহসী কৰি তুলিব পাৰি।

দন কাজিয়াৰ পাছফালে থকা ভীৰুতা আৰু মূৰ্খালিখিনি যদি দুয়ো সম্প্ৰদায়ৰ চিন্তাশীল লোকসকলে উপলব্ধি কৰে, তেন্তে অতি সহজে আমি তাৰ অৱসান ঘটাব পাৰোঁ। দুয়ো সাহসী হ'ব লাগিব, জ্ঞানী হ'ব লাগিব। যদি দুয়ো সম্প্ৰদায় বা দুটাৰ এটাই হওঁ বুলি জ্ঞানী হয়, তেওঁলোকৰে হ'ব অহিংসাৰ পথ। যদি দুয়ো কাজিয়া কৰে আৰু বহুত তিতা কেহা অভিজ্ঞতাৰ পৰাহে যদি জ্ঞানী হবলৈ শিকে, তেন্তে সেই পথ হ'ব অহিংসাৰ পথ। যি পিনেই হওক, মানুহৰ সমাজত অৰ্থাৎ স্বাধীনতাকামীৰ সমাজত ভীৰুৰ স্থান নাই। স্বৰাজ ভীৰুৰ কাৰণে নহয়।

গতিকে উল্লিখিত ঘটনাসমূহৰ আলম লৈ অহিংসাক দলিয়াই পেলোৱা বা মোৰ ওপৰত থং কৰাৰ পৰা কোনো লাভ নহয়। ১৯২১ চনত বেটিয়াত অহিংসাক বিকৃত কৰাৰ অভিজ্ঞতা মোৰ যি হ'ল তাৰ পিছৰ পৰাই মই বাৰে বাৰে কৈ আহিছোঁ যে, যি অহিংসভাবে মৃত্যুৰ সমুখীন হৈ নিজক বা অতি ওচৰ সম্বন্ধীয়া আৰু মৰমৰ মানুহবিলাকক ৰক্ষা কৰিব নোৱাৰে, তেওঁলোকে অত্যাচাৰীৰ লগত হিংসাৰে যুজিয়েই তাকে কৰিব পাৰে, কৰা উচিতো। যি দুটাৰ এটাও কৰিব নোৱাৰে, তেওঁ এটা বোজাস্বৰূপ। তেওঁ পৰিয়ালৰ মুখিয়ালটো হৈ থকাৰ কোনো আবশ্যক নাই। তেওঁ নিজকে হয় লুকুৱাই ৰাখিব লাগিব, নহলে সদায় অসহায় জীৱন এটা যাপন কৰিয়েই ক্ষান্ত থাকিব লাগিব, আৰু এটা দাবিত তেওঁ কেচুৰ নিচিনাকৈ বগুৱা বাই যাবলৈ সাজু হৈ থাকিব লাগিব।

মই মাত্ৰ এটা পথ চিনি পাওঁ—অহিংসাৰ পথ। হিংসাৰ পথৰ লগত মোৰ ৰাহিয়ে পুজিয়ে নাহে। ভীৰুতাৰ যি বাতাবৰণ আজি চলি আছে, তাত অহিংসাৰ কোনো স্থান নাই। সেইকাৰণে আমি যিবোৰ মৰামৰি-কটাকটিৰ কথা শুনি আছোঁ, সেইবোৰৰ প্ৰতি মই আওকাণ কৰিবই লাগিব। মোৰ এই অসহায়তা মানুহৰ আগত দেখুৱাই ফুৰাটো কেতিয়াও ভাল পাব নোৱাৰোঁ। ভগৱানে আকৌ কেতিয়াও ঠিক কৰি নথয় যে, আমি যিটো ভাল পাওঁ সেইটোহে হ'ব, যিটো ভাল নাপাওঁ সেইটো নহ'ব। অসহায় হলেও

এটা বিশ্বাস লৈ মই জীয়াই আছোঁ যে তেওঁ অসহায়ৰ সহায়, আৰু যেতিয়া মানুহে নিজকে তেওঁৰ দয়াৰ ওচৰত সমৰ্পণ কৰি দিয়ে, তেতিয়াহে ভগৱানে তেওঁক সহায় কৰে। এই বিশ্বাসটোৰ কাৰণেই মোৰ মনত এটা আশা সদায় পুহি ৰাখিছোঁ যে ভগৱানে এদিন নহয় এদিন মোক এটা বাট দেখুৱাই দিব যি বাটেদি যোৱা উচিত বুলি মানুহক মই নিঃসংকোচে পৰামৰ্শ দিব পাৰিম। আগেয়ে যিমান প্ৰবল এতিয়াও সিমানেই প্ৰবলভাবে মোৰ অন্তৰত এই বিশ্বাস আছে যে, ইচ্ছা কৰিলেও বা নকৰিলেও এদিন নহয় এদিন হিন্দু আৰু মুছলমান বন্ধু হৈ উঠিবই। কেনেকৈ আৰু কেতিয়া সেয়ে হৈ উঠিব, সেইটো কোনেও ক'ব নোৱাৰে। ভবিষ্যৎ সম্পূৰ্ণৰূপেই ভগৱানৰ হাতত। কিন্তু তেওঁ বিশ্বাসৰ জাহাজখন নিশ্চয়কৈ আমাৰ কাৰণে ৰাখি থৈছে আৰু অকল সিয়েইহে আমাক সন্দেহৰ মহাসাগৰখন পাৰ কৰি দিব পাৰিব।

ইয়ং ইণ্ডিয়া ১১ ১ ১৯২৮

[৩২]

'যুদ্ধৰ প্ৰতি মোৰ মনোভাৱ'

১৩ চেপ্টেম্বৰৰ ইয়ং ইণ্ডিয়াত প্ৰকাশিত, মোৰ উপৰোক্ত শিৰোনামাৰ প্ৰবন্ধটোৰ সন্দৰ্ভত মোৰ লগত বহুত লিখালিখি হৈছে। যুদ্ধৰ বিৰুদ্ধে যুদ্ধক সমৰ্থন কৰা ইউৰোপীয় বাতৰি কাকতত‌ো লিখালিখি চলিছে। ব্যক্তিগত লিখালিখিৰ ভিতৰত টলস্টয়ৰ বন্ধু আৰু শিষ্য ভি চাৰকফৰো এখন চিঠি আছে। শান্তিপ্ৰিয় সকলৰ কাৰণে তেওঁ এজন বিপুল সম্মানাৰ্হ লোক। গতিকে তেওঁৰ পৰা অহা চিঠিখন পাঠকসকলেও মোৰ পৰা পঢ়িবলৈ বিচাৰিব। এয়া পটক —

"ভগবান আৰু মানুহৰ প্ৰতি আগবঢ়োৱা আপোনাৰ ঐকান্তিক সেৱাৰ আৰু অধিক কৃতকাৰ্য্যতাৰ বাবে আপোনাৰ কছ বন্ধুসকলে আপোনালৈ সাদৰ অভিনন্দন আৰু শুভেচ্ছা পঠাইছে। আপোনাৰ জীৱনৰ গতি, আপোনাৰ মনৰ ক্ৰিয়া আৰু আপোনাৰ কাৰ্য্যকলাপ আমি অতি সাগ্ৰহে লক্ষ্য কৰি আছোঁ আৰু আপোনাৰ প্ৰত্যেকটো সফলতাতে আমি আনন্দ কৰিছোঁ। আমি উপলব্ধি কৰিছোঁ আপুনি আপোনাৰ নিজদেশত যিখিনি

সফলতা লাভ কৰিছে সেয়া আমাৰো সফলতা, কাৰণ, বেলেগ বেলেগ পৰিস্থিতিত হলেও আমিও সেই একেটা আদৰ্শৰেই কাম কৰিছোঁ। আপোনাৰ ব্যক্তিগত ফালৰ পৰা, আপোনাৰ জীৱনৰ উদাহৰণৰ পৰা আৰু আপোনাৰ সফল সমাজ সেৱাৰ পৰা আপুনি যিখিনি আমাক দিলে আৰু এতিয়াও দি আছে, তাৰ বাবে আমি আমাৰ অন্তৰত অজস্ৰ কৃতজ্ঞতা অনুভৱ কৰিছোঁ। গভীৰতম ভাবে আপোনাৰ লগত আমাৰ আধ্যাত্মিক মিলন অনুভূত হৈছে।

কিন্তু যিমানেই এই মিলন আৰু বেছি প্ৰকৃত, আৰু বেছি গভীৰ হ'ব সিমানেই আমাৰ ভিতৰত আটাইতকৈ কম মতানৈক্য বা ভুল বুজাবুজি দেখিব। আৰু ঠিক এনে এটা ভুল বুজাবুজিৰ কাৰণেই মই এই চিঠি আপোনালৈ লিখিব লগীয়া হ'ল।

এই বছৰৰ ১৩ চেপ্টেম্বৰত ইয়ং ইণ্ডিয়াত ছপা হোৱা 'যুদ্ধৰ প্ৰতি মোৰ মনোভাব'ৰ শিৰোনামাৰে লিখা আপোনাৰ প্ৰবন্ধটোৱে আপোনাৰ বহুতো প্ৰশংসাকাৰী আৰু বন্ধুৰ মনত দুখ দিছে। গতিকে এই বিষয়ে মই যি ভাবোঁ আৰু অনুভৱ কৰোঁ তাক প্ৰকাশ কৰাৰ প্ৰয়োজন আছে বুলি ভাবিলোঁ। আশা কৰোঁ যি শুভেচ্ছাৰ ভাব লৈ মই আপোনালৈ এই চিঠি লিখিছোঁ, আপুনিও সেই শুভেচ্ছাৰ ভাবেৰেই তাক গ্ৰহণ কৰিব।

ব্ৰিটিছ চৰকাৰে লগোৱা তিনিখন যুদ্ধত আপোনাৰ যোগদানৰ সপক্ষে আপুনি যুক্তিৰ অৱতাৰণা কৰিছে। কেই বছৰমানৰ আগতে আপুনি সেই বিষয়কে উল্লেখ কৰি এটা প্ৰবন্ধ লিখিছিল, আৰু মোৰ যদি ঠিক মনত পৰিছে, তাত আপুনি আন এটা মতহে প্ৰকাশ কৰিছিল। আপুনি তেতিয়া নিজৰ সপক্ষে যুক্তি দৰ্শোৱা নাছিল কিন্তু আগৰ আপোনাৰ অসামঞ্জস্যৰ কথা হ'লে স্বীকাৰ কৰিছিল। আৰু মোৰ মনত আছে, আপুনি আগতে কৰি যোৱা ভুলবো যে আপুনি স্বীকাৰ কৰিবলৈ ইমান প্ৰস্তুত এই কথাটোৱে মোৰ আৰু ইয়াত থকা আপোনাৰ বন্ধুসকলৰ অন্তৰ চুই গৈছিল আৰু আমাৰ মনত সান্ত্বনা দিছিল। সিদিনে আকৌ এতিয়া আপুনি যুদ্ধৰ সপক্ষে দিয়া সাধাৰণ যুক্তিবোৰৰ দোহাই দি নিজকে নিৰ্ভুল বুলি কৈছে। আপুনি কৈছে 'জীৱনৰ ওপৰত অগণন শক্তিৰ শাসন প্ৰভাৱ। জীৱনটো অতি সুকলমে চলিলহেতেন যদিহে কেৱলমাত্ৰ এটা সাধাৰণ নীতিৰে মানুহে জীৱনৰ কৰ্মৰ পথ নিৰ্দ্ধাৰণ কৰিব পাৰিলেহেতেন যি নীতি কোনো এক বিশেষ মুহূৰ্ত্তৰ পৰিস্থিতিত কেনেকৈ পালন কৰা উচিত তাক মুহূৰ্ত্তও চিন্তা নকৰাকৈ থিবাং কৰিব পাৰি।' যি যি ক্ষেত্ৰত উত্তম কাৰ্য্যকৰী পন্থাৰ প্ৰশ্ন উঠে, সেই সেই ক্ষেত্ৰত আপুনি কোৱা কথা

সম্পূৰ্ণ সত্য। কিন্তু এনে এবিধ কাৰ্য্য কলাপ আছে যিবিলাকত প্ৰকৃতিগত ভাবেই তেনে প্ৰশ্ন সুঠে। এইবিধ কাৰ্য্য কলাপ এনেকুৱা যে, তাৰ দ্বাৰা নিশ্চিতভাবে স্বীকৃতি পোৱা নৈতিক আৰু ঐশ্বৰিক নীতি স্পষ্টভাবেই লঙ্ঘন কৰিব লগা হয়। ইচ্ছা কৰি কৰা নৰহত্যা এইবিধ কাৰ্য্যকলাপৰ ভিতৰত পৰে। এই ক্ষেত্ৰত প্ৰশ্নটো পৰিষ্কাৰভাৱে দাঙি ধৰা উচিত আৰু কোনো কাৰ্য্যকাৰিতাৰ কথাকে ইয়াত হেতাওপৰা কৰিবলৈ দিয়া ঠিক নহয়।

এটা নিৰ্দ্দিষ্ট চৰকাৰৰ প্ৰতি কোনোবা এজনৰ সহানুভূতি আছে নে নাই সেই অনুসৰিও এই প্ৰশ্নৰ মীমাংসা কৰিবলৈ দিব নালাগে। কিন্তু তথাপি আপুনি দেখোন তাকেই কৰিছে, কাৰণ আপুনি কৈছে 'যদি এটা জাতীয় চৰকাৰ থাকিলহেতেন, তেনেস্থলত মই এনে কিছুমান পাৰিপাৰ্শ্বিক অৱস্থাৰ কথা ধাৰণা কৰিব পাৰিলোঁহেতেন য'ত সামৰিক প্ৰশিক্ষণ লবলৈ ইচ্ছা কৰা মানুহক প্ৰশিক্ষণ লবলৈ সম্মতি দিয়াটো মোৰ কৰ্তব্য হ'ল-হেতেন।' এনেকৈ, যুদ্ধৰ বাবে কৰা প্ৰস্তুতিত সম্মতি জনোৱা আন কিছুমান মানুহক আপুনি সমৰ্থন কৰিছে। এজনে যুদ্ধক ইমান অস্বীকাৰ কৰে যে, তেওঁ সৈন্যবাহিনীত ভৰ্ত্তি নহয় আৰু আন পিনে তেওঁ আকৌ সামৰিক প্ৰশিক্ষণৰ সপক্ষেও মত দিয়ে এনে এজন লোকে মানুহৰ বাটত কি যে জাল নাপাতে।

আপুনি আৰু কৈছে 'ইয়াৰ (চৰকাৰৰ) সকলো সদস্যই অহিংসাত বিশ্বাস নকৰে' আকৌ, 'কোনো মানুহ বা জাতিক বলেৰে অহিংস কৰিব নোৱাৰি।' কিন্তু সামৰিক প্ৰশিক্ষণৰ ক্ষেত্ৰত মই মতামত নিদিয়াকৈ থকাৰ পৰা মই কাকো একো কৰিবলৈ বাধ্য কৰা নুবুজায়, ঠিক যেনেকৈ জেপলুককাৰ প্ৰশিক্ষণৰ বিষয়ে মোৰ মতামত নিদিয়াকৈ থকাৰ পৰা জেপলুককাইতক কোনো হিংসা কৰা নহয়।

বান্দৰে শস্য খোৱাৰ এটা উদাহৰণ আপুনি উল্লেখ কৰিছে। কিন্তু মানুহৰ পৰা নি বান্দৰৰ গাত লেটিয়াই আপুনি কথাটো অস্পষ্টহে কৰিলে। যদি আপোনাৰ শস্যখিনি পশুৱে নকৰি মানুহে আক্ৰমণ কৰিলে-হেতেন, আপুনি তেতিয়া মানুহক ধ্বংস কৰাতকৈ বৰং আপোনাৰ শস্য-খিনিকে ত্যাগ নকৰিলেহেতেন নে ?

আপুনি কৈছে যে আপুনি যিখন সমাজত বাস কৰি আছে সেই সমাজৰ লগত সংশ্ৰৱ ত্যাগ কৰাটো আপোনাৰ পক্ষে বলিয়ালি হ'ব। আৰু আপুনি কৈছে যে, যেতিয়ালৈকে আপুনি বলৰ ওপৰত প্ৰতিষ্ঠিত এটা চৰকাৰৰ অধীনত বাস কৰিছে আৰু সেই চৰকাৰে দিয়া নানা সা-

সুবিধা স্ব ইচ্ছাৰে গ্ৰহণ কৰিছে তেতিয়ালৈকে আপোনাৰ শক্তি অনুসাৰে সেই চৰকাৰক যুদ্ধত লিপ্ত থকা অৱস্থাত আপুনি সহায় কৰিবলৈ বাধ্য।

প্ৰথমতে, মানুহে মোৰ আশে পাশে যিবোৰ বেয়া কামত লিপ্ত হৈ আছে সেইবোৰত সম্মতি জনোৱাৰ পৰা বিৰত থাকিলে, 'মই যিখন সমাজত বাস কৰিছোঁ সেই সমাজৰ লগত সংশ্ৰৱ ত্যাগ' কৰাটো নহয়েই, বৰং তাৰ ওলোটাটোহে কৰা হয়। এই সংশ্ৰৱটোক মই সমাজক অতি উত্তমভাৱে সেৱা কৰাত ব্যৱহাৰ কৰোঁ।

দ্বিতীয়তে, মই যেনেকৈ বাস কৰোঁ তেনেকৈ বাস কৰাৰ কাৰণে যদি ৰাষ্ট্ৰখনক যুদ্ধ লগোৱাৰ কামত সহায় কৰিবলৈ বাধ্য হ'বলগীয়া হ'ল, তেন্তে মই যেনেকৈ বাস কৰোঁ তেনেকৈ বাস কৰিবলৈ এৰিব লাগিব, তেহেলৈ যিয়েই নহওক, লাগিলে মোৰ জীৱনকে দিব লগা হওক কোনো কথা নাই। মানুহক নিজৰ ভ্ৰাতৃবধত সহায় কৰিবলৈ এৰিবই লাগিব। তাৰ উপৰি, হিংসাৰ প্ৰয়োগ নকৰাকৈয়ে পাব পৰা কিছুমান ৰাষ্ট্ৰই দিয়া সা সুবিধা ব্যৱহাৰ কৰিবও পাৰি, আৰু আন পিনে ৰাষ্ট্ৰৰ অসৎ কাৰ্য্যৰ সমৰ্থন কৰাৰ পৰা বিৰত থাকিবও পাৰি।

বোধহয়, হিংসা আৰু হত্যা কৰা এই দুয়োটাৰ মাজৰ সীমা ৰেখাডাল দৃঢ়ভাৱে নটনাৰ কাৰণেই কিজানি এই ভুল বুজাবুজিৰ সৃষ্টি হৈছে। এনে কিছুমান ঘটনা আছে য'ত, অতি সাৱধানে বিচাৰ নকৰিলে, স্পষ্টভাৱে হিংসা কৰা হৈছে নে নাই তাক পৰিকাৰকৈ কোৱা টান। কিন্তু যুদ্ধৰ প্ৰশ্নত কোনো সন্দেহ নাই যে মানুহক হত্যা কৰাৰ ওপৰতে তাৰ ভেটি স্থাপিত হৈছে। এই কথাত আমি বোধ হয় একমত।

আমাৰ মৰমৰ আৰু পৰম শ্ৰদ্ধাভাজন বন্ধু, আমি আশা কৰোঁ, মই আপোনাৰ আগত প্ৰকাশ কৰা বিচাৰসমূহ যুক্তিযুক্ত বুলি আপুনি স্বীকাৰ কৰিব আৰু আপুনি আমাৰ মনৰ আসোঁৱাহবোৰ দূৰ কৰিবৰ বাবে এটি ব্যাখ্যা দাঙি ধৰিব। বিশ্বাস কৰিব, যি কোনো কাৰণতে হওক, আপোনাৰ প্ৰবন্ধত দেখুওৱা অংশই যদি আপোনাৰ বহুতো আন্তৰিক আৰু একান্ত বন্ধুৰ মনত আসোঁৱাহ নোপজাসেহেঁতেন তেন্তে মই এই চিঠি নিলিখিলো হেঁতেন।

সাম্যবৰ্ণিত মই আকৌ এবাৰ আপোনাৰ প্ৰতি গভীৰতম শ্ৰদ্ধা প্ৰকাশ কৰিছোঁ, লগতে আপোনাৰ কাৰণে আৰু আপোনাৰ সৎ কাৰ্য্যাৱলীৰ কাৰণে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ।"

এম চাৰককফক এই আশ্বাস নিদিলেও হ'ব যে তেওঁৰ চিঠিখনত মইতো ক্ষুন্ন হোৱা নায়েই, কিন্তু চিঠিখনত থকা মৰমৰ উম আৰু স্বচ্ছ আন্তৰিকতা-খিনিৰ কাৰণে মই সেইখন আনন্দেৰে গ্ৰহণ কৰিছোঁ।

চিঠিখনত উত্থাপিত কৰা সকলোবিলাক দফাৰে বিতং উত্তৰ মই দিব খোজা নাই। মোৰ মনেৰে এটা সীমা বিন্দুৰ সিপাৰে আৰু এই বিষয়ত কোনো যুক্তি নাথাটে। যুদ্ধ যে এটা বিশুদ্ধ দুষ্কাৰ্য্য সেইটো গভীৰ বিশ্বাসৰ কথা। যুদ্ধৰ প্ৰতি ঘৃণা প্ৰকাশ কৰাত মই কাৰো ওচৰত মূৰ নোদোঁৱাওঁ। কিন্তু বিশ্বাস এটা কথা আৰু শুদ্ধ অনুশীলন আন এটা কথা। এজন যুদ্ধ-বিৰোধীয়ে তেওঁৰ উদ্দেশ্য সাধনৰ বাবে যি কাম কৰে, সিয়েই আন এজন যুদ্ধবিৰোধীৰ বিক্ষোভ সৃষ্টি কৰিব পাৰে যিজনে হয়তো সিজনৰ ঠিক বিপৰীত কামহে কৰিছে, তথাপি কিন্তু দুয়ো জনৰে হয়তো যুদ্ধৰ বিষয়ে মতামত একেই। এই বৈপৰীত্যৰ কাৰণ হ'ল মানৱ-প্ৰকৃতিৰ মূৰ আচল্লাই কৰি নিয়া জটিলতা। সেই কাৰণে একেমতৰ প্ৰচাৰকসকলৰ ভিতৰতো আনকি পাৰস্পৰিক সহনশীলতা থকা উচিত বুলি মই মাথোঁ ক'ব পাৰোঁ।

এতিয়া চিঠিত লিখা কেইটামান দফাৰ কথা কওঁ, আহক। মোৰ যিখিনি বক্তৃতাত বা লেখাত মই ব্ৰিটেনৰ যুদ্ধত যোগ দিয়াৰ কাৰণে অনুতাপ কৰিছিলোঁ তাক আৰু দোহাৰিব খোজা নাই। মই যি কৈছিলোঁ সি হয়তো আছিল এনেকুৱা—ব্ৰিটেনক সহায় কৰি মই দুখিত হোৱা নাছিলোঁ—যদিও পিছত বিচাৰি পাইছিলো তেওঁলোকৰ নীতিত ভৰি আছিল ভাৰতৰ প্ৰতি অনিষ্ট সাধনৰ আৰু মানৱ সমাজৰ প্ৰতি বিপদ ঘটোৱাৰ চেষ্টা। যদি মই যুদ্ধ হিচাপে তিনিখন যুদ্ধত যোগ দিয়াৰ বাবে অনুশোচনা অনুভৱ কৰিলো হেতেন, তেন্তে তাক মই কেতিয়াও নেপাহৰিলো হেতেন আৰু তাকে দোহাৰি থাকিলোঁ হেতেন। অৱশ্যে, মোৰ যুদ্ধত যোগদান সম্পৰ্কে যদি মোৰ মত সলনি কৰিলোঁ হেতেন তেতিয়া বেলেগ কথা।

কাৰ্য্যকাৰিতা বুলি ক'লে আমি যি বুজোঁ সেই কাৰ্য্যকাৰিতাৰ ফালৰ পৰা কোনো কাম মই কৰা নাই। মই মোৰ যি কাৰ্য্যকলাপৰ কথা বৰ্ণাইছোঁ সেইখিনি শান্তিৰ উদ্দেশ্যক আগুৱাই নিবৰ বাবেহে কৰিছোঁ বুলি মই দাবী কৰোঁ। তাৰ পৰা এইটো বুজিব নালাগিব যে সেই কাৰ্য্যকলাপবোৰে শান্তিৰ উদ্দেশ্যক যথাৰ্থতে আগুৱাই নিছেই। মই মাত্ৰ এইটোহে কৈছোঁ যে মোৰ অভিপ্ৰায় আছিল শান্তি।

অৱশ্যে এটা সম্ভাৱনা আছে যে তেতিয়া মই দুৰ্ব্বল আছিলোঁ আৰু এতিয়াও মই ইমান দুৰ্ব্বল যে মই নিজৰ ভুল নিজে নেদেখোঁ যেনেকৈ অন্ধ মানুহ এটাই তাৰ ওচৰচুবুৰীয়াই যি দেখে তাক নেদেখে। চৰম আত্মপ্ৰৱঞ্চনা আমি যে কিমান কৰিব পৰা হৈছোঁ দিনে দিনে মই তাক লক্ষ্য কৰি আছিছোঁ।

এইখিনি সময়ত কিন্তু মোৰ আত্মপ্ৰৱঞ্চনা আছে বুলি মই নাজানো। মোৰ যি ভাব হৈছে সেইটো হ'ল যিটো মাধ্যমেৰে মই শান্তিক চাইছোঁ সেই মাধ্যম ইউৰোপীয়সকলৰ ওচৰত আচহুৱা। মই যিখন দেশৰ মানুহ সেইখন দেশ বাধ্যত পৰি নিৰস্ত্ৰ হৈ আছে আৰু শ শ বছৰ ধৰি পৰাধীন হৈ আছে। শান্তিৰ প্ৰতি মোৰ দৃষ্টিভঙ্গী হয়তো তেওঁলোকৰ পৰা নিশ্চয় বেলেগ।

এটা উদাহৰণ লওঁ আহক। ধৰক মেকুৰী আৰু নিগনি উভয়ে আন্তৰিকতাৰে শান্তি কামনা কৰে। তেন্তে মেকুৰীবিলাকে যুদ্ধ নকৰোঁ বুলি শপত খাব লাগিব। কিন্তু নিগনিয়ে কি শপত খাব? আনহে নালাগে, সিঁহতৰ মতামতৰ আৱশ্যকেই জানো আছে? আৰু ধৰক মেকুৰীৰ সভাত উপনীত হোৱা চুক্তি কিছুমান মেকুৰীয়ে নামানে আৰু নিগনি চিকাৰ কৰিয়েই থাকে, তেতিয়া নিগনিয়ে কি কৰিব? তাৰ ভিতৰতে দুই এটা আকৌ জ্ঞানীও থাকিব পাৰে, আৰু সিঁহতে ক'ব পাৰে, 'আমি মেকুৰীবোৰৰ আগত নিজে ইচ্ছা কৰিয়েই বলি হমগৈ আৰু এনেকৈ নিগনি পাই পাই সিঁহত যেতিয়া অতি সন্তুষ্ট হৈ নিগনি মৰাত আৰু ৰং নোপোৱা হবগৈ, তেতিয়াহে এৰিব।' সিঁহতৰ আচাৰ নীতি পালন কৰাত সিঁহত সহায় হ'ব। কিন্তু তাৰ ভিতৰতে যদি কিছুমান নিগনি ওলায় যিবোৰে সিঁহতৰ নিপেষক মেকুৰীৰ পৰা লৰি পলোৱাৰ সলনি অস্ত্ৰশস্ত্ৰেৰে সজ্জিত হৈ সিঁহতৰ বিপক্ষে যুদ্ধহে দিয়ে, তেন্তে সেইবোৰ নিগনিৰ প্ৰতি শান্তিপ্ৰেমী হলেও সিবোৰ নিগনিৰ মনোভাব কেনে হ'ব? সেই চেষ্টা বৃথা হ'ব পাৰে। কিন্তু মোৰ ভয় হয়, মই যিবোৰ জ্ঞানী নিগনিৰ কল্পনা কৰিছোঁ সিঁহতে কিজানি শান্তিৰ মনোভাব অটুট ৰাখিও সাহসী আৰু বলী হোৱাৰ অভিপ্ৰায়ত সিঁহতক সহায় কৰিবলৈ বাধ্য হ'ব। সিঁহতে তাকে কৰিব নীতিৰ ফালৰ পৰা নহয়, অতি উচ্চ অভিপ্ৰায়েৰে প্ৰণোদিত হৈ। ঠিক সেইটোৱেই মোৰ মনোভাব। অহিংসা বুজিবলৈ সহজ নহয় তাৰ অনুশীলন কৰিবলৈ আৰু কম সহজ, কাৰণ আমি দুৰ্ব্বল। আমি সকলোৱে ভগবানৰ ওচৰত প্ৰাৰ্থনা কৰি কাম কৰিব লাগিব আৰু অতি নম্ৰভাৱে আৰু নিৰন্তৰে ঈশ্বৰক খাটনি ধৰিব লাগিব আমাৰ চকুস্বৰূপ বোধশক্তি মুকলি কৰি

দিবলৈ। লগে লগে আমি সাজু হৈ থাকিব লাগিব আমি যি পোহৰ দেখা পাওঁ সেইমতে কাম কৰিবলৈ। শান্তি ভালপোৱা আৰু শান্তিৰ হকে কাম কৰা এজন হিচাপে মোৰ এতিয়া কাম হ'ল আমাৰ স্বাধীনতা পুনৰ লাভৰ অভিযান চলাওঁতে অচল অটল ভাবে অহিংস হৈ থকা। আৰু যদি ভাৰতে এনে ধৰণে তাক পুনৰ লাভ কৰাত কৃতকাৰ্য্য হয় তেন্তে পৃথিবীৰ শান্তিলৈ ই আটাইতকৈ মহান্ অবদান হ'ব। গতিকে ইউৰোপীয় যুদ্ধবিৰোধীসকলে ইউৰোপত ভালকৈ জনমত গঠন কৰিব পাৰে, যি জনমতে ব্ৰিটেনক পাছ হুহকি যাবলৈ আৰু ভাৰতত চলি থকা ধ্বংসকাৰ্য্য বন্ধ কৰিবলৈ বাধ্য কৰিব।

ইয় ইণ্ডিয়া ৭ ২ ১৯২৯

[৩৩]

তৰোৱাল বনাম আত্মা

এজন বন্ধুৱে 'মাই মেগেজিন' (My Magazine—মোৰ আলোচনী) ৰ পৰা তলৰ মনোগ্ৰাহী অংশটো মোলৈ দি পঠাইছে

'যুদ্ধৰ দ্বাৰা নেপোলিয়নে যি লাভ পালে আন কোনো বিজেতাই সিমান লাভ পোৱা নাই। নেপোলিয়ন আছিল ফৰাচীসকলৰ সম্ৰাট। কৰ্চিকাৰ এজন তৃতীয়া লেফটেনেণ্ট হিচাপে জীৱন আৰম্ভ কৰি কিছু সময়ৰ কাৰণে তেওঁ কৰ'বাত সীমাৰ সালসলনি কৰি, ক'ৰবাত সিংহাসনকে লুটিয়াই পেলাই ইউৰোপৰ ওপৰত প্ৰভুত্ব কৰিছিল। তথাপি তেওঁ জানিছিল যে, বলৰ ওপৰত নিৰ্ভৰ কৰাটো ভুল। তেওঁ কৈছিল, 'পৃথিবীত মাত্ৰ দুটা শক্তি আছে, সেই দুটা হৈছে তৰোৱাল আৰু আত্মা। অৱশেষত গৈ তৰোৱাল আত্মাৰ হাতত পৰাজিত হবই।' এয়া তেওঁ কৈছিল যুদ্ধত হাৰি নিৰ্বাসিত হোৱাৰ পিছত নহয়, কৈছিল যেতিয়া তেওঁ আছিল কৃতকাৰ্য্যতাৰ উচ্চ শিখৰত।

আমি সুধিব পাৰোঁ, তেন্তে নেপোলিয়নে যদি যুদ্ধৰ অনাৱশ্যকতাৰ কথা ইমান সৰলভাৱে জানিছিলেই তেন্তে কিয় তেওঁ যুদ্ধ কৰি ফুৰিছিল? ৰাটাবলুত হাতৰ পৰা কাঢ়ি নিনিয়ালৈকে তেওঁ কিয় তৰোৱাল ব্যৱহাৰ কৰি ফুৰিছিল? আংশিকভাৱে তাৰ কাৰণটো আছিল এয়ে যে, আমাৰ বাকীবিলাকৰ দৰে নেপোলিয়নে মুখেৰে যি প্ৰচাৰ কৰিছিল তাক কামেৰে অনুশীলন কৰিব নোৱাৰিছিল কিন্তু আকৌ আংশিকভাৱে এইটোও আছিল যে আন ৰজা আৰু সম্ৰাটবিলাকে তেওঁক তাকে নকৰিলে নেৰিছিল।

তেওঁলোক নেপোলিয়নৰ দৰে জ্ঞানী নাছিল। তেওঁ যেতিয়া শান্তি স্থাপন কৰিব লাগে বুলি কৈছিল, তেতিয়া তেওঁৰ আন্তৰিকতাক কোনেও বিশ্বাস নকৰিছিল। এখন যুদ্ধৰ পিছতে তেওঁ অষ্ট্ৰিয়াৰ সম্ৰাটলৈ এই ব্যক্তিগত গোহাৰিখন লিখিছিল।

'হাজাৰ হাজাৰ ফৰাচী আৰু অষ্ট্ৰিয়াবাসী মৰিছে। এই ভয়াবহ ঘটনা বিশাক চলি থকাৰ সম্ভাৱনাই মোৰ মনত ইমান বেছিকৈ দুখ দিছে যে মই আপোনালৈ ব্যক্তিগতভাৱে এখন গোহাৰি পঠাইছোঁ। শোকত পীড়িত হৈ আৰু ১৫,০০০ মৃতদেহৰ দ্বাৰা চৌপাশে আবৃত হৈ মহাৰাজৰ ওচৰত মই কাকুতি কৰিছোঁ, এটা জৰুৰী সংকেতবাণী মই আপোনাক দিছোঁ। ঘটনা-স্থলীৰ পৰা আপুনি বহু নিলগত। ঘটনাস্থলীতে থকাৰ কাৰণে মোৰ অন্তৰত যিমান বেছিকৈ লাগিছে আপোনাৰ অন্তৰত সিমান লাগিব নোৱাৰে।

'আমাৰ চাম মানুহক শান্তি আৰু স্থিৰতা দিওঁ আহক। ইয়াৰ পিছৰ মানুহে যদি মূৰ্খালি কৰি মৰামৰি কটাকটি কৰে তেন্তে কিছু বছৰ যুদ্ধ কৰি কৰি সিহঁতে জ্ঞান লাভ কৰিব আৰু তেতিয়া ইজনে সিজনে শান্তিৰে বাস কৰিব।"

ভাৰতবৰ্ষই কংগ্ৰেছৰ যোগেদি অহিংসা নীতি মানি লৈছে। আশা কৰোঁ ভাৰতবৰ্ষই সেই নীতিকে মানি থাকিব আৰু তৰোৱালৰ অভিশাপত কেঁকাই থকা পৃথিৱীখনক কাৰ্য্যেৰে দেখুৱাই দিব যে ব্যক্তিৰ ক্ষেত্ৰত যেনেকৈ দেখুওৱা হ'ল যে আত্মাই তৰোৱালৰ ওপৰত সদায় জয়লাভ কৰি আহিছে, তেনেকৈ জাতিৰ ক্ষেত্ৰতো জয় লাভ কৰেই।

ইয়ং ইণ্ডিয়া ১৪ ২ ১৯২৯

[৩৪]

বিবেকৰ বাবে

'পেক্স ইণ্টাৰনেশ্যনেল্' হৈছে জেনেভাৰ ৰিউ ডি ভাইআক্স কলেজত (Geneva 12 rue de Vieux-College) শান্তি আৰু স্বাধীনতাবাদী আন্তৰ্জাতিক নাৰী-সন্মিলনৰ (Women s International League for Peace and Freedom) হৈ ছপা হোৱা এখন মাহেকীয়া আলোচনী। নবেম্বৰ সংখ্যাৰ এই আলোচনী এখন মোৰ সন্মুখতে আছে। তাত এই ছেদটো আছে

"যুগোশ্লাভিয়াত নাজাৰিনসকলৰ ধৰ্মীয় সংস্থাৰ ৭২জন সভ্যই অস্ত্ৰ ধাৰণ কৰিবলৈ অমান্তি হোৱাত তেওঁলোকক ছেইভ জিলাৰ সামৰিক আদালতে দহ বছৰ কাৰাদণ্ড দিছে। দোষী বুলি সাব্যস্ত কৰা সকলো কেইজনেই একেটা অপৰাধৰ বাবে ৫ বছৰ কাৰাবাস ভোগ কৰিলেই। গোটেই পৃথিবীৰ শান্তিৰ বন্ধুসকলে এই অমানুষিক শাস্তি বিধানৰ বিপক্ষে জ কি উচিত, এই শাস্তিবিধানৰ পুনৰ বিবেচনাৰ দাবী কৰা উচিত।"

পাশ্চাত্য জগতত ই এটা মন কৰিবলগীয়া জাগৰণ এই শান্তি আন্দোলন। ঘৃণাৰ বিধি মানি চলাতকৈ, প্ৰেমৰ বিধি মানি চলা ৭২জন সম্মানিত লোকে অস্ত্ৰ লবলৈ অমান্তি হোৱাৰ কাৰণে এটা শাসন ব্যৱস্থাৰ আইনমতে দহ বছৰ কাৰাদণ্ড ভূগিব লগীয়া হোৱাটো যে সন্তুৱ সিয়ে প্ৰমাণ কৰে যে সেই শাসন ব্যৱস্থা অতি বৰ্ব্বৰ। পৃথিবীৰ বিবেকে এই অসভ্য শাস্তিবিধানক অস্বীকাৰ কৰক নকৰক, আৰু এই অস্বীকৃতিয়ে যুগোশ্লাভিয়াৰ ওপৰত কিবা প্ৰতিক্ৰিয়া কৰক নকৰক, এইটো ঠিক যে, সেই শাসন ব্যৱস্থাৰ এতিয়া এনেকুৱা লেলাই ধেন্দাই থকা অৱস্থা পাইছেগৈ যে কোনোমতে জীয়াই থাকিবলৈকে নিৰ্দোষ সম্মানিত নাগৰিকসকলৰ ওপৰত বৰ্ব্বৰ শাস্তি বিধান কৰিব লগা হৈছে। সেই সাহসী নাজাৰিনসকলক মই সসম্মান অভিনন্দন জনাইছোঁ। মই আশা কৰোঁ যুগোশ্লাভিয়াৰ বিবেকে তেওঁলোকক সুদীৰ্ঘ দহ বছৰ ধৰি ফাটেকত বুৰ গৈ থাকিবলৈ নিদিব।

ইয়ং ইণ্ডিয়া ১৪ ২ ১৯২৯

[৩৫]

নাৰী আৰু যুদ্ধ

পশ্চিমত যুদ্ধৰ বিপক্ষে এটা সাৰ্থক আন্দোলনে স্থিৰভাবে গা কৰি উঠিছে। পশ্চিমৰ নাৰীসকলে এই আন্দোলনত একেবাৰেই আগভাগ নললেও, আটাইতকৈ উল্লেখযোগ্য অংশগ্ৰহণ কৰিছে। শান্তি স্বাধীনতাবাদী আন্তৰ্জাতিক নাৰী সম্মেলনে জানুৱাৰিৰ চাৰি তাৰিখে ফ্ৰেংকফৰ্ট অন-মেইনত বহা অধিবেশনত তলত দিয়া এই অন্তৰ পৰশা গোহাৰিখন প্ৰকাশ কৰিছে

"আগৰ দিনত যুদ্ধ কেৱল একোজোখৰ নিৰ্দিষ্ট ঠাইতহে হৈছিল, দুষ্কাৰ্য্যটো এডোখৰ ঠাইতে আবদ্ধ আছিল ;

আজিকালি যুদ্ধ এবাৰ আৰম্ভ হ'লে সি সকলো ঠাইলৈকে বিয়পি পৰে।

আগৰ দিনত কেৱল এখন ঠাই ভয় আৰু বিংশ্ৰৃত পৰিছিল, আজিকালি গোটেই পৃথিৱীখনেই বল্‌কানৰ অৱস্থা প্ৰাপ্ত হৈছে। পৃথিৱীৰ সকলো অংশতে একে সময়তে বিভিন্ন কেন্দ্ৰৰ পৰা জুই জ্বলি উঠে।

ইয়াতকৈ বেছি ভয়াবহ ৰূপ লৈ যুদ্ধই আগতে কেতিয়াও পৃথিৱীক ভীতি প্ৰদৰ্শন কৰা নাই।

যুদ্ধই আগতে কেতিয়াও ইমান বিশাল ভূখণ্ডক ভীতি প্ৰদৰ্শন কৰা নাই।

আধুনিক যুদ্ধ পদ্ধতিয়ে যিমান অগণন জনসংখ্যাক ভীতি-প্ৰদৰ্শন কৰিছে, যুদ্ধই আগেয়ে সিমান কেতিয়াও কৰা নাই।

এতিয়া ই আৰু দুটা ভেৰোনীয়া সেনাবাহিনীৰ মাজৰ কাজিয়া হৈ থকা নাই,

এতিয়া ই আৰু কেৱল যুদ্ধলৈ আগবাঢ়ি অহা ডেকাসকলৰ যুদ্ধৰ প্ৰশ্ন নহয়

সমগ্ৰ জাতিসমূহকে ভীতি-প্ৰদৰ্শন কৰা হৈছে।

বিজ্ঞানে যি ধ্বংসৰ পদ্ধতিৰ অৱতাৰণা কৰিছে আৰু দিনে দিনে ভুল ক্ৰটি নোহোৱা কৰি তুলিছে তাৰ সহায়েৰে কি নতুন ধৰণৰ যুদ্ধ হ'বগৈ তেওঁলোকে জানে নে?

ৰেডিঅ' চালিত চালকবিহীন বিমানে বিহ গেচ, বোমা আৰু অগ্নিবোমা কঢ়িয়াই নি কেই মিনিটমানৰ ভিতৰতে লণ্ডন, পেৰিচ, বাৰ্লিনৰ নিচিনা ডাঙৰ ডাঙৰ মহানগৰীবিলাক একে সময়তে ধ্বংস কৰি পেলাব পাৰে, তেওঁলোকে জানে নে?

বিহ গেচে যে কেৱল কেতিয়াবা বজ্ৰপাতৰ দৰে, কেতিয়াবা বহুত দিন ধৰি ভোগা ভয়াবহ কষ্টৰ পিছত মানুহক ধ্বংস কৰিয়েই নেৰে। পৃথিৱীৰ ভিতৰলৈ সোমাই গৈ মাটিৰ তলত থকা পানীকে আদি কৰি সকলো বস্তুকে যে বিষাক্ত কৰি পেলায় তেওঁলোকে জানে জানো?

তেওঁলোকে জানে নে অগ্নিবোমাই ৰাসায়নিক সংমিশ্ৰণ ঘটাই ১০০০ ডিগ্ৰী তাপমাত্ৰা সৃষ্টি কৰিব পাৰে আৰু সেই তাপমাত্ৰাই কিবা দৈবিক

ৰহস্যৰ তলত বিহ্ গেচৰ আগত সাৰি যোৱা বস্তুৰ সকলোকে ধ্বংস কৰিব পাৰে ?

এনেকৈয়ে যে নতুন যুদ্ধ এখন হলে সি জাতিসমূহকে যুগপৎ ধ্বংস কৰিব পৰা যুদ্ধ হ'ব আৰু সেই যুদ্ধই গোটেই সভ্যতাকে বিপদগ্ৰস্ত কৰি পেলাব তাক তেওঁলোকে উপলব্ধি কৰিছে নে ?

এতিয়া, যদি অস্ত্ৰসজ্জাৰ প্ৰতিযোগিতা চলি থাকে আৰু সকলো ৰাষ্ট্ৰকে ধ্বংসৰ ফালে আগুৱাই লৈ গৈ থাকে, তেন্তে এটা নতুন সংঘৰ্ষৰ সূত্ৰপাত হোৱাটো একোৱে বাধা দিব নোৱাৰে।

জনসাধাৰণক এতিয়া যি পৰিসৰ আৰু গভীৰতাৰে বিপদে দেখা দিছে তাক জনাই দিয়াটো এটা কৰ্ত্তব্য।

বিজ্ঞানে ক্ৰুটিহীন কৰি তোলা ৰাসায়নিক আৰু জীবাণু সংঘটিত ধ্বংস পদ্ধতিৰ বিৰুদ্ধে লোৱা প্ৰতিৰক্ষা ব্যৱস্থা যে ব্যৰ্থ তাক দেখুৱাই দিয়াটো এটা কৰ্ত্তব্য।

ৰুছিয়াই ১৯২৭ চনৰেপৰা নিৰস্ত্ৰীকৰণৰ প্ৰস্তাব দি আছে। 'যুদ্ধ ত্যাগ'ৰ চুক্তিত বহুসংখ্যক ৰাষ্ট্ৰই স্বাক্ষৰদান কৰিছে।

এই ত্যাগৰ যুক্তিযুক্ত পৰিণতি নিৰস্ত্ৰীকৰণেইহে হ ব পাৰে।

আৰু নতুনকৈ যুদ্ধ নোহোৱা কৰিবৰ হলে এইটোৱেইহে একমাত্ৰ উপায়।

যদি আমাৰ লগতে আপুনিও এইখিনি কথাত প্ৰত্যয় মানিছে, তেন্তে যদি আপুনি আমাক বেছি একো দি সহায় কৰিব নোৱাৰে অন্তত আপোনাৰ নামটো দি আপোনাৰ নৈতিক সমৰ্থন দিয়ক আৰু তাৰ দ্বাৰাই আমি চলোৱা অভিযানৰ সাফল্য অনিবাৰ্য্য কৰি তোলক।

আৰু আপোনাৰ সাধ্যানুসৰি আৰ্থিক সাহায্যেৰে আমাক সহায় কৰক।"

আৰ্থিক সাহায্য দিবলৈ আমি দুখীয়া। তাৰ উপৰি, যুদ্ধত যোগ দিবলৈ আমিটো এটা জাতি নহওঁ। আমাৰ নিজৰ অৱস্থা ঘূৰাই নোপোৱালৈকে পৃথিবীত কেতিয়াবা যুদ্ধ হ'লে আমি তাৰ কবলত পৰিবই লাগিব। কিন্তু আন্দোলনলৈ আৰ্থিক আৰু নৈতিক সাহায্যতকৈও মূল্যবান সাহায্য আগবঢ়াব পাৰোঁ যুদ্ধৰ দৰে কোনো ব্যৱস্থা নোলোৱাকৈ অহিংসাৰ দ্বাৰা আমাৰ স্বাধীনতা পুনৰ লাভ কৰি। পৃথিবীৰ শান্তিৰ বন্ধুসকলৈ মই এটা কথা

আঙুলিয়াই দিব খুজিছোঁ যে ১৯২২ চনতে, অহিংস আৰু সত্যনিষ্ঠ উপায়েৰে ভাৰতে নিজৰ প্ৰাপ্য স্বৰাজ লাভ কৰিম বুলি ঘোষণা কৰি শান্তিৰ অভিমুখে এটা বিৰাট পদক্ষেপ ললে। আৰু মই এই বিষয়ে নিসন্দেহ যে আমি যদি আমাৰ লক্ষ্য সাধনত অচল অটলভাবে সেই উপায়কে অৱলম্বন কৰি থাকোঁ তেন্তে আমি পৃথিবীৰ শান্তিৰ বাবে শ্ৰেষ্ঠ অৱদান আগবঢ়োৱা হব।

ইয়ং ইণ্ডিয়া ২১ ৩ ১৯২৯

[৩৬]

এটা জটিল সমস্যা

ৰেভ বি ডি লিগটে যুদ্ধৰ প্ৰতি মোৰ মনোভাৱ সম্পৰ্কে তেওঁ মোলৈ লিখা মুকলি চিঠিত যি প্ৰশ্ন তুলিছে তাৰ ওচৰ চাপোঁতে মোৰ মনলৈ অপাৰগতাৰ ভাৱ নহাকৈ থকা নাই। মই মনে মনে থাকিলে মানুহে মোক ভুল বুজিব। বুজিলেও, মই যি আহুকলীয়া পৰিস্থিতিত পৰিছোঁ তাৰ পৰা হাত সৰাৰ ই এটা সহজ উপায়। যি কেইবাৰ মই যুদ্ধত অংশগ্ৰহণ কৰা বুলি কোৱা হৈছে সেই কেইবাৰ মই তেনে কৰি ভুল কৰিছোঁ বুলি কোৱাটো আৰু সহজ। কিন্তু অতি বন্ধুত্বপূৰ্ণভাবে কৰা প্ৰশ্নৰ উত্তৰ নিদিয়াটো আটাইতকৈ অবন্ধুত্বপূৰ্ণ কাম হ'ব; আৰু মই মনে মনে অনুতাপ নকৰাকৈ মিছাতে কেতিয়াও অনুতাপ কৰাৰ ভাও নধৰোঁ। প্ৰশ্নটোৰ এটা আলোচনা-বিলোচনাৰ পৰা আঁতৰি থাকিবৰ কাৰণে মোৰ মনত এটা উদ্বিগ্নতা আছে। কিন্তু সেইটো মোৰ বিশ্বাসৰ অভাৱৰ কাৰণে নহয়, সেইটো হৈছে এই ভয়ত যে, মই হয়তো মোৰ কথাখিনি পৰিষ্কাৰকৈ বুজাই দিব নোৱাৰিম আৰু যুদ্ধৰ প্ৰতি মোৰ মনোভাৱৰ বিষয়ে মই নিবিচৰা এটা ধাৰণা মানুহৰ মনত সৃষ্টি হ'ব। প্ৰায়েই মোৰ মনৰ মূল অনুভূতি কিছুমান প্ৰকাশ কৰিবৰ কাৰণে ভাষাক এটা অসমৰ্থ বাহন যেন হে লাগে। সেই কাৰণে মি' বি ডি লিগ্‌ট আৰু আন আন তেওঁৰ লগৰীয়া যুদ্ধ প্ৰতিবোধীসকলক খাটনি ধৰিছোঁ তেওঁলোকে যেন মোৰ দোষযুক্ত আৰু অসম্পূৰ্ণ যুক্তিত অসন্তুষ্ট নহয়। তাতকৈও, মই যুদ্ধৰ বিষয়ে বাহিৰত যি প্ৰচাৰ কৰোঁ তাৰ লগত মই যুদ্ধত যোগ দিয়া কথাটোৰ সঙ্গতি বিচাৰি নেপাই তেওঁলোকে যেন মোক বেয়া নাপায়। যি কোনো যুদ্ধৰ বিপক্ষে থিয় দিয়াত মই কেতিয়াও আপোচ নকৰোঁ বুলি যেন

তেওঁলোকে মোক বুজে। মোৰ যুক্তি যদি তেওঁলোকে আয়ত্ত কৰিব নোৱাৰে তেন্তে সেইটো মোৰ অজ্ঞাতে হোৱা দুৰ্বলতাৰ বাবেহে হৈছে বুলি যেন ভাবে। কাৰণ, মই কৰা কামৰ চেলু লৈ কোনোবাই কোনো পৰিস্থিতিত যুদ্ধক ন্যায়সঙ্গত বুলি কোৱা জানিলে মোৰ বৰ দুখ লাগিব।

কিন্তু এই খিনিকে কৈ, মি বি ডি লিগ টৰ চিঠিৰ বিষয় বস্তুক লৈ লিখা প্ৰবন্ধত মই যি যুক্তিৰ অৱতাৰণা কৰিছোঁ তাতে ভিৰ দি থাকিবই লাগিব। ইউৰোপীয় যুদ্ধ প্ৰতিৰোধীসকলে তেওঁলোক আৰু মোৰ মাজত থকা মূল পাৰ্থক্যটো বুজি লওক। তেওঁলোকে কোনো শোষিত জাতিৰ প্ৰতিনিধিত্ব নকৰে আৰু মই প্ৰতিনিধিত্ব কৰোঁ পৃথিবীত আটাইতকৈ বেছি শোষিত যি জাতি সেই জাতিৰ। প্ৰতিনিধিত্ব ভাল নলগা তুলনা হলেও মই কৈছোঁ তেওঁলোক জানিবা মেকুৰী আৰু মই নিগনি। নিগনি এটাৰ অহিংসাৰ আনকি ধাৰণাও কিবা থাকে নে ? যুদ্ধক্ষেত্ৰত অহিংসা বিধিৰ গুণ, মাহাত্ম্য, সাৰ্বভৌমত্ব বুজি পাবলৈ শিকোৱাৰ আগতেই সফল হিংসাকাৰ্য্য সম্পাদন কৰাটো তাৰ এটা মূল প্ৰয়োজন নহয়নে ? ধ্বংস নকৰাটো যে শ্ৰেয় সেই শিক্ষা দিবলৈকে হলেও মুৰব্বী জনক ধ্বংসৰ অভিলাষত ইন্ধন যোগোৱাটো নিগনি জাতিৰ প্ৰতিনিধি হিচাপে মোৰ পক্ষে প্ৰয়োজনীয় হব নোৱাৰে নে ?

মেকুৰী আৰু নিগনিৰ উদাহৰণৰ ইমানতে সামৰণি পৰিল। নিজৰ স্বভাৱ সলনি কৰিবৰ কাৰণে নিগনিটোৰ সামৰ্থ্য নাই। কিন্তু যিকোনো জাতিৰে বা যিকোনো বৰ্ণৰে এজন মানুহে তেওঁ যিমানেই ভ্ৰষ্ট বা নষ্ট চৰিত্ৰৰ হওক লাগে, আগতে কোনোবাই পাই যোৱা শীৰ্ষ স্থান পাবগৈ পাৰে। গতিকে মোৰ দেশৰ মানুহৰ যুদ্ধৰ বাবে কৰা প্ৰস্তুতিৰ কাৰণে যিখিনিৰ আৱশ্যকতা তাক পূৰণ কৰাৰ পথত ময়ো বহুত দূৰলৈকে তেওঁলোকৰ সহযাত্ৰী হলেও, তাকে মই কৰিম সেই মানুহবিলাকক যুদ্ধৰ পৰা আঁতৰাই অনাৰ আশাৰে আৰু এদিন গৈ যে তেওঁলোকে ইয়াৰ ব্যৰ্থতা উপলব্ধি কৰিব সেই আশাৰে। মনত ৰাখিব লাগিব, যুদ্ধৰ উদ্দেশ্যে মোক আন কি নিজকে আগবঢ়াই দিয়া যেন লাগিলেও, বুৰজীয়ে জনা আটাইতকৈ বিৰাট পৰিসৰৰ গণ আন্দোলনৰ মই পৰীক্ষা চাব খুজিছোঁ। কৌশলৰ অভাৱত হয়তো সেই পৰীক্ষা কৃতকাৰ্য্য নহবও পাৰে। কিন্তু একেজন মানুহেই এপিনে যুদ্ধৰ বাবে প্ৰস্তুতি চলোৱা মানুহৰ লগতো হলিগলি কৰিছে আৰু আনপিনে অহিংসাৰ এটা সাহসী পৰীক্ষা চলাইছে—ভাৰতত ঘটি থকা এনে এটা ঘটনাৰ স্বৰূপ বুজিবলৈ আৰু

আয়ত্ত কৰিবলৈ ইউৰোপৰ যুদ্ধ প্ৰতিবোধীসকলে যৎপৰোনাস্তি চেষ্টা কৰা উচিত।

মোৰ দেশবাসীক মই যদি অহিংসাৰ পথলৈ কেতিয়াবা আনিব পাৰিম বুলি আশা কৰোঁ তেন্তে তেওঁলোকৰ ভাব অনুভূতিৰ ভাগ লওঁ মোৰ লাগিব। এইটো অহিংসাৰ আঁচনিৰে এটা অংশ। চমৎকাৰ ঘটনা হৈছে কি—মানক নামানক, শিক্ষিত ৰাজনীতিককে ধৰি ভাৰতত সকলোৱে বিশ্বাস কৰে যে জনসাধাৰণক শ শ বছৰ ধৰি পৰাধীনতাৰ পৰা ৰক্ষা কৰিব পাৰিব অহিংসাইহে। সচা কথা অহিংসাৰ অনিবাৰ্য্য ফলাফল কি হ'ব সকলোৱে ধৰিব পৰা নাই। কোনেনো পাৰে? অহিংসাৰ সত্যতা জানো, আৰু তাক অনুশীলন কৰিবলৈ সাধ্যানুসাৰে যত্ন কৰোঁ বুলি মই গৰ্ব্ব কৰোঁ যদিও, প্ৰায়েই এই নীতিৰ অনিবাৰ্য্য ফলাফল কি হ'বগৈ মই বিচাৰি উলিয়াব নোৱাৰোঁ। মানুহৰ অন্ত কৰণত প্ৰকৃতিৰ ক্ৰিয়া কি ধৰণে চলে সি ৰহস্যজনক আৰু তাক ব্যাখ্যা কৰিবলৈ যোৱাটো বৃথা চেষ্টা।

এইটো মই জানো যে, দেখ দেখকৈ অহিংসাকে অবলম্বন কৰি ভাৰতে যদি নিজৰ অৱস্থা ঘূৰাই পাব পাৰে, তেন্তে ভাৰতে কেতিয়াও এটা বিশাল স্থল সৈন্যবাহিনী, আৰু তাৰ সমানেই এটা নৌ বাহিনী আৰু তাতকৈও বিৰাট এটা বিমান বাহিনী পুহিবলৈ কেতিয়াও নিবিচাৰিব। ভাৰতবৰ্ষৰ আত্মচেতনা যিমান উচ্চ স্তৰলৈ উঠিলে স্বাধীনতাৰ অহিংস যুদ্ধত কৃতকাৰ্য্যতা লাভ কৰিব পাৰিব সিমান উচ্চ স্তৰলৈ যদি উঠে, তেন্তে পৃথিবীৰ মূল্যবোধৰ সলনি হৈ যাব আৰু যুদ্ধৰ বহুতবোৰ সা সৰঞ্জাম অকৰ্ম্মণ্য বুলি প্ৰতিপন্ন হব। এনে এখন ভাৰতবৰ্ষৰ কল্পনা হয়তো দিবাস্বপ্ন, সৰু লৰাছোৱালীয়ে কৰা এটা ভুল। কিন্তু মোৰ মতে ভাৰতবৰ্ষ যদি অহিংসাৰ যোগেদি স্বাধীন হয় তেন্তে এইখিনি কথাই আনুষঙ্গিক ভাবে তাৰ অনুসৰণ কৰিব।

সেই স্বাধীনতা যেতিয়া আহিব, যদি কেতিয়াবা আহে, তেন্তে সি আহিব ব্ৰিটেনৰ লগত এটা ভদ্ৰলোকৰ বুজাবুজিৰ মাজেদিহে। কিন্তু সেই ব্ৰিটেন পৃথিবীত সাৰ্বভৌম শক্তি হবলৈ ছল চক্ৰান্ত কৰি ফুৰা ব্ৰিটেন নহব, সেই ব্ৰিটেন হ'ব মানৱ সমাজৰ উমৈহতীয়া উদ্দেশ্য সাধনৰ বাবে চেষ্টা কৰা ব্ৰিটেন। ব্ৰিটেনে কৰা শোষণৰ যুদ্ধলৈ আৰু ভাৰতবৰ্ষক অসহায় অৱস্থাত পেলাবলৈ কোনেও টানি নিব নোৱাৰিব। কিন্তু তেতিয়া ভাৰতবৰ্ষৰ মাত হব এটা শক্তিশালী জাতিৰ মাত—যি জাতিয়ে পৃথিবীৰ সকলো হিংস শক্তিক সংযত কৰি ৰাখিবলৈ বিচাৰিব।

এই সকলোবোৰ কল্পনা বাস্তৱত পৰিণত হওক নহওক মোৰ জীৱন-ৰেখা কিন্তু দকৈ বহি গ'ল। এতিয়া আৰু সম্ভাব্য কোনো পৰিস্থিতিতে ব্ৰিটেনৰ যুদ্ধত ভাগ লব নোৱাৰোঁ। আৰু এই কেই পৃষ্ঠাত মই কৈ আহিছোঁ যে, যদি ভাৰতে (মোৰ কাৰণে তথাকথিত) স্বাধীনতা হিংস উপায়েৰে লাভ কৰে, তেন্তে ভাৰতবৰ্ষ আৰু মোৰ গৰ্ব্বৰ দেশ হৈ নাথাকিব, সেই সময়টো মোৰ কাৰণে হ'ব সামাজিক মৃত্যুৰ সময়। সেই কাৰণে প্ৰত্যক্ষভাবেই হওক বা পৰোক্ষভাবেই হওক, ভাৰতবৰ্ষই কৰা কোনো শোষণৰ যুদ্ধতে মই যোগ দিয়াৰ প্ৰশ্ন কেতিয়াও উঠিব নোৱাৰে।

কিন্তু এই কেই পৃষ্ঠাত মই ইয়াৰ আগতে দেখুৱাই আহিছোঁ যে পশ্চিমৰ যুদ্ধ প্ৰতিৰোধীসকলেও আনকি শান্তিৰ সময়তো যুদ্ধত অংশ গ্ৰহণ কৰাহে হয়, কিয়নো তাৰ কাৰণে যি প্ৰস্তুতি কৰা হৈ আছে আৰু আন ধৰণে চৰকাৰক ৰক্ষা কৰি আছে আৰু সেই চৰকাৰৰে এই যুদ্ধ প্ৰস্তুতিয়েই প্ৰধান কাম। আকৌ যেতিয়ালৈকে আধুনিক যুদ্ধৰ কাৰণ বুজি পোৱা নহয় আৰু তাক একেবাৰেই শেষ কৰাকৈ কিবা এটা কৰা নহয় তেতিয়ালৈকে যুদ্ধ কৰিবলৈ কৰা সকলো কাৰ্য্যই ব্যৰ্থ হ'ব। বৰ্ত্তমান যুদ্ধ সমূহৰ প্ৰধান লক্ষ্য পৃথিবীৰ তথাকথিত নিশকতীয়া জাতিবিলাকক শোষণ কৰাৰ অমানুষিক প্ৰতিযোগিতা নহয় নে ?

ইয়ং ইণ্ডিয়া ৯ ৫ ১৯২৯

[৩৭]

কেলগ চুক্তি

"শান্তি আৰু স্বাধীনতাৰ কাৰণে গঠিত হোৱা আন্তৰ্জাতিক মহিলা সম্মিলনৰ যোৱা অধিবেশনত গৃহীত হোৱা গোহাৰি এটাত তলত দিয়া কথাখিনিৰ উল্লেখ আছে 'যুদ্ধ পৰিহাৰ নীতি সমৰ্থন কৰি সম্প্ৰতি যি চুক্তিপত্ৰ গ্ৰহণ কৰা হৈছে তাত কেবাখনো দেশে স্বাক্ষৰ কৰিছে। এই স্বাক্ষৰদানৰ ন্যায়সঙ্গত অৰ্থ এয়ে যে স্বাক্ষৰকাৰী দেশসমূহে সামৰিক সাজ-সজ্জা বৰ্জন কৰিবলৈ মান্তি হৈছে। যুদ্ধ বন্ধ কৰাৰ এইটোৱে অতি উৎকৃষ্ট উপায়।' যোৱা ২১ মাৰ্চ্চৰ ইয়ং ইণ্ডিয়া কাগজত এই গোহাৰিটো প্ৰকাশ কৰা হৈছে। গোহাৰিটো পঢ়ি আমাৰ পাঠকসকলে এই চুক্তিপত্ৰ খনৰ বিষয়ে অলপ জানিবলৈ বিচৰাটো

স্বাভাৱিক। চুক্তিপত্ৰখন কেলগ চুক্তিপত্ৰ হিচাপে জন্মাজাত। এই চুক্তিপত্ৰখনৰ প্ৰচুৰ সম্ভাৱনা আছে। সেইকাৰণে ইয়াৰ থূলমূল আভাস আমাৰ কাগজত দাঙি ধৰা হ'ল।

এই চুক্তিপত্ৰখন এক বিৰাট আন্দোলনৰ ফল। যুদ্ধ আইন-বিগৰ্হিত কাম বুলি ঘোষণা কৰাৰ উদ্দেশ্যে আমেৰিকাত এই আন্দোলন গঢ়ি উঠিছিল। ১৯২০ চনত মি এচ, ও, লেভিনচনে এই আন্দোলন আৰম্ভ কৰিছিল। আন্দোলনৰ শক্তি ক্ৰমাৎ বৃদ্ধি পাইছিল আৰু আমেৰিকাৰ বিধান সভাত ইয়াৰ প্ৰতিধ্বনি শুনিবলৈ পোৱা গৈছিল। বিধান সভাত মি° লেভিনচনৰ প্ৰতিনিধিত্ব কৰিছিল চিনেটৰ বোৰাই। চিনেটৰ বোৰা এজন প্ৰতিভাশালী আৰু কাৰ্য্যদক্ষ লোক। ১৯২৩ চনত তেওঁ এটা প্ৰস্তাৱৰ যোগেদি কৈছিল যে আমেৰিকাই সকলো সভ্য জাতিকে আমন্ত্ৰণ কৰি আনি এখন সভা পাতি এই কথা আলোচনা কৰিব লাগে যে যুদ্ধনীতি সভ্যতাৰ পৰিপন্থী আৰু সেইকাৰণেই সকলো দেশেই একমুখে যুদ্ধ বে আইনী বুলি ঘোষণা কৰিব লাগে আৰু যুদ্ধত লিপ্ত হোৱা যি কোনো দেশকে আন্তৰ্জ্জাতিক শান্তিভঙ্গকাৰী দেশ হিচাপে দণ্ডবিধান কৰাৰ ব্যৱস্থা কৰিব লাগে। মি° বোৰাৰ প্ৰস্তাৱত প্ৰথমতে কোনোৱে বিশেষ একো মূল্য দিয়া নাছিল। কিন্তু কথা অকল প্ৰস্তাৱৰ মাজতে আবদ্ধ হৈ নাথাকিল। মি লেভিনচনে এই উদ্দেশ্যে এখন 'বেআইনী কৰা সমিতি' স্থাপন কৰিলে আৰু ধীৰস্থিৰ ভাৱে জনমত সংগঠন কৰি যাবলৈ ধৰিলে। লগে লগে মি° বোৰাইও বিধান সভাত এই সম্পৰ্কে পুন পুন প্ৰস্তাৱ উত্থাপন কৰি যাবলৈ ধৰিলে। এইদৰে কোৱামেলা হৈ থাকিলত মি° বোৰাৰ প্ৰস্তাৱত মানুহে মূল্য দিবলৈ আৰম্ভ কৰিলে। বিশেষকৈ আমেৰিকাৰ মহিলাসকলে এই কামত আগভাগ লবলৈ ধৰিলে। প্ৰায় দুবছৰ আগেয়ে মি লেভিনচনে গোটেই ইউৰোপ ভ্ৰমণ কৰে। এই ভ্ৰমণৰ সময়ত তেওঁ শান্তি আন্দোলনৰ বাণী বহলভাৱে প্ৰচাৰ কৰে। ফলত এই আদৰ্শই মানুহৰ অন্তৰত দকৈ শিপাই লয়।

১৯২৭ চনৰ এপ্ৰিল মাহৰ কথা। আমেৰিকাই যুদ্ধত প্ৰবেশ কৰাৰ তেতিয়া দহ বছৰ হৈছে। এই উল্লেখযোগ্য দিনটোত অনুষ্ঠিত হোৱা সভা এখনত ভাষণ দি ফ্ৰান্সৰ পৰৰাষ্ট্ৰ সচিব মছিয়ে ব্ৰিয়াণ্ডে কয় যে, তেওঁ যুক্তৰাষ্ট্ৰৰ লগত যি কোনো সময়তে যুদ্ধবিৰতিৰ চুক্তিপত্ৰত চহী কৰিবলৈ ৰাজী আছে। আমেৰিকা আৰু ফ্ৰান্সৰ মাজত এনে এখন চুক্তিপত্ৰ গৃহীত

হব লাগে যাৰ বলত যুদ্ধ বেআইনী বুলি দুয়ো দেশে স্বীকাৰ কৰি লবলৈ সক্ষম হব। ১৯২৭ চনৰ জুন মাহত তেওঁ আমেৰিকাৰ ৰাষ্ট্ৰসচিব মি কেলগৰ ওচৰত এই মৰ্মে এটা প্ৰস্তাৱ দাখিল কৰে। প্ৰস্তাবৰ উত্তৰত মি কেলগে জনায় যে, এই প্ৰস্তাবৰ লগত গোটেই বিশ্বৰে স্বাৰ্থ নিহিত আছে আৰু এই চুক্তি মাত্ৰ দুখন দেশৰ মাজতে আৱদ্ধ নাৰাখি সকলো সভ্যজাতিকে ইয়াত যোগদান দিবলৈ আহ্বান জনোৱা উচিত। মি কেলগৰ ভাব মি° লেভিনচনৰ আদৰ্শৰ লগত সাইলাথ মিলে। এই সম্পৰ্কে যিমান চিঠিপত্ৰৰ আদান-প্ৰদান হৈছে তাক ইয়াত আলোচনা কৰাৰ সকাম নাই। মি° কেলগে এই কামত অতি দৃঢ়ভাবে আগবাঢ়ি গ'ল। ইংলণ্ড আৰু ফ্ৰান্সৰ পৰৰাষ্ট্ৰ সচিব সকলে নানাধৰণৰ বাধা আৰু আপত্তিৰ উত্থাপন কৰিছিল, কিন্তু মি° কেলগে দৃঢ়তাৰে সেই সকলোবোৰ অতিক্ৰম কৰি আগুৱাই যায়। মি কেলগে চুক্তিখনৰ সৰ্ব্বজনীনতাৰ ওপৰতহে বিশেষ গুৰুত্ব দিয়ে। ইয়াত কোনো বাধা বা চৰ্ত্ত সন্নিবিষ্ট কৰিবলৈ দিয়া নহয়। ১৯২৮ চনৰ ২৭ আগষ্টৰ দিনা যথাৰীতি এই চুক্তিপত্ৰ গৃহীত হয়, আৰু ১৫ খন দেশে ইয়াত স্বাক্ষৰ কৰে আৰু ইয়াৰ পাঁচ ছয় মাহৰ ভিতৰতে পৃথিবীৰ সকলো দেশেই এই চুক্তি মানি চলিবলৈ সম্মতিসূচক ভাব জ্ঞাপন কৰে।

চুক্তিখনৰ মূল সূত্ৰ দুটা—প্ৰথম, ইয়াত স্বাক্ষৰকাৰী দেশসমূহে হিংসাত্মক কাৰ্য্যৰ দ্বাৰা কোনো জাতীয় সমস্যাৰ সমাধান বিচাৰিব নোৱাৰিব। দ্বিতীয়, একমাত্ৰ শান্তিপূৰ্ণ পদ্ধতিৰ যোগেদিহে যি কোনো বাদবিবাদ মীমাংসাৰ উপায় উলিয়াই লব লাগিব। ইয়াতকৈ সংক্ষেপে আৰু সহজভাৱে কোনো সূত্ৰকে লিপিবদ্ধ কৰিব নোৱাৰি। যুদ্ধৰ বাট পৰিহাৰ কৰাই ইয়াৰ একমাত্ৰ উদ্দেশ্য। এই ক্ষেত্ৰত যিবোৰ চৰ্ত্তৰ উল্লেখ কৰা হৈছিল চুক্তিখনত তাক স্থান দিয়া হোৱা নাই। সেই চৰ্ত্তবোৰ আছিল কেইজনমান ৰাজনীতিবিদৰ ব্যক্তিগত মতামত মাত্ৰ।

এতিয়া কথা হৈছে, যুদ্ধ পৰিহাৰ নীতিৰ স্বাভাৱিক আৰু ন্যায়সঙ্গত অৰ্থ হ'ল নিৰস্ত্ৰীকৰণ। এই চুক্তিত স্বাক্ষৰকাৰী দেশসমূহ নিৰস্ত্ৰীকৰণৰ কাৰণে প্ৰস্তুত নে? আমি সকলোৱে জানো যে, লৰাচপৰা কৰি কোনো ডাঙৰ কাম কৰিব নোৱাৰি। নিৰস্ত্ৰীকৰণ মুখৰ কথা নহয়। যদিও উল্লেখিত চুক্তিখনৰ একমাত্ৰ লক্ষ্য এইটোৱেই, কাৰ্য্যক্ষেত্ৰত যি কোনো দেশৰ চৰকাৰে এই কামত আগবাঢ়িবলৈ ইতস্ততঃ কৰাটো স্বাভাৱিক। বৰ্ত্তমান অৱস্থাত

কোনো এখন দেশৰে ইমানখিনি আত্মবিশ্বাস নাই যে আন এখন দেশৰ গতিবিধি লক্ষ্য নকৰাকৈ পোনছাটে নিৰস্ত্ৰীকৰণ আৰম্ভ কৰিব। যেতিয়ালৈকে যুদ্ধ আন্তৰ্জ্জাতিক বিবাদ মীমাংসাৰ আইনসঙ্গত উপায় হিচাপে পৰিগণিত হৈ থাকিব তেতিয়ালৈকে নিৰস্ত্ৰীকৰণৰ প্ৰকৃত হেঙাৰ আঁতৰি নাযাব। আৰু এইটো নকৰা কাৰণে ইতিহাসৰ ছাত্ৰই কোনো দেশকে জগৰীয়া কৰিবও নোৱাৰে। বৰ্ত্তমান চুক্তিয়ে প্ৰমাণ কৰিব বিচাৰিছে যে, যুদ্ধ কোনো ন্যায়সঙ্গত উপায় নহয়। কথাষাৰ কিমানে উপলব্ধি কৰিব পাৰিছে সন্দেহ, কিন্তু এই উপলব্ধি আৰু বুজাপৰাৰ ভাব যিমানে বাঢ়ি আহিব, ভয় আৰু অবিশ্বাস সিমানে আঁতৰি যাবলৈ বাধ্য।

এই ক্ষেত্ৰত আমাৰ প্ৰধান কৰ্ত্তব্য হৈছে জনমত সংগঠন কৰা। আমাৰ চৰকাৰে যদি কোনো চুক্তিপত্ৰত চহী কৰিছে সেই চুক্তিৰ মৰ্য্যাদা ৰক্ষা কৰিব লাগিব। দেশবাসীৰ নামত চৰকাৰে যি অঙ্গীকাৰ কৰিছে, দেশবাসীয়ে সেই অঙ্গীকাৰ ভঙ্গ কৰিবলৈ নিদিয়ে। জনমত শক্তিশালী হৈ উঠিলে চৰকাৰে কথাৰ লৰচৰ কৰিব নোৱাৰে। চুক্তিখনৰ ইতিবৃত্ত আলোচনা কৰিলে পোৱা যায় যে, একমাত্ৰ সুসংবদ্ধ আৰু শক্তিশালী জনমতৰ বলতেই এই চুক্তিপত্ৰত বিভিন্ন দেশৰ চৰকাৰে স্বাক্ষৰ কৰিবলৈ বাধ্য হৈছে। এতিয়া এই চুক্তিপত্ৰ কাৰ্য্যকৰী আৰু ফলপ্ৰসূ কৰি তুলিবলৈ হলে সেই একে ধৰণৰ জনমতৰে আৱশ্যক হব।

ভাৰতবৰ্ষৰ লগত এই চুক্তিপত্ৰৰ সম্বন্ধ কি? পৰাধীনতা আৰু দাৰিদ্ৰ্যই ভাৰতবৰ্ষক শক্তিহীন কৰি তোলা নাই নে? ইয়াৰ উত্তৰত মই কম যে, ভাৰতবৰ্ষ প্ৰকৃততে শক্তিহীন নহয়। দেশ এখনৰ শক্তি নিৰ্ভৰ কৰে জনমতৰ ওপৰত। জনমত মানুহৰ মনোৰাজ্যৰ কথা। মনৰ গতি সদায় উন্মুক্ত। পৰাধীনতা বা দাৰিদ্ৰ্যই ইয়াক স্পৰ্শ কৰিব নোৱাৰে। কিন্তু আমাক এতিয়া যি ধৰণৰ সুসংবদ্ধ আৰু শক্তিশালী জনমতৰ আৱশ্যক তাক গঢ়ি তুলিবলৈ হলে সময়ৰ প্ৰয়োজন হব। বিশেষকৈ এই বিশাল আৰু বহুধা বিভক্ত দেশ এখনত নতুন সংগঠন গঢ়ি তোলা সহজসাধ্য নহয়। কিন্তু এই সংগঠনত কোনো ৰাজনৈতিক কাৰণেই বাধা দিব নোৱাৰে বা ইয়াৰ কাৰণে কোনো ৰাজনৈতিক দলৰ আৱশ্যকতাও নাই। জনমত ৰাজনীতিতকৈ ওখ থাপৰ বিষয়। এই বিষয়ে শিক্ষা আৰম্ভ কৰাৰ সময় হৈছে। আমাৰ স্কুল-কলেজৰ শিক্ষকসকলে এই শিক্ষাদান কাৰ্য্যত আগভাগ লব পাৰে। তেওঁলোকে ছাত্ৰ-

ছাত্ৰীসকলৰ আগত এই চুক্তিপত্ৰখনৰ কথা ভালকৈ বুজাই দিব পাৰে। চুক্তি-খন কি? ইয়াৰ পৰা কি লাভ হব? ই পৃথিবীৰ জনসাধাৰণৰ হাতত কি ক্ষমতা অৰ্পণ কৰিছে? শিক্ষিত সম্প্ৰদায়ে এই বিষয়সমূহৰ সম্যক ধাৰণা কৰি লোৱাৰ পিছত নিৰক্ষৰ লোকৰ মাজত এই সম্পৰ্কে আলোচনা কৰিবলৈ সুবিধা পাব। এইদৰে নতুন ভাবসমূহ চাৰিওফালে বিয়পি পৰিব। ইয়াৰ ফলত ভাৰতবৰ্ষত এটা সুচিন্তিত চিন্তাধাৰা গঢ়ি উঠিব। আৰু এই চিন্তাধাৰাৰ বলত এদিন স্বাধীন ভাৰতে বিশ্ববাসীৰ আগত নিজৰ মত দাঙি ধৰিবলৈ সক্ষম হব।

চুক্তিখনত আপত্তি দেখুৱাই কোনো কোনোৱে কৈছে যে কোনো দেশৰ চৰকাৰে ইয়াৰ চৰ্ত্তসমূহ আখৰে আখৰে পালন কৰিবলৈ আশা কৰিব নোৱাৰি। নিজৰ কথা মানি চলাৰ সততা কোনো চৰকাৰৰে নাই, গতিকে অদূৰ ভবিষ্যতে ইয়াৰ আভুৱা ভৰা ৰূপ ওলাই পৰিব। ইয়াৰ উত্তৰত ইয়াকে কওঁ যে, জনসাধাৰণে ইচ্ছা কৰিলে কৰিব নোৱাৰা কাম একো নাই। যিখন চুক্তিক আমি আজি বৃথা আস্ফালন বুলি ভয় কৰিছোঁ, সেই চুক্তিখনক কেন্দ্ৰ কৰিয়ে জনশক্তিয়ে এক সক্ৰিয় আন্দোলন গঢ়ি তুলিব পাৰে, আৰু পৃথিবীৰ ইতিহাসত এক নতুন অধ্যায়ৰ সূচনা কৰিব পাৰে। আমাৰ প্ৰধান কৰ্ত্তব্য হৈছে, জনসাধাৰণৰ আগত চুক্তিখনৰ প্ৰকৃত মৰ্ম্ম ব্যাখ্যা কৰি দিব লাগে। আমি বুজাই দিব লাগে, এই চুক্তিখনত কি মহান সম্ভাৱনা নিহিত আছে, এই চুক্তিখন স্বাক্ষৰিত হোৱাৰ লগে লগে মানৱজাতিৰ সন্মুখত কি এক সোণালী সুযোগ উপস্থিত হৈছে। এইখিনি কথা সৰ্ব্বসাধাৰণৰ আগত চালিজাৰি দেখুৱাব পাৰিলে কোনো দেশেই এই সুযোগ হেৰুৱাবলৈ ইচ্ছা নকৰিব।—এল্, ই,।"

'এল, ই'য়ে পঠোৱা প্ৰবন্ধটো মই বৰ আগ্ৰহেৰে প্ৰকাশ কৰিলোঁ। কেলগ চুক্তিৰ মহান সম্ভাৱনাৰ বিষয়ে মই নজনা নহওঁ, যদিও ইয়াত কেবাখনো দেশৰ কপট স্বাক্ষৰ আছে বুলিও মই জানো। এই চুক্তিত সন্নিহান হৈ 'ইয়ং ইণ্ডিয়া' লৈ লিখা চিঠি এখনৰ কথা 'এল ই'য়ে উল্লেখ কৰিছে। মোৰ মনতো এই বিষয়ে খুদুৱনি লাগি আছে। কপট স্বাক্ষৰকাৰী-সকলৰ কথা মই বিশেষ ভৰা নাই। মই ভাবিছোঁ 'এল ই'য়ে ভাৰতবৰ্ষ সম্পৰ্কে দিয়া মন্তব্যৰ কথাহে। তেওঁ কৈছে বিশ্বশান্তি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ভাৰতবৰ্ষই উল্লেখযোগ্য বৰঙণি আগবঢ়াব পাৰে। কথাটো আমি আলোচনা কৰি চাব লাগে। প্ৰথমতে দেখা যাব পশ্চিমৰ দেশসমূহৰ লগত ভাৰতৰ

অৱস্থাৰ অকণো মিল নাই। ভাৰতবৰ্ষ পৰাধীন দেশ; গতিকে স্বাধীন ৰাষ্ট্ৰসমূহৰ দৰে আন্তৰ্জাতিক ক্ষেত্ৰত আমাৰ মাত মাতিবৰ কোনো অধিকাৰ নাই। আৰু এটা কথা হ'ল, কেলগ চুক্তিপত্ৰত চহীকৰা দেশ সমূহে এছিয়া আৰু আফ্ৰিকাৰ দেশসমূহৰ স্বাধীনতা অপহৰণ কৰি তাত অবাধে শোষণ কাৰ্য্য চলাই আছে। শোষিত দেশসমূহৰ ভিতৰত ভাৰতবৰ্ষৰ অৱস্থা অতিশয় শোচনীয়। উল্লিখিত চুক্তিপত্ৰখনৰ তাৎপৰ্য্য ইও হব পাৰে যে শক্তিশালী দেশসমূহে পৰাধীন ৰাষ্ট্ৰসমূহক কৰায়ত্ত কৰি ৰখাৰ ই এটা সামূহিক শান্তিমূলক প্ৰচেষ্টা। অন্ততঃ মোৰ মানত চুক্তিখনৰ অৰ্থ এয়ে যেন লাগে। ভাৰতবৰ্ষ শান্তিৰ দেশ। ভাৰতীয়ৰ অন্তৰত যুদ্ধলিপ্সাৰ তিলমানো চিন নাই। ভাৰতবৰ্ষই কেতিয়াও কোনো দেশ আক্ৰমণ কৰিবলৈ যোৱা নাই। এই দেশ যদি কেতিয়াবা যুদ্ধত প্ৰবৃত্ত হৈছে, সি একমাত্ৰ আত্মৰক্ষাৰ কাৰণেহে। আৰু তেনে যুদ্ধতো ভাৰতবৰ্ষই কেতিয়াও শৃঙ্খলা বা সংহতি দেখুৱাব পৰা নাই। শান্তিপূৰ্ণ জীৱন নিৰ্ব্বাহ পদ্ধতিয়ে ভাৰতীয় জীৱনৰ প্ৰকৃত পৰিচয় দিয়ে। সামৰিক শক্তিৰ লগত ভাৰতৰ আত্মাৰ কেতিয়াও মিল হোৱা নাই। গতিকে শান্তিৰ কাৰণে ভাৰতবৰ্ষত নতুন আন্দোলন গঢ়ি তোলাৰ প্ৰশ্ন উঠে। প্ৰতিজন ভাৰতীয়ৰ অন্তৰতে শান্তিৰ ভাৱ বিৰাজ কৰিছে। অজানিতভাৱে হলেও ভাৰতীয় মনে সদায় শান্তিৰ পথ অনুসৰণ কৰে। বিশ্বশান্তিৰ কাৰণে কাম কৰিবলৈ পোৱাটো ভাৰতৰ কাৰণে অতি আনন্দৰ কথা হব। কিন্তু তাকে কৰিবলৈ হলে ভাৰতবৰ্ষই প্ৰথমতে মুক্তি অৰ্জ্জন কৰি লব লাগিব। স্বাধীন ভাৰতবৰ্ষইহে মুক্তভাৱে, স্বকীয়াভাৱে শান্তিৰ অৰ্থে, অন্যায়ৰ বিৰুদ্ধে শোষণৰ বিৰুদ্ধে, শান্তিপূৰ্ণভাৱে যোগ্যতাৰে প্ৰতিবাদ কৰিব পাৰিব। ইয়াৰ অৰ্থ এয়ে যে, এই বছৰতে ভাৰতবৰ্ষই ঔপনিবেশিক স্বায়ত্তশাসনৰ স্বত্ব লাভ কৰিব লাগিব। নিজৰ মুক্তি আন্দোলনত কৃতকাৰ্য্য হব পাৰিলে এই দেশে বিশ্বৰ শান্তি আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিব পাৰিব। ভাৰতবৰ্ষৰ মুক্তি আন্দোলন সম্পূৰ্ণভাৱে শান্তিপূৰ্ণ আন্দোলন। পৃথিবীৰ কাৰণে ই এক অভিনৱ পন্থা। ইয়াক জয়যুক্ত কৰিব পাৰিলে পৃথিবীৰ শান্তি আন্দোলনলৈ এক মহান আৰু বিশিষ্ট বৰঙণি আগবঢ়োৱা হব। ৰোগ নিৰ্ণয় কৰোঁতে মই যদি ভুল কৰা নাই তেনেহলে এইটো সহজে বুজিব পৰা কথা যে, 'এল ই'য়ে আমাৰ স্কুল কলেজত প্ৰচলন কৰিব খোজা শিক্ষা প্ৰকৃতপক্ষে এক অন্তঃসাৰশূন্য আত্মপ্ৰৱঞ্চনামূলক শিক্ষাতহে পৰিণত হব। শিক্ষকসকলে যদি শিক্ষনীয়

বিষয়ত কেনেবাকৈ আশ্বাসান্বিত হৈ পৰেও ছাত্ৰছাত্ৰীৰ মনত এই শিক্ষাই কেতিয়াও দকৈ শাঁচ বহুৱাব নোৱাৰে। যি মানুহে জীৱনত মাখি মাৰি পোৱা নাই, তাক মানুহ নামাৰিবলৈ গোহাৰি জনোৱাৰ সকাম নাই।

ইয়ং ইণ্ডিয়া ৪ ৭ ১৯২৯

[৩৮]

আমাৰ পছন্দ

আমেৰিকাৰ সাংবাদিক এজনে মোলৈ পুৰণা প্ৰবন্ধ এটা পঠিয়াই দিছে। প্ৰবন্ধটো 'দি ৱাৰ্লড টুমৰো' নামৰ প্ৰত্ৰিকাত ১৯২৮ চনৰ আগষ্ট সংখ্যাত প্ৰকাশিত হৈছিল। প্ৰবন্ধটো অতি সুন্দৰ। প্ৰবন্ধৰ বিষয় 'শান্তি আৰু জাতীয় নিৰাপত্তা', লেখক হ'ল, জন নেভিন চেয়াৰ। সকলো দেশপ্ৰেমিকে এই প্ৰবন্ধটো পঢ়া উচিত। ইয়াৰ আৰম্ভণিৰ দফাটোৱে লেখকৰ উদ্দেশ্য ভালকৈ প্ৰকাশ কৰিছে। তলত সেই খিনি তুলি দিয়া হ'ল—

"আমি কুৰি শতিকাৰ মানুহ। বিজ্ঞানৰ বিভিন্ন অৱদানৰ দ্বাৰা আমাৰ সভ্যতা পুষ্ট হৈ উঠিছে। ঠিক এই সময়ত বিশ্ব শান্তিবাদৰ এটা নতুন ৰূপ আমি দেখিবলৈ পাইছোঁ। শান্তি আন্দোলনৰ প্ৰথম প্ৰশ্ন হ'ল আজিৰ এই ভয়ানক পৰিস্থিতিত সামৰিক শক্তিয়ে আমাক নিৰাপদ কৰি ৰাখিব পাৰিব নে? অতীতত সামৰিক শিক্ষাই দেশৰ প্ৰতিৰক্ষাৰ ক্ষেত্ৰত যিমান সহায়তাই নকৰক, আজি আমি দেখিবলৈ পাইছোঁ যে, সেই শিক্ষা বৰ্ত্তমান আওপুৰণি হৈ গৈছে, এই উপায়েৰে দেশক নিৰাপদ কৰিবলৈ যোৱা মানে জতুগৃহত বাস কৰি নিজক নিৰাপদ বুলি ভবাহে হব। আমি এনে এখন পৃথিৱীত আৰু এনে ধৰণৰ সময়ত বাস কৰিছোঁ যে সামৰিক শিক্ষা সম্পৰ্কে আমাৰ চকুত দুটা কথা দেখ দেখকৈ ধৰা পৰিছে—প্ৰথমে, এই সন্দৰ্ভত ক্ৰমে বাঢ়ি অহা ব্যয়, দ্বিতীয়, প্ৰতিৰক্ষাৰ ক্ষেত্ৰত ইয়াৰ ক্ৰমে টুটি অহা কাৰ্য্যকৰী শক্তি।

যোৱা কুৰিৰি বছৰৰ ভিতৰত অৰ্থাৎ মোৰ পাঠকসকলৰ জীৱনকালৰ ভিতৰত যুক্তৰাষ্ট্ৰৰ বছৰেকীয়া খৰচৰ হিচাপ পৰীক্ষা কৰি চালে দেখিবলৈ পোৱা যায় যে, অকল নৌ বাহিনীৰ কাৰণে ১৫ নিযুতৰ ঠাইত ৩১৮ নিযুতলৈ বৃদ্ধি পাইছে। যোৱা বছৰত কংগ্ৰেছে অনুমোদন কৰা ব্যয়ৰ হিচাপত পোৱা যায় যে, ঘড়ীৰ কাঁটা ঘূৰি ২৪ ঘণ্টা সময় পাৰ হৈ নৌ

যাওঁতেই অকল নৌ বাহিনী আৰু সৈন্যবাহিনীৰ কাৰণে যুক্তৰাষ্ট্ৰই ২০,০০,০০০ ডলাৰ খৰচ কৰে। ১৯২৭ চনৰ মাৰ্চ মাহৰ "নিউইয়ৰ্ক টাইমচ" কাগজত প্ৰকাশিত প্ৰবন্ধ এটাৰ শিৰোনামা আছিল—"যুদ্ধ মানুহৰ সৰ্ব্বশ্ৰেষ্ঠ উদ্যোগ। প্ৰবন্ধটোত লেখকে প্ৰমাণ কৰি দেখুৱাই ছিল যে যুদ্ধৰ কাৰণে প্ৰস্তুত হৈ থাকিবলৈ হলে মানুহক দেখাৰ বস্তু লাগিব, আৰু তাকে তৈয়াৰ কৰিবলৈ হলে দেশৰ সকলো শক্তি নিয়োগ কৰি এই উদ্দেশ্যে সৰ্ব্ববৃহৎ উদ্যোগ প্ৰতিষ্ঠিত কৰিব লাগিব।

যুদ্ধ মানুহৰ আৰু এটা ভয়ানক ক্ষতিৰ কাৰণ হৈ উঠিছে। এই ক্ষতি ডলাৰৰ দ্বাৰা জুখিব নোৱাৰি। ই মানৱীয় ক্ষতি। যুদ্ধৰ কাৰণে যি মাৰণাস্ত্ৰ তৈয়াৰ হৈছে তাক প্ৰয়োগ কৰিব লাগিব মানুহে। যুদ্ধৰ সাজ সৰঞ্জাম, অস্ত্ৰ শস্ত্ৰ তৈয়াৰ কৰি লবলৈ হলেও আমাক লাগিব মানুহ। সেয়েহে বৰ্ত্তমান চৰকাৰৰ প্ৰধান লক্ষ্য হৈছে কেনেকৈ সকলো মানুহকে, সকলো উদ্যোগকে যুদ্ধমুখী কৰি তুলিব পৰা যায়। এসময়ত যুদ্ধ বুলিলে কেৱল শৌৰ্য্যবীৰ্য্যৰ কথাহে মনলৈ আহিছিল। দেশৰ সৈন্যবাহিনীৰ শক্তি সামৰ্থ্যৰ ওপৰতে যুদ্ধৰ জয় পৰাজয় নিৰ্ভৰ কৰিছিল। আজি সেইদিন উকলিছে। আজিৰ দিনত যুদ্ধ মানেই মহামাৰী। আগৰ দৰে মুষ্টিমেয় সৈনিকৰ মাজত ই আৱদ্ধ নহয়। গোটেই দেশবাসীয়ে ইয়াত জপিয়াই পৰিব লাগিব। আজিৰ দিনৰ সামৰিক বিশেষজ্ঞ সকলৰ বিশেষ চিন্তাৰ বিষয় হ'ল কেনেকৈ গোটেই দেশৰ জনসাধাৰণৰ কাৰ্য্যশক্তি অকল যুদ্ধৰ কাৰণে নিয়োজিত কৰিব পাৰি। ফৰাচী দেশত এনে এটা প্ৰস্তাৱো উত্থাপন কৰা হৈছে যে, অকল পুৰুষ নহয়, তিৰোতাকো বাধ্যতামূলক ভাৱে সৈন্যবাহিনীত ভুক্ত কৰিব লাগে। শান্তিৰ সময়ত বাধ্যতামূলকভাবে দিয়া সামৰিক শিক্ষাৰ ফলত ডেকাল'ৰাৰ বহুমূলীয়া সময়ৰ যথেষ্ট অপচয় কৰা হৈছে। স্কুল কলেজৰ কামত সামৰিক বিভাগে হস্তক্ষেপ কৰা কাৰণে প্ৰকৃত শিক্ষাৰ ক্ষেত্ৰত কেৰোণ লাগিছে। আজিৰ শিক্ষণীয় বিষয় আৰু শিক্ষিতসকলৰ চিন্তাধাৰা অতিশয় ঠেক গণ্ডীৰ মাজত সোমাই পৰিছে। ডাকঘৰ, সংবাদপত্ৰ, ৰেডিঅ', চিনেমা, শিল্পী আৰু বৈজ্ঞানিক সকলোবোৰেই সামৰিক প্ৰস্তুতি যন্ত্ৰৰ অংশ হিচাপে ব্যৱহৃত হোৱাৰ সম্পূৰ্ণ ভয় উপস্থিত হৈছে। সামৰিক প্ৰস্তুতিৰ অৰ্থ এয়ে যে স্বাধীন চিন্তা বোলা বস্তু এটা মানুহৰ মাজত থাকিব নোৱাৰিব। মুকলিমূৰীয়াভাৱ, আলোচনা আৰু বিকাশৰ বিলুপ্তিৰ লগে লগে সামাজিক গতি-প্ৰগতিৰ বাটো তেনেই বন্ধ হৈ যাব। প্ৰতিৰক্ষাৰ 'যথাবিহিত ব্যৱস্থা'ৰ কাৰণে আমি যি ব্যয়ৰ বোজা বহন কৰি চলিব লগীয়া হৈছো, তাৰে লগতে জড়িত হৈ থকা মানৱীয় ক্ষতিৰ পৰিমাণো ভালকৈ চিন্তা কৰি চাব লগীয়া হৈছে। সম্প্ৰতি

সামৰিক অস্ত্ৰসজ্জাৰ নামত আমি যি অপৰিমিত ব্যয়ৰ সম্মুখীন হৈছোঁ ভৱিষ্যতে তাৰ পৰিমাণ খোপে খোপে বাঢ়িহে যাব।

সবাতোকৈ ডাঙৰ কথা এয়ে, বৰ্ত্তমান সময়ত আমি সামৰিক অস্ত্ৰসজ্জাৰ কাৰণে যিমানে বেছি খৰচ নকৰোঁ কিয় তাৰ দ্বাৰা আমি দেশৰ নিৰাপত্তা কিনি লব নোৱাৰোঁ। হয়তো কুৰি বছৰমান আমি এনেকৈ চলিব পাৰিম, কিন্তু এই নীতিয়ে ক্ৰমহ্ৰাসমান ফলাফল নীতিৰ দৰে গোটেই দেশকে সংকটৰ শীৰ্ষস্থানলৈ লৈ যাব। 'যুদ্ধৰ কাৰণে প্ৰস্তুতিৰ অৰ্থ কি?' এই বিষয়ে আলোচনা কৰোঁতে চিনেটৰ বোৰাই অলপতে উল্লেখ কৰিছে যে, যুদ্ধৰ প্ৰস্তুতিৰ অৰ্থ জাতীয় ঋণৰ মাত্ৰা বৃদ্ধি কৰা আৰু অধিক পৰিমাণে কৰ বহুওৱা। পৃথিবীৰ সকলো দেশৰ চৰকাৰে বৰ্ত্তমান এই ধৰণৰ কামতে ব্যস্ত আছে। তেওঁ কৈছে যে 'অদূৰ ভৱিষ্যতত এই চৰকাৰসমূহে এক জটিল পৰিস্থিতিৰ সম্মুখীন হব লাগিব। সেই পৰিস্থিতিৰ এফালে থাকিব আৰ্থিক দুৰৱস্থা, আনফালে থাকিব, ৰাজনৈতিক অশান্তি।' অস্ত্ৰসজ্জাৰ যিকোনো বৃহৎ আঁচনি হাতত লোৱাৰ আগেয়ে তেওঁ সাৱধান কৰি দিছে, 'আগন্তুক বিপদক আমি নিচেই ওচৰলৈ মাতি আনিছোঁ।' ইয়াৰ ফলত শাসক আৰু শাসিতৰ মাজৰ ব্যৱধান ক্ৰমাৎ বৃদ্ধি পাব। যি ৰাইজে কৰ-কাটলৰ মেটমৰা বোজা বব লগীয়া হৈছে সেই ৰাইজে এদিন বিদ্ৰোহ কৰিবলৈ বাধ্য হব। ই কোনো জাতীয় প্ৰস্তুতিৰ লক্ষণ নহয়। যি অৱস্থাই দেশত আৰ্থিক অনাটনৰ সৃষ্টি কৰে সি সকলো প্ৰস্তুতিৰ মূৰতে কুঠাৰাঘাত কৰে।"

পশ্চিমক অনুকৰণ কৰাটো আমাৰ মাজত আধুনিকতাৰ চিন হিচাপে পৰিগণিত হৈছে। ইংলণ্ড বা আমেৰিকাই যি কৰে, সেয়ে ভাল, আমিও তাকেই কৰি যাব লাগে। লেখকে ওপৰত হিচাপ কৰি দেখুৱাইছে আমেৰিকাই প্ৰতিৰক্ষাৰ কাৰণে দিনে কি হিচাপে ধন ভাঙিব লগীয়া হৈছে। এই ধনৰ পৰিমাণৰ কথা চিন্তা কৰিলেই গাৰ নোম শিঙৰি উঠে। যুদ্ধৰ মূলতেই হ'ল ধন—কোনে কিমান ধন ভাঙি মাৰণাস্ত্ৰৰ উদ্ভাৱন কৰিব পাৰে তাৰেই প্ৰতিযোগিতা। আজিৰ যুদ্ধত বীৰত্বৰ কথা নাই, ধৈৰ্য্যৰ পৰীক্ষা নাই। হাজাৰ হাজাৰ লৰা তিৰোতা আৰু মানুহৰ প্ৰাণ নাশ কৰাটো আজি মাত্ৰ এক মুহূৰ্ত্তৰ কাম। এটা বুতাম টিপি দিলেই এক মুহূৰ্ত্তৰ ভিতৰত অগণন মানুহৰ ধ্বংস লীলা সমাপিত হব।

প্ৰতিৰক্ষাৰ এই উপায় বৰ্ত্তমান আমেৰিকা আৰু ইংলণ্ড আদি দেশত আবিষ্কৃত হৈছে। আমিও এই পথকে অনুসৰণ কৰিব খোজো নেকি? আৰু

যদি আমাৰ অভিপ্ৰায় সেয়ে হয়, আমি আমাৰ কৰৰ বোজা দহগুণে বঢ়াব লাগিব।

'উচিত কথাত খৰচ হবই।' বিবেচকসকলে আমাক বুজাবলৈ যত্ন কৰে। আমি কেৱল সুধিব খোজোঁ, 'এই নীতিটো প্ৰকৃতপক্ষে গ্ৰহণযোগ্য নে?' মি° চেয়াৰে ইয়াৰ স্পষ্ট উত্তৰ দিছে, 'কোনো দেশৰ কাৰণে এই নীতি গ্ৰহণযোগ্য নহয়।' মই আমাৰ দেশৰ তথাকথিত নৌ বিভাগ আৰু সৈন্য-বিভাগৰ নতুন আঁচনি সম্পৰ্কে একো কব খোজা নাই, কিয়নো আমাৰ চৰকাৰেই ইয়াৰ প্ৰতিবাদ কৰিছে। হিংসাত্মক কাৰ্য্যৰ মাজেদি অহিংসনীতি প্ৰচাৰ কৰিব নোৱাৰি। জাতি এটাক অহিংসনীতিত দীক্ষিত কৰিবলৈ হলে চৰকাৰৰ নীতি অহিংস হব লাগিব। আমি যি অৱস্থা লাভ কৰিব খোজোঁ, অন্তৰত তাৰ অনুৰূপ অভিলাষে ঠাই পাব লাগিব। আমাৰ প্ৰকৃত চিন্তাৰ বিষয় হৈছে, 'আমি কি হবলৈ বিচাৰোঁ?' আমি পশ্চিমক অনুকৰণ কৰি সেই দেশবোৰৰ দৰে জ্বলা জুইত জাপ দি আধাপোৰা হৈ ওলাই আহি শান্তিৰ কথা চিন্তা কৰিম, নে আমাৰ স্বকীয় অহিংস নীতি অনুসৰণ কৰি দেশৰ স্বাধীনতা অৰ্জ্জন কৰিম। আমি আনৰ পদাঙ্ক অনুসৰণ কৰি ক্ষতবিক্ষত হ'ম, নে নিজৰ অভিনৱ পন্থা অনুসৰণ কৰি পৃথিবীক নতুন বাট দেখুৱাই দিম।

আমি ভীৰুতাৰ লগত মিতিৰালি কৰিলে নচলিব। আমি প্ৰতিৰক্ষাৰ নামত ধ্বংসমুখী সামৰিক শিক্ষা লাভ কৰি নিজে নিজৰ সৰ্ব্বনাশ মাতি আনিব লাগিব, নহয় আমি অশেষ ত্যাগ আৰু কষ্ট স্বীকাৰ কৰি লৈ দেশমাতৃক মুক্ত কৰিব লাগিব। দুয়োটাই সাহসৰ কাম। প্ৰথমটোতকৈ দ্বিতীয়টোত ব্যক্তিগত সাহসৰ প্ৰয়োজন বহুত বেছি। দ্বিতীয় পন্থা অনুসৰণ কৰিলেও কিছু হিংসা-মূলক কাৰ্য্যই প্ৰকাশ লাভ কৰিব পাৰে, কিন্তু তাক সদায় অহিংস আন্দোলনৰ বশবৰ্ত্তী কৰি ৰাখিব লাগিব আৰু জাতীয় জীৱনত তাৰ শক্তি ক্ৰমশ: টুটাই আনিব লাগিব।

বৰ্ত্তমান আমি যি অহিংসাৰ কথা কৈছোঁ সেইটো কেৱল ভাব আৰু কথাৰ মাজত আৱদ্ধ আছে। প্ৰকৃত ক্ষেত্ৰত আমি এতিয়াও হিংসাৰ বাটেৰে আগুৱাই আছোঁ। আজি অসহিষ্ণুতাৰ ভাবে গোটেই বায়ুমণ্ডল বিষাক্ত কৰি তুলিছে। এই অৱস্থাত অহিংস মনোভাৱ দুৰ্ব্বলতাৰ পৰিচায়ক হিচাপে পৰিগণিত হৈছে। ই অহিংস নীতিৰ বিকৃত ৰূপ। অহিংসা দুৰ্ব্বলৰ ধৰ্ম্ম নহয়। ই শক্তিমানৰ শক্তি। শক্তিৰ সংযত ৰূপেই অহিংসা। নিজৰ শক্তিৰে নিজৰ

অন্তৰৰ হিংসাপ্ৰবৃত্তি দমন কৰি লব পাৰিলেহে অহিংস ধৰ্মত দীক্ষিত হব পাৰি। ইয়াত ভীৰুতাৰ স্থান নাই। সবল মনৰ সুস্থ ভাবৰ পৰাহে অহিংস মনোভাৱৰ সৃষ্টি হয়। এই ধৰ্ম লবলৈ হলে সবল কল্পনাশক্তি আৰু বৰ্তমান সময়ৰ ঘটনা-প্ৰবাহৰ গভীৰ অধ্যয়নৰ প্ৰয়োজন হব। বৰ্ত্তমান সময়ত পশ্চিমৰ উপকৰণে বহনে আমাৰ চকুত চমক লগাইছে। দৈনন্দিন জীৱনৰ মেৰঘূৰণিত মানুহ যেনেকৈ ঘূৰিব লাগিছে তাকে চাই আমি তবধ মানিছোঁ। কিন্তু আমি বুজিব পৰা নাই যে সভ্যতাৰ এই দ্ৰুতগতিৰ প্ৰকৃত অৰ্থ প্ৰগতি নহয়, দুৰ্গতিহে। বিশেষকৈ আমি এইটো স্বীকাৰ কৰি লোৱা উচিত যে পশ্চিমৰ লগত প্ৰতিযোগিতা কৰিবলৈ যোৱা মানে আমি আত্মহত্যা কৰিবলৈ ওলোৱা। আমি এই কথা বুজিবলৈ চেষ্টা কৰা উচিত যে, হিংসাৰ বল কেৱল আপাত দৃষ্টিতহে দেখিবলৈ পোৱা যায়। অলপ মন কৰিলেই আমি বুজিব পাৰিম যে এই পৃথিবীখন এক অহিংস নৈতিক শক্তিৰেহে পৰিচালিত হৈছে। অহিংসাৰ এই সম্যক জ্ঞান লাভ কৰিব পাৰিলেহে আমি অহিংস ধৰ্ম্ম গ্ৰহণ কৰিব পাৰিম। এই ধৰ্ম্ম কায়মনোবাক্যে পালন কৰিব লাগিব। ইয়াৰ অসীম শক্তিৰ ওপৰত সম্পূৰ্ণৰূপে আস্থাভাজন হৈ শ্ৰদ্ধা আৰু আন্তৰিকতাৰে এই আন্দোলনত জপিয়াই পৰিব লাগিব। তেতিয়াহে অহিংস আন্দোলনে সাৰ্থকতা লাভ কৰিব। ১৯২২ চনত এইখিনি কথা বুজি পোৱা হলে আৰু সম্পূৰ্ণ অহিংস অৱস্থা ৰক্ষা কৰি চলিব পৰা হলে আমি আজি আমাৰ লক্ষ্যস্থানত উপনীত হব পাৰিলোহেতেন। অহিংসাৰ গুণাগুণ সম্পৰ্কে মনত খুতুৱনি লাগি থাকিলে অহিংস আন্দোলন জয়যুক্ত কৰিব নোৱাৰি। অহিংসা পৰম বল। আমাৰ চকুৰ আগতে আমি ইয়াৰ পৰিচয় পাইছোঁ। কেৱল ইয়াৰ শুদ্ধৰূপ আমি এতিয়াও ফুটাই তুলিব পৰা নাই। অহিংস আন্দোলনৰ পৰা এতিয়ালৈকে আমি বহু পৰিমাণে লাভবান হৈছোঁ। এই আন্দোলনে আমাক স্বৰাজ সম্পৰ্কে সজাগ কৰি তুলিছে। স্বৰাজৰ ভাৱ এতিয়া ভাৰতীয়ৰ অন্তৰত দকৈ সোমাই গৈছে। কোনো শক্তিয়ে আৰু এই ভাৱ দূৰ কৰিব নোৱাৰে। সত্যাগ্ৰহ আন্দোলন আৰম্ভ কৰাৰ সময়ত যি ভয় আৰু সঙ্কোচৰ ভাবে দেশবাসীৰ মন পঙ্গু কৰি পেলাইছিল সেই ভাৱ আজি আৰু আমাৰ মাজত নাই। সেইকাৰণে মই ভাবোঁ যে অহিংস আন্দোলন অতি সাবধানে আৰু ধৈৰ্য্যশীলতাৰে সৈতে গঢ়ি তুলিব লাগিব। যদি আমি ৰক্ষা পাব খোজোঁ, যদি পৃথিবীৰ শান্তি আন্দোলনত আমি উল্লেখযোগ্য বৰঙণি

আগবঢ়াব খোজোঁ, আমি সৰ্ব্বতোভাৱে শান্তিৰ বাটেৰে আগবাঢ়ি যাব লাগিব।

ইয়ং ইণ্ডিয়া ২২ ৭ ২৯

[৩৯]

সামৰিক আঁচনি

জৰ্জ্জ জোচেফ এজন মোৰ অন্তৰঙ্গ বন্ধু। মই য়াৰ্বাদাত বিশ্ৰাম লৈ থকা সময়ত তেওঁ 'ইয়ং ইণ্ডিয়া'ৰ সম্পাদক আছিল। মোৰ দিহামতেই তেওঁ এসময়ত 'ইণ্ডিপেণ্ডেণ্ট' কাগজৰ সম্পাদনাও কৰিছিল। কাগজখন এতিয়া বন্ধ হৈছে। জোচেফ ত্যাগী মানুহ। দেশৰ কাৰণে তেওঁ নিজৰ অতি লাভজনক ব্যৱসায় এৰি দিছে। একে কাৰণতে তেওঁ কাৰাবৰণো কৰিছে। তেও এজন উৎসাহী সৎ কৰ্ম্মী। সেই কাৰণে তেওঁৰ কথা আমি অতি সম্মানেৰে শুনা উচিত। বিশেষকৈ এনে এজন ব্যক্তিয়ে যেতিয়া মত পৰিবৰ্ত্তন কৰে তেতিয়া তেওঁৰ কথা আমি বিশেষ মনোযোগেৰে শুনিবলৈ বাধ্য। তেওঁ পুৰণা নীতি ত্যাগ কৰি নতুন নীতি গ্ৰহণ কৰিছে, আৰু উদ্যমেৰে এই মত ব্যাখ্যা কৰিছে। মোৰ পুৰণা বন্ধু এজনৰ সৌজন্যত জোচেফৰ প্ৰকাশিত প্ৰবন্ধ এটা সম্প্ৰতি মোৰ হাতলৈ আহিছে। বন্ধুজনে এই প্ৰবন্ধটোৰ এইদৰে নামকৰণ কৰিছে 'জৰ্জ্জ জোচেফৰ ধৰ্ম্মমতৰ স্বীকাৰোক্তি।' জোচেফৰ প্ৰবন্ধটোত খাদীৰ তিক্ত সমালোচনা প্ৰকাশ পাইছে। জোচেফৰ অচিনাকি প্ৰশংসাকাৰীয়ে এই প্ৰবন্ধত প্ৰকাশিত হোৱা খাদীৰ সমালোচনাখিনি হুবহু নকল কৰি মোলৈ পঠিয়াই দিছে আৰু ঘোৰ অশান্তিৰ ভাৱত মোক জনাইছে যে খাদী সম্পৰ্কীয় এই কথাখিনি মই মনোযোগেৰে ভাবি চোৱা উচিত।

মই ভবামতে ইয়াত কোনো অশান্তিৰ কাৰণ নাই। এই সমালোচনাই মোৰ অন্তৰত কোনো ধৰুণৰ দুখ বা ভয়ৰ সৃষ্টি কৰিব পৰা নাই। বৰ্ত্তমান আমাৰ জাতীয় জাগৰণৰ সময়। এই সময়ত মানুহে পুৰণি প্ৰীতি এৰি নতুনক আকোৱালি লোৱা সৎলোক আমাৰ মাজত নথকাটোহে আচৰিত হবলগীয়া কথা। পৰিবৰ্ত্তন উন্নতিৰ সোপান। এজন সৎ মানুহে কোনো এটা বিষয়ত আস্থা হেৰুৱালে তাক যন্ত্ৰচালিত ভাৱে কৰি যাব নোৱাৰে। আমি সেইকাৰণে জৰ্জ্জ জোচেফৰ কথাখিনি ধৈৰ্য্য সহকাৰে বুজি লবলৈ চেষ্টা কৰিব

লাগিব আৰু ইয়াত কিবা যুক্তিযুক্ততা থাকিলে তাক গ্ৰহণ কৰিবলৈ ইতস্ততঃ কৰিব নালাগিব। ইয়াতে যদি আমাৰ আদৰ্শৰ কোনো সাল-সলনি কৰিব লগীয়াও হয়, তাৰ কাৰণে আমি সদায় প্ৰস্তুত থাকিব লাগিব।

মই ঠিক এই ভাব লৈ জোচেফৰ কথাখিনি পঢ়িবলৈ যত্ন কৰিছোঁ। তেওঁ খাদীৰ নিন্দা কৰিছে। তেওঁ স্থিৰভাবে বুজি লৈছে, যে, অস্পৃশ্যতা বৰ্জ্জন কৰাটোৱে ৰাজনীতিবিদৰ প্ৰথম সমস্যা নহয়। তেওঁৰ কল্পিত আঁচনিখনৰ ৰূপ মাত্ৰ এবাৰ কথাৰে প্ৰকাশ কৰিব পাৰি—ভাৰতত সামৰিক শিক্ষাৰ প্ৰচলন কৰিব লাগে। তেওঁৰ মন্তব্যৰ একাংশ তলত উদ্ধৃত কৰা হ'ল—

"আমি সকলোৱে সৈনিক হৈ ওলাব নোৱাৰোঁ। সকলোৰে কাৰণে এই শিক্ষাত স্থান নাই। কিন্তু আমি প্ৰতি বছৰে আমাৰ চহৰত অন্তত ৫০০ মানুহৰ সামৰিক শিক্ষাৰ ব্যৱস্থা কৰিব পাৰোঁ। এই মানুহবোৰে সপ্তাহত দুই তিনিবাৰকৈ ব্যায়াম কৰিব লাগিব, বছৰত তিনি সপ্তাহ কেম্পত থাকিব লাগিব। এই শিক্ষা অকল কলেজৰ ছাত্ৰৰ কাৰণেই নহয়। যি কোনো সামাজিক মৰ্য্যাদা থকা শিক্ষিত মানুহৰ কাৰণে এই শিক্ষাৰ বাট মুকলি থাকিব লাগিব। হাইস্কুল পাছ কৰিলেই এই শিক্ষাৰ কাৰণে অৰ্হতা লাভ কৰা বুলি ধৰিব লাগিব। এই শিক্ষা লাভ কৰা মানুহবোৰে যেতিয়া আমাৰ বাটে পথে থাকী পিন্ধি ফুৰাচকা কৰিবলৈ ধৰিব তেতিয়া আমাৰ জাতীয় জীৱনত এক নতুন আলোড়নৰ সৃষ্টি হব। এই শিক্ষাই মানুহক শিকাব কেনেকৈ পোন হৈ থিয় দিব পাৰি আৰু কেনেকৈ পোনপতীয়া ভাৱে চিন্তা কৰিব পাৰি আৰু কেনেকৈ পোনপতীয়া ভাৱে কথা কব পাৰি। এই শিক্ষাই আমাৰ জীৱনক বিশেষভাবে সমৃদ্ধিশালী কৰি তুলিব।'

এয়া হ'ল মিঃ জোচেফৰ অভিজ্ঞতা। মোৰ নিজা অভিজ্ঞতাই মোক কিন্তু বেলেগ শিকাহে দিছে। মই খাকী পিন্ধা মানুহ বহুত দেখিছোঁ যি সকলে পোন হৈ থাকক দূৰৰ কথা, নৰ্দ্দমাত বাগৰিও ৰক্ষা নাপায়। মই এনে এজন ভায়াৰক লগ পাইছোঁ যাৰ মুখত জঘন্য কথাৰ বাহিৰে ভাল কথা এবাৰ শুনিবলৈ নাপালোঁ। মই এনে এজন সেনানায়কক লগ পাইছোঁ যাৰ চিন্তা শক্তি তেনেই লোপ পাই গৈছে। সামৰিক শিক্ষাৰ প্ৰেমিকসকলক মই বাধা দিব খোজা নাই; কিন্তু এই শিকাই আমাৰ 'নতুন কাৰ্য্যকৰী পন্থা' হব নোৱাৰে। সামৰিক শিক্ষাৰ আঁচনি ভাৰতৰ জলবায়ুৰ লগত কেতিয়াও খাপ খাব নোৱাৰে। অলপ সূক্ষ্মভাবে চিন্তা কৰি চালে আমি দেখিবলৈ পাম যে, পৃথিবীত যি নতুন

ভাবৰ উন্মেষ হৈছে সি সামৰিক শিক্ষাৰ পৰিপন্থী। পশ্চিমৰ দেশসমূহে ৰণচণ্ডীৰ পূজা কৰি ভাগৰি পৰিছে। সমৰস্পৃহাই পশ্চিমৰ মানুহৰ মানৱত্ত্বা ধ্বংস কৰি মানুহক পশুৰ শাৰীলৈ নমাই নিছে। আজিৰ যুদ্ধবিধ্বস্ত, ৰণক্লান্ত সমাজে যুদ্ধহীন, অস্ত্ৰহীন সময়ৰ প্ৰতীক্ষা কৰিছে। পশ্চিমৰ সমাজে আজি বুজিব পাৰিছে যে শান্তিপূৰ্ণ অহিংস প্ৰতিৰোধেই প্ৰতিৰক্ষাৰ প্ৰকৃত উপায়। ঈশ্বৰৰ কৃপাত ভাৰতবৰ্ষই এই শিক্ষা নতুনকৈ লব নালাগে। ভাৰতবাসীয়ে যুগ যুগ ধৰি এই শিক্ষা লাভ কৰি আহিছে। এই শিক্ষাৰ পৰিধি যে কিমান বহল তাক আগেয়ে আমি কল্পনা কৰিব পৰা নাছিলোঁ। এই শক্তিৰ সন্মুখত সঙ্গীন নীৰৱ হয়; থাৰবাৰুদ ধূলিসাৎ হৈ যায়। জোচেফৰ যুক্তিমতে দেশবাসীক সামৰিক শক্তিসম্পন্ন কৰি লৈ কামানৰ কলৰৱৰ দ্বাৰা মুষ্টিমেয় বিদেশীলোকক পৰাস্ত কৰি দেশৰ স্বাধীনতা ঘোষণা কৰিব লাগে। জোচেফৰ যুক্তি গণতন্ত্ৰৰ বিৰোধী। ই মানুহৰ উদ্‌গতিৰ উপায় নহয়। জোচেফে যি উদ্দেশ্য আমাৰ সন্মুখত দাঙি ধৰিছে তাৰ কাৰণে কোনো নতুন আঁচনিৰ প্ৰয়োজন নাই। আমাৰ চাৰিওফালে সামৰিক জুলুম চলিয়ে আছে। আমাৰ মাজৰ অধিক সংখ্যক লোকেই বিশ্বাস কৰে, 'জোৰ যাৰ মুলুক তাৰ'। এই ভাৱৰ আমূল পৰিবৰ্ত্তন সাধন কৰাই অহিংস আন্দোলনৰ একমাত্ৰ উদ্দেশ্য। অকল অহিংস নীতিত দীক্ষিত হোৱা লোকৰ দ্বাৰাই আমাৰ দেশৰ চৰকাৰ গঠিত হব লাগিব। বগা সৈন্যৰ ঠাইত ক'লা সৈন্য বহুৱাই দিলেই শাসন নীতিৰ কোনো পৰিবৰ্ত্তন সাধন কৰা নহয়। সেই লক্ষ্য আগত লৈ আমি লৰা ঢপৰা কৰাৰ কোনো কাৰণ নাই। সামৰিক শাসনত সৰ্ব্বসাধাৰণৰ মাত মাতিবৰ কোনো অধিকাৰ নাথাকে। সাধাৰণ নাগৰিক তেতিয়াও এতিয়াৰ দৰেই শোষিত হব, বৰং, অৱস্থা আৰু বেয়ালৈ যোৱাৰহে আশঙ্কা আছে। জৰ্জ্জ জোচেফৰ ধৈৰ্য্যহীনতাই শাম কাটি গ'লে তেওঁ নিশ্চয় নতুন মত জলাঞ্জলি দিব। তেওঁৰ সততাত মোৰ সম্পূৰ্ণ বিশ্বাস আছে। ১৯১৯ চনত মাদ্ৰাজ উপকূলত ৰহি মই তেওঁৰ অন্তৰত যি মহান গণতান্ত্ৰিক ভাবৰ আলোড়ন উঠা দেখিবলৈ পাইছিলোঁ সেই ভাৱ নিশ্চয় আকৌ জাগৃত হব। এই মত ভুল বুলি বুজি পোৱাৰ লগে লগে তেওঁ যে তাক ত্যাগ কৰিব ই দৃঢ় নিশ্চয়। আৱশ্যক হলে উভতি যোৱাৰ সাধুতা তেওঁৰ আছে।

এতিয়া তেওঁৰ খাদী সম্পৰ্কীয় মন্তব্যৰ বিষয়ে আলোচনা কৰা যাওক—

"কংগ্ৰেছ দলৰ লগত জড়িত হৈ থকা কালছোৱাত মই দেখিলোঁ

কংগ্ৰেছৰ কাৰ্য্যসূচীৰ মূল কথা হ'ল—খদ্দৰ প্ৰচলন, অস্পৃশ্যতা বৰ্জ্জন, আৰু নতুনকৈ ইয়াৰ লগত সোমাই পৰিছে মদনিবাৰণ। মই এতিয়া পোন পতীয়াভাৱে কব খোজোঁ যে, ইয়াৰ কোনোটোৱে আমাৰ জাতীয় জীৱনৰ মূল সমস্যাৰ সমাধান কৰিব নোৱাৰে। খদ্দৰৰ দ্বাৰা কোনো সমস্যাৰ সমাধান নহয়। মই ভাবোঁ খদ্দৰৰ জন্মদাতা গান্ধীজীৰ জীৱনৰ অৱসান হোৱাৰ লগে লগে এই আন্দোলনবো অৱসান হব। মোৰ এই ধাৰণা হোৱাৰ কাৰণ এয়ে যে, অৰ্থনীতিৰ ফালৰ পৰা খদ্দৰ কোনোৰকমেই লাভজনক হব নোৱাৰে। অৰ্থনীতিৰ ফালৰ পৰা খদ্দৰনীতি তেনেই ভ্ৰমসঙ্কুল। খদ্দৰ তৈয়াৰ কৰা বা কিনি লোৱা ব্যয়বহুল কাম। খদ্দৰৰ নামত গ্ৰাহকৰ মূৰত ভাঙিব নোৱাৰা বোজা এটা তুলি দিয়া হৈছে মাত্ৰ। ই এটা অন্যায় কাম। খদ্দৰৰ খৰচ যদি প্ৰতি গজে এটকা হয়, শিল্পজাত কাপোৰৰ দাম প্ৰতি গজে ছ অনাতকৈ বেছি নহয়। খদ্দৰ সম্পৰ্কে মোৰ অভিজ্ঞতা এয়ে যে, এই নীতিয়ে খদ্দৰৰ উৎপাদনকাৰীসকলৰ প্ৰতিও অবিচাৰ কৰিছে। আমাৰ শিপিনীসকলে বিশেষকৈ, তিৰোতাসকলেই যেতিয়া এই কামত ব্যস্ত আছে নিতৌ দহ ঘণ্টা কাম কৰি মাত্ৰ তিনি অনা বানচ লৈ সন্তুষ্ট থাকিব লগীয়া হৈছে। মই ভাবোঁ যি শিল্পানুষ্ঠানে মূল কৰ্ম্মকৰ্ত্তাসকলক মাত্ৰ তিনি অনা বানচ দি সন্তুষ্ট ৰাখিব খোজে সেই অনুষ্ঠান কেতিয়াও কৃতকাৰ্য্য হব নোৱাৰে। যি সকলে কপালৰ ঘাম মাটিত পেলাই কাম কৰে তেওঁলোকে যদি দুবেলা দুসাজ খাবলৈ নাপায় তেনেহলে সেই অনুষ্ঠান বৰ্ত্তি থাকিব নোৱাৰে। কপালৰ ঘাম মাটিত পেলাই কাম কৰিও যদি কামৰ জোখাই পইচা নাপায় তেনেহলে সেই কামত মানুহৰ আস্থা থাকিব কেনেকৈ? এইদৰে জীৱনধাৰণ সম্ভৱ নহয়। ইয়াৰ উত্তৰত কোৱা হৈছে যে, আজি লাখ লাখ মানুহে নিবনুৱাৰ সংখ্যা বঢাইছে, হাজাৰ বিজাৰ মানুহ অনাহাৰত মৰিছে। এই অৱস্থাত খাদী উদ্যোগে যি সামান্য সহায় কৰিছে তাৰ মূল্য আছে। যাৰ হাতত ফুটা কড়ি এটাও নাই, তাক তিনি অনা পইচা দিলেও কিছু উদ্ধাৰ পাব। ইয়াৰ এটাও সদুত্তৰ নহয়, যুক্তিৰ ফালৰ পৰা কোনোটোকে গ্ৰহণ কৰিব নোৱাৰি। কোনো মালিকে এই যুক্তিত মানুহ খটুৱাব নোৱাৰে। কোনো দূৰদৰ্শী ৰাজনীতিবিদে এই নীতি সমৰ্থন কৰিব নোৱাৰে। তিনি অনা পইচা কোনো লেখ-জোখত নপৰে। তিনি অনাৰে কোনো মানুহ চলিব নোৱাৰে; তেওঁৰ ঘৰ সংসাৰৰ কথা লাগিলে বাদেই দিলোঁ। অৰ্থনৈতিক প্ৰয়োজনীয়তাৰ

ফালৰ পৰা এজন বস্ত্ৰাক তিনি অনা পইচা দি কোনো মালিকেই সান্ত্বনা লাভ কৰিব নোৱাৰে। এনে মালিকক যে কি পাপেই স্পৰ্শ্চুব। খদ্দৰৰ পৰা এই সৰ্ব্বনশীয়া অৰ্থনৈতিক দোষ কোনো ৰকমে দূৰ কৰিব নোৱাৰি। সেইকাৰণে আজি সাত আঠ বছৰে গান্ধীজীয়ে কাম কৰি থকা সত্ত্বেও খদ্দৰৰ উৎপাদন তেনেই নিৰাশজনক হৈ আছে। এই অভিযানত লাখ লাখ টকা পানীৰ দৰে ঢালি দিয়া হৈছে, কিন্তু তাৰ বিনিময়ত যিখিনি কাপোৰ পোৱা গৈছে তাৰ পৰিমাণ তেনেই নগণ্য। আমাৰ সমস্যা ক্ৰমশ জটিল হৈ গৈছে। এই সমস্যাৰ আমি সমাধান কৰিবই লাগিব। আমি ভাৰতবাসীৰ কাৰণে কাপোৰ উৎপাদন কৰিবই লাগিব। বছৰে ৬৯ কৌটি টকা বিদেশীৰ হাতত তুলি দি আমি নিজৰ লজ্জা নিবাৰণ কৰিব নোৱাৰোঁ। এই অৱস্থাৰ আমি অৱসান ঘটাবই লাগিব।”

জৰ্জ জোচেফৰ ধৈৰ্য্যচ্যুতিয়ে গৈ তেওঁৰ স্মৃতিশক্তিতো বিভ্ৰম জন্মাইছে। খাদী বৰ্জ্জনৰ সপক্ষে তেওঁ কোনো নতুন যুক্তি দিব পৰা নাই, বৰং তেওঁ আগেয়ে যিবোৰ কথাকে ভ্ৰান্ত ধাৰণা বুলি প্ৰতিপন্ন কৰিছিল, তাকেই এতিয়া নিৰ্ঘাট সত্য হিচাপে উপস্থাপিত কৰিছে। নতুন বিবেচনাৰ ফলত পুৰণা যুক্তি উৰলি যাব পাৰে, কিন্তু ঘটনা সদায় ঘটনা হৈয়ে থাকে, যদিহে তাক মিছা বুলি প্ৰতিপন্ন কৰিব নোৱাৰি। যি আদৰ্শ সাৰোগত কৰি আমি খাদীৰ কথা চিন্তা কৰিছোঁ, সেই আদৰ্শৰ কথা জৰ্জ জোচেফে উল্লেখ কৰা নাই। খাদী সৰ্ব্বসাধাৰণৰ কাপোৰ। দেশৰ জনসাধাৰণে নিজৰ কাপোৰ যোগাৰ কৰি লব। নিজৰ ঘৰতে নিজৰ আৱশ্যকীয় কাপোৰ নিজে নিজে বৈ লব লাগিব। কোনো দূৰ ঠাইৰ বা দূৰ দেশৰ পৰা নিজৰ হাতৰ ধন ভাঙি কোনোৱে কাপোৰ আমদানি কৰিব নোৱাৰে। এই আদৰ্শ আগত ৰাখি খাদীৰ কথা কোৱা হৈছে। খাদী যিয়ে উৎপন্ন কৰিব, সিয়ে ব্যৱহাৰ কৰিব। এই কাগজৰ পাততে আমি দেখুৱাইছোঁ যে, বাৰদোলি, বিজোনীয়া, আৰু অন্যান্য বহুতো ঠাইত খাদী এই ধৰণে প্ৰস্তুত কৰা হৈছে আৰু ব্যৱহাৰ কৰা হৈছে। হাজাৰ হাজাৰ ঘৰত যেনেকৈ মানুহে বন্ধা বঢ়া কৰি ভাত খাইছে তেনেকৈ বোৱাকটা কৰি কাপোৰ লৈছে। এইটো সম্ভৱ হব পাৰে যে ঘৰত বন্ধা ভাততকৈ কাৰখানাত বন্ধা ভাতৰ খৰচ কম, কিন্তু তথাপি ঘৰৰ পৰা দালি চাউল পঠিয়াই দি কাৰখানাত তাকে বান্ধি-বাঢ়ি আনি খোৱাৰ কথা কোনোৱে ভাবিব নোৱাৰে।

দ্বিতীয়তে এইটো সচা কথা যে, বোৱা কটাত আমাৰ তিৰোতাবোৰে নিতৌ দহঘণ্টাকৈ খাটিবলগীয়া হৈছে। বোৱা কটা অৱসৰ সময়ৰ কাম। বোৱা কটাৰ পৰা পোৱা পইচা দিনটোৰ খোৰাকীৰ কাৰণে নহয়, খোৰাকীৰ কাৰণে পোৱা অতিৰিক্ত সহায়হে। বোৱাকটাৰ পৰা পইচা উপাৰ্জ্জন কৰা মানে অবাবতে কটোৱা সময়ৰ সদ্ব্যৱহাৰ কৰি দুপইচা বাহি কৰা। ইয়াৰ দ্বাৰা অপচয়কো আমি সঞ্চয়লৈ ৰূপান্তৰিত কৰিব পাৰোঁ। জীৱিকা নিৰ্ব্বাহৰ উপায় হিচাপে খাদী ব্যৱসায়ৰ কথা আমি চিন্তা কৰা নাই। মি জোচেকৰ ভুল এইখিনিতে যে তেওঁ খাদী বিষয়টোক ব্যৱসায় পৰ্য্যায়ত ভুক্ত কৰি লৈহে আলোচনাত আগবাঢ়িছে। দহ ঘণ্টা কাম কৰি তিনি অনা পইচা উপাৰ্জ্জন কৰাটো খাদী আন্দোলনৰ কথা নহয়। খাদী মানুহৰ দৈনন্দিন জীৱনৰ উপজীব্য নহয়, অৱসৰ সময়ৰ অতি আৱশ্যকীয় হস্তশিল্পহে। অৱশেষত ইয়াকো কওঁ যে খাদীৰ নামত লাখ লাখ টকা পানী হৈ যোৱা কথাটো সম্পূৰ্ণ মিছা। খাদী আন্দোলনত যিখিনি খৰচ কৰা হৈছে ইয়াতকৈ কম টকাত কোনো ধৰণৰে সৰ্ব্বভাৰতীয় অনুষ্ঠান গঢ়ি তোলা সম্ভৱ নহয়। আচল কথা হ'ল, সামান্য ২৫ লাখ টকাকে মূলধন হিচাপে লৈ এই মহান আৰু ক্ৰমবৰ্দ্ধমান হস্তশিল্পৰ অনুষ্ঠানটো আৰম্ভ কৰা হৈছে আৰু ইয়াৰ ফলত পিয়াহত আতুৰ হৈ থকা হাজাৰ হাজাৰ লোকে এটোপা পানী বিচাৰি পাইছে। জোচেকে দেশবাসীৰ প্ৰতি অবিচাৰ কৰিছে। তেওঁ কৈছে যে, মোৰ মৃত্যুৰ লগে লগে খাদীৰো মৃত্যু হব। যি আন্দোলনে আজি ১৫০০ গাওঁত ১৫ ০ স্বেচ্ছাসেৱক নিয়োগ কৰিছে, যি আন্দোলনে প্ৰায় ১৫০,০০০ তিৰোতাৰ দৈনন্দিন জীৱন নিৰ্ব্বাহত সহায় কৰিছে, যি আন্দোলনত ভাৰতৰ মহান ব্যক্তিসকলে আত্মনিয়োগ কৰিছে, সেই আন্দোলনৰ লগত এজন মানুহৰ জীৱন-মৰণৰ কি সম্বন্ধ থাকিব পাৰে? এই আন্দোলনৰ লগত জড়িত থকা মহান ব্যক্তি সকলৰ মাজত আছে এজন মিথুভাই পেটিট, নোৰাজী ভনীসকল, এজন বেংকাৰ, এজন যমুনালাল, এজন ৰাজাগোপালাচাৰী, এজন আব্বাচ তৈয়াবজী, এজন ভেঙ্কাটাপ্পায়া, এজন পট্টভি, এজন গঙ্গাধৰৰাও, এজন বল্লভভাই, এজন লক্ষ্মীদাস, এজন ৰাজেন্দ্ৰপ্ৰসাদ, এজন জয়ৰামদাস, এজন মহাদেৱ, এজন কৃপালনী, এজন সতীশচন্দ্ৰ দাসগুপ্ত, এজন সুৰেশ বেনাৰ্জী, এজন জৱহৰলাল, আৰু অগণন মহান ব্যক্তি, উকীল, ডাক্তৰ, ব্যৱসায়ী আৰু সৰ্ব্বসাধাৰণ লোক, যাৰ নাম কৈ শেষ কৰিব নোৱাৰি, অথচ প্ৰত্যেকজনে ভাৰতৰ কৃতী সন্তান।

এই ব্যক্তিসকলৰ আত্মদান অথলে যাব পাৰে জানো? জোচেফৰ ভৱিষ্যৎ বাণীয়ে আন্দোলনৰ জীৱনীশক্তিক অস্বীকাৰ কৰিছে। দেশবাসীৰ আত্মদানক তাচ্ছিল্য কৰিছে। মোৰ মৃত্যুৰ পিছদিনাহে এই দেশবৰেণ্য নেতাসকলৰ ভুল ভাঙিব নে? সিদিনাহে তেওঁলোকে কব নে খাদী আন্দোলন এটা 'বিৰাট ভুল'। যদি সেয়ে হয়, এই দেশৰ দুৰ্দ্দশাৰো সীমা নোহোৱা হব।

আটাইতকৈ দুখ লগা কথা এইখিনিয়ে যে, জোচেফে কোনো বিকল্প সিদ্ধান্ত দেখুৱাই দিয়া নাই। তেওঁ কোৱামতে আমি যদি খাদী এৰি খাকীত ধৰোঁ অহিংসা এৰি হিংসাত নামো আমাৰ কিবা লাভ হব নে? ভাৰতীয়ৰ গাত খাকী আৰু হাতত বন্দুক এয়ে আমাৰ সমস্যাৰ সমাধান হব নে? ইয়াতে অগণন জনতাৰ অসহ্য দুৰ্ভিক্ষ যন্ত্ৰণাৰ সামৰণি পৰিব নে? নিবনুৱা কৃষকৰ ক্ৰমে বাঢ়ি অহা সংখ্যা টুটি যাব নে? এইবোৰ আমাৰ প্ৰধান জাতীয় সমস্যা নহয় নে? ইয়াক সমাধান কৰিবলৈ আমাৰ বিশেষ আঁচনিৰ প্ৰয়োজন নহব নে? লাভ লোকচান যিয়েই নহওক, খাদীৰ বাহিৰে ভাৰতৰ সমস্যাৰ সমাধান দিব পৰা আঁচনি সম্প্ৰতি অন্য একো ওলোৱা নাই।

ইয় ইণ্ডিয়া ১৯ ১২ ১৯২৯

[৪০]

দুৰ্গম পথ

বেভাৰেণ্ড বি, ডি, লিটৰ চিঠি এখন আমাৰ পৰিশিষ্ট ভাগত প্ৰকাশ কৰা হৈছে। একে অহিংসাৰ পথ অনুসৰণকাৰী বন্ধু এজনৰ এই চিঠিখন মই আদৰেৰে গ্ৰহণ কৰিছোঁ। এই ধৰণৰ চিঠি সকলোৱে সম্মানেৰে পঢ়া উচিত। এনে সৌহাৰ্দ্দ্যপূৰ্ণ আলোচনাৰ যোগেদি আমি অহিংস আন্দোলনৰ ক্ষমতা আৰু অক্ষমতাৰ বিষয়ে ভালকৈ বুজিব পাৰিম।

পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱ মানুহৰ জীৱনত কোনোমতেই অস্বীকাৰ কৰিব নোৱাৰি। একেবাৰে নিৰ্ব্বিকাৰ হবলৈ চেষ্টা কৰা মানুহেও এই প্ৰভাৱৰ পৰা মুক্ত হব নোৱাৰে। দুজন বিভিন্ন ব্যৱসায়ীৰ জীৱনত অহিংসধৰ্ম্মৰ ভিন্ন ভিন্ন ৰূপ প্ৰকাশিত হব। ৰেউতাকৰ খং উঠিলে ল'ৰাই নীৰৱে সহ্য কৰে; ল'ৰাৰ খং উঠিলে দেউতাকে হাঁহিমুখে খং পাতলাই দিয়ে। এই দুয়ো ক্ষেত্ৰতে ভাব আৰু কামৰ মাজত কোনো অসামঞ্জস্য নাই। বাহ্যিক আচৰণ অন্তৰৰ

ভাবৰ অভিব্যক্তি। কিন্তু অন্তৰত প্ৰতিশোধৰ ভাব লৈ গুজৰি থাকি বাহিৰত শান্ত হৈ দেখুৱালে আমি ভাব আৰু কামৰ মাজত অসামঞ্জস্য দেখিবলৈ পাম। অন্তৰৰ ভাব সংযত হৈ বাহিৰৰ শান্ত অৱস্থাত প্ৰকাশিত হলে আমি প্ৰকৃত অহিংসাৰ ৰূপ দেখিবলৈ পাওঁ। অন্তৰৰ ভাব গোপন কৰি কাম কৰাটো কপট মানুহৰ লক্ষণ। অহিংসাত কপটতাৰ স্থান নাই। মুখত মিঠা, পেটত তিতা, সেই মানুহ কেতিয়াও অহিংস হব নোৱাৰে। অহিংস মানুহ পেটে মুখে সমান। এইটো মনত ৰখা উচিত যে, হিংসাৰ সংশ্ৰৱতহে অহিংসাৰ প্ৰকৃত ৰূপ প্ৰকাশ পায়। য'ত হিংসা প্ৰকাশৰ বাট নাই তাত হিংসাশূন্য হৈ দেখুওৱাৰ কোনো সকাম নাই।

ভাৰতবৰ্ষই আজিও স্বায়ত্তশাসনৰ মৰ্য্যাদা পোৱা নাই। এই ক্ষমতা আমাৰ হাতলৈ আহিলে আমি কি কৰিম সেই কথা আজি তেনেই কল্পনা প্ৰসূত হৈ আছে। তথাপি এটা কথা ঠিক যে, সেই ক্ষমতা আমাৰ থকা হলে আমি ইংলণ্ডৰ লগত সমানে সমানে কাম কৰি যাবলৈ সক্ষম হলোঁহেতেন আৰু সমনীয়াৰ দৰে আমি ইংলণ্ডৰ বৈদেশিক নীতি আলোচনা কৰাৰ সুবিধা পালোঁহেতেন। কিন্তু সেই সুবিধা আমাৰ নাই। ইংলণ্ডৰ বৈদেশিক নীতিৰ দ্বাৰা পৰিচালিত হোৱাৰ বাহিৰে আমাৰ সম্প্ৰতি একো গত্যন্তৰ নাই।

নেহৰুৰ প্ৰতিবেদনখনৰ থুলমূল কথাখিনি মই আন্তৰিকতাৰ সৈতে সমৰ্থন কৰিছোঁ। ইয়াৰ অৰ্থ এয়ে নহয় যে, প্ৰতিবেদনখনৰ প্ৰতিটো শব্দকে মই সমৰ্থন কৰিছোঁ। প্ৰতিবেদনখনৰ আদৰ্শৰ লগত মোৰ কোনো অমিল নাই, সেইবুলি স্বাধীন ভাৰতৰ ভবিষ্যৎ কাৰ্য্যকৰী আঁচনিখনৰ প্ৰকৃত ৰূপ মই এতিয়াই নিৰ্দ্ধাৰিত কৰি দিব নোৱাৰোঁ। স্বাধীনতা লাভ কৰাৰ লগে লগে ভাৰতবৰ্ষত বহুতো সমস্যাই মূৰ দি উঠিব। মই যি অহিংস নীতিৰে পৰাধীনতাৰ বিৰুদ্ধে যুজিছোঁ, সেই একে অহিংস নীতি অৱলম্বন কৰি দেশৰ সকলো সমস্যা সমাধানৰ কাৰণে অবিৰাম যুদ্ধ কৰি যাব লাগিব। স্বাধীনতাৰ পাছত আমি কি আঁচনি লম, সেইটো এতিয়া কেৱল নীতিগত আলোচনাৰ বিষয়হে হব পাৰে, কিন্তু এই আলোচনাই যাতে আমাৰ অহিংস আন্দোলনৰ উন্নতিত বাধা নিদিয়ে সেই বিষয়ে আমি সদায় সচেষ্ট হব লাগিব। দেশ স্বাধীন হোৱাৰ পাছতো যদি মই জীৱিত থাকোঁ তেনেহলে এই অহিংসাৰ অমোঘ অস্ত্ৰ মই দেশবাসীৰ হাতত তুলি দি যাম আৰু মই ভাবোঁ যে দেশবাসীয়ে আজিলৈকে যি দৃঢ়ভাবে অহিংস যুদ্ধ চলাই আহিছে ভবিষ্যতেও সেই একে ভাবেই এই কাম কৰি

থাকিব। অহিংসনীতিৰ বলত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিব পাৰিলে আমাৰ যি দুই এজন নেতাই সামৰিক শিক্ষাৰ কথা চিন্তা কৰিছে তেওঁলোকৰ এই চিন্তা তেনেই অনাৱশ্যকীয় বুলি প্ৰমাণিত হব।

দেশবাসীৰ লগত মোৰ বৰ্ত্তমান সহযোগিতাৰ প্ৰধান লক্ষ্য হ'ল দেশৰ স্বাধীনতা অৰ্জ্জন কৰা। স্বাধীনতা লাভ কৰাৰ পাছত আমি কি কৰিব লাগিব, আমাৰ মনত কেনেকুৱা ভাৱৰ উদয় হব, এই কথা এতিয়াই ভাবি ঠিক কৰিবৰ উপায় নাই।

টলষ্টয়ে মোৰ কামত হাত দিয়া হলে কি ভাবে আগবাঢ়িলেহেতেন তাক ভাবি মূৰ ঘমোৱাৰ সকাম নাই। মোৰ ইউৰোপীয় বন্ধুসকলক মই এবাৰ কথা ডাঠি কব পাৰোঁ যে মই কোনো কামতে নিজৰ জ্ঞানবশত হিংসাক প্ৰশ্ৰয় দিয়া নাই বা মোৰ নীতিৰ পৰা অকণো পিছলি পৰা নাই। বুৱাৰ যুদ্ধত আৰু জুলু বিদ্ৰোহত মই ইংৰাজসকলৰ লগত সহযোগিতা কৰিছোঁ ইয়াৰ কাৰণ হ'ল আমি বৰ্ত্তমান এটা দুৰ্ভেদ্য প্ৰাচীৰৰ মাজত সোমাই আছোঁ। অহিংসাৰ পূজাৰী হিচাপে মই সত্যক অস্বীকাৰ কৰিব নোৱাৰোঁ। পৰাধীনতাৰ নাগপাশ যেতিয়ালৈকে ছিঙিব নোৱাৰোঁ তেতিয়ালৈকে আমি শৃঙ্খলিত। এই অপৰিবৰ্ত্তনীয় অৱস্থাটো স্বীকাৰ কৰি লওঁতে মই যদি কিবা প্ৰাকৃতিক নীতি লঙ্ঘন কৰিছোঁ তেনেহলে সেইটো মই এতিয়াও বুজিব পৰা নাই।

অহিংস ধৰ্ম্মই পৰোক্ষভাৱে কাম কৰিবলৈ নিশিকায়। প্ৰত্যক্ষ অথচ দুৰ্গম পথেই অহিংস ধৰ্ম্মাৱলম্বীলোকৰ কাৰণে একমাত্ৰ পথ। এইটো আমি পাহৰিব নোৱাৰোঁ যে, আমি পৰাধীন, আমি এক হিংসা শক্তিৰ দ্বাৰা পৰিচালিত, এই শক্তিক পৰিচালনা কৰা ক্ষমতা আমাৰ হাতত নাই। আমি এনে এখন সংসাৰত বাস কৰিছোঁ যি হিংসাৰ ওপৰত তিষ্ঠি আছে। আমাৰ অৱস্থাটো ঠিক এনেকুৱা। মোৰ চুবুৰীৰ মানুহবোৰক মাৰি পেলোৱাৰ যো-জা চলিছে। আৰু মোক কোৱা হৈছে, হয় ময়ো এজন সৈনিক হৈ ওলাই এই ধ্বংসলীলাত প্ৰত্যক্ষভাৱে সক্ৰিয় অংশ গ্ৰহণ কৰিব লাগে, নহয় এই ধ্বংসযজ্ঞৰ সা-সামগ্ৰী সংগ্ৰহ কৰোঁতে যি ব্যয়বিধান হব তাত হাত উজান দি পৰোক্ষভাৱে হলেও এই কাৰ্য্যত সহায়তা কৰিব লাগে। এই দুটা বাটৰ মই যি কোনো এটা বাট লবলৈ বাধ্য। ইয়াত বাহিৰে নিজৰ বিচাৰ বুদ্ধি খটোৱাৰ ব্যক্তিস্বাধীনতা মোৰ নাই। এই উভয় সঙ্কটত মই ওপৰত কোৱা বাট দুটাৰ কোনটো পথ লম? মই সন্মুখ সমৰলৈ যাম নে পিছৰ পৰা খুচিয়াই থাকিম? অহিংস ধৰ্ম্মই মোক

দেখাদেখিকৈ যুজিবলৈ শিকাইছে। মই কোনো লুকাচুৰি খেল খেলিব নোৱাৰোঁ। এই অৱস্থাত মই সৈনিক হৈ ওলোৱাটোকে উচিত বিবেচনা কৰিলোঁ—সৈনিকৰ কাৰণে টকা পঠোৱাটো মোৰ কাৰণে লুকাচুৰি যেন লাগিল। মই বিবেচনা কৰি চালোঁ যে, কাৰ্য্যক্ষেত্ৰত ঠিয় হলে হয়তো মই নিজহাতে হিংসামূলক কাৰ্য্যক দমন কৰাৰ সুবিধা পাবও পাৰোঁ আৰু মোৰ সহকৰ্ম্মীসকলক মোৰ ধৰ্ম্মাৱলম্বী কৰি তুলিব পাৰিবও পাৰোঁ।

দেশৰ স্বাধীনতা কল্পিত সাধুকথা নহয়। ই জীৱনৰ কলিজাৰ দৰেই সত্য। ব্যক্তিগত স্বাধীনতাৰ দৰে জাতীয় স্বাধীনতাও মানুহৰ অপৰিহাৰ্য্য অঙ্গ। এই স্বাধীনতা যদি অহিংসাৰ ভেটিত প্ৰতিষ্ঠিত হয়, তেনেহলে ই কেতিয়াও সমপৰ্য্যায়ৰ স্বাধীনতাৰ বাটত হেঙাৰ হিচাপে ঠিয় দিব নোৱাৰে। ব্যক্তিগত বা জাতীয় জীৱনৰ নিচিনাকৈ আন্তৰ্জ্জাতিক ক্ষেত্ৰতো সেই একে কথাই খাটে। আইনৰ সূত্ৰ এটা আছে, 'অণু পৰমাণুৰ যি নীতি, বিশ্বব্ৰহ্মাণ্ডৰো সেই একেই নীতি।' পৰমাণুতে বিশ্বব্ৰহ্মাণ্ড সংকুচিত হৈ আছে। সেইকাৰণে, পৰমাণু যি নিয়মৰ অধীন পৰমব্ৰহ্মাৰ ক্ষেত্ৰতো সেই একে নিয়মে প্ৰযোজ্য হব লাগিব। অণুৰ কাৰণে এটা নীতি আৰু বিশ্বব্ৰহ্মাণ্ডৰ কাৰণে এটা বেলেগ নীতি নাই।

ইয়ং ইণ্ডিয়া ৩ ১ ১৯৩

[৪১]

ভ্ৰান্ত ধাৰণাৰ নিৰসন

মি. হেন্‌ৰি ইটনে কালিফৰ্নিয়াৰ পৰা লিখিছে

"মই ইংৰাজসকলৰ প্ৰতি সহানুভূতিশীল নহওঁ। ১৭৭৬ খ্ৰীষ্টাব্দত মোৰ পূৰ্ব্বপুৰুষসকলে ইংৰাজসকলৰ পৰা নিজকে মুক্ত কৰিবলৈ সংগ্ৰাম কৰিছিল। কিন্তু কাকতে পত্ৰই মই যি দেখিবলৈ পাইছোঁ তাৰ পৰা অনুমান হয় যে ইংৰাজসকলে ভাৰত ত্যাগ কৰিলে লাভতকৈ ক্ষতিৰ সম্ভাৱনাহে বেছি। সেইবুলি মই এই বুলিও কব খোজা নাই যে ভাৰতবাসীসকলে নিজেই নিজক শাসন কৰিব নোৱাৰিব—যদিও মই দেখাত বৰ্ত্তমান সময়ত এনে প্ৰচেষ্টা অতি সঙ্কটপূৰ্ণ হব। কিন্তু যদি ব্ৰিটিছসকলে ভাৰতবৰ্ষ এৰি যায়, তেন্তে কছ বা আন জাতিক কোনে বাধা দিব? মই ভাৰতৰ বিষয়ে যিমানদূৰ জানো, নিজক ৰক্ষা কৰিবলৈ ভাৰতৰ যথেষ্ট সামৰিক শক্তি নিশ্চয়েই নাই।

কিন্তু সম্ভৱত আপোনালোকে ইংৰাজ প্ৰভুতকৈ ৰুছ প্ৰভুকহে বেছি আমোল দিব। ৰুছিয়াই খাইবাৰ গিৰিপথত থাপ পাতি আছে। ৰুছিয়াই প্ৰাচ্যক ভালদৰে জানে। ৰুছিয়াৰ অধিবাসীসকল প্ৰাচ্য আৰু প্ৰতীচ্যৰ সংমিশ্ৰণ। কিন্তু তেওঁলোকৰ সংস্কৃতি পশ্চিমীয়া। গতিকে ৰুছিয়াৰ লগত ভাৰতৰ যি সম্পৰ্ক হব পাৰে সি হব পৰাধীনতাৰ সম্পৰ্ক। ব্যক্তিগতভাৱে মই অৱশ্যে ৰুছিয়াৰ বিৰোধী নহওঁ। পুঁজিবাদৰ বিৰুদ্ধে ৰুছিয়াৰ সংগ্ৰাম—পশ্চিমীয়া সভ্যতাৰ আশাৰ ৰেঙনি। এই আমেৰিকাত, আমাৰ আটাইতকৈ ডাঙৰ পুঁজিপতি হেন্‌ৰি ফোৰ্ডে সম্পদৰ ন্যায্য বিতৰণৰ অপৰিহাৰ্য্যতা উপলব্ধি কৰিছে। কিন্তু ভাৰতবাসীৰ গৰাকী হিচাপে ৰুছিয়াক মই মুঠেই কামনা নকৰোঁ। ৰুছিয়াক প্ৰভু হিচাপে ললে ভাৰতবৰ্ষই নিজৰ সাংস্কৃতিক পৰিচয় হেৰুৱাই পেলাব, কিন্তু ইংৰাজৰ লগত ভাৰতে সেই পৰিচয় সদায় অটুট ৰাখিছে।

সম্ভৱত আমাৰ পশ্চিমৰ দেশবোৰৰ দৰে আপোনালোকৰ ৰুছ ভীতি নাই। আমেৰিকাত আমাৰ বহুতেই নিশ্চিত হৈ আছে যে এবাৰ ব্ৰিটেনে ভাৰত এৰি আহিলেই ৰুছিয়াই ভাৰতবৰ্ষত সোমাই পৰিব। বৰ্ত্তমানৰ ভাৰতবৰ্ষই ইয়াৰ জাতিভেদ প্ৰথা আৰু শিল্প আৰু কৃষি উৎপাদনৰ ক্ষেত্ৰত কৌটিকলীয়া পদ্ধতিৰে, পশ্চিমীয়া আক্ৰমণৰ পৰা নিজক ৰক্ষা কৰিব পাৰিব বুলি আমি ধাৰণা কৰিব নোৱাৰোঁ। প্ৰতিৰোধৰ কাৰণে আপোনালোকৰ কোনো জাতীয় সংগঠন নাই। ভাৰতবৰ্ষত একতাৰ অভাব। পশ্চিমীয়া সংস্কৃতি আৰু সভ্যতাৰ উন্নতিৰ মূলতে আছিল একতা। পশ্চিমৰ দেশবোৰৰ উন্নতিলৈ চালে ভাৰতবৰ্ষত কোনো পিনেই উন্নতি পৰিলক্ষিত নহয়। আপুনি নিজেই বোৱা কটাৰ বিষয়ত সেই পুৰণিকলীয়া পদ্ধতিকে সাৰটি লবৰ বাবে ওকালতি কৰিছে। আপুনি আপোনাৰ তীক্ষ্ণ বুদ্ধিৰে পৰিবৰ্ত্তনৰ অপৰিহাৰ্য্যতা, উন্নতিৰ পথত আগবাঢ়ি যোৱাৰ কোনো গুৰুত্ব উপলব্ধি কৰা নাই জানো ?

আপুনি বৃদ্ধ অৱস্থাৰ পৰা শৈশৱলৈ উভতি যাব নোৱাৰে। তেনেহলে আপুনি বোৱাকটাৰ ক্ষেত্ৰত উন্নত পদ্ধতি পৰিহাৰ কৰি অনুন্নত পদ্ধতিৰে কেনেকৈ লাভৱান হবলৈ আশা কৰে ? পুৰণি কঠিন পদ্ধতিৰে কাম কৰি থকা সময়ত এটা নতুন সহজ সৰল পদ্ধতি আছে বুলি জানিলে— সেই পুৰণি কঠিন পদ্ধতিত আপুনি কেতিয়াও সন্তুষ্ট হব নোৱাৰিব। জাপানলৈ চাওক—নতুন পদ্ধতিৰে কাম কৰি তেওঁলোকে কেনেকৈ শক্তিশালী হৈ উঠিছে আৰু আনকি চীনদেশতো নৱজাগৰণে গা কৰি উঠিছে। পৃথিবীৰ ভিতৰত ভাৰতবৰ্ষই কেৱল নতুন পদ্ধতিৰ প্ৰয়োজনীয়তা

অনুভৱ কৰিব পৰা নাই যেন লাগে। ভাৰতৰ এজন মহান নেতা হৈ আপুনি তেওঁলোকক উন্নতিৰ পথ ধৰিবলৈ কোৱা নাই—ই কেনে কথা?

মোক বৰ আমনি কৰা প্ৰশ্ন দুটা হ'ল—ইংলণ্ডৰ পৰা যদি ভাৰতবৰ্ষ মুক্ত হয়—তেন্তে ভাৰতে ৰুছ ভীতি উপলব্ধি কৰা নাই কিয়? আৰু দ্বিতীয়তে মহাত্মা গান্ধীয়ে তেখেতৰ জনসাধাৰণক কিয় বুজাব পৰা নাই যে তেওঁলোকৰ স্বাধীনতা নিৰ্ভৰ কৰিছে প্ৰথমতে যন্ত্ৰৰ সহায়ত নতুন নতুন ধৰণৰ শ্ৰম কৌশলৰ অৱলম্বনৰ ওপৰত? এই কথাবোৰৰ উত্তৰ কেৱল আপুনিয়েই জানে। মোক কলে—মই বৰ ভাল পাম।

জন্ম আৰু ঐতিহ্যেৰে মই আমেৰিকা যুক্তৰাষ্ট্ৰৰ এজন নাগৰিক। কিন্তু বিশ্বৰ বিভিন্ন সমস্যাবোৰৰ প্ৰতি মোৰ এটা ব্যক্তিগত কৌতূহল আছে আৰু মোৰ ক্ষুদ্ৰ বুদ্ধিৰে মোৰ নিজকে বিশ্বৰ এজন নাগৰিক বুলি কল্পনা কৰি ভাল পাওঁ। ইয়াত কালিফৰ্নিয়াৰ বিশ্ববিদ্যালয়তো ভাৰতৰ বিষয়ে প্ৰায়েই প্ৰশ্ন উঠে। ব্ৰিটিছৰ বিৰুদ্ধে সৰ্ব্বসাধাৰণৰ সহানুভূতি আপোনালোকৰ সপক্ষে। যি কি নহওক ভাৰতবৰ্ষৰ বৰ্ত্তমান পৰিস্থিতি মই নিজেই যেনেকৈ বুজিব পাৰিছোঁ, তাৰ পৰা এনে অনুমান হয় যে ভাৰতৰ দুটা অশুভ গ্ৰহৰ ভিতৰত ব্ৰিটিছ কৰ্ত্তৃত্ব অলপ কম ক্ষতিকাৰক। আনটো অশুভ গ্ৰহ হ'ল মই আগতে ব্যাখ্যা কৰিবলৈ চেষ্টা কৰাৰ দৰে ৰুছিয়াৰ বশ্যতা। কিন্তু আমি আটায়ে জানিবলৈ বিচৰা কথাটো হ'ল—আপুনি এই বিষয়ে কি ভাবে?"

এই চিঠি খনত দুটা ভ্ৰান্ত ধাৰণাই ঠাই পাইছে। তাৰে এটা হ'ল যে ভাৰতবৰ্ষই নিজৰ শাসনভাৰ বহন কৰিবলৈ অক্ষম, কাৰণ ভাৰতৰ নিজা আত্মৰক্ষাৰ শক্তি নাই আৰু অন্তৰ্বিৰোধৰ দ্বাৰা ভাৰত ছিন্ন-ভিন্ন। লেখকজনে নিঃসঙ্কোচে ধাৰণা কৰি লৈছে যে ব্ৰিটেন আঁতৰি গলেই ভাৰতৰ ওপৰত জপিয়াই পৰিবলৈ ৰুছিয়া সাজু হৈ আছে। ৰুছিয়াৰ প্ৰতি ই এটা অসম্মানৰ কথা। ব্ৰিটেনৰ শাসনমুক্ত লোকক শাসন কৰি ফুৰাটোৱেই ৰুছিয়াৰ এটা কাম নেকি? আৰু ৰুছিয়াৰ ভাৰতৰ প্ৰতি এনে কু অভিপ্ৰায় আছে যদিও লেখকে এই কথাৰ উমান পোৱা নাই নে যে যি শক্তিৰ দ্বাৰা ভাৰতবাসীয়ে ব্ৰিটিছ প্ৰভুত্ব ওফৰাই পেলাব, সেই একে শক্তিৰেই আন শক্তিকো পৰাভূত কৰিব পাৰিব? যদি কোনো চুক্তিৰ দ্বাৰা ভাৰতৰ শাসনভাৰ ভাৰতীয় প্ৰতিনিধিবৰ্গৰ হাতত অৰ্পণ কৰা হয়—তাত এনে কিছুমান চৰ্ত্ত থাকিব লাগিব

যাৰ দ্বাৰা ব্ৰিটেনে বহি শত্ৰুৰ আক্ৰমণৰ পৰা ভাৰতক ৰক্ষা কৰিবলৈ প্ৰতিশ্ৰুতি দিব লাগিব। বিগত কালত ইমানদিনে ভাৰতৰ আত্মৰক্ষাৰ শক্তি গঢ়ি তোলাত জ্ঞাতসাৰে বা অজ্ঞাতসাৰে কৰা অবহেলাৰ বাবে ই হব ব্ৰিটেনৰ প্ৰায়শ্চিত্ত।

ব্যক্তিগতভাৱে, আনকি কোনো চুক্তি থাকিলেও মই কিন্তু যি কোনো আক্ৰমণকাৰীৰ বিৰুদ্ধে জাতিৰ অহিংস প্ৰতিৰোধ ক্ষমতাৰ ওপৰতহে বেছি নিৰ্ভৰ কৰোঁ। যোৱা বছৰ ই ব্ৰিটিছ শাসকবৰ্গৰ ক্ষেত্ৰত আংশিক সফলকাম হৈছিল। অহিংসানীতিৰ লগত জাতিৰ কথা, কাম আৰু চিন্তাৰ পূৰ্ণ সমন্বয়ৰ মাজেদিহে সম্পূৰ্ণ কৃতকাৰ্য্যতা লভিব পাৰি। জাতিৰ ৰন্ধ্ৰে ৰন্ধ্ৰে সত্যাগ্ৰহৰ কৃতকাৰ্য্যতা পৰিস্ফুটকৈ দেখুৱাব পাৰিলেহে সমগ্ৰ পৃথিবীয়ে ইয়াক গ্ৰহণ কৰিব আৰু তেতিয়া সমৰসজ্জাৰ ব্যৰ্থতা সৰ্ব্বজনস্বীকৃত হব।

অহিংসাৰ জলন্ত প্ৰতীক সত্যাগ্ৰহেই হ'ল হিংসাৰ প্ৰত্যক্ষ প্ৰতীক সমৰ-সজ্জাৰ একমাত্ৰ প্ৰতিষেধক। কিন্তু লেখকে আমাৰ অনৈক্যৰ কাৰণে অতিশয় চিন্তাকুল হৈ পৰিছে। প্ৰথমতে পাশ্চাত্যৰ দেশবোৰত এইবোৰ কথা অতিশয় অতিৰঞ্জিত কৰি প্ৰচাৰ কৰা হৈছে। দ্বিতীয়তে বিদেশী শাসনত এইবোৰ আৰু পুঞ্জীভূত হৈছে। সাম্ৰাজ্যবাদী শাসনৰ অৰ্থই হ'ল বিভেদ সৃষ্টিৰ যোগেদি শাসন। গতিকে সেইবোৰ হিমকঠিন বিদেশী শাসনৰ অপসাৰণ আৰু প্ৰকৃত স্বাধীনতাৰ উজ্জল ৰশ্মিৰ অভ্যুদয়ৰ লগে লগে উৱলি যাব।

শেষত সকলো পুৰণি কথাই বেয়া—এই বিশ্বাসটোক মই সমৰ্থন নকৰোঁ। সত্য সদায় প্ৰাচীন আৰু জটিল। অসত্যৰ চিক্‌মিকনি বেছি। কিন্তু মই অতি আনন্দেৰেই সত্যৰ প্ৰাচীন সোণালী যুগটোলৈকে উলটি যাবলৈ বিচাৰোঁ। সুন্দৰ কৰিবলৈ যাওঁতে প্ৰয়োগ কৰা নানা কলা-কৌশলৰ ফলত পুষ্টিকাৰক গুণ হেৰুওৱা বগা কটিতকৈ পুৰণি ভাল ৰঙচুৱা কটি সদায়েই শ্ৰেষ্ঠ। পুৰণি কিন্তু ভাল বস্তুৰ তালিকাখন কৈ অন্ত কৰিব নোৱাৰি। ভাৰতৰ বেলিকা এই সূতা কটা যঁতৰটোও এনেকুৱা এটা বস্তু।

ভাৰতবৰ্ষ যেতিয়া আত্মনিৰ্ভৰশীল, আত্মবিশ্বাসী আৰু লোভ আৰু শোষণৰ প্ৰতিৰোধক হব, তেতিয়া আৰু ই প্ৰাচ্য অথবা প্ৰতীচ্যৰ যিকোনো শক্তিৰ লোলুপ চাৱনিৰ সামগ্ৰী বুলি গণ্য নহব আৰু তেতিয়াহে ব্যয়বহুল সমৰ-সজ্জাৰ পৰা মুক্ত ৰাখিও—ভাৰতবৰ্ষই নিজকে নিৰাপদ বুলি অনুভব কৰিব

পাৰিব। ভাৰতৰ আভ্যন্তৰীণ অৰ্থনীতিয়েই আক্ৰমণৰ বিপক্ষে সুদৃঢ়তম প্ৰাচীৰ হব।

ইয়ং ইণ্ডিয়া ২ ৭ ১৯৩১

[৪২]

ব্ৰিটিছসকল যেতিয়া আঁতৰি যাব

প্ৰশ্ন • আপুনি এই মুহূৰ্ততে ব্ৰিটিছ শাসনৰ অৱসান বিচাৰে নেকি ?

উত্তৰ নিশ্চয়। মই কেতিয়াও ধীৰ পদ্ধতিৰ কল্পনা কৰা নাই। কিন্তু সেয়ে গ্ৰেট ব্ৰিটেনৰ লগত সম্পূৰ্ণ বিচ্ছিন্নতা নুবুজায়। যদি গ্ৰেট ব্ৰিটেন সম-অংশীদাৰ হব খোজে মই তাক সম্পদ বুলি আনন্দে গ্ৰহণ কৰিম। কিন্তু ই প্ৰকৃত অংশীদাৰীহে হব লাগিব—শাসক অথবা অভিভাৱকত্বৰ ছদ্মবেশ নহয়। মই জানো যে আপোনালোকৰ কিছুমানে সংভাবেই এটা ভীতি মনত পোষণ কৰি আছে যে ব্ৰিটিছ ভাৰতৰ পৰা আঁতৰি যোৱাৰ লগে লগেই ভাৰতবৰ্ষত সন্ত্ৰাস আৰু ৰক্তপাতৰ সূচনা হব। ভালকথা, যদি ব্ৰিটিছসকলে ইচ্ছা কৰে, তেন্তে তেওঁলোকে গুটি সিঁচি থৈ যোৱা বিষবৃক্ষ উৎপাটিত কৰাৰ দায়িত্বও তেওঁলোকে লব পাৰে। বিভিন্ন সম্প্ৰদায়ৰ মাজত সৃষ্টি হোৱা অনৈক্যৰ বহুখিনিৰ বাবে তেওঁলোকেই দায়ী আৰু সমগ্ৰ জাতি এটা নিশকতীয়া কৰাৰ বাবেও তেওঁলোকেই দায়ী। মই স্বীকাৰ কৰোঁ যে যদি আপোনালোকে অবিলম্বে ভাৰত এৰি যায় তেনেহলে হয়তো আমি সাময়িক সঙ্কটৰ সম্মুখীন হব পাৰোঁ। কিন্তু আমাক সহায় কৰিবলৈ আপোনালোকৰ বাট মুকলি থাকিব যদিহে আপোনালোকে আমাৰ নিয়ন্ত্ৰণত থাকিম বুলি কথা দিয়ে। কিন্তু আপোনালোকৰ অদমনীয় জাত্যভিমানক কিহে পৰাভৱ কৰিব পাৰে ? আমাৰ জাতীয় চৰকাৰৰ অধীনত মই হাঁহিমুখে ব্ৰিটিছ সৈন্য আৰু ব্ৰিটিছ বিষয়া ৰাখিম, আমি তেওঁলোকৰ উপদেশসমূহো পালন কৰিম, কিন্তু নীতি নিৰ্দ্দেশ নিৰ্দ্ধাৰণৰ চৰম দায়িত্ব আমাৰহে হব। আনকি আপোনালোক যদি আঁতৰি যায় আৰু আমি কোনো সামৰিক সাহায্য নোপোৱাকৈও থাকোঁ তেনেহলেও আমাৰ অহিংসানীতিৰ ওপৰত আমাৰ সম্পূৰ্ণ আস্থা আছে। মই নাভাবোঁ যে ব্ৰিটিছ শক্তি আৰু সাহায্যৰ অবিহনে আমি জীয়াই থাকিব নোৱাৰিম—এই ধুয়োটোৱেই আমাৰ ওপৰত জোৰকৈ জাপি

দিয়াহে হৈছে। এই বোজা মূৰত লৈ স্বাধীনতাৰ হকে আপোনালোকৰ লগত আমি এখন আমৰণ যুঁজ চলোৱাৰ সুযোগ পাবলৈ মই ইচ্ছা কৰিছোঁ যাতে তাৰ দ্বাৰা আপোনালোকৰ চকু মুকলি হয়। আফগানসকলৰ বিষয়ে যোগ্যতাৰ প্ৰশ্ন আপোনালোকে কিয় উত্থাপন নকৰে? আমাৰ কৃষ্টি আপোনালোকতকৈও কোনো গুণে হীন নহয়। অথবা আপোনালোকে ভাবে নেকি যে কাৰো প্ৰকৃতিত বৰ্ব্বৰতাৰ উপাদান নোহোৱাকৈ স্বাধীনতা লাভ আৰু উপভোগ কৰাটো সুকঠিন? ভালকথা, আমি যদি এটা কাপুৰুষ জাতিয়েই হওঁ আপোনালোকে যিমান সোনকালেই আমাক আমাৰ ভাগ্যৰ হাতত এৰি দিয়ে সিমানেই আমাৰ মঙ্গল। এই পৃথিবীৰ পৰা কাপুৰুষৰ বোজা আঁতৰি যোৱাটো সৌভাগ্যৰ কথা। কিন্তু কাপুৰুষ সদায় কাপুৰুষ হৈয়েই থাকিব নোৱাৰে। আপোনালোকে নাজানে মই সৰু কালত কিমান ভীৰু আছিলোঁ। আৰু এতিয়া আপোনালোকেই স্বীকাৰ কৰিব যে মই আৰু আগৰ দৰে ভীৰু হৈ থকা নাই। মোৰ উদাহৰণটোকে বঢ়াই নিলে ভীৰুতা পৰিহাৰ কৰা এটা সমগ্ৰ জাতি দেখিবলৈ পাব।

ইয়ং ইণ্ডিয়া ১৫ ১ ১৯৩১

[৪৩]

অহিংসাৰ নীতি আৰু অনুশীলন

এই সভাসমিতি বোৰত উত্থাপিত কৰা প্ৰশ্নবোৰৰ বেছিৰ ভাগেই স্বাভাবিকতে অহিংসানীতিক কেন্দ্ৰ কৰিয়েই কৰা হৈছিল আৰু মই (ম দে) সেইবোৰ সংক্ষেপে ইয়াত দিছোঁ। পেৰিচত বহা সভাৰ প্ৰশ্ন আৰু উত্তৰ কিছুমানো ইয়াত সন্নিবিষ্ট কৰা হৈছে।

হিংসানীতি আৰু অহিংসানীতিৰ মাজত তেখেতে (গান্ধীজীয়ে) কৰা পাৰ্থক্যৰে ইয়াৰ পাতনি মেলিম। "ভাৰতবৰ্ষত আমি প্ৰয়োগ কৰা অহিংসা-নীতিত জাল জুৱাচুৰি অসত্য, প্ৰবঞ্চনা আৰু হিংসা আৰু অসত্যৰ পৰা উদ্ভূত কোনো কু ক্ৰিয়াৰ সমূলি স্থান নাই। যি কৰা হয়—সকলো আঁৰ নোহোৱাকৈ মুকলি ভাবে কৰা হয় কিয়নো সত্যই গোপনতা ঘিণ কৰে। আপুনি যিমানেই মুকলি হব, সিমানেই আপুনি সত্যবাদী হব পাৰিব। যিজন লোকৰ জীৱন সত্য আৰু অহিংসাৰ ভেটিত প্ৰতিষ্ঠিত সেইজন লোকৰ অভিধানত পৰাজয়

অথবা হতাশা বুলি কোনো কথা নাই। তথাপি অহিংসা নীতিটো কোনো আকাৰ বা গঠনেৰে এটা কৰ্ম্মবিমুখ বা নিষ্ক্ৰিয় পদ্ধতি নহয়। এইটো দৰাচলতেই এটা সক্ৰিয় আন্দোলন আৰু ই ৰক্তাক্ত অস্ত্ৰবিজড়িত আন্দোলনতকৈও বেছি সক্ৰিয়। সত্য আৰু অহিংসাই বোধকৰো পৃথিৱীৰ আটাইতকৈ সক্ৰিয় শক্তি। যিজন লোকে ৰক্তাক্ত অস্ত্ৰ নিয়ন্ত্ৰণ কৰে আৰু তেওঁৰ শত্ৰু বুলি বিবেচিত লোকক ধ্বংস কৰিবলৈ ইচ্ছুক হয়, তেওঁৰ অন্তত অলপমান জিৰণিৰ প্ৰয়োজন হয়, আৰু প্ৰতি চৌৱিছ ঘণ্টাৰ ভিতৰত অলপ সময়ৰ বাবে হলেও তেওঁ অস্ত্ৰ সম্বৰণ কৰিব লাগিব। সেইবাবে তেওঁ দিনটোৰ কোনো এভাগত প্ৰকৃততেই নিষ্ক্ৰিয় হৈ পৰে। সত্য আৰু অহিংসা কোনো বাহ্যিক অস্ত্ৰ নহয়—এই সাধাৰণ কাৰণ-টোৰ বাবেই সত্য আৰু অহিংসাৰ সাধকসকলৰ এনে নিষ্ক্ৰিয়তা দেখা নাযায়। মানুহৰ অন্তৰেই হ'ল ইয়াৰ আবাসস্থল। মানুহৰ নিদ্ৰা অথবা জাগৰণত অলস বিহাৰ অথবা আমোদ-প্ৰমোদৰ সময়তো ই অতি সক্ৰিয় ভাবে কাম কৰি থাকে। সত্য আৰু অহিংসাৰ বৰ্ম্ম পৰিহিত যুজাৰু সদাজাগ্ৰত আৰু সদাসক্ৰিয়।"

তেনেহলে কেনেকৈ কোনো এজন লোকে যথাৰ্থভাবে অহিংস হব পাৰে? কেৱল অস্ত্ৰ ধাৰণৰ পৰা বিৰত থাকি পাৰে নেকি? আইনষ্টাইনেও জনগণক যুদ্ধত অংশ গ্ৰহণ নকৰিবলৈ আহ্বান জনাইছিল। সেয়েই যথেষ্ট আছিল নে? বিভিন্ন সভাত এই প্ৰশ্নবোৰ বাৰে বাৰে উত্থাপিত হৈছিল আৰু উপলক্ষ্যৰ প্ৰতি লক্ষ্য ৰাখি যথোচিত ভাবে উত্তৰ দিয়া হৈছিল।

আইনষ্টাইনৰ আহ্বানৰ বিষয়ে তেওঁ কৌতুক কৰি কৈছিল—যিটো কোনেও ভুল বুজিব নালাগে, "মোৰ উত্তৰ একমাত্ৰ সেইটোৱেই হব পাৰে যে যদি ইউৰোপেও এই পদ্ধতিটো অতি আগ্ৰহসহকাৰে লব পাৰে তাতকৈ ভাল কথা একেবাৰেই হব নোৱাৰে। সচাকৈয়ে মই যদি তেনে এজন মহৎ ব্যক্তিৰ বিষয়ে কব লগা হয়, তেনেহলে মই কম আইনষ্টাইনেই সেই কৌশলটো মোৰ পৰা চুৰ কৰি নিছে। কিন্তু যদি আপোনালোকে কথাবাৰৰ বহল ব্যাখ্যা মোৰ পৰা বিচাৰে, মই কম যে অকল সামৰিক বাহিনীৰ চাকৰি প্ৰত্যাখ্যান কৰাটোৱেই যথেষ্ট নহয়। অন্যায়ৰ বিৰুদ্ধে সংগ্ৰাম কৰাৰ সকলো সময় উকলি যোৱাৰ পাছত প্ৰয়োজনৰ সময় উপস্থিত হলে সামৰিক বাহিনীত যোগদানৰ পৰা বিৰত থকাটো নিৰৰ্থক। সামৰিক বাহিনী হ'ল এটা গভীৰতৰ ৰোগৰ লক্ষণ। মই আপোনালোকক স্মৰণ কৰাই দিওঁ যে যিসকল লোকে এতিয়া সামৰিক বাহিনীত নাম ভৰ্ত্তি কৰোৱা নাই, সেইসকলো সমানেই দোষৰ

ভাগী হব যদিহে আনপ্ৰকাৰে তেওঁলোকে চৰকাৰক সমৰ্থন কৰে। পুৰুষেই হওক বা মহিলাই হওক, যিয়েই প্ৰত্যক্ষ বা পৰোক্ষ ভাবে সামৰিক শক্তিৰে পৰিচালিত ৰাষ্ট্ৰক সমৰ্থন কৰে—তেওঁকেই এই পাপে চুব। ল'ৰা, বুঢ়া প্ৰত্যেকেই কৰ-কাটল আদায় দি ৰাষ্ট্ৰ পৰিচালনাৰ ব্যয় নিৰ্ব্বাহৰ সহায়ক হৈ এই পাপৰ ভাগী হৈছে। সেই কাৰণেই যুদ্ধৰ সময়ত মই নিজকে নিজে কৈছিলোঁ যে সেনাবাহিনীৰ সহায়ত অনা আটা খাই থাকি সৈন্যৰ পালনীয় দায়িত্বসমূহ পালন নকৰাকৈ থকাতকৈ মোৰ মতে সৈন্যদলত নাম ভৰ্ত্তি কৰাই গুলি খাই মৰাটোৱেই শ্ৰেয় আছিল। অন্যথা মই পৰ্ব্বতলৈ আতৰি গৈ প্ৰকৃতিজাত আহাৰ খোৱাই উচিত আছিল। সেইবাবে যি সকলে সামৰিক বাহিনীত চাকৰি বন্ধ কৰিবলৈ বিচাৰে তেওঁলোকে সকলো প্ৰকাৰৰ সহযোগিতা প্ৰত্যাহাৰ কৰিহে তেনে কৰিব পাৰে। চৰকাৰক সমৰ্থন কৰা সমগ্ৰ ব্যৱস্থাৰ লগত অসহযোগিতা কৰাতকৈ সৈন্য বিভাগৰ চাকৰি অস্বীকাৰ কৰাটো বেছি তৰাং। কিন্তু যেতিয়া বিৰোধিতা ইমান ক্ষিপ্ৰ আৰু ফলপ্ৰসূ হয় যে আপোনাৰ কেৱল জেলত পচাৰ ভয়েই নহয়, পথৰ ভিখাৰী হোৱাৰ আশঙ্কাও থাকে।"

তেনেহলে মানুহে জানো চৰকাৰৰ অসামৰিক চাকৰিকে গ্ৰহণ কৰিব নোৱাৰে? এই অৱস্থাৰ বিবৃতিটোৱেই পিয়েৰি চেৰিচ'লক গভীৰভাবে আলোড়িত কৰিছিল আৰু তেখেতে এই প্ৰশ্নটো এনেভাবে উত্থাপিত কৰিছিল যে সি অতিশয় হৃদয়স্পৰ্শী হৈ পৰিছিল। "আমি আমাৰ সত্য দেখুৱাইছোঁ আৰু আপুনি প্ৰকৃত সত্যটো দাঙি ধৰিছে। ইয়াত মাজে সময়ে এই যুক্তিৰ অৱতাৰণা হয়। আপুনি আমাৰ সংশয় দূৰ কৰিলে ভাল পাম।"

গান্ধীজীয়ে কৈছিল—"এতিয়া আপুনি মানৱ প্ৰকৃতিৰ আটাইতকৈ সুকোমল অংশটি স্পৰ্শ কৰিছে। মই অসহযোগ আন্দোলনৰ ব্যৱস্থাপক হিচাপে এই বিশেষ প্ৰশ্নটিৰ সন্মুখীন হৈছিলোঁ। মই নিজকে নিজে কৈছিলোঁ যে নিৰো নাইবা মুছোলিনীৰ দ্বাৰা শাসিত ৰাষ্ট্ৰতো ভাল বিষয়বস্তু নোহোৱাকৈ নাই। কিন্তু আমি এবাৰ পদ্ধতিটোৰ লগত অসহযোগ কৰাৰ সিদ্ধান্ত ললে সমগ্ৰ অনুষ্ঠানটোকেই প্ৰত্যাখ্যান কৰিব লাগিব। আমাৰ দেশত জনসাধাৰণৰ বাবে বিশাল ৰাজপথ আছে আৰু প্ৰাসাদোপম শিক্ষাভৱন আছে। মই নিজকে কিন্তু কৈছিলোঁ জাতিটোৰ নিষ্পেষণ পদ্ধতিৰ সেইবোৰ একোটা অংশহে। এইবোৰৰ সৈতে মোৰ কৰিবলগীয়া একো থকা উচিত নহয়। সেইবোৰ হল—'উপকথাত বৰ্ণিত উজ্জল মুক্তামণিৰে বিভূষিত কিন্তু তীব্ৰ হলাহল পূৰ্ণ বিষদংষ্ট্ৰা

সাপৰ নিচিনা।' সেইবাবে মই এই সিদ্ধান্তলৈ আহিলোঁ যে ভাৰতবৰ্ষত ব্ৰিটিছ শাসনে জাতিটোৰ উদ্যম ধ্বংস কৰি পেলাইছে আৰু বুদ্ধি ব্যাহত কৰি ৰাখিছে আৰু সেইবাবেই তেওঁলোকে দিয়া সকলোবোৰ সুবিধা—চাকৰি, কাছাৰী আৰু উপাধি প্ৰত্যাখ্যান কৰিবলৈ মই সঙ্কল্প কৰিছোঁ। বেলেগ বেলেগ দেশত এই নীতি বেলেগ বেলেগ হব পাৰে—কিন্তু ত্যাগ আৰু আত্ম সংযমেই হল ইয়াৰ মূল কথা। আইনস্টাইনে যি কথা কৈছে সি কেৱল বছৰেকত এবাৰহে সংঘটিত হব পাৰে, তাকো খুব কমসংখ্যক মানুহৰ সৈতে। কিন্তু মই চৰকাৰৰ লগত অসহযোগ কৰাটোৱেই আপোনাসৱৰ প্ৰধান কৰ্ত্তব্য বুলি পৰামৰ্শ আগবঢ়াইছোঁ।"

কিন্তু এটা স্বাধীনজাতি আৰু এটা পৰাধীন জাতিৰ মাজত কোনো গভীৰ পাৰ্থক্য নাই নে? এটা বিদেশী চৰকাৰৰ লগত ভাৰতৰ মৌলিক বিবাদ থাকিব পাৰে—কিন্তু চুইছসকলে তেওঁলোকৰ চৰকাৰৰ লগত কিহৰ বাবে বিবাদ কৰিব?

গান্ধীজীয়ে কৈছিল—"পাৰ্থক্য তাত নিসন্দেহে আছে। এটা পৰাধীন জাতিৰ অধিবাসী হিচাপে মোৰ পৰাধীনতা জোকাৰি পেলাই মই আটাইতকৈ ভাল সহায় কৰিব পাৰিলোঁহেতেন। কিন্তু সামৰিক মনোভাবৰ পৰা কেনেকৈ নিষ্কৃতি পাব পাৰি সেই বিষয়েহে মোক ইয়াত সোধা হৈছে। ৰাষ্ট্ৰক সামৰিক সাহায্য দিয়াৰ চৰ্ত্ততহে আপোনালোকে সুখ সুবিধা উপভোগ কৰি আছে। সেইখিনিতে আপোনালোকে ৰাষ্ট্ৰক সামৰিক মনোভাবৰ পৰা মুক্ত কৰিব লাগিব।"

কিন্তু পিয়েৰি চেৰিচ'লৰ মনত এতিয়াও সন্দেহৰ অৱসান হোৱা নাই। তেখেতৰ ওচৰত যুক্তিবোৰৰ দুৰ্নিবাৰ আবেদন আছে, কিন্তু এই নীতি ইয়াৰ চৰম পৰিসমাপ্তিলৈকে অনুসৰণ কৰিব লগীয়া হলে তেওঁৰ বিশেষ উদ্দেশ্য কেনেকৈ থাপ খাব পাৰে? জেনেভাৰ বিৰাট সভাত চুইজাৰলেণ্ডত সংগঠিত আন্তৰ্জ্জাতিক ৰেডক্ৰচ চোচাইটিৰ কৰ্মপন্থা আৰু সেই চোচাইটিয়ে ৰক্ষা কৰা হাজাৰ হাজাৰ যুদ্ধবন্দীৰ জীৱনসম্পৰ্কে গান্ধীজীৰ মতামত লোৱা হৈছিল আৰু সেই প্ৰশ্নটোৰ উত্তৰত কোৱা গান্ধীজীৰ কথাখিনিতেই পিয়েৰি চেৰিচ'লৰ সমূহ সমস্যাৰ সমাধান আৰু তেখেতে পৰিচালনা কৰা আন্তৰ্জ্জাতিক সেৱাসংঘলৈ উৎসাহৰ বাণী নিহিত আছিল। "এই সুন্দৰ আৰু চমকপ্ৰদ অনুষ্ঠানটোৰ কোনো ইতিহাস নজনাৰ বাবে মই বৰ লজ্জিত। যদি ই হাজাৰ হাজাৰ

যুদ্ধবন্দীৰ জীৱন ৰক্ষা কৰিছে, তেন্তে সেই অনুষ্ঠানটোৰ ওচৰত মই নতশিৰ। কিন্তু এই অভিনন্দন জনোৱাৰ পাছত মই এই কথা কব পাৰো নে যে এই অনুষ্ঠান টোৱে যুদ্ধৰ পিছত সাহায্য দান কৰাৰ কথা চিন্তা কৰাতকৈ যুদ্ধ নোহোৱাকৈ সাহায্য দিয়াৰ কথাহে চিন্তা কৰিব লাগে? যদি যুদ্ধৰ কোনো প্ৰায়শ্চিত্তমূলক বৈশিষ্ট্য নাই, ইয়াৰ পিছত কোনো সাহস নাই, কোনো বীৰত্ব নাই, তেন্তে ই এটা জঘন্য বস্তু হব আৰু ইয়াৰ বিনাশৰ বাবে কোনো বক্তৃতাৰো প্ৰয়োজন নাই। কিন্তু আপোনালোকলৈ মোৰ পৰামৰ্শ হব যুদ্ধ আৰু ৰেডক্ৰছকে ধৰি আন সকলোবোৰ প্ৰশাখাতকৈ সহস্ৰগুণে মহত্তৰ। বিশ্বাস কৰক, পৃথিবীত তাতোকৈও বেছি কোটি কোটি বন্দী আছে যিবিলাক অনুভূতি আৰু জীৱনৰ অৱস্থাৰ দাস। মোক বিশ্বাস কৰক নিজৰ মূৰ্খামিৰ বাবে ক্ষতবিক্ষত হোৱা কোটি কোটি লোক আছে আৰু এই পৃথিবীৰ বুকুত কোটি কোটি জনৰ সংসাৰ উৰলি গৈছে। আগত দিনৰ শান্তিসমিতিবোৰে যেতিয়া আন্তৰ্জাতিক সেৱা কাৰ্য্য গ্ৰহণ কৰিব তেতিয়া তেওঁলোকৰ সন্মুখত যথেষ্ট কাম পৰি থকা দেখা পাব আৰু চুইজাৰলেণ্ডেই যেন পৃথিবীক এই মহৎ কাৰ্য্যৰ নেতৃত্ব দিব পাৰে।"

আন এখন সভাত এনে ধৰণৰ প্ৰশ্নৰ উত্তৰত তেখেতে কৈছিল—"সামৰিক চাকৰিত অসহযোগ আৰু অসামৰিক অনুষ্ঠানত চাকৰি কৰা সামঞ্জস্যপূৰ্ণ নহয়। 'নিশ্চিতভাবে' সামৰিক চাকৰি এটা অবাঞ্ছিত শব্দ। আপোনালোকে সকলো সময়তে পৰোক্ষভাবে সামৰিক সেৱা দান কৰিছে, কাৰণ সেৱাৰ ভিত্তিত গঠিত ৰাষ্ট্ৰক আপোনালোকে সমৰ্থন জনাইছে। ট্ৰান্সভাল আৰু আন আন দেশ কিছুমানত কিছুলোকক সামৰিক সেৱাৰ পৰা বঞ্চিত কৰা হয় কিন্তু তেওঁলোকে তাৰ বাবে ৰাষ্ট্ৰক কিছু অৰ্থদণ্ড দিব লগা হয়। আপোনালোকেও আপোনালোকৰ অসহযোগৰ পৰিসৰ কৰ-প্ৰদানৰ ক্ষেত্ৰলৈকে প্ৰসাৰিত কৰিব লাগিব। ৰাষ্ট্ৰ নিৰূপিত সীমান্তৰ সিপাৰৰ প্ৰতিবেশীসকলৰ মাজত আমাৰ সেৱা আগবঢোৱাত কোনো সীমাৰ কথা থাকিব নোৱাৰে। ঈশ্বৰে কেতিয়াও সেই সীমান্তবোৰ সৃষ্টি কৰা নাছিল।"

প্ৰশ্ন যিহেতু নিৰস্ত্ৰীকৰণ প্ৰধানত বৃহৎ শক্তিবৰ্গৰ ওপৰতহে নিৰ্ভৰ কৰে তেন্তে চুইজাৰলেণ্ডৰ নিচিনা এখন সৰু অথচ নিৰপেক্ষ ৰাষ্ট্ৰক কিয় নিৰস্ত্ৰ হবলৈ কোৱা হৈছে?

উত্তৰ আপোনালোকৰ দেশৰ নিৰপেক্ষ ভূমিৰ পৰাই মই অকল চুইজাৰ-লেণ্ডলৈকে নহয়, আন সমূহ শক্তিলৈকো আবেদন জনাইছো। যদি আপুনি এই

বাণী ইউৰোপৰ আন অংশলৈ বহন নকৰে তেনেহলে মই সকলো দোষাৰোপৰ পৰা মুক্ত হব পাৰিম। চুইজাৰলেণ্ড এখন নিৰপেক্ষ ৰাষ্ট্ৰ আৰু ই আক্ৰমণকাৰী জাতিও নহয়—এইটোৱেই চুইজাৰলেণ্ডৰ সৈন্যবাহিনীৰ অনাৱশ্যকতাৰ সৰ্ব্বপ্ৰধান যুক্তি। দ্বিতীয়তে, আপোনালোকৰ আতিথ্যৰ যোগেদি আৰু আপোনালোকৰ অনুকূল অৱস্থানৰ বাবে সকলো জাতিৰ মানুহ আপোনালোকৰ ওচৰলৈ আহে। সেইবাবে পৃথিবীক নিৰস্ত্ৰীকৰণৰ শিক্ষা দিয়াটো আৰু সৈন্যবাহিনী নোহোৱাকৈ চলিব পৰাৰ সাহস প্ৰদৰ্শন কৰাটোও আপোনালোকৰ পক্ষে সহজ হব।

প্ৰশ্ন এখন নিৰস্ত্ৰ নিৰপেক্ষ দেশে আন জাতিক ধ্বংস হবলৈ কেনেকৈ এৰি দিব পাৰে? যোৱা যুদ্ধৰ সময়ত আমাৰ সীমান্তত আমাৰ সৈন্যবাহিনী সাজু হৈ নথকাহেতেন আমি ধ্বংস হৈ গলোঁহেতেন।

উত্তৰ মোক কল্পনাবিলাসী অথবা মূৰ্খ যি বুলিয়েই নাভাবক, মই জনা একমাত্ৰ উপায়েৰেই এই প্ৰশ্নটোৰ উত্তৰ দিব লাগিব। এখন প্ৰতিবেশী ৰাষ্ট্ৰক বিধ্বস্ত কৰিবলৈ সৈন্যবাহিনীক পথ এৰি দিয়াটো এখন নিৰপেক্ষ দেশৰ পক্ষে অতি কাপুৰুষালিৰ কথা। কিন্তু যুদ্ধৰ সেনা আৰু অহিংসাৰ সেনা—এই দুয়োটাৰ মাজত দুটা সহজলভ্য পথ আছে। মই যদি চুইজাৰলেণ্ডৰ এজন নাগৰিক আৰু সেই যুক্তৰাষ্ট্ৰৰ প্ৰেচিডেণ্ট হলোঁহেতেন, তেন্তে সকলো প্ৰকাৰৰ ৰছদ পাতিৰ যোগান বন্ধ কৰি আক্ৰমণকাৰী সৈন্যদলৰ পথৰোধ কৰাটোৱেই উচিত বুলি মই গণ্য কৰিলোঁহেতেন। দ্বিতীয়তে, চুইজাৰলেণ্ডত আৰু এখন 'থাৰ্মপলি'ৰ অৱতাৰণা কৰি আক্ৰমণকাৰীসকলক আপোনালোকৰ মৃতদেহৰ ওপৰেদি পাৰ হৈ যাবলৈ আমন্ত্ৰণ জনাই—আপোনালোকে মুনিহ তিৰোতা আৰু লৰাছোৱালীৰ এখন জীৱন্ত প্ৰাচীৰ উপস্থাপন কৰিব পাৰিলেহেতেন। এনে কথা মানবীয় অভিজ্ঞতাৰ আৰু সহিষ্ণুতাৰ বাহিৰত বুলি কব পাৰে। মই কওঁ, সেইটো নহয়। এইটো সম্পূৰ্ণ সম্ভৱপৰ। যোৱা বছৰ গুজৰাটত তিৰোতাসকলে নিৰ্ভীকভাৱে লাঠিচালনাৰ সন্মুখীন হৈছিল আৰু পেছোৱাৰত হাজাৰ হাজাৰ লোকে গুলিৰ জাউৰিৰ আগত অকণো হিংসাৰ আশ্ৰয় নোলোৱাকৈ বুকু পাতি দিছিল। আন এখন দেশলৈ যাবলৈ নিৰাপদ পথ বিচৰা সেনাবাহিনী এটাৰ সন্মুখত থিয় হৈ থকা এই নাৰী আৰু পুৰুষসকলক কল্পনা কৰক। আপোনালোকে কব পাৰে যে সেইসকল লোকক গছকি যোৱাৰ বৰ্ব্বৰতাও সৈন্যবাহিনীৰ থাকিব পাৰে। মই তেতিয়া কম, আপোনা-

লোকে নিজকে ধ্বংস হবলৈ দিও আপোনালোকে আপোনালোকৰ কৰ্ত্তব্য কৰিছে। যিদল সৈন্যই নিৰপৰাধ নাৰীপুৰুষৰ শৱদেহ অতিক্ৰম কৰি যাবলৈ অকণো দ্বিধাবোধ নকৰে—তেওঁলোকে দুনাই তেনে পৰীক্ষাৰ সম্মুখীন হবলৈ কেতিয়াও সাহস নকৰিব। আপুনি হয়তো বৃহৎ সংখ্যক নাৰী আৰু পুৰুষৰ ক্ষেত্ৰত তেনে সাহসৰ কথা বিশ্বাস কৰিবলৈ মান্তি নহবও পাৰে, কিন্তু তেতিয়া আপুনি স্বীকাৰ কৰিব লাগিব যে অহিংসা বৃত্তিটো কঠিন ধাতুৰে গঢ়া। ই কেতিয়াও দুৰ্ব্বলৰ অস্ত্ৰৰূপে কল্পিত হোৱা নাছিল, ই সাহসী অন্তৰৰ হে অস্ত্ৰ।

প্ৰশ্ন সৈনিকৰ কাৰণে শৃঙ্খলৈ গুলি মাৰি হিংসা পৰিহাৰ কৰাৰ পথ আছে নে?

উত্তৰ এজন সৈনিকে যি নেকি সৈন্যবিভাগত ভৰ্ত্তি হৈ শূন্যত গুলি চলাই হিংসা পৰিহাৰ কৰা বুলি আত্মতোষণ কৰিব পাৰে, তেওঁ তেওঁৰ সাহস অথবা তেওঁৰ অহিংসা মতৰ প্ৰতিও কোনো সুবিচাৰ কৰিব নোৱাৰে। মোৰ দৃষ্টিত এনে এজন মানুহ, অসত্য আৰু কাপুৰুষতা, উভয় দোষতে দোষী সাব্যস্ত হব। কাপুৰুষ এইবাবেই যে শাস্তিৰ হাত সাৰিবলৈ তেওঁ সৈন্য বিভাগত ভৰ্ত্তি হৈছিল আৰু অসত্যবাদী এইবাবেই যে এজন সৈনিকৰ দৰে আচৰণ কৰিবলৈ সৈন্যবিভাগত ভৰ্ত্তি হৈয়ো তেওঁ সৈনিকোচিতভাবে গুলি চালনা কৰা নাছিল। এনে ঘটনাই যুদ্ধৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰা হেতুৰ অৱমাননা কৰে। যুদ্ধবিৰোধীসকল চিজাৰৰ পত্নীৰ দৰে সকলো সন্দেহৰ উৰ্দ্ধত হব লাগে। প্ৰশ্নটোৰ নৈতিকতাৰ প্ৰতি থকা তেওঁলোকৰ চৰম আনুগত্যৰ ওপৰতহে তেওঁলোকৰ শক্তি নিহিত থাকে। —ম দে

ইয়ং ইণ্ডিয়া ৩১-১২ ১৯৩১

[৪৪]

বৃহত্তম শক্তি

মোৰ কাৰ্য্যাৱলীৰ প্ৰত্যেকটোৰ গুৰিতেই আছে অহিংসা আৰু সেই বাবেই এই মুহূৰ্ত্তত মই যি তিনিটা জনহিতকৰ কাৰ্য্যত দেখাদেখিকৈ মোৰ সমূহ শক্তি নিয়োগ কৰিছো সিবিলাকৰ ভিত্তিও অহিংসা। এই কথা কেইটা হ'ল অস্পৃশ্যতা, খাদী আৰু গাওঁ সংস্কৰণ। হিন্দু মুছলমানৰ ঐক্য মোৰ

চতুৰ্থ অনুৰক্ত বস্তু। কিন্তু এতিয়ালৈকে যিখিনি দেখা গৈছে সেই কালৰ পৰা মই পৰাজয় বৰণ কৰিছোঁ। সেই বুলি জনসাধাৰণে তাৰ পৰা ধাৰণা নকৰে যেন যে মই নিষ্ক্ৰিয় হৈ বহি আছোঁ। মোৰ জীৱিত কালত নহয় যদিও, মই জানো যে মোৰ মৃত্যুৰ পাছত হিন্দু আৰু মুছলমান উভয় সম্প্ৰদায়েই সাক্ষ্য দান কৰিব যে মই কেতিয়াও সাম্প্ৰদায়িক শান্তিৰ প্ৰতি থকা মোৰ আকুল আকাঙ্ক্ষাৰ পৰা বিৰত নাছিলোঁ।

ধৰ্ম্ম হিচাপে প্ৰতিষ্ঠিত হবলৈ হলে অহিংসা সৰ্ব্বব্যাপী হ'ব লাগিব। মোৰ নিজৰ কোনো এটা কামত অহিংস আৰু আনবোৰ কামত মই হিংস হ'ব নোৱাৰোঁ। তেনে কৰিলে ই এটা জীৱনশক্তি নহৈ কুটনীতিহে হব। সেইবাবেই এতিয়া ইটালিয়ে আবিছিনিয়াৰ বিৰুদ্ধে যুদ্ধ চলোৱাৰ প্ৰতিও মই উদাসীন হৈ থাকিব নোৱাৰোঁ। কিন্তু মোৰ মত ব্যক্ত কৰাৰ আৰু দেশখনক পৰামৰ্শ দিয়াৰ আকুল আমন্ত্ৰণ গ্ৰহণ কৰাৰ পৰা মই বিৰত আছোঁ। সত্য আৰু অহিংসাৰ স্বাৰ্থত আত্মদমনৰ প্ৰায়েই প্ৰয়োজন হয়। যদি ভাৰতবৰ্ষই সামাজিক ভাৱেই হওক বা জাতীয়ভাবেই হওক, অহিংসা নীতিত বিশ্বাসী হ'লহেতেন—মই ইয়াৰ নেতৃত্ব দিবলৈ অকণো দ্বিধাবোধ নকৰিলোঁহেতেন। কিন্তু দেশখনৰ লক্ষ লক্ষ জনৰ ওপৰত মোৰ কিছু প্ৰভাৱ থকা সত্ত্বেও সেই প্ৰভাৱৰ গভীৰতা আৰু দেখ দেখ সসীমতাৰ কথাও মই জানো। বুৰঞ্জীয়ে ঢুকি নোপোৱা যুগৰ পৰাই ভাৰতবৰ্ষত অহিংসাৰ এটা নিৰবিচ্ছিন্ন ঐতিহ্য আছে। কিন্তু মই যিমান দূৰ জানো ইয়াৰ প্ৰাচীন ইতিহাসৰ কোনো সময়তেই সমগ্ৰ দেশ জুৰি সম্পূৰ্ণ অহিংসানীতি বাস্তৱত ৰূপায়িত হোৱা নাছিল। যি কি নহওক, এইটো মোৰ দৃঢ় বিশ্বাস যে মানৱ জাতিৰ মাজত অহিংসাৰ বাণী প্ৰচাৰ কৰাটো ভাৰতৰ কৰ্ত্তব্য। ইয়াৰ সুফল লভিবলৈ কেইবা যুগো লাগিব পাৰে। কিন্তু মোৰ বোধেৰে এই সাধনাৰ পৰিপূৰ্ণতাৰ ক্ষেত্ৰত আন কোনো দেশেই ভাৰতবৰ্ষক পিছ পেলাই যাব নোৱাৰিব।

সি যি নহওক—সেই অপ্ৰতিদ্বন্দ্বী শক্তিৰ অন্তৰ্নিহিত ভাৱ অনুধাৱন কৰিবলৈ বিচৰাটো সময়োচিত হৈছে। সিদিনা, বন্ধুবৰ্গই প্ৰসঙ্গক্ৰমে উত্থাপন কৰা কৰা তিনিটা পোনপটীয়া প্ৰশ্ন আছিল —

(১) সুসজ্জিত ইটালিৰ বিৰুদ্ধে নিৰস্ত্ৰ আবিছিনিয়াই, অহিংস হোৱা হলে কি কৰিব পাৰিলেহেতেন ?

(২) জাতিসংঘৰ বৃহত্তম আৰু আটাইতকৈ শক্তিশালী দেশ ইংলণ্ডই

আপুনি কৰা ধাৰণামতে অহিংস হৈ থকাহেঁতেন দৃঢ়মনা ইটালিৰ বিৰুদ্ধেনো কি কৰিব পাৰিলেহেঁতেন।

(৩) যদি ভাৰতবৰ্ষ হঠাতে আপুনি বিচৰামতে অহিংস হৈ পৰিলেহেঁতেন তেন্তে ভাৰতবৰ্ষই নো কি কৰিব পাৰিলেহেঁতেন ?

এই প্ৰশ্নবিলাকৰ উত্তৰ দিয়াৰ আগেয়ে অহিংসা সম্পৰ্কে মই উপলব্ধি কৰা পাঁচোটি সাধাৰণ স্বত সিদ্ধৰ বিষয়ে কবলৈ বিচাৰোঁ—

(ক) অহিংসাত মানুহৰ পক্ষে যিমানদূৰ কৰা সম্ভৱ সম্পূৰ্ণ আত্মশুদ্ধিৰ প্ৰয়োজন।

(খ) অহিংস ব্যক্তিৰ হিংসা প্ৰয়োগৰ সামৰ্থ্যৰ ঠিক সমানুপাতিক হাৰত অহিংসাৰ শক্তি নিহিত আছে, হিংসা প্ৰয়োগৰ ইচ্ছাত নহয়।

(গ) অহিংসা নীতি হিংসা বৃত্তিতকৈ কোনো ব্যতিক্ৰম নোহোৱাকৈ শ্ৰেষ্ঠ অৰ্থাৎ অহিংস ব্যক্তি এজনৰ হাতত থকা শক্তি, তেওঁ হিংস হলে পাব পৰা শক্তিতকৈ সদায়েই বেছি।

(ঘ) অহিংসাৰ ক্ষেত্ৰত পৰাজয় বুলি কোনো কথা নাই। কিন্তু পৰাজয় হিংসাৰ নিশ্চিত পৰিণতি।

(ঙ) অহিংসাৰ অন্তিম পৰিণতি হ'ল নিশ্চিত বিজয়—যদিহে অহিংসাৰ ক্ষেত্ৰত এনে পদ প্ৰযোজ্য হ'ব পাৰে। প্ৰকৃততে য'ত পৰাজয়ৰ কোনো কথা নাই, তাত বিজয়ৰ গৌৰৱো নাই।

আগতে কৰা প্ৰশ্নকেইটাৰ উত্তৰ এই স্বত'সিদ্ধ তথ্য কেইটাৰ দৃষ্টিকোণৰ পৰা দিব পাৰি।

(১) যদি আবিছিনিয়া অহিংস দেশ হ'লহেঁতেন, তেনেহলে আবিছিনিয়াৰ অস্ত্ৰশস্ত্ৰ নাথাকিলহেঁতেন আৰু সেইবোৰৰ প্ৰয়োজনো নহ'লহেঁতেন। জাতিসংঘ অথবা আন কোনো শক্তিশালী দেশৰ ওচৰত আবিছিনিয়াই সামৰিক হস্তক্ষেপৰ বাবে আবেদন নকৰিলেহেঁতেন। সেইদেশৰ অভিযোগৰ কোনো কাৰণো নাথাকিলেহেঁতেন। আৰু যদি আবিছিনিয়াই সশস্ত্ৰ প্ৰতিবোধ নিদিলেহেঁতেন, স্বইচ্ছাৰে অথবা বাধ্যতামূলক ভাৱে সহযোগিতা নকৰিলেহেঁতেন, তেনেহলে ইটালিৰো জয় কৰিবলৈ একো নাথাকিলহেঁতেন। তেনে ক্ষেত্ৰত ইটালিৰ অধিকাৰ হ'লহেঁতেন জনহীন ভূমিখণ্ডহে। কিন্তু সেইটো নিশ্চয় ইটালিৰ প্ৰকৃত অভিপ্ৰায় নহয়—ইটালিয়ে সেই দুনীয়া দেশখনৰ জনসাধাৰণৰ বশ্যতা বিচাৰে।

(২) যদি ইংৰাজ সকল জাতি হিচাপে আন্তৰিকতাৰে অহিংস হ'লহেতেন তেওঁলোকে সাম্রাজ্যবাদ পৰিহাৰ কৰিলেহেতেন আৰু তেওঁলোকে অস্ত্ৰৰ ব্যৱহাৰও ত্যাগ কৰিলেহেতেন। তেওঁলোকৰ পৰিহাৰৰ এনে কাৰ্য্যৰ দ্বাৰা উদ্ভৱ হোৱা নৈতিক বলেই ইটালিক নিজৰ কু অভিপ্ৰায়ৰ পৰা বিৰত ৰাখিলেহেতেন। মই দেখুওৱা স্বতঃসিদ্ধ সমূহৰ তেতিয়া ইংলণ্ডই এটা জীৱন্ত প্ৰতীক বুলি স্বীকৃত হ'লহেতেন। এনে পৰিবৰ্ত্তনৰ ফলাফল সৰ্ব্বযুগৰ মহত্তম অলৌকিক ঘটনাত পৰিণত হলহেতেন। আৰু যদি অহিংসা এটা অলস কল্পনা নহয় তেনেকুৱা এটা ঘটনা ভাবী কালৰ কোনোবা এদিন ক'ৰবাত ঘটিবই। মই সেই বিশ্বাসতে আছোঁ।

(৩) শেষৰ প্ৰশ্নটোৰ উত্তৰ এইদৰে দিব পাৰি। মই কোৱা দৰেই শব্দটোৰ প্ৰকৃত অৰ্থত ভাৰতবৰ্ষ জাতি হিচাপে অহিংস নহয়—নতুবা হিংসা বৃত্তি অবলম্বন কৰিবলৈও দেশখনৰ সামৰ্থ্য নাই, অকল অস্ত্ৰশস্ত্ৰ নাই বুলিয়েই নহয়। সাহসীজনৰ দৈহিক অস্ত্ৰ ধাৰণৰ প্ৰয়োজন অতি কম। ভাৰতবৰ্ষৰ অহিংসা দুৰ্ব্বলৰ অহিংসা আৰু এই দুৰ্ব্বলতা বিভিন্ন দৈনন্দিন কাৰ্য্যৰ মাজেৰে প্ৰকাশ পাইছে। আজিৰ পৃথিবীৰ চকুত ভাৰতবৰ্ষ এটা ক্ষয়িষ্ণু জাতি। মই ইয়াক অকল ৰাজনীতিৰ অৰ্থত কব খোজা নাই—বিশেষকৈ অহিংসাৰ অৰ্থত নৈতিকতাৰ ফালৰ পৰা বুজাব খুজিছোঁ। শাৰীৰিক শক্তিৰে বাধা দিবলৈ ভাৰতবৰ্ষৰ সামৰ্থ্য নাই। ভাৰত আজি নিজৰ শক্তিৰ বিষয়ে সজাগ নহয়, সজাগ কেৱল নিজৰ দুৰ্ব্বলতাৰ প্ৰতিহে। যদি কথাটো আন ধৰণৰ হলহেতেন—তেন্তে ভাৰতত কোনো সাম্প্ৰদায়িক সমস্যাই দেখা নিদিলেহেতেন, ৰাজনৈতিক সমস্যাও নেথাকিলহেতেন। যদি ভাৰতবৰ্ষই নিজৰ শক্তি সম্বন্ধে সচেতন হৈ অহিংস পথ ললেহেতেন ইংৰাজসকলে তেওঁলোকৰ অবিশ্বাসী বিজেতাৰ ভূমিকা পৰিত্যাগ কৰিলেহেতেন। আমি আমাৰ ইচ্ছা অনুযায়ী ৰাজনীতিৰ কথা আলোচনা কৰিব পাৰোঁ আৰু যুক্তিসঙ্গতভাৱেই ইংৰাজ সকলক দোষাৰোপ কৰিব পাৰোঁ। কিন্তু আমি যদি ভাৰতীয়ৰূপে এক মুহূৰ্ত্তৰ বাবেও নিজকে আনক আঘাত হানিবলৈ ঘিণ কৰা এক সবল জাতি হিচাপে কল্পনা কৰিব পাৰিলোঁহেতেন, আমি ইংৰাজসকলক সৈন্য, ব্যৱসায়ী অথবা শাসক কোনোটো ৰূপতেই ভয় নকৰিলোঁহেতেন আৰু তেওঁলোকেও আমাক ,অবিশ্বাস নকৰিলেহেতেন। সেইবাবে, আমি যদি সচাঁকৈয়ে অহিংস হওঁ, আমি কৰা সকলো কাৰ্য্যৰ ক্ষেত্ৰতে ইংৰাজসকলক

লগত ৰাখিব পাৰোঁ। আন কথাত কবলৈ গলে আমি কোটি কোটি হোৱা বাবে পৃথিবীৰ ভিতৰত সৰ্ব্ববৃহৎ নৈতিক শক্তি বুলি পৰিগণিত হম আৰু ইটালিয়েও আমাৰ বন্ধুত্বপূৰ্ণ কথাত কাণ দিব।

মই আশা কৰোঁ, পাঠকসকলে এতিয়া নিশ্চয় উপলব্ধি কৰিব পাৰিছে যে মোৰ স্বত সিদ্ধ তথ্যসমূহ প্ৰমাণ কৰাৰ ক্ষেত্ৰত মোৰ যুক্তিবোৰ অতিশয় দুৰ্ব্বল আৰু দুৰূহ প্ৰয়াস মাত্ৰ হৈছে। স্বত সিদ্ধবোৰ স্বতঃপ্ৰামাণ্য হ'ব লাগিব।

মোৰ জ্যামিতিক জ্ঞান বিকাশ নোহোৱালৈকে মোৰ মগজুৱে ইউক্লিডৰ বাৰটা স্বতঃসিদ্ধৰ মাজতেই সাতুৰি নাদুৰি আছিল। মোৰ জ্ঞানচকু মুকলি হোৱাৰ পাছত দেখিবলৈ পালোঁ। জ্যামিতিয়েই শিকিবলগীয়া সহজতম বিজ্ঞান। অহিংসাৰ ক্ষেত্ৰত তাতোকৈয়ো বেছি। অহিংসা হ'ল বিশ্বাস আৰু অভিজ্ঞতাৰ কথা—তৰ্ক তাত অচল। পৃথিবীয়ে যিমান দিনলৈকে বিশ্বাস কৰিব খুখুজিব, সিমান দিনলৈকে কিবা এটা অলৌকিক ঘটনাৰ বাবে অপেক্ষা কৰিব লাগিব; অৰ্থাৎ অহিংসাৰ কিবা এটা বিৰাট আকাৰৰ চাক্ষুষ প্ৰদৰ্শনৰ বাবে বাট চাব লাগিব। বহুতে অহিংসাক মানৱ প্ৰকৃতিৰ বিৰোধী, আৰু ই কেৱল ব্যক্তিৰ বাবেহে বুলি কয়। যদি সেয়ে হয়, তেনেহলে মানুহ আৰু পশুৰ পাৰ্থক্য ক'ত?

হৰিজন ১২ ১ ১৯৩৫

[৪৫]

অহিংসা সম্পৰ্কে এটি কথিকা

বিশিষ্ট লোক কেইগৰাকীমানে গান্ধীজীৰ লগত হোৱা আলোচনাৰ বিষয়বস্তু এটাক কেন্দ্ৰ কৰিয়েই এই কথিকাটো হৈছিল।

"ড থাবমেনে প্ৰশ্ন কৰিছিল—"আপোনাৰ দৃষ্টিকোণৰ পৰা অহিংসা প্ৰত্যক্ষ সংগ্ৰামৰ এটা ৰূপ নে?"

"এইটো এটা ৰূপ নহয়—ইয়েই একমাত্ৰ ৰূপ—" গান্ধীজীয়ে কৈছিল।

"মই অৱশ্যে প্ৰত্যক্ষ সংগ্ৰাম কথাৰাৰ কোনো পাৰিভাষিক অৰ্থত আবদ্ধ কৰা নাই। কিন্তু কোনো প্ৰত্যক্ষ সক্ৰিয় প্ৰকাশ নঘটিলে অহিংসা মোৰ মানত একেবাৰে নিৰৰ্থক। পৃথিবীত অহিংসাই আটাইতকৈ ভাঙৰ আৰু কাৰ্য্যকৰী শক্তি। কোনেও পৰোক্ষভাৱে অহিংস হব নোৱাৰে। প্ৰকৃততে,

'অহিংসা' শব্দৰ মূল অৰ্থটো যাতে প্ৰকাশ পায় এই উদ্দেশ্যেৰেহে মই অহিংসা (নন ভায়োলেন্স) শব্দটোৰ গঢ় দিছিলোঁ। 'নন্' এই নেতিবাচক উপসৰ্গটো থকা সত্ত্বেও ই কোনো নঞাৰ্থক শক্তি নহয়। বাহ্যত আমাৰ জীৱন সংঘৰ্ষ আৰু ৰক্তপাতেৰে পৰিপূৰ্ণ—জীৱই জীৱৰ ওপৰত জীয়াই আছে। কিন্তু বহু যুগৰ আগতেই এজন ভবিষ্যৎ দ্ৰষ্টাই সত্যৰ তাত্ত্বিক সন্ধান পাই কৈছিল—অহিংসাৰ মাজেদিহে মানৱে নিজৰ লক্ষ্যত উপনীত হব পাৰিব আৰু তেওঁৰ সগোত্ৰ প্ৰাণীৰ প্ৰতি থকা কৰ্ত্তব্যও সম্পাদন কৰিব পাৰিব, বিবাদ আৰু হিংসাৰ দ্বাৰাই নোৱাৰে। অহিংসা হল এটা শক্তি যি বিজুলীতকৈও বেছি বাস্তৱ আৰু ঈথাৰতকৈও বেছি শক্তিশালী। এটি স্বয়ংক্ৰিয় শক্তিক কেন্দ্ৰ কৰি অহিংসা বিৰাজ কৰিছে। পলে কোৱাৰ দৰে অহিংসাই 'প্ৰেম' বুজায় তত্ৰাচ চেণ্ট পলে ব্যাখ্যা কৰা প্ৰেমতকৈও ই যেন কিবা এটা বেছি—যদিও মই জানো যে বাস্তৱৰ ক্ষেত্ৰত চেণ্ট পলৰ সেই মনোৰম ব্যাখ্যাই যথেষ্ট। অহিংসা কেৱল মানৱৰ মাজতে আৱদ্ধ নহয়—ই সৃষ্টিৰ সকলো প্ৰাণীকে সামৰি লয়। তদুপৰি ইংৰাজী ভাষাত প্ৰেম শব্দৰ আন আন অৰ্থও আছে আৰু সেইবাবে মই নেতিবাচক শব্দটি ব্যৱহাৰ কৰিবলৈ বাধ্য হৈছোঁ। কিন্তু মই আপোনালোকক কৈছোঁৱেই ই কোনো নেতিবাচক শক্তিক নুবুজায়—ই আন সকলো শক্তিৰ মিলিত শক্তিতকৈও শ্ৰেষ্ঠ এটা শক্তিকহে বুজায়। যি জন লোকে জীৱনত অহিংসাৰ আচৰণ কৰে—তেওঁ বৰ্ব্বৰতাৰ সম্মিলিত শক্তিতকৈও শ্ৰেষ্ঠ শক্তিৰ অধিকাৰী হয়।"

প্ৰশ্ন যি কোনো ব্যক্তিৰ পক্ষে এনে শক্তিৰ অধিকাৰী হোৱাটো সম্ভৱ নে?

গান্ধীজী নিশ্চয়, ইয়াত কিবা একচেতীয়া বা সকলোৱে কৰিব নোৱাৰা কথা থাকিলে মই তাক বৰ্জ্জন কৰিম।

প্ৰশ্ন অধিকাৰৰ কথা ইয়াৰ বিষয়-বহিৰ্ভূত নেকি?

গান্ধীজী হয়। ইয়াত অধিকাৰ বুলি একো নাই আৰু সেইবাবেই ইয়াৰ অধিকাৰও সৰ্ব্বব্যাপ্ত।

প্ৰশ্ন এজন মানুহৰ পক্ষে অহিংসাৰ বিৰুদ্ধে চলা অবিৰাম আক্ৰমণক কৃতকাৰ্য্যতাৰে বাধা দিয়াটো সম্ভৱ নে?

গান্ধীজী হয়, সম্ভৱ। বোধকৰো আপোনাৰ প্ৰশ্নটো আপুনি বুজাব খোজা অৰ্থতকৈও অধিকতৰ বিশ্বজনীন। আপুনি ক'ব খুজিছে যে উদাহৰণ

স্বৰূপে, ত্ৰিশ কোটি ভাৰতীয়ৰ শোষণক কেৱল এজন মাত্ৰ ভাৰতীয়ৰ পক্ষে বাধা দিয়াটো সম্ভৱ নহয় নে? অথবা ব্যক্তিগতভাৱে এজন মানুহৰ বিৰুদ্ধে সমগ্ৰ পৃথিবীৰ বিক্ষোভৰ কথা আপুনি ক'ব খুজিছে নেকি?

ড° থাৰমেন হয়। প্ৰশ্নটোৰ আধাখিনি সেয়েই। মই জানিব খুজিছিলোঁ যে অকল এজন মানুহৰ পক্ষে সমগ্ৰ হিংসাত্মক কাৰ্য্যাৱলী প্ৰতিৰোধ কৰা সম্ভৱ নে?

গান্ধীজী যদি তেওঁ নোৱাৰে আপোনালোকে তেওঁক অহিংসাৰ প্ৰকৃত প্ৰতিনিধি নহয় বুলি ধৰি ল'ব। যদি মই যি কোনো এজন মানুহৰ এটি উদাহৰণো আপোনালোকক দেখুৱাব নোৱাৰোঁ যি জনে তেওঁৰ প্ৰতিপক্ষৰ অন্তৰ সচাকৈয়ে পৰিবৰ্ত্তন কৰিব পাৰিছে, তেনেহলে মই কম যে পৰিপূৰ্ণভাৱে অহিংসা আচৰণ কৰা মানুহ এতিয়ালৈকে ওলোৱা নাই বাবেই এনে হৈছে।

প্ৰশ্ন তেনেহলে ই আন সকলো শক্তিৰে ওপৰত?

গান্ধীজী হয়—ইয়েই জীৱনৰ একমাত্ৰ সত্য শক্তি।

আলোচনাত সম্পূৰ্ণ অভিভূত হোৱা ড থাৰমেনে কৈছিল—"প্ৰশ্নটোৰ দুৰ্ব্বলতাৰ বাবে মোক ক্ষমা কৰক। দুৰ্ব্বলতাক ক্ষমা কৰক কিন্তু মই এটা কথা সুধিব পাৰো নে যে ব্যক্তি অথবা গোষ্ঠীক এই জটিল আচৰণৰ বাবে আমি কেনেকৈ প্ৰশিক্ষণ দিব পাৰোঁ?"

গান্ধীজী নিজৰ জীৱনত নৈতিক আদৰ্শবাদৰ মাজেদি জীয়াই থকাৰ বাহিৰে আন কোনো ৰাজকীয় পথ নাই। আপোনাৰ জীৱন নীতিয়েই হব লাগিব ইয়াৰ জীৱন্ত ধৰ্ম্মোপদেশ। অৱশ্যে ব্যক্তিৰ জীৱনত ই প্ৰতিভাত হবলৈ হলে অতীৱ অধ্যয়ন, প্ৰচণ্ড অধ্যৱসায় আৰু সকলো অপবিত্ৰতাৰ পৰা আত্মশুদ্ধিৰ প্ৰয়োজন। জড় বিজ্ঞানসমূহ আয়ত্ত কৰিবলৈ যদি আপোনাৰ জীৱনজোৰা সাধনাৰ প্ৰয়োজন হয়, তেন্তে মানুহে কাহানিও শুনি নোপোৱা এই সৰ্ব্বশ্ৰেষ্ঠ ঐশ্বৰিক শক্তি লাভ কৰিবলৈ কিমানটা জীৱন লাগিব পাৰে? কিন্তু কেইবাটাও জীৱনজোৰা সাধনাৰ প্ৰয়োজন হলেও তাত ভাগৰি পৰিব নে? যদি এয়েই আমাৰ জীৱনৰ স্থায়ী শক্তি হয় আৰু যদি এয়েই আমাৰ একমাত্ৰ কাম্যবস্তু হয়—তেনেহলে ইয়াৰ আহৰণত আমাৰ যিমান শক্তিয়েই ব্যয়িত নহওক, সি অথলে নাযায়। প্ৰথমতে স্বৰ্গৰাজ্য বিচাৰি লওক আৰু তেতিয়া আন সকলোবোৰ নিজে আহি আপোনাত ধৰা দিব। এই স্বৰ্গৰাজ্যই হ'ল অহিংসা।

শ্ৰীমতী থাৰমেনে ইমান সময়লৈকে নিজকে সংযত ৰাখিছিল। কিন্তু যিটো প্ৰশ্নৰ এদিন তেওঁ সম্মুখীন হবই লাগিব—সেই প্ৰশ্নটো নকৰাকৈ তেওঁ নোৱাৰিলে। "ধৰি লওক—যদি মোৰ চকুৰ আগতেই মোৰ আপোন ভাইক হত্যা কৰা হয় সেই ক্ষেত্ৰত মই কেনেকুৱা আচৰণ কৰিব লাগিব ?"

গান্ধীজীয়ে কৈছিল "আত্মপীড়ন বা আত্মদাহ বুলি এষাৰ কথা আছে। ধৰি লওক, মই এজন নিগ্ৰো, আৰু মোৰ ভনীজনীক এজন শ্বেতকায়ে বলাৎকাৰ কৰিলে অথবা সমগ্ৰ সম্প্ৰদায়টোৰে বিনা বিচাৰে অত্যাচাৰ কৰিলে তেতিয়া মই কি কৰিম ? এই বিলাক কথা মই নিজকে নিজে সোধো। আৰু এনে উত্তৰ পাওঁ ; মই তেওঁলোকৰ অমঙ্গল চিন্তা কৰিব নালাগিব নতুবা তেওঁলোকৰ লগত কোনো সহযোগিতাও কৰিব নালাগিব। এনেও হব পাৰে যে মোৰ জীৱন নিৰ্ব্বাহৰ অৰ্থে মই সেই হত্যাকাৰী সম্প্ৰদায়টোৰ ওপৰতে নিৰ্ভৰ কৰোঁ। মই তেওঁলোকৰ সৈতে সকলো সহযোগিতা এৰি পেলাম—আনকি তেওঁলোকে দিয়া খাদ্যও স্পৰ্শ কৰিবলৈ মান্তি নহম আৰু স্বজাতীয় যিসকল নিগ্ৰোৱে এই অন্যায় সহ্য কৰে তেওঁলোকৰ লগতো মই সহযোগ কৰিবলৈ এৰিম। মই কব খোজা আত্মপীড়ন এনেকুৱাই। মোৰ নিজৰ জীৱনতো মই প্ৰায়েই এই উপায়ৰ আশ্ৰয় লৈছোঁ। অৱশ্যে যান্ত্ৰিক ভাৱে কৰি যোৱা অনশন কাৰ্য্যৰ কোনো অৰ্থ নাই। পল পলকৈ জীৱন বন্তি হ্ৰুমাই আহিলেও আত্মবিশ্বাস অটুট থাকিব লাগিব। ব্যৱহাৰিক অহিংসাৰ মই বৰ নিকৃষ্ট উদাহৰণ আৰু সেয়ে মোৰ উত্তৰত আপুনি প্ৰত্যয় নাযাবও পাৰে। কিন্তু মই বৰ কঠোৰ সংগ্ৰাম কৰিছোঁ আৰু আনকি মোৰ জীৱনত মই যদি সম্পূৰ্ণকৈ কৃতকাৰ্য্য নহওঁ—মোৰ বিশ্বাস ম্লান নহব।"

শ্ৰীমতী থাৰমেন এগৰাকী গভীৰ সাধিকা গায়িকা আৰু সেইবাবে ড থাৰমেনে আমাৰ স্মৃতিৰ ভঁৰালত কিবা এটা সম্পদ এৰি নোযোৱাকৈ যোৱাৰ কথা ভাবিব নোৱাৰিলে। শ্ৰীমতী থাৰমেনে গোৱা দুটি নিগ্ৰো উপাসনা সঙ্গীত শুনি আমি অত্যন্ত তন্ময় হৈ পৰিছিলোঁ। 'মোৰ প্ৰভুক যেতিয়া ক্ৰুছবিদ্ধ কৰিছিল তেতিয়া তুমি তাত আছিলা নে ?' আৰু আনটো হ'ল—'আমি জেকবৰ জখলাত বগাব লাগিছোঁ।' শেষৰ গীতটিয়ে অতিথিবৰ্গ আৰু গৃহস্থ উভয়কে সমানে আপ্যায়িত কৰিছিল—কিয়নো এই গীতত নিজৰ লক্ষ্যত উপনীত নোহোৱালৈকে দোপতদোপে আগুৱাই যাবৰ বাবে প্ৰত্যেক পীড়িত সম্প্ৰদায়ৰ অন্তৰত থকা আকাঙ্ক্ষাৰ কথা প্ৰকাশ পাইছিল।

আৰু এতিয়া বিদায়ৰ সময় হল। অতিথিবৰ্গই সনিৰ্বন্ধ অনুৰোধ জনালে—"আপুনি আমেৰিকালৈ অহা আমি কামনা কৰোঁ।' তেওঁলোকৰ এই অনুৰোধৰ অন্তৰালত থকা প্ৰীতিৰ গভীৰতা শ্ৰীমতী থাৰমেনৰ অনুৰোধৰ এই এই কেইটা কথাৰে উপলব্ধি কৰিব পৰা হৈছিল।

"আমি আপোনাক শ্বেত আমেৰিকাৰ বাবে বিচৰা নাই—নিগ্ৰোসকলৰ বাবেহে আমন্ত্ৰণ জনাইছোঁ। আমাৰ বহুতো সমস্যা আছে যিবিলাকৰ আশু সমাধানৰ প্ৰয়োজন আৰু সেই বাবেই আপোনাক ইমানকৈ বিচাৰিছোঁ।" "মই কিবা কৰিব পাৰিলে ভালেই পালোঁহেতেন"—গান্ধীজীয়ে কৈছিল—"কিন্তু মই কোৱা কথাবোৰৰ ইয়াত এটা প্ৰত্যক্ষ প্ৰদৰ্শন নোহোৱালৈকে আপোনালোকক দিব লগীয়া মোৰ একো নাই। আপোনালোকলৈ বহন কৰি নিয়া এই বাণী সুপ্ৰতিষ্ঠিত কৰি লব লাগিব। মই পৰাজিত হৈছোঁ বুলি কোৱা নাই—কিন্তু মোৰ নিজৰে আৰু কিছু শুদ্ধিৰ আৱশ্যক। আপোনালোকে নিশ্চিত থাকক যে যি মুহূৰ্ততে মই মোৰ অন্তৰৰ আহ্বান অনুভৱ কৰিম মই আৰু তেতিয়া অকণো দ্বিধা নকৰোঁ।"

ড থাৰমেনে ব্যাখ্যা কৰি কৈছিল যে নিগ্ৰোসকলে এই বাণী লবলৈ সাজু হৈ আছে। "আমেৰিকাত আমাৰ নিজৰ জীৱনৰ অদ্ভুত পটভূমিৰ সৰহ ভাগেই হল খ্ৰীষ্টধৰ্মৰ ওপৰত দিয়া আমাৰ নিজা ব্যাখ্যা। যেতিয়া কোনোবাই শত শত নিগ্ৰো আধ্যাত্মিক স্তৱৰ গীত লুটিয়াই যায়—তেতিয়া মোৰ মনলৈ বহুতো মনত লগা কথা আহে যিবোৰে নেকি আজি আপুনি আমাক কোৱা কথাবোৰকে মোক সোঁৱৰাই দিয়ে।"

গান্ধীজীয়ে তেওঁলোকক বিদায় সম্ভাষণ জনাই কৈছিল—"ভাল যদি এই কথাই সচা হয় তেনেহলে নিগ্ৰোসকলৰ জৰিয়তেই অবিমিশ্ৰ অহিংসাৰ বাণী পৃথিবীত বিয়পি পৰিব।"

হৰিজন ১৪-৩-১৯৩৬ ম দে

[৪৬]

শান্তিৰ সমাধি

[ইটালিৰ আক্ৰমণৰ সময়ত নিউইয়ৰ্কৰ দি কচমপলিটান নামৰ কাকতৰ সম্পাদকলৈ পঠোৱা গান্ধীজীৰ অনাতাঁৰ বাণী]

স্থায়ী শান্তি স্থাপনৰ সম্ভাৱনাত আস্থা হেৰুৱা মানেই মানৱ চৰিত্ৰত নিহিত থকা দেৱত্বক অবিশ্বাস কৰা। এতিয়ালৈকে প্ৰয়োগ কৰা প্ৰণালীবোৰ একে একে সকলোটি অকৃতকাৰ্য্য হৈছে, কাৰণ যিসকলে ইয়াৰ বাবে যত্ন কৰিছে তেওঁলোকৰ অন্তৰত ঐকান্তিক একাগ্ৰতাৰ অভাৱ। তেওঁলোকে যে এই অভাৱ অনুভৱ কৰিছে এনেও নহয়। ঠিকমতে মিলাব নোৱাৰিলে ৰাসায়নিক সংমিশ্ৰণ যেনেকৈ অসম্ভৱ ঠিক তেনেকৈ আংশিকভাৱে চৰ্ত্ত সম্পাদন কৰিও শান্তি স্থাপন কৰা অসম্ভৱ। মানৱ জাতিৰ স্বীকৃতি লভি অহা নেতাসকলৰ ভিতৰত যিসকলৰ ধ্বংসকাৰী যন্ত্ৰৰ ওপৰত প্ৰভুত্ব আছে তেওঁলোকে যদি সেই যন্ত্ৰবোৰৰ প্ৰয়োগৰ পৰিণতি ভালকৈ উপলব্ধি কৰি সেইবোৰৰ প্ৰয়োগ সম্পূৰ্ণ ৰূপে পৰিহাৰ কৰে তেনেহলে স্থায়ী শান্তি সম্ভৱ হব। পৃথিবীৰ মহা শক্তিশালী জাতিবোৰে তেওঁলোকৰ সাম্ৰাজ্য বিস্তাৰৰ মনোভাৱ ত্যাগ নকৰিলে এনে শান্তি স্থাপন তেনেই অসম্ভৱ। এই মহান জাতিবোৰে তেওঁ-লোকৰ সাম্ৰাজ্য বিস্তাৰৰ অভিলাষ ত্যাগ নকৰিলে এনে শান্তি স্থাপন একোপধ্যে সম্ভৱ নহয়। আকৌ এই মহান জাতিবোৰে যদি তেওঁলোকৰ প্ৰাণান্তকাৰী প্ৰতিযোগিতা আৰু অভাৱ বৃদ্ধিৰ স্পৃহা জগাই লৈ তাৰ প্ৰতিকাৰাৰ্থে কৰা পাৰ্থিৱ ঐশ্বৰ্য্য বৃদ্ধিৰ যত্ন নেৰে তেনেহলে সেইটো সম্ভৱ হব নোৱাৰে কাৰণ অভাৱ বৃদ্ধিৰ লগত ঐশ্বৰ্য্য বৃদ্ধি সাঙোৰা আছে। মোৰ এইটো দৃঢ় বিশ্বাস যে এই অসৎ কামৰ গুৰিতে আছে জীৱন্ত ভগৱানৰ ওপৰত জীৱন্ত বিশ্বাসৰ অভাৱ। মানুহৰ বাবে এইটো চৰম পৰিতাপৰ কথা যে পৃথিবীৰ যিসকল জাতিয়ে যীশুক শান্তিৰ দূত বুলি বৰ্ণনা কৰে আৰু তেওঁৰ প্ৰচাৰিত বাণীত আস্থাশীল বুলিও দাবী কৰে কাৰ্য্যক্ষেত্ৰত তেওঁলোকেই সেই আস্থাৰ অকণো সঁহাৰি নিদিয়ে। দেখি দুখ লাগে যে আশাশুধীয়া খ্ৰীষ্টান ধৰ্ম্মযাজকসকলেও যীশুৰ বাণী তেওঁলোকৰ মাজৰ বছা বছা অনদিয়েক লোকৰ ভিতৰতে আবদ্ধ ৰাখিব খোজে। মই শিশু কালৰ পৰাই শিকিছোঁ আৰু অভিজ্ঞতাৰ পৰাও তাৰ সত্য উপলব্ধি কৰিছোঁ যে মানৱ জাতিৰ সাধাৰণ ধৰ্ম্ম

পালন কৰাটো ক্ষুদ্ৰাতিক্ষুদ্ৰ নৰ মনিচৰ বাবেও সম্ভৱ। এই সম্ভৱতাত সন্দেহৰ অৱকাশ নাই আৰু ইয়ে মানুহক ভগৱানৰ অন্যান্য সৃষ্টিৰ পৰা পৃথক কৰি দেখুৱায়। ত্যাগৰ এই মহিমাময় কাৰ্য্য যদি মহা শক্তিশালী এটা জাতিয়েও বিনাচৰ্ত্তে পালন কৰিবলৈ ধৰে তেনেহলে আমি অনেকেই আমাৰ জীৱনতে বিশ্বত পৰিদৃশ্যমান শান্তি স্থাপিত হোৱা দেখিবলৈ পামহক।

হৰিজন ১৬-৫ ৩৬

[৪৭]

প্ৰেমবহে ভগৱান, যুদ্ধৰ নহয়

কেনন শেপাৰ্ড আৰু অন্যান্য জনদিয়েক নৈষ্ঠিক খ্ৰীষ্টান লোকে ইংলণ্ডত চলোৱা যুদ্ধবিৰোধী আন্দোলনক অপৰিমেয়ভাবে নিন্দা কৰি দিল্লীৰ 'দি ষ্টেটচ মেন' কাগজত চাৰিটা প্ৰবন্ধ প্ৰকাশ কৰিছিল। কাকতখনে নিজৰ পক্ষ সমৰ্থন কৰাবলৈ ভগৱদগীতাৰো এই দৰে দোহাই দিছে—

"দৰাচলতে খ্ৰীষ্ট ধৰ্ম্মৰ প্ৰকৃত শিক্ষা এই যে সমাজে যে নিজৰ শত্ৰুৰ লগত যুজিবহে লাগিব এনে নহয়, শত্ৰুক ভাল পাবও লাগিব। এই উপদেশ সত্য, কিন্তু ইয়াক পালন কৰা অতি দুৰূহ কাম। শ্ৰীগান্ধীয়ে মনত ৰখা উচিত যে ভগৱদগীতাতো সেই একে ধৰণৰ শিক্ষাই আছে। তাত কৃষ্ণই অৰ্জ্জুনক কৈছে—যি সম্পূৰ্ণ নিৰ্ভীকভাৱে যুদ্ধ কৰে অথচ কাকো কেতিয়াও নিঘিণায় তেৱোঁ বিজয়ী হয়। প্ৰকৃততে সেই মহৎ গ্ৰন্থৰে দ্বিতীয় অধ্যায়ত চিন্তাৰ উচ্চ স্তৰত বিবেকী প্ৰতিবাদী আৰু সাহসী যোদ্ধাৰ মাজত হোৱা তৰ্ক যুদ্ধৰ সিদ্ধান্ত চিৰ কাললৈ স্থিৰ হৈছে। উদ্ধৃতি দিবলৈ আমাৰ কাকতত ঠাইৰ নাটনি, আৰু সচাকৈ সেই সমস্ত কাব্য খনকে এবাৰ নহয় অনেকবাৰ পঢ়াৰ প্ৰয়োজন।"

প্ৰবন্ধলিখকে বোধহয় নাজানে যে এই শ্লোকবোৰকে সন্ত্ৰাসবাদীসকলেও তেওঁলোকৰ পক্ষ সমৰ্থন কৰাবলৈ প্ৰয়োগ কৰিছে, কিন্তু নিৰ্লিপ্তভাৱে ভগৱদ্গীতা অধ্যয়ন কৰাৰ ফলত 'ষ্টেটচমেনৰ' লিখকে দিয়া অৰ্থৰ সম্পূৰ্ণ বিপৰীত অৰ্থ এটাহে মোৰ মনত প্ৰতিভাত হৈছে। তেওঁ পাহৰিছে যে পাশ্চাত্যত যুদ্ধ-বিৰোধী বুলিলে যি বুজা যায় সেই অৰ্থত অৰ্জ্জুন কিন্তু যুদ্ধবিৰোধী নাছিল। অৰ্জ্জুনে যুদ্ধত বিশ্বাস কৰিছিল। তেওঁ কৌৰৱবাহিনীৰ বিৰুদ্ধে ইতিপূৰ্ব্বে

বহুবাৰ যুদ্ধ কৰিছিল, কিন্তু তেওঁ এইবাৰ যুদ্ধৰ বাবে প্ৰস্তুত হোৱা উভয়পক্ষৰ সৈন্যক সন্মুখত দেখি আৰু সেই সৈন্যবোৰৰ মাজত আত্মীয়স্বজন আৰু পূজাৰ্হ গুৰুসকলকো দেখিবলৈ পাই আৰু তেওঁলোকৰ লগত যুজিব লাগিব বুলি হঠাৎ উপলব্ধি কৰিহে তেনেকৈ বিচলিত হৈছিল। মানুহৰ প্ৰতি ওপজা প্ৰেম অথবা যুদ্ধৰ প্ৰতি ওপজা ঘৃণাই প্ৰশ্নকৰ্ত্তা অৰ্জ্জুনক তেনেকৈ তৰ্কত প্ৰবৃত্ত কৰা নাছিল। প্ৰশ্নোত্তৰত কৃষ্ণই যি কৈছিল তাতকৈ অন্যথা কোৱা তেওঁৰ কাৰণে সম্ভৱ নাছিল। মহাভাৰতৰ অমৰ কবিয়ে ৰচনা কৰা গ্ৰন্থৰাজিৰ মাজত গীতা সৰ্ব্বশ্ৰেষ্ঠ। মহাভাৰতত মহাকবিয়ে বিজেতাসকলৰ লক্ষ লক্ষ যোদ্ধাৰ মাজত শেহান্তত সাতোটা মাত্ৰ জীয়াই থকা দেখুৱাই জগতক যুদ্ধৰ অন্ত সাৰশূন্যতাকেই প্ৰমাণ কৰি দেখুৱাইছে। সেই যুদ্ধত দুয়োফালে অবৰ্ণনীয় নিষ্ঠুৰতা সংঘটিত হৈছিল। যুদ্ধক কেৱল মায়া আৰু মূঢ়তা মাত্ৰ বুলি প্ৰমাণ কৰাতকৈও মহাভাৰতত আৰু উচ্চতৰ আদৰ্শ আছে। মানুহৰ মৃত্যুহীন জীৱনৰ ই এখন আধ্যাত্মিক ইতিহাস। এই গ্ৰন্থত এটা ঐতিহাসিক ঘটনাক বৃহৎ আকাৰত ৰূপায়িত কৰা হৈছে। সেই ঘটনাই সেই সময়ত ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যত সীমাবদ্ধ হৈ থকা মানুহক বাৰুকৈয়ে আলোড়িত কৰি তুলিছিল। আজিৰ আধুনিক যুগৰ মূল্যাঙ্কনত এই ঘটনাৰ গুৰুত্ব হয়তো নগণ্য। সেই সময়ত সমগ্ৰ বিশ্ব আজিৰ দৰে সঙ্কুচিত হৈ ক্ষুদ্ৰ আকাৰত পৰিণত হোৱা নাছিল। আজিৰ বিশ্ব ব্ৰহ্মাণ্ডত নিচেই ক্ষুদ্ৰ আন্দোলন এটায়ো জগত কঁপাই তোলে। মহাভাৰতে মানুহৰ অন্তৰত সৎ আৰু অসৎ প্ৰবৃত্তিৰ মাজত অহৰহ চলি থকা যুদ্ধখনকে ৰূপায়িত কৰিছে, আৰু সেই যুজত যদিও শেহান্তত সাধুসকলেই সদায় জয়লাভ কৰে তথাপি পোনতে অসৎসকলেও তাত যথেষ্ট সাহসিকতা দেখুৱায় আৰু আনকি তীক্ষ্ণতম বিচাৰ বুদ্ধিকো কেতিয়াবা পৰাহত কৰে। ইয়েই প্ৰকৃত কৰ্ম্মবো একমাত্ৰ পন্থাৰ নিৰ্দ্দেশ দিয়ে।

কিন্তু ভগৱদ্গীতাৰ প্ৰকৃত বাণী যিয়েই নহওক শান্তি অভিযানৰ নেতা-সকলৰ বাবে আচল কথা কিন্তু গীতাই কি কয় সেইটো নহয়, তেওঁলোকৰ আধ্যাত্মিক অভিধান বাইবেলে কি কয় সেইটোহে। সেই ক্ষেত্ৰতো আকৌ গীৰ্জ্জাৰ ধৰ্ম্মগুৰুসকলে কি অৰ্থ কৰে সেইটো নহয়, ভগৱতচিন্তে গাওঁতে পাঠকৰ মনত কি অৰ্থ প্ৰতিভাত হয় সেইটোহে। আটাইতকৈ ডাঙৰ কথা হল যি সকলে প্ৰতিবাদ কৰে তেওঁলোকৰ লো অহিংসানীতিৰ গূঢ়াৰ্থ সম্পৰ্কে ধাৰণা কি সেইটোহে। অহিংসাৰ যথাযথ অনুবাদ কৰিব নোৱাৰি ইংৰাজীত

তাক 'নন ভায়লেন্স' বোলা হৈছে। "দি ষ্টেটচমেন' কাকতত লিখা প্ৰবন্ধ কেইটা সম্ভৱ প্ৰতিবাদ কৰোঁতাসকললৈ এটা সাধাৰণ প্ৰত্যাহ্বান। মই দুখেৰে কব লাগিব যে এই আন্দোলন সম্পৰ্কে মই যথেষ্ট নাজানো আৰু সেইবাবে সেই বিষয়ে একো খাটাং মন্তব্য দিব নোৱাৰোঁ। মোৰ মন্তব্য সেই হেতুকে প্ৰতিবাদ কৰোঁতাসকলৰ কাৰণে মন পূত নোহোৱাটোৱে সম্ভৱ। তথাপি তাৰ মূল্য নোহোৱা নহয়, কাৰণ তেওঁলোকৰ দুই চাৰিজনে সেই বিষয়ে মোৰ লগত লিখালিখি কৰি আছে। এতিয়া তেওঁলোক আৰু এখোজ আগবাঢ়িছে, কাৰণ তেওঁলোকে মি ৰিচাৰ্ড গ্ৰেগৰ 'দি পাৱাৰ অব নন ভায়লেন্স' বোলা পুথিখন তেওঁলোকৰ পাঠ্য পুথিৰ দৰে গ্ৰহণ কৰিছে। এই পুথিখনক গ্ৰন্থকাৰে মোৰ 'নন-ভায়লেন্স'ৰ এটা পশ্চিমীয়া ব্যাখ্যা বুলিছে। সেইবাবে মই যদি 'নন ভায়লেন্স'ৰ কৃতকাৰ্য্যতাৰ অৰ্থ আৰু চৰ্ত্তবোৰ তৰ্ক উত্থাপন নকৰাকৈ ইয়াত লিখোঁ। তেন্তে মোৰ বাবে সেইটো দম্ভালি নহব বুলি ভাবোঁ। সেইবোৰ হৈছে—

১। অহিংসা মানৱ জাতিৰ কাৰ্য্যবিধিস্বৰূপ আৰু সি পশুবলতকৈ অনেক গুণে মহৎ আৰু শ্ৰেষ্ঠ।

২। প্ৰেমময় ভগৱানত অটল বিশ্বাস যিসকল লোকৰ নাই তেওঁলোকক ই শেষত সহায় নকৰে।

৩। মানুহৰ আত্মসম্মান আৰু মৰ্য্যাদাবোধক অহিংসাই সম্পূৰ্ণৰূপে সংৰক্ষণ কৰে কিন্তু স্থাৱৰ বা অস্থাৱৰ সম্পত্তি অৰ্জনত ই সততে সহায় নকৰে। কিন্তু ইয়াক সদায় মানি চলিলে ই সুসজ্জিত ৰক্ষকতকৈও অধিক বলবান শক্তিৰ দৰে কাম কৰে। অহিংসাই স্বাভাৱিকতে অসৎ উপায়ে অৰ্জ্জন কৰা সম্পত্তি ৰক্ষা কৰাত নাইবা অসৎ কৰ্ম্ম সমৰ্থন কৰাত সহায় নকৰে।

৪। অহিংসা নীতি আচৰণ কৰোঁতে ব্যক্তি আৰু জাতিয়ে (জাতিৰ ক্ষেত্ৰত শেষ ব্যক্তি পৰ্য্যন্ত) তেওঁলোকৰ সম্মানৰ বাহিৰে যথা সৰ্ব্বস্ব ত্যাগ কৰিবলৈ সাজু থাকিব লাগিব। সেই দেখি অন্যৰ দেশ অধিকাৰ কৰি থকাটো এই নীতিৰ লগত খাপ নাখায় অৰ্থাৎ আধুনিক যুগৰ সাম্ৰাজ্যবাদ ইয়াৰ লগত খাপ নাখায়, সাম্ৰাজ্য ৰক্ষাৰ কাৰণে দেখাদেখিকৈয়ে শক্তি প্ৰয়োগৰ প্ৰয়োজন।

৫। প্ৰেমময় ভগৱানত অটল বিশ্বাস থকা আৰু সেই হেতুকেই সমগ্ৰ মানৱ জাতিক সমানে ভাল পোৱা শিশু ডেকেৰী আৰু আদহীয়া লোক সকলোৱে একেদৰে অহিংসাৰ শক্তি ধাৰণ কৰিব পাৰে। অহিংসাক জীৱনৰ

নীতি ৰূপে গ্ৰহণ কৰিলে সকলো কাৰ্য্যতে তাক প্ৰয়োগ কৰিব লাগিব, খাপচাবাকৈ দুই একোটা কামত তাক প্ৰয়োগ কৰিলে নচলিব।

৬। ব্যক্তি বিশেষৰ কাৰণে এই নীতি উৎকৃষ্ট কিন্তু সমূহ জনগণৰ বাবে ই উৎকৃষ্ট নহয়, এনে ধাৰণা তেনেই ভুল।

হৰিজন ৫। ৯। ৩৬

[৪৮]

আমাৰ জীৱনৰ ধৰ্ম্ম

কেনন শ্বেপাৰ্ডৰ যুদ্ধবিৰোধী আন্দোলনক সমালোচনা কৰি 'ষ্টেটচমেন' কাগজে প্ৰবন্ধ প্ৰকাশ কৰিছিল, মই তাৰ সমালোচনা কৰিছিলোঁ। মোৰ যুক্তিৰ সমালোচনা কৰি 'ষ্টেটচমেনে' আকো এটা যুক্তিপূৰ্ণ প্ৰবন্ধ প্ৰকাশ কৰিছে। সেই প্ৰবন্ধত মোৰ সকলো কথাৰেই প্ৰতিবাদ কৰিবলৈ এটা চতুৰ অপচেষ্টা চলোৱা হৈছে।

প্ৰবন্ধ লিখকে কৈছে যে ভগবদ্গীতাই তেওঁকহে সমৰ্থন কৰে, সন্ত্ৰাসবাদীক সমৰ্থন নকৰে। অস্ত্ৰোপচাৰী ডাক্তৰে বেমাৰীৰ গাত অস্ত্ৰ প্ৰয়োগ কৰাৰ দৰে যাৰ মঙ্গলৰ বাবে দৈহিক বল প্ৰয়োগ কৰা হয় তাৰ বাহিৰে অন্য ক্ষেত্ৰত যদি তুমি এবাৰো কেনেবাকৈ দৈহিক শক্তি প্ৰয়োগৰ নীতি সমৰ্থন কৰা তেনেহলে তাত ইটোৰ পৰা সিটোৰ পাৰ্থক্য দেখুৱাবলৈ তুমি মনে গঢ়া সীমাৰেখা টানিব নোৱাৰিবা। গীতাখন মহাভাৰতৰে এটা ক্ষুদ্ৰ অধ্যায় মাত্ৰ। সেই মহাভাৰতৰ নিৰপৰাধী প্ৰাণী কিছুমানক ঘোৰ নিশা এনে নৃশংসভাৱে হত্যা কৰাৰ কাহিনী বৰ্ণোৱা আছে যে আধুনিক সভ্যযুগৰ যুদ্ধৰ অভিজ্ঞতা নথকা হলে সি আমাৰ মনত আজি অবিশ্বাস্য ঘটনা বুলিয়ে বিবেচিত হ'লহেতেন। আপচু কথা এয়েহে যে সন্ত্ৰাসবাদীসকলৰ অনেকে গীতাখন মুখস্থ কৰি লৈছে আৰু সৰ্ব্বান্ত কৰণে আৰু উৎসাহ আৰু যুক্তি সহকাৰে তেওঁলোকৰ নীতি আৰু কাৰ্য্যপন্থাৰ যৌক্তিকতা দেখুৱাবলৈ তাক প্ৰয়োগ কৰিছে। তেওঁলোকে হলে গীতাৰ মই দিয়া ব্যাখ্যা সম্পৰ্কে মোৰ লগত যুক্তিৰ কটাকটি নকৰে, ইয়াকে মাথো কয় যে মোৰ ব্যাখ্যা ভুল আৰু তেওঁলোকৰ ব্যাখ্যা শুদ্ধ। কাৰ ব্যাখ্যা শুদ্ধ তাক কালেহে মাত্ৰ প্ৰমাণ কৰিব। গীতাখন এখন কাল্পনিক গ্ৰন্থ নহয়। ই এটি জীৱন্ত কিন্তু নিৰ্ব্বাক পথ-প্ৰদৰ্শক ; ইয়াৰ নিৰ্দ্দেশবোৰ ধৈৰ্য্য আৰু যত্ন সহকাৰেহে আয়ত্ত কৰিব পাৰি।

'ষ্টেটচমেন'ৰ লিখকজনে তাৰ পিছত কেনন শেপাৰ্ডৰ অৱস্থা অৰ্জ্জুনৰ অৱস্থাৰ লগত তুলনা কৰিছে। নিশ্চয়কৈয়ে এই বিজনি ভ্ৰমসঙ্কুল আৰু তাক খপ জপ্‌কৈ কৰা হৈছে। অৰ্জ্জুন পাণ্ডৱবাহিনীৰ মুখ্য সেনাপতি আছিল। তেওঁৰ চকুৰ আগতে কি ভয়াবহ দৃশ্য সংঘটিত হব ধৰিছে তাকে কল্পনা কৰাৰ লগে লগে তেওঁ হতভম্ব হৈ পৰিছিল। সেনাপতি হিচাপে তেওঁৰ কৰ্ত্তব্য কি তেওঁ ভালকৈ জানিছিল। তেওঁ জানিছিল যে তেওঁ তেওঁৰ সম্বন্ধীয়া ভায়েকইঁতৰ লগত যুজ কৰিব লাগিব। তেওঁৰ নিষ্ক্ৰিয়তা উপজিছিল ক্ষণস্থায়ী দুৰ্ব্বলতাৰ হেতুকে। তেওঁ যি কৰ্ত্তব্য হাতত লৈছিল তাক তেওঁ দুৰ্ঘোৰ খেলিমেলি আৰু বিশৃঙ্খলাৰ সৃষ্টি নকৰাকৈ আৰু নিজৰ, অসংখ্য বন্ধু বান্ধৱৰ আৰু অনুগামীসকলৰ প্ৰতি কলঙ্ক নন৷কৈ সেই দায়িত্ব ত্যাগ কৰিব নোৱাৰিলেহেতেন। তেওঁ সেই ভয়ঙ্কৰ ধ্বংসকাণ্ডত নিজক আৰু তেওঁৰ অনুগামীসকলক নিযুক্ত কৰিবলৈ বাধ্য হৈছিল আৰু তাৰ বাবে তেওঁলোক তৈয়াৰো হৈছিল। বাস্তৱিকতে যদি ভাব, কথা আৰু কাৰ্য্যত তেওঁ তেনে সময়ত হঠাৎ অহিংসাৰ ভক্ত হৈ পৰিলেহেতেন তেনেহলে কি ঘটিলহেতেন সেইটো এতিয়া কল্পনা কৰা নিৰৰ্থক।

আমাৰ ইচ্ছা যেন ডিক শেপাৰ্ড আৰু তেওঁৰ সঙ্গীসকলৰো সেই একে অৱস্থা উপস্থিত হয়। সি যি নহওক, মই কিন্তু যিমান দূৰ জানো তেওঁৰ অৱস্থা অৰ্জ্জুনৰ অৱস্থাৰ পৰা সম্পূৰ্ণ পৃথক। যুদ্ধক্ষেত্ৰত অৱতীৰ্ণ হোৱা কোনো বাহিনীৰ তেওঁ সেনাপতি নহয়। গতিকে কোনজন তেওঁৰ আত্মীয়, কোনজনে বা নহয়, এনে বিচাৰ বিবেচনা তেওঁ কৰিবলগীয়া হোৱা নাই। তেওঁৰ কাৰণে সকলো মানুহ একে, লাগিলে তেওঁলোক যতেই নোপজক অথবা তেওঁলোকৰ গাৰ বৰণ যিয়েই নহওক, নাইবা তেওঁলোকে নিজক যি বুলিয়েই পৰিচয় নিদিয়ক। জীৱন গ্ৰন্থই তেওঁৰ বাবে আচল গ্ৰন্থ। তাকে তেওঁ শ্ৰদ্ধাৰে অধ্যয়ন কৰি ইয়াকে পাইছে যে তেওঁ নিজৰ ব্যক্তিগত লাভৰ কাৰণে নাইবা দেশৰ লাভৰ কাৰণে কাকো কেতিয়াও আঘাত নকৰে আৰু সেইবাবে তেওঁ যুদ্ধত প্ৰত্যক্ষ বা পৰোক্ষভাৱে লিপ্ত নহয়। সেইদেখি তেওঁ তেওঁৰ দ্বিতীয় পদক্ষেপ হিচাপে ওচৰচুবুৰীয়াৰ মাজত শান্তি বা প্ৰেম বিলাবলৈ লয় আৰু কেনেকৈ সকলোৰে প্ৰতি শুভেচ্ছা ৰাখি চলিব লাগে তাকে শিকায়। অৰ্জ্জুনৰ এই অৱস্থা হোৱা নাছিল।

কিন্তু ষ্টেটচমেনৰ লিখকজনৰ ধমুত একাধিক গুণ লগোৱা আছে। তাৰে

আটাইতকৈ সবলভাবেই হ'ল অহিংসা বা প্ৰেমক মানৱ ধৰ্ম্ম বুলি স্বীকাৰ নকৰাটো। যদি প্ৰেম বা অহিংসা আমাৰ জীৱনৰ ধৰ্ম্ম নহয় তেন্তে মোৰ সকলোবোৰ যুক্তি তৰ্কই নিৰৰ্থক হৈ পৰে আৰু সেয়ে হলে সময়ে সময়ে যুদ্ধ পুন পুন হৈয়ে থাকিব আৰু তেনে যুদ্ধবোৰৰ প্ৰত্যেকখনেই তাৰ পূৰ্ব্ববৰ্ত্তী খনতকৈ অধিক ভয়াবহ হব। দয়াতেই যে মানুহৰ জীৱনৰ পাতনি আৰু সেই দয়াতেই যে মানৱ জীৱনৰ অৱসান ঘটে সেইটো মোৰ পক্ষে প্ৰমাণ কৰা অসম্ভৱ, বিশেষকৈ মোৰ দৈনন্দিন কাৰ্য্য তালিকাৰ পৰা কোনোপ্ৰকাৰে সময় উলিয়াই বাতৰি কাকতৰ বাবে লিখা এটা প্ৰৱন্ধত তাৰ প্ৰশ্নই নুঠে। কিন্তু সেই নীতিটো বুজাত উজু কৰিবলৈ মই এই থিনিতে গোটাচেৰেক প্ৰাসঙ্গিক পৰামৰ্শ আগবঢ়াব খোজোঁ। পৃথিবীত জন্মলাভ কৰা গুৰুসকলৰ সকলোৱে কম বেছি পৰিমাণে সেই নীতিত জোৰ দিছিল। দয়াই যদি জীৱনৰ ধৰ্ম্ম নহ'লহেতেন তেন্তে মৃত্যুৰ মাজত জীৱনো বৰ্ত্তি নাথাকিলহেতেন। মৃত্যুক জয় কৰি মানৱ জীৱনৰ বিজয় বৈজয়ন্তী চিৰদিন উৰি থাকে। যদি মানুহ আৰু জন্তুৰ মাজত মৌলিক কিবা পাৰ্থক্য আছে তেন্তে সেইটো হৈছে মানুহৰ আইন কানুনৰ প্ৰতি থকা আনুগত্য বা স্বীকৃতি, আৰু সেই স্বীকৃতি ক্ৰমে ক্ৰমেহে উন্নত হৈ আহিছে আৰু মানুহে সেই আইন কানুনবোৰ ব্যৱহাৰিক জীৱনত মানি চলিবলৈ শিকিছে। অতীতৰে পৰা আজিলৈকে জন্মলাভ কৰা পৃথিবীৰ সকলো সাধু লোকৰ জীৱনেই কম বেছি পৰিমাণ সেই সৰ্ব্বশ্ৰেষ্ঠ নীতিটোৰ একোটা উদাহৰণ মাথোন। আমাৰ শৰীৰৰ ভিতৰত থকা জান্তৱ প্ৰকৃতিয়ে কেতিয়াবা সহজে আমাৰ ওপৰত জয়লাভ কৰা যেন লাগে, সেয়ে কিন্তু নীতিটোৰ সাৰবত্তা নুই কৰিব নোৱাৰে। সি কেৱল ব্যৱহাৰত সেই নীতিৰ দুৰূহতালৈ মাত্ৰ আঙুলিয়ায়। স্বয়ং সত্যৰ সমপৰ্য্যায়ত থকা এনে এটা নীতিৰ ক্ষেত্ৰত সেয়ে নহৈ আৰু কি হব পাৰে? এই নীতি যেতিয়া সকলোৱে অনুসৰণ কৰিবলৈ লব তেতিয়া স্বয়ং ভগৱানে স্বৰ্গৰাজ্যত ৰাজত্ব কৰাৰ দৰেই মৰততো ৰাজত্ব কৰিবলৈ লব। স্বৰ্গ আৰু মৰ্ত্ত্য যে আমাৰ অন্তৰতে আছে সেই বিষয়ে মোক সোঁৱৰাব নালাগে। আমি মৰ্ত্ত্যখনৰ কথা জানো কিন্তু আমাৰ ভিতৰত থকা স্বৰ্গখনহে আমাৰ কাৰণে অচিনাকি। এইটো যদি মানি লোৱা হয় যে দয়া ধৰ্ম আচৰণ কৰা কাৰো কাৰো পক্ষে সম্ভৱ, তেনেহলে অন্তৰ পক্ষে সেইটো অসম্ভৱ বোলাটো দাম্ভিকতা মাত্ৰ হব। আমাৰ অদূৰবৰ্ত্তী পূৰ্ব্ব পুৰুষ কিছুমানেই নৰমাংস ভোজনৰ দৰে আৰু তেনে বহুত কাৰ্য্যত প্ৰবৃত্ত

হৈছিল, সেইবোৰক আজি আমি ঘিণ কৰোঁ। সন্দেহ নাই যে সেই কালতো ডিক শেপার্ডৰ দৰে বহুত লোক আছিল আৰু তেওঁলোকক নৰমাংস ভোজনৰ বিৰুদ্ধে প্ৰচাৰ কৰা কাৰণে লোকে ঠাট্টা কৰিছিল আৰু সম্ভৱত ফাঁচিও দিছিল। আমাৰ জনাৰ ভিতৰতে আধুনিক বিজ্ঞানে অসম্ভৱক সম্ভৱ কৰাৰ অনেক উদাহৰণ আছে, কিন্তু বস্তু বিজ্ঞানৰ বিজয় কাহিনী জীৱন বিজ্ঞানৰ বিজয় কাহিনীৰ লগত তুলনা নহয় আৰু জীৱন বিজ্ঞানকে এটা কথাত প্ৰেম বা দয়া বোলা যায় আৰু সেয়ে আমাৰ জীৱনৰ ধৰ্ম্ম। মই জানো যে ইয়াক যুক্তিতৰ্কেৰে বুজাব নোৱাৰি। ফললৈ ভ্ৰূক্ষেপ নকৰা যিসকলে নিজৰ জীৱনতে এই নীতি প্ৰতিফলিত কৰে তেওঁলোকৰ জীৱনতে ইয়াৰ প্ৰমাণ ওলাব। বিনা ত্যাগে প্ৰকৃত লাভ একো হব নোৱাৰে। আৰু, প্ৰেম ধৰ্মৰ উদাহৰণ দেখুৱাটোৱেই যেতিয়া উদ্দেশ্য তাৰ বাবে কৰিবলগীয়া ত্যাগো হব লাগিব সৰ্ব্বোৎকৃষ্ট।

নীতিটো যদি মানি লোৱা হয় তেন্তে মোৰ কথাৰ প্ৰত্যুত্তৰত 'ষ্টেটচমেন'ত লিখা লিখকৰ বাকীবোৰ যুক্তিৰো উত্তৰ দিয়াৰ প্ৰয়োজন নাই। যদি নীতিটোকে মনা নাযায় নাইবা তাত যদি সন্দেহ থাকে তেন্তে 'ষ্টেটচমেন'ৰ লিখকজনৰ যুক্তিবোৰেই বলবৎ থাকিব।

প্ৰসঙ্গক্ৰমে ইয়াতে আৰু এটা কথা কব পাৰি। লিখকজনে ব্যক্তিগত বা জাতীয় লাভৰ লগত সংশ্লিষ্ট থকা সন্মানৰ কথাটো উপলুঙা কৰি উৰাই দিব খোজা যেন লাগে। তেওঁ কৈছে—'যি জাতিয়ে স্বেচ্ছাপূৰ্ব্বক নিজক ধ্বংসৰ মুখত পতিত কৰে তাৰ কাৰণে কি সন্মান থাকিব পাৰে?' স্বেচ্ছাকৃত বা অন্য প্ৰকাৰে ঘটোৱা আত্মঘাতীৰ কথা উঠিবই নোৱাৰে, কিন্তু সন্মান ৰক্ষাৰ্থে এটা জাতিয়ে নিৰ্ম্মূল হবলৈ যোৱাৰ কথা উঠিব পাৰে, তাৰে এটা উদাহৰণ যেনে, ধৰক, ভাৰতীয়সকলে যদি আক্ৰমণকাৰী শত্ৰুৰ বিৰুদ্ধে আঙুলি এটাও নুতুলি মৰি নিঃশেষ হৈ যায় আৰু তাকে কৰে আক্ৰমণকাৰী শত্ৰুৰ হাতত আত্মসমৰ্পণ নকৰোঁ বুলি কৃতসঙ্কল্প হৈ—তেতিয়া এটা অসৎ লোকে দুৰভিপ্ৰায়লৈ আক্ৰমণ কৰাত এগৰাকী মহিলাই যদি তাৰ অসৎ প্ৰস্তাৱত আত্মসমৰ্পণ নকৰি মৰণত শৰণ দি তাক বাধা দিয়ে তেন্তে তেওঁ তাৰ দ্বাৰা নিজৰ আত্মসন্মান ৰক্ষা কৰে আৰু তাৰ লগতে নাৰীকুলৰো মৰ্য্যাদা ৰক্ষা কৰে। ঈশ্বৰ আছে বুলি কৈ ঈশ্বৰত বিশ্বাস দেখুৱাই শিশু প্ৰহ্লাদে অহিংসভাৱে বুজি নিজৰ জীৱনকে বিপন্ন কৰিছিল। যীশুখ্ৰীষ্টই ধৰ্ম্ম ত্যাগ নকৰি

ৰৰং অপৰাধী হৈ মৃত্যুবৰণ কৰি নিজৰ আৰু মানৱ জাতিৰ সম্মান ৰক্ষা কৰিছিল।

হৰিজন ২৬ ৯ ১৯৩৬

[৪৯]

হিন্দু ধৰ্ম্মৰ বাণী

কেনন শেপাৰ্ডৰ নেতৃত্বত আৰম্ভ হোৱা ইংৰাজসকলৰ শান্তি আন্দোলনৰ বিষয়ে লিখা মোৰ প্ৰবন্ধবোৰলৈ আঙুলিয়াই এগৰাকী বন্ধুৱে লিখিছে—

"মোৰ মতে গীতাৰ প্ৰসঙ্গ সঙ্গতি আৰু তাত থকা কৃষ্ণাৰ্জ্জুনৰ প্ৰাৰম্ভিক সংলাপ বাদ দিলে হিন্দু ধৰ্ম্মই সুপৰিকল্পিত আক্ৰমণৰ বিৰুদ্ধে স্পষ্টভাৱে কতো অহিংসনীতি মানি চলাৰ কথা সমৰ্থন কৰা নাই। এনেকৈ আমাৰ সকলোবোৰ পুৰণি শাস্ত্ৰৰ জোৰ কৰি অৰ্থ উলিয়ালে নহব। হিন্দু ধৰ্ম্মই দয়া আৰু প্ৰেমক মানুহৰ শ্ৰেষ্ঠ কৰ্ত্তব্য বুলি ধৰে, তাত সন্দেহ নাই, কিন্তু আপুনি নাইবা শান্তিবাদী সকলে যি কয়, হিন্দু ধৰ্ম্মই সেইটো নকয় আৰু সেইবাবে সকলোবোৰতে একোটা ৰূপক উলিয়ালে নচলিব।"

মোৰ গীতাৰ নাম অনাসক্তিযোগ। তাৰ পাতনিত মই স্বীকাৰ কৰিছোঁ যে এইখন অহিংসাৰ বিষয়ে লিখা পুথি নহয়, নাইবা যুদ্ধক নিন্দা কৰিবৰ বাবেও তাক লিখা হোৱা নাই। আজি হিন্দু ধৰ্ম্ম যিদৰে মানি চলা হৈছে নাইবা অতীততো ইয়াক যিদৰে মানি চলা হৈছিল বুলি ধৰা হয় তাত নিশ্চয় মোৰ দৰে যুদ্ধক নিন্দা কৰা নাই। কিন্তু মই যি কৰিছোঁ তাতো কেৱল গীতা আৰু হিন্দু ধৰ্ম্মৰ কথাবোৰৰ এটা নতুন অথচ স্বাভাৱিক যুক্তিপূৰ্ণ অৰ্থ উলিয়াবলৈ মাত্ৰ যত্ন কৰিছোঁ। অন্য ধৰ্ম্মবোৰৰ তো কথাই নাই, আনকি হিন্দু ধৰ্ম্মও চিৰবৰ্দ্ধনশীল। কোৰান বা বাইবেলৰ দৰে ইয়াৰ এখন মাত্ৰ মূলগ্ৰন্থ নহয়। ইয়াৰ ধৰ্ম্মশাস্ত্ৰবোৰো ন নকৈ বাঢিব লাগিছে আৰু এইদৰে তাত যোগ হবই লাগিছে। গীতায়ে তাৰ এটা উদাহৰণ। গীতাত কৰ্ম্ম, সন্ন্যাস, যজ্ঞ আদিৰ নতুন অৰ্থ দিয়া হৈছে। ই হিন্দু ধৰ্ম্মক নতুন জীৱন দিছে। ইয়াত মানুহৰ কৰ্ত্তব্যৰ মৌলিক গতিবিধি নিৰ্দ্দেশ কৰা হৈছে। গীতাত থকা কথাবোৰ যে পূৰ্ব্বৰ গ্ৰন্থসমূহত নাছিল এনে নহয়, কিন্তু থাকিলেও গীতাত সেইবোৰক এটা বিশিষ্ট ৰূপ দিয়া হৈছে। মই অন্য ধৰ্ম্মৰ কথাবোৰো শ্ৰদ্ধাসহকাৰে অধ্যয়ন

কৰিছোঁ আৰু তাৰ সহায়ত মোৰ নিজৰ জীৱনতে গীতাত প্ৰদৰ্শন কৰা নীতি অনুযায়ী হিন্দু ধৰ্মৰ অনুশাসনবোৰ মানি চলিবলৈ যত্নবান হৈছোঁ। সেইমতে হিন্দু ধৰ্মৰ এটা বহল অৰ্থ উলিয়াই লৈছোঁ; কিন্তু সেই অৰ্থ কেতিয়াও জোৰ কৰি উলিওৱা নাই, তাত থকা অসংখ্য শাস্ত্ৰৰ পৰাও উলিওৱা নাই, গীতাৰ মতেহে উলিয়াইছোঁ য'ত মাকে ৰোগ ক্লিষ্ট সন্তানক সান্ত্বনা দিয়াৰ দৰে উপদেশ দিছে। মই যি কৰিছোঁ সি সম্পূৰ্ণৰূপে ইতিহাস সমৰ্থিত কথা। মই ইয়াকে কৰোঁতে পূৰ্ব্বপুৰুষসকলৰ পদানুসৰণ কৰিছোঁ। তেওঁলোকে এসময়ত ৰুষ্ট দেৱতাক তুষ্ট কৰিবলৈ পশু বলি দিছিল। তেওঁলোকৰে নাতি পুতিসকলৰ কিছুমানে বলি শব্দৰ অন্য অৰ্থ কৰিছে আৰু সেইসকল লোক আমাৰ নিকটবৰ্ত্তী পূৰ্ব্বপুৰুষ। তেওঁলোকৰ মতে বলিদান মানে আমাৰ মনৰ কুপ্ৰবৃত্তিবোৰৰ নিবৃত্তিসাধন বা ত্যাগ, আৰু সেই বলি কোনো ৰুষ্ট দেৱতাক তুষ্ট কৰিবলৈ নহয়, আমাৰ হৃদয়স্থ জীৱন্ত দেৱতাক (ভগৱানক) সন্তুষ্ট কৰিবৰ কাৰণেহে উদযাপন কৰা হয়। মোৰ মতে গীতাৰ উপদেশ মূলতে শান্তি প্ৰচাৰৰ বাবেহে আৰু সেই শান্তি জীৱন উৎসৰ্গৰ বিনিময়তহে লাভ কৰা যায়। এয়ে মানৱজাতিৰ সৰ্ব্বোচ্চ আদৰ্শ।

লাখ লাখ হিন্দুলোকে মহাভাৰত আৰু ৰামায়ণক জীৱনৰ পথ প্ৰদৰ্শক হিচাপে গ্ৰহণ কৰে। সেই দুয়োখন গ্ৰন্থও ৰূপকাত্মক বুলি তাৰ আভ্যন্তৰীণ সাক্ষ্যৰ পৰা বুজা যায়। খুব সম্ভৱ এই দুয়োখন গ্ৰন্থৰ নায়ক নায়িকাবোৰ ইতিহাসৰ ব্যক্তি, সেয়ে কিন্তু মোৰ উপপাদ্য বিষয়ৰ একো লৰচৰ নকৰে। সকলো মহাকাব্যতে ন্যায় আৰু অন্যায়ৰ মাজত চিৰকাল চলি থকা যুঁজখনৰে বৰ্ণনা দিয়া আছে। সি বাৰু যি নহওক, মই কিন্তু হিন্দু ধৰ্ম আৰু গীতাৰ অৰ্থ মোৰ মনৰ পূৰ্ব্বকল্পিত ধাৰণাৰ লগত খাপ খুৱাই লবলৈ জোৰ কৰি কৰা নাই আৰু কোনোবাই সেইদৰে কব খুজিলেও মই অস্বীকাৰ কৰিম, সেইটো নিশ্চিত। মোৰ যিবোৰ ধাৰণা সেইবোৰ মোৰ গীতা, ৰামায়ণ, মহাভাৰত, উপনিষদ আদি গ্ৰন্থ অধ্যয়নৰে ফল মাত্ৰ।

হৰিজন, ৩-১০ ১৯৩৬

[৫০]

অহিংসা সাঁথৰ

এজন কলেজৰ অধ্যাপক আৰু পঞ্চাশজন ছাত্ৰ থকা শ্ৰেণী এটাৰ প্ৰতিনিধি দুজনে লিখিছে—

"আপুনি নিশ্চয় জানে যে ইণ্টাৰমেডিয়েটৰ গদ্য সাহিত্য, পিয়াৰ্চ আৰু এৰিয়াটনাৰ 'মডেলচ অব কম্পাৰেটিভ প্ৰজ' (Models of Comparative Prose) এই বছৰ ভাৰতৰ প্ৰায়বোৰ 'ইণ্টাৰমেডিয়েট কলেজ'তে পাঠ্যৰূপে ব্যৱহৃত হৈছে, আৰু তাত আপোনাৰো এটা প্ৰবন্ধ আছে ; ই পাঁচ পৃষ্ঠা দীঘল আৰু তাক আপোনাৰ 'মোৰ সত্য অন্বেষণৰ কাহিনী' নামৰ পুথিৰ পৰা তুলি দিয়া হৈছে। প্ৰবন্ধটোৰ নাম 'অহিংসা' আৰু তাত আপুনি এই ঘোৰ তৰ্কমূলক নীতিটোৰ বিষয়ে আলচ কৰিছে।

মোৰ গদ্য সাহিত্যৰ সেই শ্ৰেণীটোৰ পঞ্চাশজন ছাত্ৰ আৰু তেওঁলোকৰ শিক্ষক মই এই সকলোটিয়ে সেই ৰচনাখন পঢ়ি আৰু আলচ কৰি শ্ৰেণীত কেইবা দিনো কেইবা ঘণ্টাও কটাই দিছোঁ। স্বাভাৱিকতে এই বিষয়টো ফলদায়ক আৰু উত্তেজনাপূৰ্ণ বিষয় হৈ পৰিছে, বিশেষকৈ ভাৰতীয় ছাত্ৰসকলৰ বাবে তেনে হৈছে, কাৰণ তেওঁলোক দেশৰ মঙ্গল আৰু ভবিষ্যৎ উন্নতিৰ কাৰণে সৰ্ব্বান্ত কৰণে ব্যগ্ৰ হৈ পৰিছে। মুঠতে অহিংসাৰ আপুনি যি ব্যাখ্যা দিছে তাৰ লগত আমি একমত আৰু জীৱনত সেই নীতি মানি চলিবলৈ প্ৰণোদিত হৈছোঁ, নীতিটো অৱশ্যে কষ্টসাধ্য কিন্তু উত্তম।

এটা বিষয়ত কিন্তু ছাত্ৰসকলে আৰু তেওঁলোকৰ শিক্ষকময়ো আপোনাৰ মতৰ প্ৰকৃত স্বৰূপটো বুজিবলৈ অক্ষম হৈ পৰিছোঁ। যুদ্ধৰ প্ৰসঙ্গত অহিংসাৰ সাধক এজনৰ আচৰণ কেনে হোৱা উচিত সেই বিষয়ে আপুনি যি মন্তব্য দিছে, বিশেষকৈ তলৰ কথাখিনিত আপুনি যি কৈছে তাকেই মই ইয়াত উল্লেখ কৰিছোঁ—'যেতিয়া দুটা জাতি যুদ্ধত প্ৰবৃত্ত হয় সেই সময়ত অহিংসাৰ সাধকৰ কৰ্ত্তব্য যুদ্ধখন বন্ধ কৰাটো। যি সেই কাম কৰিবলৈ অপাৰগ, যাৰ যুদ্ধত বাধা দিয়াৰ যোগ্যতা নাই তেওঁ যুদ্ধত অংশ গ্ৰহণ কৰিব পাৰে আৰু তাকে কৰি থাকিও সৰ্ব্বান্তঃকৰণে তেওঁ নিজক, তেওঁৰ জাতিটোক আৰু পৃথিৱীখনকে যুদ্ধৰ পৰা বিৰত ৰাখিবলৈ যত্ন কৰিব পাৰে।' সেই সম্পৰ্কে আৰু অলপ দূৰ গৈ কৈছে (আপুনি নিজৰ বাবেই ইউৰোপীয় যুদ্ধত তিনিটা পথ থকাৰ কথা আলচ

কৰি কৈছে) 'অথবা মই সাম্ৰাজ্যৰ পক্ষ অৱলম্বন কৰি যুদ্ধত প্ৰবৃত্ত হব পাৰোঁ আৰু তাৰ দ্বাৰা যুদ্ধৰ নৃশংসতাত বাধা দিবলৈ শক্তি আৰু যোগ্যতা অৰ্জ্জন কৰিব পাৰোঁ। মোৰ এই শক্তি আৰু অৰ্হতা নাছিল, গতিকে মই যুদ্ধত কাম কৰাৰ বাহিৰে গত্যন্তৰ পোৱা নাছিলোঁ।'

আপুনি এই বিষয়টো বহলাই বুজাই কলে আৰু এই বিষয়ে আপোনাৰ অতীত আৰু বৰ্ত্তমানৰ অভিমত জানিবলৈ দিলে আমি পৰম কৃতাৰ্থ মানিম্, কাৰণ মোৰ শ্ৰেণীৰ ছাত্ৰসকলে অনুভৱ কৰে যে তেওঁলোকে শীঘ্ৰেই আগন্তুক যুদ্ধ এখন সম্পৰ্কে তেওঁলোকৰ আচৰণ কেনে হোৱা উচিত সেইটো ঠিৰাং কৰি লব লাগিব। অৰ্থাৎ তেওঁলোকে অহিংসাৰ সাধক হৈ থাকিও জ্ঞানবিশ্বাসমতে লাগিলে যি কাৰণেই নহওক—যুদ্ধত প্ৰবৃত্ত হব পাৰিব নে নোৱাৰে।

মই আশা কৰোঁ আপুনি এই প্ৰশ্নটোৰ যথাযথ সমিধান দিব আৰু তাৰ দ্বাৰা পঞ্চাশ জন অনুৰক্ত ছাত্ৰ আৰু তেওঁলোকৰ দৰেই ব্যগ্ৰ এই শিক্ষকজনৰ অন্তৰত শান্তি দিবলৈ যত্ন কৰিব।"

কলেজখনৰ বা স্বাক্ষৰকাৰী কেইজনৰ নাম গোপনে ৰাখিব লাগিছিল বুলি মই ভবা নাই। কিন্তু অধ্যাপক জনে মোলৈ উত্তৰৰ বাবে এটা টিকট লগোৱা চিঠিৰ খাম পঠাইছে। ইয়াৰ মানে তেওঁক মই ব্যক্তিগতভাৱে উত্তৰ দিব লাগে। কিন্তু মোৰ সময় অতি তাকৰ, বিশেষতঃ মই এতিয়া শোচনীয় অৱস্থাত পৰি থকা দুটা নৰিয়াৰ আলপৈচান ধৰি আছোঁ। ইফালে মই হৰিজন কাকতৰ পাঠকসকললৈও মোৰ সাপ্তাহিক আলোচনা আগবঢ়াব লাগে। তাকে নকৰি মই থাকিব নোৱাৰোঁ। সেইবাবে সময় বচাবলৈ বুলি মই দুয়োটা উদ্দেশ্য এইদৰে এটাতে সাঙুৰিলোঁ আৰু তাৰ বাবে মই এই গৰাকী পত্ৰলিখকৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

চিঠিখনত উত্থাপন কৰা প্ৰশ্নটো অতিশয় প্ৰয়োজনীয় আৰু ই মোক সততে বিষম আহুকাল দি আহিছে। কোনো এটা বিশেষ সময়ত কি কাম কৰিব লাগিব তাৰে সিদ্ধান্ত সম্পৰ্কে আহুকাল পোৱা নাই, কিন্তু মোৰ কাৰ্য্যক কেনেকৈ অহিংসাৰ লগত সকলো সময়ত খাপ খুৱাই ৰখা যায় সেইটো লৈহে আহুকাল পাইছোঁ। কাৰণ একেটা কামকেই অহিংসাত বিশ্বাস থকা আৰু অহিংসাত বিশ্বাস নথকা দুয়োজন লোকে কৰিব পাৰে। তেনেকুৱা ক্ষেত্ৰত অভিপ্ৰায়টোৱেহে কাৰ্য্যৰ গুণ নিৰ্ণয় কৰে।

এইখিনি লিখোঁতে পাঠ্যপুথিখন নতুবা যি গুজৰাটী কিতাপৰ পৰা তাক অনুবাদ কৰা হৈছে সিও মোৰ লগত নাই। কিন্তু মই কি লিখিছিলোঁ সেইটো মোৰ মনত আছে। মই এইটো হলে কব পাৰোঁ যে অহিংসাৰ বিষয়ে আগতে মোৰ মনত যি ধাৰণা আছিল আজিও সেয়ে আছে।

উদ্ধৃতিত দিয়া কথাখিনিত মই যিটো সংজ্ঞা দিছিলোঁ সেইটো মই ইউৰোপীয় যুদ্ধৰ সময়ত মোৰ যি আচৰণ তাৰ পৰা গ্ৰহণ কৰিছিলোঁ। সেই যুদ্ধত মই মোৰ জীৱন বিপন্ন কৰিও দেহে কেহে লাগিছিলোঁ, বিপন্ন মানে তেনেকুৱা সময়ত খটা বাবে মোৰ জীৱনলৈ সঙ্কট আহিব পাৰে তেনে বিপন্নতা নহয়। কিন্তু যি সময়ত মই যুদ্ধৰ শিবিৰলৈ যোৱা, কচৰৎ কৰা আদি কামত যোগদান দিছিলোঁ। সেই সময়ত মই প্লুৰোচিত ভুগি উঠিছিলে। মাত্ৰ, আৰু শৰীৰৰ সাধাৰণ দুৰ্ব্বলতাৰ হেতুকে মই তেতিয়াও ভুগি আছিলোঁ, তাতে যুদ্ধৰ ২।৩ মাহ পূৰ্ব্বে মই চৈধ্যদিনীয়া অনশনৰ অন্তত ক্লান্ত হৈ পৰিছিলোঁ আৰু তাৰ পৰাও তেতিয়া কথমপিহে গা টঙাই উঠিছিলোঁ। মোৰ তেতিয়া এটা বিশ্বাস আছিল যে ব্ৰিটিছ সাম্ৰাজ্যখন মূঠতে মানৱ জাতিৰ কল্যাণৰ বাবে থকা এটি অনুষ্ঠান। যুদ্ধৰ পথ পৰিহাৰ কৰাই শান্তিৰ পথলৈ আনি মই এদিন অন্য কাৰণত নহলেও ইয়াক জীয়াই ৰাখিবৰ কাৰণেই অন্য ৰূপ দিম বুলি সপোনো দেখিছিলোঁ। মই কিন্তু তাতো নিজৰ শক্তিৰ পৰিসীমা সম্পৰ্কে সচেতন আছিলোঁ। ইয়াৰ ৰাজনীতিত বাধা প্ৰদান কৰিবলৈ মই আছিলোঁ ক্ষুদ্ৰাতিক্ষুদ্ৰ এটি 'এটম' কণিকা। সক্ৰিয়ভাবে যুদ্ধত যোগদান কৰিলোঁৱেই বা নকৰিলোঁৱেই মই কিন্তু বিহ্বল হৈ তাত অংশ গ্ৰহণ কৰিবলৈ বাধ্য হৈ পৰিছিলোঁ, কাৰণ ব্ৰিটিছ বাহিনীৰ দ্বাৰা ৰক্ষিত আহাৰকে মই খাইছিলোঁ। আনকি মোৰ ব্যক্তিগত স্বাধীনতাও ইয়াৰ দ্বাৰাই সংৰক্ষিত হৈছিল। গতিকে যি কোনো প্ৰকাৰে মই যদি যুদ্ধত সহায় কৰোঁৱেই তেনেহলে অহিংসাৰ সাধক হিচাপে তাত প্ৰত্যক্ষ-ভাৱে অংশ গ্ৰহণ কৰি যুদ্ধৰ আশু অৱসান ঘটাবলৈ যত্ন কৰাই শ্ৰেয়। এইবোৰ দুৰ্ব্বলৰ যুক্তিমাত্ৰ—এনে ধাৰণা কৰাটোও তেনেই সম্ভৱ কথা। এনেকৈ ভবাও সহজ যে মই যদি যুদ্ধক এটা বেয়া বস্তু বুলিয়ে অনুভৱ কৰিছিলোঁ তেনেহলে নিজক তাৰ পৰা আঁতৰাই ৰাখিব লাগিছিল, তাকে কৰোঁতে লাগিলে মই যদি অনাহাৰে থাকিব লগীয়াও হওঁ নতুবা বিদ্ৰোহীৰ দৰে মৰণ বৰণ কৰিব লগীয়াও হওঁ। যি হওক, মই তেতিয়া তেনেদৰে ভবা নাছিলোঁ, আৰু এতিয়াও নাভাবোঁ।

যিহেতু মই এতিয়া দেখিছোঁ যে সাম্ৰাজ্যখন লোকৰ হিতৰ বাবে বৰ্ত্তি থকা এটা শক্তি নহয়, তেনে ক্ষেত্ৰত তাৰ প্ৰতি মোৰ আচৰণ এতিয়া কেনে হোৱা উচিত সেইটো তৰ্কৰ সম্পূৰ্ণ বাহিৰত।

মোৰ উত্তৰটোৰ সাৰ্থকতা বুজাবলৈ ইয়াতে মই মোৰ জীৱনৰ পৰাই এটা যুক্তি দিওঁ। নিচেই চালুকীয়া কালতো মোৰ অন্তকৰণ আৰু বুদ্ধি-বৃত্তিয়ে অস্পৃশ্যতাৰ বিৰুদ্ধে বিদ্ৰোহ আচৰণ কৰিছিল। কিন্তু মই মোৰ পৰিয়ালৰ এটা নগণ্য প্ৰাণী আছিলোঁ বাবে সেই সময়ত পৰিয়ালৰ অন্যান্য লোকসকলৰ লগত একেদৰেই চলি হৰিজনৰ প্ৰতি একে ব্যৱহাৰকে দেখুৱাইছিলোঁ। এতিয়া কিন্তু তেনে কৰাটো উচিত নহব। নকলেও হব যে সেই সময়ত মই মোৰ আচৰণ কেনে হোৱা উচিত সেই বিষয়ে তৰ্ক কৰিব নোৱাৰিছিলোঁ। মোৰ ব্যক্তিগত বিশ্বাসে মোক মোৰ পৰিয়ালৰ লগত খাপ নোখোৱাকৈও ৰখা নাছিল।

প্ৰকৃতপক্ষে জীৱনটো তেনেবোৰ এৰা ধৰাৰ সমষ্টিমাত্ৰ। অহিংসায়ো তেনে এৰা ধৰা বিচাৰে, কাৰণ ই পবিত্ৰ আৰু নিঃস্বাৰ্থ প্ৰেমৰ ওপৰত প্ৰতিষ্ঠিত। তাৰ চৰ্ত্তবোৰ অৱশ্য পালনীয়। অহিংসা আচৰণ কৰোঁতে কোনো লোকৰ কাৰ্য্যত অহং ভাব, ভয় আৰু অসত্য থাকিব নালাগে। এৰা ধৰাৰ সমিল-মিলটো আপোনা আপুনিয়ে উপজিব লাগিব, বাহিৰৰ পৰা কোনেও জোৰপূৰ্ব্বক জাপি দিয়া হব নালাগিব।

মোৰ উত্তৰটোৱে যদি অধ্যাপকজন আৰু তেওঁৰ ছাত্ৰসকলক সন্তুষ্ট কৰিব পৰা নাই তেনেহলেও মই আচৰিত নহওঁ। মই ইয়াত নিজৰ কাৰ্য্যৰ কথাকেই সঘনে উল্লেখ কৰিছোঁ, তাৰ বাবে ক্ষমা বিচাৰিছোঁ। তাৰ কাৰণটো তেনেই দেখ দেখ। মই কোনো প্ৰকাৰ অৰ্থতে অধ্যয়নপুষ্ট লোক নহওঁ। অহিংসাৰ বিষয়ে মই যি জানো তাক প্ৰোনতে নিজৰ জীৱনত পোৱা অভিজ্ঞতা আৰু অন্বেষণমূলক পৰীক্ষাৰ পৰা লাভ কৰিছোঁ, আৰু এই অন্বেষণ মই ক্ষুদ্ৰ বৈজ্ঞানিক মনোবৃত্তিৰে স্পষ্ট দিবালোকত চলাওঁ। তাকে কৰোঁতে মই সততে ঈশ্বৰত ভয় ৰাখি চলোঁ আৰু সেই ঈশ্বৰৰ অন্য নাম সত্য।

হৰিজন ১৭-১০ ১৯৩৬

[৫১]

অহিংসা সম্পৰ্কে আলোচনা

নিগ্ৰোৰ সমস্যাও একে

হৰিজনৰ পাঠকসকলৰ বোধহয় মনত আছে যে প্ৰায় এবছৰৰ আগতে গান্ধীজীৰ লগত সাক্ষাৎ কৰা নিগ্ৰো প্ৰতিনিধি দলটোৰ সদস্যসকলে, তেওঁৰ লগত ঘাইকৈ অহিংসাৰ বিষয়েই আলোচনা কৰিছিল। অলপতে ৱাই, এম, চি, এ সমিতিসমূহৰ বিশ্ব সম্মিলনত যোগ দিবলৈ অহা নিগ্ৰো ভদ্ৰলোক দুজনেও একে প্ৰশ্ন লৈয়ে আলোচনা চলাইছিল আৰু সেয়ে প্ৰমাণ কৰে যে তেওঁলোকৰ সমস্যাৰ লগত আমাৰ সমস্যাৰ উল্লেখযোগ্য সাদৃশ্য আছে। প্ৰথমতে মই ড টবিয়াচৰ প্ৰশ্ন সমূহৰ কথাকে আলোচনা কৰিব খুজিছোঁ। তেওঁ অৱশ্যে, পাছত আৰু মৌন ব্ৰতৰ দিনা গান্ধীজীক দেখা কৰিছিল। গান্ধীজীয়ে অধ্যাপক মেইচৰ লগত কৰা দীঘলীয়া আলোচনা আছিল ড টবিয়াচক লিখিতভাৱে দিয়া চমু উত্তৰৰ টিপ্পনী স্বৰূপ আৰু এই দুজন লোকৰ সৈতে চলোৱা আলোচনা আছিল গান্ধীজীয়ে প্ৰায়েই অহিংসাৰ বিষয় লৈ কৰা মনোগ্ৰাহী আলোচনাৰ অন্যতম।

"আপোনাৰ অহিংস মতবাদে মোৰ জীৱনত গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছে। আপুনি আগৰ দৰেই ইয়াৰ ওপৰত প্ৰবলভাৱে বিশ্বাস ৰাখে নে?" ড' টবিয়াচে সুধিলে। গান্ধীজীয়ে উত্তৰ দিলে, "নিশ্চয়। ইয়াৰ ওপৰত মোৰ আস্থা বাঢ়ি গৈছে।"

"মাৰ্কিন যুক্তৰাজ্যৰ ১২ নিযুত নিগ্ৰোৱে জন উন্মত্ততাৰ পৰা মুক্তি, বাধাহীন ভোটাধিকাৰ, বৈষম্যমূলক আচৰণৰ পৰা স্বাধীনতা আদিৰ দৰে মৌলিক অধিকাৰ সাব্যস্ত কৰিবৰ যাবে সংগ্ৰাম চলাই আহিছে। আপুনি ভাৰতত চলোৱা আপোনাৰ সংগ্ৰামৰ অভিজ্ঞতাৰে আমাক উপদেশ আৰু উৎসাহ স্বৰূপে একাষাৰ কব নে?"

"মই দক্ষিণ আফ্ৰিকাত, অৱশ্যে যথেষ্ট ক্ষুদ্ৰ পৰিসৰত এনে কিছুমান কথাৰে প্ৰতিৰোধ কৰিব লগা হৈছিল, সেই অসুবিধাবোৰ এতিয়াও আঁতৰ হোৱা নাই। মই মাত্ৰ ইয়াকে কব পাৰোঁ যে অহিংসাৰ বাহিৰে আন পন্থা নাই, এই অহিংস পন্থা দুৰ্ব্বল আৰু অজ্ঞৰ নহয়, সবল আৰু জ্ঞানীৰহে পন্থা।"

"ত্ৰিবাঙ্কুৰে ইঙ্গিত দিছে যে আপুনি নিজক সম্পূৰ্ণৰূপে অস্পৃশ্যসকলৰ

লগত মিলাই দিয়াৰ ফল ধৰিছে। অদূৰ ভৱিষ্যতে আনবোৰ ৰাজ্যয়ো ত্ৰিবাঙ্কুৰৰ উদাহৰণ অনুসৰণ কৰিব বুলি আপুনি ভাবে নে?"

"যদি নকৰে তেতিয়াহে মই আচৰিত হম।"

"মই নিগ্ৰো ভাইসকলক ভৱিষ্যতৰ দৃষ্টিভঙ্গী সম্পৰ্কে কি বতৰা দিমগৈ?"

"তেওঁলোকৰ পক্ষত ন্যায় আছে আৰু তেওঁলোকে যদি অহিংসাকে একমাত্ৰ অস্ত্ৰ স্বৰূপে বাছি লয়, তেন্তে তেওঁলোকৰ উজ্জ্বল ভৱিষ্যত সুনিশ্চিত।"

অধ্যাপক মেইচে সৌভাগ্যক্ৰমে গান্ধীজীক সেৱাগ্ৰামত ব্যস্ততাহীন সময়ত লগ পাইছিল আৰু যেই কাৰণে যিমান লাগে সিমানখিনি সময় ধৰি কথা বতৰা পাতিবলৈ সুযোগ পাইছিল। তেওঁৰ লগত সেই আলোচনা প্ৰসঙ্গত গান্ধীজীয়ে নিজৰ জীৱন কালৰ বদ্ধমূল ধাৰণাৰ গোপনীয়তা প্ৰকাশ কৰিছিল।

আলোচনা চলি থকা সময়ত এনে অনুভৱ হৈছিল যেন গান্ধীজীয়ে ড মেইচক তেওঁ 'দৈৱিক' অনুভূতিৰে উপলব্ধি কৰা কথাহে কৈছিল, সেইবোৰ সৰ্ব্বজনবিদিত মানৱীয় দৃষ্টিৰ কথা নাছিল। সেই সময়ত ৰুডল্ফ স্টেইনাৰৰ কথা মোৰ মনত পৰিছিল, এইজন মানুহৰ হেনো দিব্য দৃষ্টি আছিল। এজন লিখকে কৈছে, "গণিত শাস্ত্ৰৰ অধ্যয়নে তেওঁক সুনিশ্চিত কৰি তুলিছিল আৰু জ্যামিতিৰ অধ্যয়নে তেওঁক সৰ্বপ্ৰথম এখন বাস্তৱ জগতৰ অৱস্থিতিৰ কথা উপলব্ধি কৰাইছিল আৰু সেই জগত মানৱ চক্ষুৰ দৃষ্টিগোচৰ নহয়। জ্যামিতিত তেওঁ যি ত্ৰিভুজৰ বিষয়ে শিক্ষা লাভ কৰিছিল, সেই ত্ৰিভুজ তেওঁ নিজে অঙ্কন কৰিব পৰা কোনো এটা ত্ৰিভুজ নাছিল, সি আছিল সকলো ত্ৰিভুজৰ সাৰ বস্তু। এই আদৰ্শ বস্তু ত্ৰিভুজটো 'অন্তৰ্দৃষ্টি'ৰে দৰ্শন কৰিব পাৰি কিন্তু তাক পুনৰঙ্কিত কৰিব নোৱাৰি আৰু জ্যামিতিৰ চিত্ৰৰ এই নিশ্চয়াত্মক ধাৰণাই ল'ৰাটোক দেখুৱালে যে, 'আমাৰ পাৰ্থিব দৃষ্টিৰে দেখা নোপোৱা বস্তু দৰ্শন কৰা ভুল কথা নহয়।'" গান্ধীজীয়ে ড' মেইচক কোৱা কথাখিনিক অহিংসাৰ গণিত বুলিব পাৰি।

এটা ভুল নাম

গান্ধীজীয়ে কৈছিল, "নিষ্ক্ৰিয় প্ৰতিৰোধক অহিংস প্ৰতিৰোধ আখ্যা দিয়াটো ভুল কথা। ই হিংসাত্মক প্ৰতিৰোধতকৈয়ো অধিক সক্ৰিয়। ই প্ৰত্যক্ষ, বিৰামহীন, কিন্তু ইয়াৰ তিনি চতুৰ্থাংশ দৃষ্টিগোচৰ নহয়, এক চতুৰ্থাংশহে

হে চকুত পৰে। দৃষ্টিগোচৰ হোৱা অংশৰ পৰা ইয়াক অকাৰ্য্যকৰী যেন লাগে। উদাহৰণ স্বৰূপে যঁতৰটোৰ কথাকে কব পাৰি। ইয়াক মই অহিংসাৰ প্ৰতীক বুলি কৈছোঁ। দেখাত অকাৰ্য্যকৰী যেন লাগিলেও আচলতে ই গভীৰভাৱে সক্ৰিয় আৰু অন্তিম পৰিণতিৰ ফালৰ পৰা আটাইতকৈ বেছি কাৰ্য্যকৰী। এই অৱগতিয়েই মোক অহিংসাৰ সমৰ্থকসকলে সুতাকটাৰ পদ্ধতি কৰা ভুল-ত্ৰুটিবোৰ বাছি উলিয়াবলৈ সক্ষম কৰে। মই অধিক সতৰ্কতা আৰু অধিক মাত্ৰাৰ শ্ৰান্তিহীনতা বিচাৰোঁ। যদি যথাযথ ভাৱে উপলব্ধি কৰা হয় আৰু তাৰ ব্যৱহাৰ কৰা হয় তেন্তে অহিংসা তীব্ৰ সক্ৰিয় শক্তিৰূপে প্ৰতিভাত হয়। হিংস মানুহৰ কাৰ্য্যকলাপ যেতিয়ালৈকে চলি থাকে, সকলোৰে চকুত বেছিকৈ পৰে। কিন্তু তেনে কাৰ্য্যকলাপ সদায় ক্ষণস্থায়ী। ইটালীয় সকলে আবিছিনিয়াৰ জনতাক হত্যা কৰা কাণ্ডতকৈ চকুত পৰা কাম আন কিবা থাকিব পাৰে নে? তাত বৃহৎ হিংসাৰ বিৰুদ্ধে অলপীয়া হিংসা প্ৰয়োগ কৰা হৈছিল। কিন্তু আবিছিনীয়সকলে যদি যুদ্ধক্ষেত্ৰৰ পৰা আঁতৰি গৈ, নিজক হত্যা কৰিবলৈ ইটালীয়সকলক এৰি দিলেহেতেন, তেন্তে তেওঁলোকৰ সেই চকুত পৰা নিষ্ক্ৰিয়তা অধিক ফলপ্ৰসূ হলহেতেন, যদিও ঠিক সেই সময়তে তাৰ ফল দেখা নগলহেতেন। এহাতে হিটলাৰ আৰু মুছোলিনি আৰু আনহাতে ষ্টেলিনে হিংসাৰ দ্ৰুত কাৰ্য্যকাৰিতা প্ৰদৰ্শন কৰিব পাৰে। কিন্তু সি চেংগিজ খানৰ হত্যাকাণ্ডৰ দৰেই ক্ষণস্থায়ী হব। বুদ্ধৰ অহিংস কাৰ্য্যৰ প্ৰতিক্ৰিয়া এতিয়াও অব্যাহত আছে আৰু ই সময়ৰ লগে লগে বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। আৰু যিমানেই ইয়াৰ অনুশীলন কৰা যায়, সিমানেই ই অধিক কাৰ্য্যকৰী আৰু অক্ষয় হৈ পৰিব আৰু শেষত এদিন সমগ্ৰ জগতেই অবাক হৈ চিঞৰি উঠিব, 'অলৌকিক কাণ্ড হল'। সকলো অলৌকিক কাৰ্য্য অদৃশ্য শক্তিৰ নীৰৱ আৰু কাৰ্য্যকৰী ক্ৰিয়াৰ ফলতে সম্পাদিত হয়। অহিংসা সকলোতকৈ বেছি অদৃশ্য আৰু কাৰ্য্যকৰী শক্তি।"

সৰ্ব্বসাধাৰণক শিক্ষা দিব পাৰি নে?

অধ্যাপক মেইচে কৈছিল, "অহিংসাৰ শ্ৰেষ্ঠতা সম্পৰ্কে মোৰ মনত অকণো সন্দেহ নাই। কিন্তু ইয়াক ব্যাপকভাৱে প্ৰয়োগ কৰা আৰু প্ৰেমৰ ভাৱত জনতাক নিয়মানুৱৰ্ত্তী কৰি তোলাৰ অসুবিধাৰ কথাইহে মোক চিন্তিত কৰি তুলিছে। ব্যক্তি বিশেষক নিয়মানুৱৰ্ত্তী কৰি তোলা সহজ। কিন্তু জনতা

যেতিয়া বিদ্ৰোহী হৈ পৰে তেতিয়া কি কৌশল অৱলম্বন কৰিব লাগিব ? আমি পশ্চাদপসৰণ কৰিম নে আগবাঢ়ি যাম ?”

গান্ধীজীয়ে কৈছিল, “আমাৰ ইয়াৰ আন্দোলনৰ ক্ষেত্ৰত মোৰ এটা অভিজ্ঞতা হৈছে। বাণী প্ৰচাৰ কৰিলেই জনসাধাৰণে শিক্ষালাভ নকৰে। অহিংসা প্ৰচাৰ কৰিব নোৱাৰি। ইয়াক অভ্যাস কৰিব লাগিব। হিংসাৰ পন্থা বাহ্যিক অঙ্গি ভঙ্গীৰে মানুহক শিকাব পাৰি। আপুনি প্ৰথমতে বহল বৰ্ত্তত, তাৰ পাছত নিৰ্দ্দিষ্ট লক্ষ্যত গুলি কৰিবলৈ শিকি জন্তু গুলিয়াব পাৰে। সেয়ে হলে আপুনি ধ্বংস বিদ্যাত নিপুণ বুলি পৰিগণিত হব। অহিংস ব্যক্তিৰ বাহ্যিক অস্ত্ৰ নাই আৰু সেই কাৰণে তেওঁৰ কথাই নহয় কামো অকাৰ্য্যকৰী যেন লাগে। মই আপোনাক সকলো প্ৰকাৰৰ মিঠা কথা কব পাৰোঁ অথচ মনেৰে হয়তো সেইদৰে নাভাবোঁ। আনহাতে মোৰ অন্তৰত প্ৰকৃত প্ৰেম থাকিব পাৰে, কিন্তু বাহ্যিক আচৰণত তাক প্ৰকাশ কৰিব নোৱাৰোঁ। এনে অৱস্থাত উভয় ক্ষেত্ৰতে মোৰ বাহ্যিক কাৰ্য্যকলাপ একে ধৰণৰেই হব কিন্তু তাৰ পৰিণাম হব সুকীয়া। কাৰণ আমাৰ কামৰ ফল কি হব পাৰে সেই বিষয়ে জনা নাথাকিলে সেই ফল অধিক শক্তিশালী হব পাৰে। সেয়ে অজ্ঞাতসাৰে আপুনি মোৰ ওপৰত যি প্ৰভাৱ বিস্তাৰ কৰিছে সেই কথা মই নাজানিবও পাৰোঁ কিন্তু এই প্ৰভাৱ সচেতনভাৱে বিস্তাৰ কৰা প্ৰভাৱতকৈ বহুত গুণে বৃহৎ। হিংস পন্থাত কোনো কথাই দৃষ্টিৰ অগোচৰ হৈ নাথাকে। আনহাতে অহিংস পন্থাৰ তিনি চতুৰ্থাংশই অদৃশ্য আৰু সেইকাৰণে ইয়াৰ ফল ইয়াৰ অদৃশ্যতাৰ বিপৰীতমুখী অনুপাতত পোৱা যায়। অহিংসা যেতিয়া সক্ৰিয় হয়, তেতিয়া ইয়াৰ গতি হৈ পৰে অস্বাভাৱিকৰূপে ক্ষিপ্ৰ, আৰু তেতিয়াই ই হয় অলৌকিক কাৰ্য্য। সেইকাৰণে সৰ্ব্বসাধাৰণ লোকৰ মনত প্ৰথমতে অজ্ঞাতসাৰে আৰু পাছত সজ্ঞান অৱস্থাত প্ৰভাৱ বিস্তাৰ কৰে। যেতিয়াই ই সচেতনভাৱে কাৰ্য্যকৰী হৈ উঠে, তেতিয়াই প্ৰদৰ্শনযোগ্য জয়লাভ হয়। মোৰ নিজৰ অভিজ্ঞতাৰ পৰাই কৈছোঁ যেতিয়া জনসাধাৰণ দুৰ্ব্বল হোৱা যেন দেখা যায়, তেতিয়াও মোৰ মনলৈ পৰাজয়ৰ ভাৱ নাহে। সেইবাবে ১৯২২ চনৰ অসহযোগ আন্দোলন পৰিহাৰ কৰাৰ পাছত অহিংসাৰ কাৰ্য্যদক্ষতা সম্পৰ্কে মই অধিক আশান্বিত হৈ পৰিছিলোঁ আৰু আজিও মই সেইদৰেই আশাবাদী হৈ আছোঁ। ই কেৱল আবেগিক কথা নহয়। ধৰক, মই বাতি পুওৱাৰ কোনো লক্ষণ দেখা নাপালেও মই বাতি পুওৱা

সম্পৰ্কে বিশ্বাস হেৰুৱাব নালাগে। আটাইবোৰ কথাই যথা সময়ত সংঘটিত হয়।

•"আমাৰ ইয়াত আমি মল মূত্ৰ পৰিষ্কাৰ কৰা কামৰ বিষয়ে মই মোৰ সহকৰ্ম্মীসকলৰ লগত আলোচনা কৰিছোঁ। তেওঁলোকে কয় 'আমি স্বৰাজ লাভৰ পাছত এই কাম আৰম্ভ নকৰোঁ কিয়, স্বৰাজৰ পাছত আমি এই কাম কৰাহে বেছি ভাল হব।' মই তেওঁলোকক কৈছোঁ 'নহয়। এতিয়াই সংস্কাৰ-সাধন হব লাগিব, স্বৰাজ লাভলৈ সংস্কাৰৰ কাম বৈ থাকিব নোৱাৰে। আচলতে এনেবোৰ কামৰ দ্বাৰাহে প্ৰকৃত স্বৰাজ আহিব।' পিছে স্বৰাজ আৰু মল মূত্ৰ চাফাই কামৰ মাজত থকা সম্বন্ধটো মই আপোনাক দেখুৱাব নোৱাৰোঁ, মোৰ কিছুমান সহকৰ্ম্মীকো দেখুৱাব নোৱাৰোঁ। অহিংস পদ্ধতিৰে যদি মই স্বৰাজ আনিব লগা হয়, তেন্তে মই জনসাধাৰণক সংগঠিত কৰিব লাগিব। অক্ষম অন্ধ আৰু কুষ্ঠৰোগীয়ে হিংস সৈন্যবাহিনীত যোগ দিব নোৱাৰে। সৈন্যবাহিনীত যোগ দিয়াত বয়সৰো বাধা আছে। অহিংস আন্দোলনত বয়সৰ বাধা নাই, অন্ধ, অক্ষম আৰু শয্যাশায়ীয়েও ইয়াত সেৱা আগবঢ়াব পাৰে, অকল পুৰুষেই নহয়, নাৰীয়েও পাৰে। জনতাৰ মাজত যেতিয়া অহিংস ভাৱধাৰা ব্যাপ্ত হৈ পৰিব আৰু ই প্ৰকৃততে কাম কৰিবলৈ ধৰিব, তেতিয়া ইয়াৰ ফল সকলোৰে দৃষ্টিগোচৰ হ'ব।

"বাৰু, আপোনাৰ প্ৰশ্নলৈ আহোঁ। আপুনি কৈছে, এনে কিছুমান মানুহ আছে, যি আপোনাৰ দৰে অহিংসাৰ ওপৰত বিশ্বাস নাৰাখে। আপুনি নীৰৱে বহি থাকিব নে? বন্ধুসকলে প্ৰশ্ন তোলে "এতিয়াই যদি নহয় কাৰ্য্যতৎপৰ হব কেতিয়া?" উত্তৰত মই কওঁ "মই মোৰ জীৱন কালত কৃতকাৰ্য্য নহবও পাৰোঁ, কিন্তু অহিংসাৰ যোগেদিহে যে জয়লাভ হব, সেই বিশ্বাস আগতকৈ মোৰ বৃদ্ধি পাইছে। ফৈজপুৰত মই যঁতৰৰ মাৰ্গৰ কথা কওঁতে বাতৰি যোগনিয়াৰ এজনে সেয়া মোৰ চতুৰালি বুলি অভিহিত কৰিছিল। মোৰ মনৰ পৰা কোনো কথাই আঁতৰ নহয়। মই যেতিয়া সেৱাগ্ৰামলৈ আহিছিলোঁ মোক কৈছিল যে মানুহে মোৰ লগত সহযোগ নকৰিব, আনকি মোক বৰ্জ্জন কৰিব পাৰে। মই কৈছিলোঁ "তেনে হবও পাৰে। কিন্তু সেয়ে অহিংস কাৰ্য্যৰ পন্থা। মই যদি আৰু দূৰৈত থকা গাওঁ এখনলৈ যাওঁ, মোৰ অন্বেষণ কাৰ্য্যাই আৰু ভালকৈ কাম দিব। অহিংসাৰ কৌশল সম্পৰ্কে অনুসন্ধান চলাওঁতে এই কথা প্ৰকাশ পাইছে। আৰু প্ৰতিটো

দিন অতিবাহিত হোৱাৰ লগে লগে মোৰ বিশ্বাস উজ্জ্বলতৰ হৈ পৰিছে। মই সেই বিশ্বাস ফলৱতী কৰিবলৈ আৰু যদি ঈশ্বৰৰ সেয়ে ইচ্ছা হয়, সেই প্ৰচেষ্টাতে মৃত্যুবৰণ কৰিবলৈকে ইয়ালৈ আহিছোঁ। শত্ৰুভাৱাপন্ন শক্তিসমূহৰ সন্মুখত কাম কৰিলেহে অহিংসাৰ মূল্য থাকিব। কিন্তু নিষ্ক্ৰিয়তাতো ক্ৰিয়া থাকিব পাৰে। আৰু নিষ্ক্ৰিয়তাতকৈ ক্ৰিয়া অধিক বেয়া হব পাৰে।"

প্ৰেমৰ ভাৱত হিংসা ?

'প্ৰেমৰ ভাৱত হিংসাৰ প্ৰয়োগ সম্ভৱ হব পাৰে নে ?"

'ওঁহো, কেতিয়াও নোৱাৰে। মোৰ নিজা অভিজ্ঞতাৰ পঁৰা এটা উদাহৰণ দিওঁ। দামুৰি এটাৰ ঠেং ভাগিল আৰু ভয়ানক ঘা হ'ল। সি একো খাব নোৱাৰা হ'ল আৰু কোনোমতেই উশাহ লব নোৱাৰিছিল। মোৰ নিজৰ মনতে আৰু সহকৰ্ম্মীসকলৰ লগত তিনিদিন আলোচনা-বিলোচনা কৰি মই তাক মাৰি পেলালোঁ। সেই কাৰ্য্য আছিল সম্পূৰ্ণ অহিংস, কাৰণ সি আছিল সম্পূৰ্ণ স্বাৰ্থহীন যিহেতু তাৰ একমাত্ৰ উদ্দেশ্য আছিল গৰু পোৱালিটোক বিষৰ বেদনাৰ পৰা অব্যাহতি দিয়া। কোনো কোনোৱে ইয়াক হিংসা কাৰ্য্য বুলি কৈছিল। মই ইয়াক শল্য চিকিৎসা বুলি অভিহিত কৰিছিলোঁ। মোৰ সন্তানৰো যদি তেনে অৱস্থা হলহেতেন, মই ঠিক তাকেই কৰিলোহেতেন। মোৰ কথা হল যে আপুনি যেতিয়াই ব্যতিক্ৰমৰ কথা কব তেতিয়াই অহিংসা আমাৰ সত্তাৰ সৰ্ব্বশ্ৰেষ্ঠ বিধি হৈ নাথাকিব।"

অধ্যাপক মেইচে সুধিলে, "বিপুল সংখ্যাগৰিষ্ঠতাৰ বিৰুদ্ধে সংখ্যালঘুৱে কেনেকৈ কাম কৰিব ?"

"মই কওঁ যে সংখ্যা গৰিষ্ঠতাতকৈ সংখ্যালঘুৱে অহিংস পন্থাৰে বহুত বেছি কাম কৰিব পাৰে। চাইৰগুচ নামেৰে মোৰ ইংৰাজ বন্ধু এজন আছিল। তেওঁ প্ৰায়েই কৈছিল 'আপুনি যেতিয়ালৈকে সংখ্যালঘুৰ দলত আছে, তেতিয়ালৈকেহে মই আপোনাৰ লগত থাকিম। আপুনি যেতিয়া সংখ্যা-গৰিষ্ঠৰ দলভুক্ত হব তেতিয়াই আমাৰ লগ এৰাএৰি হব।' ইয়াত সংখ্যা-গৰিষ্ঠদলক লৈ কাম কৰোঁতে যি দৰে হৈছে, দক্ষিণ আফ্ৰিকাত মোৰ সংখ্যালঘু দল লৈ কাম কৰোঁতে মোৰ সিমান দুৰ্ব্বলতা অহা নাছিল। কিন্তু সেই বুলিয়েই অহিংসা দুৰ্ব্বলৰ অস্ত্ৰ বুলি কোৱাটো সম্পূৰ্ণ ভুল হ'ব। অহিংসাৰ ব্যৱহাৰ কৰিবলৈ হিংসাতকৈ অধিক সাহসৰ আৱশ্যক। ডেনিয়েলে যেতিয়া মীডচ

আৰু পাৰস্তৰ আইনকানুন উলঙ্ঘা কৰিছিল, তেতিয়া তেওঁৰ কাৰ্য্য আছিল অহিংস।"

শত্ৰুৰ ক্ষেত্ৰত পৰিণাম

"আপোনাৰ অহিংসাৰ বাবে শত্ৰুৰ ক্ষেত্ৰত যি ফল দেখা দিব পাৰে তাৰ চিন্তাই (কেতিয়াবা) আপোনাক বাধা দিয়ে নে ?"

"নিশ্চয়। আপুনি আন্দোলন বন্ধ কৰিব লগা হব পাৰে। দক্ষিণ আফ্ৰিকাত যেতিয়া চৰকাৰ ইউৰোপীয় শ্ৰমিকৰ বিপ্লৱৰ সন্মুখীন হৈছিল, তেতিয়া মই তাকে কৰিছিলোঁ। ইউৰোপীয় শ্ৰমিকসকলে মোক তেওঁলোকৰ লগ লাগিবলৈ কৈছিল। মই নহব বুলি জনালোঁ।"

অধ্যাপকে মাজতে মাত দিলে, "হিংসা যেনেকৈ আত্মধ্বংসী হয়, অহিংসাই আপোনাৰ ওপৰত কেতিয়াও প্ৰতিক্ৰিয়া নকৰিব নে ?"

"হয়, হিংসাই নতুন হিংসাৰ জন্ম দিয়ে। কিন্তু আপোনাক কব খোজোঁ যে এই বিষয়তো মোৰ যুক্তিত এজন মহৎ লোকে প্ৰশ্ন তুলিছিল। তেওঁ কৈছিল 'অহিংসাৰ ইতিহাসলৈ লক্ষ্য কৰক। যীচুৱে ক্ৰুছত প্ৰাণ বিসৰ্জন দিলে কিন্তু তেওঁৰ অনুগামীসকলে ৰক্তপাত কৰিছে।' ইয়াৰ পৰা একো কথা প্ৰমাণিত নহয়। আমি ৰায় দিবলৈ আমাৰ হাতত কোনো তথ্যপাতি নাই। আমি যীচুৰ গোটেই জীৱনটোৰ কথা নাজানো। অনুগামীসকল বোধহয় সম্পূৰ্ণৰূপে অহিংসাৰ বাণীত অনুপ্ৰাণিত নহ'ল। কিন্তু মই আপোনাক সতৰ্ক কৰি দিওঁ যেন আপুনি মোৰ কথাকে অহিংসা সম্পৰ্কত চূড়ান্ত বুলি ধাৰণা লৈ নাযায়। মই মোৰ সসীমতাৰ বিষয়ে সচেতন। মই এজন নিকিন সত্য অন্বেষণকাৰীহে। মই মাত্ৰ এইখিনিকে দাবী কৰিব পাৰোঁ যে মানৱ জাতিৰ হাতত অহিংসা সৰ্ব্ববৃহৎ শক্তি বুলি মোৰ যি বিশ্বাস তাক মোৰ প্ৰতিটো পৰীক্ষাই প্ৰগাঢ় কৰি তুলিছে। ইয়াৰ প্ৰয়োগ ব্যক্তিৰ ক্ষেত্ৰতে সীমাবদ্ধ নহয়, ইয়াক আন স্তৰতো ব্যৱহাৰ কৰিব পাৰি।"

হৰিজন, ২ ৩-১৯৩৭ ম দে.

[৫২]

আমাৰ ব্যৰ্থতা

কংগ্ৰেছৰ সদৰ কাৰ্য্যালয় এলাহাবাদৰ সাম্প্ৰদায়িক সংঘৰ্ষ আৰু তাৰ বাবে পুলিচ আনকি সামৰিক বাহিনীৰ সাহায্য বিচৰাৰ আৱশ্যকতাই প্ৰমাণ কৰিলে যে ব্ৰিটিছ কৰ্তৃপক্ষক সলনি কৰি কাৰ্য্য নিৰ্ব্বাহ কৰিবলৈ কংগ্ৰেছ এতিয়াও উপযুক্ত হোৱা নাই। যিমানেই অপ্ৰীতিকৰ যেন নালাগিলেও এই নগ্ন সত্য স্বীকাৰ কৰাহে সমীচীন হব।

কংগ্ৰেছৰ সভ্য তালিকাত নাম থকা কেইজনবে নহয়, সমগ্ৰ ভাৰতৰে প্ৰতিনিধিত্ব কৰা বুলি কংগ্ৰেছে দাবী কৰে। ইয়াৰ প্ৰতি শত্ৰুভাৱাপন্ন আৰু পাৰিলে ইয়াক মষিমূৰ কৰিব খোজা সকলবো ই প্ৰতিনিধিত্ব কৰা উচিত। আমি সেই দাবী প্ৰতিপন্ন কৰিব নোৱাৰালৈকে ব্ৰিটিছ চৰকাৰক স্থানান্তৰ কৰিব পৰা আৰু স্বতন্ত্ৰ জাতি স্বৰূপে কাম চলাব পৰা অৱস্থালৈ আহিব নোৱাৰোঁ।

ব্ৰিটিছ চৰকাৰক, হিংস বা অহিংস যি কোনো পন্থাৰেই নহওক, আঁতৰ কৰিবলৈ হলে আমি এই অৱস্থা পাবই লাগিব।

খুব সম্ভৱ এই কথাখিনি ছপা হৈ ওলোৱাৰ ভিতৰতে এলাহাবাদ আৰু আন ঠাইত শান্তি প্ৰতিষ্ঠিত হব। কিন্তু সেয়ে ব্ৰিটিছ চৰকাৰক সম্পূৰ্ণৰূপে উচ্ছেদ কৰিবলৈ ওলোৱা সংস্থা স্বৰূপে কংগ্ৰেছৰ উপযুক্ততা বিচাৰ কৰাত আমাক আগবঢ়াই নিব নোৱাৰে।

বৰ্ত্তমান অৱস্থাত দায়িত্ব দিলেও যে কংগ্ৰেছে কল্যাণ সাধন কৰিব নোৱাৰে সেই কথাত কোনো কংগ্ৰেছী লোকৰে সন্দেহ থাকিব নোৱাৰে। কংগ্ৰেছ ইয়াৰ বাবে সক্ষম হোৱা হলে ই আহ্বানৰ কাৰণে অপেক্ষা নকৰিলেহেতেন। কিন্তু প্ৰতিজন কংগ্ৰেছী লোকেই অৱশ্যে বিশ্বাস কৰে যে কংগ্ৰেছ তেনে এটা অনুষ্ঠান হবলৈ দ্ৰুত গতিৰে আগবাঢ়িছে। হৰিপুৰাৰ চমকলগা সাফল্যক সেই কথাৰ নিশ্চয়াত্মক প্ৰমাণ বুলি উল্লেখ কৰিব পাৰি।

অশান্তি আৰু আন কিছুমান বিষয় মই উল্লেখ কৰিব পাৰোঁ যিবোৰে আমাক থমকি ৰবলৈ আৰু কংগ্ৰেছৰ শক্তি প্ৰকৃততে ক্ৰমাৎ বৃদ্ধি পাইছে নে নাই তাক বিচাৰ কৰি চাবলৈ বাধ্য কৰা উচিত। মই সেই দাবী উত্থাপন কৰা বাবে কিবা দোষ হলে মূৰ পাতি লম। এনে দাবী তুলিবলৈ লৈ মই বেছি খৰখেদা লগাইছোঁ নেকি?

মোৰ দৃঢ় বিশ্বাস যে কংগ্ৰেছে যি আশাতীত ধৰণৰ উন্নতি কৰিছে তাৰ মূলতে আছে অহিংস নীতি গ্ৰহণ আৰু সেই নীতিৰ বাস্তৱ ৰূপদান, অৱশ্যে এই নীতি নিখুঁতভাৱে কাৰ্য্যকৰী কৰা হোৱা নাই। কংগ্ৰেছৰ অহিংস নীতিৰ স্বৰূপ বিবেচনা কৰাৰো সময় আহিছে। এই অহিংসা দুৰ্ব্বল আৰু অসহায়ৰ নে সবল আৰু ক্ষমতাপন্নৰ? যদি ই প্ৰথম চাম লোকৰ হয় তেন্তে তেনে অহিংসাই আমাক কেতিয়াও লক্ষ্যৰ কাষ চপাই নিব নোৱাৰে, আৰু ইয়াক দীৰ্ঘকাল ধৰি অভ্যাস কৰিলে সেয়ে আমাক স্বায়ত্ত শাসনৰ কাৰণেও অসমৰ্থ কৰিহে তুলিব। দুৰ্ব্বল আৰু অসহায়সকল কামত অহিংস হয়, কাৰণ তেওঁলোক তেনে হবই লাগিব। কিন্তু আচলতে তেওঁলোকৰ অন্তৰত হিংসা ভাব থাকে আৰু তাক প্ৰকাশ কৰিবলৈ তেওঁলোকে সুযোগ বিচাৰিহে থাকে। কংগ্ৰেছসেৱী সকলে ব্যক্তিগত আৰু সমূহীয়া ভাৱে তেওঁলোকৰ অহিংসাৰ স্বৰূপ পৰীক্ষা কৰি চোৱা উচিত। অহিংসা যদি প্ৰকৃত শক্তিৰ পৰা উদ্ভৱ নহয়, তেন্তে কংগ্ৰেছে সেই কথা ঘোষণা কৰি, নিজ আচৰণৰ প্ৰয়োজনীয় পৰিবৰ্ত্তন সাধন কৰাই উত্তম আৰু সৎ পন্থা হব।

এইখিনি সময়ৰ ভিতৰত অৰ্থাৎ সোতৰ বছৰ অহিংস নীতি অনুসৰণ কৰাৰ পাছত কংগ্ৰেছে কেই হাজাৰ মানৰে নহয়, কেইবা লাখৰো অহিংস স্বেচ্ছাসেৱক বাহিনী এটা উলিয়াব পাৰিব লাগিছিল আৰু সেই স্বেচ্ছাসেৱক বাহিনীয়ে পুলিচ আৰু মিলিটেৰীৰ প্ৰয়োজন থকা যি কোনো ক্ষেত্ৰতে কাৰ্য্যতৎপৰ হবলৈ সক্ষম হব লাগিছিল। সেয়ে, শান্তি প্ৰতিষ্ঠাৰ প্ৰচেষ্টাত প্ৰাণ দিয়া এজন নিৰ্ভীক পশুপতিনাথ গুপ্তৰ [হৰিজনৰ পাছৰ সংখ্যাত ২ ৪ ১৯৩৮ এৱ, ডিয়ে দিয়া তলৰ শুধৰণিটো প্ৰকাশ পাইছিল।

> "আমি জনাবলৈ পাই সুখী হৈছোঁ যে শ্ৰীপশুপতিনাথ গুপ্তৰ মৃত্যু হোৱা বুলি ওলোৱা বাতৰিটো সচা নহয়। এলাহাবাদ জিলা কংগ্ৰেছ কমিটীয়ে আমালৈ দিয়া এখন টেলিগ্ৰামত জনাইছে যে তেওঁক সাংঘাতিক ভাৱে ছুৰিকাঘাত কৰা হৈছিল যদিও তেওঁৰ অৱস্থাৰ সন্তোষজনক উন্নতি হৈছে।"]

ঠাইত আমি তেনে শ শ লোক উলিয়াব পাৰিব লাগিছিল। আৰু অহিংস বাহিনীয়ে শান্তি আৰু গণ্ডগোলৰ যি কোনো সময়তে সশস্ত্ৰ বাহিনীৰ দৰে কাম কৰিব লগা নহয়। তেওঁলোকে সদায় গঠনমূলক কামত নিজক নিয়োজিত কৰিব আৰু সেয়ে অশান্তি ঘটা অসম্ভৱ কৰি তুলিব। তেওঁলোকৰ

কৰ্ত্তব্য হব—যুদ্ধৰত সম্প্ৰদায়বিলাকক ওচৰ চপোৱা, শান্তিৰ প্ৰচাৰ কাৰ্য্য চলোৱা আৰু প্ৰত্যেক খেল বা শাখাৰ পুৰুষ, মহিলা, বয়স্ক আৰু শিশু নির্ব্বিশেষে প্ৰত্যেকজন লোকৰ লগত সংশ্ৰৱ ৰাখিব পৰা কামত আত্মনিয়োগ কৰা। এনে সৈন্য দলে যি কোনো জৰুৰী অৱস্থাৰ সম্মুখীন হবলৈ নিজক প্ৰস্তুত ৰাখিব লাগিব আৰু জনতাৰ উন্মত্ততা শান্ত কৰিবলৈ প্ৰয়োজন অনুসাৰে যথেষ্ট সংখ্যক প্ৰাণ আহুতি দিবলৈকো তেওঁলোক সাজু থাকিব লাগিব। কেই শ মান, হয়তো কেই হাজাৰ মান লোকৰ এনে নিষ্কলুষ মৃত্যুৱে চিৰদিনৰ কাৰণে অশান্তিৰ অৱসান ঘটাব। কেই শ মান যুৱক যুৱতীয়ে যি কোনো এটা দিনত স্বেচ্ছাৰে, জন উন্মত্ততা নিৰোধৰ বাবে যদি নিজক বলি দিব পাৰে, সেয়েই পুলিচ আৰু মিলিটেৰিৰ প্ৰদৰ্শন আৰু ব্যৱহাৰতকৈ, এনে উন্মত্ততা নিৰোধৰ বাবে অধিক সহজ আৰু সাহসিকতাপূৰ্ণ পন্থা হব।

কোনো কোনোৱে কয় যে আমি স্বাধীনতা লাভ কৰাৰ পাছত সাম্প্ৰদায়িক অশান্তি বা তেনে ধৰণৰ গণ্ডগোল নহব। আমি যদি স্বাধীনতাৰ সংগ্ৰাম চলোৱা অৱস্থাতে যি কোনো প্ৰাসঙ্গিক পৰিস্থিতিত অহিংস কাৰ্য্যৰ কৌশল প্ৰয়োগ নকৰোঁ আৰু সেই কৌশল উপলব্ধি কৰিব নোৱাৰোঁ তেন্তে তেনে আশা অন্তসাৰশূন্য হব বুলিহে মোৰ ধাৰণা হয়। কংগ্ৰেছ মন্ত্ৰীসকলে যিমানলৈকে পুলিচ আৰু মিলিটেৰি প্ৰয়োগ কৰিবলৈ বাধ্য হয়, সিমান থিনিলৈকে আমি আমাৰ ব্যৰ্থতা স্বীকাৰ কৰা উচিত বুলি মই ভাবোঁ। মন্ত্ৰীসকলে যে তাৰ বাহিৰে আন একো কৰিব নোৱাৰে, দুৰ্ভাগ্যজনক হলেও সি অতি সচা কথা। আমি ব্যৰ্থ হৈছোঁ বুলি মোৰ দৰে যদি প্ৰত্যেকজন কংগ্ৰেছসেৱী আৰু ৱৰ্কিং কমিটীয়ে ভাবে, তেন্তে আমি কিয় ব্যৰ্থ হৈছোঁ সেই কথা তেওঁলোকে নিজক প্ৰশ্ন কৰাটোকে বাঞ্ছা কৰোঁ।

হৰিজন ২৬-৩-১৯৩৮

[৫৩]

আত্ম-বিশ্লেষণৰ কাৰণে আবেদন

[তলৰ কথাখিনি ২৫ মাৰ্চৰ আবেলি দেলঙত (উৰিষ্যা) গান্ধীজীয়ে গান্ধী সেৱা সংঘৰ উদ্দেশ্য কৰি দিয়া উদ্বোধনী ভাষণৰ সাৰমৰ্ম।]

ধৰ্ম্মনীতি

মোতকৈ বেছি অসুস্থ আৰু আমাৰ সভাপতি কিশোৰলালভায়ে এখন সুদীৰ্ঘ আৰু সুচিন্তিত অভিভাষণ যুগুত কৰিছে। তাত তেওঁ বিস্তৃতভাৱে আমাৰ পৰস্পৰ ভুল বুজাবুজি, দন্দ খৰিয়াল আৰু আমি পৰস্পৰক বুজিবলৈ বা সহ্য কৰিবলৈ চেষ্টা নকৰাৰ বিষয়ে আলোচনা কৰিছে। তেওঁ সুধিছে, যদি আমাৰ দৈনন্দিন জীৱনত কোনো প্ৰতিফলন নহয়, তেন্তে আমাৰ বিশ্বাসৰ কিবা মূল্য আছে নে? আমি ভাবোঁ নে যে, প্ৰতিদিনে আমাৰ লক্ষ্য অভিমুখে আমি ক্ৰমশঃ আগবাঢি আছোঁ? আমি এবছৰ আগেয়ে মিলিত হোৱা দিনটোতকৈ আজি বেছি অহিংসাবাদী বুলি ভাবোঁ নে? আমি বিৰক্তি আৰু খং এৰিব পৰা কাচিৎ এনে কোনো পৰিস্থিতিৰ উদ্ভৱ হৈছে নে? এনেকুৱা প্ৰশ্ন আমি নিজকেই বাৰে বাৰে সুধিব লগা হৈছে। কাৰণ, অহিংসা আৰু সত্যৰ পথ খুৰৰ দৰে চোকা। আমাৰ দৈনিক আহাৰ গ্ৰহণতকৈও ইয়াৰ চৰ্চ্চা বেছি নিয়মীয়া হব লাগিব। নিয়মীয়াকৈ গ্ৰহণ কৰা আহাৰে শৰীৰৰ উন্নতি কৰে, আৰু প্ৰকৃতভাৱে পালন কৰা অহিংস-নীতিয়ে আত্মাৰ উৎকৰ্ষ সাধে। আমি নিৰূপিত পৰিমাণে আৰু নিৰ্দ্দিষ্ট সময়ৰ মূৰে মূৰেহে শৰীৰৰ উপযোগী খাদ্য গ্ৰহণ কৰোঁহক; কিন্তু আধ্যাত্মিক খাদ্য স্বৰূপ অহিংস-নীতি আমি অবিৰতভাৱে গ্ৰহণ কৰিব পাৰোঁ। তৃপ্তি বা বিতৃষ্ণা বুলি ইয়াত একো কথা নাই। জীৱনৰ লক্ষ্য অভিমুখে আগবঢ়া কাৰণে মই প্ৰতি মুহূৰ্ত্তে সাৱধান হ'ব লগা হৈছে আৰু সেই লক্ষ্যৰ আধাৰত নিজকেই পৰীক্ষা কৰিব লগা হৈছে।

আমাৰ দৈনন্দিন জীৱনত আমাৰ মাজত সত্যবাদিতা, নম্ৰতা, সহনশীলতা, প্ৰেমপূৰ্ণ দয়া আদি গুণৰ অনুশীলন কৰাটোৱে হৈছে অহিংসাৰ প্ৰথম স্তৰ। ইংৰাজীত কোৱা হয়, সাধুতাই উত্তম উপায়, কিন্তু অহিংসাৰ ক্ষেত্ৰত ই কেৱল উপায়েই নহয়। কিয়নো উপায়বোৰ সলনি হ'ব পাৰে, আৰু হয়ো;

কিন্তু অহিংসা এটি অপৰিবৰ্তনীয় ধৰ্মমত। ইয়াক তোমাৰ চাৰিওফালে প্ৰচণ্ডভাৱে আৱৰি থকা হিংসা নীতিক [illegible] অনুসৰণ কৰিব লাগিব। অহিংস লোকে এজনক অহিংস-নীতি দেখুওৱাৰ কোনো যুক্তি নাই। কিয়নো, প্ৰকৃততে, সেইটো একেবাৰেই অহিংসাৰ ফল নে নাই কোৱা টান। কিন্তু যেতিয়া হিংসাৰ বিপৰীতে কৰুণা দেখুওৱা হয়, তেতিয়াহে দুয়োটাৰ পাৰ্থক্য উপলব্ধি কৰিব পাৰি। আমি সত্যৰ আগ্ৰহত, সতৰ্ক আৰু যত্নপৰ হওঁতে [illegible] কেতিয়াও কৰিব নোৱাৰোঁ।

দাঙ্গা-হাঙ্গামা

যুক্ত প্ৰদেশত সৃষ্টি হোৱা দাঙ্গা হাঙ্গামাই মোক গভীৰভাৱে চিন্তিত কৰি তুলিছিল। অহিংসা নীতিক কেন্দ্ৰ কৰি মই মৌলানা আজাদ আৰু বহু ভ্ৰাতৃসকলৰ লগত আলোচনা কৰিছিলোঁ। মই অনুভৱ কৰিছিলোঁ যে, আমি আমাৰ লক্ষ্য স্থানৰ বেছি ওচৰলৈ যাব পৰা নাই, বৰং তাৰ পৰা বহু দূৰতহে আছোঁ। হৰিপুৰাই মোক আশা দি ৰাখিবলৈ অনেকে যুক্তি দিছিল যে, আমাৰ শক্তি বৃদ্ধি হৈ আহিছে আৰু আমাৰ ত্ৰুটি বিচ্যুতিবোৰ থকা সত্বেও মোৰ জীৱন কালতেই আমি স্বৰাজ দেখিবলৈ সমৰ্থ হ'ম বুলি ভাবিছিলোঁ যে, কেইবছৰমানৰ ভিতৰত আমি সেই শক্তি আহৰণ কৰা উচিত। কিন্তু এলাহাবাদ আৰু আন ঠাইৰ গণ্ডগোলে এক গভীৰ আঘাত দিলে। লাজৰ কথা যে, আমি পুলিচ আৰু মিলিটেৰিৰ সহায় লবলৈ বাধ্য হলোঁ।

ধৰি লওক বৰলাটে তেওঁক লগ ধৰিবলৈ আৰু কংগ্ৰেছৰ চৰ্তবোৰ জনাবলৈ কংগ্ৰেছ সভাপতিক মাতিলে। এতিয়া আপুনি ভাবে যে, কংগ্ৰেছ সভাপতিৰ "শাসনভাৰ ল'বলৈ কংগ্ৰেছ সমৰ্থ, ইংৰাজসকল যাব পাৰে", বুলি ক'বলৈ সাহস আছে? আমি তেওঁক এইদৰে ক'ব পাৰিলোঁহেতেন বুলি আপোনালোকে ভাবে নে কি, পুলিচ মিলিটেৰিৰ সহায় নোলোৱাকৈয়ে আমি শাসনভাৰ লব পাৰিম আৰু দেশীয় ৰজা জমিদাৰ আৰু মুছলমানসকলৰ লগত আপোচ মীমাংসা কৰিবলৈ সমৰ্থ হ'ম? মোৰ ভয় হয় যে আমি এই কথা কেতিয়াও সৰলভাৱে কব নোৱাৰিলোঁহেতেন। কিন্তু তথাপি আমাৰ যুক্তত যদি প্ৰকৃত অহিংস নীতি থাকে, তেন্তে আমি এই কথা কবলৈ আৰু এইবোৰ কাম কৰিবলৈ সমৰ্থ হোৱা উচিত।

দুৰ্ব্বলৰ অস্ত্ৰ নহয়

সেই কাৰণে মই আপোনালোকক আৰু নিজকে সোধোঁ যে, আমাৰ অহিংস আন্দোলন দুৰ্ব্বলৰ নে আৰু যাৰ বাবে হোৱা উচিত সেই সবলৰ হয় নে নহয়। অৱশ্যে এইটো সচা যে ই দুৰ্ব্বলৰ হাততো কিছু কাম কৰিব পাৰে, যেনেকৈ আমাৰ ক্ষেত্ৰত কৰিছে। কিন্তু যেতিয়া ই আমাৰ দুৰ্ব্বলতাৰ আবৰণ হৈ পৰে, তেতিয়াই ই আমাক শক্তিহীন কৰি তোলে। শাৰীৰিক শক্তি প্ৰয়োগ কৰোঁতাসকলৰ কাৰণে সাহসিকতা পুৰুষত্বহীনতাতকৈ বহু গুণে শ্ৰেষ্ঠ। ভীৰুতাতকৈ মৃত্যু পৰ্য্যন্ত যুজাটো অনেক গুণে ভাল। সম্ভৱ আমি সকলো মূলত পশু আছিলোঁ। আৰু মোৰ বিশ্বাস যে ক্ৰমবিকাশৰ ধীৰ গতিত আমি পশুৰ পৰা মানুহলৈ ৰূপান্তৰিত হৈছোঁ। এই দৰে আমি গোনতে পাশৱিক শক্তি লৈ জন্মগ্ৰহণ কৰিছিলোঁ, কিন্তু মানুহ হিচাপে জন্মগ্ৰহণ কৰিছোঁ একমাত্ৰ আমাৰ দেহত থকা ভগৱানক উপলব্ধি কৰিবৰ কাৰণেহে। এইটো বাস্তৱতে মানৱ জাতিৰ এটি সুবিধা। ই পশুৰ সৃষ্টিৰ পৰা মানুহক পৃথক কৰিছে। কিন্তু ভগৱানক বুজিবলৈ হলে সকলো বস্তুতে তেওঁক চাব লাগিব, অৰ্থাৎ সৃষ্টিৰ সকলো বস্তুতে আমাৰ একত্ব অনুভৱ কৰিব লাগিব। কিন্তু আজি ইচ্ছাকৃতভাৱে শাৰীৰিক বল দমন আৰু আমাৰ ভিতৰত সুপ্ত হৈ থকা অথচ জীৱ অহিংস চিন্তাধাৰাৰ উন্নতি নকৰালৈকে এইটো সম্ভৱ নহয়। ই কেৱল মানসিক শক্তিৰ পৰাহে উদ্ভৱ হব পাৰে। আমি সবলৰ অহিংস নীতি লৈছোঁ নে? আমি মুকলি ভাৱেই এইটো এটা অসম্ভৱ আদৰ্শ বুলি অগ্ৰাহ্য কৰিব পাৰোঁ, আৰু ইয়াৰ পৰিবৰ্ত্তে হিংসানীতি ল'ব পাৰোঁ। কিন্তু কোনটো নিৰ্ব্বাচন কৰা হয় তাক ঠিক কৰিব লাগিব।

আৰু এয়ে যদি সবলৰ অস্ত্ৰ হয়, তেন্তে কিছুমান এৰাব নোৱাৰা সিদ্ধান্ত আছে। আমি এই মৰামৰি আৰু গণ্ডগোলৰ সমুখীন হব লাগিব আৰু হিন্দু-মুছলমানৰ মাজত বৃদ্ধি পোৱা উত্তেজনা বন্ধ কৰিব লাগিব। আপোনালোকে সুধিব পাৰে যে, আমি অহিংসাৰ সেৱক হিচাপে এই গণ্ডগোলবোৰ আঁতৰোৱাৰ বাবে কি ব্যৱস্থা কৰা উচিত? গণ্ডগোলবোৰ আঁতৰোৱাটো প্ৰধানকৈ কংগ্ৰেছ কমিটীবেই কাম আছিল। এনেকুৱা সংকটৰ সময়ত কাম কৰিবলৈ আমাৰ হাজাৰ হাজাৰ স্বেচ্ছাসেৱক সাজু থকা উচিত। ১৯২১ চনত আমি স্বেচ্ছাসেৱকসকলৰ বাবে প্ৰথম অঙ্গীকাৰ পত্ৰ গ্ৰহণ কৰিছিলোঁ। তাত আছিল যে এজন স্বেচ্ছাসেৱক কায়-বাক্য-মনে অহিংস হ'ব লাগিব।

তেতিয়া হাকিমচাহেব আজমল খান সভাপতি আছিল। তেওঁ খিলাফতৰ স্বেচ্ছাসেৱকসকলে গ্ৰহণ কৰা একে অঙ্গীকাৰ পত্ৰকেই মানি লৈছিল। খিলাফত মহাসভাই এই অঙ্গীকাৰ পত্ৰ গ্ৰহণ কৰিছিল যদিও ইয়াৰ কাৰণে কম কষ্ট কৰিব লগা হোৱা নাছিল। কাৰণ, কিছুসংখ্যক মুছলমানে কৈছিল যে, স্বেচ্ছাসেৱকৰ কাৰণে কথা আৰু কাৰ্য্যত অহিংস হবলৈ তেওঁলোকক আশা কৰাটো এটা অবাস্তৱ কথা। তেওঁলোকে কৈছিল যে, মই হেনো স্বেচ্ছাসেৱকসকলৰ মনৰ গৰাকী হবলৈ বিচাৰিছিলোঁ। মই কৈছিলোঁ, "নহয়, অহিংসাৰ ওপৰতহে মোৰ প্ৰভুত্ব, কোনো ব্যক্তি বিশেষৰ ওপৰত নহয়।" অৱশেষত তেওঁলোকে অঙ্গীকাৰ পত্ৰ মানি লৈছিল। কিন্তু আজি ১৭ বছৰ আগেয়ে অঙ্গীকাৰ পত্ৰ গ্ৰহণ কৰা সত্ত্বেও আমি কোনো অদম্যনীয় শক্তি বৃদ্ধি কৰিব পৰা নাই—অথচ সেয়ে অহিংসাক বুজায়। ইয়াৰ কাৰণ হ'ল—তেনে অহিংস স্বেচ্ছাসেৱক দল গঠন কৰিবলৈ আমি কোনো কষ্ট আৰু পৰিশ্ৰম কৰা নাই। যদি আমি তেনে কৰিব নোৱাৰোঁ, যদি আমি পণ ৰক্ষা কৰিব নোৱাৰোঁ, তেনেহলে আমাৰ নিজৰ অৱস্থাটো আৰু এবাৰ বিবেচনা কৰাই মঙ্গল হ'ব। দুখৰ কথা এইটোৱে যে, আমাৰ অঙ্গীকাৰ পত্ৰ এতিয়াও আছে আৰু ই আছে কেৱল কাকতত্তহে। অঙ্গীকাৰ পত্ৰত ধৰি লোৱা মতে আমাৰ যদি যথেষ্ট সংখ্যক স্বেচ্ছাসেৱকৰ দল থাকিলহেঁতেন, তেন্তে এই গণ্ডগোলবোৰ নাথাকিলহেঁতেন। আৰু যদি থাকিলহেঁতেন তেনেহলে তেওঁলোকে সেই গণ্ডগোলবোৰ আঁতৰালেহেঁতেন আৰু ইয়াৰ বাবে আৱশ্যক হলে নিজকেই উছৰ্গা কৰিলেহেঁতেন। আমি এনেদৰে মৃত্যু বৰণ কৰা কেৱল এজন লোকৰহে নাম শুনিছোঁ। মই তেওঁৰ আত্ম বলিদানক প্ৰশংসা কৰোঁ। কিন্তু তেওঁৰ দৰে যদি আৰু বহুতো শুণ্ড ওলালহেঁতেন, তেনেহলে মোৰ বুকুখনি আনন্দত উৎফুল্ল হৈ উঠিলহেঁতেন।

আপোনালোকে ভাবে নে যে এইটো এটা অলীক কল্পনা? আপোনালোকে ভাবে নে যে, এইখিনি অহিংস স্বেচ্ছাসেৱক দলৰ সহায়ত আমি গণ্ডগোল বন্ধ কৰিব নোৱাৰিম? যদি আপোনালোকে প্ৰকৃততে তেনে বুলি ভাবে, আৰু আপোনালোকৰ ধীৰ আৰু পক্ষপাতশূন্য চিন্তাৰ পিছত স্থিৰ কৰা সিদ্ধান্ত যদি এনেকুৱাই হয়, তেনেহলে আপোনালোকে নিশ্চয় সিদ্ধান্ত ল'ব লাগিব যে, অহিংস উপায়েৰে স্বৰাজ লাভ সম্ভৱ নহয়।

হৰিজন, ২-৪-১৯৩৮

[৫৪]

আমি কি বাছি লম

যুক্ত প্ৰদেশৰ সাম্প্ৰতিক দাঙ্গা হাঙ্গামাৰ বিষয়ে মই দিয়া মন্তব্যই বহুতৰে দৃষ্টি আকৰ্ষণ কৰিছে। বন্ধুসকলে বাতৰি কাকতৰ সংবাদৰ টুকুৰা কাটি পঠাইছে। ছপোৱা বা কোৱা সমালোচনাৰ কিছুমান এয়া—

(১) মোৰ লেখাত অস্থিৰ মস্তিষ্কতা প্ৰকাশ পাইছে।

(২) মই যথেষ্ট তথ্যপাতি নোহোৱাকৈ লিখিছোঁ।

(৩) মই মোৰ অসহযোগ আৰু অসামৰিক প্ৰতিৰোধৰ বিষয়ে মত সলনি কৰিছোঁ।

(৪) মই উদাৰনৈতিক সকলৰ নীতি অনুসৰণ কৰিব লগাত পৰিছোঁ।

(৫) কংগ্ৰেছসেৱীসকলে তেওঁলোকৰ নিজৰ ভিতৰত কেতিয়াও অহিংস পন্থা গ্ৰহণ কৰা নাই।

(৬) মই মানৱ প্ৰকৃতিৰ পৰা অসম্ভৱ কিবা এটা বিচাৰিছিলোঁ।

(৭) যদি মোৰ মত গ্ৰহণ কৰা হয়, তেনেহলে স্বৰাজ কেতিয়াও পোৱা নাযাব, কাৰণ সমগ্ৰ ভাৰতবৰ্ষ কেতিয়াও অহিংস হ'ব নোৱাৰে।

সমালোচনাবোৰৰ পৰা আৰু বহুতো মই উদ্ধৃত কৰিব পাৰোঁ। মই কেৱল প্ৰাসঙ্গিক খিনিহে লৈছোঁ।

(১) মোৰ প্ৰবন্ধত যদি অস্থিৰ মস্তিষ্কতা প্ৰকাশ পাইছিল সেই উপসৰ্গবোৰ এতিয়াও আছে, কাৰণ সমালোচনাবোৰ সযত্নে অধ্যয়ন কৰি চোৱা সত্বেও মই লোৱা পথৰ পৰা লৰচৰ কৰিবৰ কোনো কাৰণ দেখা নাই। সমালোচকসকলে মনত ৰখা উচিত হ'ব যে মোৰ প্ৰস্তাব সুনিৰ্দ্দিষ্ট আৰু সীমিত আছিল। আমাৰ অহিংসা যদি সাহসীৰ অহিংসা নহয় আৰু হিংসাক যথোচিতৰূপে পৰাভূত কৰিব পৰা নহলে অহিংসাৰ পথেদি স্বৰাজ লাভ সম্ভৱ হ'ব নোৱাৰে। মই কোৱা নাই যে আন উপায়েৰে স্বৰাজ লাভ হ'ব নোৱাৰে। কিন্তু তেনেভাবে হ'বলৈ হলে আমি এতিয়া তাৰ বাবে প্ৰস্তুত নহওঁ, কাৰণ ব্ৰিটিছৰ বিৰুদ্ধে শক্তি পৰীক্ষাৰ সন্মুখীন হবলৈ আমি এতিয়া প্ৰস্তুত হোৱা নাই।

(২) প্ৰয়োজনীয় তথ্যসমূহ এয়ে আছিল যে যিমানেই সৰু নহওক, দাঙ্গা-হাঙ্গামা হৈছিল, কংগ্ৰেছসেৱীসকলে অহিংসভাৱে সেইবিলাক প্ৰতিৰোধ কৰিব পৰা নাছিল আৰু পুলিচ আৰু সৈন্যবাহিনীৰ সাহায্য বিচাৰিব লগা

হৈছিল। এই তিনিটা সুস্পষ্ট বিষয়ত কোনো মতবিৰোধ নাই। মোৰ সিদ্ধান্তলৈ আহিবলৈ এয়ে যথেষ্ট আছিল। ইয়াত মন্ত্ৰীসকলৰ ওপৰত কোনো কটাক্ষ কৰা হোৱা নাই। মই স্বীকাৰ কৰিছোঁ যে তেওঁলোকে আন একো কৰিব নোৱাৰিলেহেতেন। কিন্তু এইটো স্থিৰ সত্য যে কংগ্ৰেছী অহিংসাই এই সংকটত সক্ৰিয়ভাৱে সমুখীন হ'ব নোৱাৰিলে।

(৩) মোৰ প্ৰবন্ধত এনে কোনো কথা নাই যাৰ পৰা এই সিদ্ধান্তত উপনীত হ'ব পাৰি যে মই অসহযোগ আৰু অসামৰিক প্ৰতিৰোধত আস্থা হেৰুৱাইছোঁ। মই ইয়াকেহে কোৱা উচিত যে মোৰ বিশ্বাস আগতকৈও উজ্জ্বলতৰ হৈছে। এই দুটাইয়ে স্বৰাজ আনিবৰ বাবে যথেষ্ট যদিহে অনুশীলন কৰা অহিংসা সাহসীৰ অহিংসা হয়।

(৪) উদাৰনৈতিকদলৰ নীতিৰ প্ৰতি সমৰ্থন জনাব পাৰিলে মই ভালেই পালোঁহেতেন। তেওঁলোকৰ মাজত বহুতৰে সৈতে মোৰ ব্যক্তিগত বন্ধুত্ব আছে। কিন্তু নীতিসমূহৰ পালনৰ বাবে তেওঁলোকৰ কোনো অনুশাসনমূলক প্ৰেৰণা নাই। মই দাবী কৰিব পাৰোঁ যে মোৰ নীতিৰ অভ্ৰান্ত অনুশাসন আছে। মোৰ প্ৰবন্ধটোত দেখুওৱা হৈছিল যে দাঙ্গা হাঙ্গামাৰ সময়ত নৈতিক উদ্দেশ্য ব্যৰ্থ হোৱা নাছিল। ব্যৰ্থতাৰ বাবে দায়ী আছিল সেই অনুষ্ঠান যি এই নৈতিক বিধি-বিধান পালনৰ অৰ্থাৎ সক্ৰিয় সংগঠনমূলক অহিংসাৰ দায়িত্ব গ্ৰহণ কৰিছিল।

(৫) সমালোচকসকলক মই কংগ্ৰেছৰ প্ৰস্তাৱলৈ আঙুলিয়াই দেখুৱাব পাৰোঁ। এই বিলাকত অকল ইংৰাজসকলৰ বাবেইহে অহিংসাৰ প্ৰয়োগ সীমিত কৰি ৰখা হোৱা নাই। প্ৰকৃততে, ৱৰ্কিং কমিটীৰ বহুতো সভাৰ আলোচনাত আমাৰ নিজৰ ভিতৰত অহিংসাৰ প্ৰয়োজনৰ ওপৰত গুৰুত্ব দিয়াৰ কথা বেছ মোৰ মনত আছে।

(৬) বাৰু, ইমান দিনলৈকে মানৱ প্ৰকৃতিয়ে অহিংসাৰ আহ্বানত সুন্দৰভাৱে সঁহাৰি জনাই আহিছে। কিন্তু মই কংগ্ৰেছৰ প্ৰকৃতি লৈহে উৎকণ্ঠিত। কংগ্ৰেছনেতাসকলে অহিংসানীতি গ্ৰহণ কৰি এখন প্ৰতিজ্ঞা পত্ৰত চহী কৰিব লাগে। মোৰ প্ৰশ্ন আছিল আৰু আছে—তেওঁলোকৰ নিজৰ ভিতৰতে অহিংসা আছে নে নাই? যদি আছে—ই সাহসীজনৰ অহিংসা হয় নে? মোৰ যুক্তি হ'ল যে, ই যদি সাহসীজনৰ অহিংসা হয়, তেন্তে ই দাঙ্গা-হাঙ্গামা দমন কৰিবলৈ আৰু মঙ্গলসাধন কৰিবলৈ সমৰ্থ হ'ব লাগিব।

(৭) ইয়াৰ উত্তৰ আগৰ কথাখিনিতে দিয়া হৈছে।

কিন্তু মোৰ ভয় হয় যে আমাৰ অহিংসা যেনেকুৱা হ'ব লাগে তেনে হোৱা নাই। মোৰ এই সতৰ্কবাণী কংগ্ৰেছসেৱীসকলে উলাই কৰিব নালাগে। মই যিমানেই অপটু নহওঁ, মোক অন্ততঃ অহিংসাৰ বিষয়ত কংগ্ৰেছৰ বিশেষজ্ঞ বুলি ধৰা হয়। মোৰ অধ্যয়ন আৰু মোৰ প্ৰতিষেধকৰ ওপৰত মোৰ বিশ্বাস আছে। মই আহমেদাবাদ আৰু বিৰামগামৰ হিংসাত্মক কাৰ্য্যাৱলী, যুৱৰাজৰ আগমনৰ সময়ত বোম্বাইৰ হিংসাত্মক ঘটনা আৰু বাৰদোলিৰ প্ৰাৰম্ভণিত চৌৰিচোৰাৰ ঘটনাবোৰ উল্লেখ কৰিব পাৰোঁ। মোৰ নিৰ্দ্দেশত গ্ৰহণ কৰা বিধান সমূহৰ যথাৰ্থতা সিবিলাকৰ ফলাফলতে দেখা যায়। অৱশ্যে এইবিলাক ক্ষেত্ৰতো আন্দোলন স্থগিত ৰখাৰ বাবে ক্ষুব্ধ হোৱা সমালোচকৰ অভাৱ নাছিল আৰু তাৰ বাবে গভীৰ অসন্তোষ প্ৰকাশ কৰিছিল। প্ৰতিষেধকসমূহৰ বিষয়ে বৰ্ত্তমান বিশ্লেষণত মোৰ অলপো সন্দেহ নাই। যদি অহিংসা আৰু ইয়াৰ প্ৰকৃতি সম্পৰ্কে আমাৰ এটা জীৱন্ত বিশ্বাস থাকে তেনেহলে প্ৰতিষেধকসমূহ আমাৰ সামৰ্থ্যৰ বহিৰ্ভূত নহয়। প্ৰতিষেধকসমূহৰ কেইটামান এই

(১) হিন্দু মুছলমানৰ মাজত থকা উত্তেজনাৰ উপশমৰ বাবে আমি এটা সমাধান বিচাৰি উলিয়াব লাগিব। ইচ্ছা কৰিয়েই মই সাম্প্ৰদায়িকতাৰ সলনি এই পদটো ব্যৱহাৰ কৰিছোঁ কাৰণ, আমি ইয়াৰ কিবা এটা কৰিব পাৰিলে আনটোৱে একে পথ অনুসৰণ কৰিব।

(২) কংগ্ৰেছৰ সভ্য তালিকা সংশোধন কৰিব লাগিব যাতে ভুৱা ভোটদাতা সকলে তাত কোনোৰকমেই স্থান পাব নোৱাৰে। মই পোৱা হিচাপ মতে আমাৰ সভ্যতালিকাৰ বহীবিলাকত ইমান বেছি ভুৱা নাম আছে যে সেইবিলাকক মুঠেই নিৰ্ভুল বুলিব নোৱাৰি।

(৩) কংগ্ৰেছসেৱীসকলে সংখ্যালঘিষ্ঠত পৰিণত হোৱাৰ বাবে ভয় কৰিব নালাগে।

(৪) অবিলম্বে প্ৰত্যেক প্ৰাদেশিক কংগ্ৰেছ কমিটীয়ে চিন্তা, কথা, আৰু কামত অহিংসাৰ অনুশীলনৰ বাবে প্ৰতিজ্ঞাবদ্ধ স্বেচ্ছাসেৱকৰ একোটাকৈ উপযুক্ত বাহিনী গঠন কৰা উচিত। আৰু সাৰ্ব্বজনীনভাৱে ব্যৱহাৰ কৰিব পৰাকৈ প্ৰশিক্ষণ ইত্যাদিৰ বাবে এখন প্ৰশিক্ষণৰ হাতপুথি থাকিব লাগে।

এই পৰামৰ্শবিলাকত বীৰত্বব্যঞ্জক বা অসাধ্য একো নাই। কিন্তু যি সকলে নেতৃত্ব দিব তেওঁলোকৰ যদি অহিংসাৰ ওপৰত জীৱন্ত বিশ্বাস নাথাকে,

তেনেহলে এইবিলাক দুঃসাধ্য। যদি তেওঁলোকৰ বিশ্বাস নাই, তেনেহলে কংগ্ৰেছৰ অভিধানৰ পৰা অহিংসা শব্দটো যিমান সোনকালেই বাদ দিয়া যায় সিমানেই কংগ্ৰেছ আৰু জাতিৰ পক্ষে মঙ্গলজনক। ইয়াৰ বিকল্প নিশ্চয়েই নিৰ্ভেজাল হিংসানীতি নহয়। পৃথিৱীৰ ভিতৰত কংগ্ৰেছেই একমাত্ৰ ৰাজনৈতিক অনুষ্ঠান যি মোৰ নিৰ্দ্দেশত স্বৰাজ লাভৰ নিমিত্তে নিৰ্ভেজাল অহিংসানীতি গ্ৰহণ কৰিছে। ইয়েই ইয়াৰ একমাত্ৰ অনুশাসন। মই জোৰ দি ক'ব পাৰোঁ যে, যদি ইয়াৰ গুণ যেনে হ'ব লাগে তেনে নহয়, তেন্তে ই জাতিৰ বহু অনিষ্ট সাধন কৰিব। অৱশেষত আমি সাহসী নৰনাৰীৰ সলনি ভীৰুৰ দলত পৰিণত হ'ম। আৰু স্বাধীনতাৰ যুজাৰুসকলৰ পক্ষে কাপুৰুষালিতকৈ ডাঙৰ অপমান একো নাই। প্ৰকৃততে আমি আমাৰ পদক্ষেপৰ পশ্চাদপসাৰণ কৰাটো লাজ পাবলগীয়া কথা নহয়। আমি যদি অনুভৱ কৰোঁ যে হিংসাত্মক সংগ্ৰামৰ বাহিৰে আমি ব্ৰিটিছ শক্তিক আতৰাবলৈ সমৰ্থ নহওঁ, তেনেহলে কংগ্ৰেছে জাতিক সেইদৰে কৈ দিয়া উচিত আৰু সেই মতে প্ৰস্তুত হোৱা উচিত। পৃথিৱীৰ সকলো ঠাইতে যেনে কৰা হৈছে আমিও তেনে কৰিব লাগে—"যেতিয়া পাৰোঁ সহ্য কৰিম, যেতিয়া লাগে আঘাত কৰিম।" সেয়ে যদি আমাৰ মত বা নীতি হ'ব লাগে, আমি তেনেহলে সোতৰটা মূল্যবান বছৰ হেৰুৱালোঁ। কিন্তু শিকিবলৈ আৰু শুধৰাবলৈ কেতিয়াও সময় উকলি নাযায়। এটা জাতিৰ জীৱনত সোতৰ বছৰ একোৱেই নহয়। কংগ্ৰেছসেৱী সকলে সতৰ্কবাণী পোৱা সত্ত্বেও তেওঁলোকৰ পন্থা স্থিৰ কৰি ল'ব নোৱাৰিলে, পাছলৈ ভীষণ অন্তৰ্বিধাত পৰিব।

হৰিজন ৯ ৪ ১৯৩৮

[৫৫]

সামৰিক শক্তি বনাম নৈতিক শক্তি

এই কথা প্ৰায়েই পাহৰি যোৱা হয় যে কংগ্ৰেছৰ পাছত কেৱল নৈতিক কৰ্তৃত্বহে সমৰ্থন আছে। শাসক শক্তিৰ হাতত সামৰিক শক্তি আছে, যদিও ই প্ৰায়েই সামৰিক শক্তিক নৈতিক শক্তিৰ লগত মিহলি কৰি পেলাব খোজে, কংগ্ৰেছে সাতখন প্ৰদেশত শাসনভাৰ লোৱাৰে পৰা এই মৌলিক পাৰ্থক্যটো স্পষ্ট হৈ দেখা দিছে। শাসনভাৰ গ্ৰহণে হয় অধিকতৰ সন্মান আনয়ন কৰাৰ নতুবা পাই থকা সন্মানৰ সম্পূৰ্ণ হানিৰ পথত এটি পদক্ষেপ হ'ব। ই যদি

সমূলকে হানি হ'ব নালাগে, তেন্তে মন্ত্ৰী আৰু বিধানসভাৰ সভ্যসকলে তেওঁ-লোকৰ ব্যক্তিগত আৰু ৰাজহুৱা আচৰণৰ ওপৰত চকু ৰাখিব লাগিব। তেওঁলোক চীজাৰৰ ঘৈনীয়েকৰ দৰে সকলো সন্দেহৰ উৰ্দ্ধত হ'ব লাগিব। তেওঁলোকে নিজৰ নিমিত্তে বা তেওঁলোকৰ আত্মীয়স্বজনৰ নিমিত্তে বা বন্ধু-বান্ধৱৰ নিমিত্তে কোনো নিজা বা ব্যক্তিগত ব্যৱস্থা কৰিব নোৱাৰিব। যদি আত্মীয় স্বজন বা বন্ধুবান্ধৱে কোনো চাকৰি পায়, তেন্তে তেওঁলোক সকলো প্ৰাৰ্থীৰ ভিতৰত শ্ৰেষ্ঠ হোৱাৰ বাবেইহে পাব পাৰিব। তেওঁলোকৰ বজাৰ মূল্য তেওঁলোকে চৰকাৰৰ তলত পোৱা সা সুবিধাতকৈ সদায় বেছি হ'ব লাগিব। মন্ত্ৰীসকল আৰু কংগ্ৰেছৰ টিকটত নিৰ্ব্বাচিত সভ্যসকল তেওঁলোকৰ কৰ্ত্তব্য সম্পাদনৰ ক্ষেত্ৰত ভয়হীন হ'ব লাগিব। তেওঁলোকৰ আসন বা পদবী হেৰুৱাৰ সম্ভাৱনাৰ বাবে তেওঁলোক সদায় প্ৰস্তুত থাকিব লাগিব। কংগ্ৰেছৰ শক্তি আৰু সম্মান বৃদ্ধি কৰাৰ বাহিৰে বিধানসভাৰ আসন আৰু পদবীৰ বাহিৰত কোনো বৈশিষ্ট্য নাই। আৰু যিহেতু উভয়েই সম্পূৰ্ণৰূপে ব্যক্তিগত আৰু ৰাজহুৱা উভয় বিধ নৈতিকতাৰ আচৰণৰ ওপৰত নিৰ্ভৰশীল, সেইবাবে যি কোনো নৈতিক স্খলনে কংগ্ৰেছক তীব্ৰ আঘাত হানিব। ইয়েই অহিংসাৰ প্ৰয়োজনীয় উপলব্ধি। কংগ্ৰেছৰ অহিংসা যদি কেৱল ব্ৰিটিছ কৰ্মচাৰী আৰু তেওঁলোকৰ পোষ্যবৰ্গক শাৰীৰিক আঘাত কৰাৰ পৰা বিৰত থকাতে আৱদ্ধ থকা যায়, তেনে অহিংসাই আমালৈ কেতিয়াও স্বাধীনতা আনিব নোৱাৰে। শেষ মুহূৰ্ত্তত ই ব্যৰ্থতাত পৰ্য্যবসিত হবলৈ বাধ্য। আচলতে, শেষ মুহূৰ্ত্ত পোৱাৰ বহু আগতেই আমি ইয়াক পোনপটীয়াকৈ ক্ষতিকাৰক নহলেও একেবাৰেই মূল্যহীন যেন পাম।

যি সকলে কংগ্ৰেছৰ অহিংসা সম্পৰ্কে এনে ঠেক ধাৰণা লৈ আছে, তেওঁ লোকে যেতিয়া কয় যে ই এভাল ভগা ইকৰাৰ দৰে, তেওঁলোকৰ যুক্তিত যথেষ্ট জোৰ আছে।

আনহাতে, যদি অহিংসাক সকলো পৰিপ্ৰেক্ষিতত কংগ্ৰেছৰ নীতি স্বৰূপে লোৱা হয়, তেনেহলে প্ৰত্যেক কংগ্ৰেছসেৱীয়ে নিজক বিশ্লেষণ কৰি চাওক আৰু সেই মতে আত্মশোধন কৰক। ৱৰ্কিং কমিটীৰ নিৰ্দ্দেশৰ বাবে তেওঁ বৈ থাকিব নালাগে। মূঠৰ ওপৰত ৱৰ্কিং কমিটীয়ে কেৱল বাইজৰ মনোভাৱহে ব্যক্ত কৰিব পাৰে। আৰু অহিংসা এনে এটা গুণ নহয় যাক আদেশমতে তৈয়াৰী বা প্ৰকাশ কৰিব পাৰি। ঐকান্তিক ব্যক্তিগত প্ৰচেষ্টা আৰু অনুশীলনৰ ওপৰত নিৰ্ভৰশীল হৈহে ই অন্তৰত আত্মপ্ৰকাশ কৰে।

মই বহুতো চিঠি পাইছোঁ যিবিলাকত লিখকসকলে দাঙ্গা হাঙ্গামা বা তেনে বিপর্য্যয়ৰ সময়ত আত্মবিসৰ্জ্জনৰ বাবে প্ৰস্তুত স্বেচ্ছাসেৱকসকলৰ তালিকাত নামভুক্তিৰ ইচ্ছা প্ৰকাশ কৰিছে। এই লিখকসকলক মই পৰামৰ্শ দিওঁ যে তেওঁলোকে নিজেই স্থানীয় দলৰ পৰা সহকৰ্ম্মী সংগ্ৰহ কৰক আৰু মোৰ উপদেশ অনুযায়ী প্ৰশিক্ষণ আৰম্ভ কৰক। অকল আপৎকালীন অৱস্থাৰ বাবে প্ৰস্তুত হৈ থকাতে তেওঁলোকৰ কাম সীমিত কৰি ৰাখিব নালাগে। দৈনন্দিন জীৱনৰ প্ৰতি পদতেই ব্যক্তিগত, পাৰিবাৰিক, সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, ধৰ্ম্মীয় সকলোতেই—তেওঁলোকৰ কৰ্ম্মক্ষেত্ৰ বিস্তাৰিত হ'ব লাগিব। এইদৰেহে মাথোন তেওঁলোকে নিজৰ অঞ্চল বা চুবুৰীত জৰুৰী অৱস্থাৰ সন্মুখীন হবলৈ নিজকে যথোপযুক্ত প্ৰস্তুত অৱস্থাত ৰাখিব পাৰিব। তেওঁলোকৰ কৰ্ম্মক্ষেত্ৰৰ পৰা শ শ মাইল দূৰৈত ঘটা ঘটনাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিবলৈ যোৱাটো তেওঁলোকৰ পক্ষে পৰোক্ষভাৱেহে সম্ভৱ হ'ব পাৰে। প্ৰথম অৱস্থাতেই সঠিকভাৱে আৰম্ভণি কৰিব পাৰিলেই এই শক্তি পোৱা যাব।

হৰিজন ২৩-৪ ১৯৩৮

[৫৬]

আৰু কেইটামান প্ৰশ্ন

আজিকালি গান্ধীজী কাচিৎহে তাত্ত্বিক বিষয়ৰ আলোচনাত প্ৰবিষ্ট হয় কাৰণ ইয়াৰ কাৰণে তেওঁৰ সময় বৰ কম। কিন্তু পেছোৱাৰত বহুত নতুন মানুহ লগ পাই তেওঁৰ স্বাস্থ্য আগৰ দৰে নথকা সত্বেও প্ৰায় তাত্বিক ধৰণৰ প্ৰশ্ন কেতবোৰৰ উত্তৰ তেওঁ দিছিল। এজন অধ্যাপকৰ কথাকে ধৰা যাওক। তেওঁ সুধিছিল "ইংৰাজ যুদ্ধনীতি-বিৰোধী শান্তিবাদীসকলৰ বহুতে প্ৰতিৰক্ষাৰ কথা আৰু প্ৰতিৰক্ষাৰ বিস্তৃত আঁচনি সম্পৰ্কে নানা আলচ কৰিব লাগিছে, ই কেনে কথা হৈছে? শান্তিবাদ আৰু অধিক ক্ষেত্ৰলৈ প্ৰসাৰিত কৰিব নোৱাৰি নে? ধৰি লওক, আবিছিনিয়াই প্ৰতিৰোধ নকৰি যদি ইটালীক কয় 'তোমালোকে বিমান পাৰা অপকৰ্ম্ম কৰা' তেতিয়া ইটালিয়ে, লাজ পালেহেতেন নে আৰু তেওঁলোকৰ দুৰাকাঙ্খাৰ পৰা বিৰত হ'লহেতেন নে?' লেনচ্‌বাৰিয়ে কৈছিল তেওঁলোকে বিৰত হ'লহেতেন।"

গান্ধীজীয়ে কৈছিল, "মই প্ৰথমে আবিছিনিয়াৰ প্ৰশ্নটোকে লওঁ। মই ইয়াৰ উত্তৰ অকল সক্ৰিয় প্ৰতিৰোধকাৰী অহিংসাৰ কথাৰেহে দিব পাৰোঁ। বৰ্ত্তমান সময়ত অহিংসাই পৃথিবীত আটাইতকৈ সক্ৰিয় শক্তি আৰু মোৰ ই দৃঢ় বিশ্বাস যে অহিংসাৰ কেতিয়াও পৰাজয় নহয়। আবিছিনিয়াই যদি শক্তিমন্তৰ অহিংসাৰ মনোবৃত্তি গ্ৰহণ কৰে অৰ্থাৎ যি অহিংসাই ভাঙি চূৰমাৰ হৈ যাব পাৰে কিন্তু কেতিয়াও অৱনমিত নহয়, মুছোলিনিৰ আবিছিনিয়াৰ ওপৰত কোনো আগ্ৰহ নোহোৱা হ'লহেতেন। তেওঁলোকে যদি কেৱল এইদৰে কব পাৰিলে-হেতেন, তুমি আমাক ধূলিত বা ছাইত পৰিণত কৰিব পাৰিবা, কিন্তু এজন আবিছিনিয়াকো তোমাৰ লগত সহযোগ কৰা নোপোৱা,—তেতিয়া মুছোলিনিয়ে কি কৰিব পাৰিলেহেতেন? তেওঁ এখন মৰুভূমি বিচৰা নাছিল। মুছোলিনিয়ে বিচাৰিছিল আত্মসমৰ্পণ, বিদ্ৰোহ বা বিৰোধ বিচৰা নাছিল। তেওঁ যদি শান্ত, গৌৰব আৰু মৰ্য্যাদাপূৰ্ণ আৰু মই কোৱাৰ দৰে অহিংস প্ৰতিৰোধ পালেহেতেন, নিশ্চয় তেওঁ উভতি যাবলৈ বাধ্য হ'লহেতেন। অৱশ্যে যি কোনোৱে এই কথা কব পাৰে যে মানৱ প্ৰকৃতি ইমান উচ্চস্তৰলৈ উন্নীত হোৱা এতিয়াও ক'তো জনা যোৱা নাই। কিন্তু আমি যদি পদাৰ্থ বিজ্ঞানৰ ক্ষেত্ৰত আশাতীত উন্নতি লাভ কৰিব পাৰিছোঁ তেন্তে আত্মাৰ বিজ্ঞানত কিয় তেনে কৰিব নোৱাৰিম?

"এতিয়া ইংৰাজ যুদ্ধনীতি বিৰোধী শান্তিবাদীসকললৈ আহক। তেওঁলোকৰ ভিতৰত কেইজনমান মহৎ আৰু নিষ্ঠাবান লোক আছে বুলি মই জানো। কিন্তু তেওঁলোকে অবিমিশ্ৰ অহিংসাৰ পৰা যুদ্ধনীতি বিৰোধক বেলেগ কৰিহে চিন্তা কৰিছে। মই মূলত অহিংসাবাদী লোক আৰু মই হিংসাৰ কোনো সাঁচ নোহোৱা যুদ্ধত বিশ্বাস কৰোঁ। প্ৰকৃত অহিংসবাদী লোকে পৰিণামৰ হিচাপ নকৰে। আপুনি কোৱা ইংৰাজ যুদ্ধ-নীতি বিৰোধী লোকসকলে হিচাপ নিকাচ কৰি গুণাগঁথা কৰিছে আৰু যেতিয়া তেওঁলোকে যুদ্ধনীতি বিৰোধী শান্তিবাদৰ কথা কয় তেওঁলোকে মনত এই সংকোচ ৰাখিহে কয় যে যদি যুদ্ধনীতি বিৰোধী শান্তিবাদ পৰাভৱ হয় তেন্তে অস্ত্ৰই তাৰ ঠাই লব আৰু অস্ত্ৰধাৰণ কৰিব পাৰে। তেওঁলোকৰ বাবে উক্ত' উইলচনৰ ১৪ দফীয়া কথাৰ অহিংসা নহয়; অস্ত্ৰইহে' অন্তিম অনুশাসনৰ কথা। ইংলণ্ডত কোনোৱা এজন পুৰুষ ওলাব লাগিব আৰু এই জীৱন্ত বিশ্বাস ৰাখি কব পাৰিব লাগিব যে কিয়েই নহওক লাগিলে ইংলণ্ডই কেতিয়াও অস্ত্ৰধাৰণ নকৰে। তেওঁলোক অস্ত্ৰ-শস্ত্ৰেৰে সুসজ্জিত এটা জাতি আৰু সমস্ত শক্তি থকা সত্বেও যদি দৃঢ়ভাৱে অস্ত্ৰধাৰণ কৰিবলৈ অস্বীকাৰ

কৰে তেন্তে খ্ৰীষ্টধৰ্মৰ নীতি সক্ৰিয়ভাৱে আৰু ব্যাপকভাৱে অনুশীলন কৰাৰ তেওঁলোকৰে পৃথিবীত প্ৰথম দৃষ্টান্ত হ ব। সেইটো হবলৈ হলে সচাকৈয়ে এটা অলৌকিক ঘটনা হ'ব।"

হৰিজন ১৪ ৫ ১৯৩৮ ম দে

[৫৭]

শান্তি-বাহিনীৰ অৰ্হতাসমূহ

কিছুদিন আগতে মই এটা শান্তি বাহিনী গঠন কৰাৰ প্ৰস্তাব আগ বঢ়াইছিলোঁ। এই বাহিনীৰ সভ্যসকলে সংঘৰ্ষ, বিশেষকৈ সাম্প্ৰদায়িক সংঘৰ্ষ নিয়ন্ত্ৰণ কৰিবলৈ যাওঁতে নিজৰ জীৱন আহুতি দিব পাৰিব লাগিব। মোৰ মনৰ ভাব আছিল এয়ে যে এই বাহিনীয়ে পুলিচ, আনকি সামৰিক বাহিনীৰ ঠাই ল'ব। কথাটো এটা দুৰাকাঙ্ক্ষা যেন লাগে, হয়তো কৃতকাৰ্য্যতা লাভ নহবও পাৰে। তথাপি, যদি কংগ্ৰেছে অহিংস সংগ্ৰামত জয়যুক্ত হব খোজে, ই এনেকুৱা পৰিস্থিতি শান্তিপূৰ্ণভাৱে নিয়ন্ত্ৰণ কৰিবলৈ শক্তি বিকশিত কৰিব লাগিব। ৰাজনৈতিক মনোবৃত্তিসম্পন্ন লোকেই সাম্প্ৰদায়িক সংঘৰ্ষৰ গুৰি ধৰে। ইয়াত ভাগ লোৱা লোকসকলৰ বহুতেই এই ৰাজনৈতিক লোকৰ দ্বাৰা প্ৰভাবিত। শান্তিপূৰ্ণ উপায়ৰ দ্বাৰা ঘৃণনীয় সাম্প্ৰদায়িক পৰিস্থিতি এৰাই চলিবলৈ এটা নীতি বা কিছুমান নীতি উদ্ভাৱন কৰাটো কংগ্ৰেছী লোকৰ বুদ্ধিৰ অতীত হোৱা নিশ্চয় ঠিক ন'হব। মই কোৱা এই কথাৰ কোনো সাম্প্ৰদায়িক চুক্তি থকা নথকাৰ লগত সম্পৰ্ক নাই। কোনো দলে হিংস উপায়েৰে চুক্তিত উপনীত হবলৈ বাধ্য কৰাৰ কথা উঠিব নোৱাৰে। এনে চুক্তি সম্ভৱপৰ বুলি মানি ললেও, যি টুকুৰা কাকতত এই চুক্তি লিপিবদ্ধ হ'ব তাৰ সমান মূল্যাও ইয়াৰ নহব। কাৰণ এনে চুক্তিৰ মূলত কোনো পাৰস্পৰিক বুজা-পৰাৰ মনোভাৱ নাথাকিব। ইয়াতোকৈ ডাঙৰ কথা, এনে চুক্তিত উপনীত হ'ব পাৰিলেও, তাৰ পাছত আৰু কেতিয়াও কোনো সাম্প্ৰদায়িক সংঘৰ্ষ নহব বুলি ভাবিলে বৰ বেছি আশা কৰা হ'ব।

সেই কাৰণে, প্ৰস্তাৱিত শান্তি-বাহিনীৰ সদস্য এজনৰ কেনেবোৰ অৰ্হতা থাকিব লাগিব তাক আমি জুকিয়াই চাওঁহক।

(১) অহিংস নীতিত তেওঁৰ অবিচলিত আস্থা থাকিব লাগিব। ভগৱানত

অবিচলিত বিশ্বাস নাথাকিলে ই সম্ভৱ হব নোৱাৰে। ঈশ্বৰৰ শক্তি আৰু কৰুণা অবিহনে অহিংস মানবে একো কৰিব নোৱাৰে। এই বিশ্বাস নহলে, খং নুঠাকৈ, নিৰ্ভীকভাৱে আৰু প্ৰতিশোধৰ ভাব পোষণ নকৰাকৈ মৃত্যুক আকোৱালি লবলৈ তেওঁ সাহস নাপাব। ভগবান সকলোৰে হৃদয়ত অধিষ্ঠিত আৰু ভগবানৰ আগত কোনো ভয় থাকিব নোৱাৰে—এই বিশ্বাসৰ পৰাই এনেকুৱা সাহস ওপজে। ঈশ্বৰ সৰ্ব্বব্যাপী—এই জ্ঞানৰ আৰু এটা অৰ্থ হৈছে যাক আমি আমাৰ প্ৰতিদ্বন্দ্বী বা গুণ্ডা বুলি কওঁ আনকি সেই সকলৰ জীৱনৰ প্ৰতিও সম্মান দেখুওৱা। মানুহৰ ভিতৰত থকা পশুটোৱে যেতিয়া প্ৰভুত্ব কৰে সেই অৱস্থাত তেওঁৰ উগ্ৰতা শান্ত কৰাৰ এটা প্ৰক্ৰিয়া হিচাপে এই হস্তক্ষেপৰ পৰিকল্পনা কৰা হৈছে।

(২) শান্তিৰ এই দূতজনৰ পৃথিবীৰ সকলো প্ৰধান প্ৰধান ধৰ্ম্মৰ প্ৰতি সমান শ্ৰদ্ধা থাকিব লাগিব। এইদৰে, তেওঁ যদি হিন্দু হয়, ভাৰতত প্ৰচলিত আন ধৰ্ম্মবিশ্বাসৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা থাকিব লাগিব। সেই কাৰণে, তেওঁৰ দেশবাসীয়ে অনুসৰণ কৰা ধৰ্ম্মবোৰৰ সাধাৰণ নীতিসমূহৰ জ্ঞান থকা উচিত হ'ব।

(৩) সাধাৰণ কথাত, এই শান্তিৰ কাৰ্য্য নিজৰ নিজৰ অঞ্চলত সেই সেই ঠাইৰ স্থানীয় লোকেহে কেৱল কৰিব পাৰিব।

(৪) এই কাম গাই গুটীয়াভাৱেও কৰিব পাৰি অথবা গোট বান্ধিও কৰিব পাৰি। সেই কাৰণে কোনেও লগ বিচাৰি বৈ থকাৰ প্ৰয়োজন নাই। তথাপি, নিজ নিজ অঞ্চলত স্বাভাৱিকতে সঙ্গী বিচাৰিব আৰু স্থানীয় বাহিনী গঠন কৰি ল'ব।

(৫) শান্তিৰ এই দূতজনে ব্যক্তিগত সেৱাৰ দ্বাৰা স্থানীয় লোকসকলৰ লগত অথবা বছা বছা কিছুমান লোকৰ লগত যোগাযোগ স্থাপন কৰিব যাতে কোনো অশোভনীয় পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ গৈ সংঘৰ্ষত লিপ্ত মানুহবোৰৰ মাজত সম্পূৰ্ণ অপৰিচিত হৈ সন্দেহৰ পাত্ৰৰূপে বা অশ্ৰদ্ধেয় আগন্তুকৰূপে পৰিগণিত নহয়।

(৬) এই কথা নকলেও হব যে শান্তি আনয়নকাৰী লোকজনৰ চৰিত্ৰ অনিন্দনীয় হব লাগিব আৰু দৃঢ়ভাৱে নিৰপেক্ষ বুলি তেওঁৰ খ্যাতি থাকিব লাগিব।

(৪) সাধাৰণতে আগন্তুক ধুমুহাৰ সতৰ্কতাসূচক জাননী আগতেই পোৱা

যায়। এই জাননী পালে, শান্তি-বাহিনীয়ে সংঘৰ্ষৰ জুই জলি উঠালৈকে বৈ নাথাকি আগতীয়াকৈ পৰিস্থিতি আয়ত্ত কৰিবলৈ যত্নপৰ হ'ব।

(৮) এই আন্দোলনে প্ৰসাৰ লাভ কৰিলে কিছুমান পূৰ্ণকালিক কৰ্মী হলে ভাল যদিও হোৱাটো একান্ত অপৰিহাৰ্য্য নহয়। কথা হৈছে যিমান সংখ্যক সম্ভৱ সাধু আৰু প্ৰকৃত পুৰুষ আৰু তিৰোতা হলে ভাল। যিসকলৰ মানুহে জীৱনৰ বিভিন্ন ক্ষেত্ৰত কাম কৰি আছে, অথচ যিসকলৰ নিজৰ নিজৰ সামাজিক গোষ্ঠীত বন্ধুভাৱ কৰ্ষণ কৰিবলৈ আহৰি আছে আৰু শান্তি বাহিনীৰ সভ্য হোৱাৰ উপযোগী আন আন অৰ্হতা আছে তেনে লোকৰ মাজৰ পৰা স্বেচ্ছাসেৱক সংগ্ৰহ কৰিব পাৰিলেহে এনে লোক পোৱা যাব।

(৯) প্ৰস্তাৱিত শান্তি বাহিনীৰ সভ্যসকলৰ কাৰণে বিশেষ সাজ পাৰ থাকিব লাগিব যাতে সময়ত তেওঁলোকক অকণো অসুবিধা নোহোৱাকৈ চিনিব পৰা হয়।

এইবোৰ কেৱল সাধাৰণ পৰামৰ্শ। প্ৰত্যেক কেন্দ্ৰই ইয়াৰ্ত দিয়া পৰামৰ্শৰ ভেটিত নিজৰ নিজৰ বিধান ৰচনা কৰি লব পাৰে।

মই কৰ্ম্মীসকলক সতৰ্ক কৰি দিওঁ যে তেওঁলোকে যেন শান্তিবাহিনী সংগঠন কৰাত মই সক্ৰিয় অংশ গ্ৰহণ কৰিব পাৰিম বুলি মিছা আশা পোষণ নকৰে। ইয়াৰ কাৰণে মোৰ স্বাস্থ্য, শক্তি আৰু সময় নাই। যি কামৰ প্ৰতি পিঠি দিবলৈ মোৰ সাহস নাই তাৰেই ভাৰ বহন কৰিবলৈ মই যথেষ্ট টান পাইছোঁ। চিঠি পত্ৰৰ যোগেদি অথবা বাতৰি কাকতৰ স্তম্ভৰ মাজেদি মই কেৱল বাট দেখুৱাই দিব পাৰোঁ আৰু পৰামৰ্শ আগ বঢ়াব পাৰোঁ। গতিকে, যিসকলৰ এই ভাৱৰ প্ৰতি শ্ৰদ্ধা আছে আৰু সামৰ্থ্য থকা বুলি অনুভৱ কৰে, তেওঁলোকে নিজেই আগৰণুৱা হৈ ওলাওক। মই জানো, প্ৰস্তাৱিত বাহিনীৰ বিৰাট সম্ভাৱনা আছে আৰু ইয়াৰ গুৰিত থকা কল্পনাক বাস্তৱত পৰিণত কৰিব পাৰি।

হৰিজন, ১৮-৬-১৯৩৮

[৫৮]

অতি গুৰুত্বপূৰ্ণ প্ৰশ্ন

ড কালিদাস নাগক সাংস্কৃতিক কাৰ্য্য উপলক্ষে প্ৰায়ে বিদেশলৈ আমন্ত্ৰণ কৰা হয়। অলপতে তেওঁ জাহাজেৰে অষ্ট্ৰেলিয়ালৈ যাব। কলিকতালৈ যাবলৈ আহি তেওঁ ইয়াত উপস্থিত হয়। তেও কৈছিল—"মই যলৈকে গৈছোঁ, আনকি ভুলকৈ 'প্ৰশান্ত মহাসাগৰীয়' অঞ্চল বোলা সেই ঠাইতো অহিংসাৰ প্ৰশ্নটোৱে আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰশ্ন। তথাপি ই কেৱল প্ৰশ্নই মাত্ৰ বা সন্দেহৰ বিষয় মাত্ৰ, অৱশ্যে, ইমান দিনে হিংসাৰ অস্ত্ৰেৰে তেওঁলোকে যি ভঁৰাল বান্ধিলে তাৰ দ্বাৰা তেওঁলোকৰ মুক্তিলাভ নহব এই সন্দেহেই যথেষ্ট। কিন্তু, আনহাতে তেওঁলোকে আকৌ সোধে ব্যাপক পুৰুষত্বহীনতাৰ কাৰণে বৌদ্ধ ধৰ্ম্মই জানো দায়ী নহয়? আৰু, অহিংসাৰ যি শক্তিয়ে নাথাকক, প্ৰতিৰক্ষাৰ অস্ত্ৰ হিচাপে ই জানো অসম্ভৱ নহয়?"

গান্ধীজীয়ে সুধিলে—"আপুনি এই প্ৰশ্নবোৰৰ উত্তৰ মোৰ পৰা বিচাৰিছে নে আপুনি নিজেই তাৰ উত্তৰ দিছে?"

"মই মোৰ ঐতিহাসিক দৃষ্টিভঙ্গীৰে সেইবোৰৰ উত্তৰ দি আহিছোঁ, কিন্তু মই আপোনাৰ উত্তৰ বিচাৰিছোঁ কাৰণ সেই উত্তৰ বেছি সত্য হব। মই তেওঁলোকক বুজাই দিবলৈ চেষ্টা কৰিছোঁ যে ওপৰে ওপৰে চালে যদিও যুদ্ধ, ধৰ্ম্মযুদ্ধ আদি চলি আহিছে তথাপি সমগ্ৰ ইতিহাসৰ মাজেদি এটা অহিংসাৰ অন্তঃস্ৰোত মানুহৰ চকুত পৰাকৈ প্ৰবাহিত হৈ আহিছে। কিন্তু মই আকৌ গলে আপুনি দিয়া উত্তৰ তেওঁলোকক জনাব পাৰিম।"

অলপ পৰ বৈ গান্ধীজীয়ে কলে—"দেখক, ভাৰতবৰ্ষত প্ৰকৃত কাৰ্য্যক্ষেত্ৰত ইয়াৰ উত্তৰ দিয়া হব ধৰিছে। চীন আৰু জাপানৰ উদাহৰণ দাঙি ধৰাৰ সকাম নাই। যদি ইয়াৰ উত্তৰ পাবই লাগিব, ভাৰতবৰ্ষই একমাত্ৰ ঠাই যত সেই উত্তৰ পাব পাৰি। ইয়াৰ অভিজ্ঞতা বৰ উৎসাহজনক। বৌদ্ধিকভাৱে অৱশ্যে আনকি পশ্চিমতো ভালেমান লোকে হিংসাৰ ব্যৰ্থতাৰ কথা স্বীকাৰ কৰিবলৈ ধৰিছে আৰু শেষত অহিংসাকে পৰীক্ষামূলকভাৱে, প্ৰয়োগ কৰিব পাৰি নেকি এই চিন্তা কৰিব ধৰিছে। ড ষ্টেন্‌লি জোনচে 'চীনৰ অশান্তিৰ গান্ধীবাদী মীমাংসা' শীৰ্ষক তেওঁ অলপতে লিখা প্ৰবন্ধ এটাৰ নকল এটা মোলৈ পঠিয়াইছে, কৃতকাৰ্য্যভাৱে গ্ৰহণ কৰিব পৰা নানা প্ৰকাৰ অসহযোগ সম্পৰ্কে

তেওঁ চিন্তাপূৰ্ণ আলোচনা কৰিছে। এনে এটা সময় আছিল যেতিয়া ড. জোন্‌চে অসহযোগৰ ওপৰত তেনে বিশ্বাস স্থাপন কৰা নাছিল, কিন্তু এতিয়া তেওঁ আন্তৰিকভাৱে অহিংস সমাধান হিচাপে অসহযোগৰ পৰামৰ্শ আগ বঢ়াইছে আৰু শান্তিৰ প্ৰচাৰ কৰিবলৈ ইউৰোপলৈ যাবলৈ মোক টানি অনুৰোধ জনাইছে। কিন্তু ভাৰতত মোৰ কাম অপূৰ্ণ হৈ থাকে মানে মই শান্তিৰ উদ্দেশ্য লৈ ইউৰোপলৈ যোৱাটো ব্যৰ্থ প্ৰয়াস হব। ভাৰতবৰ্ষত অহিংসাই ভালেখিনি গা কৰি উঠাটো সচা হলেও বাহিৰৰ লোক এজনৰ কাৰণে, তাতে এজন সমালোচকৰ কাৰণে ইয়াৰ বেছি মূল্য হোৱা নাই।"

"মহাত্মাজী, আপুনি যে কৈছে ইয়াৰ উত্তৰ দিয়া হব ধৰিছে এই কথা শুদ্ধ, আৰু আমাৰ দেশৰ আকাৰৰ জোখাই যদি ইয়াৰ উত্তৰ দিয়া হয় ই অতি ফলদায়ক হ'ব। কাৰণ, তেওঁলোকে বৌদ্ধিকভাৱে হলেও অহিংসা আৰু অসহযোগ যে গ্ৰহণ কৰিছে তাৰ মূলত আছে এটা নিজক অলপ তললৈ নমোৱাৰ ভাব।"

গান্ধীজীয়ে কলে, "যি বস্তু প্ৰকৃতপক্ষে আত্মাৰ তাক বুদ্ধিৰ দ্বাৰা শিক্ষা দিয়াটো কেতিয়াও সম্ভৱ নহয়। ই ঠিক বুদ্ধিৰে ঈশ্বৰত বিশ্বাস জন্মাবলৈ চেষ্টা কৰাৰ দৰে। ই হব নোৱাৰে, কাৰণ দৰাচলতে ই হৃদয়ৰ বস্তু। অভিজ্ঞতাৰ যোগেদি বিশ্বাসক জ্ঞানত পৰিণত কৰিব পাৰি, বিশ্বাস কেৱল হৃদয়ৰ মাজেদিহে আহিব পাৰে, বুদ্ধিৰ মাজেদি নহয়। বিশ্বাস সম্পৰ্কীয় কথাত, বুদ্ধিয়ে যদি কিবা কৰে, বাধাৰ হে সৃষ্টি কৰে।

হৰিজন ১৮-৬-১৯৩৮ ম দে

[৫৯]

চীনলৈ বাণী

অধ্যাপক তাওৱে চীনৰ অধিবাসীসকললৈ গান্ধীজীৰ বাণী এটা লৈ নোযোৱাকৈ নাযায়। তেওঁ কৈছিল যে অহিংসাৰ বাণী এটা হলেও তেওঁ তাকে সাদৰে বহন কৰি নিব, কিয়নো চীনাসকল অহিংসাৰ প্ৰতি বিৰাগ নহয়। তেওঁলোক বৰ্তমানে আত্মৰক্ষাৰ যুদ্ধত লিপ্ত হৈ পৰিছে কিন্তু আন বিষয়ত তেওঁলোকে অহিংস নীতিকেই পালন কৰে। তেওঁলোকে কেতিয়াও অসামৰিক লোকক স্পৰ্শ নকৰে। জাপানী লোকৰ বিৰুদ্ধে তেওঁলোকৰ কোনো

শত্ৰুতা নাই। যে মাহৰ ২০ তাৰিখে চীনা বিমান জাপানৰ চহৰবিলাকৰ ওপৰেদি উৰি গৈছে। জাপানে ইমানবোৰ চীনৰ বন্দৰ ধ্বংস কৰাৰ প্ৰতিশোধ লোৱা হিচাপে চীনা বিমানেও জাপানীলোকৰ ওপৰত ধ্বংসলীলা আৰু নিধনপৰ্ব্ব প্ৰসাৰিত কৰিব সহজে পাৰিলেহেঁতেন। কিন্তু বোমাবৰ্ষণ কৰাৰ পৰিবৰ্ত্তে তেওঁলোকে যুদ্ধৰ অপকাৰ আৰু অন্যায় সম্পৰ্কে প্ৰস্তুত কৰা পুস্তিকা আৰু প্ৰচাৰ পত্ৰহে বৰ্ষণ কৰিছিল। এইটো এটা অপূৰ্ব্ব ঘটনা আছিল আৰু ডাক্তৰ কুঙে কোৱাৰ দৰে "আমি অকল মানৱতাৰ খাতিৰত এই কামৰ পৰা বিৰত আছিলোঁ। আমাৰ শত্ৰু জাপানীলোকসকল নহয়, জাপানী সামৰিক বাহিনীহে আমাৰ শত্ৰু।" অধ্যাপক তাওৱে কৈছিল যে এই ক্ষেত্ৰতো তেওঁলোকে অহিংসা নীতিকে পালন কৰিছিল।

তাৰ উত্তৰত গান্ধীজীয়ে লিখিছিল, "কিন্তু প্ৰকৃত বিপদ আহিলে এই স্ব নিয়োজিত সংযম নাথাকিব। তেতিয়া প্ৰলোভন ৰোধ কৰা টান হ'ব। মই অলপো আচৰিত নহম। ই অৱশ্যম্ভাবী। যুদ্ধত প্ৰেম নাই। আমি এই সিদ্ধান্তলৈ আহিবই লাগিব যে হয় সম্পূৰ্ণ অহিংস হব লাগিব নাইবা অমিশ্ৰ হিংসা হব লাগিব এয়ে যথেষ্ট বাণী নহব নে?" অধ্যাপক তাওৱে গান্ধীজীক কোনো এটা সময়ত তেওঁলোকৰ মাজত পাবলৈ চীনাসকলে আশা কৰিব নোৱাৰেনে বুলি সুধিলে।

গান্ধীজীয়ে লিখি পঠালে—"মই আপোনালোকৰ দেশলৈ প্ৰায় গৈছিলোঁৱেই, কিন্তু গণ্ডগোল লগাৰ কাৰণে যিসকলে মোক আমন্ত্ৰণ কৰিছিল তেওঁলোকেই মোক যাবলৈ বাধা দিব লগা হ'ল। মোৰ জীৱদ্দশাতে আপোনালোকৰ দেশত শান্তি বিৰাজ কৰা চাবলৈ আশা কৰোঁ। আপোনা লোকৰ মহান দেশখন কোনো এসময়ত চাবলৈ পালে তাতকৈ আন একোৱে মোক বেছি আনন্দ দিব নোৱাৰে।"

হৰিজন ২৭ ৮ ১৯৩৮ ম দে

[৬০]

যুক্তিযুক্ত পৰিণতি

সম্প্ৰতি যুদ্ধৰ বিভীষিকা আঁতৰা যাবে নিশ্চয় সকলোৱে সুখ পাব। ইয়াৰ বাবে দিয়া মূল্য অতি বেছি হ'ল নেকি? ইয়াৰ বাবে সম্মান বিক্ৰি*

কৰা হৈছে যেন লাগে নেকি? ই সংগঠিত হিংসাৰ বিজয় নেকি? হেৰ হিটলাৰে হিংসা সংগঠন কৰাত কিবা এটা নতুন কৌশল উদ্ভাৱন কৰিছে নেকি যাৰ দ্বাৰা কোনো ৰক্তক্ষয় নকৰাকৈয়ে তেওঁৰ উদ্দেশ্য সিদ্ধি কৰিব পাৰে।

মই ইউৰোপৰ ৰাজনীতি জানো বুলি কব নোৱাৰো। কিন্তু মোৰ এনে যেন লাগিছে যে ইউৰোপত সৰুসুৰা জাতিবোৰে উন্নত শিৰে বৰ্ত্তি থাকিব নোৱাৰে। তেওঁলোক নিশ্চয় বৃহৎ প্ৰতিবেশীৰ গ্ৰাসত সোমাই পৰিব। তেওঁলোক নিশ্চয় তলতীয়া দাস হিচাপে থাকিব লাগিব।

সাতদিন পৃথিবীত বাচি থাকিবৰ বাবে ইউৰোপে আত্মা বিক্ৰি কৰিলে। মিউনিকত ইউৰোপে লাভ কৰা শান্তি হিংসাৰেই বিজয় আৰু আনহাতে ইয়াৰ পৰাজয়ো। যদি ইংলণ্ড আৰু ফ্ৰান্সে তেওঁলোকৰ জয় সুনিশ্চিত বুলি ভাবিলেহেতেন তেওঁলোকে নিশ্চয় জেকোশ্লোভেকিয়াক ৰক্ষা কৰাৰ কৰ্ত্তব্য পালন কৰিলেহেতেন নাইবা সেই দেশৰ লগতে মৰিলেহেতেন। কিন্তু তেওঁলোক জাৰ্ম্মানি আৰু ইটালিৰ যুটীয়া হিংসাৰ আগত ভয়ত লেতু সেতু হৈ পৰিল। কিন্তু জাৰ্ম্মানি আৰু ইটালিয়েই বা কি লাভ কৰিলে? বিশ্বৰ মানৱ জাতিৰ বাবে কিবা নৈতিক সম্পদ তেওঁলোকে বঢ়ালে নে?

এই কথাখিনি লিখোঁতে মই বৃহৎ শক্তি কেইটাৰ কথা চিন্তা কৰা নাই। তেওঁলোকৰ উচ্চতাই মোৰ চকুক চমক লগাইছে। জেকোশ্লোভেকিয়াই মোৰ বাবে আৰু ভাৰতবাসী আমাৰ সকলোৰে বাবেই এটা শিক্ষনি। মিত্ৰশক্তিৰ শক্তিশালী এই দুই দেশে তেওঁলোকক এৰি দিয়াৰ পিছত জেকোশ্লোভেকিয়াই ইয়াৰ অন্যথা একো কৰিব নোৱাৰিলেহেতেন। কিন্তু তথাপি এই কথা মই জোৰেৰে কব পাৰোঁ যে যদি জেকোশ্লোভেকিয়াই জাতীয় সন্মান ৰক্ষাৰ বাবে অহিংসাক প্ৰতিৰক্ষাৰ অস্ত্ৰ হিচাপে ললেহেতেন তেন্তে জাৰ্ম্মানি আৰু ইটালিৰ সমস্ত শক্তি তাত প্ৰয়োগ কৰিলেহেতেন। তেওঁলোকে ইংলণ্ড আৰু ফ্ৰান্সক এই শান্তিৰ বাবে—যি শান্তি কোনো শান্তিয়েই নহয়—প্ৰাৰ্থনা কৰা অৱমাননাৰ পৰা ৰক্ষা কৰিব পাৰিলেহেতেন আৰু নিজৰ সন্মান ৰক্ষাৰ বাবে এই দস্যুইতৰ এটোপা তেজো ক্ষয় নকৰাকৈ তেওঁলোকে নিজে নিঃশেষ হৈ মৃত্যুবৰণ কৰিব পাৰিলেহেতেন। এনে সাহসিকতা, বা সংযমো বুলিব পাৰি, মনুষ্য প্ৰকৃতিৰ ঊৰ্দ্ধত বুলি কোৱা কথা মই মানি নলওঁ। মনুষ্য হবলৈ হ'লে যে পাশৱিকতা, আৰু পশুসম নিষ্ঠুৰতা বৰ্জ্জন কৰিব লাগে এই

কথা সম্পূৰ্ণকৈ উপলব্ধি কৰিলেই মানুহে নিজতে মনুষ্য প্ৰকৃতি বিচাৰি পাব। আমাৰ যদিও মানুহৰ আকৃতি আছে অহিংসা গুণ আয়ত্ত নকৰালৈকে আমি এতিয়াও আমাৰ দূৰবৰ্ত্তীখ্যাত পূৰ্ব্বপুৰুষ ওৰাংউতাঙৰ স্বভাৱ বা লক্ষণৰ ভাগ লৈয়েই আছোঁ।

মই এইবোৰ অলস কথা লিখা নাই। জেক সকলে এই কথা উপলব্ধি কৰক যে তেওঁলোকৰ নিয়তি নিৰ্ণীত হোৱা সময়ত কংগ্ৰেছ কাৰ্য্যপালিকাই দুখত বিমৰ্ষ হৈছিল। এই দুখ একহিচাপে স্বাৰ্থপৰতা উদ্ভূতই আছিল। কিন্তু সেই কাৰণেই ই বেছি বাস্তৱ আছিল। যদিও জনসংখ্যাৰ ফালৰ পৰা আমি এটা ডাঙৰ জাতি, ইউৰোপৰ দৃষ্টিৰে অৰ্থাৎ সংগঠিত বৈজ্ঞানিক হিংসাৰ ফালৰ পৰা আমি জেকোশ্লোভেকিয়াতকৈও সৰু। আমাৰ স্বাধীনতা অকল ভীতিগ্ৰস্তই হোৱা নাই, আমি তাৰ পুনৰুদ্ধাৰৰ বাবে সংগ্ৰাম কৰি আছোঁ। জেকসকল অস্ত্ৰশস্ত্ৰেৰে সম্পূৰ্ণ সজ্জিত, আমি সম্পূৰ্ণ নিৰস্ত্ৰ। সেই কাৰণেই কমিটীয়ে আলোচনা কৰিলে জেকসকললৈ চাই তেওঁলোকৰ অৱস্থা কি হব, যদি যুদ্ধৰ ভাৰৰ আমাৰ ওপৰত বিস্ফোৰিত হয় তেন্তে কংগ্ৰেছৰ কৰ্ত্তব্য কি হব। আমি আমাৰ স্বাধীনতাৰ বাবে ইংলণ্ডৰ লগত দৰদাম কৰিম আৰু তাৰ দ্বাৰাই দেখাত জেকোশ্লোভেকিয়াক মিত্ৰ কৰি লোৱা যেন লাগিব পাৰে, নাইবা আমাৰ ঘোষিত অহিংসাৰ মতত থামোচ মাৰি ধৰি থাকিম আৰু আমাৰ পৰীক্ষাৰ মুহূৰ্ত্ততো আমি নিষ্পেষিত আৰু অৱদমিত মানৱতাৰ বাবে কম নেকি যে আমাৰ গৃহীত মতানুযায়ী আমি এই যুদ্ধত কেতিয়াও সহযোগ কৰিব নোৱাৰোঁ, যদিও এই যুদ্ধ দেখাত কোনো অপৰাধ নথকাতো তাৰ অস্তিত্বকে ভীতিগ্ৰস্ত কৰা জেকোশ্লোভেকিয়াৰ প্ৰতিৰক্ষা কৰিবলৈ ওলোৱা যেন দেখুৱাইছে? ৱৰ্কিং কমিটী প্ৰায় এই সিদ্ধান্তত উপনীত হৈছে যে কংগ্ৰেছে ইংলণ্ডৰ লগত স্বাধীনতাৰ প্ৰশ্নলৈ দৰদাম কৰিবলৈ এই সুযোগ গ্ৰহণ নকৰে, কিন্তু বিশ্বশান্তিৰ বাবে জেকো-শ্লোভেকিয়াৰ প্ৰতিৰক্ষাৰ বাবে আৰু ভাৰতৰ স্বাধীনতাৰ বাবে বৰঙণি হিচাপে এই কথা দৃঢ়তাৰে আৰু কামৰ দ্বাৰাই বিশ্বৰ আগত ঘোষণা কৰিব যে সন্মান সংযুক্ত শান্তিৰ পথ নিৰপৰাধী লোকৰ হত্যাৰ অবিয়া অৰিত নাই, সুসংগঠিত অহিংসাৰ অনুশীলন আৰু মৃত্যুবৰণ কৰিব লগা হলেও অহিংসাৰ প্ৰকৃত অনুশীলনতহে এই শান্তিৰ পথ নিহিত হৈ আছে। যদি নিজ মতবাদত বিশ্বাস ৰাখে তেন্তে এই সিদ্ধান্তই ৱৰ্কিং কমিটীৰ যুক্তিযুক্ত আৰু স্বাভাৱিক পদক্ষেপ হ'ব, ইয়াৰ অন্যথা হব নোৱাৰে। যদি ভাৰতবৰ্ষই অহিংসাৰ যোগেদি

স্বাধীনতা অৰ্জ্জন কৰিব পাৰে, আৰু কংগ্ৰেছ কৰ্ম্মীয়ে এই কথা বিশ্বাস কৰিয়েই আহিছে, তেন্তে সেই একে উপায়েৰেই স্বাধীনতা সংৰক্ষণ কৰিবও পাৰিব। সেই একে যুক্তিতেই জেকোশ্লোভেকিয়াৰ দৰে সৰু সৰু জাতিৰ ক্ষেত্ৰতো সেই একে সত্য প্ৰযোজ্য।

যদি সচাসচিকৈয়ে যুদ্ধ সংগঠিত হ'লহেঁতেন তেতিয়া ৱৰ্কিং কমিটীয়ে কি ব্যৱস্থা ললেহেঁতেন মই নাজানো। কিন্তু যুদ্ধ স্থগিত ৰখা হৈছে মাত্ৰ। এই মাজৰ উশাহ লোৱা সময়খিনিতে মই জেকসকলক মোৰ অহিংসাৰ নীতি গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিওঁ। তেওঁলোকৰ ভাগ্যত কি আছে তেওঁলোকে এতিয়াও নাজানে। অহিংসাৰ পথ লৈ তেওঁলোকে একো হেৰুৱাব লগা নহয়। ৰিপাব্লিকান স্পেইনৰ ভাগ্য অনিশ্চয়তাত দোদুল্যমান। চীনৰো একে দশা। যদি অন্তিম পৰিণতিত তেওঁলোকে সকলো হেৰুৱাব লগাত পৰে তেওঁলোকৰ সেই অৱস্থা হ'ব তেওঁলোক ধ্বংস কাৰ্য্যত বিশেষ পটু নহয় বাবে নাইবা তেওঁলোকৰ মনত দৃঢ় নিশ্চয়তা নাই বাবেহে, তেওঁলোকৰ পক্ষত যে ন্যায় নাই সেই বাবে নহয়। যদি ফ্ৰেঙ্কোৰ সম্বল থাকিলহেঁতেন তেন্তে ৰিপাব্লিকান স্পেনে কি পালেহেঁতেন, নাইবা যদি জাপানৰ দৰে যুদ্ধকৌশল থাকিলহেঁতেন তেন্তে চীনে কি লাভ কৰিলেহেঁতেন, নাইবা যদি হেৰ হিটলাৰৰ ৰণকৌশল জেকোশ্লোভেকিয়াৰ থাকিলহেঁতেন তেন্তে জেকোশ্লোভেকিয়াই বা কি লাভ কৰিলেহেঁতেন? যদি এজন লোকো বাচি থকালৈকে সকলো পৰিস্থিতিৰ সন্মুখীন হৈ যুদ্ধ কৰি কৰি মৃত্যুবৰণ কৰা সাহসিকতাৰ কথা হয় তেন্তে মই কম যে আক্ৰমণকাৰীৰ ওচৰত সেও মানিবলৈ অস্বীকাৰ কৰা আৰু যুদ্ধ কৰিবলৈ অস্বীকাৰ কৰা কাৰ্য্য আৰু বেছি সাহসিকতাৰ কথা। যদি দুয়ো পৰিস্থিতিতেই মৃত্যু নিশ্চিতেই তেন্তে অন্তৰত শত্ৰুৰ প্ৰতি কোনো বিদ্বেষ বা ঘৃণা নোহোৱাকৈ বুকু উদঙাই দি মৃত্যুবৰণ কৰা অধিকতৰ মহত্বপূৰ্ণ কাম নহয় নে?

হৰিজন, ৮-১০-১৯৩৮

[৬১]

মই যদি এজন জেক হলোঁহেতেন

হিটলাৰৰ লগত কৰা ব্যৱস্থাক যদিও মই 'সম্মান বিহীন শান্তি' বুলিছো, ব্রিটিছ বা ফ্রান্সৰ ৰাজনীতিবিদসকলৰ প্ৰতি মই কোনো কটাক্ষপাত কৰা নাই। মোৰ কোনো সন্দেহ নাই যে মিস্টাৰ চেম্বাৰলেনে ইয়াতকৈ আন কোনো ভাল ব্যৱস্থা চিন্তা কৰিব নোৱাৰিলেহেতেন। তেওঁ তেওঁৰ দেশৰ শক্তিৰ সীমিত অৱস্থা জানে। যুদ্ধ বন্ধ কৰিব পাৰিলেই বন্ধ কৰাত তেওঁ আগ্ৰহশীল। যুদ্ধত প্ৰবৃত্ত হোৱাৰ বাহিৰে জেকসকলৰ পক্ষ লৈ যি কৰিব পাৰি তেওঁ সকলো শক্তি প্ৰয়োগ কৰিছে। জেকোশ্লোভেকিয়াৰ সম্মান ৰক্ষা কৰিব নোৱাৰাটো তেওঁৰ অপৰাধ নহয়। হেৰ হিটলাৰ বা চীনৰ মুছোলিনিৰ লগত সংঘৰ্ষ হ'লে প্ৰতিবাৰেই এনে অৱস্থাই হ'ব।

ইয়াৰ অন্যথা হ'ব নোৱাৰে। গণতন্ত্ৰই ৰক্তপ্লাৱন ভয় কৰে। এই দুজন একনায়কত্ববাদী যি দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত সেই দৰ্শনে হত্যাকাণ্ডৰ পৰা বিৰত থকাক কাপুৰুষালি বুলি অভিহিত কৰে। সংগঠিত হত্যালীলাৰ সমৰ্থনত তেওঁলোকে কাব্যিক কলা উজাৰ কৰি দিয়ে। তেওঁলোকৰ কথা আৰু কামত কোনো প্ৰতাৰণা নাই। যুদ্ধৰ বাবে তেওঁলোক সৰ্ব্বদা প্ৰস্তুত। জাৰ্মানি বা ইটালিত তেওঁলোকৰ বাটত হেঙাৰ দিওঁতা কোনো নাই। তেওঁলোকৰ কথাই বিধান। মিস্টাৰ চেম্বাৰলেন বা মছিও ডালাডিয়াৰৰ কথা বেলেগ। তেওঁলোকৰ পাৰ্লিয়ামেণ্ট আৰু চেম্বাৰ্চক সন্তুষ্ট কৰিব লাগে। আলোচনা-বিলোচনা কৰিবলৈ তেওঁলোকৰ ৰাজনৈতিক দল আছে। গণতন্ত্ৰৰ ভাষা ভাষী হবলৈ হ'লে তেওঁলোকে নিৰন্তৰ যুদ্ধ-প্ৰস্তুতিত গা ঢালি দি থাকিব নোৱাৰে।

যুদ্ধবিজ্ঞানে পুৰাপুৰিভাৱে একনায়কত্ববাদলৈ গতি কৰায়। অহিংসা বিজ্ঞানেহে কেৱল শুদ্ধ গণতন্ত্ৰত উপনীত কৰাব পাৰে। ইংলণ্ড, ফ্ৰান্স আৰু আমেৰিকাই তেওঁলোকৰ পথ বাছি লব লাগিব এই দুজনা একনায়কত্ব-বাদীৰ এয়ে প্ৰত্যাহ্বান।

বৰ্ত্তমান মুহূৰ্ত্তত ৰুছিয়া এই ক্ষেত্ৰৰ বাহিৰত ৰুছিয়াৰ একনায়কত্ববাদী জনে শান্তিৰ সপোন দেখে আৰু তেওঁ ভাবে যে এই শান্তিৰ লক্ষ্যত উপনীত হবলৈ তেওঁ ৰক্তসাগৰৰ মাজেৰে পথ অতিক্ৰম কৰিব। বিশ্বৰ কাৰণে ৰুছিয়াৰ একনায়কত্ববাদে কি ভূমিকা কেতিয়া লয় কোনোৱে কব নোৱাৰে।

জেকসকলৰ প্ৰতি আৰু তেওঁলোকৰ ভৱিষ্যতে বিশ্বৰ সকলো সৰু বা দুৰ্ব্বল জাতিৰ প্ৰতি মোৰ বক্তব্য ব্যক্ত কৰাৰ আগতে এই ভূমিকাখিনিৰ প্ৰয়োজন আছে বুলি বোধ কৰিছোঁ। জেকসকলৰ দুৰ্দ্দশাই মোৰ শৰীৰ আৰু মন দুয়োকো পীড়িত কৰিছে আৰু মোৰ অন্তৰত ওমৰি উঠা চিন্তাধাৰাৰ তেওঁলোককো ভাগী নকৰাটো মোৰ বাবে কাপুৰুষালি হ'ব বুলি ভাবিয়েই জেকসকলকে মই এইখিনি কবলৈ শুনাইছোঁ। এইটো স্পষ্ট হৈ পৰিছে যে সৰুসুৰা জাতিসমূহে নিশ্চয় এই একনায়কত্ববাদীসকলৰ আশ্ৰয়লৈ আহিব লাগিব, নাইবা আহিবৰ বাবে সাজু হ'ব লাগিব। অন্যথা ই ইউৰোপৰ শান্তিৰ সদায় অন্তৰায় হৈ থাকিব। বিশ্বৰ সকলো সদিচ্ছা থকা সত্ত্বেও ইংলণ্ড আৰু ফ্ৰান্সে তেওঁলোকক ৰক্ষা কৰিব নোৱাৰিব। তেওঁলোকৰ হস্তক্ষেপে মাত্ৰ আগেয়ে নোহোৱা বা নেদেখা ৰক্তক্ষয় আৰু ধ্বংসৰ হে সূচনা কৰিব। গতিকে মই এজন জেক হোৱা হ'লে মোৰ দেশৰ প্ৰতিৰক্ষাৰ দায়িত্বৰ পৰা এই দুখন দেশক অব্যাহতি দিলোহেঁতেন। কিন্তু তথাপি মই বাচি থাকিব লাগিব। মই কোনো জাতিৰ বা কোনো ব্যক্তিৰ বশ্যতা স্বীকাৰ নকৰোঁ। হয় মোৰ পূৰ্ণ স্বাধীনতা থাকিব লাগিব নাইবা মই শেষ হৈ যাম। অস্ত্ৰেৰে জিকিবলৈ আশা কৰাটো বা বা পোৱা দুৰাশাহে হ'ব। কিন্তু যদি মোৰ স্বাধীনতা অপহৰণ কৰিবলৈ অহা জনৰ শক্তিক বিৰোধ কৰি সৈমান হবলৈ অস্বীকাৰ কৰোঁ আৰু সেই প্ৰচেষ্টাত যদি নিৰস্ত্ৰ হৈ মই নিঃশেষ হৈ যাওঁ সি তেনে অবাস্তৱ দুৰাশা হ'ব নোৱাৰে। তেনে কৰোঁতে মোৰ দেহাৰ বিলুপ্তি ঘটিলেও মোৰ আত্মা অৰ্থাৎ মোৰ সম্মান ৰক্ষা পৰিব।

এই অসম্মানজনক শান্তিয়েই মোৰ সুযোগ হ'ব লাগে। মই এই অৱমাননাৰ মাজেদিয়েই জীয়াই থাকিব লাগিব। আৰু প্ৰকৃত স্বাধীনতা পাব লাগিব।

কিন্তু এজনে সান্ত্বনাৰ সুৰত কয়, "হিটলাৰে দয়া মায়া নাজানে। আপোনাৰ আধ্যাত্মিক প্ৰচেষ্টা তেওঁৰ ওচৰত ব্যৰ্থ হব।"

মোৰ উত্তৰ হ'ল "আপুনি হয়তো ঠিকেই কৈছে। অহিংস প্ৰতিৰোধৰ পন্থা গ্ৰহণ কৰা কোনো জাতিৰ কথা বুৰঞ্জীত পোৱা নাযায়। মোৰ কষ্ট ভোগতো যদি হিটলাৰ অবিচলিত থাকে তাত কোনো কথা নাই। কাৰণ মই বিশেষ একোকে নেহেৰুৱাওঁ। মোৰ সম্মানেই একমাত্ৰ বস্তু যাক মই সযত্নে ৰক্ষা কৰিব লাগে, ই হিটলাৰৰ দয়াৰ ওপৰত নিৰ্ভৰ নকৰে। কিন্তু এজন অহিংসাত বিশ্বাসী হিচাপে মই ইয়াৰ সম্ভাৱনাৰ কথা অস্বীকাৰ কৰিব

নোৱাৰোঁ। এতিয়ালৈকে তেওঁ আৰু তেওঁৰ নিচিনাসকলে এনে এটা অপৰিবৰ্ত্তনীয় অভিজ্ঞতা অৰ্জ্জন কৰিছে যে মানুহে শক্তিৰ ওচৰত বশ্যতা স্বীকাৰ কৰে। নিৰস্ত্ৰ মুনিহ তিৰোতা আৰু লৰা ছোৱালীয়ে মনত কোনো তিক্ততা নাৰাখি অহিংস প্ৰতিৰোধ প্ৰদান কৰাটো তেওঁলোকৰ পক্ষে এটা অভিনৱ অভিজ্ঞতা হ'ব। কোনে বুকু ভাঠি কব পাৰে যে মহত্তৰ আৰু সূক্ষ্মতৰ শক্তিৰ আহ্বানত তেওঁলোকৰ অন্তৰ উদ্বেলিত নোহোৱাকৈ থাকিব? তেওঁ-লোকৰো মোৰ দৰেই একে আত্মা আছে।"

কিন্তু আন এজনক আশ্বাসকে কয়, "আপুনি যি কৈছে সি আপোনাৰ পক্ষে যথাৰ্থই হৈছে। কিন্তু আপোনাৰ দেশৰ মানুহে এই অভিনৱ আহ্বানত সঁহাৰি দিব বুলি আপুনি কেনেকৈ আশা কৰিব পাৰে। তেওঁলোকক যুদ্ধ কৰিবলৈ শিকোৱা হৈছে। ব্যক্তিগত বীৰত্বত তেওঁলোক পৃথিবীৰ ভিতৰত অদ্বিতীয়। এতিয়া আপুনি তেওঁলোকক অস্ত্ৰ শস্ত্ৰ দলিয়াই পেলাই অহিংস প্ৰতিৰোধৰ শিক্ষা লবলৈ কোৱাটো মোৰ মানত পণ্ডশ্ৰম যেন লাগিছে।"

"আপোনাৰ কথা সচাও হব পাৰে, কিন্তু মই পোৱা আহ্বানৰ সঁহাৰি দিবই লাগিব। মোৰ দেশৰ লোকৰ মাজত মোৰ বাণী প্ৰচাৰ কৰিবই লাগিব। এই অৱমাননাৰ বোজা মোৰ দুৰ্ব্বহ হৈ উঠিছে। মই, অন্ততঃ, মোৰ ওপৰত প্ৰতিভাত পোহৰৰ ৰেঙনি ধৰি কাৰ্য্যক্ষেত্ৰত আগবাঢ়িব লাগিব।"

মই বিশ্বাস কৰোঁ যে মই যদি এজন জেক হ'লোঁহেতেন এইদৰেই মই কাম কৰিব লাগিলহেতেন। যেতিয়া মই প্ৰথম সত্যাগ্ৰহত অৱতীৰ্ণ হৈছিলোঁ, মোৰ কোনো সঙ্গী নাছিল। আমাৰ অস্তিত্ব নিৰ্ম্মূল কৰি দিব পৰা এটা সমগ্ৰ জাতিৰ বিৰুদ্ধে আমি তেৰ হাজাৰ পুৰুষ, নাৰী আৰু লৰা ছোৱালী আছিলোঁ, মই নাজানিছিলোঁ কোনে মোৰ কথা শুনিব। বিজুলীৰ চিকমিকনিৰ দৰে হঠাৎ এইটো হৈ গল। এই তেৰ হাজাৰ লোকৰ আটাইবোৰে সংগ্ৰামত অৱতীৰ্ণ হোৱা নাছিল। বহুতেই গা এৰা দিলে। কিন্তু জাতিৰ সন্মান ৰক্ষা পৰিল। দক্ষিণ আফ্ৰিকাৰ সত্যাগ্ৰহৰ দ্বাৰা নতুন বুৰঞ্জী ৰচিত হ'ল।

বোধ হয় খানচাহাব আব্দুল গফৰ খানৰ উদাহৰণটো আৰু বেছি সমীচীন হ'ব। তেওঁ নিজকে ঈশ্বৰৰ সেৱক বুলি কয় আৰু পাঠানবিলাকে তেওঁক আফগানৰ গৌৰৱ বুলি কৈ আনন্দ লভে। মই এই কেইশাৰী কথা লিখিবলৈ লওঁতে তেওঁ মোৰ সন্মুখত বহি আছে। তেওঁ তেওঁৰ জাতিৰ বহু হাজাৰ লোকক তেওঁলোকৰ অস্ত্ৰ-শস্ত্ৰ ত্যাগ কৰোৱাইছে। তেওঁ ভাবে যে তেওঁ

অহিংসাৰ শিক্ষা দিব পাৰিছে। তেওঁৰ মানুহবিলাকৰ বিষয়ে তেওঁ নিশ্চিত হব পৰা নাই। তেওঁৰ শান্তিসেনাসকলে গ্ৰহণ কৰা প্ৰতিজ্ঞাটো মই তলত তুলি দিছোঁ। তেওঁৰ মানুহবিলাকে ইয়াত কি কৰিছে তাকে নিজ চকুৰে চাবলৈ মই সীমান্ত প্ৰদেশলৈ আহিছোঁ, বৰঞ্চ তেওঁহে মোক আনিছে। মই আগতীয়াকৈ আৰু এই মুহূৰ্ত্ততে কব পাৰোঁ যে এই মানুহবিলাকে অহিংসাৰ একোকে নাজানে। এই পৃথিবীত তেওঁলোকৰ সকলো সম্পদ হৈছে তেওঁলোকৰ নেতাৰ ওপৰত বিশ্বাস। মই এই শান্তিৰ সেনাবিলাকক প্ৰকৃষ্ট উদাহৰণ বুলি অকণো কব নোখোজোঁ। এজন সৈনিকৰ দ্বাৰা লক্ষৰ সেনাবিলাকক শান্তিৰ পথলৈ পৰিবৰ্ত্তন কৰাৰ এটা সৎ প্ৰচেষ্টা বুলিহে ইয়াক অভিহিত কৰোঁ। মই নিঃসন্দেহে কব পাৰোঁ যে ই এটা সৎ প্ৰচেষ্টা; আৰু শেষত ই কৃতকাৰ্য্যই হয় বা বিফলেই হয়, ভবিষ্যতৰ সত্যাগ্ৰহৰ বাবে ইয়াৰ পৰা শিকনি পোৱা যাব। মোৰ উদ্দেশ্য পূৰ্ণ হব যদি মই এই মানুহবিলাকৰ অন্তৰ চুকি পাওঁ আৰু তেওঁলোকক বুজাবলৈ সমৰ্থ হওঁ যে যদিহে তেওঁলোকৰ অহিংসাই অন্তৰধাৰণ আৰু সেইবিলাকৰ ব্যৱহাৰৰ সামৰ্থ্যতকৈ তেওঁলোকক বেছি সাহিয়াল যেন অনুভৱ কৰাব নোৱাৰে তেনেহলে তেওঁলোকে তেওঁলোকৰ অহিংসা পৰিত্যাগ কৰিব লাগিব। এনে অহিংসা কাপুৰুষালিৰেই আন এটা নামমাত্ৰ। তেওঁলোকেৰ পুনৰায় অস্ত্ৰ গ্ৰহণ কৰা উচিত, ইয়াত বাধা দিবলৈ তেওঁলোকৰ নিজৰ ইচ্ছাৰ বাহিৰে একো নাই।

মই ড' বেনেচক দুৰ্ব্বলৰ নহয় সবলৰ এপাত অস্ত্ৰ উপহাৰ দিছোঁ। যিমানেই ডাঙৰ নহওক, পাৰ্থিব শক্তিৰ ওচৰত নতজানু হবলৈ দৃঢ় অস্বীকাৰ কৰাতকৈ বেছি সাহসিকতাৰ কাম একো হব নোৱাৰে। আৰু সেয়ে কৰিব লাগিব অন্তৰত তিক্ততা নোহোৱাকৈ আৰু অকল আত্মাইহে জীয়াই থাকে, আন একোৱেই নহয়—এই কথাত সম্পূৰ্ণ আস্থা ৰাখি।

পেছোৱাৰ ৬-১০-৩৮

খুদাই খিদমতগাৰৰ প্ৰতিজ্ঞা

প্ৰত্যেক খুদাই খিদমতগাৰে ভৰ্ত্তি হোৱাৰ আগতে চহী কৰা প্ৰতিজ্ঞা পত্ৰখনৰ এটা মুকলি অনুবাদ তলত দিয়া হ'ল।

ঈশ্বৰৰ সমুখত শপত খাই মই ঘোষণা কৰিছোঁ যে

১। মই নিজে সততা আৰু আন্তৰিকতাৰে খুদাই খিদমতগাৰ হিচাপে নাম লিখাব খুজিছোঁ।

২। জাতিৰ সেৱা আৰু দেশৰ স্বাধীনতা লাভৰ হকে ব্যক্তিগত সুখ, ধন সম্পত্তি আৰু আনকি জীৱন পৰ্য্যন্ত বিসৰ্জ্জন দিবলৈও মই সদায় সাজু থাকিম।

৩। মই কোনো দলাদলিৰ মাজত নাথাকিম নাইবা কাৰো লগত কাজিয়া নকৰিম আৰু কাৰো প্ৰতি শত্ৰুভাৱ পোষণ নকৰিম। মই অত্যাচাৰীৰ নিপীড়নৰ পৰা অত্যাচাৰিত জনক সদায় ৰক্ষা কৰিম।

৪। মই আন কোনো সংস্থাৰ সভ্য নহওঁ আৰু অহিংস সংগ্ৰামৰ সময়ত কোনো জামিন নিদিওঁ বা ক্ষমা প্ৰাৰ্থনা নকৰোঁ।

৫। মোৰ ওপৰৰ বিষয়াসকলৰ প্ৰত্যেকটো বৈধ আদেশ মই পালন কৰিম।

৬। অহিংসাৰ নীতি মই সদায় মানি চলিম।

৭। মই গোটেই মানৱ জাতিক সমভাৱে সেৱা কৰিম। মোৰ জীৱনৰ প্ৰধান উদ্দেশ্য হব পূৰ্ণ স্বৰাজ আৰু ধৰ্ম্মীয় স্বাধীনতা লাভ।

৮। মোৰ সকলো কামতে মই সদায় সত্য আৰু পবিত্ৰতা ৰক্ষা কৰিম।

৯। মোৰ সেৱাৰ বাবে মই কোনো পাৰিশ্ৰমিকৰ আশা নকৰোঁ।

১০। মোৰ সকলো সেৱা ঈশ্বৰলৈ উৎসৰ্গা কৰিম, সেইবিলাক পদমৰ্য্যাদা বৃদ্ধি বা মানুহক দেখুৱাবৰ বাবে নহয়।

হৰিজন ১৫ ১ ১৯৩৮

[৬২]

মহিলাসকলৰ বিশেষ মিছন

সম্পাদক ডাঙৰীয়া, হৰিজন

মহাশয়,

ইউৰোপৰ সাম্প্ৰতিক সঙ্কট সম্পৰ্কে আপোনাৰ প্ৰবন্ধকেইটা মই অতি আনন্দেৰে পঢ়িলোঁ। ইউৰোপক উদ্দেশ্য কৰি আপুনি এতিয়া লিখাটো ভাল কথা হৈছে। মানৱতা ধ্বংসৰ মুখত পতিত হবলগীয়া অৱস্থাত আপুনি কেনেকৈ নিজক সংযত কৰি ৰাখিব পাৰে?

প্ৰশ্ন হৈছে, বিশ্বই এই আহ্বান শুনিব নে?

ইংলণ্ডৰ বন্ধুসকলৰ চিঠিবোৰৰ পৰা ধাৰণা হয় যে সেই ভয়াবহ সপ্তাহটোৰ সময়ত তাৰ জনসাধাৰণে অতি উৎকণ্ঠাৰ মাজেদি দিন কটোৱা

সম্পৰ্কে সন্দেহৰ অৱকাশ নাই। মই নিশ্চিত যে সমগ্ৰ বিশ্বৰ ক্ষেত্ৰতো একে কথা প্ৰযোজ্য। চয়তানী কৌশল আৰু পৰিণামত নিষ্ঠুৰ হত্যা আৰু পাশৱিক কাৰ্য্য হ'ল যুদ্ধ আৰু আধুনিক যুদ্ধৰ কৌশল। সেয়ে, যুদ্ধ আৰু আধুনিক যুদ্ধৰ এই লক্ষণবোৰৰ চিন্তাই আগতে কেতিয়াও নভবা কথা ভাবিবলৈ মানুহক বাধ্য কৰালে। এজন ইংৰাজ বন্ধুৱে লিখিছে, "যুদ্ধক বাধা দিব পৰা যাব বুলি যেতিয়া বাতৰি ওলাল, তেতিয়া প্ৰতিজন ব্যক্তিয়ে স্বস্তিৰ নিশ্বাস পেলোৱা আৰু প্ৰতিজনে অন্তৰৰ পৰা ভগবানৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰাৰ কথা মই জীয়াই থাকোঁ মানে পাহৰিব নোৱাৰিম।" অবৰ্ণনীয় যন্ত্ৰণাৰ ভয়, কাৰোবাৰ অতি মৰমৰ আৰু আপোন জনক হেৰুৱাৰ আশঙ্কা আৰু কোনো এখন দেশৰ অৱমাননা হোৱা আশঙ্কা আদিৰ কাৰণেই কেতবোৰৰ যুদ্ধৰ প্ৰতি ঘৃণা ওপজে নেকি? কোনো এটা জাতিৰ অৱমাননা কৰি হলেও যুদ্ধক আঁতৰ কৰি ৰখাত আমি আনন্দিত হয় নে? আমাৰ সন্মান ত্যাগ কৰিবলৈ দাবী উঠাহেতেন, আমি বেলেগ ধৰণে অনুভৱ নকৰিলোঁহেতেন নে? বিবাদ সমাধানৰ বাবে যুদ্ধ এটা ভুল পন্থা বুলি আমি অনুভৱ কৰোঁ বাবেই অথবা যুদ্ধৰ প্ৰতি থকা ঘৃণা আমাৰ ভয়ৰ এক অবিচ্ছেদ্য অঙ্গ বাবেই যুদ্ধক আমি ঘিণ কৰোঁ নেকি? এই পৃথিবীৰ পৰা যুদ্ধ সম্পূৰ্ণৰূপে আঁতৰাবলৈ হলে এই প্ৰশ্নসমূহৰ প্ৰকৃত উত্তৰ দিব লাগিব।

যি কি নহওক, সঙ্কটৰ যেতিয়া অৱসান হ'ল, তেতিয়া আমি কি দেখোঁ? দেখোঁ,—সমৰ সজ্জাৰ বাবে আগতকৈ অধিক প্ৰতিযোগিতা, যুদ্ধৰ সময়ত পুৰুষ, মহিলা, ধন, দক্ষতা আৰু প্ৰতিভা আদি সকলো সম্পদৰ যি সংগঠন তাতোকৈ এই বিলাকৰ অধিক, ব্যাপক আৰু বিস্তৃত সংগঠন। কোনো ঠাইৰ পৰাই "যুদ্ধ নহব" বুলি স্পষ্ট ঘোষণাৰ অভাৱ। এইবিলাক কথাই ইয়াকে সুসূচায় নে যে এতিয়া যেনেকৈ বাধা দিয়া নহওক লাগিলে, উপকথাৰ ডেমোকোলচৰ তৰোৱালৰ দৰে আমাৰ মূৰৰ ওপৰত যুদ্ধ ওলমি আছে?

মহিলাসকলে তেওঁলোকৰ স্বভাৱজাত প্ৰকৃতি আৰু ক্ষমতাৰে বিশ্ব শান্তিৰ বাবে যি বৰঙণি আগবঢ়াব পাৰে, সেই বৰঙণি তেওঁলোকে আগবঢ়োৱা নাই বুলি অনুভৱ কৰি মই মহিলা হিচাপে দুখ পাইছোঁ। মহিলাৰ সহায়কাৰী বাহিনী সংগঠন কৰাৰ লগতে প্ৰকৃত যুদ্ধ থলীত আৰু দ্বিতীয় শাৰীত মহিলাসকলক সম্পূৰ্ণৰূপে অংশ গ্ৰহণ কৰিবলৈ আদেশ দিয়া হৈছে বুলি শুনি আৰু পঢ়ি মই দুখ পাইছোঁ। অথচ যুদ্ধ যেতিয়া আহে, মহিলাসকলৰ অন্তৰহে উৎকণ্ঠাত জৰ্জৰিত হয় আৰু তেওঁলোকৰ

অন্তৰাত্মাহে অপূৰণীয়ভাবে ভীতিগ্ৰস্ত হয়। এই আটাইবোৰ একেবাৰে ব্যাখ্যা কৰিব নোৱাৰা ধৰণৰ কথা। যুগৰ পিছত যুগ ধৰি আমি কিয় এটা উন্নত ভূমিকা বাছি লব নোৱাৰিলোঁ? কিয় আমি লেশ মানো প্ৰতিবাদ নকৰাকৈ ভয়ঙ্কৰ আত্মাবিহীন, পাশৱিক শক্তিৰ ওচৰত নতি স্বীকাৰ কৰিলোঁ? আমাৰ আধ্যাত্মিক প্ৰগতিৰ এয়া এটা দুখজনক বিৱৰণী। আমাৰ অন্তৰৰ উচ্চতৰ আহ্বানক বুজিবলৈ আমি অসমৰ্থ হলোঁ। অহিংসাৰ শক্তি আৰু মাহাত্ম্যক মহিলাসকলে অন্তৰেৰে হৃদয়ঙ্গম কৰিলে, এই পৃথিৱী সুখৰ হব বুলি মোৰ দৃঢ় বিশ্বাস।

আমাক ভাৰতৰ মহিলাসকলক আপুনি কিয় অনুপ্ৰাণিত আৰু সংগঠিত নকৰে? আমাক আপোনাৰ তীক্ষ্ণশক্তি হিচাপে আপুনি কিয় মনোযোগ নিদিয়ে? এই উদ্দেশ্যে আপুনি সমগ্ৰ ভাৰততে ভ্ৰমণ কৰালৈ মই কিমান দিন বাট চাম? এই বিষয়ে আপুনি আশাতীত সঁহাৰি পাব বুলি মোৰ বিশ্বাস, কাৰণ, ভাৰতৰ মহিলাসকলৰ অন্তৰ সৰল আৰু ত্যাগ আৰু আত্ম বিলোপন সম্পৰ্কত আমাৰ যি সুন্দৰ ঐতিহ্য আছে, বোধহয় বিশ্বৰ আন কোনো মহিলাৰ ক্ষেত্ৰত তেনে ঐতিহ্য নাই। আমাক যদি আপুনি কামত লগায়, তেন্তে আমাৰ ক্ষুদ্ৰ শক্তিৰে এই দুখময় আৰু জৰ্জ্জৰিত বিশ্বক শান্তিৰ পথ দেখুৱাব পাৰিম।"

২২ ১ ১৯৩৮

—এগৰাকী মহিলা

এই চিঠিখন মই কিছু সঙ্কোচেৰেহে প্ৰকাশ কৰিছোঁ। মহিলাৰ অন্তৰত জাগৰণ অনাৰ বাবে মোৰ সামৰ্থ্যৰ প্ৰতি চিঠিখনৰ লিখিকাৰ থকা বিশ্বাসে মোক তোষামোদ কৰিছে। কিন্তু মোৰ সীমিত সামৰ্থ্য সম্পৰ্কে মই সজাগ। মোৰ ধাৰণা যে মোৰ ভ্ৰমণ কৰাৰ দিনবোৰ শেষ হৈ গৈছে। লেখনীৰ মাজেদি যিখিনি কৰিব পাৰোঁ, তাকে মই কৰি থাকিব লাগিব। কিন্তু নীৰৱ প্ৰাৰ্থনাৰ কাৰ্য্যকাৰিতা সম্পৰ্কত মোৰ বিশ্বাস বাঢ়ি গৈছে। নীৰৱ প্ৰাৰ্থনা হৈছে এটা কলা—বোধহয় এনে এবিধ উচ্চ ধৰণৰ কলা, যাৰ বাবে সৰ্ব্বাধিক পৰিমাণৰ শ্ৰমৰ প্ৰয়োজন। মোৰ দৃঢ় বিশ্বাস যে অহিংসাক সৰ্ব্বশ্ৰেষ্ঠ আৰু সৰ্ব্বোৎকৃষ্ট বুলি প্ৰদৰ্শন কৰাটো মহিলাৰ এটা মিছন। কিন্তু মহিলাৰ অন্তৰ অনুপ্ৰাণিত কৰিবলৈ পুৰুষ কিয় যাব লাগে? যদি এই আবেদন পুৰুষ হিচাপে মোলৈ আচুতীয়াভাবে নকৰি অহিংসাৰ শ্ৰেষ্ঠ প্ৰচাৰকজনলৈ (ধৰি লওঁ) জনসাধাৰণৰ মাজত প্ৰচাৰৰ বাবে কৰিলেহেঁতেন, তেনেহলে ভাৰতৰ মহিলা-

সকলৰ মাজত ঘূৰি ফুৰি এই মতবাদ প্ৰচাৰ কৰাৰ বাবে মোৰ কোনো স্পৃহা নাই। এই চিঠিৰ লিখিকাক মই আশ্বাস দিব পাৰোঁ যে তেওঁৰ অনুৰোধৰ প্ৰতি সঁহাৰি জনোৱাৰ পৰা বিৰত থাকিবলৈ মোৰ ইচ্ছা শক্তিৰ অভাৱ হোৱা নাই। মোৰ ভাব হৈছে এয়ে যে কংগ্ৰেছত থকা পুৰুষসকলে যদি অহিংসাৰ প্ৰতি তেওঁলোকৰ বিশ্বাস ৰাখিব পাৰে আৰু যদি অহিংসাৰ কাৰ্য্যসূচী বিশ্বাস সহকাৰে আৰু পূৰ্ণভাৱে ৰূপায়িত কৰিব পাৰে, মহিলাসকল স্বাভাৱিক ভাৱেই ৰূপান্তৰিত হ'ব। আৰু হয়তো এনেকুৱাও হ'ব পাৰে যে মই আশা কৰাতকৈ অধিক কাৰ্য্যদক্ষতা দেখুৱাব পৰা কোনোবা তেওঁলোকৰ মাজৰ পৰাই ওলাব পাৰে। কাৰণ, অহিংসা সম্পৰ্কত দৃঢ় কাৰ্য্যব্যৱস্থা লোৱাত আৰু পৰীক্ষা কৰাত পুৰুষতকৈ মহিলা অধিক উপযুক্ত। আত্ম-ত্যাগৰ সাহসৰ ক্ষেত্ৰত পুৰুষতকৈ মহিলা উন্নত, আৰু আসুৰিক সাহসৰ ক্ষেত্ৰত মহিলাতকৈ পুৰুষ উন্নত বুলি মই ভাবোঁ।

বান্নু, ২৫ ১০ ৩৮

হৰিজন ৫ ১১ ১৯৩৮

[৬৩]

বৃহৎ শক্তিসমূহে কিয় নোৱাৰিব ?

জেকোস্লোভেকিয়াৰ দুৰ্দ্দশা সম্পৰ্কে মই অলপতে লিখা এটা সমালোচনাত এবাৰ মন্তব্য কৰিছিলোঁ। সেই মন্তব্যৰ উত্তৰ দিয়াৰ প্ৰয়োজন।

কিছুমান সমালোচকে যুক্তি দৰ্শাইছে যে জেকসকলক পৰামৰ্শ দিয়া অহিংসা পন্থা যদি তুলনামূলকভাবে দুৰ্ব্বল তেওঁলোকৰ দৰে সৰু সুৰা জাতিৰ কাৰণেহে আৰু ইংলণ্ড বা ফ্ৰান্স অথবা আমেৰিকাৰ দৰে বৃহৎ শক্তিৰ বাবে নহয়, তেন্তে তাৰ মূল্য অধিক হব নোৱাৰে।

সমালোচকসকলে যদি মোৰ প্ৰবন্ধটো পুনৰবাৰ পঢ়ে, তেওঁলোকে দেখিব যে এই বৃহৎ শক্তিসমূহক পৰামৰ্শ দিয়াৰ পৰা মই বিৰত থকাৰ কাৰণ হৈছে তেওঁলোকৰ বৃহত্ত্বতা আন কথাত মোৰ ভীৰুতা। তেওঁলোকৰ উদ্দেশ্যে নোকোৱাৰ এটা অধিক শক্তিশালী যুক্তি মোৰ আছে। তেওঁলোক বিপদত পৰা নাই আৰু সেয়ে কোনো প্ৰতিকাৰৰ আৱশ্যকতা অহা নাই। চিকিৎসা শাস্ত্ৰৰ ভাষা ব্যৱহাৰ কৰিবলৈ হলে, জেকোস্লোভেকিয়াৰ দৰে তেওঁলোক

ৰোগাক্ৰান্ত হোৱা নাই। জেকোশ্লোভেকিয়াৰ দৰে তেওঁলোকৰ অস্তিত্ব ভাবুকিৰ সন্মুখীন হোৱা নাই। সেয়ে বৃহৎ শক্তিসমূহৰ প্ৰতি মই জনোৱা কোনো আবেদন এটা নিৰৰ্থক অনাহূত ধৰ্মোপদেশ হ'লহেতেন।

অভিজ্ঞতাৰ পৰা মই দেখা পাইছোঁ যে ধৰ্মৰ খাতিৰত মানুহ কাচিৎহে ধাৰ্ম্মিক হয়। আৱশ্যকতাত পৰিহে কোনোবাজন ধাৰ্ম্মিক হয়। অৱস্থাৰ বাধ্যবাধকতাত পৰি এজন মানুহ ভাল হোৱাটো কোনো ভুল কথা নহয়। সন্দেহ নাই যে নিজৰ বাবেই এজন মানুহ ভাল হোৱাটো এটা ভাল কথা।

জেকসকলক যি কোনো এটা পন্থা বাছি লবলৈ দিয়া হৈছিল। হয় তেওঁলোকে জাৰ্মান শক্তিৰ ওচৰত শান্তিপূৰ্ণভাৱে আত্মসমৰ্পণ কৰক, নহয় তেওঁলোকে অকলশৰে যুঁজি প্ৰায় নিশ্চিত ধ্বংসৰ বিপদৰ সন্মুখীন হওক। এনে এটা সময়ত মোৰ দৰে এজন মানুহে এনে এটা বিকল্পৰ বাবে পৰামৰ্শ দিয়াটো আৱশ্যক হৈ পৰিল যিটো একে ধৰণৰ পৰিস্থিতিত উপযুক্ত বুলি আগতে প্ৰমাণিত হৈছিল। মোৰ ধাৰণা মতে জেকসকললৈ মই জনোৱা আহ্বান যিমান উপযুক্ত আছিল, বৃহৎ শক্তিসমূহৰ ক্ষেত্ৰত সেই আহ্বান সিমানেই অনুপযুক্ত হ'লহেতেন

সমালোচকসকলে অৱশ্যে মোক এটা প্ৰশ্ন কৰিব পাৰে। সেই প্ৰশ্নটো হল যে ভাৰতৰ মাটিত অহিংসাই যেতিয়া শতকৰা ত্ৰিশ ভাগেই সফলতা অৰ্জন কৰাটো মই দেখুৱাব নোৱাৰিলো।—বিশেষকৈ এতিয়া যেতিয়া অহিংসাৰ নীতি বা সূত্ৰক কংগ্ৰেছীসকলে প্ৰকৃততে পালন কৰিছে নে নাই বুলি মই তীব্ৰ সন্দেহ কৰিছোঁ, সেই সময়ত পশ্চিমীয়া শক্তিক কবলৈ গৈ মই কিয় নিজে বন্ধা কক্ষপথৰ পৰা আঁতৰি গৈছোঁ। প্ৰকৃততে, কংগ্ৰেছৰ অৱস্থা সম্পৰ্কত বৰ্ত্তমানৰ অনিশ্চয়তা আৰু সীমাবদ্ধতাৰ বিষয়ে মই সচেতন। কিন্তু মই সেই প্ৰবন্ধটো লিখোঁতে অহিংস পন্থাত মোৰ নিজস্ব বিশ্বাস অটুট আছিল। অহিংসাৰ পৰীক্ষাৰ চৰম মুহূৰ্ত্তত জেকসকলক অহিংসা পন্থা গ্ৰহণ কৰিবলৈ পৰামৰ্শ নিদিয়াটো মোৰ বাবে কাপুৰুষালি হ'লহেতেন বুলি অনুভৱ কৰিছোঁ। সৌ সিদিনালৈকে দুঃখ যন্ত্ৰণাৰ প্ৰতি অনভ্যস্ত অশৃংখলাবদ্ধ কোটি কোটি জনসাধাৰণৰ কাৰণে যিটো গ্ৰহণৰ বাবে অযোগ্য বুলি নিঃসন্দেহে প্ৰমাণিত হৈছে, সেইটো এক সুসংহত আৰু শৃংখলাবদ্ধ সৰু জাতিৰ বাবে দুঃখ-যন্ত্ৰণা গ্ৰহণ যোগে সম্ভৱ হব পাৰে। ভাৰতৰ বাহিৰে আন কোনো জাতি অহিংস পন্থা লবৰ বাবে উপযুক্ত নহয় বুলি এটা ভুল দাবী কৰাৰ অধিকাৰ মোৰ নাই। অহিংস ব্যৱস্থা কাৰ্য্যকৰী কৰাৰ বাবে ভাৰত সবাতোকৈ উপযুক্ত

জাতি বুলি মই আগতেও বিশ্বাস কৰিছিলোঁ আৰু এতিয়াও কৰোঁ বুলি মই স্বীকাৰ কৰিবই লাগিব। ইয়াৰ বিপৰীত ধৰণৰ চিন পৰিলক্ষিত হলেও কংগ্ৰেছতকৈ শ্ৰেষ্ঠ সৰ্ব্বসাধাৰণ বাইজে অহিংস কামৰ প্ৰতি সঁহাৰি জনাব বুলি মই আশা কৰিছোঁ। এনে কাম কৰিবলৈ বিশ্বৰ জাতিসমূহৰ মাজত তেওঁলোকেই সৰ্ব্বাধিকভাৱে সাজু। কিন্তু যেতিয়া অহিংস পন্থা প্ৰয়োগ কৰিব পৰা এটা সমস্যা মোৰ সন্মুখত দেখা দিলে, তেতিয়া এই পন্থা গ্ৰহণ কৰিবৰ বাবে জেকসকলক পৰামৰ্শ নিদি নোৱাৰিলোঁ।

এই উপায় বৃহৎ শক্তিসমূহে যি কোনো সময়তে গ্ৰহণ কৰি নিজকে গৌৰৱান্বিত কৰাৰ আৰু ভবিষ্যৎ বংশধৰসকলৰ পৰা সীমাহীন কৃতজ্ঞতা অৰ্জ্জন কৰাৰ পথ মুকলি আছে। যদি তেওঁলোক বা তেওঁলোকৰ কোনোবাই ধ্বংস হোৱাৰ ভয় ত্যাগ কৰিব পাৰে, যদি তেওঁলোকে নিজকে নিৰস্ত্ৰ কৰিব পাৰে তেতিয়া হ'লে আনবিলাকৰ অন্তৰত সংভাৱ উদয় কৰাবলৈ তেওঁলোক সক্ষম হ'ব। কিন্তু তেতিয়া, এই বৃহৎ শক্তিসমূহে তেওঁলোকৰ সাম্ৰাজ্যবাদী আশা আৰু এই পৃথিবীৰ তথাকথিত অসভ্য আৰু অৰ্দ্ধসভ্য জাতিবিলাক শোষণ কৰাৰ আৰু তেওঁলোকৰ জীৱন যাত্ৰাৰ ধৰণ সলনি কৰাৰ আকাঙ্ক্ষা এৰি দিব লাগিব। ইয়াৰ অৰ্থ হ'ল এটা সম্পূৰ্ণ বিপ্লৱ। বৃহৎ শক্তিসমূহৰ বিজয়ৰ পিছত বিজয় লাভ কৰাৰ মূল্য সম্পৰ্কত যি ভাব আছে আৰু পূৰ্ব্বতে যি পথ তেওঁলোকে অনুসৰণ কৰি চলিছিল, এতিয়া স্বেচ্ছাই তাৰ বিপৰীতমুখী হোৱাটো আশা কৰিব নোৱাৰি। কিন্তু আশ্চৰ্য্যজনক ঘটনা আগতেও ঘটিছে আৰু এই নীৰস গন্ধময় দিনতো ঘটিব পাৰে। অসৎ কামৰ পৰিসমাপ্তি ঘটোৱাত ভগবানৰ শক্তিক কোনে নোহোৱা কৰিব পাৰে? এটা কথা অৱশ্যে নিশ্চিত। সেয়া হৈছে যে সমৰ-সজ্জাৰ বাবে উন্মাদ প্ৰতিযোগিতা অব্যাহত থাকিলে বুৰঞ্জীত কেতিয়াও লিপিবদ্ধ নোহোৱা হত্যাকাণ্ড ঘটিব পাৰে। কোনোবা যদি বিজয়ী জীয়াই থাকে, বিজয়ী পক্ষৰ জয়লাভ হব জীৱন্ত মৃত। গৌৰৱোজ্জল অহিংস পন্থা চৰ্তহীনভাৱে আৰু সাহসেৰে গ্ৰহণ নকৰিলে অনাগত ধ্বংসৰ পৰা মুক্তি নাই।

গণতন্ত্ৰ আৰু হিংসাত্মক কামৰ সহাৱস্থান হব নোৱাৰে। যিবিলাক দেশ এতিয়া নামত গণতান্ত্ৰিক হৈ আছে, সেইবিলাক হয় মুকলিভাৱে একনায়কত্ব-বাদী হ'ব লাগে নহয় যদি সেইবিলাক দেশ সচাঁকৈ গণতান্ত্ৰিক হয় তেন্তে সেইবিলাকে সাহসেৰে অহিংস পন্থা গ্ৰহণ কৰিব লাগে। ব্যক্তিয়েহে কেৱল

অহিংস পন্থা লব পাৰে আৰু ব্যক্তিৰ সমষ্টি জাতিয়ে অহিংস পন্থা অনুসৰণ কৰিব নোৱাৰে বুলি কলে ঈশ্বৰক নিন্দা কৰা হ'ব।

পেছোৱাৰ, ৫ ১১-৩৮
হৰিজন ১২ ১১ ১৯৩৮

[৬৪]

ইহুদীসকল

পেলেষ্টাইনৰ আৰব ইহুদীৰ সমস্যা বিষয়ে আৰু জাৰ্মানিত ইহুদীসকলৰ ওপৰত চলোৱা অত্যাচাৰ সম্বন্ধে মোৰ মতামত প্ৰকাশ কৰিবলৈ অনুৰোধ জনাই লিখা বহুতো চিঠি পত্ৰ মই পাইছোঁ। অতিশয় জটিল এই বিষয়টোৰ ওপৰত মোৰ মতামত কিছু সঙ্কোচেৰেহে মই দিবলগীয়া হৈছোঁ।

ইহুদীসকলৰ প্ৰতি মোৰ সম্পূৰ্ণ সহানুভূতি আছে। দক্ষিণ আফ্ৰিকাত থকাৰ সময়ত মই তেওঁলোকক ঘনিষ্ঠভাৱে জানো। তেওঁলোকৰ কোনো কোনো জন মোৰ জীৱন জোৰা সহযোগী। যুগ যুগ ধৰি তেওঁলোক নিপীড়িত হোৱাৰ কিছু কথা এই বন্ধুসকলৰ পৰা মই জানিছোঁ। তেওঁলোক আছিল খ্ৰীষ্টান ধৰ্মৰ অস্পৃশ্য। খ্ৰীষ্টানসকলে তেওঁলোকক কৰা ব্যৱহাৰ আৰু হিন্দুসকলে অস্পৃশ্যসকলক কৰা ব্যৱহাৰৰ বহুখিনি সাদৃশ্য আছে। অমানৱীয় ব্যৱহাৰ কৰাৰ বাবে দুয়ো ক্ষেত্ৰতে ধৰ্মীয় অনুমোদনৰ দোহাই দিয়া হৈছে। সেয়ে, বন্ধুত্বৰ বাহিৰেও ইহুদীসকলৰ প্ৰতি থকা মোৰ সহানুভূতিৰ এটা সামূহিক বিশ্বজনীন কাৰণ আছে।

পিছে মোৰ যি সহানুভূতি, সেই সহানুভূতি ন্যায় বিচাৰৰ আৱশ্যকতাৰ প্ৰতি অন্ধ নহয়। নিজস্ব গৃহভূমিৰ বাবে ইহুদীসকলে কৰা দাবীয়ে মোক খুব বেছি প্ৰভাৱান্বিত কৰা নাই। ইয়াৰ বাবে ইহুদীসকলে বাইবেলৰ অনুমোদন বিচাৰিছে আৰু পেলেস্টাইনলৈ উভতি অহাৰ পিছত ইয়াৰ বাবে তেওঁলোক লাগি আছে। যিখন দেশত তেওঁলোকে জন্মগ্ৰহণ কৰিছে, য'ত তেওঁলোকে জীয়াই থকাৰ বাবে উপাৰ্জন কৰিছে, বিশ্বৰ আন মানুহৰ দৰে সেই দেশখনকে তেওঁলোকে নিজৰ গৃহভূমি কৰিব নোৱাৰে কিয়?

যি অৰ্থত ইংলণ্ড ইংৰাজ জাতিৰ, ফ্ৰান্স ফৰাচী জাতিৰ সেই একে অৰ্থতে পেলেস্টাইন হ'ল আৰব জাতিৰ। ইহুদীসকলক আৰবসকলৰ ওপৰত জাপি

দিয়াটো অমানৱীয় আৰু ভুল কথা হ'ব। পেলেস্টাইনত সম্প্ৰতি ঘটা ঘটনাৱলী যি কোনো নৈতিক আচৰণবিধিৰ দৃষ্টিকোণৰ পৰা যুক্তিযুক্ত হ'ব নোৱাৰে। হৈ যোৱা যুদ্ধখনৰ বাহিৰে এনে কাৰ্য্যত আন কোনো অনুমোদন নাই। এই কথা নিশ্চিত যে ইহুদীসকলৰ গৃহভূমি হিচাপে আংশিক বা সম্পূৰ্ণৰূপে পেলেস্টাইনক দি গৌৰৱান্বিত আৰবসকলৰ গৌৰৱ হ্ৰাস কৰিলে মানৱতাৰ বিৰুদ্ধে পাপ কৰা হব।

সেয়ে, ইহুদীসকলে যি ঠাইতেই জন্মগ্ৰহণ কৰি তাওঁৰ দীঘল নহওক লাগিলে, তেওঁলোকক ভাল ব্যৱহাৰ কৰাৰ প্ৰতি গুৰুত্ব দিয়াটো উচিত কথা হ'ব। খ্ৰীষ্টান ধৰ্ম্মৰ কোনো লোক ফ্ৰান্সত জন্মগ্ৰহণ কৰিলে যি অৰ্থত ফৰাচী, সেই একে অৰ্থতে ফ্ৰান্সত জন্মগ্ৰহণ কৰা ইহুদীসকলো ফৰাচী। ইহুদীসকলৰ যদি পেলেস্টাইনৰ বাহিৰে আন গৃহভূমি নাই, তেন্তে বিশ্বৰ আন আন অংশত যিসকল ইহুদী নিগাজীকৈ বসবাস কৰিছে, সেইবোৰ ঠাই তেওঁলোকে এৰি অহাৰ ভাব পোষণ কৰিব নে? অথবা ইচ্ছা কৰিলেই থাকিব পৰা দুখন গৃহভূমি তেওঁলোকে বিচাৰিব নে? ৰাষ্ট্ৰীয় গৃহভূমিৰ বাবে তোলা এই ধ্বনিৰ বাবেই ইহুদীসকলক জাৰ্মানসকলে বহিষ্কাৰ কৰাটো অন্ততঃ বাহ্যিকভাৱে যুক্তিযুক্ত যেন দেখা যায়।

কিন্তু জাৰ্মানসকলে ইহুদীসকলক কৰা উৎপীড়নৰ দৃষ্টান্ত বুৰঞ্জীত বিৰল। হিটলাৰে এই ক্ষেত্ৰত যি পৰ্য্যায়লৈ গৈছে, পুৰণি দিনত স্বেচ্ছাচাৰী ৰজায়ো তেনে পৰ্য্যায়লৈ যোৱা নাছিল। তদুপৰি এই উৎপীড়নত তেওঁৰ ধৰ্ম্মীয় আগ্ৰহ নিহিত আছে। কাৰণ, এনে এটা বিশেষ ধৰণৰ সামৰিক জাতীয়তাবাদৰ নতুন ধৰ্ম্ম তেওঁ উদ্ভাৱন কৰিলে যে ইয়াৰ নামত যি কোনো অমানৱীয় কাম মানৱীয় হৈ বৰ্তমানে আৰু ভৱিষ্যতে পুৰস্কৃত হব পাৰে। এজন সাহসী অথচ উন্মাদ ডেকাই কৰা অনুচিত কামে অবিশ্বাস্য ভয়াবহতাৰে গোটেই জাতিটোৰে ওপৰত প্ৰাধান্য বিস্তাৰ কৰিছে। মানৱতাৰ নামত আৰু মানৱতাৰ কাৰণে যুদ্ধ কৰাটো যদি কেতিয়াবা যুক্তিযুক্ত হয়, তেন্তে এটা জাতিক কৰা নিষ্ঠুৰ উৎপীড়নক বাধা দিবলৈ জাৰ্মানিৰ বিৰুদ্ধে যুদ্ধ কৰাটো সম্পূৰ্ণৰূপে যুক্তিযুক্ত হ'ব। পিছে, মই যুদ্ধত বিশ্বাস নকৰোঁ। সেয়ে যুদ্ধৰ দোষ গুণ আলোচনা কৰাটো মোৰ সীমা বা পৰিধিৰ বাহিৰত।

কিন্তু ইহুদীসকলৰ বিৰুদ্ধে বৰ্ত্তমানে জাৰ্মানে যি অনুচিত কাম কৰিছে, তাৰ বাবে তেওঁলোকৰ বিৰুদ্ধে যুদ্ধ হব নোৱাৰিলেও এই কথা নিশ্চিত যে

তেওঁলোকৰ লগত মিত্ৰতা স্থাপন হব নোৱাৰে। ন্যায় আৰু গণতন্ত্ৰৰ সমৰ্থক বুলি দাবী কৰা এখন দেশে ন্যায় আৰু গণতন্ত্ৰক শত্ৰু বুলি ঘোষণা কৰা এখন দেশৰ লগত কেনেকৈ মিত্ৰতা কৰিব পাৰে? অথবা নিজৰ সকলো শক্তিৰে সৈতে ইংলণ্ডে এতিয়া সশস্ত্ৰ একনায়কত্ববাদৰ দিশলৈ আগবাঢ়ি গৈছে নেকি?

মানৱতাবাদৰ মুখা পিন্ধা কোনো ভণ্ডামি বা দুৰ্ব্বলতাই বাধা নিদিলে, হিংসাত্মক কামে কিমান শক্তিশালীভাবে কাম কৰিব পাৰে, তাক জাৰ্মানিয়ে এই বিশ্বক দেখুৱাইছে। হিংসাত্মক কামৰ নগ্ন ৰূপ কিমান ঘৃণনীয়, ভয়াবহ আৰু ত্ৰাসজনক, তাকে ই দেখুৱাইছে।

এই সংগঠিত আৰু নিৰ্লজ্জ উৎপীড়নক ইহুদীসকলে বাধা দিব পাৰিব নে? অসহায়, অৱহেলিত আৰু দুৰ্ভগীয়া বুলি নাভাবি, নিজৰ আত্মসম্মান ৰক্ষাৰ বাবে তেওঁলোকৰ কিবা পথ আছে নে? মই কব খোজোঁ যে এনে পথ নিশ্চয় আছে। এজন জীৱন্ত ভগবানৰ প্ৰতি বিশ্বাস থকা কোনো মানুহে নিজকে অসহায় বা দুৰ্ভগীয়া বুলি অনুভৱ কৰিব নালাগে। খ্ৰীষ্টান, মুছলমান বা হিন্দুৰ ভগবানতকৈ ইহুদীসকলৰ ভগবান জেহোবা অধিক ব্যক্তিত্বসম্পন্ন। থোৰতে কবলৈ হ'লে, তেওঁ সাৰ্ব্বজনীন আৰু বৰ্ণনাৰ অতীত। ইহুদীসকলে যিহেতু তেওঁলোকৰ ভগবানক ব্যক্তিত্ব আৰোপ কৰে আৰু বিশ্বাস কৰে যে তেওঁলোকৰ সকলো কাৰ্য্য কলাপ ভগবানে নিয়ন্ত্ৰিত কৰে, সেয়ে তেওঁলোকে নিঃসহায় অনুভৱ কৰিব নালাগে। যদি মই ইহুদী হলোঁহেতেন আৰু জাৰ্মানিত জন্মগ্ৰহণ কৰি তাতে জীৱিকানিৰ্ব্বাহ কৰিলোঁহেতেন, তেতিয়া হ'লে দীৰ্ঘদেহী ইহুদীসকল যিমানেই শক্তিমন্ত নহওক লাগিলে, জাৰ্মানিক মই নিজৰ গৃহভূমি বুলি দাবী কৰিলোঁহেতেন, মোক গুলি কৰিব খুজিলে বা মাটিৰ তলৰ অন্ধকাৰ বন্দীশালত মোক বন্দী কৰি থব খুজিলে মই তাৰ প্ৰত্যাহ্বান জনালোঁহেতেন। মোক বহিষ্কাৰ কৰিব খুজিলে অথবা মোৰ প্ৰতি বৈষম্যমূলক ব্যৱহাৰ কৰিলে, মই তাৰ প্ৰতিবাদ জনালোঁহেতেন, এনে কৰাৰ বাবে মোৰে সৈতে সত্যাগ্ৰহ আন্দোলনত আন ইহুদীসকলে যোগ দিয়ালৈ বাট নাচালোঁহেতেন। শেষত আটায়ে মোৰ দৃষ্টান্ত অনুসৰণ কৰিব বুলি বিশ্বাস কৰিয়েই এনে সত্যাগ্ৰহ আন্দোলন মই আৰম্ভ কৰিলোঁহেতেন। এই পৰামৰ্শ এজন বা সকলো ইহুদীয়ে মানি লোৱাহেতেন, বৰ্ত্তমানে ইহুদী-সকলৰ যি অৱস্থা হৈছে, সেই অৱস্থা নহলহেতেন। স্বেচ্ছাই নিৰ্য্যাতন

ভোগাৰ ফলত তেওঁলোকে এনে এটা আনন্দ আৰু আন্তৰিক শক্তি পালে হেতেন—যিটো জাৰ্মানিক বাদ দি বিশ্বৰ আন ঠাইত গ্ৰহণ কৰা বহুতো সহানুভূতিসূচক প্ৰস্তাৱে দিব নোৱাৰিলেহেতেন। প্ৰকৃততে ব্ৰিটেন, ফ্ৰান্স আৰু আমেৰিকাই জাৰ্মানিৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলেও এই আন্তৰিক শক্তি আৰু আনন্দ তেওঁলোকক দিব নোৱাৰে। এনেদৰে যুদ্ধ ঘোষণা কৰাৰ প্ৰথম প্ৰত্যুত্তৰ হিচাপে হিটলাৰে হয়তো হিংসাত্মক কামৰ দ্বাৰা ইহুদীসকলক নি শেষ কৰি পেলাব পাৰে। কিন্তু যদি স্বেচ্ছামূলক নিৰ্য্যাতনৰ বাবে ইহুদী সকলক মানসিকভাৱে সাজু কৰাব পাৰি, তেতিয়া হ'লে এই অত্যাচাৰী মানুহবোৰৰ যোগেদি জেহোবাই জাতিটোৰ মুক্তি অনালে বুলি মই অনুমান কৰা হত্যাকাণ্ডৰ দিনটো ধন্যবাদ জ্ঞাপন আৰু আনন্দৰ দিনলৈ ৰূপান্তৰিত হব পাৰে। কাৰণ, ভগবানলৈ যিসকলে ভয় কৰে, তেওঁলোকৰ বাবে মৃত্যু ভয়াবহ নহয়। এয়া হৈছে এটা সুখৰ নিদ্ৰা—যি নিদ্ৰাৰ পিছত সাৰ পাই দেখা যাব যে দীঘলীয়া নিদ্ৰাৰ পিছত সকলোবোৰ অধিক নতুন নতুন যেন লাগে।

মোৰ এই পৰামৰ্শ কাৰ্য্যকৰী কৰাটো চেকসকলতকৈ ইহুদীসকলৰ বাবে যে অধিক সহজ, তাক বোধহয় মই উল্লেখ কৰাৰ প্ৰয়োজন নাই। তেওঁলোকে একে ধৰণৰ এটা দৃষ্টান্ত বিচাৰি পাব দক্ষিণ আফ্ৰিকাত ভাৰতীয়সকলে চলোৱা সত্যাগ্ৰহ অভিযানত। জাৰ্মানিত ইহুদীসকলৰ যি স্থান দক্ষিণ আফ্ৰিকাতো ভাৰতীয়সকলে প্ৰায় একে ধৰণৰ স্থানকে ভোগ কৰি আছিল। প্ৰেচিডেণ্ট ক্ৰুগাৰে কৈছিল যে ভগবানৰ সৃষ্টি হ'ল শ্বেতকায় খ্ৰীষ্টানসকল আৰু ভাৰতীয়সকল হ'ল নিম্ন শ্ৰেণীৰ জীৱ যিসকলৰ সৃষ্টি হৈছে শ্বেতকায়সকলক সেৱা কৰাৰ বাবেহে। ট্ৰান্সভালৰ সংবিধানত সন্নিবিষ্ট এটা মৌলিক দফা হ'ল যে এছীয়সকলকে ধৰি কৃষ্ণবৰ্ণৰ মানুহবোৰ শ্বেতকায়সকলৰ সমানৰ হব নোৱাৰে। ভাৰতীয়সকলক তাতো ঘেট্টোতহে বাস কৰিবলৈ দিয়া হৈছিল। আনবিলাক ক্ষেত্ৰতো জাৰ্মানিৰ ইহুদীসকলৰ যি অসুবিধা, দক্ষিণ আফ্ৰিকাৰ ভাৰতীয়সকলৰ অসুবিধা আছিল একে ধৰণৰ। ভাৰত চৰকাৰ বা বিশ্বৰ আন ঠাইৰ সমৰ্থন নোপোৱাকৈ, তাৰ এমুঠিমান ভাৰতীয়ই সত্যাগ্ৰহ আৰম্ভ কৰিলে। লৰ খোজা কাৰ্য্য-ব্যৱস্থাৰ পৰা সত্যাগ্ৰহীসকলক আঁতৰত ৰাখিবলৈ ব্ৰিটিছ চৰকাৰৰ বিষয়াসকলে যত্ন কৰিলে। আঠ বছৰ কাল সংগ্ৰাম চলাই থকাৰ পিছত বিশ্বৰ আৰু ভাৰত চৰকাৰৰ জনমত তেওঁলোকৰ সাহায্যৰ

বাবে আহিল। তাকো, যুদ্ধৰ ভাবুকিৰে নহয়—কূটনৈতিকভাৱে দিয়া হেচাৰ যোগেদিহে।

দক্ষিণ আফ্ৰিকাত ভাৰতীয়সকলে যি পৃষ্ঠপোষকতা পাই সত্যাগ্ৰহ কৰিছিল, জাৰ্মানিৰ ইহুদীসকলে তাতোকৈ বহু বেছি পৃষ্ঠপোষকতা লাভ কৰি সত্যাগ্ৰহ কৰিব পাৰে। জাৰ্মানিত থকা ইহুদীসকল হৈছে এটা সুসংহত আৰু একে ঠাইতে বাস কৰা জাতি। তেওঁলোকৰ বুদ্ধি বৃত্তি দক্ষিণ আফ্ৰিকাত থকা ভাৰতীয়সকলতকৈ বেছি। নিজৰ সপক্ষে তেওঁলোকে বিশ্বত এটা জনমত গঢ়ি তুলিছে। মই এই বিষয়ে নিশ্চিত যে অহিংস কাৰ্য্যপন্থাত তেওঁলোকক নেতৃত্ব দিবলৈ সাহসিকতাপূৰ্ণ আৰু দূৰদৃষ্টিসম্পন্ন কোনো ব্যক্তি যদি তেওঁলোকৰ মাজৰ পৰা ওলায়, তেন্তে তেওঁলোকৰ মাজত দেখা দিয়া হতাশাৰ শীতকাল চকুৰ পচাৰতে আশাৰ গ্ৰীষ্মকাল হব পাৰে। আৰু যদিহে জেহোবাই নিৰ্য্যাতন ভোগ কৰিবলৈ দিয়া শক্তি পুৰুষ মহিলাই বিনা অস্ত্ৰে লব পাৰে, তেতিয়া হ'লে বৰ্ত্তমানৰ মানৱ হত্যাৰ নিষ্ঠুৰ কাম শান্ত আৰু দৃঢ় ভূমিকালৈ ৰূপান্তৰিত হব পাৰে। তেতিয়া হ'লে ভগবানৰ স্বীকৃতি নিদিয়া অমানৱীয় মানুহৰ ক্ৰোধৰ বিৰুদ্ধে প্ৰকৃততে এটা ধৰ্ম্মীয় বাধা আগবঢ়োৱা হ'ব। জাৰ্মানিৰ ইহুদীসকলে এই ভাৱত অ ইহুদী জাৰ্মানসকলৰ বিৰুদ্ধে নিশ্চিতভাৱে বিজয় লাভ কৰিব যে তেওঁলোকে অ ইহুদী জাৰ্মানসকলক মানৱীয় মৰ্য্যাদা অনুভৱ কৰাবলৈ সক্ষম হ'ল। অজানিতভাৱে হলেও, যি সকলে জাৰ্মানৰ নাম কলঙ্কিত কৰিব খুজিছে তেনে কাৰ্য্যৰ বিপৰীতে গৈ আন জাৰ্মানসকলক সেৱা কৰি তেওঁলোকে নিজকে প্ৰকৃত জাৰ্মান বুলি চিনাকি দিব লাগিব।

এতিয়া পেলেস্টাইনত থকা ইহুদীসকলৰ উদ্দেশ্যে দুষাৰমান কথা কওঁ। তেওঁলোক যে ভুল পথেদি গৈছে, সেই বিষয়ে মোৰ সন্দেহ নাই। পেলেস্টাইন বাইবেলৰ এডোখৰ কাল্পনিক ঠাইহে, ভৌগোলিক ঠাই নহয়। এই ঠাই তেওঁলোকৰ অন্তৰত বিৰাজমান। কিন্তু যদি ভৌগোলিক পেলেস্টাইনক ৰাষ্ট্ৰীয় গৃহভূমি বুলি তেওঁলোকে ভাবে, তেন্তে ব্ৰিটিছৰ বন্দুকৰ আঁৰ লৈ তেওঁলোক তাত সোমোৱাটো ভুল হৈছে। বেয়নেট বা বোমাৰ সহায় লৈ এটা ধৰ্ম্মীয় কাম সমাধা কৰিব নোৱাৰি। আৰবসকলৰ শুভেচ্ছা লৈহে তেওঁলোক তাত বাস কৰিব পাৰে। আৰবসকলৰ অন্তৰ সলনি কৰিবলৈ তেওঁলোকে যত্ন কৰা উচিত। যিজন ভগৱানে ইহুদীসকলক নিয়ন্ত্ৰিত কৰে,

সেই একেজন ভগৱানেই আৰবসকলকো নিয়ন্ত্ৰিত কৰে। আৰবসকলৰ আগত তেওঁলোকে সত্যাগ্ৰহ কৰিব পাৰে। লেশমানো প্ৰতিবাদ নকৰাকৈ গুলিৰ সন্মুখত প্ৰাণ এৰিবলৈ অথবা কৃষ্ণসাগৰত দলিয়াই দিবলৈ তেওঁলোকে নিজকে উছৰ্গা কৰিব পাৰে। তেতিয়া তেওঁলোকে তেওঁলোকৰ ধৰ্মীয় আকাঙ্ক্ষাৰ সপক্ষে বিশ্বৰ জনমতৰ সমৰ্থন পাব। ব্ৰিটিছৰ বেয়নেটৰ সাহায্য যদি তেওঁলোকে প্ৰত্যাখ্যান কৰে তেতিয়া আৰবসকলক যুক্তিলৈ অনাবলৈ বহুতো উপায় আছে। বৰ্ত্তমান অৱস্থাত দেখা গৈছে যে তেওঁলোকক কোনো অন্যায় নকৰা মানুহৰ প্ৰতি অন্যায় কৰাত তেওঁলোক ব্ৰিটিছৰ লগত সম অংশীদাৰ হৈছে।

আৰবসকলৰ আতিশয্যক মই সমৰ্থন কৰা নাই। যুক্তিসঙ্গতভাবে তেওঁ-লোকে তেওঁলোকৰ দেশৰ ওপৰত চলোৱা এই কাৰ্য্য অবৈধ বুলি অভিহিত কৰিছে আৰু ইয়াক বাধা দিবলৈ তেওঁলোকে অহিংস পন্থা লোৱাটোকে মই বাঞ্ছা কৰিছিলোঁ। কিন্তু ভুল আৰু শুদ্ধৰ চলিত সূত্ৰ অনুসৰি, এই বিৰাট বিপদৰ সন্মুখত আৰবসকলে দিয়া বাধাদানৰ বিৰুদ্ধে কোনো কথা কব নোৱাৰি।

নিজকে উন্নত জাতি বুলি ভবা ইহুদীসকলে এই বিশ্বত নিজৰ মত যুক্তিযুক্ত বুলি প্ৰমাণ কৰিবলৈ অহিংসা পন্থা লওক আৰু নিজকে উন্নত জাতি বুলি প্ৰমাণ কৰক। আক্ৰমণ নকৰি প্ৰীতিপূৰ্ণ সেৱা আগবঢ়ালে পেলেস্টাইনকে ধৰি প্ৰতিখন দেশেই তেওঁলোকৰ গৃহভূমি। চেচিল ৰ'থে লিখা 'সভ্যতাৰ প্ৰতি ইহুদীসকলৰ অৱদান' শীৰ্ষক কিতাপ এখন এজন ইহুদী বন্ধুৱে মোলৈ পঠিয়াই দিছিল। সাহিত্য, কলা, সঙ্গীত, নাটক, বিজ্ঞান, ঔষধ, কৃষি আদি বিশ্বৰ সাহিত্য চহকী কৰাত ইহুদীসকলে দিয়া বৰঙণিৰ কথা এই কিতাপ খনত উল্লেখ কৰা হৈছে। নিজৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰিবলৈ হ'লে পাশ্চাত্যৰ দ্বাৰা ঘৃণিত সমাজচ্যুত হবলৈ অথবা পৃষ্ঠপোষকতা গ্ৰহণ কৰিবলৈ ইহুদীসকলে অস্বীকাৰ কৰিব। মানুহৰ শাৰীৰ পৰা অৱনমিত হোৱা আৰু ভগৱানৰ কামৰ পৰা আঁতৰি অহা ইহুদীসকলে ভগৱানৰ শ্ৰেষ্ঠ সৃষ্টি মানুহ হিচাপে বিশ্বৰ মনোযোগ আকৰ্ষণ কৰাৰ লগতে সন্মানো আদায় কৰিব পাৰে। তেওঁ-লোকে ইতিমধ্যে আগবঢ়োৱা বহুতো বৰঙণিৰ লগতে অহিংস কাৰ্য্য পন্থাত তুলনাহীন বৰঙণি যোগ দিব পাৰে।

হৰিজন, ২৬-১১ ১৯৩৮

[৬৫]

ৰাষ্ট্ৰীয় নৃশংসতাৰ বিৰুদ্ধে কেনেকৈ সংগ্ৰাম কৰিব ?

এই কেইটা আগতীয়া মন্তব্য দি ড মটে পিছৰ দিনৰ আলোচনা আৰম্ভ কৰিলে "আপুনি আপোনাৰ মৌলিক চিন্তাধাৰাৰে মই সোধা প্ৰশ্নটোৰ বিষয়ে মতামত দিছে। সেই মতামতক মই যি মূল্য দিছোঁ, তাক মই প্ৰকাশ কৰিব নোৱাৰোঁ। কামত নহয়, চিন্তাতহে কিছু পৰিমাণে অগ্ৰগতি হৈছে বুলি আপুনি দিয়া মন্তব্যত মই অভিভূত হৈছোঁ। এই গুৰুত্বপূৰ্ণ বিষয়বোৰ ইমান বেছি সংখ্যক প্ৰগতিশীল মনে চিন্তা কৰিবলৈ লোৱাটো এটা ডাঙৰ কথা। কেতবোৰ বিষয়ত প্ৰকৃতপক্ষে যে আগবঢ়া হৈছে, তাক মই আপোনাক দেখুৱাবও পাৰোঁ। কিন্তু আজি আন এটা বিষয়ত আপোনাৰ মনোযোগ আকৰ্ষণ কৰিবলৈ ইচ্ছা কৰিছোঁ। সঘনে ব্যৱহৃত 'নৃশংস' শব্দটো যদি ব্যৱহাৰ কৰিব পাৰোঁ, তেন্তে কব খোজোঁ। যে নৃশংস কামত লিপ্ত জাতিবোৰৰ বিৰুদ্ধে কি কৰিব পৰা যায় ? আমেৰিকাত ব্যক্তি বিশেষে নৃশংস কামত লিপ্ত হৈছে। স্থানীয় আৰু ৰাষ্ট্ৰীয়ভাৱে শক্তিশালী পুলিচী ব্যৱস্থাৰ দ্বাৰা এনে কাৰ্য্য দমন কৰা হৈছে। মাঞ্চুৰিয়াত কানি বৰবিহৰ ঘৃণনীয় ব্যৱহাৰ, আবিছিনিয়া আৰু স্পেনৰ ঘটনা, আকস্মিকভাৱে অষ্ট্ৰিয়া অৱৰোধ আৰু জেকোশ্লোভেকিয়াৰ ঘটনা আদিত জাতিসমূহৰ মাজত চলা নৃশংস কাম সম্পৰ্কত আমি একে ধৰণৰ কিবা ব্যৱস্থা লব নোৱাৰোঁ নে ?"

গান্ধীজী এই বিষয়টো মোৰ বাবে নতুন নহয়।

ড মট মই ভাবোঁ, সেই কথা নহয়।

গান্ধীজী . ভাৰতৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত একে ধৰণৰে বিষয়টো মই বিচাৰ কৰিব লাগিব। আমি সাম্প্ৰদায়িক আৰু শ্ৰমিক অশান্তি নিবাৰণ কৰিবলগীয়া হৈছে। মন্ত্ৰিসভাবিলাকে কোনো কোনো ক্ষেত্ৰত সামৰিক বাহিনী আৰু অধিকাংশ ক্ষেত্ৰতে পুলিচ বাহিনী ব্যৱহাৰ কৰিছে। তেনে নকৰি মন্ত্ৰিসভাবিলাকৰ উপায় নাছিল বুলি মানি লৈও মই কৈছিলোঁ। যে অহিংস পন্থাত বিশ্বাসী তেওঁলোকে নিজৰ দায়িত্ব পালনত নিজৰ অন্তঃসাৰ-শূন্যতা প্ৰমাণ কৰিলে। তথাপি আপুনি সোধা প্ৰশ্নৰ উত্তৰত কওঁ যে যদি বিশ্বৰ শ্ৰেষ্ঠ ব্যক্তি কেইজনে অহিংসাৰ শক্তি হৃদয়ঙ্গম নকৰে, তেন্তে তেওঁলোকে ৰক্ষণশীল পথেৰে নৃশংসতাবাদৰ সন্মুখীন হব লাগিব। কিন্তু এই কাৰ্য্যই

কেবল মাত্র ইয়াকে দেখুৱাব যে আমি জঙ্গলৰ আইনৰ পৰা বেছি দূৰলৈ যাব পৰা নাই আৰু ১৯০০ বছৰৰ পুৰণি খ্ৰীষ্টান ধৰ্ম্মই যি শিকনি দিলে আৰু তাতোকৈ পুৰণি হিন্দু আৰু বৌদ্ধ ধৰ্ম্ম, আনহে নালাগে ইচলাম ধৰ্ম্মই (যদি মই এই বিষয়ে সঠিক অধ্যয়ন কৰিছো) যি শিকালে সেই ঐতিহ্যক চিনিবলৈ আমাৰ এতিয়াও বাকী আছে আৰু আমি মানুহ হিচাপে খুব বেছি দূৰ আগবাঢ়িব পৰা নাই। নিজৰ মনত অহিংসা শক্তি যিবিলাকৰ নাই, তেওঁলোকে শক্তি প্ৰয়োগ কৰাটো মই বুজিব পাৰো, কিন্তু যিবিলাকৰ অহিংস শক্তিত বিশ্বাস আছে, তেওঁলোকে আনহে নালাগে নৃশংসতাবাদ যে অহিংসাৰ দ্বাৰা সন্মুখীন হব পাৰি তাক প্ৰমাণ কৰিবলৈ তেওঁলোকে পূৰ্ণ আগ্ৰহ আৰু প্ৰচেষ্টা প্ৰয়োগ কৰাটো বিচাৰো। কাৰণ, শক্তি যি কোনো কাৰণতে ব্যৱহাৰ কৰা নহওক লাগিলে, অৱশেষত ই হিটলাৰ আৰু মুছোলিনিয়ে শক্তি ব্যৱহাৰ কৰি পোৱা ফলৰ সৃষ্টি কৰিব। পাৰ্থক্য থাকিব কেবল মাত্ৰাৰহে। আপুনি আৰু মই, যিসকলে অহিংসাত বিশ্বাস কৰো, তেওঁলোকে অহিংসাক জটিল মুহূৰ্ত্তত প্ৰয়োগ কৰিব লাগিব। অলপ সময়ৰ বাবে আমাৰ মূৰ দেৱালত খুন্দিওৱা যেন লাগিলেও, নৃশংস কামত লিপ্তসকলৰ অন্তৰ স্পৰ্শ কৰাত আমি হয়তো হতাশ নহম।

হৰিজন ১ ১২ ১৯৩৮ — ম দে

৬৬]

জাৰ্ম্মান সমালোচকলৈ উত্তৰ

ইহুদীসকলৰ প্ৰতি জাৰ্ম্মান সকলে নিজে কৰা আচৰণৰ বিষয়ে মই লিখা প্ৰবন্ধটোত খং থাব বুলি নভবাকৈ থকা নাছিলো। মই ইউৰোপীয় ৰাজনীতি নাজানো বুলি স্বীকাৰ কৰো, কিন্তু ইহুদীসকলৰ দুখ দুৰ্গতিৰ মোচন কৰিবলৈ মই যি উপদেশ দিছো তাৰ কাৰণে ইউৰোপীয় ৰাজনীতি বৰ ভালদৰে জানিবৰ প্ৰয়োজন নাই। উৎপীড়নৰ থাই থাই কথাবোৰ নিৰ্ব্বিবাদী সত্য। মোৰ প্ৰবন্ধটোৰ ওপৰত উঠা খং যেতিয়া মাৰ যাব আৰু আপেক্ষিকভাৱে শান্তি ঘূৰি আহিব তেতিয়া অতিশয় খং খোৱা সকলেও বুজিব যে মোৰ প্ৰবন্ধৰ অন্তৰালত জাৰ্ম্মানসকলৰ প্ৰতি বন্ধুত্ব আৰু সম্প্ৰীতিহে আছে, কোনো ক্ৰোধ ভাব নাই।

সক্ৰিয় অহিংসা নিভাঁজ ভ্ৰাতৃপ্ৰেম বুলি জানো মই দোহাৰি থকা নাই? ইহুদীসকলে নিৰুপায় হৈ আৰু বাধ্যত পৰিহে অহিংস নীতি নলৈ যদি সজ্ঞানে অ ইহুদী জাৰ্মানসকলৰ প্ৰতি সক্ৰিয় অহিংসা অৰ্থাৎ ভ্ৰাতৃপ্ৰেম অৱলম্বন কৰে তেনেহলে তেওঁলোকে জাৰ্মানসকলৰ অকণো অনিষ্ট কৰিব নোৱাৰে। বৰং ইয়াৰ ফলত জাৰ্মানসকলৰ শিলাময় হিয়াও কুমলিব বুলি মই ভাঠি ক'ব পাৰোঁ। বিশ্বৰ প্ৰগতিত ইহুদীসকলৰ অৱদান মহান। এতিয়া তেওঁলোকৰ এনে চৰম কাৰ্য্য সবাতোকৈ মহান অৱদান বুলি পৰিগণিত হ'ব আৰু তেতিয়া যুদ্ধও লোপ পাব।

মোৰ তেনেই নিৰ্দোষ প্ৰবন্ধটোত নো জাৰ্মানসকলৰ কিয় খং উঠিব লাগে জনা নাযায়। অৱশ্যে আনবোৰৰ দৰেই জাৰ্মান সমালোচকসকলেও মোৰ পৰামৰ্শটো এটা বিফল আৰু অবাস্তৱ প্ৰচেষ্টা বুলি হাঁহি উৰুৱাই দিব পাৰিলেহেতেন। এই ভাবিয়েই মোৰ প্ৰবন্ধটোৰ ওপৰত উঠা নিৰৰ্থক খং মই সহিছোঁ। কিন্তু কথা হ'ল মই লিখা কথাবোৰ তেওঁলোকে ভালদৰে বুজিছে নে বাৰু? মোৰ উপদেশবোৰ দেখাত হাস্যাস্পদ যেন লাগিলেও আচলতে যে তেনে নহয়, আৰু প্ৰতিশোধৰ ভাব পৰিহাৰ কৰি বেদনাতো সুখ উপলব্ধি কৰিব জানিলে যে এইবোৰ প্ৰকৃত কাৰ্য্যকৰী হ'ব এই কথাটো লিখকজনৰ হৃদয়ঙ্গম হৈছে নে বাৰু?

মই লিখা কথাবোৰ মোৰ নিজৰ, মোৰ আন্দোলনৰ নাইবা ভাৰত জাৰ্মান সম্পৰ্কৰ ক্ষেত্ৰত কোনো উপকাৰ সধা নাই বুলি কোৱাটো নিশ্চয় অবাস্তৱ কথা হ'ব, যদিও নিৰৰ্থক বুলি ক'ব নোৱাৰি, কিয়নো এনেদৰে ভবা বা কোৱাৰ পৰা অপকাৰ হোৱাৰ সম্ভাৱনা এটা আছে। মোৰ নিজৰ, দেশৰ বা ভাৰত জাৰ্মান সম্পৰ্কত ব্যাঘাত ঘটাৰ ভয়ত যদি মই অন্তৰৰো অন্তৰৰ পৰা সম্পূৰ্ণ উপযোগী বুলি উপলব্ধি কৰা উপদেশটো আগবঢ়াবলৈ ইতস্তত কৰোঁ তেনেহলে মই নিজকে কাপুৰুষ বুলিহে ক'ম।

বাৰ্লিনৰ লিখক গৰাকীয়ে এটা নতুন নীতি দেখুৱাইছে। সেইটো হ'ল— বন্ধুভাৱে হ'লেও জাৰ্মানিৰ বাহিৰৰ লোকে জাৰ্মানসকলৰ কাৰ্য্যৰ সমালোচনা যেন কৰিব নালাগে। মই কিন্তু ভাৰতবাসীৰ বিষয়ে জাৰ্মান বা বাহিৰা যি কোনো লোকে কিবা নতুন কথা কলে ভালহে পাওঁ। মই ব্ৰিটিছসকলৰ হৈ ক'ব খোজা নাই, কিন্তু তেওঁলোকৰ বিষয়ে যিকণ জানো, তেওঁলোকেও বাহিৰা মানুহে কৰা তথ্যপূৰ্ণ আৰু বিদ্বেষবিহীন সমালোচনা ভাল পায়।

আজি দেশবোৰৰ মাজৰ ব্যৱধান ক্ৰমে নোহোৱা হৈ গৈছে। গতিকে এনে এটা যুগত কোনো জাতিয়েই সাধুকথাৰ কূপমণ্ডূক হৈ থাকিব নোৱাৰে। কেতিয়াবা আনৰ দৃষ্টিত আমাৰ নিজক দেখা পালে নতুন আনন্দ পোৱা যায়। সেইগতিকে যদি জাৰ্ম্মান সমালোচকসকলে মোৰ এই প্ৰত্যুত্তৰ পঢ়িবলৈ পায় তেনেহলে মই আশা কৰোঁ তেওঁলোকে মোৰ প্ৰবন্ধটোৰ ওপৰত অভিমত সলনি কৰিব আৰু বাহিৰৰ সমালোচনাৰো মোল বুজিব।

সেৱাগ্ৰাম, ৮ ১২ ৩৮

হৰিজন ১৭ ১২ ১৯৩৮

[৬৭]

কেইটামান প্ৰশ্নৰ উত্তৰ

মই ইহুদীসকললৈ জনোৱা আবেদনৰ দুটা সমালোচনা বন্ধুসকলে মোলৈ পঠাইছে। সমালোচক দুজনে লিখিছে যে ইহুদীসকলে যোৱা দুহাজাৰ বছৰ ধৰি অহিংসা মানি আহিছে। সেইকাৰণে তেওঁলোকৰ ওপৰত চলোৱা অন্যায়ৰ বিৰুদ্ধে অহিংস নীতি লবলৈ উপদেশ দি মই একো নতুন কথা কোৱা নাই। সমালোচক দুজনৰ এই কথাৰ পৰা দেখা যায় তেওঁলোকে মোৰ কথাটো ভালদৰে বুজা নাই। মই যিমানদূৰ জানো, ইহুদীসকলে অহিংসাক মূলনীতিৰূপে কোনো দিন গ্ৰহণ কৰা নাছিল। তেওঁলোকৰ উপৰিপুৰুষ সকলেই দেখোন যীচুখ্ৰীষ্টক বধ কৰি জগতত কালিমা ৰাখিলে। হুলেৰে হুল কঢ়াটোৱেই জানো তেওঁলোকৰ নীতি নহয়? উৎপীড়ক সকলৰ বিৰুদ্ধে তেওঁলোকৰ অন্তৰত জানো হিংসাৰ ভাব নাই? তেওঁলোকৰ মুক্তিৰ কাৰণে তথাকথিত গণতান্ত্ৰিক দেশবোৰে জাৰ্ম্মানিক শাস্তি দিয়াটোকে জানো তেওঁলোকে নিবিচাৰে? যদি তেওঁলোকে তাকে বিচাৰিছে তেনেহলে তেওঁলোকৰ অন্তৰত অহিংসাৰ স্থান ক'ত? তেওঁলোকৰ এনে অহিংসাকে যদি অহিংসা বুলি কোৱা হয় তেনেহলে এই অহিংসা হৈছে অসহায়ৰ অহিংসা, দুৰ্ব্বলৰ অহিংসা।

পিছে, মই কৈছিলোঁ। অন্তৰৰ পৰা হিংসাৰ গাঁচ মচি পেলাবলৈ। আৰু কৈছিলোঁ, হিংসা গুচিলে যি সক্ৰিয় শক্তি অন্তৰত জাগি উঠে সেই শক্তিক কামত খটুৱাবলৈ। সমালোচক দুজনৰ এজনে লিখিছে, অহিংসাৰ পৰা

উপকাৰ পাবলৈ হ'লে ইয়াৰ সপক্ষে জনমতৰ প্ৰয়োজন। ইয়াৰ পৰা বুজা গৈছে যে লিখকজনে নিষ্ক্ৰিয় প্ৰতিৰোধক দুৰ্ব্বলৰ অস্ত্ৰ বুলি ভাবিছে। মই কিন্তু দুৰ্ব্বলৰ নিষ্ক্ৰিয় প্ৰতিৰোধ আৰু বলীৰ সক্ৰিয় প্ৰতিৰোধ—এই দুয়োটাকে একে বুলি নাভাবোঁ। বলীৰ সক্ৰিয় অহিংস প্ৰতিৰোধে প্ৰবলতম বিৰোধিতালৈকো ভ্ৰূক্ষেপ নকৰি কাম কৰি যাব পাৰে আৰু অৱশেষত মানুহৰ সহানুভূতিও লাভ কৰে। অহিংসলোকৰ দুখ যন্ত্ৰণাই শিলাময় হিয়াকো গলোৱাৰ উদাহৰণ আছে। মই এইটো ন দি ক'ব পাৰোঁ, ইহুদীসকলে কেৱল অহিংসাৰ পৰা উদ্ভৱ হোৱা আত্মাশক্তিৰ বা ব্ৰহ্মশক্তিৰ সহায় ললে তেওঁলোকৰ অন্তৰত এনে সাহস উপজিব যি সাহসৰ ওচৰত হেৰ হিটলাৰেও সেও মানিব, কিয়নো তেওঁ জীৱনত কোনো দিনে তেনে সাহসৰ সন্মুখীন হৈ পোৱা নাই। এনে সাহস দেখা পালে তেওঁৰ প্ৰবল প্ৰতাপী সৈন্যবাহিনীৰ সাহসতকৈও যে ই শত সহস্ৰগুণে শ্ৰেষ্ঠ সেইটো স্বীকাৰ কৰিব। পিছে, এনে সাহস দেখুৱাব পাৰে কেৱল সত্য আৰু অহিংসাক অৰ্থাৎ প্ৰেমকেই যি জনে ঈশ্বৰ জ্ঞান কৰিছে তেওঁহে।

অৱশ্যে সমালোচক দুজনে যুক্তি দেখুৱাই ক'ব পাৰে যে মই বুজোৱা অহিংসা সৰ্ব্বসাধাৰণৰ কাৰণে নহয়, মাথোন মুষ্টিমেয় কেইজনমান শ্ৰেষ্ঠ পুৰুষেহে এনে অহিংসা মানি চলিব পাৰে। মই কিন্তু এই মতটোও সমৰ্থন নকৰোঁ। মই কওঁ, উপযুক্ত শিক্ষা আৰু প্ৰকৃত নেতৃত্ব পালে সৰ্ব্বসাধাৰণ সকলো মানুহেই মোৰ অহিংস নীতি মানি চলিব পাৰে।

মোৰ এই পৰামৰ্শটো ভুল বুজা হৈছে বুলি মই জানিছোঁ। মই পীড়িত ইহুদীসকলক অহিংস প্ৰতিৰোধ চলাবলৈ উপদেশ দিছোঁ কাৰণেই তেওঁলোকৰ হৈ গণতান্ত্ৰিক দেশবোৰে তাত হস্তক্ষেপ নকৰাটোকে মই বিচাৰিছোঁ বুলি ধৰি ললে ভুল হ'ব। মই এই ভুল ধাৰণাৰ উত্তৰ দিয়াৰ প্ৰয়োজন নাই। মই কিবা এটা কলোঁ বুলিয়েই ডাঙৰ শক্তিবোৰে কোনো কাম নকৰাকৈ নাথাকে। অমানুষিক অত্যাচাৰ উৎপীড়নৰ পৰা ইহুদীসকলৰ মুক্তিৰ অৰ্থে এই শক্তিবোৰে যথাসাধ্য চেষ্টা কৰিব আৰু কৰিবলৈকো বাধ্য। ডাঙৰ শক্তিবোৰে ইহুদী-সকলক ভালদৰে সহায় কৰিবলৈ অসমৰ্থ বুলি ভাবিছে। এনে অৱস্থাত মোৰ আবেদনে সহায়হে কৰিব। সেই কাৰণেই মই এই অহিংস পন্থা আগবঢ়াইছোঁ। ইয়াক উচিতমতে কামত খটুৱাব পাৰিলে সুনিশ্চিত ফল পোৱা যাব বুলি মই ভাবোঁ।

লিখক দুজনৰ সমালোচনাৰ আটাইতকৈ মন কৰিবলগীয়া কথা হ'ল এইটো। ভাৰতত মই নিজে অহিংসনীতিৰ নেতৃত্ব লৈ কাম কৰিছোঁ; তথাপি দেখোন ভাৰতেই সম্পূর্ণৰূপে অহিংসা মানি লোৱা নাই। তেনেস্থলত ইহুদী সকলে মোৰ পৰামৰ্শ মানিব বুলি মই কেনেকৈ আশা কৰিব পাৰোঁ? ইয়াৰ উত্তৰত মই মাথোন কওঁ, 'যি সকলে ফলাফল কামনা নকৰে তেওঁলোকেই জগতত ধন্য।' ময়ো অন্তত এই ক্ষেত্ৰত ধন্যসকলেৰে এজন। মই অন্যায় অবিচাৰৰ প্ৰতিকাৰৰ উপায় দেখা পাইছোঁ, আৰু এই উপায়েৰে সুফল পাব পাৰি বুলিও জানো। তেনেস্থলত এই উপায়টো লৈ তেওঁলোকৰ মনোযোগ আকৰ্ষণ নকৰিলে অন্যায় হ'ব বুলি মই ভাবোঁ।

ইমান দিনে মই ইউৰোপীয় ৰাজনীতিত নামিব খোজা নাছিলোঁ। এতিয়াও নামিব খোজা নাই। আবিছিনিয়াৰ ক্ষেত্ৰত কওঁ নকওঁকৈহে মোৰ পৰামৰ্শ আগবঢ়াইছিলোঁ। জেক আৰু ইহুদীসকলৰ কথা আবিছিনীয়সকলতকৈও স্পষ্টৰূপে মই জানিব পাৰিছোঁ। সেয়েহে এতিয়া মই নিলিখাকৈ থাকিব নোৱাৰিলোঁ। সম্ভৱ ড মটে সিদিনা মোক ঠিকেই কৈছিল, মই যদি ভাৰতৰ মুক্তি সংগ্ৰামত সাহায্য পাব লাগে তেনেহলে জেক আৰু ইহুদীসকলৰ বিষয়ে যেনেকৈ লিখিছোঁ তেনেধৰণৰ প্ৰবন্ধ বহুতো লিখিব লাগে। তেওঁ কৈছিল যে পশ্চিমীয়া দেশবোৰে এতিয়াহে অহিংসাৰ বাণী বুজিবলৈ সক্ষম হৈছে।

সেৱাগ্ৰাম, ৯ ১১ ৩৮

হৰিজন ১৭ ১২ ১৯৩৮

[৬৮]

অহিংসা আৰু বিশ্বৰ সঙ্কট

বিশিষ্ট অতিথিসকল

অলপতে মাদ্ৰাজৰ ওচৰত টম্বৰম নামে ঠাইত আন্তঃৰাষ্ট্ৰীয় মিছনাৰী সম্মিলন এখন হৈছিল। এই সম্মিলনৰ জৰিয়তে আমাৰ মাজলৈ অনেক বিশিষ্ট অতিথিৰ সমাগম হৈছিল। সম্মিলনৰ আগে আগে ভাবৰ আদান-প্ৰদান কৰিবলৈ কেইবাগৰাকীও অতিথিয়ে গান্ধীজীৰ লগত সেৱাগ্ৰামত দেখাসাক্ষাৎ কৰিছিল। তেওঁলোকৰ ভিতৰত আছিল ৰেভাৰেণ্ড উইলিয়াম পেটন্—এখেত আন্তঃৰাষ্ট্ৰীয় মিছনাৰী পৰিষদৰ সচিব, ৰেভাৰেণ্ড লেচলি বি মছ—এখেত

এজন খ্রীষ্টান ধৰ্ম্মৰ ভাঙৰ নেতা আৰু উত্তৰ আমেৰিকাৰ মিছনাৰী সন্থা সম্মিলনৰ সচিব, লণ্ডনৰ ব্রিটিছ আৰু বিদেশী বাইবেল সন্থাৰ ডা ই স্মিথ—এখেত মিছনাৰী কামৰ উপৰিও নৃতত্ত্ব বিষয়বো এজন প্রামাণ্য স্বৰূপ, আৰু ডঃ জন মট—এখেতক ৰেভাৰেণ্ড জে জেদ, হুজে এওঁলোক সকলোতকৈ মহান পুৰুষ বুলি উল্লেখ কৰিছিল। তেখেতে গান্ধীজীৰ লগত হোৱা কথা বতৰাৰ বিষয়ে এম. ডি এ'এই শিতানতে ইতিমধ্যে বহলাই আলোচনা কৰিছে।

তেওঁলোকৰ সমস্যাৱলী

এই বিশিষ্ট অতিথিসকলৰ উৎকণ্ঠাৰ বিষয় হৈছে,—"আগন্তুক বিশ্ব সঙ্কটে সমগ্ৰ মানৱ জাতিক হিংসা আৰু ঘৃণাৰ কবললৈ ঠেলি নিছে, গতিকে মানৱ জাতিক কেনেকৈ ইয়াৰ পৰা উদ্ধাৰ কৰিব পৰা যাব?" 'মানৱ সভ্যতা' আজিৰ দৰে কোনো কালেই সম্ভৱত এনে পাশৱিক শক্তিৰ মুকলি ভাবুকিৰ সন্মুখীন হোৱা নাছিল। ড মটৰ ভাষাৰে কবলৈ গলে ই হৈছে 'নপুংসকৰ লাঞ্ছনাৰ' ভাবুকি। মানৱতাৰ বিৰুদ্ধে এনে বৰ্ব্বৰতাৰ অভ্যুত্থান ইয়াৰ আগেয়েও নোহোৱাকৈ থকা নাছিল। টাইমুৰলেন অথবা এটিলা আৰু তেওঁৰ হুনসকলৰ আবিৰ্ভাৱৰ সময়ত বিশ্বক আবৰি ধৰা প্ৰবল ধুমুহা আজিৰ এই ভাবুকিৰ দৰেই ভয়াবহ আছিল। কিন্তু এতিয়া কথা হ'ল, এনে দুৰ্য্যোগৰ সন্মুখীন হ'বলৈ আজি যি 'আত্মাৰ শক্তিৰ অস্ত্ৰ' আবিষ্কাৰ হৈছে সেই অস্ত্ৰৰ কথা পশ্চিমীয়া দেশবোৰে তেতিয়া জনাই নাছিল। দুখৰ কথা, দুহাজাৰ বছৰৰ আগেয়ে এই দেশবোৰে যীচুখ্রীষ্টৰ বাণী লাভ কৰা সত্ত্বেও সেই বাণী যিবিলাকে সকলো ক্ষেত্ৰতে খটুওৱা নাছিল এতিয়া আগন্তুক দুৰ্য্যোগ দেখি এই দেশবোৰ নিঠকৱা হৈ পৰিছে। সেয়েহে বৰ্ত্তমান সমস্যাৰ পটভূমিত যীচুৰ বাণীৰ নতুন মূল্যাঙ্কন কৰি ইয়াক কেনেকৈ সফলতাৰে কামত খটুৱাব পাৰি তাকে জানিবলৈ এই দেশবোৰৰ জনাগুনা আৰু নেতৃস্থানীয় লোকৰ মাজত এটা আগ্ৰহ জন্মিছে।

ভাৰতৰ অহিংসা আন্দোলনৰ কথা কিন্তু বেলেগ। সেইদেখি এই বৈশিষ্ট্যই ইয়াক গোটেই বিশ্বৰ কাৰণে তাৎপৰ্য্যপূৰ্ণ কৰি তুলিছে। সেইদেখি গান্ধীজীৰ অহিংসাৰ মূল উৎসৰ কথা বুজিবলৈ অতিথি বন্ধু কেইজন স্বাভাৱিকতে আগ্ৰহান্বিত হৈছিল আৰু খুচৰি খুচৰি প্ৰশ্ন সুধিছিল। তেওঁলোকে গান্ধীজীৰ অহিংসাৰ মূল তাৎপৰ্য্য আৰু ইয়াৰ প্ৰকৃতি, প্ৰাৰ্থনা আৰু অনশন আৰু

মৌনতাৰ প্ৰকৃত তাৎপৰ্য্য বুজিবলৈ বিচাৰিছিল। বিশ্বৰ অৰাজকতা আৰু দেশবোৰৰ পৰস্পৰৰ মাজত থকা বৰ্ব্বৰতাৰ সমস্যাৱলীত গান্ধীজীয়ে উলিওৱা অহিংস প্ৰতিৰোধ কেনেদৰে খটুৱাব পৰা যাব সেইবিষয়েও নানাতৰহৰ প্ৰশ্ন তেওঁলোকে সুধিছিল। অৱশেষত, একেটা লক্ষ্যত উপনীত হ'বৰ অৰ্থে ভাৰতৰ অহিংস আন্দোলন আৰু তেওঁলোকৰ মিছনাৰী কাৰ্য্যাৱলীৰ কেনেদৰে সংহতি সাধন কৰিব পৰা যাব এইবিষয়েও অতিথিসকলে গান্ধীজীৰ পৰামৰ্শ বিচাৰিছিল।

ওপৰত কোৱা কথাবোৰৰ শেহৰটো ইতিমধ্যে শ্ব মটৰ আলোচনাৰ প্ৰসঙ্গত বহলাই কোৱা হৈছে। সেইকাৰণে ইয়াত অতিথিসকলে গান্ধীজীৰ লগত হোৱা আলোচনাৰ আন আন কথাবোৰহে চমুৱাই কম আৰু গান্ধীজীৰ কথাবোৰ বুজাবলৈ তেখেতে অন্য প্ৰসঙ্গত কোৱা কথাবো অৱতাৰণা কৰিম।

অভিপ্ৰায়ৰ প্ৰশ্ন

অতিথিসকলৰ এগৰাকীয়ে গান্ধীজীক মূলতেই ধৰি প্ৰশ্ন কৰিলে—গান্ধীজীৰ জীৱনৰ মূল উদ্দেশ্য বা অভিপ্ৰায় অৰ্থাৎ "যি আমাৰ কৃত্য কৰ্ম্মবোৰ সম্পাদন কৰায়", সেইটো কি? সেইটো কিবা ধৰ্ম্মীয়, নে সামাজিক নে ৰাজনৈতিক উদ্দেশ্য?

"তেনেই ধৰ্ম্মীয় কথা", গান্ধীজীয়ে ক'লে। তেওঁ আৰু ক'লে, "তেনেই ৰাজনৈতিক কাৰণত সঁজাতি দল এটাত যাওঁতে স্বৰ্গীয় মণ্টেগুৱে এই একেটা কথাকে এবাৰ মোক সুধিছিল। তেওঁ সুধিছিল, 'আপুনি এজন সমাজসেৱী হৈ এই দলটোত সোমাল কেনেকৈ?' তেতিয়া এইটোও মোৰ সামাজিক কামৰে ভিতৰুৱা কথা বুলি মই তেওঁক কৈছিলোঁ। বিশ্ব মানবৰ ভিতৰৰে ময়ো এজন বুলি নধৰিলে মোৰ ধৰ্ম্মীয় জীৱনত ব্যাঘাত ঘটিব। আৰু তেনেকৈ ধৰিবলৈ যাওঁতেই ৰাজনীতিতো সোমাব লাগিব। আজিৰ জগতৰ মানুহৰ সকলো কাৰ্য্য এটা সামগ্ৰিক অখণ্ড ৰূপতহে প্ৰকাশ পায়। এইটো কাম সামাজিক, সেইটো কাম ৰাজনৈতিক, সেইটো অৰ্থনৈতিক, সেইটো ধৰ্ম্মীয় বুলি আপুনি কামবোৰ ভাগ ভাগকৈ দেখুৱাব নোৱাৰে। মানুহৰ কাৰ্য্যক বাদ দি ধৰ্ম্ম কিবা হ'ব পাৰে বুলি মই নাভাবোঁ। ধৰ্ম্মই মানুহৰ সকলো কাৰ্য্যৰে নৈতিক ভেটি স্থাপন কৰে। আৰু এনে নৈতিক ভেটি নহলে মানৱ-জীৱনটোৱেই হৈ পৰে নিষ্ফল আৰু নিৰৰ্থক।"

গান্ধীজীক আকৌ সোধা হ'ল, "জনগণৰ ওপৰত আপোনাৰ অখণ্ডনীয় প্ৰভাব দেখা পাইছোঁ। তাকে দেখি আমাৰ জানিবৰ কৌতূহল হৈছে, আপোনাক কিহে পৰিচালিত কৰে? উদ্দেশ্য বা লক্ষ্যৰ প্ৰতি আপোনাৰ নিষ্ঠাই, নে জনগণৰ প্ৰতি থকা আপোনাৰ প্ৰেমে?"

"জনগণৰ প্ৰতি থকা মোৰ প্ৰেমে"—গান্ধীজীয়ে ততালিকে উত্তৰ দিলে। "জনগণক বাদ দি কি লক্ষ্য থাকিব পাৰে? মানৱ প্ৰেমেই মোৰ জীৱনৰ আগছোৱাত মোক অস্পৃশ্যতা সমস্যাৰ সম্মুখীন কৰিলে। মোক আয়ে কৈছিল, 'তুমি এই অস্পৃশ্য লৰাটো চুব নোৱাৰা।' কিন্তু, 'কিয় চুব নোৱাৰোঁ আই?'—এইটোৱেই আছিল মোৰ ডাঙৰ প্ৰশ্ন আৰু তেতিয়াৰ পৰাই মোৰ বিদ্ৰোহ আৰম্ভ হৈছিল।"

ৰাজনীতি বাদ নাযায়

"আমি খ্ৰীষ্টানসকলেও আপোনাৰ আৰ্হিকে লোৱাটো আপুনি বিচাৰিব পাৰে। পিছে আমি ধৰ্ম্মৰ উদ্দেশ্যে কাম কৰা মানুহ; তেনেহলে আমিও ৰাজনীতিত সোমাই পৰিব লাগিব নে?"—আকৌ প্ৰশ্ন আহিল।

গান্ধীজীয়ে উত্তৰত কলে, "এই দেশলৈ যিসকল বিদেশৰ পৰা আহিছে তেওঁলোকে 'আমাৰ এই দেশৰ ৰাজনীতিৰ লগত কোনো সম্পৰ্ক নাই বুলি' ক'ব নোৱাৰে। তেওঁলোকে তেওঁলোকৰ ভ্ৰাতৃপ্ৰেম সকলোতকৈ ডাঙৰ বুলি চৰকাৰৰ লগত বাক বিতণ্ডা চলালে বুজিব লাগিব ধৰ্ম্মৰ প্ৰতি তেওঁলোকৰ নিষ্ঠা কম। ধৰি লওক, কোনো এখন চৰকাৰে সেইদেশৰ প্ৰজাসকলৰ ওপৰত কিবা এটা ডাঙৰ অন্যায় আচৰণ কৰিছে, আৰু মিছনাৰীসকলক কোৱা হৈছে যে তেওঁলোকে ইয়াত কোনো মাত মাতিব নোৱাৰে। তেতিয়া মিছনাৰীসকলৰ কৰ্ত্তব্য কি হ'ব? তেওঁলোকে চৰকাৰৰ যে এনে অন্যায় অবিচাৰ সমৰ্থন কৰিব নোৱাৰে, আৰু ইয়াত যে তেওঁলোক কষ্ট হৈছে তাকে দেখুৱাই সেই দেশ এৰি গুচি যাব লাগিব। মিছনাৰী এজন থকক ইয়াৰ ফলত নিৱস্তুৱা হ'ল। তেওঁ কোনোকালে কামৰ সুবিধা নোপোৱাকৈ নাথাকে। আজি হয়তো আৰ্থিক ক্ষেত্ৰত, কাইলৈ বা সামাজিক ক্ষেত্ৰত, তাৰ পিছত বা ৰাজনৈতিক ক্ষেত্ৰত তেওঁৰ কামৰ সুবিধা ওলাব। তেতিয়া আৰু 'মই কেৱল এইটো বা সেইটো কামতেই আত্মনিয়োগ কৰিম, আন কাম নকৰোঁ'—এইবুলি তেওঁ ক'ব নোৱাৰে। মই দক্ষিণ আফ্ৰিকালৈ যাওঁতে প্ৰথমতে সেই দেশখনৰ

কথা একোকে নাজানিছিলোঁ, মোৰ মক্কেলসকলক লৈয়েই ব্যস্ত আছিলোঁ। তথাপি ভাত গৈ পোৱাৰ এসপ্তাহৰ ভিতৰতে এনে এটা ভয়াবহ পৰিস্থিতিত মই জড়িত হৈ পৰিলোঁ—যিটো পৰিস্থিতিৰ কথা বুজাবলৈ মোৰ ভাষা নোলায়।"

অহিংসাই চৰম নীতি

"আমি পশ্চিমীয়াসকলে যি এটা নিস্ফল শান্তিকামী মনোভাব পোষণ কৰিছোঁ"—ইয়াৰ লগত গান্ধীজীৰ অহিংসাৰ কিবা মিল আছে নে নাই সেই কথাটো ইয়াৰ পিছতে সোধা হৈছিল। নৈতিক শক্তিয়ে ঐহিক বস্তুবাদী জগতত কেনেদৰে প্ৰভাব বিস্তাৰ কৰিব পাৰে বা নোৱাৰে সেই কথা গান্ধীজীৰ দৰে অবিশেষ এজনক ধৰ্মৰ বিশিষ্ট নেতাসকলে সোধা কথাটো কিবা আচৰিত যেন লাগে।

গান্ধীজীয়ে উত্তৰত ক'লে, "মোৰ মানত অহিংসা কোনো প্ৰকাৰৰ নিষ্ক্ৰিয়তা নহয়। মোৰ অহিংসা জগতত আটাইতকৈ সক্ৰিয় শক্তি বিশেষ বুলিহে মই বুজোঁ। সেইকাৰণে ঐহিক বস্তুবাদেই বোলক বা যিয়েই নোবোলক, তাত যি অহিংসাই সুফল নিদিয়ে সেই অহিংসা মই বুজোৱা সক্ৰিয় শক্তি হ'ব নোৱাৰে। উদাহৰণ স্বৰূপে বাক ধৰক, আপুনি মোৰ আগত এটা জটিল সমস্যা বা সাঁথৰ দাঙি ধৰিছে, মই যদি সেই সমস্যাটো ভাঙি দিব নোৱাৰোঁ, মই যদি নিৰুত্তৰ হৈ পৰোঁ, তেনেহলে মই ক'ম মোৰ অহিংসাত কিবা এটা দোষ ঘটিছে। মনত ৰাখিব—অহিংসাই চৰম পন্থা বা নীতি। যোৱা অৰ্দ্ধ-শতিকা জোৱা অভিজ্ঞতাৰ পৰা ক'ব পাৰোঁ, মই আজিলৈকে এনে এটা পৰিস্থিতিত পৰা নাই যত মই নিৰুপায় হৈছোঁ, যত মই মোৰ অহিংসাৰ সুফল পোৱা নাই।"

ইহুদীসকল আৰু অহিংসা

"ইহুদীসকলৰ কথাটো ধৰকচোন। অহিংস পন্থা লৈ কোনো ইহুদীয়েই নিৰুপায়ত পৰা বুলি ভাবিব নালাগে। ইহুদীসকলৰ বিষয়ে ইতিমধ্যে মই লিখিছোঁ। তেওঁলোক হিংস হৈ চলিছে বুলি মই লৈই প্ৰৱক্ত ধৰি লৈছোঁ বুলি এজন বন্ধুৱে আপত্তি কৰি মোলৈ এখন চিঠি লিখিছে। কথা সচা, ইহুদীসকলে নিজে সক্ৰিয়ভাৱে হিংসা অৱলম্বন কৰা নাই। কিন্তু তেওঁলোকেই

দেখোন জাৰ্মানসকলক অভিশাপ দিছে আৰু আমেৰিকা আৰু ইংলণ্ডই তেওঁলোকৰ হৈ জাৰ্মানিৰ বিৰুদ্ধে যুদ্ধ কৰাটোকে বিচাৰিছে। মোৰ শত্ৰুজনক আঘাত কৰাটো নিশ্চিত হিংসা। কিন্তু প্ৰকৃত অহিংস হ'ব লাগিলে মোৰ শত্ৰুজনে মোক মাৰিলেও মই তেওঁৰ অহিত চিন্তা নকৰি তেওঁক দয়া কৰিব লাগিব আৰু তেওঁৰ হৈ ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনাহে জনাব লাগিব। ইহুদীসকল সক্ৰিয়ভাৱে অহিংস হ'ব পৰা নাই। হ'ব পৰা হ'লে তেওঁলোকে ক'ব পাৰিলে-হেতেন, 'আমি জাৰ্মানসকলৰ পৰা পোৱা সকলো দুখ যন্ত্ৰণা সহিম, তেওঁলোকেতো ইয়াতকৈ ভাল ব্যৱহাৰ কৰিব নাজানে। পিছে, তেওঁলোকে আমাক যেনেকৈ ভোগাব খুজিছে আমি হ'লে তেনেকৈ নোভোগোঁ।' যদি এজন ইহুদীয়েও এনেদৰে কাম কৰিলেহেতেন তেনেহলে তেওঁ আত্মসন্মানো ৰাখিলেহেতেন আৰু ইয়াৰ দ্বাৰাই এটা আৰ্হিও ৰ'লহেতেন। পিছত এই আৰ্হিকে সকলো ইহুদীয়ে ললে জগতত এটা ডাঙৰ আদৰ্শৰ পৰম্পৰা সৃষ্টি হ'লহেতেন।

চীনৰ অগ্নিপৰীক্ষা

'আপোনালোকে চীনৰ কথা উলিয়াব পাৰে। আনৰ ওপৰত চীনাসকলৰ কোনো বেয়া অভিপ্ৰায় নাই। ৰাজ্যবিস্তাৰৰ আকাঙ্ক্ষা তেওঁলোকৰ নাই। অৰ্থাৎ, হয়তো আনক আক্ৰমণ কৰিবলৈ চীনাসকল সাজু হ'ব পৰা নাই আৰু তেওঁলোকৰ যি শান্তিকামী মনোভাৱ দেখা গৈছে, হয়তো, সেইটোও তেওঁ লোকৰ অলসতাহে। কিন্তু কথা যিয়েই নহওক, চীনো সক্ৰিয়ভাৱে অহিংস নহয়। তেওঁলোকে যে জাপানৰ বিৰুদ্ধে বিক্ৰমেৰে প্ৰতিৰোধ চলাইছে সেয়ে তেওঁলোকৰ ইচ্ছাকৃতভাৱে অহিংস নোহোৱাৰ সঠিক প্ৰমাণ। চীনাসকলে আত্মৰক্ষাৰ কাৰণে যুদ্ধ কৰাটোও অহিংসনীতিৰ বিপৰীত কথা। সেয়েহে দেখা গ'ল সক্ৰিয় অহিংসাৰ পৰীক্ষাত তেওঁলোক ব্যৰ্থ হৈছে। চীনক সমালোচনা কৰিবলৈ মই এই কথাবোৰ কোৱা নাই। চীনৰ কৃতকাৰ্য্যতাকে মই কামনা কৰোঁ। সকলোৱে গৃহীত মান অনুসৰি বিচাৰ কৰিলে দেখা যাব চীনৰ আচৰণ সম্পূৰ্ণ শুদ্ধ। কিন্তু অহিংসাৰ দৃষ্টিৰে বিচাৰ কৰি মই ক'ম যে জাপানৰ সমানেই সুসভ্য ৪০ কোটি অধিবাসীৰে সমৃদ্ধ এখন দেশে জাপানৰ নিজৰ নীতিকে লৈ জাপানী আক্ৰমণ প্ৰতিহত কৰিবলৈ যোৱাটো সন্মানজনক কথা হোৱা নাই। মোৰ অহিংসাকে যদি চীনে গ্ৰহণ কৰিলেহেতেন তেনেহলে

জাপানৰ ধ্বংসকাৰী শেহতীয়া অস্ত্ৰবোৰৰ কোনো প্ৰয়োজন নাথাকিলেহেঁতেন। তেতিয়া চীনাসকলে জাপানীসকলক ক'ব পাৰিলেহেঁতেন, 'আমাৰ দেশৰ আধা মানুহ তোমালোকৰ সন্মুখলৈ আগবঢ়াই দিছোঁ, তোমালোকৰ সকলো-বোৰ মাৰণাস্ত্ৰ আনি সিহঁতক শেষ কৰি পেলোৱা। কিন্তু বাকী যি ২০ কোটি মানুহ থাকিব, তেওঁলোকে হ'লে কেতিয়াও তোমালোকৰ সেও নামানে।' চীনে তেনে কৰিলে জাপান চীনৰ বহতীয়া হৈ পৰিলহেঁতেন।". গান্ধীজীয়ে তেওঁৰ যুক্তিলৈ সমৰ্থন দেখুৱাই শ্বেলীৰ বিখ্যাত The Mask of Anarchyৰ 'Ye are many they are few' (তোমালোক অনেক, তেওঁলোক অলপ কেইজনমানহে)—কবিতাৰ কেইশাৰীমানলৈ আঙুলিয়াই দিছিল।

যান্ত্ৰিক সংগ্ৰাম আৰু অহিংসা

গান্ধীজীয়ে আৰু কৈছিল, "ইহুদীৰ ক্ষেত্ৰত প্ৰপীড়ক আৰু প্ৰপীড়িত সকলৰ মাজত ব্যক্তিগত সম্পৰ্ক বা সান্নিধ্য দেখা যায়। সেই হেতু ইহুদী সকলৰ কাৰণে অহিংস নীতি লোৱাটো সম্ভৱ হ'ব পাৰে। কিন্তু চীনত জাপানে বিমানেৰে আৰু বহু দূৰৰ পৰা গুলিয়াব পৰা বন্দুক-বাৰুদেৰে প্ৰবেশ কৰিছেগৈ। যিজন মানুহে আকাশৰ ওপৰৰ পৰা মাৰণাস্ত্ৰ বৰষে তেওঁ তলত কোন কোন আৰু কিমান ধ্বংস হ'ল তাকেইবা কেনেকৈ জানিব? বৈমানিক সংগ্ৰামত ব্যক্তিগত সংস্পৰ্শ নাথাকে, গতিকে ইয়াত অহিংস প্ৰতিৰোধ কেনেকৈ চলিব পাৰে?—এই যুক্তিৰ উত্তৰত মই কওঁ মাৰাত্মক বোমাটো দলিয়াই দিয়ে মানুহে হাতেৰে আৰু এই হাতখনকো পৰিচালনা কৰে এখন মানৱ অন্তৰেহে। বৰ বেছি অত্যাচাৰ উৎপীড়নৰ দ্বাৰা সন্ত্ৰাসৰ সৃষ্টি কৰিলে শত্ৰুপক্ষই বশ্যতা স্বীকাৰ কৰিব বুলি স্বেচ্ছাচাৰীসকলে ভাবে। কিন্তু ধৰি লওকচোন এখন দেশৰ সকলো মানুহে যদি স্বেচ্ছাচাৰীজনৰ ওচৰত সেও নামানিবলৈ আৰু স্বেচ্ছাচাৰীজনৰ নিজৰ পন্থাকে লৈ তেওঁৰ ওপৰত প্ৰতিশোধ নলবলৈ দৃঢ়প্ৰতিজ্ঞ হয় তেনেহলে সেই স্বেচ্ছাচাৰীজনেও পীড়ন কৰাৰ পৰা কোনো লাভ নহব বুলি স্বেচ্ছাচাৰ এৰি পেলাব। স্বেচ্ছাচাৰীজনে যি বিচাৰে তাকে দি থাকিলে সময়ত তেওঁৰ আৰু নি লগা অৱস্থা হবগৈ। জগতৰ সকলোবোৰ নিগনি লগ হৈ মেকুৰীলৈ ভয় নকৰিবলৈ ঠিক কৰিলেই সিহঁত জীয়াই থাকিব পাৰিব। মেকুৰী এটাই নিগনি এটাৰ লগত ধেমালি কৰা মই নিজ চকুৰে দেখিছোঁ। মেকুৰীটোৱে নিগনিটোক

একোবাৰ সাহেকৈ কামুৰি ধৰে আৰু এৰি দিয়ে। কিন্তু নিগনিটোৱে পলাব খুজিলেই মেকুৰীটোৱে জাপ মাৰি ধৰি আনে। এনেকৈ খেলি থাকোঁতেই পিছে ভয়তে নিগনিটো মৰিল। নিগনিটোৱে পলাবলৈ চেষ্টা নকৰিলে মেকুৰীটোৱেও মাৰিবলৈ চেষ্টা নকৰিলেহেতেন।

মোৰ পৰিবাৰৰ পৰা মই প্ৰথম অহিংসাৰ শিক্ষা লাভ কৰিছিলোঁ। মই নিৰ্ব্বোধ ভাবে যেতিয়া তেওঁক মোৰ ইচ্ছামতে চলাবলৈ চেষ্টা কৰিছিলোঁ তেতিয়া তেওঁ দৃঢ়ভাৱে এহাতে মোৰ ইচ্ছাৰ বিৰোধিতা কৰিছিল আৰু আনহাতে মই দিয়া সকলো শাস্তি মানি লৈছিল। ফলত মই নিজেই লাজ পাইছিলো। তেওঁক শাসন কৰাটো যেন মোৰ জন্মস্বত্ব এই নিৰ্ব্বোধ ধাৰণা মোৰ দূৰ হৈছিল আৰু অৱশেষত তেওঁ মোৰ অহিংসাৰ শিক্ষয়িত্ৰী হৈ পৰিছিল। মোৰ পৰিবাৰে ব্যক্তিগত জীৱনত অনিচ্ছাকৃতভাবে চলোৱা সত্যাগ্ৰহকে মাথোন মই দক্ষিণ আফ্ৰিকাত গৈ চলাইছিলোঁ।"

একনায়কত্বৰ ক্ষেত্ৰত অহিংসা

তেতিয়া এজন অতিথিয়ে সুধিলে, "আপুনি হিটলাৰ আৰু মুছোলিনিৰ কথা নাজানে। তেওঁলোকৰ বিবেক লোপ হৈছে। সেই কাৰণে তেওঁলোকক কোনো নৈতিক শক্তিয়ে স্পৰ্শ কৰিব নোৱাৰে। আৰু বিশ্বৰ জনমতো তেওঁলোকৰ কাণত নোসোমায়। গতিকে, এতিয়া আপোনাৰ উপদেশমতে, ধৰক, জেকসকলে যদি অহিংস হৈ তেওঁলোকৰ ওচৰ চাপে তেনেহলে কিবা লাভ হ'ব জানো? একনায়কত্ব বুলিলেই যদি নৈতিকতাবিহীন বুজায় তেনেহলে নৈতিকতাৰ সহায়ত ইয়াক পৰিবৰ্ত্তন কৰিব পৰা যাব জানো?"

ইয়াৰ উত্তৰত গান্ধীজীয়ে কলে, "আপুনি হিটলাৰ বা মুছোলিনিক সংশোধনৰ অতীত বুলি ধৰি লৈহে এনেদৰে যুক্তি দেখুৱাইছে। কিন্তু অহিংসাৰ ধাৰণাত মানৱ প্ৰকৃতি মূলতঃ একেই। প্ৰেম আৰু ভালপোৱাৰ প্ৰতি ইয়াৰ সঁহাৰি নি সন্দেহে পোৱা যায়। পিছে মনত ৰখা উচিত যে হিটলাৰ বা মুছোলিনিয়ে যি হিংস কাৰ্য্য চলাইছে তাৰ প্ৰতিক্ৰিয়াও হিংস-ৰূপতহে তেওঁলোকে দেখা পাইছে; বিস্তাৰিত ভাবে সুসংগঠিত অহিংস প্ৰতিৰোধ কিবা যদি কৰা হৈছেও সেইটো দেখা নাই। গতিকে এনে অহিংস প্ৰতিৰোধ দেখা পালে তেওঁলোকে নিজে চলোৱা হিংস কাৰ্য্যাৱলীতকৈ ইয়াৰ শ্ৰেষ্ঠত্ব মানি লোৱাৰ সম্ভাৱনা নিশ্চিত বুলি মই ভাবোঁ। তদুপৰি জেকসকলক

মই যি অহিংসাৰ কৌশল দেখুৱাইছোঁ ইয়াৰ কৃতকাৰ্য্যতা একনায়কৰ সদিচ্ছাৰ ওপৰত নিৰ্ভৰ নকৰে। কিয়নো অহিংস প্ৰতিৰোধীয়ে ঈশ্বৰৰ নিশ্চিত কৰুণাৰ ওপৰতহে ভাৰসা কৰি অসহনীয় দুঃখযন্ত্ৰণাকো সহি থাকে। অহিংসাৰ ওপৰত ৰখা বিশ্বাসে তেওঁক সদায় অচল অটল কৰি ৰাখে।"

অতিথিজনে তেতিয়া কলে যে একনায়কসকলে জানিশুনিয়েই শক্তি প্ৰয়োগ নকৰে, মাত্ৰ তেওঁলোকে যি বিচাৰে তাকে লৈ যায়। তেতিয়ানো অহিংস প্ৰতিৰোধকাৰীয়ে কি কৰিব? তেওঁ সুধিলে।

গান্ধীজীৰ উত্তৰ, "ধৰি লওক, তেওঁলোকে জেকসকলৰ গোটেইবোৰ খনি, কাৰখানা আৰু প্ৰাকৃতিক সম্পদৰ উৎস অধিকাৰ কৰি ললে। তেতিয়া তাৰ পৰিণতি হয়তো এই কেইটা হ'ব পাৰে। প্ৰথম, জেকসকলক আদেশ অমান্য কৰাৰ অপৰাধত উচ্ছেদ কৰিব পাৰে, তেনে কৰিলে সি জেকসকলৰ এটা গৌৰৱময় বিজয়হে হ'ব আৰু জাৰ্মান সকলৰ ইয়েই পতনৰো সূচনা কৰিব। দ্বিতীয়, অতিশয় অত্যাচাৰত জেকসকলৰ মনৰ বল ভাঙি যাব পাৰে। সকলো সংগ্ৰামতে এনে ঘটনাই ঘটে। পিছে এনেকৈ যদি তেওঁলোকৰ মনোবল নোহোৱা হয় তেন্তে জানিব, অহিংসনীতি তাৰ বাবে দায়ী নহয়; বৰং অহিংসনীতি নোলোৱা বাবে বা ঠিকমতে ইয়াক গ্ৰহণ কৰিব নোৱাৰা বাবেহে এনে হৈছে। তৃতীয়, জাৰ্মানিয়ে নতুনকৈ অধিকাৰ কৰা ঠাইবোৰত তেওঁলোকৰ বাঢ়ি অহা জনসমষ্টিৰ বসতিৰ ব্যৱস্থা কৰিব পাৰে। হিংস কাৰ্য্যৰ প্ৰশ্নই উঠিব নোৱাৰে বুলি আমি ধৰি লৈছোঁ যেতিয়া এইক্ষেত্ৰতো হিংস প্ৰতিৰোধৰ পৰা কোনো ফল পোৱা নাযাব। এনেদৰে দেখিব, যি পৰিস্থিতিয়েই নহওক সকলোতে অহিংসাইহে একমাত্ৰ উপায়।

"হিটলাৰ আৰু মুছোলিনিয়ে বিশ্বৰ জনমত একেবাৰে উৰুৱাই দিব পাৰে বুলি মই নাভাবোঁ। একনায়কসকলে বিশ্বৰ জনমত উপেক্ষা কৰি সুখ পায়। তাৰ কাৰণ হৈছে,—আজিৰ তথাকথিত বৃহৎ শক্তিবোৰৰ গাতো চেকা আছে; এই শক্তিবোৰেও অতীতত জনসাধাৰণৰ ওপৰত অন্যায় অবিচাৰ কৰিছিল। সেয়ে ইবোৰৰ অন্তৰৰ পৰাও তিক্ততাৰ ভাব গুচা নাই। মাত্ৰ সিদিনাখন এজন সম্ভ্ৰান্ত ইংৰাজ বন্ধুৱে মোৰ আগত স্বীকাৰ কৰি কৈছিল, বোলে নাজী জাৰ্মানি ব্ৰিটিছসকলৰ পাপৰেই পৰিণতি; তাৰ্ছাই সন্ধিয়েই হিটলাৰৰ অভ্যুদয়ৰ কাৰণ।"

অতিথিজনে আৰু সুধিলে, "বিশ্ব শান্তিৰ হকে মই এজন খ্ৰীষ্টান হিচাপে

কি কৰিব পাৰোঁ ? আন্ত ৰাষ্ট্ৰীয় অৰাজকতাৰ অৱসান ঘটাই কেনেকৈ শান্তি প্ৰতিষ্ঠাৰ হকে অহিংসাক সফলভাৱে স্থাপন কৰিব পৰা যাব ? পৰাধীন দেশবোৰৰ কথা বাৰু বাদ দিছোঁ, উন্নত দেশবোৰকেই নো কেনেকৈ নিৰস্ত্ৰ কৰিব পৰা হ'ব ?"

গান্ধীজীয়ে ক'লে, "অহিংসা অৱলম্বনৰ ফলত আপোনাৰ যদি যথা সৰ্ব্বস্বও হৰণ হয় তথাপি আপুনি এজন খ্ৰীষ্টান হিচাপে অহিংস আন্দোলনত সফল বৰঙণি আগবঢ়াব পাৰিব। ডাঙৰ শক্তিবোৰে সাহ কৰি নিজে নিজে নিৰস্ত্ৰ নোহোৱালৈকে বিশ্বত শান্তি স্থাপন হ'ব নোৱাৰে। আজিৰ ঘটনাবোৰে ডাঙৰ শক্তিবোৰক এই শিক্ষাটো দিয়া উচিত বুলি মই ভাবোঁ। যোৱা পঞ্চাশ বছৰে মই একেৰাহে অহিংস আন্দোলন চলাই আহিছোঁ। মোৰ এই অহিংস সংগ্ৰামৰ পৰা হোৱা অভিজ্ঞতাৰ এটা অন্তৰ্নিহিত উপলব্ধি ক্ৰমে ক্ৰমে বেছি স্পষ্ট হৈ অহা মই দেখিছোঁ। মোৰ সেই উপলব্ধিটো হৈছে, —মানৱজাতিক ৰক্ষা কৰিব পাৰিব একমাত্ৰ অহিংসাইহে। বাইবেলৰ মূল শিক্ষাও এয়ে বুলি মোৰ ধাৰণা।"

সেৱাগ্ৰাম, ১২ ১২ ৪৮ —পিয়াৰিলাল

হৰিজন ২৪ ১২ ১৯৩৮

[৬৯]

এজন জাপানী অতিথি

ৰাজনৈতিক দলবিহীন একনায়কী (totalitarian) দেশৰ অতিথি আমাৰ ওচৰলৈ কাচিৎহে আহে। দুবছৰৰ আগতে নাজী কেপ্টেন ষ্ট্ৰাঙ্ক (Strunk) সেৱাগ্ৰামলৈ আহিছিল (পিছত তেওঁ এখন দ্বন্দ্বযুদ্ধত নিহত হয়)। তেৱেঁই এনে শেহতীয়া অতিথি আছিল। ফেচিষ্ট নীতি মনা সক্ৰিয় নেতা নাইবা যুজাৰু জাপানদেশৰ কোনো প্ৰতিনিধি এতিয়ালৈকে আমাৰ ইয়ালৈ অহা নাই। জাপানৰ সংসদী সদস্য মি টাকাওকা (Mr Takaoka) সিদিনা ইয়ালৈ আহিছিল। পিছে, তেওঁক তেনে নেতা যেন নালাগিল। জাপান আৰু চীনৰ মাজত যুদ্ধত চলি থকা অৱস্থাত জাপানী নেতা এজনকনো ভাৰতে ক'ত আদৰণি জনাব। এই বুলি যেন তেওঁৰ সন্দেহ এটা আছিল। তথাপি তেওঁৰ কথা হৈছে, "যুদ্ধতো আৰু চিৰদিন চলি নাথাকে। গতিকে

জাপান, ভাৰত আৰু চীনৰ মাজত বন্ধুত্ব স্থাপন কৰিবলৈ চেষ্টা চলোৱা আমাৰে কৰ্ত্তব্য।” যি নহওক, তেওঁ চীনৰ ওপৰত জাপানৰ আক্ৰমণ সমৰ্থন কৰি কোনো কথা কোৱা নাছিল, মাথোন ভাৰতৰ লগত জাপানৰ ঐক্যৰ কথাহে আলোচনা কৰিছিল। পিছে, ই জানো সম্ভৱ ?

জাপানী অতিথি গৰাকীক গান্ধীজীয়ে কৈছিল, “জাপানে ভাৰতলৈ লোলুপ দৃষ্টি এৰিলেহে বন্ধুত্ব সম্ভৱ হ’ব পাৰে। আপোনালোকে সসৈন্যে ভাৰত জয় কৰিবলৈ নাহে সচা, কিন্তু আপোনালোক অতুলনীয় কৌশলী আৰু সভ্যক ঢাকি ৰখাতো পাকৈত। আপোনালোকে ভাৰতীয়ৰ দুৰ্ব্বলতাবোৰও ভালদৰে জানে। এইবোৰৰ সুবিধা লৈ আপোনালোকে সচৰাচৰ সৰহদিন নিটিকা জাপানী বস্ত্ৰে ভাৰতখন ওপচাই পেলাব। আপোনালোকে ভাৰতীয় শাসকসকলৰ শোষণৰ ৰীতিনীতিবোৰ অনুকৰণ কৰি তাতোকৈ এখোপ আগবাঢ়ি গৈছে। এতিয়া ভাৰতৰ পৰা পোৱা লাখ লাখ টকা আপোনালোকে এৰি দিব নোৱাৰে। ভাৰতে আপোনমনে জাপানী বস্ত্ৰ নিকিনিলে সশস্ত্ৰ শক্তিকো প্ৰয়োগ কৰিব পৰা মানুহ আপোনালোক। কিন্তু সেইদৰেতো দুয়োখন দেশৰ মাজত বন্ধুত্ব স্থাপন কৰিব পৰা নাযাব। পৰস্পৰৰ বন্ধুত্বৰ ওপৰত প্ৰতিষ্ঠিত নৈতিক বান্ধোনেহে ভাৰত আৰু জাপানৰ মাজত মিলনভূমি ৰচনা কৰিব পাৰে।

“কিন্তু বৰ্ত্তমানে তেনে বন্ধুত্বৰ কোনো সূত্ৰ মই দেখা পোৱা নাই। আপোনালোকৰ শিল্পকলাৰ কথাকে লওকচোন। মই সেইবোৰ ভাল পাওঁ। বহুদিনৰ আগেয়ে এড্‌ৱিন আৰনল্ডে (Edwin Arnold) জাপান আৰু জাপানীসকলৰ বিষয়ে লিখা আকৰ্ষণীয় বিষয় মই পঢ়িছিলোঁ। সেইবোৰ মোৰ আজিও মনত আছে। আপোনালোকৰ ভাল কথাবোৰ মই ল’ব পাৰোঁ। কিন্তু দুৰ্ভাগ্যবশত আমাক ভাল জাপানী কথা শিকাবলৈ বা ভাল বস্ত্ৰ দিবলৈ ইয়াত কোনো নাই। আপোনালোকে মাথোন বস্ত্ৰবোৰ আমাৰ ওপৰত জাপি দিবলৈহে বিচাৰে। জাপানী পাটৰ কাপোৰ যিমানে শুৱনি নহওক, মই কিনো কেনেকৈ ? ইয়াক কিনা মানেই দুখীয়া ভাৰতবাসীক লঘোনে ৰাখি মৃত্যুৰ মুখলৈ ঠেলি দিয়া। তেনেহলে ই বিহৰ তুল্য নহয় নে ? কূটনীতিত, কলাকৌশলত, সস্তীয়া বস্তুৰ উৎপাদনত, সশস্ত্ৰ যুদ্ধবিদ্যাত আৰু শোষণত জাপানে পশ্চিমীয়া দেশবোৰক চেৰ পেলাই বহুদূৰ আগবাঢ়ি গৈছে। সত্যিকৈ যেতিয়ালৈকে শোষণনীতি পোষণ

কৰি থাকে তেতিয়ালৈকে জাপান আৰু ভাৰতৰ মাজত মৈত্ৰী স্থাপন হয় কেনেকৈ ?”

জাপানত নতুনকৈ গঠন হোৱা দলটোৱে “এছিয়াখন এছিয়াবাসীৰ”—এই মত পোষণ কৰে। এই দলটোলৈ মহাত্মাজীয়ে কিবা বাণী দিব নে বাৰু ? মি° টাকাওকাই (Mr Takaoka) সোধোঁ। নোসোধোঁকৈ সুধিলে।

গান্ধীজীয়ে ক’লে, “এছিয়াখন এছিয়াবাসীৰ কাৰণেহে বুলি ভবা মানে যদি ইউৰোপীয়সকলৰ বিৰুদ্ধে পতা সংগঠন এটাহে বুজায় তেনেহলে মই এই নীতি নামানো। ‘এছিয়া এছিয়াবাসীৰ’ ভবা মানে এছিয়াখনক কূপমণ্ডূক কৰি ৰখা নহয় নে ? এছিয়াখন কেতিয়াও চুকৰ ভেকুলী হৈ থাকিব নোৱাৰে। সমগ্ৰ বিশ্বক শিক্ষা দিবৰ সামৰ্থ্য এছিয়াৰ আছে, এতিয়া লাগে মাথোন প্ৰস্তুতি। ভাৰত, চীন, জাপান, মানদেশ, সিংহল আৰু মালয়—এই সকলোবোৰ এছীয় দেশতে বৌদ্ধধৰ্মৰ প্ৰভাৱ অবিস্মৰণীয় হৈ আছে। মানদেশ আৰু সিংহলক মই কৈছোঁ—তেওঁলোক নামতহে বৌদ্ধ; প্ৰকৃত বৌদ্ধ কিন্তু ভাৰতহে। চীন আৰু জাপানকো মই তাকেই ক’ম। এছিয়া যদি এছিয়াৰ কাৰণে নহৈ গোটেই বিশ্বৰ কাৰণে হ’ব লাগে, তেনেহলে এই দেশবোৰে বুদ্ধদেৱৰ বাণী নতুনকৈ শিকিব লাগিব আৰু বিশ্বত ইয়াক প্ৰচাৰ কৰিব লাগিব। আজি এই বাণী ক’তো প্ৰচাৰ হোৱা নাই। মানদেশত বৌদ্ধ ভিক্ষুসকলক মুছলমানসকলে ভয় কৰে। প্ৰকৃত বৌদ্ধ এজনক কিয় বাৰু আনে ভয় কৰিব লাগে ?

“সেইকাৰণে মই আপোনাক এটা বাণী দিব পাৰোঁ। সেই বাণীটো হ’ল আপোনালোকে আপোনালোকৰ অতীত ঐতিহ্য উদ্ধাৰ কৰি নিষ্ঠাৰে তাকে গ্ৰহণ কৰক। এই বাণী আঢৈ হাজাৰ বছৰৰ পুৰণি; কিন্তু ইয়াক এতিয়ালৈকে মানি চলা হোৱা নাই। আঢৈ হাজাৰ বছৰনো কি কথা ? ই মাথোন কালচক্ৰৰ এটা চিনহে। অহিংসাৰ পূৰ্ণাঙ্গ ফুলপাহ যেন লেৰেলি যাব ধৰিছে। এই ফুলপাহ এতিয়াও জকমকাই ফুলি উঠা নাই।”

সেৱাগ্ৰাম, ১২ ১২-৩৮ ম, দে,

হৰিজন, ২৪ ১২ ১৯৩৮

[৭০]

অহিংসা ফলদায়ক নহয় নে কি ?

ইহুদীসকল যোৱা দুহাজাৰ বছৰ ধৰি অহিংস হৈ আছিছে বোলা কথাষাৰ মই সমালোচনা কৰিছিলোঁ। মোৰ এই সমালোচনা পঢ়ি ষ্টেটচমেন্ (Statesman) কাকতে সম্পাদকীয় স্তম্ভত লিখিছিল

"ধৰ্ম্মযাজক নিমোলাৰ (Niemoeller) আৰু লুথাৰপন্থী খ্ৰীষ্টান-সকলৰ কথা সকলোৱে জানে। অনেক যাজক আৰু আন আন খ্ৰীষ্টান লোক আদালতৰ সমুখত সাহসেৰে থিয় হৈছিল। তেওঁলোকে হিংসা আৰু ভীতি প্ৰদৰ্শন সকলো সহিছিল। প্ৰতিহিংসাৰ ভাব তেওঁলোকে মনলৈ অনা নাছিল। তেওঁলোক আজিও সত্যৰ মহান সাক্ষী হৈ ৰ'ল। কিন্তু জাৰ্মানিৰ অন্তৰত কি পৰিবৰ্ত্তন ঘটিল ? যীচুখ্ৰীষ্টৰ শান্তিবাণীৰ পৰিপন্থী বুলি বাইবেল চাৰ্চাৰ্চ লীগে (Bible Searchers League) নাজীবাদ মানি লোৱা নাছিল। এই লীগৰ সভ্যসকল আজি পাঁচ বছৰ ধৰি পোতাশালত বন্দী হৈ থাকিব লগা হৈছে দেখোন ! কিমান জাৰ্মানে তেওঁলোকৰ কথা জানে ?

"দুৰ্ব্বলৰেই হওক বা সবলৰেই হওক, বিশেষ পৰিস্থিতিৰ বাহিৰে অহিংসাক সামাজিক নীতি বুলি নধৰি ব্যক্তিগত নীতি বুলিহে ক'ব পাৰি যেন লাগে। ব্যক্তিবিশেষৰ মুক্তি তেওঁৰ নিজৰ কথা। কিন্তু ৰাজনৈতিক পুৰুষে প্ৰভাৱ, ৰাজনীতি আৰু সংখ্যালঘুৰ সমস্যা লৈ ব্যস্ত থাকিব লাগে। গান্ধীয়ে ভাবে যে হিটলাৰে তেওঁৰ প্ৰবল প্ৰতাপী সৈন্যবোৰৰ সাহসর্তকেও অসীম উন্নত পৰ্য্যায়ৰ সাহসৰ ওচৰত সেও মানিব। সেয়ে হলে হিটলাৰে হেৰ ভন ওচিৎস্কিৰ (Herr Von Ossietzky) দৰে লোকৰ গুণগান কৰিলেহেঁতেন বুলি কোনে আশা কৰিব পাৰে। নাজী সমৰ্থকেহে হিটলাৰৰ ওচৰত সাহস দেখুৱাব পাৰে, আনে দেখুওৱাটো অপৰিণাম-দৰ্শিতাৰ চিনহে হ'ব। তাৰ শক্তিবৰ্গই জাৰ্মানিক টলাব পৰা নাই কাৰণে গান্ধীয়ে ইহুদীসকললৈ এই পৰামৰ্শ আগবঢ়াইছিল। তাৰ শক্তিবোৰে জাৰ্মানিক একো কৰিব নোৱাৰাত আমিও সকলোৱে বেয়া পাইছোঁ আৰু তেওঁলোকে কিবা এটা কৰাকে কামনা কৰিছোঁ। পিছে, গান্ধীৰ সহানুভূতিয়ে ইহুদীসকলক বেছ সান্ত্বনা দিব পাৰে যদিও তেওঁলোকৰ মুক্তিৰ হকে বিশেষ কাম কৰিব যেন নালাগে। যীচুখ্ৰীষ্টই অহিংসাৰ চৰম আৰ্হি দেখুৱাইছিল। অথচ তেওঁক যেনেদৰে অসম্মান

দেখুৱাই শাস্তি দি বধ কৰা হ'ল সেয়ে স্পষ্টকৈ প্ৰমাণ কৰে যে ঐহিক সংসাৰত অহিংস মৃঠেই ফলদায়ক নহয়।"

ধৰ্ম্মযাজক নিমোলাৰ (Niemoeller) আৰু আন আন খ্ৰীষ্টানসকলৰ যন্ত্ৰণা অথলে গৈছে বুলি মই নাভাবোঁ। তেওঁলোকে আত্মসন্মান ভালদৰে ৰাখিলে। শাস্তি যিমানেই কঠোৰ নহওক তেওঁলোকক যে নিজৰ মতৰ পৰা টলাব নোৱাৰে তাৰে তেওঁলোকে প্ৰমাণ দেখুৱাই থৈ গ'ল। তেওঁলোকৰ যন্ত্ৰণাই হেৰ হিটলাৰৰ অন্তৰখন গলাব নোৱাৰাটোৱে প্ৰমাণ কৰিলে যে হিটলাৰৰ অন্তৰ শিলতকৈও কিবা কঠিন বস্তুৰে গঢ়া। কিন্তু এটা কথা মনত ৰখা উচিত যে অতি মাত্ৰা তাপ পালে কঠিনতম ধাতু গলি যায়। ঠিক তেনেকৈয়ে অহিংসাৰ পৰা ওলোৱা ভীষণ উত্তাপে বজ্ৰকঠোৰ হিয়াকো গলাবই। উত্তাপ সৃষ্টি কৰিবলৈ অহিংসাৰ শক্তি অপৰিসীম।

প্ৰত্যেক কাৰ্য্য বিভিন্ন শক্তিৰ (আনকি বিৰোধী শক্তিৰো) পৰিণতি মাথোন। শক্তিৰ ক্ষয় নাই বুলি বিজ্ঞানে শিক্ষা দিছে। মানুহৰ কাৰ্য্যৰ ক্ষেত্ৰতো সেই একে কথা, অৰ্থাৎ এই কাৰ্য্যৰো একোটা পৰিণতি আছেই। পাৰ্থক্য মাথোন ইমানেই যে প্ৰথমটোৰ ক্ষেত্ৰত আমি কি কি শক্তিয়ে কেনেদৰে কাম কৰিছে জানিব পাৰোঁ, আৰু জনাৰ পিছত ইয়াৰ কি পৰিণতি হ'ব তাকো গণিপিতি সঠিককৈ উলিয়াব পাৰোঁ। মানুহৰ কাৰ্য্যৰ ক্ষেত্ৰত অৱশ্যে কেনে ধৰণৰ শক্তিয়ে ক্ৰিয়া কৰিছে সেইবোৰৰ বেছি ভাগকে ধৰিব নোৱাৰোঁ। পিছে, আমি নাজানো কাৰণেই শক্তিবোৰৰ কাৰ্য্যক্ষমতা নাই বুলি ধৰি ল'ব নালাগে। বৰং আমি নাজানো কাৰণে আমাৰ বিশ্বাস বেছি হ'বহে লাগে। অহিংসা হৈছে বিশ্বৰ প্ৰবলতম শক্তি, এই শক্তিয়ে কেনেদৰে কাম কৰে তাক সহজে ধৰিব পৰা নাযায়। সেয়েহে ইয়াৰ প্ৰতি মানুহৰ গভীৰ আস্থা আৰু বিশ্বাসৰ প্ৰয়োজন। ঈশ্বৰত সভক্তিৰে যেনেকৈ আমি বিশ্বাস ৰাখোঁ অহিংসাৰ প্ৰতিও আমি তেনেকৈয়ে বিশ্বাস ৰাখিব লাগে।

হেৰ হিটলাৰ এজন মানুহ, তেওঁৰ আয়ুসো সাধাৰণ মানৱ পৰমায়ুৰ সমানেই। দেশবাসীৰ সমৰ্থন নাপালে তেওঁৰ কাম কৰিবলৈকে শক্তি লোপ পাব। মানুহৰ যন্ত্ৰণাৰ প্ৰতি (তেওঁ নিজে দিয়া যন্ত্ৰণাও যদি হয়) তেওঁৰ প্ৰতিক্ৰিয়া দেখি মই হতাশ নহওঁ। সেইবুলি গোটেই জাৰ্ম্মান জাতিটো হৃদয়-হীন বুলি, অথবা জগতৰ আনবোৰ জাতিৰ তুলনাত কম দয়া-পৰায়ণ বুলি মই কেতিয়াও নামানো। সময়ত এনে এটা দিন আহিব, যিদিনা জাৰ্ম্মানসকলে

তেওঁলোকৰ আস্থাভাজন বীৰজনৰ বিৰুদ্ধেই বিদ্ৰোহ কৰিব, যদিহে সময়ৰ শৰ বুজি সেই বীৰজন সজাগ নহয়। বীৰজন যদিহে সচাকৈয়ে সজাগ হয় নাইবা জাৰ্মানসকলে যদিহে বিদ্ৰোহ কৰে তেনেহলে আমি বুজিম যে ধৰ্ম্মযাজকজন আৰু তেওঁৰ সহকৰ্ম্মীসকলে এই জাগৰণৰ কাৰণে কমখিনি কৰা নাছিল।

সশস্ত্ৰ সংগ্ৰামে জাৰ্মানসকলৰ অস্ত্ৰশস্ত্ৰবোৰ ধ্বংস কৰি পেলাব পাৰে, কিন্তু জাৰ্মানবাসীৰ অন্তৰ সলনি কৰিব নোৱাৰে। যোৱা মহাযুদ্ধত হোৱা পৰাজয়েও তেনে কৰিব নোৱাৰিলে বৰং ইয়াৰ ফলত এনে এজন হিটলাৰৰহে সৃষ্টি হ'ল— যি এতিয়া বিজেতাসকলৰ ওপৰত প্ৰতিশোধ লবলৈ বদ্ধপৰিকৰ হৈছে। ই কি যে প্ৰতিশোধ। সেইকাৰণে এতিয়া মোৰ কথাও ষ্টিফেনচনৰ কথাৰে সৈতে একে। ষ্টিফেনচনৰ সহকৰ্ম্মীসকলে ৰেলপথ নিৰ্ম্মাণৰ বাটত থকা গভীৰ গহ্বৰ এটা পুতিব পৰা নাযাব বুলি হতাশা প্ৰকাশ কৰিছিল। তাকে দেখি যিসকলে কামটো কৰিব পৰাৰ ক্ষীণ সম্ভাৱনা এটা আছিল বুলি ভাবিছিল সেইসকললৈ অন্তৰত বেছিকৈ আশা ৰাখি কামত আগবাঢ়ি যাবলৈ ষ্টিফেনচনে আহ্বান জনাইছিল। তেওঁ কৈছিল যে সেই গহ্বৰটোৰো তলি এখন আছে; সময়ত ই পোত যাবই। এই আহ্বানৰ ফলতে গহ্বৰ পোত গ'ল আৰু প্ৰথম ৰেলপথটোৰ নিৰ্ম্মাণো সম্ভৱ হৈ উঠিল। সেইবাবে, হিটলাৰৰ বা জাৰ্মানিবাসীৰ অন্তৰ গলা নাই বাবে মই হতাশ নহওঁ বৰং মই আৰু বেছি যন্ত্ৰণা আৰু শাস্তি সহ্য কৰাটোহে বিচাৰোঁ,—যাতে অন্তঃকৰণ বিগলিত হোৱা কাৰ্য্য ভালদৰে দেখা যায়। আগতে যেনেকৈ ধৰ্ম্মযাজকজন যশস্যাৰ ভাগী হ'ল, তেনেকৈ যদি এজন ইহুদীয়েও সাহসেৰে হিটলাৰৰ আদেশ অমান্য কৰিব পাৰে তেনেহলে তেওঁৰো গৌৰৱ অৰ্জ্জন কৰিব আৰু লগৰীয়া ইহুদীসকলৰ মুক্তিৰ পথ দেখুৱাব পাৰিব।

মই কওঁ, অহিংসা কেৱল ব্যক্তিবিশেষৰ গুণ নহয় ই এটা সামাজিক গুণো। সমাজে যেনেকৈ আন গুণ আহৰণ কৰে তেনেকৈয়ে অহিংসা গুণটোকো আহৰণ কৰিব লাগে। ব্যক্তিবিশেষৰ দেখুওৱা দ্বাৰা আৰু অহিংসাৰ দ্বাৰাহে সমাজ এখন সু-পৰিচালিত হ'ব। এই অহিংসাৰ পৰিসৰকে সমাজৰ পৰা ৰাষ্ট্ৰ আৰু আন্তৰাষ্ট্ৰীয় ক্ষেত্ৰলৈ মই বিস্তাৰ কৰিবলৈ কৈছোঁ বাখোন।

পাৰ্থিৱ বা ঐহিক ক্ষেত্ৰত অহিংসা যে তেনেই নিৰৰ্থক এই কথাটো বীচুন্সীৰ উদাহৰণে স্পষ্টকৈ বুজায় বুলি ষ্টেটচমেন (Statesman) কাকতে

লিখা মন্তব্য মই আশা কৰা নাছিলোঁ। মই কোনো সম্প্ৰদায় বা পন্থৰ অন্তৰ্ভুক্ত খ্ৰীষ্টান বুলি দাবী কৰিব নোৱাৰোঁ। কিন্তু যি অহিংসাই মোৰ ঐহিক আৰু পাৰ্থিব সকলো কাৰ্য্যকে নিয়ন্ত্ৰণ কৰিছে সেই অহিংসাৰ প্ৰতি মোৰ জীৱন্ত নিষ্ঠাৰ কাৰণ যীচুৰ যন্ত্ৰণাৰ আৰ্হিও এটা। শ শ খ্ৰীষ্টানে মোৰ দৰেই ভাবে বুলি মই জানো। যীচুৰ আদৰ্শই যদি আমাৰ সামগ্ৰিক আৰু সম্পূৰ্ণ জীৱন প্ৰেম আৰু দয়া এই নিত্য গুণৰ দ্বাৰা পৰিচালনা কৰিবলৈ নিশিকালে তেনেহলে যীচুখ্ৰীষ্টৰ জন্মও বৃথা, মৃত্যুও নিৰৰ্থক।

বাৰদোলিলৈ যাওঁতে ৰেলত লিখা। ২ ১ ৩৯

হৰিজন ৭ ১ ১৯৩৯

[৭১]

চীন আৰু জাপান

কিন্তু সেই আলোচনাই গান্ধীজীক উৎসাহিত কৰিব নোৱাৰিলে। তেওঁ পোনে পোনেই ড কাগাৱাৰ পৰাই এই প্ৰশ্নটোৰ সম্পৰ্কে সবিশেষ শুনিবলৈ ইচ্ছা কৰিছিল। "যুদ্ধখনৰ বিষয়ে জাপানৰ মানুহৰ ধাৰণা কেনে?"

"জাপানত মই বৰঞ্চ এজন ধৰ্ম্মবিদ্বেষীহে", ড' কাগাৱাই ক'লে। "মই মোৰ মতামত প্ৰকাশ কৰাতকৈ আপুনি মোৰ অৱস্থাত পৰা হ'লে কি কৰিলেহেঁতেন তাক আপোনাৰ পৰা জানিবলৈ পালেহে সুখী হ'ম।"

"মোৰ মত প্ৰকাশ কৰাটো মোৰ বাবে সম্পূৰ্ণ আনুমানিক ধৰণৰ হ'ব।"

"নহয়, আপুনি কি কৰিলেহেঁতেন তাক জানিবলৈ পালে মই অতিশয় সন্তোষিত হ'ম।"

"মই মোৰ বিৰুদ্ধ মতামতসমূহ ঘোষণা কৰিলোঁহেঁতেন আৰু তাৰ বাবে লাগিলে গুলি খাই মৰিলোঁহেঁতেন। মই সমবায় প্ৰতিষ্ঠানসমূহ আৰু আপোনালোকৰ আন সকলো কামকে তৰ্জুৰ একালে থলোঁহেঁতেন আৰু আনটো ফালে আপোনালোকৰ দেশৰ সন্মানক থলোঁহেঁতেন, আৰু আপুনি যদি দেখিলেহেঁতেন যে সন্মান বিক্ৰি হৈ গৈছে, তেতিয়া মই আপোনাক আপোনাৰ মতাৱলী জাপানৰ বিপক্ষে ঘোষণা কৰি দিবলৈ কলোঁহেঁতেন আৰু তেনে কৰি আপোনাৰ মৃত্যুৰ যোগেদি হলেও জাপানক জীয়াই ৰাখিলোঁহেঁতেন। কিন্তু, ইয়াৰ বাবে আন্তৰিক বিশ্বাসৰ প্ৰয়োজন। আপোনাৰ

অৱস্থাত পৰা হ'লে মই যি কৈছোঁ সেই গোটেইখিনি কৰিব পাৰিলোঁহেঁতেন নে নাই তাক মই নাজানো, কিন্তু যিহেতু আপুনি জানিব খুজিলে গতিকে মই আপোনাক মোৰ মতামত দিবই লাগিব।"

"বিশ্বাস নোহোৱা নহয়। কিন্তু বন্ধুসকলে মোক তাৰ পৰা আঁতৰি থাকিবলৈ কৈ আছে।"

"হেৰি, বন্ধুসকলৰ কথা শুনিব যেতিয়া আপোনাৰ মাজতে লুকাই থকা পৰম বন্ধুজনে কয়, 'এইটো কৰা'। আৰু যিমানেই ভাল নহওক লাগে বন্ধুসকলে কেতিয়াবা আমাক বাৰুকৈয়ে ঠগিব পাৰে। তেওঁলোকে অন্ত একো যুক্তি দেখুৱাব নোৱাৰে। তেওঁলোকে আপোনাক মাথোন জীয়াই থাকিবলৈ আৰু আপোনাৰ কাম কৰি যাবলৈ কব। মই যেতিয়া বন্দীশাললৈ যাবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছিলোঁ মোকো একে ধৰণৰ অনুৰোধ কৰা হৈছিল। মই কিন্তু বন্ধুসকলৰ কথালৈ কাণ দিয়া নাছিলোঁ, আৰু ফল স্বৰূপে মই যেতিয়া বন্দীশালৰ কঠিন চাৰিবেৰৰ মাজত আৱদ্ধ হৈ আছিলোঁ, তেতিয়া মই দেখিবলৈ পাইছিলোঁ স্বাধীনতাৰ আভা। মই সোমাই আছিলোঁ এটা আন্ধাৰ সৰু কোঠাত, কিন্তু মোৰ এনে অনুভৱ হৈছিল মই যেন সেই বেৰৰ ভিতৰৰ পৰাই সকলো দেখা পাইছিলোঁ, আৰু তাৰ বাহিৰত থাকোঁতে যেন একোকে দেখা নাছিলোঁ।"

ড° কাগাৱাই এই আলোচনা চলাই নিয়াৰ পৰা বিৰত থাকিব খোজা যেন অনুমান হৈছিল। বাস্তৱিকতে এই আলোচনাৰ বাবে কোনো থলেই নাছিল। বিশ্বাস আছিল সচা কিন্তু উপযুক্ত সময়তহে ই ফলৱতী হ'ব পাৰিব। সেয়েহে তেওঁ সমবায় বিষয়টোৰ পুনৰ আলোচনা আৰম্ভ কৰি দিছিল "ভাৰতবৰ্ষত জলসিঞ্চনৰ বাবে কোনো সমবায় প্ৰতিষ্ঠান আছে নে?" কিন্তু গান্ধীজী অন্য কিছুমান কথাতহে ব্যস্ত আছিল।

গান্ধীজীয়ে উত্তৰ দিলে, "মই তেনে কিবা আছে বুলি নাভাবোঁ। অৱশ্যে আপোনালোকৰ এই আটাইবোৰ বস্তুৱেই আছে। আপোনালোকে আচৰিত কাম কৰিছে, আৰু আপোনালোকৰ পৰা জানিবলগীয়া আমাৰ বহুত কথা আছে। কিন্তু পণ্ডিত জৱহৰলালে মোক দিয়া 'হোৱাট ওৱাৰ মিনচ' (যুদ্ধই কি বুজায়) নামৰ কিতাপখনত মই পঢ়ি পোৱা মতে চীনদেশখনক জীয়াই জীয়াই গিলি পেলাব খোজাৰ কথা, এই দেশখনক বিহেৰে বিষাক্ত কৰাৰ কথা, আৰু তেনে বহুত গাৰ নোম শিঙৰি উঠা কথাবোৰ বাৰু আমি কেনেকৈ বুজিব

পাৰিম? আপোনালোকে এনেবোৰ অত্যাচাৰ কেনেকৈ কৰিব পাৰিলে? আৰু তাৰ পাছত আপোনালোকৰ মহান কবিজনাই এই যুদ্ধখনকে এখন মানৱতাৰ যুদ্ধ আৰু চীনৰ বাবে আশীৰ্ব্বাদ স্বৰূপ বুলি অভিহিত কৰিলে।"

হৰিজন ২১ ১ ১৯৩৯ ম, দে,

[৭২]

বেদনাসিক্ত এখন পৃথিবী

(ক)

চীনৰ নিৰ্য্যাতন

বিগত বছৰটোৰ শেষ দিনটোৱে আৰু নতুন বছৰৰ প্ৰথম দিনটোৱে সেৱাগ্ৰামলৈ লৈ আহিল নানান জাতিৰ এটা বৃহৎ প্ৰতিনিধি দল। তেওঁলোকে টম্বৰম সন্মিলনত যোগদান কৰিবলৈ আহিছিল। গান্ধীজীয়ে তেওঁলোকক অভিহিত কৰিছিল 'এখন ক্ষুদ্ৰ পৃথিবী' বুলি, কাৰণ তেওঁলোকৰ মাজত তিনিখন মহাদেশৰ প্ৰতিনিধি আছিল। তেওঁলোক হ'ল—জোহান্সবাৰ্গৰ ডি, আৰ, মিছনৰ ৰেভাৰেণ্ড এচ, এচ, টেমা, দক্ষিণ ৰোডেচিয়াৰ কোৱেন্দে মিছনৰ ৰেভাৰেণ্ড থম্পচন্ ডি, চা্ৰকানজে, আৰু প্ৰতিনিধি হিচাপে ভাৰত ভ্ৰমণ কৰিবলৈ অহা প্ৰথম নিগ্ৰো মহিলা মিচ মীনা চোগা। জাপানৰ প্ৰতিনিধি এজনো আছিল আৰু তেওঁ হ'ল টকিওৰ এম, এচ, মোৰাও। চীনৰ পৰা আহিছিল চীনা জাতীয় চৰকাৰৰ 'য়ুৱান' (Yuan) আইনসভাৰ সভ্য ৰেভাৰেণ্ড টিমথি টিংফাং লিও, ছাংহাইৰ 'নেশ্যনেল ৱাই, এম, চি, এ'ৰ এছোচিয়েশ্যন প্ৰেছৰ' মুখ্য সম্পাদক আৰু চীনৰ 'ফেলশ্বিপ অব ৰিকন্‌চিলিয়েশ্যন'ৰ ভূতপূৰ্ব্ব সভাপতি ৱাই, টি, উ, আৰু অৱশেষত আছিল দাৰ্শনিক পি, চি, ছু—যিজনে কনফুচিয়াচ সম্পৰ্কে গ্ৰাম্যজীৱনৰ পুন: সংগঠন আদিৰ বিষয়ত কেইবাখনো গ্ৰন্থ প্ৰণয়ন কৰিছিল। এসময়ত ছাংহাই বিশ্ববিদ্যালয়ত অধ্যাপক হিচাপে থাকি বৰ্ত্তমানে তেওঁ চীনত এলানি আশ্ৰম স্থাপনৰ কাৰ্য্যত সহায়তা কৰিছে, আৰু এই আশ্ৰমবিলাকতে পণ্ডিতসকলে তেওঁলোকৰ সন্মুখত দাঙি ধৰিছে শান্তি অবিৰত কৰ্ম্মৰ আদৰ্শ, আৰু তেওঁলোকে নিজে নিজেই সকলো ধৰণৰ কাম আৰু চাক কৰা, আৰু দিয়াকে আদি কৰি তথাকথিত চাকৰে কৰা কামবোৰ কৰে।

ধৰ্ম্মপ্ৰাণ খ্ৰীষ্টান হিচাপে তেওঁবিলাকৰ প্ৰায় সকলোৰে শান্তিৰ প্ৰতি গভীৰ শ্ৰদ্ধা আছিল, আৰু চীনা আৰু নিগ্ৰোজাতিসমূহৰ প্ৰতিনিধিসকলে যথাক্ৰমে জাপানী আৰু বগাজাতিবোৰৰ সামৰিক বাহিনীৰ অত্যাচাৰত অতীষ্ঠ হৈ অহিংস পন্থাৰ ওপৰত গভীৰ অনুৰাগী হৈ পৰিছিল, যাতে এই পন্থাক সামৰিক বাহিনীৰ আক্ৰমণ ৰোধ কৰাৰ এপাট অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিব পাৰি। চীনা প্ৰতিনিধিজন ৰণক্ষেত্ৰৰ পৰা অলপতে আহিছিল, আৰু আধুনিক যুদ্ধৰ বীভৎস লীলাৰ সম্যক্ অভিজ্ঞতা তেওঁ লাভ কৰিছিল। তেওঁলোক দোধোৰ মোধোৰ অৱস্থাত পৰি ৰব লগা হৈছিল।

এহাতে স্বদেশৰ হকে কৰা এখন যুদ্ধৰ বিভীষিকা আৰু আন হাতে তেওঁলোকৰ স্বাধীনতাৰ ওপৰত চলোৱা অবাধ আক্ৰমণৰ বিৰুদ্ধে জাগি উঠা তেওঁলোকৰ যুক্তিসঙ্গত ক্ষোভ—ইয়াৰ মাজত পৰি তেওঁলোকে গান্ধীজীৰ আগত তেওঁলোকৰ মানসিক অশান্তিৰ কথা হিয়া উবুৰিয়াই কৈছিল আৰু তেওঁক অনুৰোধ কৰিছিল অহিংসাৰ পূজাৰী হিচাপে তেওঁ যেন তেওঁলোকক পন্থাটো দেখুৱাই দিয়ে, যাৰ দ্বাৰা অহিংসাক সফলকাম কৰিব পৰা হ'ব।

বেভাৰেণ্ড লিওৰ বিবুদ্ধি

বেভাৰেণ্ড লিওৱে গান্ধীজীক প্ৰথম দিনাই বেলেগে লগ ধৰিছিল আৰু চীনাসকলক সহায় কৰাৰ কাৰণে 'ইণ্ডিয়ান মেডিকেল মিছনক' ধন্যবাদ জনাই মন্তব্য কৰিছিল

"চীনৰ প্ৰতি থকা ভাৰতৰ সহানুভূতি আৰু সদিচ্ছাৰ এক প্ৰকাশ বুলি আমি এই কাৰ্য্যক প্ৰশংসা কৰোঁ। চীনৰ সংগ্ৰাম কেৱল চীনৰ কাৰণেই নহয়, ই সমগ্ৰ এছিয়াৰ কাৰণে। ই জাপানৰ কাৰণেও। জাপানীবিলাকে ভাবে তেওঁলোক অপৰাজেয়, কাৰণ তেওঁলোকে আমাক ১৮৮৫ চনত পৰাস্ত কৰিছিল। কিন্তু আমি জানো যে এতিয়াও আনকি তেওঁলোকৰ মানুহৰ এই আক্ৰমণাত্মক যুদ্ধখনৰ কাৰণে উচ্চ নিৰিখৰ কৰ কাটল আহিব যোগেদি খুব জবৰি হৈ আছে।

সাংস্কৃতিক বিনাশ ?

"দুঃখজনক হ'লেও বস্তুবাদী বিনাশলৈ ভয় নকৰোঁ, কিন্তু আমি সাংস্কৃতিক বিনাশলৈ হ'লে ভয় কৰোঁ। ছাংহাইত পোৱা প্ৰথমটো বোমা এটা

পুথিভঁড়ালৰ ওপৰত পৰিল। কলেজবোৰ নিশ্চিহ্ন কৰি পেলালে। অধ্যাপক-সকলক মৰা হ'ল। নতুন শিক্ষা সংগঠন নাইকিয়া হ'ল আৰু ইয়াক আভ্যন্তৰীণ অঞ্চললৈ জোৰ কৰি পঠাই দিয়া হ'ল।

"তাতোকৈ দুখলগা কথা হ'ল যে তেওঁলোকে আমাক নৈতিক আঘাত হানিলে"—তেওঁ কৈ যাবলৈ ধৰিলে। আৰু তেওঁ এটা লোমহৰ্ষক বৰ্ণনা দিলে কেনেকৈ এটা ধাৰাবাহিক প্ৰচেষ্টাৰে চীনৰ ওপৰত মদ ব্যাধি জোৰেৰে জাপি দিয়া হ'ল। এই মদ প্ৰচলনৰ বিৰুদ্ধে যোৱা কুৰি বছৰে তেওঁলোকে মৰো জীওঁ সোঁ আধিকৈ যুঁজিবলৈ চেষ্টা কৰি আহিছে। "পিকিং অধিকাৰ কৰি তেওঁলোকে ৫ টা বেশ্যালয় খুলিলে, আৰু কোৰিয়াৰ ছোৱালী আনি এইবোৰ ভৰাই পেলালে। দেশ অধিকাৰ কৰি বহা সৈন্যবাহিনীৰ লোকে য'তে ত'তে তিৰোতাৰ সতীত্ব নাশ কৰিবলৈ ধৰিলে, বিভিন্ন হিচাপৰ পৰা পোৱা মতে কেৱল পিকিঙতে এনে তিৰোতাৰ সংখ্যা ৮,০০০ আৰু ২০,০০০ ৰ ভিতৰত হ'ব। ছাংহাইত জুৱাখেল আৰু জাপানী কৰ্তৃপক্ষই খোলা মদৰ দোকানৰ পৰা এমাহৰ আয় হ'ল ২৫ হাজাৰ ডলাৰ। গোটেই জাতিটোৰে নৈতিকতা আৰু মনোবল ভাঙি পৰিল। গোটেই জাতিটোৱেই এবাৰ যদি জাতীয় পৰ্য্যায়ত মদখোৱা অভ্যাসৰ কবলত পৰে, তেন্তে আৰু কোনো আশা নাই। ধৰক, ১০ বা ১৫ বছৰ পাছত যুদ্ধত জিকিছোঁ, তেতিয়া আমি বয়বস্তু ধ্বংসৰ ক্ষতিপূৰণ কৰিব পাৰিম কিন্তু আমাৰ নতুন চামৰ বংশধৰসকলক আমি কেনেকৈনো এই নৈতিক অৱনতি আৰু পাপৰ পৰা উদ্ধাৰ কৰিম ?

"আপোনাৰ বাণী আমাক লাগে। আপোনাৰ আত্মজীৱনীখন আমি চীনা ভাষালৈ অনুবাদ কৰিলোঁ। আমাৰ আধ্যাত্মিক পথ-প্ৰদৰ্শক হ'ব বলি আপোনালৈ আমি চাই আছোঁ।"

সংস্কৃতিক বোমায়ো ধ্বংস কৰিব নোৱাৰে

গান্ধীজীয়ে উত্তৰ দিলে "মোক এবাৰ শান্তিনিকেতনৰ এজন চীনা বন্ধুৱে চীনাবাসীলৈ এটা বাণী পঠাবলৈ কৈছিল। মই তেওঁক মোক ক্ষমা কৰিবলৈ কব লগা হৈছিল। মই তেওঁক মোৰ কাৰণবোৰ দৰ্শালোঁ। মই যদি কেৱল কলোঁহেতেন চীনাসকলৰ সংগ্ৰামৰ প্ৰতি মোৰ সহানুভূতি আছিল, মোৰ বাবা তেনে মূল্যবান একোকে কৰা নহ'লহেতেন, মই চীনাসকলক স্পষ্টকৈ কৈ দি ভাল পাব লাগিছিল সে তেওঁলোকৰ মুক্তি সম্ভৱ হ'ব কেৱল অহিংস পন্থাৰ

যোগেদিছে। কিন্তু মোৰ মতে যুদ্ধৰ বাহিৰত থকা এজন মানুহে জীৱন মৰণ সংগ্ৰামত লিপ্ত হৈ থকা জাতি এটাক এইদৰে কোৱাটো উচিত নহয়: 'এইফালে আগ নাবাঢ়ি, সেইফালেহে আগবাঢ়া।' তেওঁলোকে নতুন প্ৰণালী গ্ৰহণ কৰিবলৈ সাজু হ'ব নোৱাৰিব আৰু পুৰণি প্ৰণালীৰ ক্ষেত্ৰতো তেওঁলোক অস্থিৰ হৈ পৰিব। মোৰ হস্তক্ষেপকৰণে তেওঁলোকক কেৱল দুৰ্ব্বলহে কৰিব আৰু তেওঁলোকৰ মনত খেলিমেলিৰ সৃষ্টি কৰিব।

"কিন্তু সংগ্ৰামৰত চীনাবাসীলৈ পঠাবলৈ মোৰ যদিও কোনো 'বাণী' নাই, সেই বুলি আপোনাৰ আগত মোৰ মন্তব্য দাঙি ধৰিবলৈ মই দ্বিধাবোধ নকৰোঁ। মই আপোনাক সুধিবই খুজিছিলোঁ। আপুনিনো সাংস্কৃতিক বিনাশ মানে কি বুজাইছে। চীনা সংস্কৃতি যদি ইটা আৰু চূণ শিলৰ মাজত নাইবা পোক পৰুৱাই খাই পেলাব পৰা ডাঙৰ কিতাপৰ মাজত আছে বুলি কোৱা হয়, মই হলে দুখিত হ'ম। এটা জাতিৰ সংস্কৃতি সেই জাতিৰ জনসাধাৰণৰ অন্তৰাত্মাত বিৰাজ কৰে। চীনা সংস্কৃতি সেইখিনিলৈকে চীনা বুলি ক'ব লাগিব যিখিনি চীনাজীৱনৰ অবিচ্ছেদ্য অঙ্গ হৈ পৰিছে। গতিকে আপুনি যদি কয় যে আপোনালোকৰ সংস্কৃতি আৰু আদৰ্শসমূহ ধ্বংস কৰি পেলাব পৰা বিপদে দেখা দিছে, তেনেহলে মানুহে ভাবিবলৈ বাধ্য হ'ব যে আপোনালোকৰ দেশৰ সংস্কাৰমুখী আন্দোলন মুঠেই গভীৰ হোৱা নাই। মানুহৰ অন্তৰৰ পৰা ঠগ প্ৰবঞ্চনা নাতৰিল। সামাজিক সম্বন্ধে ইয়াক হেচি ৰখা নাই, ৰাখিছে কিন্তু আইনৰ শাস্তিমূলক ব্যৱস্থাইহে। অন্তৰত ঠগ-প্ৰৱঞ্চনাৰ খেলা চলিয়েই থাকিল। অৱশ্যে জাপানেই জগৰীয়া, আৰু যি কৰিলে বা যি কৰি আছে তাৰ বাবেতো জাপানক জগৰীয়া কৰিবই লাগিব। জাপানে তেনেহলে এতিয়া এটা কুকুৰনেছীয়া বাঘৰ ভূমিকা লৈছে যাৰ কাম হৈছে ভেৰাবোৰৰ সংখ্যা কমাই নিয়া। কুকুৰনেছীয়া বাঘক জগৰীয়া কৰি ভেৰাৰ বেছি উপকাৰ কৰা নহয়। কুকুৰনেছীয়া বাঘৰ কবলত নপৰিবলৈকো ভেৰাই শিকিব লাগিব।

"যদি আপোনালোকৰ কেইজনমানেও অহিংসনীতি অৱলম্বন কৰিলেহেঁতেন সেই কেইজনেই চীনা কৃষ্টি আৰু আদৰ্শৰ জীৱন্ত কীৰ্ত্তি হিচাপে জিলিকি থাকিলেহেঁতেন। তেনেহলে চীন যুদ্ধক্ষেত্ৰত অভিভূত হৈ পৰিলেও, অৱশেষত চীনৰ ভালেই হ'লহেঁতেন, কাৰণ ই একে সময়তে আশা আৰু মুক্তিৰ প্ৰতিজ্ঞা বহন কৰি অনা বাণী একোটা পাই থাকিলহেঁতেন। জাপানে লক্ষীনৰ তম দেখুৱাই অনিচ্ছুক মানুহৰ মুখত কৰি মদ ঢালি দিব নোৱাৰে। ই কেৱল

প্ৰলোভন দেখুৱাব পাৰে। জাপানীহঁতৰ লগত সামৰিক শক্তিৰে ফেৰ মাৰি আপোনালোকে মানুহক এই প্ৰলোভনবোৰৰ পৰা হাত সাৰিবলৈ শিক্ষা দিব নোৱাৰে। শক্তি প্ৰয়োগৰ ফলত অন্ত কিবা লাভ হলেও, ই চীনা আদৰ্শ নাইবা চীনা সংস্কৃতিক ৰক্ষা কৰিব নোৱাৰে।

"আপোনালোকে যদি মোৰ মন্তব্যৰ সত্যতা উপলব্ধি কৰিব পাৰে, তেনেহলে চীনৰ কাৰণে আপোনালোক জীৱন্ত বাণী হৈ পৰিব। আপোনালোকে তেতিয়া চীনা মানুহক ক'ব, 'জাপানে যিমানেই পাৰ্থিব বস্তু ধ্বংস নকৰক লাগে, ই চীনৰ সাংস্কৃতিক ধ্বংস আনিব নোৱাৰে। আমাৰ মানুহবিলাকক যথেষ্ট পৰিমাণে শিক্ষিত কৰি তুলিব লাগিব আৰু জাপানে উত্থাপন কৰিব পৰা সকলো প্ৰলোভনকে বাধা দিবলৈ তেওঁলোকক সাবধান কৰি দিব লাগিব। স্মৃতি সৌধ আৰু মহানগৰীক ধূলিসাৎ কৰি দিব পাৰি। সেইবিলাক মাথোন সময়ৰ স্মৃতিত বিৰাজ কৰা একোটা দৃশ্য আৰু কালে তাক এদিন নিজৰ কৱলত সামৰি ল'ব। যদি সেইবোৰ জাপানীহঁতৰ দ্বাৰা ধ্বংস কৰা হয়, তেনেহলে কালৰ মুখৰ পৰা কাঢ়ি অনা এগৰাহ ভাতৰ দৰে হ'ব। জাপানীহঁতে আমাৰ আত্মাক কলুষিত কৰিব নোৱাৰে। যদি চীনৰ আত্মা আহত হয়, ই জাপানৰ দ্বাৰা হোৱা নহয়।"

জাপান বৰ্জ্জন

চীনা বন্ধুজনৰ মতে জাপানৰ অৰ্থনৈতিক বিপৰ্য্যয় হলেহে চীন ৰক্ষা পৰিব। তেওঁলোকে জানিব খুজিছিল ভাৰতে জাপানী বস্তু বৰ্জ্জন কৰি কেনেদৰে লাভবান হ'ব।

গান্ধীজীয়ে উত্তৰত কলে "কিবা ডাঙৰ আশা আছিল বুলি কোৱাই মোৰ ইচ্ছা। আপোনালোকৰ প্ৰতি আমাৰ সহানুভূতি আছে, কিন্তু সি আমাক গভীৰভাৱে স্পৰ্শ কৰিব পৰা নাই, কাৰণ আমি সকলো জাপানী বস্তু, জাপানী কাপোৰ বৰ্জ্জন কৰিব পাৰিব লাগিছিল। জাপানে কেৱল আপোনালোকক যে জয় কৰিছে এনে নহয়, সস্তীয়া মিহি, কলত তৈয়াৰী বস্তুৰে আমাকো ই জয় কৰিবলৈ চেষ্টা কৰিছে। অশেষ বন্ধুত্ব আৰু সদিচ্ছাৰ নমুনা হিচাপে 'মেডিকেল মিছন' পঠোৱাটো ভাল হৈছিল। কিন্তু সি মোক বিশেষ সন্তুষ্ট কৰা নাই, কাৰণ মই জানো যে আমি বহুত বেছি কৰিব পাৰিলোঁহেতেন। আজিও আপোনালোকৰ দৰে এটা ডাঙৰ জাতি।

আমি যদি জাপানীইতক কলে হেতেন 'আমি তোমালোকৰ কেলিকো কাপোৰৰ এগজো আমদানি নকৰোঁ আৰু কোনো কপাহ তোমালোকলৈ ৰপ্তানি নকৰোঁ।' জাপানে এই আক্রমণ কৰাৰ আগতে দুকৈ ভাবিব লাগিলহেতেন।"

অহিংস পন্থা

এই কথাবার্তা পতাৰ পাছত গোটেই দলটোৰ লগত আলোচনা হ'ল। চীনা প্রতিনিধিসকলে অনুসন্ধানমূলক প্রশ্ন কৰিছিল। অহিংসাৰ 'বাহিৰ ভিতৰ' সূক্ষ্মভাৱে অধ্যয়ন কৰাৰ আগ্রহ জন্মিছিল। তেওঁলোকৰ এজনে সুধিছিল, "ব্যক্তিয়ে প্রথমে নিজৰ ক্ষেত্রত আনৰ লগত আচৰণ কৰোঁতে অহিংসা অনুশীলন কৰাটো আৱশ্যকীয় নহয় জানো?" আৰু উদাহৰণ স্বৰূপে তেওঁ বর্ণনা কৰিছিল কেনেকৈ অহিংসাই জীৱনৰ নীতি বুলি তেওঁৰ গভীৰ বিশ্বাস হোৱাৰ পাছতো বহু বছৰ ধৰি তেওঁ ইয়াক আনৰ লগত হোৱা বাহ্যিক কার্য্য ক্ষেত্রত অনুশীলন কৰিবলৈ অমাস্তি হৈছিল। "মই কৈছিলোঁ প্রথমে মই এনে জীৱন যাপন কৰিবলৈ চেষ্টা কৰিম আৰু ইয়াৰ অনুশীলনত নিজকে প্রস্তুত কৰি তুলিম। আৰম্ভণিতে এটা সংকল্প ললোঁ যে মোৰ বিৰুদ্ধে কৰা যি কোনো সমালোচনাৰ প্রত্যুত্তৰ নিদিওঁ বা তাক খণ্ডন নকৰোঁ। সাত বছৰৰ পাছত মোৰ অভিজ্ঞতাৰ এটা টোকা মোৰ ছাত্রসকলক দিলোঁ। বাস্তৱ ক্ষেত্রত মোৰ প্রণালী ফলৱতী হোৱা বুলি মই ক'ব নোৱাৰোঁ। সেয়ে মই নিজকে নিজে কওঁ, ধৈর্য্যেৰে মই পুনৰ চেষ্টা কৰিবই লাগিব।'"

"অন্য ধৰণে ভাবিলে ভুল কৰা হ'ব," গান্ধীজীয়ে উত্তৰ দিলে। "যদি কোনোবাই অহিংসাক আনৰ লগত হোৱা তেওঁৰ ব্যক্তিগত সম্বন্ধৰ ক্ষেত্রত ব্যৱহাৰ নকৰে আৰু ডাঙৰ ডাঙৰ কার্য্যতহে ইয়াক ব্যৱহাৰ কৰে, তেনেহলে তেওঁৰ ডাঙৰ ভুল হ'ব। দয়াৰ দৰে অহিংসাৰো জন্ম হ'ব লাগিব ঘৰতে। যদি এজন ব্যক্তিয়ে অহিংসাৰ দীক্ষা লোৱাটো আৱশ্যক তেন্তে এটা জাতিয়ে তেনে দীক্ষা লোৱাটো আৰু বেছি আৱশ্যক। এজন মানুহ নিজৰ পৰিসৰত অহিংস হৈ তাৰ বাহিৰত হিংস্রক হ'ব নোৱাৰে। নতুবা নিজৰ পৰিসৰতো তেনে এজন মানুহ প্রকৃততে অহিংস নহয়; কেৱল দেখাতহে অহিংস যেন লাগে। যেতিয়া আপুনি বাধাৰ সন্মুখীন হয়, উদাহৰণ স্বৰূপে যদি এটা চোৰ নাইবা হত্যাকাৰী আপোনাৰ সন্মুখীন হয়, আপোনাৰ অহিংসাৰ পৰীক্ষা হ'ব।

আপুনি চোৰটোক তাৰ অস্ত্ৰৰ দ্বাৰাই বাধা দিবলৈ চেষ্টা কৰিব লাগিব, নাইবা প্ৰেমৰ দ্বাৰা তাক নিৰস্ত্ৰ কৰিব লাগিব। সৎ মানুহৰ মাজত থাকিলে আপোনাৰ স্বভাৱ অহিংস বুলি বৰ্ণনা কৰিব নোৱাৰি। পাৰস্পৰিক সহনশীলতাই অহিংসা নহয়। সেয়ে অহিংসাই জীৱনৰ বিধি বুলি আপোনাৰ দৃঢ় বিশ্বাস হোৱাৰ লগে লগেই আপোনাক হিংসা কৰা সকলৰ প্ৰতিও ইয়াক প্ৰয়োগ কৰিব লাগিব। আৰু ব্যক্তিৰ দৰে জাতিৰ ক্ষেত্ৰতো এই বিধি প্ৰযোজ্য হ'ব লাগিব। প্ৰশিক্ষণৰ যে প্ৰয়োজন তাত সন্দেহ নাই। আৰু আৰম্ভণি সদায় ক্ষুদ্ৰ পৰ্য্যায়তেই হয়। কিন্তু যদি দৃঢ় বিশ্বাস থাকে, বাকী সকলো আপোনা আপুনি আহিব।"

আন এটা প্ৰশ্ন আছিল "অহিংসাৰ অনুশীলনৰ ফলত এনে বিপদৰ আশঙ্কা আছে নেকি যাৰ ফলত মাথোন শ্বহীদ হোৱাৰ কামনা নাইবা অহং ভাৱৰহে সৃষ্টি হোৱাৰ সম্ভাৱনা ?"

গান্ধীজী "যদি কাৰো অহঙ্কাৰ আৰু অহমিকা ভাৱ আছে, তেওঁ অহিংস হ'ব নোৱাৰে। নম্ৰতাৰ অবিহনে অহিংসা অসম্ভৱ। মোৰ নিজা অভিজ্ঞতা হৈছে যে যেতিয়াই মই অহিংস হিচাপে কাম কৰিছোঁ (মোৰ অনুভৱ হৈছে) মোক তেনে কৰিবলৈ আৰু হ'বলৈ এটা অদৃশ্য শক্তিয়ে উচ্চতৰ প্ৰেৰণা যোগাইছে। মোৰ নিজৰ ইচ্ছাৰ যোগেদি হোৱা হ'লে মই বেয়াকৈ অকৃতকাৰ্য্য হ'লোহেতেন। প্ৰথমে মই বন্দীশাললৈ যাওঁতে বৰ চিন্তিত হৈ পৰিছিলোঁ। বন্দীশালৰ জীৱনৰ ভয়াবহ কথা কিছুমান মই শুনিছিলোঁ। কিন্তু ভগবানে ৰক্ষা কৰে—এই কথাৰ ওপৰত মোৰ বিশ্বাস আছিল। আমাৰ অভিজ্ঞতা হ'ল—যিসকলে বন্দীশাললৈ যাওঁতে প্ৰাৰ্থনা কৰি গৈছিল, সেই সকলেই জয়ী হৈ ওলাই আহিছিল, আৰু নিজৰ শক্তিত নিৰ্ভৰ কৰি যোৱাসকল অকৃতকাৰ্য্য হৈছিল। ঈশ্বৰে আপোনাক শক্তি দিছে বুলি যদি আপুনি কয়, তেনেহলে তাত আপোনাৰ আত্ম-অনুকম্পাৰ বাবে ঠাই নাই। যেতিয়া আপুনি এটা কাম কৰি আনৰ পৰা তাৰ স্বীকৃতি বিচাৰে তেতিয়াই আত্ম অনুকম্পা আহে। কিন্তু ইয়াত স্বীকৃতিৰ কোনো প্ৰশ্নই নুঠে।"

যুদ্ধ লাগে নে নালাগে

আন এজন বন্ধুৱে তেওঁৰ দোধোৱা মোথোৰ ভাৱ এনে ধৰণে দাঙি ধৰিলে : "মোৰ অহিংসাৰ ওপৰত দৃঢ় বিশ্বাস আছে। আঠ বছৰৰ আগতে মই

আপোনাৰ 'সত্য অন্বেষণৰ কাহিনী' খন পঢ়িছিলোঁ, আৰু লগে লগেই আপুনি তাত দাঙি ধৰা জীৱন ধাৰণৰ পথকে বাছি লৈছিলোঁ। অলপ দিনৰ পাছতে মই কিতাপখন চীনা ভাষালৈ অনুবাদ কৰিছিলোঁ। আৰু তাৰ পাছতে আহিল জাপানী আক্রমণ। অহিংসাৰ প্রতি থকা বিশ্বাসৰ মোৰ কঠোৰ পৰীক্ষা হ'ল আৰু মই দোধোৰ মোধোৰত পৰিলোঁ। আনহাতে মই অনুভৱ কৰিলোঁ মই মোৰ দেশৰ মানুহৰ মাজত অহিংসাৰ বাণী প্রচাৰ কৰিব নোৱাৰোঁ, কাৰণ তেওঁলোক কেতিয়াও যুদ্ধকামী নাছিল, কিন্তু তেওঁলোকে এতিয়া বিশ্বাস কৰে যে শক্তি প্রয়োগ কৰি বাধা দিয়াই হ'ল একমাত্র উপায়। এইটোৱেই আটাইতকৈ ভাল কাম আছিল বুলি তেওঁলোকে জানিছিল, আৰু মই আপোনাৰ নিচিনাকৈ বিশ্বাস কৰোঁ যে 'মোৰ দেশৰ মানুহক মানৱত্ব হেৰুৱাবলৈ দিয়াতকৈ মই হাজাৰবাৰ শক্তি প্রয়োগ কৰাৰ নিচিনা বিপদজনক কামকে মানি লম।' কিন্তু আনহাতে মই যেতিয়া এটা সহানুভূতিশীল দৃষ্টিভঙ্গী গ্রহণ কৰিবলৈ চেষ্টা কৰোঁ আৰু এনেকুৱা পৰিস্থিতিতো মঙ্গলদায়ক কিবা এটা কৰিব খোজোঁ, মই দেখোঁ যে মই পাকে-প্রকাৰে এনে এটা কথাৰ প্রতি নীতিগত আৰু পাৰ্থিৱ সমৰ্থন জনাইছোঁ যিটো কথা মই জনা শ্রেষ্ঠ কথাটোৰ একেবাৰে বিৰোধী। এই দোধোৰ মোধোৰ অৱস্থাৰ হাত সাৰিবৰ উপায় নাই কাৰণে মইতো একো নকৰাকৈ থাকিব নোৱাৰোঁ, আৰু মই যিহকে কৰোঁ সিয়ে একালে নহয় আনকালে প্রতিক্রিয়া কৰিবই। যদিওবা মই পূৰামাত্রাই অহিংস হ'বলৈ বহুত বাকী, তথাপি মই ইয়াক ব্যক্তিগত ব্যৱহাৰৰ ক্ষেত্রত বিনা দ্বিধাই বিশ্বাস কৰিব পাৰোঁ; কিন্তু জাতীয় সংকটৰ সন্মুখীন হৈ মই একে ধৰণে অনুভৱ কৰিব নোৱাৰোঁ, কাৰণ এই ক্ষেত্রত সৰহ সংখ্যক মানুহেই অহিংস পন্থাৰ কথাকে শুনা নাই।"

অহিংসাৰ সমতুল্য বস্তু

"আপোনাৰ পৰিস্থিতি জটিল" গান্ধীজীয়ে উত্তৰ দিলে, "এনেকুৱা জটিল পৰিস্থিতি বহুতবাৰ মোৰ সন্মুখত দেখা দিছে। বুৱৰ যুদ্ধত এটা চিকিৎসকৰ বাহিনী গঠন কৰি মই ব্রিটিছৰ ফালে অংশ গ্রহণ কৰিছিলোঁ। জুলু বিদ্রোহৰ সময়তো মই তাকে কৰিছিলোঁ। তৃতীয়বাৰ আছিল মহাযুদ্ধৰ ভিতৰত। তেতিয়া মোৰ অহিংসাৰ ওপৰত বিশ্বাস আছিল। মোৰ উদ্দেশ্য সম্পূৰ্ণভাৱে অহিংস আছিল। সেই দেখাত খাপ নোখোৱা ব্যৱহাৰে মোক শক্তি দিছিল।

মোৰ উদাহৰণটো আনে অনুসৰণ কৰিবলগীয়া পূৰ্ব্ববৰ্ত্তী ঘটনা হিচাপে ব্যৱহাৰ কৰিব নোৱাৰি। সেই তিনিটা ক্ষেত্ৰত মোৰ যি ভূমিকা তাৰ্লৈ ঘূৰি চালে মোৰ মনলৈ কোনো বিমৰ্ষৰ ভাৱ নাহে। মই ইয়াকো জানো যে সেই অভিজ্ঞতাসমূহৰ ফলত মোৰ অহিংস শক্তি অকণো হ্ৰাস পোৱা নাছিল। মোক সম্পূৰ্ণভাৱে মানৱতাসুলভ কাম হাতে-কামে কৰিবলৈ আহ্বান জনোৱা হৈছিল, বিশেষকৈ জুলু বিদ্ৰোহৰ ভিতৰত। মই আৰু মোৰ লগৰীয়াসকলে আহত জুলুসকলক শুশ্ৰূষা কৰি তেওঁলোকৰ জীৱন ঘূৰাই অনাত সহায় কৰিছিলোঁ। এইটো কলে যুক্তিসঙ্গত হ'ব যে আমাৰ সেৱাৰ অবিহনে তেওঁলোকৰ কিছুমানৰ মৃত্যু ঘটিলহেতেন। যিমানেই আওপকীয়া নহওক লাগে মোৰ সহযোগিতাক সমৰ্থন জনাবলৈ বুলি মই এই অভিজ্ঞতাৰ কথা দাঙি ধৰা নাই। মই ইয়াক দাঙি ধৰি দেখুৱাব খুজিছোঁ যে সেই অভিজ্ঞতাৰ মাজেদি অহাৰ ফলত মহান জুলুজাতিটোৰ প্ৰতি মোৰ অহিংসাৰ ভাৱ আগতকৈ বাঢ়িল আৰু প্ৰেম আগতকৈ গভীৰ হ'ল। আৰু বগা মানুহে ক'লা মানুহৰ বিৰুদ্ধে কৰা যুদ্ধৰ পৰিণতি সম্পৰ্কে মোৰ এক উপলব্ধি হ'ল।

"আপোনালোকে ইয়াৰ পৰা পাব পৰা শিক্ষা হ'ল এয়ে যে আপোনালোক যেনে এটা নিৰাশজনক সংখ্যালঘিষ্ঠ অৱস্থাত আছে, আপুনি আপোনাৰ মানুহক অস্ত্ৰ শস্ত্ৰ সম্বৰণ কৰিবলৈ ক'ব নোৱাৰে, যেতিয়ালৈকে তেওঁলোকৰ অন্তৰ পৰিবৰ্ত্তন নহয় আৰু অস্ত্ৰ শস্ত্ৰ সম্বৰণ কৰি তেওঁলোকে আগতকৈও বেছি সাহসী অনুভৱ নকৰে। কিন্তু আপুনি আপোনাৰ দেশৰ মানুহক যুদ্ধৰ পৰা আঁতৰাই আনিবলৈ চেষ্টা নকৰিবও পাৰে, তথাপি আপুনি আপোনাৰ নিজৰ ক্ষেত্ৰত সম্পূৰ্ণভাৱে অহিংস হৈ থাকিব আৰু যি কোনো প্ৰকাৰে যুদ্ধত লিপ্ত হবলৈ মান্তি নহ'ব। আপোনালোকৰ অন্তৰত জাপানীহঁতৰ প্ৰতি প্ৰেম বৃদ্ধি পাব। আপুনি নিজকে পৰীক্ষা কৰি চাব আপুনি তেওঁলোকক প্ৰকৃততে ভাল্ পায় নে নাপায়, আৰু তেওঁলোকে আপোনালোকৰ প্ৰতি অতবোৰ অন্যায় কৰা সত্ত্বেও আপোনাৰ তেওঁলোকৰ প্ৰতি কিবা বেয়া ভাব আছে নে নাই। তেওঁলোকৰ সজগুণখিনি মুঁৰবি তেওঁলোকক ভাল পালেই যথেষ্ট নহয়। তেওঁলোকৰ সকলো অপকৰ্ম্ম সত্ত্বেও আপুনি তেওঁলোকক ভাল পাব পাৰিব লাগিব। জাপানীহঁতৰ প্ৰতি তেনে প্ৰেম যদি আপোনাৰ অন্তৰত আছে আপুনি সেই উচ্চতৰ ধৰণৰ সাহস আপোনাৰ আচৰণত দেখুৱাবলৈ আগবাঢ়ি যাব। সিয়ে হ'ল প্ৰকৃত অহিংসাৰ প্ৰতীক আৰু তাক আপোনাৰ চীনা

বন্ধুসকলে বুজিবলৈ আৰু মানি লবলৈ টান নাপাব। আপুনি জাপানী অস্ত্ৰ শস্ত্ৰৰ সফলতা কামনা নকৰিব কাৰণ আপুনি জাপানীইতক প্ৰকৃততে ভাল পায়। একেদৰেই আপুনি চীনা অস্ত্ৰ শস্ত্ৰৰ সফলতাৰ বাবেও প্ৰাৰ্থনা নকৰিব। যেতিয়া দুটা পক্ষই হিংসাত্মক অস্ত্ৰ শস্ত্ৰ প্ৰয়োগ কৰিবলৈ ধৰে, তেতিয়া কোনটো পক্ষই কৃতকাৰ্য্যতা লাভ কৰা উচিত তাক বিচাৰ কৰা বৰ টান। আপুনি সেয়ে ইয়াকে কেৱল প্ৰাৰ্থনা জনাব যেন ন্যায়ৰ প্ৰবৰ্ত্তন হয়। আপুনি নিজকে সকলো হিংসাত্মক কাৰ্য্যৰ পৰা আঁতৰাই ৰাখিব, সেই বুলি আপুনি বিপদৰ পৰা পলাই ফুৰিব। আপোনাৰ জীৱনৰ প্ৰতি কোনো মমতা নৰখাকৈ আপুনি বন্ধু আৰু শত্ৰু উভয়কে সেৱা কৰিব লাগিব। যদি কৰবাত মহামাৰীয়ে দেখা দিয়ে নাইবা ডাকবৈকে জুই লাগে আপুনি যোৰ দিব, আৰু আপোনাৰ অতিশয় সাহস আৰু অহিংস বীৰত্বেৰে আপুনি নিজৰ পৰিচয় দিব। কিন্তু আপুনি জাপানীসকলৰ ওপৰত ভগবানৰ অভিশাপ কামনা নকৰিব। যদি হঠাতে কিছুমান জাপানী সৈন্য নাইবা বিমানচালক চীনালোকৰ হাতত ধৰা পৰে আৰু এটা উত্তেজিত চীনা মানুহৰ দলে আক্ৰমণ কৰা বা অন্য অসৎ ব্যৱহাৰ কৰা বিপদৰ সন্মুখীন হয়, আপুনি তেওঁলোকৰ কাৰণে আপোনাৰ মানুহৰ ওচৰত আবেদন জনাব আৰু আৱশ্যক বোধ কৰিলে আনকি আপোনাৰ জীৱন দিও তেওঁলোকক ৰক্ষা কৰিব। আপুনি এমিলি হবহাউচৰ গল্পটো জানে। যদিও এগৰাকী ইংৰাজ তিৰোতা তেওঁ সাহসেৰে বুৱৰসকলৰ সৈন্য আৱদ্ধ কৰি ৰখা শিবিৰলৈ (concentration camps) গৈছিল। তেওঁ বুৱৰসকলক কেতিয়াও নিৰাশ নহবলৈ উদগনি দিছিল, আৰু কথিত আছে যে তেওঁ যদি বুৱৰ তিৰোতাসকলৰ অন্তৰ শক্তিমন্ত নকৰিলেহেঁতেন, যুদ্ধই বেলেগ ৰূপ ললেহেঁতেন। নিজৰ মানুহৰ ওপৰতে তেওঁৰ খং উঠিছিল আৰু তেওঁলোকৰ বিষয়ে ক'বলগীয়া ভাল কথা তেওঁৰ একো নাছিল। আপুনি তেওঁৰ মাত্ৰাহীন খংটো অনুকৰণ নকৰিব, কাৰণ ই কিছু পৰিমাণে তেওঁৰ অহিংসাক কলুষিত কৰিছিল। কিন্তু আপুনি তেওঁৰ শত্ৰুৰ প্ৰতি থকা প্ৰেমকহে অনুকৰণ কৰিব, কাৰণ ইয়াৰ বাবা তেওঁ নিজ দেশবাসীৰ অসৎ কৰ্মক নিন্দা কৰিছিল। আপোনাৰ আৰ্হিয়ে চীনাসকলক প্ৰভাৱান্বিত কৰিব, আৰু আনকি জাপানী কিছুমানকো লজ্জিত কৰিব, আৰু তেওঁলোকেই আপোনাৰ বাণী জাপানীসকলৰ মাজলৈ বহন কৰি নিব।

"আপুনি হয়তো ইয়াক এটা অতি ধীৰ পন্থা বুলি কব। সচাই বৰ্ত্তমানৰ

প্ৰতিকূল পৰিবেশৰ মাজত আৰম্ভণি তেনেকুৱাই হ'ব। কিন্তু আপুনি আগবাঢ়ি যোৱাৰ লগে লগে হিচাপ কৰিব নোৱাৰাকৈ ইয়াৰ গতিবেগ বাঢ়ি যাব। মই এজন অদম্য আশাবাদী। মোৰ এই আশাবাদ নিৰ্ভৰ কৰে মোৰ বিশ্বাসৰ ওপৰত, আৰু অহিংসাৰ ক্ৰমবিকাশৰ কাৰণে এজন ব্যক্তিৰ যি অনন্ত সম্ভাৱনা আছে সিয়ে হ'ল এই বিশ্বাসৰ মূল। আপোনাৰ নিজৰ গাতে ইয়াক যিমানে বঢ়ায়, সিমানেই ইয়াৰ সংক্ৰমণ হৈ চৌদিশ ঢৌৱাই পেলাব আৰু লগে লগেই ই গোটেই পৃথিৱীক সামৰি লব পাৰে।"

"অহিংসাত বিশ্বাসী হিচাপে মই প্ৰায়ে দেখোঁ যে মই মিশ্ৰিত উদ্দেশ্যৰ দ্বাৰা পৰিচালিত হৈছোঁ। সেইদৰে এজন যুদ্ধৰ সেনাপতিৰো মিশ্ৰিত উদ্দেশ্য আছে। এজনে অন্তৰত শত্ৰুৰ প্ৰতি প্ৰেম ভাব লৈও যুদ্ধ কৰাটো সম্ভৱপৰ নহয় নে? প্ৰেমৰ মাজেদিও আমি গুলি কৰিব নোৱাৰোঁ নে?"

গান্ধীজী "আমাৰ প্ৰায়ে মিশ্ৰিত উদ্দেশ্য আছে। কিন্তু সিয়ে অহিংসা নহয়। হিংসাৰ মাত্ৰা থাকিব পাৰে, কিন্তু অহিংসাৰ মাত্ৰা নাই। অহিংসাৰ সাধকজনে অবিৰত চেষ্টা কৰে তথাকথিত শত্ৰুৰ প্ৰতি থকা ঘৃণাৰ পৰা নিজকে মুক্ত কৰিবলৈ। আপুনি ক'বৰ দৰে প্ৰেমৰ মাজেৰে গুলি কৰাৰ নিচিনা কথা থাকিব নোৱাৰে।"

অহিংসা সংগঠন কৰিব পাৰি নে?

অৱশেষত মি° পি, চি, ছুৱে মহাত্মা গান্ধীৰ আগত তেওঁৰ সমস্যা দাঙি ধৰিলে। ১৯৩০ চনৰ পৰাই গান্ধীজীক লগ ধৰিবৰ বাবে তেওঁ লিখালিখি কৰি আছিল। জাপানে চীনৰ ওচৰত একৈশটা দাবী উত্থাপন কৰা বছৰতে তেওঁ স্নাতক হৈছিল। সেই সময়ত তেওঁ এজন গোড়া জাতীয়তাবাদী আছিল। ছাত্ৰসকলৰ মাজত 'ফেলশ্বিপ অব বিকন্‌চিলিয়েশ্বেন'ৰ কাম তিনি বছৰ কৰাৰ পাছত তেওঁৰ মত সলনি হৈছিল, আৰু জাপানীলোক আৰু জাপানী সামৰিক-বাহিনীৰ যন্ত্ৰৰ মাজত পাৰ্থক্য আঙুলিয়াবলৈ চেষ্টা কৰিছিল। আন্তৰ্জাতিক ভাৱে উদাৰ চিন্তাধাৰাৰ সমন্বয় সাধনৰ ওপৰত তেওঁ বিশ্বাসী হৈ পৰিছিল। তেওঁ গান্ধীজীক কৈছিল, "মই সংভাবেৰে কব পাৰোঁ—মো'স জাপানী মানুহৰ প্ৰতি কোনো ঘৃণাৰ ভাব নাই, কিন্তু মই অনুভৱ কৰোঁ—তেওঁলোকৰ সামৰিক বাহিনীৰ ব্যৱস্থা অতি বেয়া। মই ভাবিছিলোঁ যে ইয়াক শেষ কৰিবৰ কাৰণে একমাত্ৰ সভ্যৰ শিক্ষাৰ আৱশ্যক হৈছিল। মই আশা কৰিছিলোঁ যে টমৰমত

যি কোনো প্ৰকাৰে দুইখন দেশৰ মাজত পাৰস্পৰিক সহিষ্ণুতা আৰু শান্তিৰ ওপৰত ভিত্তি কৰি এটা আন্তৰ্জাতিক সমন্বয় সাধন হ'ব। কিন্তু মোৰ এই আশাত চেচা পানী পৰিল। মই দেখিলোঁ যে কম সময়ৰ ভিতৰত একোকে কৰিব পৰা নাযাব।" তেওঁ আৰু চেষ্টা কৰিছিল কিছুমান শান্তিদল গঠন কৰিবলৈ, যিবিলাকে এজেন্সি হিচাপে শান্তিৰ কাম চলাই যাব, কিন্তু তেওঁ দেখিলে যে এটা সঙ্কটৰ সম্মুখীন হোৱাৰ ফলত এই দলবোৰ শক্তিহীন হৈ পৰিল আৰু কোনো প্ৰকাৰৰ বাধা দিয়াত সফলকাম নহ'ল। সামৰণিত তেওঁ ক'লে, "এয়ে হ'ল আমাৰ অসুবিধা। সৰলভাৱে অহিংসাক বিশ্বাস কৰিলেও আমি ইয়াক সফলকাম কৰিবলৈ কোনো উপায় নাপাওঁ।"

'সেইটোৱেই অসুবিধাৰ সৃষ্টি কৰিব লাগে নে?"—গান্ধীজীয়ে স্পষ্টকৈ কলে। "এজন মানুহে যেতিয়া সময়ত চলি থকা এটা বিশেষ কুকৰ্মৰ কথা উপলব্ধি কৰে আৰু অনুভৱ কৰে যে ই তেওঁক অভিভূত কৰিছে, তেতিয়া তেওঁ অনুপ্ৰেৰণাৰ উৎস নিজৰ অন্তৰতে বিচাৰি পায় আৰু সেই লাভ কৰা অনুপ্ৰেৰণা আনলৈকো বোৱাই দিব পাৰে। সভা সমিতি আৰু দলীয় সংগঠন সকলো ঠিক। সেইবিলাকে কিছু সহায় কৰে, কিন্তু ই অতি সামান্য। সেই-বিলাক এজন কাৰিকৰে অস্থায়ীভাৱে আৰু সম্প্ৰতি কাম চলাবৈ সজা কিছুমান কৰ্মী সংস্থানৰ ঘৰৰ নিচিনা। প্ৰকৃত দৰকাৰী কথা হ'ল কোনো প্ৰকাৰে ধ্বংস কৰিব নোৱাৰা এক অটল বিশ্বাস।

"বিশ্বাস বঢ়াব পাৰি। কেৱল, যি প্ৰণালীৰে ইয়াক বঢাব পাৰি আৰু যত ই কাম কৰে তাৰ লগত হিংসাত্মক প্ৰণালীৰ পাৰ্থক্য আছে। আপুনি প্ৰাৰ্থনাৰ যোগেদি হিংসা বঢ়াব নোৱাৰে। আনহাতে, প্ৰাৰ্থনাৰ অবিহনে বিশ্বাস বঢাব পৰা নাযায়।

"যেতিয়া আমাৰ ভগৱানৰ প্ৰতি জীৱন্ত বিশ্বাস থাকে তেতিয়াই অহিংসাৰ জয় হয়। বুদ্ধ, যীচু, মহম্মদ—সেইসকল আছিল নিজ নিজ পন্থাৰে শান্তিৰ বিজেতা। পৃথিবী বিখ্যাত এই সকল গুৰুৱে দি যোৱা ঐতিহ্যক আমি চহকী কৰিব লাগিব। ভগৱানে তেওঁৰ নিজা আচৰিত প্ৰণালীৰে তেওঁৰ আঁচনিসমূহ কৃতকাৰ্য্য কৰে আৰু সজুলিসমূহ বাছি লয়। ইচলাম ধৰ্মৰ নবীজন আৰু আবু বকৰক যেতিয়া এটা গুহাত আটক কৰা হ'ল, তেতিয়া এটা মকৰাই গুহাটোৰ মুখত জাল গুঠি তেওঁলোকক শত্ৰুৰ কবলৰ পৰা ৰক্ষা কৰিছিল। আপুনি জানি থোৱা ভাল যে পৃথিবী বিখ্যাত গুৰুসকলে শূন্যৰ পৰাই আৰম্ভ কৰিছিল॥"

গান্ধীজীৰ লগত কথা হোৱা মানুহজন সন্তুষ্ট হোৱা যেন লাগিল। কিন্তু তেওঁৰ আন এটা সন্দেহ আছিল। তেওঁ গান্ধীজীৰ ওচৰত এনেদৰে মন্তব্য কৰিছিল "যীচুখ্ৰীষ্টৰ মত পোষণ কৰা ব্যক্তিসকলক আমি এঘৰীয়া কৰিছোঁ কাৰণ তেওঁলোক সঙ্ঘবদ্ধ নহয়, সংগঠিত নহয় আৰু তেওঁলোকৰ সকলো কথাই কেৱল অৰণ্যৰোদনৰ দৰে হৈছে। মোৰ মনত উদয় হোৱা প্ৰশ্ন হ'ল • প্ৰেমৰ জানো সংগঠন আছে? যদি আছে, কেনেকৈ?"

গান্ধীজী "ৰক্ষণশীল অৰ্থত সংগঠন সম্ভৱ নহ'বও পাৰে। কিন্তু সংগঠিত কাৰ্য্যৰ সমুখত কোনো বাধা নাই। মই এলানি পৰীক্ষাৰ দ্বাৰা দেখুৱাবলৈ চেষ্টা কৰিছোঁ যে ই সম্ভৱপৰ। ইয়াৰ নিজা পদ্ধতি আছে।"

যদি চীনৰ জয় হয়

অৱশেষত বন্ধুজনে সুধিলে, "যদি চীন যুদ্ধত জিকে, এই জয়ৰ কাৰণে চীনৰ অৱস্থা বেয়া হব নে ভাল হ'ব?"

গান্ধীজীয়ে উত্তৰ দিলে, "যদি চীনৰ যুদ্ধত জয় হয় আৰু জাপানী পন্থাকে অনুকৰণ কৰে, তেনেহলে এই খেলত চীনে জাপানক বেয়াকৈ পৰাস্ত কৰিব। কিন্তু চীনৰ জয়লাভে পৃথিবীৰ কাৰণে কোনো নতুন আশাৰ সঞ্চাৰ নকৰে। কাৰণ চীন তেতিয়া জাপানৰ এটা নতুন সংস্কৰণ হে হ'ব। কিন্তু চীন জিকক বা হাৰক, আপোনাৰ কাৰ্য্য পন্থা পৰিষ্কাৰ। যদি চীন যুদ্ধক্ষেত্ৰত পৰাস্ত হয়, আপোনাৰ অহিংসা অপৰাজেয় হৈ ৰব, আৰু ই কাম কৰি যাব। যদি চীনৰ জয় হয়, চীনক জাপানৰ পন্থা অনুকৰণ কৰাৰ পৰা আঁতৰাই আনিবলৈ কৰা চেষ্টাৰ বাবে আপুনি ফাঁচীশালত উঠিব লাগিব।"

বাৰদোলি, ১৫ ১ ১৯৩৯

হৰিজন, ২৮ ১ ১৯৩৯ পিয়াৰিলাল

[৭৩]

বেদনাসিক্ত এখন পৃথিৱী

(খ)

আফ্রিকাৰ বাবে এখন কাৰ্য্যসূচী

দক্ষিণ আফ্রিকাৰ নিগ্ৰোসকলৰ দাসত্ব মোচনৰ বাবে কি কাৰ্য্যসূচী লোৱা হ'ব, সেই বিষয়ে জোহান্সবাৰ্গৰ ডি আৰ মিছনৰ ৰেভাৰেণ্ড এচ-এচ-টেমা আৰু গান্ধীজীৰ মাজত বাৰ্দ্ধাত এখন আলোচনা হৈছিল। ৰেভাঃ টেমা নিজে এজন নিগ্ৰো আৰু আফ্রিকান কংগ্ৰেছৰ এজন সদস্য। তেওঁ নিগ্ৰো সমাজৰ সেৱাকাৰ্য্যত লাগি আছিল। দক্ষিণ আফ্রিকাত দহ নিযুত নিগ্ৰোলোক আছে, আনহাতে তাত শ্বেতকায়সকলৰ সংখ্যা দুই নিযুতহে আৰু ভাৰতীয়ৰ সংখ্যাও ৭৫ হেজাৰ। পৃথিৱীৰ অন্যান্য নিপীড়িত আৰু কৃষ্ণকায় লোকসকলৰ দৰেই দক্ষিণ আফ্রিকাৰ নিগ্ৰো লোকসমাজৰ মাজতো জাতীয় সচেতনতা প্ৰবলভাৱে বাঢ়ি আহে আৰু ইটালিৰ আবিছিনিয়া আক্ৰমণৰ পিছৰ পৰা ই ক্ৰমে তীব্ৰ ৰূপ ধাৰণ কৰে। ইউৰোপীয় সভ্যতাই নিগ্ৰোসকলক বিশেষ একো উপকৃত কৰা নাই। খ্ৰীষ্টান ধৰ্মপ্ৰচাৰকসকলে বাইবেলখন লৈহে নিগ্ৰোৰ ওচৰ চাপিছে। কিন্তু নিগ্ৰোসকলৰ প্ৰতি ইউৰোপীয়সকলে কৰা ব্যৱহাৰত 'যীচুৰ পৰ্ব্বতৰ বাণী' কৰবাতে পৰি থাকিল; তাৰ সলনি মদপানৰ অভ্যাস আৰু তাৰে পৰিণামত হোৱা ৰোগ ব্যাধিয়ে নিগ্ৰোসকলে বাসকৰা ঝুপুৰিবোৰত বনজুইৰ দৰে ছাটি ধৰিলে আৰু এক অবৰ্ণনীয় দুৰৱস্থাৰ সৃষ্টি কৰিলে। তিক্ত অভিজ্ঞতাৰ পিছত তেওঁলোকেও বুজি পালে যে সশস্ত্ৰ প্ৰতিৰোধেৰে একোকে কৰিব পৰা নহ'ব। পতিকে তেওঁলোকৰ মাজত যিমানেই সজাগতা বাঢ়ি আহিবলৈ ধৰিলে, সিমানেই মাথোন হতাশা গভীৰ হৈ যাবলৈ ধৰিলে। দহ বছৰৰ আগতে সবৰমতী আশ্ৰমত গান্ধীজীৰ লৈতে দেখা কৰিবলৈ অহা এজন নিগ্ৰো বন্ধুৱে তেওঁৰ আগত খেদ কৰি কৈছিল— "আমি যেন এখন শিলৰ প্ৰাচীৰৰ বিৰুদ্ধেহে থিয় দিছোঁ! দুৰ্ভাগ্যৰ দৰে এটা নিষ্ঠুৰ আৰু নিৰ্দ্দয় শক্তিয়ে আমাক শেষ কৰি পেলাইছে। আমাক একোৱেই ৰক্ষা কৰিব নোৱাৰে আমি যেন নিশ্চিহ্ন হৈ গলোঁ।" তাৰ পিছতে কংগ্ৰেছৰ অহিংস কাৰ্য্যসূচীৰ সফলতাই নিগ্ৰো নেতাসকলৰ কোনো কোনোজনৰ মনলৈ পুনৰ আশাৰ ৰেঙনি আনি দিয়ে আৰু সেয়ে ৰেভাঃ

টেম্বাই ইয়াৰ কৃতকাৰ্য্যতাৰ গুপুত কথাটো জানিবলৈ উদগ্ৰীৱ হৈ পৰে। তেওঁ গান্ধীজীক সুধিলে—"ভাৰতৰ ৰাষ্ট্ৰীয় কংগ্ৰেছৰ দৰে আমাৰ কংগ্ৰেছকো আমাৰ ৰাইজে কেনেকৈ কৃতকাৰ্য্য কৰি তুলিব পাৰিব ?"

গান্ধীজীয়ে ক'লে—"কংগ্ৰেছৰ এই কৃতকাৰ্য্যতাৰ আচল কথা হৈছে এয়ে যে এই অনুষ্ঠানটোক যিসকল লোকে গঢ় দিলে সেই লোকসকল সেই যুগৰ আটাইতকৈ নিঃস্বাৰ্থ আৰু বিদ্বান লোক আছিল। এই লোকসকলে নিজকে সকলো জনসাধাৰণৰে প্ৰতিনিধি হিচাপে গঢ়ি লৈছিল আৰু সেৱা আৰু আত্মত্যাগৰ দ্বাৰা তেওঁলোকে জনসাধাৰণৰ অন্তৰ জয় কৰিছিল। সেই লোকসকল জনসাধাৰণৰ মাজৰে আৰু জনসাধাৰণৰ্ৰে কাম কৰা লোক আছিল।" কংগ্ৰেছে কৰি অহা সেৱা আৰু এটা গণতান্ত্ৰিক অনুষ্ঠান হিচাপে ইয়াৰ বিষয়ে বাহুল্য বিৱৰণ দিয়াৰ পিছত গান্ধীজীয়ে কৈছিল—"মই যিমান দূৰ জানো, আপোনালোকৰ মাজত নিজকে সম্পূৰ্ণভাৱে নি স্ব কৰি দি সেৱা কৰিব পৰা এদল আফ্ৰিকান লোক নাই। যিসকল শিক্ষিত লোক আছে সেইসকলৰ মাজতো সৰ্বস্বভাবে আত্মত্যাগ কৰিব পৰা লোক নাই। তদুপৰি আৰু এটা কথা হৈছে যে আপোনালোকৰ নেতাসকলৰ সৰহখিনিয়েই হৈছে খ্ৰীষ্টান আৰু বাকী বাণ্টু আৰু জুলু সম্প্ৰদায়ৰ বিৰাট জনসাধাৰণ হৈছে অখ্ৰীষ্টান। আপোনালোকে ইউৰোপীয় পোছাক আৰু আদব কায়দা গ্ৰহণ কৰিছে, আৰু তাৰ ফলত আপোনালোকৰ নিজৰ জনসাধাৰণৰ মাজতে আচহুৱা হৈ পৰিছে। ৰাজনীতিত ইয়াৰ অসুবিধাও আছে। কাৰণ ইয়াৰ দ্বাৰা আপোনালোকে জনতাৰ অন্তৰৰ ওচৰ চাপিব নোৱাৰে। আপোনালোকে নিজে 'বাণ্টু' হৈ থকালৈ ভয় খাব নালাগে বা হাতত অস্ত্ৰ আৰু কঁকালত নিচেই সামান্য ফটাকানি এডোখৰ আৰি ঘূৰি ফুৰিবলৈও লাজ কৰিব নালাগিব। জুলু আৰু বাণ্টু মানুহৰ শৰীৰৰ গঢ় ধুনীয়া আৰু সেই শৰীৰ উদঙাই ৰাখিবলৈও লাজ কৰাটো উচিত নহয়। জুলু আৰু বাণ্টু মানুহে আপোনাৰ নিচিনাকৈ পোছাক পিন্ধাৰ আৱশ্যক নাই। আপুনি আকৌ আফ্ৰিকান হৈ পৰিব লাগিব।"

এক অশ্বেতকায় সংযুক্ত মৰ্চ্চা

সম্প্ৰতি দক্ষিণ আফ্ৰিকাত ভাৰত আফ্ৰিকান সংযুক্ত অশ্বেতকায় মৰ্চ্চা এখন গঠন কৰা সম্পৰ্কে কিছু আলোচনা হয়। ... নেতা' টেম্বাই সুধিছিল—

"আপুনি এই বিষয়ে কি ভাবে?" গান্ধীজীয়ে উত্তৰত কৈছিল—"ই এটা ভুল কাম হ'ব। ইয়াৰ দ্বাৰা আপোনালোকৰ শক্তি বৃদ্ধি নহৈ হ্ৰাসহে হ'ব। আপোনালোকে প্ৰত্যেকে নিজে নিজৰ ভৰিত থিয় দিলেই আটাইতকৈ বেছি পাৰস্পৰিক সহায় আপোনালোকে কৰিব পাৰিব। দুয়োটা পক্ষৰে কথা সুকীয়া। ভাৰতীয় লোকসকলৰ সংখ্যা তেনেই নগণ্য আৰু এওঁলোক তাৰ শ্বেতকায় অধিবাসীসকলৰ 'বিপদৰ কাৰণ' কেতিয়াও হ'ব নোৱাৰে। আনহাতে আপোনালোক হৈছে থলুৱা মানুহ আৰু আপোনালোকৰ পৰাই সকলো স্বত্ব কাঢ়ি লৈ গৈছে। তাক আপোনালোকেই বাধা দিব লাগিব। সেইকাৰণে আপোনালোকৰ প্ৰশ্নটো আনতকৈ বহুগুণে ডাঙৰ। ইয়াক ভাৰতীয়সকলৰ প্ৰশ্নৰ লগত একেলগ কৰাটো উচিত নহ'ব। ইয়াৰ ফলত এই দুইটা জাতিৰ লোকসকলৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক প্ৰতিষ্ঠা হোৱাটোত কোনো বাধা নপৰে। আন বহুতো প্ৰকাৰে ভাৰতীয়সকলে আপোনালোকৰ লগত সহযোগ কৰিব পাৰে। তেওঁলোকে আপোনালোকৰ সপক্ষে কাম কৰি সদায় আপোনালোকৰ সহায় কৰিব পাৰিব। তেওঁলোকে আপোনালোকৰ ন্যায্য আশা আকাঙ্খাত কেতিয়াও বিধি পথালি নিদিয়ে বা আপোনালোকৰ স্বাৰ্থৰ বিনিময়ত দা সুবিধা ভোগ কৰাৰ অভিপ্ৰায়েৰে কেতিয়াও নিজকে 'সভ্য' মানুহ বুলি চিনাকি দি আপোনালোকক 'অসভ্য' বুলি কৰলৈ নাযায়।"

বেভা টেমা "এই দুয়োটা জাতিৰ ভিতৰত আপুনি কেনে সম্পৰ্ক হোৱাটো ভাল দেখে?"

গান্ধীজী "সম্ভৱপৰ হোৱা আটাইতকৈ ওচৰ আৰু ঘনিষ্ঠ সম্পৰ্ক। কিন্তু যিহেতু মই আফ্ৰিকান আৰু ভাৰতীয়ৰ মাজত কোনো প্ৰভেদ ৰখা নাই, সেইবাবে এইটো বুজিব নালাগিব যে এই দুয়োটা জাতিৰ মাজত পাৰ্থক্য থকাটো মই মানি নলওঁ। মানব সমাজৰ বিভিন্ন জাতি হৈছে এজোপা গছৰ বিভিন্ন ডালৰ দৰে, যিটো ডালৰ পৰা আমাৰ জন্ম হৈছে সেইটো ডালৰ গুৰি গছডাল যেতিয়া আমি চিনি পাওঁ তেতিয়াই আমি মানৱ পৰিবাৰৰ মূল ঐক্যৰ কথাও বুজিব পাৰো। তেতিয়া আৰু শত্ৰুতা আৰু অসুস্থ প্ৰতিযোগিতাৰ কোনো বাটেই নোহোৱা হৈ যায়।"

বেভা টেমা "আমাৰ মুক্তিৰ পন্থা হিচাপে হিংসাক আমি গ্ৰহণ কৰিম নে অহিংসাক গ্ৰহণ কৰিম?"

গান্ধীজী "নিশ্চিতভাৱে সকলো প্ৰকাৰে অহিংসাকে গ্ৰহণ কৰিব লাগিব।

কিন্তু তাৰ প্ৰতি এটা জীৱন্ত বিশ্বাস আপোনালোকৰ থাকিব লাগিব। আনকি যেতিয়া আপোনালোকক চাৰিওফালৰ পৰা অভেদ্য আন্ধাৰে আবৰি পেলাব, তেতিয়াও আপোনালোকে আশা এৰিব নালাগিব। অহিংসাত যিজনে বিশ্বাস কৰে, তেওঁ এজন জীৱন্ত ঈশ্বৰক বিশ্বাস কৰে। তেওঁ কেতিয়াও পৰাজয় স্বীকাৰ নকৰে। গতিকে মোৰ উপদেশ হৈছে অহিংসাক সকলো সময়তে পালন কৰিব লাগিব, কিন্তু সেই অহিংসা হৈছে বীৰৰহে, কাপুৰুষৰ নহয়।"

ৰেভা টেমাই তেতিয়া ক'লে—"আপোনাৰ আদৰ্শই আমাৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছে আৰু সেইবাবে আমি ভাবিছোঁ যে আমাৰ নেতৃত্ব লব পৰা দুজনমান লোকক আপোনাৰ ওচৰলৈ শিক্ষা ল'বলৈ পঠাওঁ।"

গান্ধীজীয়ে ক'লে—"বৰ ভাল কথা হ'ব।"

ৰেভা° টেমা—'খ্ৰীষ্টান ধৰ্ম্মই আফ্ৰিকাৰ মুক্তি সাধিব পাৰিব বুলি বাৰু আপুনি ভাবে নে ?"

গান্ধীজী "আজিৰ যি খ্ৰীষ্টান ধৰ্ম্মৰ স্বৰূপ সি কেতিয়াও আপোনালোকৰ মুক্তি সাধিব নোৱাৰে। মোৰ এটা কথাত দৃঢ় বিশ্বাস হৈছে যে আজি যি সকলে নিজকে খ্ৰীষ্টান বুলি কয় তেওঁলোকে যীচুৰ আচল বাণীকে নাজানে। জুলু বিদ্ৰোহৰ সময়ত জুলুসকলৰ ওপৰত কৰা কিছুমান ভয়াবহ কাৰ্য্য মই দেখা পাইছিলোঁ। জুলুসকলৰ এজন নেতা বাম্বাট্টাই কৰ দিবলৈ অস্বীকাৰ কৰাৰ অপৰাধত সেই গোটেই জাতিটোৰ ওপৰত অত্যাচাৰ কৰা হৈছিল। আহত-সকলক কঢ়িয়াই নিয়া দল এটাৰ ভাৰ মোৰ ওপৰত আছিল। আমাৰ ওচৰলৈ প্ৰাথমিক চিকিৎসাৰ বাবে অহা জুলুসকলৰ সেই দৃশ্যৰ কথা মই কেতিয়াও পাহৰিব নোৱাৰোঁ। লোকাৰ কোবত তেওঁলোকৰ পিঠিৰ ছাল বখলা বখলে এৰাই গৈছিল। কোনো বগা মানুহে তেওঁলোকৰ শুশ্ৰূষা কৰিব নোখোজা বাবেই তেওঁলোকক আমাৰ ওচৰলৈ লৈ আহিছিল। আৰু তেওঁলোকৰ ওপৰত সেই পাশৱিক অত্যাচাৰ কৰা সকলেই নিজকে খ্ৰীষ্টান বুলি মহায়। তেওঁলোক 'শিক্ষিত' আৰু জুলুসকলতকৈ ভাল পোছাক পিন্ধে; কিন্তু মানুহ হিচাপে তেওঁলোক জুলুসকলতকৈ কেতিয়াও ওপৰত নহয়।"

ইয়াৰ পিছত ৰেভা° টেমাই আকৌ এটা প্ৰশ্ন কৰিছিল। তেওঁ কৈছিল: "আমাৰ মাজত একো একোজন নেতা ওলায়; কিন্তু সোনকালেই আকৌ অন্তৰ্দ্ধান হয়। হয় তেওঁ ধন দেখি বলিয়া হয় নতুবা আন কিবা অপকৰ্ম্মৰ

মাজত ডুব গৈ শেষত আমাৰ পৰাও হেৰাই যায়। আমি ইয়াৰ কেনেকৈ প্ৰতিকাৰ কৰিব পাৰোঁ ?"

গান্ধীজীয়ে উত্তৰ দিছিল "ই আপোনালোকৰ বাবে একো আচৰিত সমস্যা নহয়। আপোনালোকৰ নেতৃত্ব যে অকামিলা, তাৰ কাৰণ হৈছে সেই নেতৃত্ব সৰ্ব্বসাধাৰণ বাইজৰ মাজৰ পৰা উদ্ভূত হোৱা নাই। আপুনি যদি নিজে এজন সৰ্ব্বসাধাৰণৰ মাজৰ পৰা অহা মানুহ, তেনেহ'লে আপুনি তেওঁলোকে থকাৰ দৰে থাকক আৰু তেওঁলোকে ভবাৰ দৰে ভাবক, তেতিয়া দেখিব তেওঁলোকে আপোনাৰ লগত নিজক অভিন্ন কৰি পেলাইছে। মই যদি আপোনাৰ ঠাইত হলেঁাহেতেন, তেন্তে মই এজন আফ্ৰিকানকো তেওঁৰ নিজৰ পোছাকৰ সলনি আন পোছাক পিন্ধি নিজকে ভুচুংপহ সাজিবলৈ কেতিয়াও নকলেঁাহেঁতেন। এই পোছাক সলনিয়ে তেওঁৰ তিলমানো নৈতিক মৰ্য্যাদা কেতিয়াও নবঢ়ায়।"

গান্ধীজীৰ সপোন

দক্ষিণ আফ্ৰিকাৰ ভাৰতীয় সম্প্ৰদায়লৈ তেওঁৰ হাতত কিবা বাণী দিব নেকি বুলি বেভা' টেমাই গান্ধীজীক সুধিলে। কিন্তু সেই সময়ত গান্ধীজীৰ দিবলৈ একো বাণী নাছিল। তাৰ কেইদিনমান পিছতেই আফ্ৰিকাত জন্ম লাভ কৰা এদল ভাৰতীয় লৰাই তেওঁক লগ ধৰিবলৈ বাবদোলিলৈ অহাত সেই সুযোগটো নিজেই ওলাল। এই লৰা কেইজনে ভাৰতত ডাক্তৰি পঢ়িবৰ বাবে আহিছিল আৰু সেইবাবে তেওঁলোকে গান্ধীজীক ভাৰতৰ কোনো উপযুক্ত মেডিকেল কলেজত তেওঁলোকৰ পঢ়া শুনাৰ বন্দবস্ত কৰি সহায় কৰি দিবলৈ খাটিলে। গান্ধীজীয়ে দক্ষিণ আফ্ৰিকাত থাকোঁতে তেওঁৰ মক্কেল হিচাপে এই ছাত্ৰ কেইজনৰ কোনো কোনো পিতৃ বা অভিভাৱকক চিনি পাইছিল। এই ছাত্ৰ দলটোৱে দক্ষিণ আফ্ৰিকাত অশ্বেতকায় সংযুক্ত মৰ্চ্চা এটা গঠন কৰাৰ কথাটোও আলোচনা কৰে।

ইয়াৰ পিছতে তেওঁলোকৰ প্ৰশ্ন আছিল—"আমি যিলকলে দক্ষিণ আফ্ৰিকাত জন্ম গ্ৰহণ কৰি সেই দেশখনকে নিজৰ বুলি গ্ৰহণ কৰিছেঁা, সেইসকলে তাত ভাৰতীয় সংস্কৃতি ৰক্ষাৰ বাবে কি কৰা উচিত হ'ব ? ইংৰাজীৰ বাহিৰেও আৰু কি কি ভাষা আপুনি আমাক শিকিবলৈ কয় ?"

তেওঁলোকে ইংৰাজী ভাষাকে প্ৰথম স্থান দিয়া দেখি গান্ধীজীয়ে গোনেই তেওঁলোকক তিৰস্কাৰ কৰিলে। তাৰ ঠাইত তেওঁ শিকিবলৈ ক'লে হিন্দুস্তানী

ভাষা, যিটো ভাষাৰ মাজত সংস্কৃত, পাৰ্চী আৰু আৰবী আদি সকলো ভাষাৰে সকলোবোৰ মূল শব্দ থাকিব আৰু যিবিলাক শব্দ সৰ্ব্বসাধাৰণ মানুহৰ মাজত প্ৰচলিত। হিন্দুৱে সংস্কৃত আৰু মুছলমানে আৰবী নাজানিলে যে কেবল মূল ধৰ্ম্মশাস্ত্ৰবোৰ তেওঁলোকে পঢ়িব নোৱাৰিব এনে নহয়, সেই দুটা ভাষাৰ মাজত থকা পৃথিৱীৰ সৰ্ব্বোৎকৃষ্ট কাব্যসমূহ পঢ়াৰ পৰাও বঞ্চিত হোৱাৰ ভয়তে তেওঁলোকে এই ভাষা দুটাৰ প্ৰতি অৱহেলা কৰিব নোৱাৰে। গান্ধীজীয়ে ক'লে "কিন্তু এই সকলোবোৰৰ উপৰি ভাৰতীয় সংস্কৃতিৰ আচল বস্তু সৰলতা আৰু আধ্যাত্মিকতাক তোমালোকে যেনেতেনে ৰক্ষা কৰি থাকিব লাগিব।"

তেওঁলোকে সোধা আৰু এটা প্ৰশ্ন আছিল যে দক্ষিণ আফ্ৰিকাত তেওঁলোকৰ অধিকাৰ প্ৰতিষ্ঠাৰ সংগ্ৰাম তেওঁলোকে সত্যাগ্ৰহৰ জৰিয়তে চলাই থাকিব নে সাংবিধানিক আন্দোলনৰ জৰিয়তে চলাব।

'দক্ষিণ আফ্ৰিকাৰ ভাৰতীয়সকলৰ দেহত ধাতু থাকিলে মই সত্যাগ্ৰহ কৰিবলৈ ক'ম, আৰু সেই সত্যাগ্ৰহত তেওঁলোক জয়ী হ'বই। মই এই আশাকে কৰি আছোঁ যে দক্ষিণ আফ্ৰিকাত জন্মলাভ কৰা ভাৰতীয় যুবকসকলৰ মাজৰ পৰাই এদিন কোনোবা এজন ওলাই আহি সেই দেশত কাম কৰা নিজৰ সম্প্ৰদায়ৰ লোকসকলৰ অধিকাৰ ৰক্ষাৰ বিষয়টো নিজৰ হাতত তুলি লবহি আৰু সেই অধিকাৰ সাব্যস্ত কৰাটোকে নিজৰ জীৱন ব্ৰত কৰি লব। সেইজন লোকৰ সততা, মাৰ্জ্জিত শিক্ষা, সত্যপৰাযণতা আৰু আত্মমৰ্য্যাদাই তেওঁৰ সমুখৰ সকলো শত্ৰুকে পৰাভূত কৰিব। তেতিয়া শ্বেতাঙ্গসকলে কব— 'প্ৰত্যেকজন ভাৰতীয় লোক এওঁৰ দৰে হ'লে আমি এওঁলোকক আমাৰ সমান স্বত্ব দিয়াত আপত্তি নকৰোঁ'। কিন্তু তাৰ উত্তৰত তেওঁ কব 'ভাৰতীয় সমাজত তোমালোকে সমান মৰ্য্যাদা দিবলৈ ওলোৱা কেবল এজন লোক ওলালেই নহ'ব। আজি মই যি কৰিব পাৰিছোঁ, মোৰ আন দেশী ভাইসকলো নিশ্চয় তেনে হ'ব পাৰে, যদিহে তোমালোকে তেওঁলোকক নামেৰে বিচাৰ নকৰি আৰু সকলো ধৰণৰ বান্ধোনৰ মাজত নাৰাখি তেওঁলোককো বঞ্চিত কৰি ৰখা শিক্ষা আৰু অন্যান্য সকলো সা সুবিধাৰ সুযোগ দিয়া।' এনে এজন লোক তোমালোকৰ মাজত ওলালে মই তেওঁক শিকাই বুজাই দিয়াৰ কোনো আৱশ্যক নহব। তেওঁ নিজৰ মহত্বেৰেই নিজৰ হক প্ৰতিষ্ঠা কৰিব।"

বাৰদোলি, ৬-২ ৩৯ পিয়াৰিলাল

হৰিজন ১৮ ২ ১৯৩৯

[৭৪]

অহিংসাৰ কাৰ্য্যকাৰিতা

'হৰিজন' কাকতৰ সাম্প্ৰতিক সংখ্যা কেইটা আৰু তাত প্ৰকাশিত আপোনাৰ ইউৰোপীয় সংকট আৰু উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ সম্পৰ্কে মন্তব্যসমূহ পঢ়ি মই অতিশয় আনন্দ পাইছোঁ। কিন্তু অহিংসা-বিষয়টোৰ আৰু এটা দিশৰ প্ৰতি আপুনি কেতিয়াও উল্লেখ কৰা দেখা নাই; সময় পোৱা হ'লে সেই বিষয়ে আপোনাৰ লগত আলোচনা কৰিবলৈ মই সেৱাগ্ৰামলৈকে গৈছোঁ হেঁতেন। আপুনি কৈছে যে বৰ্ত্তমান গোটেই পৃথিৱীকে ধ্বংস কৰিব খোজা হিংসাৰ একমাত্ৰ প্ৰত্যুত্তৰ হৈছে আপোনাৰ অহিংস অসহযোগহে। এই শক্তি আৰু কাৰ্য্যপন্থাৰ প্ৰভাৱ যে অপৰিসীম তাত কোনো সন্দেহ নাই। কিন্তু ই উদাৰ গণতান্ত্ৰিক আৰু সাংবিধানিক চৰকাৰ এটাত কৃতকাৰ্য্য হ'বলৈ হ'লে শত্ৰু মিত্ৰ সকলোৰে প্ৰতি নিঃস্বাৰ্থ প্ৰেমৰ অহিংস শক্তিয়ে আত্মপ্ৰকাশ কৰিব নালাগিব নে? আইন আৰু চৰকাৰ নোহোৱাকৈ কোনো সমাজ বৰ্ত্তি থাকিব নোৱাৰে। সকলোবিলাক ৰাষ্ট্ৰই যদি নিজকে ঐক্য আৰু আইন দিব পৰা সাংবিধানিক চৰকাৰৰ পদ্ধতি গ্ৰহণ নকৰে আৰু নিজৰ নিজৰ ৰাষ্ট্ৰত থকা সন্ত্ৰাসৰ অন্ত নেপেলায়, তেনেহলে আন্তঃৰাষ্ট্ৰীয় শান্তিও স্থাপন হ'ব নোৱাৰে। হয়তো এনে এদিন নিশ্চয় আহিব যিদিনা সকলোবোৰ মানুহৰ হৃদয় আৰু মনত ঈশ্বৰৰ আইনেই এনেধৰণে লিপিবদ্ধ হৈ পৰিব যে প্ৰত্যেকজন মানুহেই তাৰ মূৰ্ত্ত প্ৰতীক হ'ব আৰু মানুহৰ আইন অথবা চৰকাৰৰো কোনো প্ৰয়োজন নাথাকিব। কিন্তু পৰিসমাপ্তিও তাতেই। সেই স্বৰ্গীয় লক্ষ্যৰ প্ৰতি আগবাঢ়ি যোৱাৰ আৰম্ভণিটোৱে সকলোবোৰ জাতি, ধৰ্ম্ম আৰু ৰাষ্ট্ৰৰ মাজতে এখন মাত্ৰ সংবিধানৰ অধীনত সকলো সংবদ্ধ হোৱাৰ এক হেপাহৰ আকাৰত গঢ় ল'ব লাগিব। এই সংবিধান এনে হ'ব যাৰ জৰিয়তে তেওঁলোকৰ ঐক্য আৰু প্ৰত্যেকৰে সমস্তৰপদ স্থাপিত হব, আৰু তেওঁলোকক শাসন কৰা আইনসমূহ ৰাজহুৱাভাৱে আলোচনাৰ পিছত সংখ্যাগৰিষ্ঠ সিদ্ধান্তৰে জাৰি কৰা হ'ব। এই আইনৰ আদেশ স্বেচ্ছাই মানি নললে তাক যুদ্ধৰ দ্বাৰাই জাপি দিবলৈ নগৈ এটা পুলিচবাহিনীৰ দ্বাৰাহে বলবৎ কৰা হব, তাকো বুজাই বঢ়াই সেই কাম কৰিব নোৱাৰাৰ পিছতহে। সাৰ্ব্বভৌম ৰাষ্ট্ৰসমূহৰ ভিতৰতো এক গঠনমূলক অহিংসা উভয়ৰ ব্যৱহাৰিক প্ৰয়োগৰ ফলত একপ্ৰকাৰৰ ফেডাৰেচন গঢ় লৈ উঠিবলৈ লাগিব। ফেডাৰেচন নোহোৱা পৰ্য্যন্ত ইয়াৰ কৃতকাৰ্য্যতা নাই। এই ফেডাৰেল পদ্ধতিৰ আবিৰ্ভাৱেই হবলৈ এই সংবিধান কাৰ্য্যকৰীভাৱে বৰ্ত্তি থকাটোৰ

প্ৰমাণ। এনেদৰেই ইউৰোপীয় সমস্যাৰ একমাত্ৰ সমাধান হৈছে ইয়াৰ ২৫ খন দেশ আৰু জাতিৰ ভিতৰত এখন মাত্ৰ গণতান্ত্ৰিক সংবিধানেৰে এখন ফেডাৰেশ্যন গঠন হোৱাটো—য'ত এটা মাত্ৰ চৰকাৰে ইউৰোপৰ দেশসমূহৰ সমস্যাসমূহক কিছুমান পৰস্পৰবিৰোধী ৰাষ্ট্ৰৰ সমস্যা হিচাপে নহৈ কেৱল স্বায়ত্তশাসিত কিছুমান অংশেৰে গঠিত একেখন মাথোন দেশৰ সমস্যা হিচাপে তাৰ বিচাৰ আৰু ব্যৱস্থা লব পাৰিব। ঠিক একেদৰেই ভাৰতীয় সমস্যাৰো একমাত্ৰ সমাধান হৈছে গ্ৰেট ব্ৰিটেনৰ শাসনৰ ঠাইত এখন গণতান্ত্ৰিক সংবিধান প্ৰবৰ্ত্তন কৰা। আজি ইউৰোপ আৰু ভাৰতৰ কাৰণে যিটো সত্য হব সি সুদূৰ ভৱিষ্যতত গোটেই পৃথিবীৰ কাৰণেও সত্য হব আৰু সেয়েই হবগৈ যুদ্ধ বন্ধ কৰাৰ একমাত্ৰ চূড়ান্ত উপায়।

মানুহৰ মন আৰু হৃদয়ৰ পৰিবৰ্ত্তন আনিবৰ বাবে অহিংস অসহযোগেই সৰ্ব্বোৎকৃষ্ট আৰু হয়তো একমাত্ৰ উপায় হব পাৰে, আৰু সেয়ে হলেহে সকলোবোৰ ৰাষ্ট্ৰই ফেডাৰেল গণতান্ত্ৰিক সংবিধান এখন গ্ৰহণ কৰাটো সম্ভৱপৰ হব। কিন্তু গণতান্ত্ৰিক ফেডাৰেশ্যনৰ ওচৰ পালেগৈহে আৱশ্যকীয় লক্ষ্য লাভ কৰা হব, আৰু সেইখিনিতেই এই প্ৰাপ্তিৰ কৃতকাৰ্য্যতা সুনিশ্চিত হব নতুবা সেইখিনি পাব নোৱাৰিলে অকৃতকাৰ্য্য হব। এটা কথাই সদায় মোৰ কৌতূহল আৰু কবলৈ গলে বিস্ময়ৰো উদ্ৰেক কৰি আহিছে যে আপুনি অহিংস অসহযোগক স্বয়ংসম্পূৰ্ণ বুলিয়েই যেন ভাবিবলৈ লৈছে, আৰু মানুহ, জাতি, ধৰ্ম্ম আৰু ৰাষ্ট্ৰক একতাবদ্ধ কৰা এটা গণতান্ত্ৰিক পদ্ধতিৰ চৰকাৰৰ লক্ষ্যৰ ফালেই যে এই অহিংস অসহযোগে নেতৃত্ব দি লৈ যাব লাগিব সেই কথাটো আপুনি কেতিয়াও উচ্চাৰণ কৰা নাই, যদিও সেই লক্ষ্য লাভ কৰাটো কেৱল মানুহৰ হৃদয় পৰিবৰ্ত্তনৰ দ্বাৰাহে সম্ভৱ হব, তাক শক্তি বা হিংসা অথবা চতুৰালিৰে কেতিয়াও লাভ কৰিব পৰা নাযাব।

ভাৰতীয় সংবিধানৰ সপক্ষে একপ্ৰকাৰ পৰোক্ষ যুক্তি হিচাপে মই এই কথা লিখা নাই, যদিও সেই সমস্যাটোৰ ওপৰতো ইয়াৰ কিছু কথা নিশ্চয় আছে। ভাৰত ৰক্ষা আইনখন দেখদেখকৈ গণতান্ত্ৰিক ফেডাৰেশ্যনৰ নীতিৰ এটা অতি অস্পষ্ট প্ৰয়োগ আৰু সম্পূৰ্ণ কাৰ্যকৰী হবলৈ হলে ইয়াক সোনকালেই আৱশ্যকীয় ৰূপত তৈয়াৰ কৰিবই লাগিব। ইয়াৰ পক্ষে মই সদায় এই প্ৰধান যুক্তিকে আগবঢ়াই আহিছোঁ যে বৰ্ত্তমান অৱস্থাত ইয়াত মাত্ৰ প্ৰদেশ, দেশ, হিন্দু আৰু মুছলমানসকলক লগ লগাই সাংবিধানিক প্ৰতিশ্ৰুতিহে দিয়া হৈছে আৰু তাক কাৰ্য্যকৰী কৰিব পৰা যায়। কিন্তু ইয়াৰ বাহিৰেও সাধাৰণতে দেখা পোৱাতকৈ বহুত বেছি সৃষ্টিৰ কঠিয়া ইয়াৰ মাজত আছে। যদি আপোনাৰ আধ্যাত্মিক বাণীয়ে

সেই কথা জনসাধাৰণক জনাই দিয়ে তেনেহলে সেই কঠিয়াই সোনকালেই আৰু সহজেই গজালি মেলিব। মোৰ উদ্দেশ্য আপোনাৰ পৰা সাংবিধানিক সমস্যা সম্পৰ্কে কোনো মন্তব্য আহৰণ কৰাটো নহয়, বৰঞ্চ চিঠিখনৰ আগ ভোখৰত থকা ততোধিক বৃহৎ প্ৰশ্নটোৰ এটা উত্তৰ বিচৰাটোহে।"

এনেদৰে লৰ্ড লোথিয়ানে লিখিছে। চিঠিখন পোৱা হয় জানুৱাৰীৰ আগভাগতে, কিন্তু আন জৰুৰী কামত ব্যস্ত থাকিব লগা হোৱাত চিঠিখনত সোধা দৰকাৰী প্ৰশ্নটোত মই মন দিব নোৱাৰিলোঁ।

স্বতঃপ্ৰবৃত্তভাৱে অহিংসাৰ ওপৰত প্ৰতিষ্ঠিত সমাজ এখনৰ চৰকাৰটো কেনেকুৱা হ'ব সেই কথাটো ইচ্ছাকৃতভাৱেই এৰাই গৈছিলোঁ। পৃথিবীখনক মাধ্যাকৰ্ষণ শক্তিয়ে নিজ ঠাইত ধৰি ৰখাৰ দৰেই সকলোবোৰ সমাজকে অহিংসাই ধৰি ৰাখে। কিন্তু যেতিয়া মাধ্যাকৰ্ষণ সূত্ৰৰ আবিষ্কাৰ হ'ল তেতিয়া এই আৱিষ্কাৰে যিবোৰ ফল দিবলৈ ধৰিলে সেইবোৰ আমাৰ পিতৃ পুৰুষসকলে কেতিয়াও নাজানিছিল। তেনেকৈয়ে অহিংসাৰ সূত্ৰ মতেই স্বয়ংপ্ৰবৃত্ত হৈ সমাজ যেতিয়া গঢ়ি উঠে, তেতিয়া ইয়াৰ গঠন প্ৰকৃতি বস্তুগত বিশেষভাৱে আজিৰ সমাজতকৈ নিশ্চয় বেলেগ হ'ব। কিন্তু সম্পূৰ্ণভাৱে অহিংসাৰ ওপৰত নিৰ্ভৰ কৰি গঠিত হোৱা চৰকাৰটো ঠিক কেনেকুৱা হ'ব সেই কথা মই এতিয়াই কব নোৱাৰোঁ।

আজি যিবোৰ হবলৈ ধৰিছে সেয়া হৈছে অহিংসাৰ বিধিৰ অৱজ্ঞা আৰু তাৰ ঠাইত হিংসাৰ প্ৰতিষ্ঠা, যেন ইয়েইহে চিৰন্তন আইন। গতিকে, আজি আমি যিবোৰ গণতন্ত্ৰই ইংলণ্ড, আমেৰিকা আৰু ফ্ৰান্সত কাৰ্য্যনিৰ্বাহ কৰি থকা দেখা পাওঁ সেইবোৰ মাত্ৰ তথাকথিত গণতন্ত্ৰহে, কাৰণ সেইবোৰ নাজী জাৰ্মানি, ফেচিষ্ট ইটালি বা আন কি চোভিয়েত ৰুছিয়াত চলি থকা হিংসাতকৈ কোনো গুণে কমত প্ৰতিষ্ঠিত নহয়। কেৱল পাৰ্থক্য এয়ে যে পিছৰ তিনিখন ৰাষ্ট্ৰৰ হিংসাকাৰ্য্য আগৰ তিনিটা গণতান্ত্ৰিক শক্তিতকৈ বেছি সুসংগঠিত। সেয়ে আজি আমি অস্ত্ৰসজ্জাৰ ক্ষেত্ৰত এটা শক্তিয়ে আনটো শক্তিক চেৰ পেলাবলৈ এক উন্মত্ত প্ৰতিযোগিতা চলোৱা দেখিছোঁ। আৰু ইয়াৰ ফলত সংঘৰ্ষ লাগিলে —যিহেতু সেই সংঘৰ্ষ এদিন লাগিবই—যদি সেইদিনা গণতান্ত্ৰিক দেশসমূহে জয়লাভ কৰে, তেনেহলে সেই জয় লাভ সম্ভৱ হ'ব মাথোন জনসাধাৰণৰ সমৰ্থনৰ বাবেহে; কাৰণ জনসাধাৰণে ভাবে যে তেওঁলোকৰ চৰকাৰত তেওঁলোকৰো মাত আছে। আনহাতে বাকী তিনিটা শক্তিৰ ক্ষেত্ৰত

তাৰ জনসাধাৰণে নিজৰ দেশৰ একনায়কত্বৰ বিৰুদ্ধে বিদ্ৰোহ কৰি উঠিব পাৰে।

অহিংসাক ৰাষ্ট্ৰীয়ভাৱে মানি নললে সাংবিধানিক অথবা গণতান্ত্ৰিক চৰকাৰ এটাৰ দৰে বস্তু এটা হোৱাটো সম্ভৱ নহয়—এই মতকে সাৰোগত কৰি মই কি ব্যক্তিগত, কি সামাজিক, কি ৰাজনৈতিক, কি ৰাষ্ট্ৰীয় আৰু কি আন্তৰাষ্ট্ৰীয় আমাৰ সমস্ত জীৱনৰে বিধি হিচাপে অহিংসাৰ প্ৰচাৰ কৰাৰ বাবে মোৰ শক্তি নিয়োগ কৰিছোঁ। মই ভাবোঁ মই ক্ষীণভাৱে হলেও তাৰ পোহৰ দেখা পাইছোঁ। মই সন্তৰ্পণে এই কথা লিখিছোঁ, কাৰণ সমগ্ৰ বিধিকে জানো বুলি মই দাবী নকৰোঁ। মই যদি মোৰ পৰীক্ষা নিৰীক্ষাৰ কিবা সফলতাৰ কথা বুজি পাওঁ, তেনেহলে বিফলতাৰ কথাও বুজি পাওঁ। কিন্তু সেই সফলতাই মোৰ অবিনাশী আশা পৰিপূৰ্ণ কৰি তোলাৰ বাবে যথেষ্ট।

মই এই কথা প্ৰায়ে কৈ আহিছোঁ যে উপায় ঠিক ৰাখিলে লক্ষ্য নিজেই ঠিক থাকিব। অহিংসা এটা উপায়হে, প্ৰত্যেক ৰাষ্ট্ৰৰ লক্ষ্য হৈছে সম্পূৰ্ণ স্বাধীনতা। যেতিয়া সকলোবোৰ সৰু আৰু ডাঙৰ ৰাষ্ট্ৰই সম্পূৰ্ণ স্বাধীনহৈ একেলগ হ'ব পাৰিব তেতিয়াহে আন্তৰাষ্ট্ৰীয় সংঘ এটা হ'ব পাৰিব। সংশ্লিষ্ট ৰাষ্ট্ৰসমূহে গ্ৰহণ কৰা অহিংসাৰ মাত্ৰানুযায়ীহে সেই স্বাধীনতাৰ ধৰণ নিৰ্ণয় হ'ব। এটা কথা নিশ্চিত যে অহিংসাৰ ভেটিত হোৱা সমাজত আটাইতকৈ ক্ষুদ্ৰ ৰাষ্ট্ৰখনেও নিজকে সকলোতকৈ উচ্চ বুলি ভাবিব পাৰিব। ইয়াত শ্ৰেষ্ঠতা আৰু হীনতাৰ কোনো প্ৰশ্নই নাথাকিব।

তেনেহলে ভাৰত ৰক্ষা আইন কেৱল এটা অস্থায়ী ব্যৱস্থা আৰু দেশে নিজেই কোনো আইন ৰচনা কৰাৰ পিছত সেই ব্যৱস্থাই ঠাই এৰি দিব। প্ৰাদেশিক স্বায়ত্তশাসনৰ ক্ষেত্ৰত ইয়াক কিছু পৰিমাণে ব্যৱহাৰ কৰিব পৰা দেখা গৈছে। ইয়াৰ কাৰ্য্যকাৰিতা সম্বন্ধে মোৰ নিজৰ অভিজ্ঞতা কোনো গুণে সুখৰ নহয়। কংগ্ৰেছ চৰকাৰসমূহে জনসাধাৰণৰ ওপৰত যিমানখিনি অহিংস কৰ্তৃত্ব লাভ কৰিব বুলি মই আশা কৰিছিলোঁ সিমানখিনি তেওঁলোকে পৰা নাই।

কিন্তু ফেডাৰেল গাঁথনিৰ কথা লাগিলে সি যিমানেই শিথিল গাঁথনি হওক, মই এই কাৰণেই ভাবিব নোৱাৰোঁ যে ই এনে কিছুমান অংশীদাৰৰ সমষ্টি যিবোৰৰ পৰস্পৰৰ মাজত কোনো মিল নাই। ৰাষ্ট্ৰসমূহৰ মাজৰ এই বৈসাদৃশ্যৰ নমুনা এটা কুৎচ ৰূপত ওলাই পৰিছে। ইয়াৰ কাৰণে মই প্ৰস্তুত নাছিলোঁ।

সেইবাবে ভাৰত ৰক্ষা আইনে ভৰা কেন্দ্ৰীয় গাঁথনিটো এটা সম্পূৰ্ণ অসম্ভৱ কথা বুলিয়েই মই ভাবোঁ। গতিকে এইটো কথা নকলেও হ'ব যে অহিংসাক কেবল এটা নীতি হিচাপে নধৰি তাক এটা জীৱন্ত শক্তি আৰু এটা অলঙ্ঘ্য মতবাদ বুলি মানি নোলোৱালৈকে মোৰ মতে অহিংসাত ব্ৰতী এজন লোকৰ বাবে সাংবিধানিক বা গণতান্ত্ৰিক চৰকাৰ এটা নেদেখা সপোন হৈয়ে থাকিব। মই গোটেই বিশ্বকে অহিংসাৰ কথা কওঁ, যদিও মোৰ পৰীক্ষা নিৰীক্ষা ভাৰততে চলাইছোঁ। যদি ইয়াত সফল হওঁ তেনেহলে গোটেই পৃথিবীয়ে তাক অনায়াসে গ্ৰহণ কৰিব। তথাপি ইয়াত এটা ডাঙৰ 'কিন্তু' থাকি যাব। এই প্ৰশ্নই মোক বিব্ৰত নকৰে। অভেদ্য অন্ধকাৰৰ মাজতে হে মোৰ বিশ্বাসৰ উজ্জ্বলতা বেছি।

সেৱাগ্ৰাম, ৬ ২ '৩৯

হৰিজন ১১ ২ ১৯৩৯

[৭৫ [

ক্ষমা প্ৰাৰ্থনাৰ প্ৰশ্ন নাই

ইহুদী প্ৰশ্নটো লৈ হোৱা এটা সংলাপ হৰিজন কাকতত প্ৰকাশ হৈছিল। এই সম্পৰ্কত মোৰ এটা মন্তব্যৰ বিপক্ষে প্ৰতিবাদ কৰি লিখা চিঠি মই দুজন ইহুদী বন্ধুৰ পৰা পাইছোঁ। তাৰে এখন এয়া—

> ২৪ ডিচেম্বৰ, ১৯৩৮ চনৰ হৰিজনৰ এটা ছেদত মোৰ চকু পৰিছে। তাত আপুনি কোৱা বুলি প্ৰকাশ যে, 'ইহুদীবিলাকে সকলো মানুহৰ শাওপাত জাৰ্মানসকলৰ মূৰত জাপি দিছে আৰু তেওঁলোকে বিচাৰে আমেৰিকা আৰু ইংলণ্ডই যেন তেওঁলোকৰ হৈ জাৰ্মানিৰ লগত যুদ্ধ কৰক।' আপোনাৰ কথাখিনি যে ভুলকৈ প্ৰকাশ পাইছে সেই বিষয়ে মোৰ সন্দেহ নাই বুলিলেও হয়, কাৰণ, এনে এটা উক্তি সমৰ্থন কৰিবলৈ কোনো যুক্তিয়েই নাই। কিন্তু সেই ছেদটোৱে মোৰ মনত বৰ দুখ দিলে আৰু সেইকাৰণে আপোনাৰ পৰা একাষাৰ প্ৰত্যয় বাণী শুনিবলৈ পালে মনটো ভাল লাগিব।"

মই দুখেৰে কবলগীয়া হৈছোঁ যে বিচৰা প্ৰত্যয় বাণীটি মই দিব নোৱাৰোঁ। কাৰণ সিহঁতবিলাকে মোৰ মুখত দিয়া মন্তব্যটো মই কবাটো সঁচা। পশ্চিমৰ পৰা এনে এখন কাগজ মই কম্বেইহে পাওঁ যিখনত ইহুদীসকলৰ মৰ্মবেদনাৰ

বিবৰণ নাথাকে। জাৰ্মানবিলাকে কৰা অত্যাচাৰৰ শাস্তিবিধান কৰিবলৈ গণতান্ত্রিক শক্তিসমূহৰ ওপৰত তেওঁলোকে দাবী জনায়। এই মনোভাৱত কিবা দোষ দেখিছোঁ যে সিও নহয়। ইহুদীসকল দেবদূত নহয়। মোৰ কথা আছিল যে, মই যি অৰ্থত অহিংস বুলি কওঁ তেওঁলোক সেই অৰ্থত অহিংস নাছিল। তেওঁলোকৰ অহিংসাত কোনো প্ৰেম নাছিল আৰু নাই। এই অহিংসা নিষ্ক্রিয়। তেওঁলোকে প্ৰতিৰোধ নকৰে, কাৰণ তেওঁলোকে জানে যে, প্ৰতিৰোধ কৰি তেওঁলোকে অলপো কৃতকাৰ্য্য হব নোৱাৰে। তেওঁলোকৰ পৰিবৰ্ত্তে যদি মই হলোঁহেতেন আৰু মোৰ ভিতৰত যদি সক্রিয় অহিংসা নাথাকিলহেতেন, তেন্তে মোক আহুকাল কৰাবিলাকৰ ওপৰত ভগবানৰ শাওপাত গোটেইখিনি আনি দিলোঁহেতেন। ইংলণ্ড, আমেৰিকা আৰু ফ্ৰান্সৰ দৰে ডাঙৰ শক্তিবিলাকে উৎপীড়নবোৰ বাধা দিবলৈ জাৰ্মানিৰ লগত লাগিলে যুদ্ধকে কৰিব—সেইটো জাৰ্মান ইহুদীসকলে নিবিচাৰে বুলি মোৰ সংবাদদাতাই মত প্ৰকাশ কৰা নাই। মোৰ এজন ইহুদী বন্ধু মোৰ লগতে থাকে। অহিংসাৰ ওপৰত তেওঁৰ এটা বৌদ্ধিক বিশ্বাস আছে। কিন্তু তেওঁ কয় তেওঁ বোলে হিটলাৰৰ কাৰণে প্ৰাৰ্থনা কৰিব নোৱাৰে। জাৰ্মানবিলাকে কৰা উৎপীড়নৰ ওপৰত তেওঁৰ ইমান খং যে, তেওঁলোকৰ কথা তেওঁ সংযতভাৱে কবই নোৱাৰে। তেওঁৰ খঙৰ প্ৰতি মোৰ কোনো বিৰোধ নাই। তেওঁ অহিংস হবলৈ বিচাৰে, কিন্তু তেওঁৰ লগৰীয়াবিলাকৰ অত্যাচাৰ উৎপীড়ন ইমান অভিপাত হৈছে যে, তেওঁৰ পক্ষে সহ্য কৰাটো অসম্ভৱ হৈ পৰিছে। তেওঁৰ কাৰণে যি সত্য সেইটো আনকি 'শত্ৰুক মৰম কৰাৰ' ভাবো যিবিলাকৰ নাই তেনেকুৱা হাজাৰ ইহুদীৰ পক্ষেও সত্য। তেওঁলোকৰ প্ৰতি আৰু তেওঁলোকৰ নিচিনা কোটি কোটি মানুহৰ কাৰণে 'প্ৰতিশোধ লৈ সুখ লাগে কিন্তু ক্ষমা স্বৰ্গীয়।'

সেৱাগ্ৰাম, ৫-২-৩৯

হৰিজন ১৮-২-১৯৩৯

[৭৬]

কি কৰা উচিত ?

এগৰাকী অধ্যক্ষ এজনে দিয়া এখন গুৰুত্বপূৰ্ণ চিঠি, অধ্যক্ষই তেওঁৰ নাম প্ৰকাশ কৰিবলৈ ইচ্ছা কৰা নাই

“সদায় খুন্দিয়াই থকা এই প্ৰশ্নটোৰ সমাধানত সহায়কৰূপে বিবেকৰ আউল লগা এজন লোকে আনৰ যুক্তিপূৰ্ণ মতামত বিচাৰিছে শান্তি প্ৰতিজ্ঞা সম্মিলনৰ (যি কোনো পৰিস্থিতিতে হিংসাৰ আশ্ৰয় লবলৈ অস্বীকৃতি হৈ যুদ্ধ প্ৰতিৰোধ কৰা, স্বৰ্গীয় ডিক্ শ্বেপাৰ্ডৰ অনুষ্ঠান) প্ৰতিজ্ঞা পালন কৰাটো পৃথিৱীৰ বৰ্তমান অৱস্থাত শুদ্ধ আৰু কাৰ্য্যকৰী পন্থা হব নে ?

‘হয়’, বোলা পক্ষৰ যুক্তিবোৰ হ’ল এনে ধৰণৰ

১। পৃথিৱীৰ মহান আধ্যাত্মিক গুৰুসকলে শিকাই গৈছে আৰু নিজৰ জীৱনত অনুশীলন কৰিও গৈছে যে এটা অসৎ বস্তুক সৎ উপায়েৰেহে ধ্বংস কৰিব পাৰি, অসৎ উপায়েৰে কেতিয়াও নোৱাৰি, আৰু যি কোনো ধৰণৰে হিংসাই (বিশেষকৈ যুদ্ধৰ, আনকি তথাকথিত আত্মৰক্ষাৰ ক্ষেত্ৰতো) এটা অসৎ উপায়হে তাত সন্দেহ নাই, তাৰ উদ্দেশ্য লাগে যিয়েই নহওক। হিংসা সেইকাৰণে সদায় অন্যায়।

২। বৰ্ত্তমানৰ অহিংসা আৰু দুখ কষ্টবোৰৰ কাৰণ যুদ্ধই কেতিয়াও গুচাব নোৱাৰে। যোৱা ‘যুদ্ধ শেষ কৰিবলৈ কৰা যুদ্ধই’ এই কথা ফটফটীয়াকৈ প্ৰমাণ কৰিছে। ই সদায় সত্য হৈ ৰ’ব। হিংসা সেই-কাৰণে অকাৰ্য্যকৰী।

৩। স্বাধীনতা আৰু গণতন্ত্ৰৰ ৰক্ষাৰ কাৰণে যুদ্ধ কৰিবই লাগিব বুলি যিবিলাকে অনুভৱ কৰে (তেওঁলোকে যদিও তাতকৈ কম মহত্বপূৰ্ণ উদ্দেশ্যৰ কাৰণে যুদ্ধ নকৰে) তেওঁলোকে ভুল কৰিছে। আজি যদি বাহিৰৰ পৰা আমাক কোনোবাই আক্ৰমণ কৰে, তেন্তে আমাৰ অৱশিষ্ট স্বাধীনতাখিনিও যে ধ্বংসপ্ৰাপ্ত হ’ব সি ধ্ৰুৱ, কিন্তু বৰ্ত্তমান পৰিস্থিতিত যুদ্ধই যে তাক ধ্বংস কৰিব সি আৰু বেছি খাটাং—লাগিলে যুদ্ধত জয় লাভেই হওক। কাৰণ সমগ্ৰ জাতিসমূহৰ সামৰিকীকৰণ নকৰাকৈ আজি-কালি কৃতকাৰ্য্যভাৱে যুদ্ধ কৰিবই নোৱাৰি। আৰু এখন যুদ্ধ হ’লে, যুদ্ধত যেয়ে জিকক লাগিলে, এখন সামৰিক বাহিনীৰে ৰক্ষা সমাজৰ সৃষ্টি হ’বই। তেনে এখন সমাজত বাস্তি কথাৰ পথ হৈ জীয়াই থকাতকৈ অত্যাচাৰ উৎপীড়নক অহিংসভাৱে বাধা প্ৰদান কৰি মৃত্যু বৰণ কৰাও শ্ৰেয়ঃ।

'নহয়' বোলা সকলৰ যুক্তি হল এই

১। নৈতিক আৰু মানৱীয় বিচাৰে যাক টলাব পাৰে তেনে মানুহক বাধা প্ৰদান কৰাতহে অহিংস প্ৰতিৰোধ কাৰ্য্যকৰী হ'ব পাৰে। ফেচিজমক এনে বিচাৰে টলাবতো নোৱাৰেই বৰং ফেচিস্টবিলাকে তাক দুৰ্ব্বলতাৰ চিন বুলি হাঁহি উৰাইহে দিয়ে। সকলো প্ৰতিৰোধকে নিৰ্ম্মূল কৰাত আৰু তাৰ কাৰণে যি কোনো মাত্ৰাৰ পাশবিকতাৰে আশ্ৰয় লোৱাত তেওঁলোকে অকণো দ্বিধা বোধ নকৰে। গতিকে, ফেচিজমৰ বিপক্ষে টিকিব পৰাৰ কোনো সম্ভাৱনা নাই। সেই কাৰণে বৰ্ত্তমান অৱস্থাত অহিংস প্ৰতিৰোধ যে কিবা কামত আহিব তাৰ কোনো আশা নাই।

২। গণতান্ত্ৰিক স্বাধীনতা ৰক্ষাৰ অৰ্থে কৰা হিংস প্ৰতিৰোধত (অৰ্থাৎ যুদ্ধ লাগিলে, বা ব্যাপক সৈন্য ভৰ্ত্তিকৰণৰ সময়ত) অসহযোগ কৰা মানে সেই স্বাধীনতা ধ্বংস কৰিবলৈ অহা বিলাকক সহায় কৰাৰ নিচিনাহে হয়। গণতন্ত্ৰৰ বহুসংখ্যক লোক থাকে যিবিলাকে প্ৰতিৰক্ষাৰ কাৰণে যুদ্ধ কৰিবলৈ ইচ্ছা নকৰে আৰু যুদ্ধ লাগিলে বা যি কোনো ব্যাপক সৈন্য ভৰ্ত্তিকৰণ চলালে আনকি তাৰ প্ৰতিবাদ (তাৰ মানে বাধা প্ৰদান) হে কৰে। ফেচিস্টবিলাকে এই কথাৰ সম্ভেদ পাই দেশ আক্ৰমণ কৰিবলৈ উদগনি পায়।

৩। যুদ্ধই স্বাধীনতা ধ্বংস কৰিব পাৰে, কিন্তু যদি গণতান্ত্ৰিক দেশসমূহ জীয়াই থাকে, তেন্তে তাৰ কিছু অংশ পুনৰাই ওভতাই অনাৰ অন্তত কিছু সম্ভাব্যতা থাকে ; কিন্তু যদি ফেচিস্টবিলাকক পৃথিৱী শাসন কৰিবলৈ এৰি দিয়া যায়, তেন্তে কোনো আশা নাই। যিবিলাকে নিজৰ বিচাৰ বুদ্ধিৰেই ইয়াৰ প্ৰতিবাদ কৰে তেওঁলোকে গণতান্ত্ৰিক শক্তিসমূহক দুৰ্ব্বল কৰি দি প্ৰতিৰোধীবিলাকক সহায় কৰিছে, আৰু তাকে কৰি নিজৰ উদ্দেশ্যৰে পৰাজয় ঘটাইছে।

আজি ব্যাপক সৈন্য ভৰ্ত্তিকৰণত লিপ্ত থকা এখন দেশৰ—ধৰক, আনকি গ্ৰেট ব্ৰিটেনৰে এজন ভেকাৰ কাৰণে এই প্ৰশ্নৰ সমাধান দেখ দেখ কৈয়ে অতি আৱশ্যকীয় হৈ পৰিছে কাৰণ সেই দেশ ভয়ত ত্ৰস্তমান হৈ আছে। দক্ষিণ আফ্ৰিকা, ইজিপ্ত বা অষ্ট্ৰেলিয়া আজি আক্ৰমণৰ সম্মুখীন হ'ব পাৰে, বা ভাৰতে যদি পূৰ্ণ স্বাধীনতা লাভ কৰে, জাপান বা সৰ্ব্ব-ইচলামীয় একত্ৰিত আক্ৰমণৰ সম্মুখীন হোৱাৰ সম্ভাব্যতা তাৰওতো থাকিব। এনে কোনো এখন দেশৰ ভেকা এজনৰ কাৰণেও জানো সেই প্ৰশ্নৰ সমাধান ঠিক একে সমানেই আৱশ্যকীয় হৈ পৰা নাই ?

এনেবোৰ সম্ভাব্যতাৰ (যৰং সম্ভাৱনাৰে বোলক) পৰিপ্ৰেক্ষিতত প্ৰত্যেক তীক্ষ্ণ বিবেক সম্পন্ন লোকেই (ডেকা শৰীৰেই হওক, বা বুঢ়া শৰীৰেই হওক) কোনটো ঠিক শুদ্ধ আৰু কাৰ্য্যকৰী কৰ্মপন্থা তাক খাটাংকৈ জানি লোৱা উচিত নহয় নে? কিবা প্ৰকাৰে কোনোবা দিনা (সদায় নহলেও) আমাৰ প্ৰত্যেকেই নিজে এই প্ৰশ্নটোৰ সন্মুখীন হ'বই লাগিব। সময় পৰত এই প্ৰশ্নৰ কি উত্তৰ দিব লাগিব তাক যিবিলাকে ঠিৰাং কৰিব পৰা নাই, তেওঁলোকে ভাবি চিন্তি তাক ঠিৰাং কৰিব। যিবিলাকে নিজৰ উত্তৰ সম্পৰ্কে নিশ্চিত, তেওঁলোকে আনকো নিশ্চিত হবলৈ সহায় কৰি দিয়া উচিত।"

শান্তি প্ৰতিজ্ঞাকাৰীসকলৰ প্ৰতিৰোধৰ সপক্ষে আগবঢ়োৱা যুক্তিৰ সম্পৰ্কে একো নকলেও হ'ব। প্ৰতিৰোধৰ বিপক্ষে যিবোৰ যুক্তি সেইবোৰ সাৱধানে পৰীক্ষা কৰি চাব লাগিব। প্ৰথম যুক্তিটো যদি যথাৰ্থ হয় তেন্তে সি যুদ্ধ-বিৰোধী আন্দোলনৰ গুৰিকে কাটি দিব কাৰণ যুদ্ধ বিৰোধী আন্দোলনৰ ভিত্তিয়েই হৈছে এই যে ফেচিস্ট আৰু নাজীবিলাকৰ মতান্তৰ ঘটোৱাটো সম্ভৱ। তেওঁলোক তথাকথিত গণতান্ত্ৰিক দেশসমূহৰ সৈতে একে গোটৰ বা তাতকৈও ভালহে, তেওঁলোক নিজেই যুদ্ধ বিৰোধী। তেওঁলোকৰ পৰিয়াল-বৰ্গৰ মাজত তেওঁলোকে সেই একে কোমলতা, মৰম, সুবিচাৰ আৰু উদাৰতাৰ অনুশীলন কৰে যিখিনি যুদ্ধ বিৰোধীসকলে একে পৰিজনৰ বাহিৰতো কৰিব বুলি ধৰি ল'ব পাৰি। পাৰ্থক্যটো কেৱল মাত্ৰাত। দৰাচলতে ফেচিস্ট আৰু নাজীবিলাক তথাকথিত গণতন্ত্ৰীসকলৰ কুকাৰ্য্যৰ প্ৰত্যুত্তৰ নহ'লেও অন্ততঃ পৰিশোধিত সংস্কৰণ। কাৰী পেজে তেওঁৰ যোৱা যুদ্ধত নিহত হোৱা লোকৰ খতিয়ান সম্পৰ্কে লিখা পুস্তিকাত দেখুৱাইছে যে যুদ্ধৰ দুয়ো পক্ষই মিছা, অতিৰঞ্জন আৰু অমানুষিকতাৰ দোষত দোষী। তাৰ'ই সন্ধি আছিল বিজয়ী শক্তিসমূহে জাৰ্মানিৰ ওপৰত লোৱা প্ৰতিশোধ। ইয়াৰ আগতে তথাকথিত গণতন্ত্ৰসমূহে আন জাতিৰ মাটিসম্পত্তি আত্মসাৎ কৰিছে আৰু নিৰ্দয় নিৰ্য্যাতনৰ আশ্ৰয় লৈছে। নিজৰ মা-সম্পত্তি লাভৰ অৰ্থে তথাকথিত পাছপৰা জাতি-সমূহক শোষণ কৰিবলৈ হিটলাৰ এণ্ড কোম্পানিৰ উপনিবেশকসকলে যি অভিজ্ঞানসমূহত হিংসাৰ উৎকৰ্ষ সাধন কৰিছিল হিটলাৰহঁতে জানিবা তাকে বিজ্ঞানত পৰিণত কৰিলে—তাতনো আচৰিত হ'ব লগীয়া কিটো আছে? সাধাৰণ ধৰি লোৱাৰ নিচিনাকৈ যদি ধৰি লোৱা যায় যে তথাকথিত গণতন্ত্ৰ-সমূহ এটা নিৰ্দিষ্ট পৰিমাণৰ অহিংসাত গলি যায়, তেন্তে তাতকৈ অতিৰঞ্জন

হৃদয়ৰ ফেচিস্ট আৰু নাজীবিলাকক গলাবলৈ ঠিক কি পৰিমাণৰ অহিংসাৰ আৱশ্যক হ'ব, সেইটো ত্ৰৈৰাশিক নিয়মৰ কথা মাত্ৰ। গতিকে প্ৰথম যুক্তিটো আমি বিবেচনাৰ বাহিৰ বুলিয়েই ধৰিব লাগিব আৰু যদি ইয়াৰ কিবা মূল্য আছে বুলি ধৰা যায়, মাৰাত্মক কথা হ'ব।

বাকী দুটা যুক্তিৰ কাৰ্য্যকৰী দিশ এটা আছে। শান্তিবাদীসকলে এনে কোনো কাম নকৰিব পাৰে যাৰ দ্বাৰা তেওঁলোকৰ নিজ নিজ চৰকাৰ ইমান দুৰ্ব্বল হবগৈ যে শেহত পৰাজয় বৰণ কৰিবলৈ বাধ্য হ'ব। কিন্তু সকলো যুদ্ধই যে ব্যৰ্থ সেই বিশ্বাস তেওঁলোকৰ মনত দৃঢ় হৈ আছে আৰু তাকে প্ৰদৰ্শন কৰিবলৈ তেওঁলোকৰ যি একমাত্ৰ কাৰ্য্যকৰী সুযোগ আছে তাক তেওঁলোকে ওপৰত কোৱা ধৰণৰ চৰকাৰৰ পৰিপন্থী কাম কৰাৰ ভয়ত নেহেৰুৱাবও পাৰে। তেওঁলোকৰ যদি নিজৰ চৰকাৰবিলাক বলিয়া হয় আৰু যুদ্ধবিৰোধীসকলক তেওঁলোকে শ্বহীদ কৰি তোলে তেন্তে তেওঁলোকে (চৰকাৰবিলাকে) নিজে সৃষ্টি কৰা অশান্তিৰ ফল ভুগিব লাগিব। যিমানেই আহুকাল নাপাওক লাগিলে গণতন্ত্ৰই ব্যক্তিগত অহিংস বিবেকৰ যি স্বাধীনতা তাক সন্মান কৰিবই লাগিব। সেই সন্মানৰ পৰাই জন্ম হ'ব পৃথিৱীৰ কাৰণে আশা। তাৰ মানে তেওঁলোকে বিবেক আৰু সত্যক দেশৰ তথাকথিত স্বাৰ্থৰ আগত স্থান দিয়ে। গতিকে তাৰ মানে এইটোৱেই হয়গৈ শান্তিবাদীসকলে যেতিয়া দৃঢ়ভাবে অনুভৱ কৰে যে, তথাকথিত গণতন্ত্ৰ মৰকেই বা বাচকেই এই শক্তিৰ টনাটনিটোৱে কেতিয়াও যুদ্ধৰ অন্ত নেপেলায়, আৰু চৰম মুহূৰ্ত্তত শান্তিবাদীৰ এটা দলে যেতিয়া আৱশ্যক মতে চূড়ান্ত শান্তিভোগ কৰি হ'লেও তেওঁলোকৰ জীৱন্ত বিশ্বাসৰ প্ৰমাণ দেখুৱাব তেতিয়াহে ইয়াৰ অন্ত হ'ব, তেতিয়া যি কোনো শান্তিবাদীয়ে প্ৰতিৰোধ কৰিবই কৰিব। মই জানো, চূড়ান্ত শান্তিটো কেনেকৈ এৰাই চলিব পাৰি সেইটো মোৰ কথা নহয়, মোৰ কথা হ'ব, কেনেকৈ ঈপ্সিত বস্তু লাভ কৰিব পাৰি সেইটোহে। য'ত অতি আহুকলীয়া কিন্তু শক্তিশালী এটা বিশ্বাস মানুহৰ আচৰণৰ অঙ্গীভূত হৈ পৰে, তেনে ক্ষেত্ৰত মানুহে কৰা হিচাপ কিতাপ কোনো কামত নাহে। যি প্ৰকৃত শান্তিবাদী তেওঁ প্ৰকৃত সত্যাগ্ৰহীও। সত্যাগ্ৰহীয়ে বিশ্বাসেৰে কাম কৰে আৰু সেইবাবে তেওঁলোকে কৰ্ম্মফলৰ কথা নাভাবে, কাৰণ তেওঁ জানে যে কৰ্ম্ম সত্য হ'লে, তাৰ ফল নিশ্চিত হৈয়ে আছে।

যিয়েই নহওক, তথাকথিত গণতন্ত্ৰই জয় লাভ কৰিলেই জানিবা তাৰ

পৰানো কি লাভ হ'ব ? যুদ্ধৰ অন্ত নপৰে নিশ্চয়। আদেশমতে কাম কৰিবলৈ বাধ্য কৰাৰ বাবে আৰু ব্যাপকভাবে সৈন্যভৰ্ত্তি কৰাকে আদি কৰি বলপ্ৰয়োগৰ নানা কৌশল ফেচিস্ট আৰু নাজীবিলাকে অৱলম্বন কৰে। সেই সকলোবোৰ গণতন্ত্ৰইও কৰিছে এবিধ। জয়লাভৰ ফলনো কিটো হ'ব ? ব্যক্তি স্বাধীনতাৰ আপেক্ষিক সংৰক্ষণৰ এটা সম্ভাব্যতা মাত্ৰ। কিন্তু সেই ৰক্ষা বাহিৰৰ পৰা পোৱা সাহায্যৰ ওপৰত নিৰ্ভৰ নকৰে। সেই ৰক্ষা হ'ব ভিতৰৰ পৰা সমগ্ৰ পৃথিবীৰ বিপক্ষে হ'লেও তাক ৰক্ষা কৰিম বুলি অন্তৰৰ যি প্ৰতিজ্ঞা, তাৰ পৰা। আন কথাত কবলৈ গলে, যিজনে বিশুদ্ধ অহিংস উপায়েৰে নিজৰ স্বাধীনতা ৰক্ষা কৰে, তাৰ মানে তেওঁ দেশৰ স্বাধীনতাও আৰু শেহত সমগ্ৰ মানৱ সমাজৰ স্বাধীনতাও ৰক্ষা কৰে, তেৱেঁইহে প্ৰকৃত গণতান্ত্ৰিক। আগন্তুক পৰীক্ষাত শান্তিবাদীসকলে প্ৰতিৰক্ষাৰ বাবেই হওক বা আক্ৰমণৰ বাবেই হওক যিকোনো ক্ষেত্ৰতে যুদ্ধৰ লগত সংস্ৰব ৰাখিবলৈ দৃঢ়ভাবে অমান্তি হ'ব লাগিব। অহিংসাক যিবিলাকে জীৱনৰ নীতি হিচাপে মানে প্ৰতিৰোধৰ দায়িত্ব তেওঁলোকৰহে। কিন্তু যিবিলাকে প্ৰত্যেক ক্ষেত্ৰৰ গুণাগুণ হিচাপ নিকাচ কৰি চায় আৰু একোটা বিশেষ বিশেষ ক্ষেত্ৰত যুদ্ধক সমৰ্থন কৰা উচিত নে প্ৰতিৰোধ কৰা উচিত জুখি মাখি চায়, তেওঁলোকৰ গাত প্ৰতিৰোধৰ দায়িত্ব নাই। তাৰপৰা এইটোৱেই প্ৰমাণ হয় যে, এনে প্ৰতিৰোধ প্ৰত্যেক মানুহে নিজে নিজে আৰু যদি এটা অন্তৰ্বাণীৰ অস্তিত্ব কোনোবাই বিশ্বাস কৰে, তেন্তে সেই অন্তৰ্বাণীৰ নিৰ্দ্দেশমতে ঠিক কৰি লোৱা কথা।

ৰাজকোট, ৯ ৪ ৩৯

হৰিজন ১৫ ৪ ৩৯

[৭৭]

ইহুদী সংক্ৰান্ত প্ৰশ্ন

২৭৫, চেভেন্‌থ এভিনিউ, নিউইয়ৰ্ক মহানগৰীৰ পৰা প্ৰকাশিত 'জুয়িছ ফ্ৰণ্টিয়াৰ' (Jewish Frontier) নামৰ আলোচনীখনৰ সকালৰ সম্পাদকজনে অনুগ্ৰহ কৰি আলোচনীখনৰ মাৰ্চৰ সংখ্যা মোলৈ পি পঠাইছিল। লগতে মোক অনুৰোধ কৰিছিল জাৰ্মানি আৰু পেলেষ্টাইনৰ ইহুদীবিলাকৰ বিষয়ে মোৰ প্ৰবন্ধটোৰ উত্তৰ স্বৰূপে তাত যি লিখিছিল সেই বিষয়ে আলোচনা কৰিবলৈ।

উত্তৰটো অতি শক্তিশালী হিচাপে লিখা হৈছে। গোটেই প্ৰবন্ধটোকে আকৌ ইয়াত ছপাই দিবলৈ যদি ইয়াত ঠাই হ'লহেতেন। কিন্তু এই সংখ্যা হৰিজনত পাঠকে প্ৰধান প্ৰধান যুক্তিবোৰ তুলি দিয়া পাব।

কথাটো কওঁ ৰ'ব—মই প্ৰবন্ধটো সমালোচক হিচাপে লিখা নাছিলোঁ। মই লিখিছিলোঁ ইহুদী বন্ধুসকল আৰু সংবাদদাতাসকলৰ নেৰানেপেৰা অনুৰোধত। লিখোঁ বুলি যেতিয়া ঠিক কৰিলোঁ তেতিয়া আৰু আন ধৰণে লিখিব নোৱাৰিলোঁ।

কিন্তু মই যেতিয়া এইখিনি লিখিছিলোঁ তেতিয়া মই আশা কৰা নাছিলোঁ যে ইহুদীবিলাক তৎক্ষণাত মোৰ মতলৈ ঘোৰ খাই আহিব। এজন ইহুদীও যদি সম্পূৰ্ণ পতিয়ন যায় আৰু মোৰ মতলৈ ঘোৰ খায়, তেতিয়াও মোৰ মনত শান্তি লাগিলহেতেন।

প্ৰবন্ধটো মই কেৱল আজিৰ কাৰণে লিখা নাছিলোঁ। এটা বিশ্বাসেৰে মই নিজকে নিজে ভাণ্ডৰ কৰি থওঁ, সেইটো হৈছে যে মোৰ মৃত্যুৰ পিছতো মোৰ লিখাবিলাক বাচি থাকিব আৰু যি উদ্দেশ্যেৰে সেইবিলাক লিখা হৈছিল সেই উদ্দেশ্যবোৰ সফল হোৱাত সহায় হ'ব। মই জনাত কোনো এজন ইহুদীকো মোৰ লেখাই ঘোৰ খুৱাব পৰা নাই।

উত্তৰটো মই কেইবাৰো পঢ়িছোঁ। মই এতিয়ালৈ মোৰ প্ৰবন্ধত মই প্ৰকাশ কৰা মতামত সলাবলগীয়া কোনো কাৰণ মই দেখা নাই। লিখকে কোৱাৰ দৰে, এটা ভাণ্ডৰ সম্ভাৱনা আছে এইটোৱেই যে, জাৰ্ম্মানিৰ কোনোবা ইহুদী গান্ধী ওলালে মাত্ৰ পাঁচ মিনিটৰ কাৰণে কাম কৰিব পাৰিব আৰু তাৰ পিছত তৎক্ষণাৎ তেওঁক ফাঁচী কাঠলৈ নিয়া হ'ব। কিন্তু সেইটোৱে মোৰ কথা অপ্ৰমাণিত নকৰে, বা অহিংসাৰ কাৰ্য্যকাৰিতাত মোৰ যি বিশ্বাস তাক লৰাব নোৱাৰে। অহিংসাত বিশ্বাস নোহোৱা একনায়কসকলৰ ভোক পলাবৰ কাৰণে হাজাৰ হাজাৰ নহ'লেও অন্তত শ শ নিশ্চিহ্ন কৰাৰ আৱশ্যকতাৰ কথা মই ধাৰণা কৰিব পাৰোঁ। দৰাচলতে নীতিবাক্যটো হৈছে—আটাইতকৈ ভাণ্ডৰ হিংসাৰ সমুখতেই অহিংসা আটাইতকৈ কাৰ্য্যকৰী। ইয়াৰ ফলাফলৰ পৰীক্ষা দৰাচলতে এনেবোৰ ক্ষেত্ৰতহে হয়। কষ্ট যিলকলে ভোগ কৰে, তেওঁলোকে তাৰ ফল জীৱিত কালতে নাপাবও পাৰে। তেওঁলোকৰ এই বিশ্বাস থাকিব লাগিব যে, যদি তেওঁলোকৰ আত্মাৰ পথ জীয়াই থাকে, তেন্তে তাৰ ফল নিশ্চিত। হিংস উপায়ে অহিংস উপায়তকৈ বেছি নিশ্চয়তাৰ

প্ৰতিশ্ৰুতি দিব নোৱাৰে। অত্যন্ত কম দিয়ে। কাৰণ অহিংসাৰ সমৰ্থনকাৰী-সকলৰ বিশ্বাসৰ অভাব হৈছে।

লিখকে মত প্ৰকাশ কৰিছে যে “সাধাৰণতে সমস্যা সমাধান কৰিবলৈ যাওঁতে” মই “যি মৌলিক—আন্তৰিকতা আৰু সত্য অন্বেষণৰ তীব্ৰ কামনা লৈ আগবাঢ়োঁ” ইহুদী সমস্যাৰ সন্মুখীন হওঁতে মই বোলে সেইদৰে আগবঢ়া নাই। মই ইয়ানকে ক’ব পাৰোঁ যে মই প্ৰবন্ধটো লিখোঁতে মই জনাত আন্তৰিকতা বা সত্যৰ প্ৰতি তীব্ৰ কামনা—এই দুটাৰ কোনোটোৰে অভাৱ হোৱা নাছিল। লিখকৰ দ্বিতীয় অভিযোগটো আৰু বেছি গভীৰ। তেওঁ ভাবে যে হিন্দু মুছলমানৰ একতাৰ বাবে বৰ ব্যগ্ৰ হৈ থকাৰ কাৰণে আৰবসকলে যি ধৰণে ঘটনাটো দাঙি ধৰিলে ভাল পায় মই বোলে সেই পিনেই মত দিলোঁ, বিশেষকৈ ভাৰতবৰ্ষত স্বাভাৱিকতে সেই দিশটোত ভীৰ দিয়া হৈছিল কাৰণে। মই প্ৰায়ে কৈ আহিছোঁ ভাৰতৰ মুক্তিৰ বাবে মই সত্যক বিক্ৰি নকৰোঁ। মুছলমানৰ বন্ধুত্ব লাভৰ বাবে তাতোকৈও কম কৰিম। লিখকে ভাবে যে, খিলাফৎ প্ৰশ্নত মোৰ যেনেকৈ ভুল হৈছিল, ইহুদী প্ৰশ্নতো মোৰ ভুল হৈছে। নিজে খিলাফতৰ বাবে যে লাগিছিলোঁ তাৰ বাবে আজি ইয়ান সময়ৰ দূৰত্বৰ পিছতো মোৰ কোনো খেদ নাই। মই জানো যে মই লাগি থাকিলোঁ বুলিয়েই যে মোৰ মনোভাৱ শুদ্ধ হ’ব তাৰ কোনো অৰ্থ নাই। সংশ্লিষ্ট সকলোৱে মাত্ৰ এইটো জনা উচিত ১৯১৯-২০ চনৰ কাৰ্য্য-কলাপৰ বিষয়ে মোৰ আজিৰ দৃষ্টিভঙ্গী কি।

মোৰ এই লিখাখিনিয়ে ‘জুৱিছ ক্ৰণ্টিয়াৰ’ৰ সম্পাদক বা মোৰ বহু কেইজন ইহুদী বন্ধুক সন্তোষ দিব পৰা নাই, মই জানো আৰু জানি দুখো পাইছোঁ। তথাপি, মই সৰ্ব্বান্তঃকৰণে বাঞ্ছা কৰোঁ যে যি কোনো প্ৰকাৰে জাৰ্মানিত ইহুদীবিলাকৰ ওপৰত চলা উৎপীড়নৰ অন্ত হওক আৰু সংশ্লিষ্ট সকলো দলকে সন্তুষ্ট কৰিব পৰাকৈ পেলেস্টাইন প্ৰশ্নটোৰ সমাধান হওক।

ৰাজকোট, ২২ ৫ ৩৯

হৰিজন, ২৭-৫ ৩৯

[৭৮]

প্ৰত্যাহাৰ

২৪ ডিচেম্বৰৰ হৰিজনত টম্বৰমৰ পৰা মোৰ মিছনেৰী বন্ধুসকলৰ লগত অহিংসা আৰু পৃথিবীৰ সমস্যা* সম্পৰ্কে হোৱা মোৰ কথা বতৰাৰ এটা দীঘলীয়া প্ৰতিবেদন প্ৰকাশ পাইছে। কথা বতৰাৰ মাজত ইহুদীসকলৰ উদাহৰণ দাঙি ধৰোঁতে মই এইদৰে কোৱা বুলি প্ৰকাশ, "ইহুদীবিলাকে নিজে কোনো হিংসা কাৰ্য্যত লিপ্ত হোৱা নাই সচা। কিন্তু তেওঁলোকে জাৰ্মানবিলাকৰ ওপৰত মানৱতাৰ সকলো শাওপাত আনি দিছিল আৰু তেওঁলোকৰ হৈ জাৰ্মানিক হৰুৱাবৰ কাৰণে তেওঁলোকে আমেৰিকা আৰু ইংলণ্ডই যুদ্ধ কৰাটো বাঞ্ছা কৰিছিল।"

শেহৰ বাক্যটো পঢ়ি মোৰ এজন মৰমৰ বন্ধুৱে এখন বৰ চোকা চিঠি লিখিছিল আৰু কি প্ৰমাণৰ ওপৰত মই তেনেকুৱা মন্তব্য কৰিছোঁ তাক দেখুৱাব লাগে বুলি আহ্বান কৰিছিল। তেওঁ কৈছিল মই বোলে তৎভৎ নোহোৱাকৈ সেই উক্তি কৰিছিলোঁ। সেই গালিখিনিৰ গুৰুত্ব মই উপলব্ধি কৰা নাছিলোঁ। কিন্তু মই হলে মোৰ উক্তিৰ সমৰ্থন গোটাবলৈ বিচাৰিছিলোঁ। পিয়াৰি-লালক আৰু পিছত মহাদেৱক মই এই বিচৰা কামত লগালোঁ। কৈ যাওঁতে মনত কি ভাব অনুভূতি থাকে তাৰ সমৰ্থনৰ বাবে তথ্যপাতি বিচাৰি উলিওৱা টান। ইতিমধ্যে ওপৰত কৈ অহা বন্ধুজনৰ ভাব বৈপৰীত্যৰ বিষয়ে লিখা লৰ্ড চেমুৱেলৰ এখন চিঠি পাইছোঁ। অন্বেষণ চলাই থকা অৱস্থাত চাৰ ফিলিপ হাৰ্টগৰ পৰা এই চিঠিখন পাইছোঁ

> "১৯৩৩ চনৰে পৰা শ শ জাৰ্মান ইহুদী ভগনীয়া মই নিজে দেখি আহিছোঁ। তেওঁলোকৰ মনোভাৱৰ বিষয়ে মোৰ বন্ধু পোলক আৰু লৰ্ড চেমুৱেলে আপোনালৈ যি লিখা বুলি কৈছে, তাৰ লগত মই একমত বুলি কোৱাৰ এই সুবিধাকণ লম নে বাৰু? তেওঁলোকৰ এজনেও বাজহুৱা ভাৱেই হওক বা ভিতৰুৱা ভাৱেই হওক, জাৰ্মানিৰ ওপৰত পোতক তুলিবলৈ যুদ্ধ কৰাৰ ইচ্ছা প্ৰকাশ কৰা মই শুনা নাই। অৱশ্যে এনে এখন যুদ্ধই জাৰ্মানিত এতিয়াও বসবাস কৰি থকা লাখ লাখ ইহুদীক

* এই গ্ৰন্থৰ ৬৮ তম অধ্যায় চাওক

আৰু তাৰ লগতে আন আন কোটি কোটি নৰনাৰীক যমৰ যন্ত্ৰণা ভোগালেহেঁতেন।”

তথ্য বিচৰাত মই জোৰেৰে লাগি গলোঁ। বিচৰাসকলৰ কোনো সিদ্ধান্ত-মূলক লিখাত হাত নপৰিল। ‘হৰিজন’ৰ পৰিচালকে বোম্বাইৰ ‘জুয়িছ ট্ৰিবিউন’ৰ সম্পাদকৰ লগত লিখালিখি কৰিলে। সম্পাদকে তেওঁৰ মন্তব্য মতে উত্তৰ দি পঠিয়ালে

“ইহুদীবিলাকক উৎপীড়ন কৰাৰ কাৰণে জাৰ্মানিৰ বিপক্ষে যুদ্ধ কৰিবলৈ খাটনি ধৰা বুলি তেওঁলোকক দোষাৰোপ কৰা এইবাৰেই মই প্ৰথম পোৱা নাই। ইহুদীবিলাকে তেওঁলোকক উৎপীড়ন কৰাৰ কাৰণে যুদ্ধ লগাবলৈ গণতন্ত্ৰবিলাকক খাটনি ধৰা কথাটো মিছা আৰু এই মিছাৰ পাছফালে কিবা দুৰভিসন্ধি আছে। ইয়াক লাই দিয়া অনুচিত। যুদ্ধ লাগিব লাগিলে আন মানুহতকৈ ইহুদীবিলাকেই বেছি ভুগিব। যুৰজীৰ পাত্তত তাৰ উদাহৰণ আছে। ইহুদীবিলাকে শান্তি ভাল পায়। তেওঁলোক শান্তিৰ কাৰণে কাম কৰা মানুহ। মই আশা কৰোঁ তেওঁলোকৰ বিপক্ষে এনেকুৱা কিবা দোষাৰোপ হ’লে আপুনি তাৰ খণ্ডন কৰিব।”

ভি জুয়িছ ট্ৰিবিউনৰ সম্পাদকে এতিয়া মোৰ কথাৰ বিপৰীতে শক্তিশালী-ভাবে আগবঢ়োৱা ওপৰোক্ত গধুৰ মন্তব্যখিনি পঢ়িলোঁ, আৰু মই দেখিলোঁ যে মোৰ যি মন্তব্যৰ এয়া প্ৰত্যাহ্বান আছিল, তাৰ ওপৰত তীৰ দি মই কোনো কামতে হাত দিব নোৱাৰোঁ। গতিকে বিনা চৰ্তে মোৰ সেই মন্তব্য মই প্ৰত্যাহাৰ কৰিবই লাগিব। মই মাত্ৰ আশা কৰিছোঁ মোৰ যেন সেই মন্তব্যই কোনো এজন ইহুদীকো অনিষ্ট কৰা নাই। মই জানো সৰল বিশ্বাসতে মই যি মন্তব্য কৰিছিলোঁ তাত মোৰ বহুতো জাৰ্মান বন্ধুৰ খং উঠিছিল।

ৰাজকোট, ২২ ৫ ৩৯

হৰিজন, ২৭-৫ ১৯৩৯

[৭৯]

অক্সফ'ৰ্ড সমষ্টি আৰু নৈতিক পুনৰ সশস্ত্ৰীকৰণ

অক্সফ'ৰ্ড সমষ্টিৰ আন্দোলন

যোৱা কেইবছৰত অক্সফ'ৰ্ড সমষ্টিৰ আন্দোলন আৰু তাৰ কাৰ্যাৱলী সম্পৰ্কে আমালৈ উভৈনদীকৈ কাগজ পাতি পঠিওৱা হৈছে। সেই সমষ্টিৰ ভালে কেইজন সভ্যক আমি লগো পাইছোঁ। যাক ইংলণ্ডত তেওঁলোকে 'ঘৰুৱা-মেল' (হাউচ পাৰ্টিজ) বোলে তেনেকুৱা কেইবাটালৈকো নিমন্ত্ৰণ পোৱাৰ সুযোগ মোৰ ঘটিছিল। এবাৰটাবাদত কেইবাজনো সভ্যক লগ পোৱাৰ সৌভাগ্যও মিলিছিল।

তেওঁলোক বৰ খোলা মনৰ লোক আছিল। তেওঁলোকক লগ পাই বৰ ভাল লাগিছিল। তাৰে ভিতৰৰ যিজন বন্ধুৱে গান্ধীজীক এবাৰটাবাদত লগ পাইছিল, তেওঁ গান্ধীজীৰ বিষয়ে কেইটামান স্বীকাৰোক্তি কৰিছিল আৰু তাৰ মাজেদি গান্ধীজীক তেওঁলোকে প্ৰশংসা কৰিছিল। কিছুমান বুনিয়াদী নীতি সম্পৰ্কে আমি তেওঁৰ লগত সম্পূৰ্ণ একমত আছিলোঁ।

নৈতিক পুনৰ সশস্ত্ৰীকৰণ

অক্সফ'ৰ্ড•আন্দোলনকাৰীসকলে নিজকে নৈতিক পুনৰ সশস্ত্ৰীকৰণৰ আন্দোলনকাৰী বুলি চিনাকি দিয়ে। তেওঁলোকৰ কাৰ্য্যক্ৰমৰ কথা ভাবিলে আৰু বেছি আহুকালৰ কথা মনলৈ আহে। এই আন্দোলনৰ প্ৰতিষ্ঠাতা ড° ফ্ৰেঙ্ক বুচমেনেই নৈতিক পুনৰ সশস্ত্ৰীকৰণৰ আন্দোলন আৰম্ভ কৰিছিল আৰু প্ৰেচিডেণ্ট ৰুজভেল্টে আমেৰিকাৰ কনষ্টিটিউচন হলত গোট খোৱা চাৰি হাজাৰ মানুহৰ আগত এই নৈতিক সশস্ত্ৰীকৰণ আন্দোলনক পৃথিবীৰ শান্তি ৰক্ষাৰ উপায় হিচাপে সমৰ্থন কৰিছিল। "পৃথিবীৰ নৈতিক পুনৰ সশস্ত্ৰীকৰণৰ আন্দোলনে সশস্ত্ৰ বিৰোধৰ বিপদ হ্ৰাস কৰাত বিফল হ'ব নোৱাৰে। এনেকুৱা এটা নৈতিক পুনৰ সশস্ত্ৰীকৰণে সাৰ্ব্বজনীন সমৰ্থন লাভ কৰা উচিত"— তেওঁ কৈছিল। আমি শুনিবলৈ পাইছোঁ হাউচ অব্ লৰ্ডচৰ ২৩ জন সভ্যই সেই গোহাৰি সমৰ্থন কৰিছিল এই বুলি, "মানৱজাতিয়ে আৰু জাতিসমূহে বিশ্বাস আৰু প্ৰেমৰ আধ্যাত্মিক গুণেৰে সজ্জিত হ'ব লাগিব।"

এতিয়া মানুহে এই আন্দোলনটোৰে কি কৰিব? প্ৰেচিডেণ্ট ৰুজভেল্টৰ

বাণীৰ সঁহাৰিত চহী দিবলৈ গান্ধীজীক নিমন্ত্ৰণ জনোৱা হৈছিল। তাৰ দুটা ছেদ এনেদৰে লিখা হৈছিল

"এম আৰ এ, (মৰেল ৰি আৰ্মামেণ্ট—নৈতিক পুন সশস্ত্ৰীকৰণ) ৰ অৰ্থ হ'ল প্ৰথম, অন্তৰৰ পৰিবৰ্ত্তন। ইয়াৰ অৰ্থ অতীতৰ কাৰণে দায়িত্বৰ স্বীকৃতি, সাধুতা, পবিত্ৰতা, নিস্বাৰ্থতা আৰু প্ৰেমৰ মানদণ্ডক ব্যক্তি আৰু জাতিৰ দ্বাৰা নিসংকোচ গ্ৰহণ, ভগবানৰ নিৰ্দ্দেশ সৰ্ব্বদা শ্ৰৱণ আৰু সৰ্ব্বদা পালন।

এই বিপৰ্য্যয়ৰ সময়ত আমাৰ জাতিক নৈতিক আৰু আধ্যাত্মিক সশস্ত্ৰীকৰণেৰে পুন সজ্জিত কৰিবৰ কাৰণে আমি পূৰ্ণমাত্ৰাত মনোযোগ দিবলৈ প্ৰতিশ্ৰুত—তাৰ মানে অন্তৰৰ, মনৰ আৰু ইচ্ছাশক্তিৰ সেৱা দান কৰিবলৈ। আমাৰ উদ্দেশ্য হ'ব নতুন মানুহ, নতুন জাতি গঠন কৰা। আমি এনে এখন পৃথিবী প্ৰস্তুত কৰিব লাগিব যত সমগ্ৰ মানৱজাতিৰ ঐতিহ্য আগতকৈ আৰু বেছি চহকী কৰিবৰ কাৰণে মানুহৰ বিচক্ষণতাৰ সকলো উৎস ভগবানে মুক্ত কৰি দিব।"

এই গোহাৰিত ভাৰতৰ যিসকলে চহী দিছে সেই সকলৰ প্ৰতি শ্ৰদ্ধা জনাই গান্ধীজীয়ে কৈছিল যে তেওঁৰ বিচাৰ বুদ্ধিৰে তেওঁ তাত চহী দিব নোৱাৰে। মিছা কথা এটা তেওঁ মানি ল'ব নোৱাৰে। ভাৰতে কেনেকৈ অতীতৰ দায়িত্ব গ্ৰহণ কৰে? গান্ধীজীয়ে কৈছিল "এই সকলোবোৰ মোৰ গাত নেখাটে। গোটেই ছেদটো শোষণকাৰী জাতিৰ গাত খাটে, কিন্তু ভাৰত হ'ল শোষিত জাতি। দ্বিতীয় ছেদটোও পশ্চিমীয়া জাতিসমূহতহে খাটে, আমাৰ গাত নেখাটে। গোটেই গোহাৰিটোৱেই এনে অসম্ভৱ। নৈতিক পুনৰ সশস্ত্ৰীকৰণৰ কথা মই ভাবিব পাৰোঁ কিন্তু সেইটো হ'ব আন এটা পটভূমিত। সাম্প্ৰদায়িক একতা মই নৈতিক পুনৰ সশস্ত্ৰীকৰণৰ যোগেদি হোৱাৰ কথা ভাবিব পাৰোঁ। শোষিত জাতিৰ ব্যক্তি হিচাপে মোৰ এটা বেলেগ নৈতিক পুনৰ সশস্ত্ৰীকৰণৰ কাৰ্য্যক্ৰম থাকিব পাৰে। তাতে মই চীনক নিমন্ত্ৰণ জনাব পাৰোঁ, কিন্তু পশ্চিমক বা জাপানক মই কেনেকৈ তাতে নিমন্ত্ৰণ জনাম? পশ্চিমক মই নিমন্ত্ৰণ কৰা যেনেকৈ অসম্ভৱ হ'ব, ঠিক সেই অনুপাতে পশ্চিমেও ভাৰতবৰ্ষক নিমন্ত্ৰণ জনোৱা অসম্ভৱ হ'ব। তেওঁলোকে তেওঁলোকৰ শোষণনীতি আৰু দুৰ্নীতিপূৰ্ণ দ্বাভবিলাকক ত্যাগ কৰকচোন।"

কাশ্মীৰৰ এটা নৈতিক পুনঃ সশস্ত্ৰীকৰণৰ শিবিৰলৈ গান্ধীজীক নিমন্ত্ৰণ

অনোৱা হৈছে। নিমন্ত্ৰণীখন এজন আই চি এচ, এজন বিগ্ৰেডিয়াৰ আৰু বিচাৰকে চহী কৰি পঠাইছে। গান্ধীজীয়ে ইয়াত দাণ্ডি ধৰা দিশটোৰ কথা তেওঁলোকে বা ভাবিছে নে নাই? সাম্ৰাজ্য আৰু তাৰ সমৰ্থক সংস্থাৰ সংশ্ৰৱ যিবিলাকে ত্যাগ কৰা নাই তেনেকুৱা এজনে আকৌ শান্তিৰ কাৰণে কেনেকৈ কাম কৰিব পাৰে? চাৰ্লচ বাক্সনে কোৱাৰ দৰে, বোলে "বৰ্ত্তমানৰ বিশেষ ৰূপত, ব্ৰিটিছ সাম্ৰাজ্য ইয়াৰ ৰাজকীয় প্ৰথাৰ সমৰ্থনৰ কাৰণে আৰু পৃথিবীত ই যি ঈৰ্ষা, সন্দেহ আৰু সমালোচনাৰ সৃষ্টি কৰে,—তাৰ কাৰণে পৃথিবীৰ শান্তিৰ আটাইতকৈ ডাঙৰ অন্তৰায়।

সেৱাগ্ৰাম, ৭ ৮ '৩৯ ম দে

হৰিজন ১২ ৮ ১৯৩৯

[৮০]

যুদ্ধ-সংক্ৰান্ত প্ৰস্তাৱ

যুদ্ধ প্ৰস্তাৱত মোৰ শেষ পৰাজয় ঘটিছে। মোক এটা প্ৰস্তাৱৰ খচৰা কৰিবলৈ কোৱা হৈছিল। পণ্ডিত জৱহৰলাল নেহৰুকো কোৱা হৈছিল। খচৰাটোৰ বাবে মোৰ দৰ্প ই হৈছিল। কিন্তু অতি দৰ্পে হতা লঙ্কা হ'ল। মই দেখিলোঁ যে তৰ্ক নকৰিলে আৰু জোৰ নিদিলে মই প্ৰস্তাৱটো গ্ৰহণ কৰাব নোৱাৰিম। কিন্তু তেনে ইচ্ছা মোৰ নাছিল। আমি তেতিয়া জৱহৰলালৰটো শুনিলোঁ। মই তৎক্ষণাত স্বীকাৰ কৰিলোঁ যে তেওঁৰটোতহে মোৰটোতকৈ দেশৰ আৰু সমূহীয়াভাৱে কাৰ্য্যপালিকাৰ মতামত প্ৰকাশ পাইছে। মোৰটো আছিল পুৰামাত্ৰাই অহিংসাৰ ওপৰত প্ৰতিষ্ঠিত। কংগ্ৰেছে যদি কৰ্ম্মপন্থা হিচাপেও অহিংসাক সৰ্ব্বান্তঃকৰণে পুৰামাত্ৰাই বিশ্বাস কৰে, তেন্তে এইটোৱেই আছিল তাৰ পৰীক্ষাৰ সময়। কিন্তু ব্যক্তিগত দুই-চাৰিজনৰ কথা বাদ দিলে মানুহে সাধাৰণতে এনেকুৱা অহিংসাত বিশ্বাস নকৰে। যিবিলাকে কৰে, তেওঁলোকে বিশ্বাস কৰে যে কেৱল ক্ষমতা হস্তগত কৰিবলৈ চৰকাৰৰ বিপক্ষে যুদ্ধ কৰাৰ কাৰণেহে ই শুদ্ধ পন্থা, কিন্তু পৃথিবীৰ প্ৰতি কোনো অহিংসাৰ বাণী দিবলৈ কংগ্ৰেছৰ নাই। তেনে এটা বাণী কংগ্ৰেছৰ আছে বুলি মই আনন্দেৰে বিশ্বাস কৰিম। দুয়োটা প্ৰস্তাৱৰে ফল একেবাৰেই বেলেগ নহ'লহেঁতেন কিজানি।

কিন্তু যি প্ৰেৰণাৰে লিখা হৈছিল সি বেলেগ বেলেগ হোৱাৰ কাৰণে একেটা ফলাফলেই বেলেগ পটভূমিত বেলেগ অৰ্থ বুজালেহেঁতেন। ভাৰতবৰ্ষত এতিয়া হিংসা চলি আছে আৰু কংগ্ৰেছ চৰকাৰসমূহেই এতিয়া সামৰিক আৰু পুলিচৰ সাহায্যৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হৈছে। এই পৰিস্থিতিত অহিংসাৰ ঘোষণা এটা প্ৰহসনহে হ'ব। ভাৰতৰ কাৰণে বা পৃথিবীৰ কাৰণে ইয়াৰ কোনো মূল্য নাথাকিলহেঁতেন। তথাপি নিজকে সত্যত ৰাখিবৰ কাৰণে, মই যিটো প্ৰস্তাৱৰ খচৰা প্ৰস্তুত কৰিছিলোঁ তাতকৈ বেলেগ কৰিব নোৱাৰিলোঁ।

মোৰ প্ৰস্তাৱৰ যি গতি হৈছিল—তাৰ বাবেময়ো দায়ী আছিলোঁ—তাৰ পৰা এইটোৱেই প্ৰমাণ হ'ল যে মই কংগ্ৰেছৰ লগত সংস্ৰৱ ত্যাগ কৰি জ্ঞানীৰ কামেই কৰিছিলোঁ। মই যে কাৰ্য্যপালিকাৰ অধিবেশনবিলাকত উপস্থিত থাকোঁ সেয়া তাৰ প্ৰস্তাৱবিলাক বা তাৰ সাধাৰণ কৰ্ম্মপন্থা মানি লবলৈ নহয়, মোৰ অহিংসাৰ লক্ষ্য অনুধাৱন কৰিবলৈহে। যেতিয়ালৈকে তেওঁলোকে মোৰ উপস্থিতি বিচাৰে, তেতিয়ালৈকে তেওঁলোকৰ কাম যাতে অহিংসাপূৰ্ণ হয় তাৰ বাবে তেওঁলোকক আৰু তেওঁলোকৰ মাজেদি সকলো কংগ্ৰেছী লোককে জোৰ দিওঁ। আমি একে লক্ষ্যকে অনুধাৱন কৰিছোঁ। তেওঁলোকে পৰা হলে গোটেই বাট ছোৱা মোৰ লগে লগেই বাট বুলিলেহেঁতেন, কিন্তু মই যেনেকৈ নিজকে সত্যত ৰাখিব খোজোঁ, তেওঁলোকেও নিজৰ প্ৰতি আৰু এইখিনি সময়ত যিখন দেশৰ তেওঁলোকে প্ৰতিনিধিত্ব কৰে, সেই দেশৰ প্ৰতি সত্যপৰায়ণ হৈ থাকিব খোজে। অহিংসাৰ অগ্ৰগতি দেখাত মাৰাত্মক লেহেম মই জানো। কিন্তু অভিজ্ঞতাৰ পৰা মই শিকিছোঁ যে, আমাৰ উদ্দৈহতীয়া লক্ষ্যত উপনীত হবলৈ এইটোৱেই আটাইতকৈ নিশ্চিত পথ। অস্ত্ৰৰ সংঘাতেৰে ভাৰতৰো মুক্তি নাহে, পৃথিবীৰো নাহে। হিংসাৰ খেল প্ৰায় শেষেই হৈ গৈছে—আনকি ন্যায় ৰক্ষাৰ কাৰণে যি হিংসাৰ আশ্ৰয় লোৱা হয়—সেই হিংসাৰো। সেই বিশ্বাসেৰেই মোৰ নাঙলেৰে মই অকলশৰে মাটি চহাই গৈ আছোঁ, আৰু যদি মোৰ কপালত আছে যে অহিংসাত মোৰ দ্বিধাহীন বিশ্বাসৰ ভাগ লওঁতা কোনো নাই তথাপি তাতে মোৰ সন্তোষ।

সেৱাগ্ৰাম, ২৩-৬ '৩৯

হৰিজন, ২৩-৮ ১৯৩৯

[৮১]

আসন্ন সঙ্কট

এই মাহৰ ২৪ তাৰিখে লণ্ডনৰ পৰা এগৰাকী ভনীয়ে তাঁৰ বাৰ্তা যোগে অনুৰোধ কৰি কৈছিল "স্থিৰ সিদ্ধান্ত গ্ৰহণ কৰক। জগতে আপোনাৰ নেতৃত্বলৈ বাট চাই আছে।" আজি পোৱা অন্য এটা তাঁৰ বাৰ্ত্তাত লণ্ডনৰে অন্য এগৰাকী ভনীয়ে কৈছে "বল প্ৰয়োগত যে আপোনাৰ আস্থা নাই, যুক্তিতহে আপোনাৰ অটল বিশ্বাস, সেই বিশ্বাস অনতিপলমে শাসকবৰ্গ আৰু জগতৰ জাতিসমূহৰ আগত প্ৰকাশ কৰিবলৈ আপোনাক আহ্বান জনাওঁ।" জগতৰ আসন্ন সঙ্কট সম্পৰ্কে—যি সঙ্কটে মাথোন কেইটামান জাতিৰ কল্যাণ সাধনাকে বিপদগ্ৰস্ত কৰি নেৰে, বৰঞ্চ সমগ্ৰ মানৱ জাতিৰে দুৰ্যোগ ঘটাব—মই কি কম কি নকম ভাবি দোধোৰ মোধোৰত পৰিছোঁ। যুদ্ধ লাগে নে শান্তি লাগে—এই সিদ্ধান্ত যি সকলে লব তেওঁলোকক মোৰ অভিমতে প্ৰভাবান্বিত কৰিব নোৱাৰে বুলি মোৰ ধাৰণা। অৱশ্যে মই জানো যে পশ্চিমৰ বহুতো দেশৰ মানুহে ভাবে যে মোৰ কথাৰ গুৰুত্ব আছে। সিবিলাকৰ এই বিশ্বাসত মই নিজেও পতিয়ন যাব পৰাহেঁতেন ভাল আছিল। কিন্তু এইদৰে পতিয়ন যাব নোৱাৰি মই মনে মনে ভগৱানক খাটিছোঁ যেন যুদ্ধৰ দুৰ্যোগৰ পৰা আমাক ৰক্ষা কৰে। যুক্তিৰ অন্য নাম হ'ল অহিংসা; আৰু অহিংসাতে মোৰ পৰম বিশ্বাস। বিবাদ মীমাংসাৰ বাবে বা অন্যায়ৰ প্ৰতিকাৰ কৰিবলৈ মই যুদ্ধত বিশ্বাস নকৰোঁ, কৰোঁ যুক্তিত হে, আৰু মোৰ এই বিশ্বাস দোহাৰিবলৈ মোৰ মনত অলপো ইতস্ততঃ লগা নাই। হিংসাৰ যোগেদি মোৰ দেশৰ স্বাধীনতা অৰ্জ্জন যদি সম্ভৱপৰ হয়ো, তথাপি ব্যক্তিগত ভাবে মই সেই স্বাধীনতাক আদৰণি জনাব নোৱাৰিম—অহিংসা বা যুক্তিৰ ওপৰত থকা মোৰ অটল বিশ্বাসৰ কথা মই ইয়াতকৈ আৰু কিমান দৃঢ়তাৰে প্ৰকাশ কৰিব পাৰোঁ! তৰোৱালৰ সহায়েৰে অৰ্জ্জন কৰা সম্পদ তৰোৱালৰ যোগেদিয়েই নাশ হয়—এইবাৰ খাটি কথাত মোৰ বিশ্বাস অলৰ অচৰ। আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেচিডেণ্টৰ আবেদনলৈ হেৰ্ হিটলাৰে কৰ্ণপাত কৰক—এয়ে মোৰ আশা। তেওঁৰ যি দাবী সেই দাবী কেইজনমান সুযোগ্য মধ্যস্থতাকাৰীয়ে বিচাৰ কৰি চাওক, এই মধ্যস্থতাকাৰী নিৰ্বাচনও বিবাদমান পক্ষ কেইটাৰ সমানেই

তেওঁবো মত থাকিব। এয়ে যদি হয়, কেনে সুখৰ কথা হ'ব। আশা কৰিছোঁ মই ভবা দৰেই হ'বগৈ।"

সেবাগ্ৰাম, ২৮ ৮ '৩৯

হৰিজন ২ ৯ ৩৯

[৮২]

চিমলা ভ্ৰমণ

কালকালৈ যাবলৈ বুলি দিল্লীত ৰেলত উঠোঁতে, এটা বিৰাট জনসমাবেশে স্বত স্ফূৰ্ত্তভাৱে সেই পুৰণা—"মহাত্মা গান্ধীকি জয়" ধ্বনি দিলে আৰু আমি কোনো আপোচ মীমাংসা নিবিচাৰোঁ বুলি তীব্ৰকণ্ঠে প্ৰতিবাদ কৰিলে। সেই সময়ত মই মোৰ সাপ্তাহিক মৌনতা পালন কৰিছিলোঁ। সেইবাবে মই মাথোন মিচিকিয়াই হাঁহিলোঁহে। আৰু ৰেলত উঠা খটখটিত থকা সকলেও মোৰ মিচিকীয়া হাঁহিৰ প্ৰত্যুত্তৰ মিচিকীয়া হাঁহিৰেই দিলে। তেওঁলোকে কিন্তু ভাইচৰয়ৰ লগত কোনো আপোচত নাহিবলৈ মোক সতৰ্ক কৰি দিলে। এঠাইৰ কংগ্ৰেছ কমিটী এখনেও মোক একে ধৰণেই সতৰ্ক কৰি চিঠি এখন দিছিল। এই উপদেষ্টাসকলৰ কোনেও মোক ভালকৈ নাজানিছিল। মোৰ ক্ষমতাৰ সসীমতা কিমান সেই কথা জানিবলৈ এই সতৰ্কবাণীৰ মোৰ প্ৰয়োজন নাছিল। দিল্লীৰ জন সমাবেশ আৰু কংগ্ৰেছ কমিটীখনৰ কথাহে নালাগে, সমগ্ৰ দেশবাসীক, ভাইচৰয়ৰ লগত কি আলোচনা বিলোচনা হ'ল সেই কথা জনোৱাটো মোৰ কৰ্ত্তব্য। মই জানিছিলোঁ যে মোৰ নিজৰ বাহিৰে আন কাৰো হৈ একো কোৱাৰ অধিকাৰ মোৰ নাই। কংগ্ৰেছ ৱৰ্কিং কমিটীৰ ফালৰ পৰাও এই বিষয়ে মোক একো নিৰ্দেশ দিয়া হোৱা নাছিল। টেলিগ্ৰাম এখন পায়েই তাৰ উত্তৰ পঠাই তেতিয়াই ধৰিব পৰা ৰেলখনতে মই গুচি গ'লোঁ। তদুপৰি মোৰ অদম্য আৰু পুৰাপুৰি অহিংস নীতিত থকা মোৰ প্ৰত্যয়ৰ পৰা মই বেছকৈ বুজিছিলোঁ যে মই ভাইচৰয়ৰ লগত হ'ব লগা দেখাসাক্ষাতত জাতিৰ প্ৰতিনিধি হিচাপে মাত মাতিব নোৱাৰোঁ ; আৰু তাকে কৰিবলৈ গ'লে মই মাথোন হাঁহিয়াতৰ পাত্ৰহে হয়। ভাইচৰয়কো মই সেই কথাকে কৈছিলোঁ। সেই বাবে মোৰ যোগেদি কোনো বুজাপৰা বা আপোচ-মীমাংসালৈ অহাৰ কথা নুঠেই। আৰু মই গৈ দেখিলোঁ যে ভাইচৰয়েও মোক কিবা এটা

মীমাংসালৈ আহিবলৈ বুলি মাতি পঠোৱা নাছিল। বাজভৱনৰ এই দেখা-সাক্ষাতৰ পিছত মই সুদা হাতে ঘূৰি আহিলোঁ।—প্ৰকাশ্য বা গোপন কোনো বুজাপৰাৰ কথাই উঠা নাছিল। এনেকুৱা কিবা বুজাপৰা হোৱাৰ কথা থাকিলে, চৰকাৰ আৰু কংগ্ৰেছৰ মাজতহে হোৱাৰ কথা।

কংগ্ৰেছৰ লগত মোৰ নিজৰ সম্বন্ধটো এইদৰে স্পষ্ট কৰি দি মহামান্য ভাইচৰয়ক মই জনালোঁ যে নিতান্ত মানৱতাবোধৰ খাটিৰত মোৰ নিজৰ সহানুভূতি আছিল ইংলণ্ড আৰু ফ্ৰান্সৰ বাবে। যি লণ্ডনক দুৰ্জ্জেয় বুলি অতদিনে সকলোৱে ভাবি আহিছিল—সেই লণ্ডন নগৰী ধ্বংস হৈ যাব—এই কথা মই মোৰ অন্তৰৰ গভীৰতম প্ৰদেশ বিদীৰ্ণ নোহোৱাকৈ ভাবিব নোৱাৰোঁ। ভাইচৰয়ৰ লগত কথা পাতি থাকোঁতে যেতিয়া পাৰ্লামেণ্ট ভৱন আৰু ৱেস্ট-মিনষ্টাৰ এবিৰ কথা ওলাল, তেতিয়া মোৰ মনলৈ আহিল যে হয়তো এই দুই বিৰাট সৌধ অনতিপলমেই ধূলিসাৎ হৈ যাব আৰু তাকে ভাবি মই বৰ বিচলিত হৈ পৰিলোঁ। মোৰ মনে প্ৰবোধ নমনা হৈছে। মোৰ অন্তৰৰ নিবিড়তম প্ৰদেশত অহৰ্নিশে যেন ভগৱানৰ লগত বিবাদ চলি আছে—ভগৱানে কিয় এনে হ'বলৈ এৰি দিছে? মোৰ অহিংসনীতি যেন প্ৰায় অক্ষম প্ৰমাণিত হৈছে। কিন্তু অন্তৰৰ গভীৰ প্ৰদেশত নিতৌ চলি থকা বাদ বিসম্বাদৰ উত্তৰ যেন এইদৰে পাইছোঁ ভগৱান বা অহিংসনীতি কোনোটোৱেই অক্ষম বা অকৰ্ম্মণ্য হোৱা নাই। অক্ষমতা মানুহৰহে। বিশ্বাস নেহেকৱাই মই গৈ থাকিব লাগিব। হয়তো যত্ন কৰি থাকোঁতেই মই ক্লান্ত হৈ পৰিম, কিন্তু মই যত্ন কৰি যাবই লাগিব। সেই বাবেই যেন মনত খাপ দি থকা মানসিক চিন্তা ক্লেশৰ কথা গম পায়েইহে, ২৩ জুলাইত এবটাবাদৰ পৰা হেৰ হিটলাৰলৈ তলত উদ্ধৃত কৰা চিঠিখন লিখিলোঁ। —

"মোৰ বন্ধু বান্ধৱ আৰু শুভাকাঙ্ক্ষীসকলে, মানৱতাৰ খাটিৰত আপোনালৈ লিখিবলৈ মোক দঢ়াই দঢ়াই কৈ আছে। কিন্তু আপোনালৈ মই চিঠি লিখিলে জানোচা উদ্ধতালি দেখুওৱা বুলিহে ভাবে, সেই ভাবিয়েই অতদিনে লিখা নাই। কিন্তু কিবা এটাই যেন মোক কৈছে যে মই ইমান গুণা গঁথা কৰি থাকিলে নহ'ব, ফলাফল যিয়েই নহওক লাগিলে, মই আপোনাৰ ওচৰত আবেদন কৰি চাব লাগিব।

"এইটো দেখ দেখ কথা যে আপুনিয়েই জগতত একমাত্ৰ লোক যি মানুহক পশুৰ স্তৰলৈ নমাই নিয়াৰ সম্ভাৱনা থকা যুদ্ধ এখন বন্ধ কৰাৰ

পাৰে। আপোনাৰ লক্ষ্য যিয়েই নহওক আৰু সেই লক্ষ্য আপোনাৰ বাবে যিমানেই উপযুক্ত যেন নালাগক লাগে, বিনিময়ত আপুনি মানুহক পশুৰ স্তৰলৈ নমাই নিবলৈ প্ৰস্তুত নে? ইচ্ছাকৃতভাৱে আৰু কিছু সফলতাৰে যুদ্ধৰ পথ পৰিহাৰ কৰা এজন লোকৰ (মোৰ) আবেদনলৈ আপুনি কৰ্ণপাত কৰিব নে? যি কি নহওক, এই চিঠিত কিবা ধৃষ্টতা প্ৰকাশ পালে ক্ষমা কৰিব বুলি আশা কৰিছোঁ।"

জাৰ্মান জাতিকে ধৰি সমগ্ৰ চিন্তাশীল মানৱজাতিৰ আবেদন, যুক্তিৰ আবেদন, হেৰ হিটলাৰে এতিয়াও যদি শুনে তেন্তে কেনে সুখৰ কথা হয়। মানুহৰ অমানুষিক চতুৰালিৰ ফলত ধ্বংস হৈ যোৱাৰ ভয়ত লণ্ডনৰ দৰে মহানগৰী একোখনৰ অধিবাসীয়ে নগৰ এৰি আঁতৰি যাব এনে এটা পৰিকল্পনা জাৰ্মানসকলে সুস্থিৰ চিত্তে কৰিছে বুলি ভাবিবলৈ মই প্ৰস্তুত নহয়। তেওঁলোকে তেওঁলোকৰ নিজৰ আৰু তেওঁলোকৰ কীৰ্ত্তি সৌধবিলাকৰ এনেদৰে ধ্বংস সাধন হোৱাটো নিশ্চয় সুস্থিৰ চিত্তে ভাবিব নোৱাৰে। এইবোৰ কাৰণতে মই ভাৰতৰ মুক্তিৰ কথা সম্প্ৰতি ভৱা নাই। ভাৰতৰ মুক্তি আহিব। কিন্তু যদি ইংলণ্ড আৰু ফ্ৰান্সৰ পতন হয়, নতুবা এই দুই জাতিয়ে ভাৰতক ভূ লুণ্ঠিত কৰি, ধ্বংস কৰি বিজয়ী হয়, তেন্তে ভাৰতৰ মুক্তিৰ সাৰ্থকতাই বা ক'ত?

কিন্তু যি দেখা গৈছে তাৰপৰা ধাৰণা হয় যে হেৰ হিটলাৰে ভগৱানৰ অস্তিত্ব স্বীকাৰ নকৰে, মাথোন পশুশক্তিতহে বিশ্বাস কৰে; আৰু মিস্টাৰ চেম্বাৰলেনে কোৱাৰ দৰে, পাশৱিক শক্তিৰ বাহিৰে অন্য কথালৈ তেওঁ কাণেই নিদিয়ে। এই অভূতপূৰ্ব্ব সঙ্কটাৱস্থাৰ পৰিপ্ৰেক্ষিতহে কংগ্ৰেছীলোক আৰু অন্যান্য দায়িত্বশীল ভাৰতীয় লোকে, ব্যক্তিগত আৰু সামূহিকভাৱে, এই সংঘাতময় নাটকীয় পৰিস্থিতিত ভাৰতে কি ভূমিকা গ্ৰহণ কৰিব তাক বিচাৰ কৰিব লাগিব।

চিমলা, ৫ ৯ '৩৯

হৰিজন, ৯-৯ ১৯৩৯

[৮৩]

মোৰ সহানুভূতিৰ উৎস

মহামান্য ভাইচৰয়ৰ লগত হোৱা সাক্ষাতৰ পিছতে দিয়া মোৰ বিবৃতিটোৰ মিশ্রিত প্রতিক্রিয়া হৈছিল। এজন সমালোচকৰ মতে ই ভাবপ্রবণমূলক মূৰ্খামি। আৰু আন এজন সমালোচকৰ মতে ই প্রকৃত ৰাজনীতি বিশাৰদৰ সাৰগৰ্ভ ঘোষণা। এই দুই চূড়ান্ত পৰস্পৰ বিৰোধী মতৰ মাজত নানা প্রকাৰ মতো প্রকাশ পাইছে। মই ভাবোঁ, নিজ নিজ দৃষ্টিকোণৰ পৰা প্রত্যেকজন সমালোচকেই নিৰ্ভুল, কিন্তু প্রকৃত দৃষ্টিকোণৰ পৰা তেওঁলোক সকলোৰে ভুল, আৰু এই বিশেষ ক্ষেত্রত প্রকৃত দৃষ্টিকোণ হ'ল মোৰটো। মোৰ বিবৃতিৰ যোগে মই নিজকহে প্রতিপন্ন কৰিবলৈ বিচাৰিছিলোঁ, অন্য কাৰো সন্তোষ বিধানৰ বাবে বিবৃতি দিয়া নাছিলোঁ। বিবৃতিটোৰ কথা মই আখৰে আখৰে বিশ্বাস কৰোঁ। যি কোনো মানৱীয় দৃষ্টিভঙ্গীৰে গ্রহণযোগ্য মূল্য বিবৃতিটোত আছে, তাৰ বাহিৰে ইয়াৰ কোনো ৰাজনৈতিক মূল্য নাই। বিভিন্ন ভাব চিন্তাৰ মাজত পাৰস্পৰিক সামঞ্জস্য থাকিব পাৰেই, তাক নোহোৱা কৰিব কোনে?

জনৈক ভদ্রলোকে এখন চিঠিৰ যোগে তীব্র প্রতিবাদ জনাইছে। প্রতিবাদৰ উত্তৰ দিব লাগিব। মই চিঠিখন ইয়াত তুলি নিদিওঁ, কাৰণ চিঠিখনৰ ঠায়ে ঠায়ে ময়েই বুজা নাই। কিন্তু চিঠিখনৰ কথাৰ তাৎপৰ্য্য সহজে ধৰিব পাৰি। আচল কথাখিনি এই

> "ইংলণ্ডৰ পাৰ্লামেণ্ট ভৱন আৰু ৱেষ্টমিনস্টাৰ এবিৰ সম্ভাব্য ধ্বংসৰ কথা ভাবি যে আপুনি চকুলো টুকিছে জাৰ্মানিৰ স্মৃতিসৌধ বোৰো যে ধ্বংস হৈ যোৱাৰ সম্ভাৱনা আছে, সেই কথা কিয় নাভাবে? আৰু ইংলণ্ড আৰু ফ্রান্সৰ প্রতি যে সহানুভূতি দেখুৱাইছে, জাৰ্মানিৰ প্রতি নেদেখুৱায় কিয়? যোৱা যুদ্ধত মিত্রশক্তিয়ে জাৰ্মানি বিধ্বস্ত কৰাৰ পৰিণতিয়েই হিটলাৰৰ উত্থানৰ কাৰণ নহয় নে? আপুনি যদি জাৰ্মান হ'লহেতেন, আৰু হিটলাৰৰ দৰে শক্তি আৰু সাহস থাকিলহেতেন আৰু একিল পালে একিল দিয়া কথাটোও গোটেই জগতে বিশ্বাস কৰাৰ দৰে, আপুনিও কৰিলেহেতেন, তেন্তে হিটলাৰে কৰাকে আপুনিও কৰিলেহেতেন। নাজীবাদ বেয়া হ'ব পাৰে, ইনো প্রকৃতপক্ষে কি আমি নাজানো। আমাৰ হাতত এই বিষয়ে যিবোৰ আলাপ-আলোচনা পৰিছেহি সেইবোৰ একপক্ষীয়। কিন্তু মই এই কথাকে আপোনাক সোঁৱৰাই দিব খুজিছো যে চেম্বাৰলেন আৰু

হিটলাৰৰ মাজত কোনো প্ৰভেদ নাই। হিটলাৰৰ অৱস্থাত পৰাহেঁতেন চেম্বাৰলেনৰ কাৰ্য্যও বেলেগ নহ'লহেঁতেন। চেম্বাৰলেনৰ লগত বিজাই আপুনি হিটলাৰক অন্যায় কৰিছে। কাৰণ তাৰ দ্বাৰা আপুনি হিটলাৰক অপদস্থ কৰিছে। ভাৰতবৰ্ষই ইংলণ্ডৰ পৰা যি বিচাৰ পাইছে সি পৃথিবীৰ অন্য কোনো দেশে, অনুৰূপ অৱস্থাত জাৰ্মানিৰ পৰা পোৱা বিচাৰতকৈ বেছি ভাল নে? জাৰ্মানি মাথোন প্ৰাচীন সাম্ৰাজ্যবাদী ইংলণ্ড আৰু ফ্ৰান্সৰ চালুকীয়া বয়সৰ শিষ্যহে। মোৰ অনুমান ভাইচৰয়ৰ লগত হোৱা সাক্ষাৎ প্ৰসঙ্গত আপোনাৰ ভাব প্ৰৱণতাই যুক্তি আৰু বিচাৰক তল পেলাই গলে।*

সত্যক আশ্ৰয় কৰি আৰু অবিচলিত দৃঢ়তাৰে ইংৰাজৰ দুষ্কৃতিৰ সমালোচনা মই যি ভাবে কৰিছোঁ, বোধকৰো আৰু কোনেও সিমান তীব্ৰভাৱে কৰা নাই। মোৰ সমান সফলতাৰে সম্ভবতঃ আৰু কোনেও ইংৰাজক প্ৰতিৰোধ কৰা নাই। আৰু মোৰ প্ৰতিৰোধ কৰাৰ ইচ্ছা আৰু শক্তিও অটুট হৈয়ে আছে। কথা কোৱা আৰু কাম কৰাৰো সময় আছে, ঠিক সেইদৰেই মৌনতাৰ নিষ্ক্ৰিয়তাৰো সময় আছে।

সত্যাগ্ৰহৰ অভিধানত শত্ৰু শব্দটো নাই। কিন্তু সত্যাগ্ৰহীসকলৰ বাবে নতুন অভিধান প্ৰণীত কৰিব খোজা নাই। বাবেই মই পুৰণি শব্দাৱলীত নতুন তাৎপৰ্য্য আৰোপ কৰি ব্যৱহাৰ কৰিছোঁ। সত্যাগ্ৰহীয়ে তেওঁৰ তথাকথিত শত্ৰুকো বন্ধুৰ সমানেই ভাল পায়।

তেওঁৰ কোনো শত্ৰু নাই। সত্যাগ্ৰহী হিচাপে অৰ্থাৎ অহিংসাৰ পূজাৰী হিচাপে মই ইংলণ্ডৰ মঙ্গল কামনা কৰিবই লাগিব। জাৰ্মানিৰ প্ৰতি মোৰ মোৰ ভাব কি আছিল বা এতিয়াও আছে, সেই কথা এই সময়ত অবান্তৰ। কিন্তু মোৰ বিবৃতিত মই থোৰতে কৈ থৈছোঁ যে জাৰ্মানিৰ ভগ্নস্তূপৰ ওপৰত ভিত্তি কৰি মই মোৰ দেশৰ স্বাধীনতাৰ সৌধ ৰচনা কৰিব নোখোজোঁ। জাৰ্মানদেশৰ স্মৃতিসৌধবোৰৰো সম্ভাব্য ধ্বংসৰ চিন্তাই মোক ইংলণ্ডৰ স্মৃতি সৌধবিলাকৰ সম্ভাব্য ধ্বংসৰ চিন্তাৰ সমানেই বিহ্বল কৰিব। হেৰ হিটলাৰৰ মোৰ সহানুভূতিৰ কোনো প্ৰয়োজন নাই। বৰ্ত্তমানৰ পৰিস্থিতি বিচাৰ কৰোঁতে ইংলণ্ডৰ অতীত দুষ্কৃতি বা জাৰ্মানিৰ কথা তোলা অবান্তৰ। ভুলেই হওক বা শুদ্ধই হওক, আৰু অনুৰূপ অৱস্থাত ইংলণ্ড বা জাৰ্মানিয়ে অতীতত কি কৰিছিল বা নাই কৰা, সেই কথালৈ নগৈ মই ইয়াকে ঠাৱৰ কৰিছোঁ যে এই যুদ্ধখনৰ বাবে হেৰ হিটলাৰেই জগৰীয়া। তেওঁৰ দাবীৰ যুক্তি-যুক্ততা মই বিচাৰ নকৰোঁ।* ডানজিগবাসী জাৰ্মানসকলে তেওঁলোকৰ স্বাধীন প্ৰতিষ্ঠা

ত্যাগ কৰাৰ সম্মতি থাকিলে ডানজিগক জাৰ্মানিৰ অন্তৰ্ভুক্ত কৰাৰ বাবে হিটলাৰৰ অধিকাৰ হয়তো কোনেও দুই কৰিব নোৱাৰে। হ'ব পাৰে পোলেণ্ডৰ একাংশক তেওঁৰ ৰাজ্যত সুমুৱাবলৈ তেওঁ যি দাবী কৰিছে, সেই দাবীৰো ভিত্তি আছে। মোৰ আপত্তি এয়ে মাথোন যে তেওঁৰ দাবীসমূহ এটা নিৰ্দ্দলীয় আয়োগক বিচাৰ কৰি চাবলৈ দিবলৈ তেওঁ প্ৰস্তুত নহয়। এটা আয়োগে দাবীসমূহ বিচাৰ কৰি চোৱাৰ কথাটো অগ্ৰাহ্য হৈছে এই বুলিয়ে স্বাৰ্থজড়িত মহলৰ পৰা এই আয়োগ গঠনৰ কথা উত্থাপন কৰা হৈছে। আচলতে আয়োগ গঠন নকৰাৰ বাবে এই যুক্তি যথেষ্ট নহয়। চোৰ এটায়ো তাৰ লগৰীয়া চোৰৰ ওচৰত শুদ্ধ আবেদন এটা জনোৱাটো সম্ভৱপৰ। মোৰ বিশ্বাস—গোটেই জগতেই হিটলাৰে তেওঁৰ দাবীসমূহ কোনো নিৰ্দ্দলীয় আয়োগক বিচাৰ কৰিবলৈ দিয়াটো আশা কৰে। আৰু মই ভাবোঁ মোৰ এই ধাৰণা মিছা নহয়। হিটলাৰৰ নিজ অভিসন্ধি পূৰ্ণ হ'লেই যে তেওঁৰ দাবীৰ যথাৰ্থতাও প্ৰতিপন্ন হ'ব এনে নহয়। বৰঞ্চ এই কথাহে বেছ ভালদৰে বুজা যাব যে বৰ্ব্বৰ পশুশক্তিয়ে এতিয়াও মানব জাতিৰ কাৰ্য্য কলাপত সক্ৰিয় প্ৰভাৱ আৰোপ কৰে। আৰু এই কথাও প্ৰতীয়মান হ'ব যে মানুহজাতিৰ আকাৰত ৰূপান্তৰ ঘটিলেও অন্তৰত থকা পশু প্ৰবৃত্তিৰ ৰূপান্তৰ ঘটা নাই।

আশা কৰোঁ মোৰ সমালোচকসকলৰ বাবে এই কথা স্পষ্ট হ'ব যে ইংলণ্ডৰ বা ফ্ৰান্সৰ প্ৰতি থকা মোৰ সহানুভূতি খন্তেকীয়া ভাবাবেগৰ, বা অমাৰ্জ্জিত ভাবাত কৰবলৈ গ'লে মানসিক বিকাৰৰ ফল নহয়। যোৱা আঠে কুৰি বছৰে অহিংসাৰ যি অফুৰন্ত উৎসই মোৰ অন্তৰক পৰিপুষ্টি দি আহিছে, তাৰ দ্বাৰাহে ই প্ৰণোদিত। মোৰ বিচাৰ নিভুৰ্ল বুলি মই নকওঁ। মই মাথো ইয়াকে কওঁ যে ইংলণ্ড আৰু ফ্ৰান্সৰ প্ৰতি থকা মোৰ সহানুভূতি যুক্তি-প্ৰসূত। মোৰ সহানুভূতি যি যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত—সেই যুক্তিত বিশ্বাস কৰা সকলোকে মোৰ ফলীয়া হ'বলৈ মই গোহাৰি জনাওঁ। মোৰ সহানুভূতিয়ে কেনে ৰূপ লয়গৈ সি সম্পূৰ্ণ বেলেগ কথা। নিজৰ মতত দৃঢ় হৈ মই মাথোন ভগৱানক প্ৰাৰ্থনা কৰিবহে পাৰোঁ। সেইবাবেই মই মহামান্য ভাইচৰয়ক কৈছিলোঁ যে যুদ্ধত অৱতীৰ্ণ হোৱা সকলে যি ধ্বংসৰ সম্মুখীন হৈছে, তাৰ ওচৰত মোৰ সহানুভূতিৰ কোনো স্পষ্ট মূল্য নাই।

সেৱাগ্ৰাম, ১১-৯-'৩৯

হৰিজন, ১৬-৯-১৯৩৯

[৮৪]

সাহসী পোলেণ্ডবাসীলৈ

পোলিচ ৰিপাব্লিকৰ ভূতপূৰ্ব্ব সভাপতি আৰু প্ৰখ্যাত পিয়ানোবাদক পেদাৰউস্কিয়ে চুইজাৰলেণ্ডৰ মৰ্জেচ বোলা ঠাইৰ পৰা পঠোৱা এই টেলিগ্ৰামখন গান্ধীজীয়ে পাইছিল

"পোলেণ্ডৰ অধিবাসীসকলে স্বাধীন হৈ বাচি থকাৰ পবিত্ৰ অধিকাৰ ৰক্ষা কৰিবলৈ আজি এক নিষ্ঠুৰ আৰু বৰ্ণনাতীত স্বেচ্ছাচাৰিতাৰ বিৰুদ্ধে যুজ দিছে। আপোনাৰ দেশবাসীৰ মনত পোলেণ্ডৰ অধিবাসীসকলৰ প্ৰতি সহানুভূতি আৰু বন্ধুত্ব জগাই তুলিবলৈ জগতৰ শ্ৰেষ্ঠ নৈতিক আদৰ্শবাদী হিচাপে আপোনালৈ মই মোৰ জাতিৰ হৈ আহ্বান জনাও। ইয়াৰ হাজাৰ বছৰ জোৰা ইতিহাসত পোলেণ্ডে মানৱতাৰ এক সৰ্ব্বোচ্চ আদৰ্শ, বিশ্বাস, ন্যায় আৰু শান্তিৰ হক প্ৰতিপন্ন কৰি আহিছে। হে ভাৰত বাসীৰ মহান আচাৰ্য্য, এই সঙ্কটৰ দিনত, যেতিয়া অসংখ্য নিৰপৰাধ শিশু আৰু নাৰী দিনে দিনে নিৰ্ব্বিচাৰে নিধন হ'ব লাগিছে আপোনাৰ এবাৰ সহানুভূতি আৰু উৎসাহৰ বাণীয়ে পোলিছ জাতিৰ প্ৰতিজন লোকৰ অন্তৰত শক্তি সঞ্চাৰ কৰিব।"

ইয়াৰ উত্তৰত গান্ধীজীয়ে লিখিলে "স্বাধীনতা ৰক্ষাৰ বাবে এই ভীষণ সংগ্ৰামত অৱতীৰ্ণ হোৱা পোলিছ সকলৰ প্ৰতি মোৰ আন্তৰিক সমৰ্থন আৰু সহানুভূতি স্বাভাৱিকতেই আছে। কিন্তু এই কথা ভাবিহে মোৰ দুখ লাগিছে যে মোৰ কথাৰ কোনো কাৰ্য্যকৰী ক্ষমতা নাই, ইউৰোপত সম্প্ৰতি চলি থকা এই উন্মত্ত ধ্বংসলীলা মই যদি প্ৰতিৰোধ কৰিব পাৰিলোঁহেতেন! মোৰ দেশে স্বাধীনতা হেৰুৱাই তাৰ পুনৰোদ্ধাৰৰ বাবে পৃথিবীৰ আটাইতকৈ পৰাক্ৰমী সাম্ৰাজ্যবাদী শক্তিৰ বিৰুদ্ধে যুজ দি আছে। স্বাধীনতাৰ পুনৰোদ্ধাৰৰ বাবে মোৰ দেশে অহিংসাৰ অপূৰ্ব্ব পদ্ধতি গ্ৰহণ কৰিছে। এই পদ্ধতিৰ সাৰ্থকতা প্ৰতিপন্ন হৈছে যদিও লক্ষ্য এতিয়াও দূৰৈত। পোলিছসকলে সন্মুখীন হোৱা এই ভীষণ পৰীক্ষাৰ আশু অৱসান হওক। আৰু ভাবিলেই গাৰ নোম শিয়ঁৰি উঠা দুখ-যন্ত্ৰণা সহ্য কৰিবলৈ তেওঁলোকে শক্তি পাওক—ইয়াকে কামনা কৰি মই ভগৱানৰ ওচৰত মোৰ আন্তৰিক প্ৰাৰ্থনা জনাইছো। সাহসী পোলিছ-সকলৈ মই ইয়াতকৈ বেছি আৰু কিনো জাপন কৰিম। পোলিছসকলে

ন্যায়ৰ হকে যুঁজিছে আৰু তেওঁলোকৰ বিজয় নিশ্চিত। ভগৱানৰ বিচাৰত ন্যায়ৰ হে জয়, অন্যায়ৰ নহয়।"

সেৱাগ্ৰাম, ৮ ৯ '৩৯

হৰিজন ১৬ ৯ ১৯৩৯

[৮৫]

ৱৰ্কিং কমিটীৰ ইস্তাহাৰ

১। ইউৰোপত যুদ্ধ ঘোষণা হোৱাৰ পৰিণতি স্বৰূপে যি বিষম সঙ্কটৰ উদ্ভৱ হৈছে, ৱৰ্কিং কমিটীয়ে তাৰ যথাযথ বিচাৰ কৰি চাইছে। যুদ্ধ লাগিলে দেশবাসী কি কি মূলনীতিৰে পৰিচালিত হোৱা উচিত, সেই কথা কংগ্ৰেছে উপৰ্য্যুপৰি স্পষ্টকৈ বান্ধি দি আহিছে। মাথোন এমাহৰ আগতে কমিটীয়ে তাক পুনৰ দোহাৰিছে, আৰু লগতে ভাৰতত থকা ব্ৰিটিছ চৰকাৰে ভাৰতীয় সকলৰ মতামত উলঙ্ঘা কৰাৰ বাবে অসন্তোষ প্ৰকাশ কৰিছে। ব্ৰিটিছ চৰকাৰৰ অনুসৃত এই কাৰ্য্যাৱলীৰ পৰা বিৰত থকাৰ প্ৰথম খোজ হিচাপে কংগ্ৰেছ সদস্যসকলক কেন্দ্ৰীয় বিধান সভাৰ পৰৱৰ্ত্তী অধিবেশনত অনুপস্থিত থাকিবলৈ ৱৰ্কিং কমিটীয়ে আহ্বান জনাইছে। তেতিয়াৰ পৰাই ব্ৰিটিছ চৰকাৰে ভাৰতবৰ্ষ শত্ৰুভাৱাপন্ন দেশ বুলি ঘোষণা কৰিছে, অধ্যাদেশ প্ৰবৰ্ত্তন কৰিছে, গভৰ্ণমেণ্ট অৱ ইণ্ডিয়া আইন (সংশোধনী) বিল পাছ কৰাইছে, ভাৰতবাসীৰ বিশেষ ক্ষতি সাধন কৰাকৈ কেতবোৰ সুদূৰপ্ৰসাৰী ব্যৱস্থা লৈছে। আৰু প্ৰাদেশিক চৰকাৰবোৰৰ ক্ষমতা আৰু কাৰ্য্যাৱলী সঙ্কুচিত আৰু সীমিত কৰি পেলাইছে। ভাৰতীয়সকলৰ মতামত নোলোৱাকৈ এনে কৰা হৈছে আৰু এনেকুৱা পৰিস্থিতিৰ সন্দৰ্ভত তেওঁলোকে প্ৰকাশ কৰা মতামত ব্ৰিটিছ চৰকাৰে যথেচ্ছা উলাই কৰিছে। ৱৰ্কিং কমিটীয়ে এনেবোৰ পৰিস্থিতি গুৰুত্বপূৰ্ণভাৱে লব লাগিব আৰু পৰিস্থিতিয়ে কেনে ৰূপ লয় তাৰ ওপৰত সতৰ্ক দৃষ্টি ৰাখিব লাগিব।

২। কংগ্ৰেছে উপৰ্যুপৰি ঘোষণা কৰি আহিছে যে ফেচিস্ট আৰু নাজীবাদৰ আদৰ্শ আৰু কাৰ্য্যত কংগ্ৰেছৰ সমূলি সমৰ্থন নাই, আৰু এই দুই ৰাজনৈতিক দলে যুদ্ধক যি মহত্ত্বেৰে বিভূষিত কৰি দেখুৱাইছে তাতো কংগ্ৰেছে বিশ্বাস নকৰে, আৰু মানৱতাবোধৰ নিষ্পেষণৰ আৰু হিংসাৰ বিৰোধিতা কৰে।

ফেচিস্ট আৰু নাজীবাদীয়ে উপৰ্য্যুপৰি কৰা আক্ৰমণবোৰক কংগ্ৰেছে গৰিহণা দিয়ে, আৰু সুসম্মত নীতি আৰু সভ্যজনোচিত আচাৰ বিধিৰ উলঙ্ঘন কংগ্ৰেছে হীন চকুৰে চায়। ভাৰতীয়সকলে বহু বছৰ ধৰি সাম্ৰাজ্যবাদৰ বিৰুদ্ধে যুজি আহিছে। ফেচিস্ট আৰু নাজীবাদৰ ৰূপ লৈ সেই সাম্ৰাজ্যবাদেই খোপনি পুতি বহা কংগ্ৰেছে দেখিবলৈ পাইছে। ৱৰ্কিং কমিটীয়ে সেই বাবেই বিনা দ্বিধাই জাৰ্মানদেশৰ নাজী চৰকাৰৰ অধুনাতম পোলেণ্ড আক্ৰমণক গৰিহণা দি সেই আক্ৰমণ প্ৰতিৰোধকাৰীসকললৈ সহানুভূতি দৰ্শাব লাগিব।

৩। কংগ্ৰেছে আৰু ঘোষণা কৰিছে যে ভাৰতৰ বাবে যুদ্ধ বা শান্তিৰ কথাত ভাৰতীয়সকলেহে সিদ্ধান্ত ল'ব লাগিব, আৰু কোনো বাহিৰা শক্তিকেই ভাৰতীয়সকলৰ ওপৰত এই সিদ্ধান্ত আৰোপ কৰিবলৈ দিয়া নহ'ব। আৰু ভাৰতীয়সকলে তেওঁলোকৰ সম্পদৰাজি সাম্ৰাজ্যবাদী উদ্দেশ্য সাধনৰ বাবে শোষণ কৰিবলৈকো কাকো এৰি দিব নোৱাৰে। জোৰকৈ জাপি দিয়া যি কোনো সিদ্ধান্ত বা ভাৰতীয়সকলৰ বিনানুমোদনে ভাৰতীয় সম্পদ ব্যৱহাৰ কৰাৰ যি কোনো প্ৰচেষ্টা প্ৰতিৰোধ কৰিবই লাগিব। সৎকাৰ্য্যৰ বাবে বাঞ্ছিত সহযোগিতা জোৰ জবৰদস্তিৰ দ্বাৰা বা জোৰেৰে কিবা এটা ওপৰৰ পৰা জাপি দি কৰিব নোৱাৰি। বাহিৰৰ কোনো শক্তিয়ে জাৰি কৰা আদেশ ভাৰতীয় জনসাধাৰণে পালন কৰিব—এই কথাত ৱৰ্কিং কমিটীয়ে সম্মতি জনাব নোৱাৰে। সমান সমান দুই পক্ষৰ ভিতৰতে আৰু উভয়পক্ষই উপযুক্ত বুলি বিবেচনা কৰা বিষয়তহে পাৰস্পৰিক সম্মতি সাপেক্ষে সহযোগিতা সম্ভৱপৰ হয়। আজি কিছুদিন ধৰি ভাৰতীয়সকল বিৰাট দুৰ্য্যোগৰ সম্মুখীন হৈছে। ইচ্ছাপূৰ্ব্বক অশেষ ত্যাগ স্বীকাৰ কৰিছে আৰু তাৰ দ্বাৰাই স্বাধীনতা পুনৰোদ্ধাৰ কৰি স্বাধীন গণতান্ত্ৰিক দেশ এখন গঢ়ি তুলিবলৈ বদ্ধপৰিকৰ হৈছে। স্বাভাৱিকভাৱেই তেওঁলোকৰ সহানুভূতি গণতন্ত্ৰ আৰু স্বাধীনতাৰ বাবে আছে। তথাপি ভাৰতীয় জনসাধাৰণে গণতান্ত্ৰিক স্বাধীনতাৰ নামত ভৰা যুদ্ধ এখনত ভাগ ল'ব নোৱাৰে। কাৰণ যি স্বাধীনতাৰ নামত যুদ্ধ ঘোষিত হৈছে সেই স্বাধীনতাকে ভাৰতীয়সকলক দিয়া হোৱা নাই। বৰঞ্চ যি অকণমান সীমিত স্বাধীনতা আছিল তাকো কাঢ়ি নিয়া হে হৈছে।

৪। ৱৰ্কিং কমিটীয়ে ভালকৈ জানে যে ব্ৰিটিছ চৰকাৰ আৰু ফৰাচী চৰকাৰে ঘোষণা কৰিছে যে তেওঁলোকে গণতন্ত্ৰ আৰু স্বাধীনতাৰ দাবী সাব্যস্ত কৰিবলৈহে আৰু পৰৰাজ্য আক্ৰমণ ৰোধ কৰিবলৈহে যুদ্ধত নামিছে। কিন্তু

সাম্প্ৰতিক অতীতৰ ঘটনাৱলীয়ে কোৱা কথা, ঘোষিত আদৰ্শ আৰু প্ৰকৃত অভিপ্ৰায়, লক্ষ্যৰ মাজত থকা বিসঙ্গতি স্পষ্টকৈ দেখুৱাই দিয়ে। ১৯১৪—১৮ চনৰ মহাযুদ্ধৰ বেলিকা কোৱা হৈছিল যে গণতন্ত্ৰ আৰু আত্ম-নিয়ন্ত্ৰণৰ দাবী সাব্যস্ত কৰিবলৈ আৰু ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিসমূহৰ স্বাধীনতা ৰক্ষা পাওক বুলিহে যুদ্ধৰ অৱতাৰণা কৰা হৈছে। অথচ এইদৰে কোৱা চৰকাৰবোৰেই পৰস্পৰৰ ভিতৰত গোপন চুক্তি সম্পাদন কৰিলে যাৰ উদ্দেশ্য হ'ল সাম্ৰাজ্যবাদী উদ্দেশ্য সিদ্ধি কৰা আৰু অটোমান সাম্ৰাজ্য কাটি উলিওৱা। এই চৰকাৰবোৰে কওঁতে কলে যে তেওঁলোকে তেওঁলোকৰ ৰাজ্যসমূহৰ সীমা বঢ়াই ল'ব খোজা নাই, অথচ বিজয়ী হৈ এইবোৰেই নিজৰ ঔপনিবেশিক ঘাটিবোৰ বহলাই ল'লে। বৰ্ত্তমান ইউৰোপত লাগি থকা যুদ্ধথনে ভাৰ্ছাইৰ সন্ধি আৰু তাৰ বচক সকলোৰে শোচনীয় পৰাজয় সূচাইছে। কাৰণ এই সন্ধিৰ ৰচকসকলে দিয়া প্ৰতিশ্ৰুতি অস্বীকাৰ কৰি এক সাম্ৰাজ্যবাদী শান্তি হে পৰাজিত জাতিবোৰৰ ওপৰত জাপি দিলে। সেই সন্ধিৰ একমাত্ৰ আশাপ্ৰদ পৰিণতি আছিল জাতিসঙ্ঘ, কিন্তু সেই জাতিসঙ্ঘৰো গুৰিৰে পৰাই মুখত সোপা দি ধৰিলে আৰু শেষত প্ৰায় নেলু মূচৰি অভিভাৱকস্বৰূপ ডাঙৰ দেশ কেইখনে সৰু দেশবোৰক মাৰিয়েই পেলালে।

৫। ইয়াৰ পিছত ঘটা ঘটনাৱলীৰ পৰা আকৌ এবাৰ স্পষ্টকৈ দেখা গ'ল যে জাতিসঙ্ঘত বিশ্বাস প্ৰকাশ কৰি কৰা আপাতদৃষ্টিত আন্তৰিক ঘোষণাৰ পিছতো বহুতো সময়ত হীনস্বাৰ্থৰ খাটিৰত বহুতে জাতিসঙ্ঘকে ত্যাগ কৰিলে। ব্ৰিটিছ চৰকাৰে মাঞ্চুৰিয়া আক্ৰমণলৈ আওকাণ কৰিলে, আবিছিনিয়া আক্ৰমণত ব্ৰিটিছে সম্মতিহে জনালে। জেকোস্লোভেকিয়া আৰু স্পেনত গণতন্ত্ৰ বিপন্ন হ'ল। বৰঞ্চ ইচ্ছাকৃতভাৱেই গণতন্ত্ৰক বিপন্ন কৰা হ'ল, আৰু সামূহিক নিৰাপত্তাৰ গোটেই পদ্ধতিটোকে ৰবমুৰীয়া শক্তি কেইটাই পশ্চাদ্‌ঘাত কৰিলে, অথচ এই শক্তি কেইটায়েই সামূহিক নিৰাপত্তাৰ আঁচনিত আগতে দৃঢ় বিশ্বাস প্ৰকাশ কৰিছিল।

৬। আকৌ কোৱা হয় যে গণতন্ত্ৰ বিপন্ন হৈছে আৰু ইয়াক ৰক্ষা কৰিব লাগিব ; এই কথাত ৱৰ্কিং কমিটীৰ পূৰা সমৰ্থন আছে। কমিটীয়ে বিশ্বাস কৰে যে পশ্চিমৰ জাতিসমূহ এই আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈছে আৰু লক্ষ্যত উপনীত হবৰ বাবে তেওঁলোকে যি কোনো ত্যাগ স্বীকাৰ কৰিবলৈ প্ৰস্তুত আছে। কিন্তু দেখা গৈছে যে জনসাধাৰণৰ আৰু সংগ্ৰামত আত্ম-

বলিদান দিয়া সকলৰ ভাবচিন্তা আৰু বিচাৰধাৰা বাৰে বাৰে উপেক্ষা কৰা হৈছে, আৰু তেওঁলোকৰ লগত কোনো বিশ্বাস ৰক্ষা কৰা হোৱা নাই।

৭। যদি কোৱা হয় যে স্থিতাৱস্থা ৰক্ষা কৰিবলৈকে যুদ্ধ ঘোষণা কৰা হৈছে, তেতিয়া হ'লেও ভাৰতৰ এই যুদ্ধৰ সম্পৰ্কত একো কৰিবলগীয়া নাই। কাৰণ স্থিতাৱস্থা ৰক্ষা কৰা মানে সাম্ৰাজ্যবাদী ঘাটি, উপনিবেশ, স্বত্ব স্বাৰ্থ আৰু অন্যায় সুযোগ সুবিধা বহাল ৰখাৰ বাহিৰে আন একো নহয়। কিন্তু প্ৰকৃত কথা সেয়ে নহয় যদি গণতন্ত্ৰ আৰু গণতন্ত্ৰৰ ওপৰত প্ৰতিষ্ঠিত বিশ্বত এখন নতুন সমাজ-ব্যৱস্থা পত্তনৰ বিষয়ে কোৱা হয়, তেন্তে ভাৰতৰ নিশ্চয় ইয়াত গভীৰ স্বাৰ্থ আছে। ৱৰ্কিং কমিটীৰ সদস্যসকলে বিশ্বাস কৰে যে ভাৰতীয় গণতন্ত্ৰৰ স্বাৰ্থ ব্ৰিটিছ গণতন্ত্ৰৰ স্বাৰ্থ বা সমগ্ৰ জগতৰ বাবে চিন্তা কৰা গণতান্ত্ৰিক সমাজ ব্যৱস্থাৰ পৰিপন্থী নহয়। কিন্তু ভাৰতবৰ্ষ বা অন্য দেশৰ বাবে গণতন্ত্ৰ মানে যি বুজায় তাৰ আৰু সাম্ৰাজ্যবাদ আৰু ফেচিস্টবাদৰ মাজত এক অন্তৰ্নিহিত আৰু কেতিয়াও আঁতৰাব নোৱাৰা বৈষম্য বৰ্ত্তমান। গণতন্ত্ৰ ৰক্ষা আৰু সম্প্ৰসাৰিত কৰিবৰ বাবেই যদি ব্ৰিটেনে যুদ্ধত নামিছে ব্ৰিটেনে নিজৰ কবলত থকা দেশবোৰত সাম্ৰাজ্যবাদৰ অন্ত পেলাব লাগিব। ভাৰতবৰ্ষত সম্পূৰ্ণ গণতন্ত্ৰ প্ৰতিষ্ঠা কৰিব লাগিব। আৰু সম্পূৰ্ণভাৱে বহি প্ৰভাৱ-মুক্ত আৰু সংবিধান ৰচনামণ্ডলৰ দ্বাৰা ৰচিত সংবিধানৰ যোগেদি ভাৰতীয়সকলে আত্ম-নিয়ন্ত্ৰণৰ অধিকাৰ পাব লাগিব। ভাৰতীয়সকলে নিজৰ কাৰ্য্য নিজে পৰিচালনা কৰিবলৈ পাব লাগিব। এখন স্বাধীন গণতান্ত্ৰিক ভাৰতবৰ্ষই মুকলি মনেৰে অন্যান্য স্বাধীনদেশৰ লগত বহিঃশত্ৰুৰ আক্ৰমণৰ বিৰুদ্ধে পাৰস্পৰিক প্ৰতিৰক্ষা আৰু অৰ্থনৈতিক উন্নয়নৰ কাৰণে নিশ্চয় সহযোগ আগবঢ়াব। স্বাধীনতা আৰু গণতন্ত্ৰৰ ওপৰত ভিত্তি কৰি এখন প্ৰকৃত বিশ্ব-সমাজ-ব্যৱস্থা প্ৰতিষ্ঠা কৰিবলৈ ভাৰতবৰ্ষই যত্ন কৰিব; আৰু তাকে কৰোঁতে জগতৰ জ্ঞান আৰু সম্পদৰাজিৰ সদ্ব্যৱহাৰ, মানৱজাতিৰ উন্নতি আৰু কল্যাণ সাধন কাৰ্য্যত ব্ৰতী হ'ব।

৮। যি সঙ্কটে আজি সমগ্ৰ ইউৰোপক জোকাৰি পেলাইছে সেই, সঙ্কট মাথোন ইউৰোপৰে নহয়; সি সমগ্ৰ মানৱজাতিৰে সঙ্কট। আৰু আন আন যুদ্ধ বা সঙ্কটে কৰাৰ দৰে এই সঙ্কটেও জগতৰ মূল গাঁথনিটো সোলোক-ঢোলোক নকৰাকৈ এৰিব, এনে আশা কৰাটো ভুল। ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক বিষয়ত এই সঙ্কটে পৃথিৱীক নতুনকৈ গঢ় দিব, তাৰ পৰিণতি

বেয়াই হ'ব নে ভালেই হ'ব সেই কথা সুকীয়া। যোৱা মহাযুদ্ধৰ সময়ৰ পৰাই সামাজিক আৰু ৰাজনৈতিক যিবোৰ বৈষম্য আৰু বিৰোধ ভয়ানকৰূপে বাঢ়ি আহিছিল, আজিৰ সঙ্কট হ'ল তাৰেই অৱশ্যম্ভাবী পৰিণতি, আৰু এই বিৰোধ আৰু বৈষম্যবোৰ একেবাৰে আঁতৰাই পেলাই এক নতুন সামাজিক ভাৰসাম্য সৃষ্টি নকৰালৈকে এই সঙ্কটৰ ওৰ নপৰে। এখন দেশে আন এখন দেশৰ ওপৰত চলোৱা প্ৰভুত্ব আৰু শোষণৰ অন্ত পৰিলেহে আৰু সকলোৰে উমৈহতীয়া কল্যাণৰ বাবে অৰ্থনৈতিক সম্বন্ধৰ পুনৰ্গঠন হ'লেহে সেই ভাৰসাম্য সৃষ্টি কৰিব পৰা হ'ব। ভাৰতবৰ্ষই হ'ল সমস্যাটোৰ গুৰি কথা, কাৰণ ভাৰতবৰ্ষয়েই আজিৰ সাম্ৰাজ্যবাদৰ আটাইতকৈ ভাল উদাহৰণ, আৰু এই ঘাই সমস্যাটো আওকাণ কৰি জগতৰ কোনোৰকম পুনৰ্গঠনেই কৃতকাৰ্য্য হ'ব নোৱাৰে। জগতৰ পুনৰ্গঠনৰ যি কোনো আঁচনিতে বিপুল সম্পদশালী ভাৰতবৰ্ষই উল্লেখযোগ্য ভূমিকা লব লাগিব। কিন্তু স্বাধীনদেশ হিচাপেহে ভাৰতবৰ্ষই এই কাম কৰা সম্ভৱপৰ কাৰণ তেতিয়াহে ভাৰতৰ মুক্তশক্তি এই মহৎ উদ্দেশ্যৰ বাবে যথাৰ্থ প্ৰযোজিত হব পাৰিব। স্বাধীনতাৰ প্ৰশ্নটো দেশবিশেষে বেলেগ বেলেগ প্ৰশ্ন নহয়। স্বাধীনতাৰ কথা সামগ্ৰিকভাৱে চিন্তা কৰিব লাগিব। পৃথিৱীত য'তেই নহওক কিয়, সাম্ৰাজ্যবাদ বজায় ৰখা দুৰভিসন্ধিয়ে নতুন সঙ্কটৰ সৃষ্টি কৰিব।

৯। ৱৰ্কিং কমিটীয়ে লক্ষ্য কৰিছে যে ভাৰতীয় দেশীয় ৰাজ্যবোৰৰ বহুতো শাসকে তেওঁলোকৰ শক্তি সামৰ্থ্য ইউৰোপত গণতন্ত্ৰ ৰক্ষা কৰাৰ উদ্দেশ্যে আগবঢ়াইছে। বিদেশত গণতন্ত্ৰ বৰ্ত্তাই ৰখাত তেওঁলোকৰ যদি ইমানেই আগ্ৰহ তেনেহ'লে তেওঁলোকে আগতে নিজ নিজ ৰাজ্যত গণতান্ত্ৰিক শাসন প্ৰৱৰ্ত্তন কৰি লওক, কাৰণ তেওঁলোকৰ ৰাজ্যবোৰত এতিয়ালৈকে একান্তই স্বেচ্ছাচাৰী শাসনহে চলি আছে—ৱৰ্কিং কমিটীয়ে এই পৰামৰ্শ এই ৰাজন্যবৰ্গলৈ আগবঢ়াব খোজে। এই স্বেচ্ছাচাৰী ৰাজত্বৰ বাবে দেশীয় ৰজাসকলতকৈয়ো ভাৰতবৰ্ষত থকা ব্ৰিটিছ চৰকাৰহে বেছি জগৰীয়া, যোৱা বছৰতে এই কথাৰ যথেষ্ট প্ৰমাণ পোৱা গৈছে। যি এখন নতুন জগত ৰচনা কৰাৰ উদ্দেশ্যে ব্ৰিটিছে ইউৰোপত যুদ্ধত অৱতীৰ্ণ হৈছে বুলি কৈছে, দেশীয় ৰাজ্যবোৰত চলি থকা স্বেচ্ছাচাৰী শাসনতন্ত্ৰ সেই নতুন জগতৰ আদৰ্শৰ সম্পূৰ্ণ পৰিপন্থী।

১০। ইউৰোপ, আফ্ৰিকা আৰু এছিয়াৰ অতীত ঘটনাৱলী, বিশেষকৈ ভাৰতবৰ্ষৰ হৈ যোৱা আৰু বৰ্ত্তমান চলি থকা ঘটনাৱলী ৱৰ্কিং কমিটীয়ে পৰ্য্যালোচনা কৰি চাইছে। ব্ৰিটেনে গণতন্ত্ৰ বা আত্ম-নিয়ন্ত্ৰণৰ হকে যে কিমান

কৰিব বা বৰ্ত্তমান চলি থকা যুদ্ধৰ সম্পৰ্কত ঘোষিত নীতি বাস্তৱত ৰূপায়িত কৰিছে বা কৰিব, ৱৰ্কিং কমিটীয়ে এই কথা এই পৰ্য্যালোচনাৰ পিছত বিশ্বাস কৰিবলৈ টান পায়। গণতন্ত্ৰৰ প্ৰতি থকা আস্থাৰ আচল পৰীক্ষা হ'ল সাম্ৰাজ্যবাদ আৰু ফেচিস্টবাদৰ অৱসান ঘটোৱাত, অকল সেয়ে নহয়, এই দুই মতবাদৰ পৰা অতীত আৰু বৰ্ত্তমানৰ উদ্ভৱ হোৱা আক্ৰমণৰ অন্ত পেলোৱাটোও গণতন্ত্ৰৰ প্ৰতি থকা বিশ্বাসৰ এটা সমানে গভীৰ পৰীক্ষা। এনে অৱস্থাৰ অনুকূলেহে এখন নতুন জগতৰ প্ৰতিষ্ঠা হ'ব। সেই নতুন জগত সমাজ ৰচনাৰ কাৰ্য্যত সম্ভৱপৰ সকলো উপায়েৰে সহায় কৰিবলৈ ৱৰ্কিং কমিটীৰ অসীম আগ্ৰহ। কিন্তু সাম্ৰাজ্যবাদী অভিসন্ধি প্ৰণোদিত এখন যুদ্ধত, যি যুদ্ধই ভাৰতবৰ্ষৰ আৰু জগতৰ অন্যান্য ঠাইত সাম্ৰাজ্যবাদৰ ভেটি নিকপকপীয়া হে কৰিব—সহযোগিতা আগবঢ়াবলৈ বা সেই যুদ্ধৰ উদ্দেশ্যে সাহায্য আগবঢ়াবলৈ ৱৰ্কিং কমিটী সম্পূৰ্ণ অপাৰগ।

১১। কিন্তু ৱৰ্কিং কমিটীয়ে পৰিস্থিতিৰ গভীৰতালৈ লক্ষ্য ৰাখিছে, আৰু যোৱা কেইদিনত ঘটা প্ৰায়বোৰ ঘটনাই যে মানুহৰ মনৰ গতিতকৈয়ো দ্ৰুততৰ গতিৰে আগবাঢ়িছে সেই কথাও উপলব্ধি কৰিছে। এই বিবেচনাৰ বাবেই কমিটীয়ে ততাতৈয়াকৈ কোনো শেষ সিদ্ধান্তলৈ আহিব খোজা নাই। বৰঞ্চ এই সঙ্কটত জড়িত সমস্যাৱলীৰ আমাৰ প্ৰকৃত লক্ষ্য, আৰু বৰ্ত্তমান মুহূৰ্ত্তত আৰু ভৱিষ্যতত ভাৰতৰ কৰ্ত্তব্য আৰু পৰিস্থিতি কেনে হ'ব—এইবোৰ বিষয়ক সম্যক অনুধাৱন হোৱালৈ বাট চাইছে। কিন্তু সিদ্ধান্ত গ্ৰহণ বেছি পিছুৱাই ৰাখিব নোৱাৰি, কাৰণ ভাৰতবৰ্ষক ভাৰতীয় জনসাধাৰণৰ কোনো-প্ৰকাৰ সহযোগ সমৰ্থন নথকা আৰু অনুমোদন নকৰা আদৰ্শ কিছুমানত দিনক দিনে জড়িত কৰি অনা হৈছে।

১২। গতিকে যি যুদ্ধত ব্ৰিটিছ চৰকাৰ অৱতীৰ্ণ হৈছে সেই যুদ্ধৰ লক্ষ্য কি—সেইকথা গণতন্ত্ৰ, সাম্ৰাজ্যবাদ আৰু পৰিকল্পিত নতুন সমাজ ব্যৱস্থা এই কেইটাৰ পৰিপ্ৰেক্ষিতত স্পষ্টকৈ জনাবলৈ ব্ৰিটিছ চৰকাৰলৈ ৱৰ্কিং কমিটীয়ে আহ্বান জনাইছে; বিশেষকৈ এই যুদ্ধৰ সম্পৰ্কত ব্ৰিটিছ চৰকাৰৰ যি লক্ষ্য আছে, সেই লক্ষ্য ভাৰতৰ বেলিকা কিদৰে প্ৰযোজ্য হ'ব, আৰু তাক সততে কিদৰে কাৰ্য্যকৰী কৰা হ'ব সেই কথা স্পষ্টকৈ জনোৱা দৰকাৰ। সাম্ৰাজ্যবাদৰ অপসাৰণ আৰু ভাৰতক সাৰ্ব্বভৌম স্বাধীন ৰাষ্ট্ৰ হিচাপে স্বীকৃতি-দান—এই দুয়োটা কথা তেওঁলোকৰ লক্ষ্যৰ অন্তৰ্গত হয় নে নহয়? সাম্ৰাজ্যবাদ আৰু

ফেচিস্টবাদৰ অন্ত পেলাবলৈ চৰকাৰ দৃঢ়-প্ৰতিজ্ঞ—এই মৰ্ম্মে ভবিষ্যতৰ কাৰ্য্যপন্থা স্পষ্টকৈ ঘোষণা কৰাটো জগতৰ সকলো দেশে বাঞ্ছা কৰে, কিন্তু ব্যাপক-ভাৱে কাৰ্য্যকৰী কৰিবলৈ যত্ন কৰাটোহে বিশেষ দৰকাৰী কথা, কাৰণ এনে কাৰ্য্যৰ দ্বাৰাহে বাইজক পতিয়ন নিয়াব পৰা যাব যে চৰকাৰে ঘোষিত নীতি সচাকৈয়ে কাৰ্য্যকৰী কৰিব। ঘোষণা বিশেষৰ আন্তৰিকতা প্ৰকাশ পায় সেই ঘোষণা কিমান দূৰ কাৰ্য্যকৰী কৰা হৈছে সেই কথাত, কাৰণ বৰ্ত্তমানৰ কাৰ্য্যাৱলীয়েহে—ভবিষ্যতৰ কাৰ্য্যক্ৰম নিৰ্দ্ধাৰণ কৰে।

১৩। ইউৰোপত মহাদেশ জুৰি যুদ্ধ বিয়পি পৰিছে, আৰু ইয়াৰ পৰিণাম কি হ'ব সেই কথা ভাবিলেই ভয় লাগে। কিন্তু যোৱা গোটেই-বছৰটো জুৰি আবিছিনিয়া, স্পেন আৰু চীনদেশৰ হাজাৰ হাজাৰ লোক যুদ্ধৰ বলি হৈছে। অগণন নিৰপৰাধ মুনিহ তিৰোতা আৰু লৰা ছোৱালী উন্মুক্ত নগৰীত বোমা দি মৰা হৈছে, নিদাৰুণ হত্যা, উৎপীড়ন আৰু অপমান এটাৰ পাছত এটাকৈ এই বিভীষিকাপূৰ্ণ বছৰ কেইটাত সংঘটিত হৈয়ে আছে। এই বিভীষিকা বৃদ্ধি পাই গৈছে, আৰু হিংসাত্মক কাৰ্য্যৰ ভাবুকিয়ে জগত ছানি পেলাইছে। এই বিভীষিকাৰ শীঘ্ৰে অন্ত নেপেলালে অতীত যুগৰ উত্তৰাধিকাৰ ৰূপে পোৱা সকলো সম্পদ চিৰদিনলৈ লোপ পাব। ইউৰোপত আৰু চীনত এই সন্ত্ৰাসৰ প্ৰতিৰোধ কৰিব লাগিব, কিন্তু ইয়াৰ ঘাই শিপা ফেচিস্টবাদ আৰু সাম্ৰাজ্যবাদ নিৰ্ম্মূল নকৰিলে এই সন্ত্ৰাসৰ বীজ নমৰে। ফেচিস্টবাদ আৰু সাম্ৰাজ্যবাদ নিৰ্ম্মূল কৰাত সম্পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ ৱৰ্কিং কমিটী প্ৰস্তুত। কিন্তু সাম্ৰাজ্যবাদী অভিসন্ধি পূৰণৰ বাবেই আৰু যি সামাজিক আৰু ৰাজনৈতিক বৈষম্য আজিৰ যুদ্ধৰ আৰু মানৱতাৰ লাঞ্ছনাৰ মূল কাৰণ সেই বৈষম্য স্থায়ী কৰিবৰ উদ্দেশ্যেই যদি এই ভীষণ যুদ্ধ চলাই যোৱা হয়, তেন্তে সি গভীৰ পৰিতাপৰ কথা হৈছে।

১৪। ৱৰ্কিং কমিটীয়ে এই কথা জনাই দিব খোজে যে ভাৰতীয় জনসাধাৰণৰ জাৰ্ম্মান বা জাপান বা অন্য কোনো দেশৰে অধিবাসীসকলৰ লগত বিবাদ নাই; কিন্তু যি যি ব্যৱস্থাই মানৱ স্বাধীনতা অস্বীকাৰ কৰে আৰু হিংসাত্মক আক্ৰমণৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠে সেই সেই ব্যৱস্থাৰ লগত ভাৰতবাসীৰ গভীৰ বিৰোধৰ মূল আছে। এটা জাতিয়ে অন্য এটা জাতিৰ ওপৰত বিজেতা হিচাপে প্ৰভুত্ব খটুৱাব, এই কথা ভাৰতীয় জনসাধাৰণৰ কাম্য নয়; চৰ্ত্তসাপেক্ষ শান্তিতো তেওঁলোকৰ আস্থা নাই। সকলো দেশৰে সকলো ৰাইজৰ মাজে

প্ৰকৃত আৰু কাৰ্য্যকৰী গণতান্ত্ৰিক ব্যৱস্থাৰ সৃষ্টি হোৱাই তেওঁলোকে আশা কৰে। হিংসা আৰু সাম্ৰাজ্যবাদী উৎপীড়নৰ দুঃস্বপ্নৰ পৰা মুক্ত জগত এখনহে তেওঁলোকৰ কাম্য।

১৫। এই সঙ্কটপূৰ্ণ মুহূৰ্ত্তত, সকলো ভিতৰুৱা বাদ বিসম্বাদ পৰিহাৰ কৰি এক জাতি হিচাপে মাৰ বান্ধি থাকি, লক্ষ্যস্থলত শান্ত অথচ অবিচলিত দৃঢ়ভাৱে প্ৰস্তুত থাকিবলৈ ভাৰতীয় বাইজলৈ ৱৰ্কিং কমিটীয়ে আহ্বান জনায়—লক্ষ্য হ'ল সমগ্ৰ জগতৰ স্বাধীনতাৰ বৃহত্তৰ পৰিপ্ৰেক্ষিতত ভাৰতৰ স্বাধীনতা অৰ্জন কৰা।

ৱাৰ্দ্ধা, ১৪ ৯ ১৯৩৯

ইস্তাহাৰখনৰ ওপৰত গান্ধীজীৰ মন্তব্য

জগতৰ এই সঙ্কটপূৰ্ণ পৰিস্থিতিৰ ওপৰত দিয়া বিবৃতিটো ৱৰ্কিং কমিটীয়ে চাৰিদিনৰ মূৰতহে প্ৰস্তুত কৰিব পাৰিলে। কমিটীৰ অনুৰোধ অনুসৰি, পণ্ডিত জৱহৰলাল নেহৰুৱে বিবৃতিটোৰ খচৰা তৈয়াৰ কৰিছিল, আৰু প্ৰতিজন সদস্যই তেওঁৰ মতামত মুকলিকৈ ব্যক্ত কৰিছিল। ব্ৰিটিছক যি সহায়কে দিয়া নহওক কিয়, তাক বিনাচৰ্ত্তে দিব লাগে এই বুলি মই মত প্ৰকাশ কৰিছিলোঁ, আৰু যেতিয়া দেখিলোঁ যে সেইদৰে ভবা মানুহ মই অকলেহে, তেতিয়া মোৰ বেয়া লাগিল। বিনাচৰ্ত্তে সাহায্য দিয়া কথাটো একান্তই অহিংসনীতিত ভিত্তি কৰিহে সম্ভৱপৰ হ'লহেতেন। কিন্তু কমিটীৰ এটা বিশেষ গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰিবলৈ আছিল। কমিটীয়ে একান্ত অহিংস দৃষ্টিভঙ্গী এটা গ্ৰহণ কৰিব নোৱাৰিলে। ৱৰ্কিং কমিটীৰ বিবেচনাৰে প্ৰতিপক্ষক শলঠেকত পেলাই সুবিধা আদায় নকৰাৰ সিদ্ধান্ত লবলৈ যি নৈতিক সাহসৰ প্ৰয়োজন, সেই সাহসৰ উৎস হ'ল অহিংস নীতি, কিন্তু তাৰ নো কি আদৰ্শ সেই কথা বাইজে কেতিয়াও হৃদয়ঙ্গম কৰিবই পৰা নাছিল। কিন্তু গৃহীত সিদ্ধান্ত কি কি কাৰণত গৃহীত হ'ল, সেই কথা জনাই দিয়াৰ পৰা এই কথা দেখ দেখকৈ ওলাই পৰে যে ৱৰ্কিং কমিটীয়ে ব্ৰিটিছ চৰকাৰৰ প্ৰতিয়েই আটাইতকৈ বেছি সহানুভূতি দেখুৱাইছে।

বিবৃতিটোৰ লিখকজন এজন কলাকাৰ। যি কোনো ধৰণৰ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে তেওঁৰ প্ৰতিবাদ ইমান তীব্ৰ আৰু অবিচলিত যে প্ৰতিবাদৰ তীব্ৰতাত তেওঁক আন কোনোবাই চেৰ পেলাব বুলি ভাবিব নোৱাৰি। তথাপি তেওঁ

ইংৰাজ সকলৰ এজন বন্ধু। সাজপাৰ আৰু চলন-ফুৰণত তেওঁক ভাৰতীয় সুবুলি ইংৰাজ বোলাহে যুগুত। প্ৰায়ে নিজৰ দেশৰ মানুহতকৈ ইংৰাজসকলৰ লগতহে তেওঁ বেছি সহজে হলি গলি কৰিব পাৰে। আৰু তেওঁ এজন মানব-কল্যাণবাদীও কাৰণ তেওঁ প্ৰতিটো অন্যায়ৰে প্ৰতিবাদ কৰে, তেহেলৈ সেই অন্যায় যেয়ে ঘ'তে নকৰক। এই অৰ্থত তেওঁক উগ্ৰ জাতীয়তাবাদী বুলিলেও এটা কথা আমি মনত ৰখা উচিত হ'ব যে তেওঁৰ জাতীয়তাবাদ বোধত সুস্থ আন্তৰ্জাতিকতাবাদৰ সংমিশ্ৰণ আছে। সেই বাবে এই বিবৃতিটো এখন ইস্তাহাৰৰ দৰে হৈছে আৰু লেখকৰ নিজৰ দেশবাসীক বা ব্ৰিটিছ চৰকাৰ বা ব্ৰিটিছ জনসাধাৰণক মনত ৰাখিয়ে যে ইয়াক লিখা হৈছে এনে নহয়, জগতৰ জাতিসমূহক সম্বোধি এই বিবৃতি দিয়া হৈছে, জগতৰ জতিসমূহ বোলোঁতে ভাৰতৰ দৰে শোষিত জাতিবোৰকো ধৰা হৈছে। ৱৰ্কিং কমিটীৰ যোগেদি তেওঁ ভাৰতবাসীক অকল নিজৰ স্বাধীনতাৰ কথাকে নাভাবি জগতৰ সকলো শোষিত দেশৰ স্বাধীনতাৰ কথা চিন্তা কৰিবলৈকে বাধ্য কৰিছে।

ৱৰ্কিং কমিটীত এই বিবৃতিটো গৃহীত হোৱাৰ লগতে কমিটীয়ে বিবৃতিটোৰ লিখকজনক সভাপতিৰূপে লৈ তেওঁৰে মনোনীত সভ্য কেইজনমানৰ লৈতে এখন বৰ্ড গঠন কৰি দিলে যাতে পৰিস্থিতিয়ে সময়ে সময়ে কি ঢাল লয় তালৈ লক্ষ্য ৰাখি তাৰ সম্মুখীন হ'ব পৰা যায়।

আশা কৰোঁ এই বিবৃতিটোৱে কংগ্ৰেছৰ অন্তৰ্গত সকলো দলৰে সম্পূৰ্ণ সমৰ্থন লাভ কৰিব। বিবৃতিটো এনেদৰে গ্ৰহণ কৰা হৈছে যে আটাইতকৈ শক্তিশালী দলটোৱেও বিবৃতিটোত শক্তি আৰু সাহসৰ অভাব দেখিবলৈ নাপাব। জাতিৰ ইতিহাসৰ এই সন্ধিক্ষণত কংগ্ৰেছৰ এই আত্মপ্ৰত্যয় থাকিব লাগিব যে পৰিস্থিতিৰ সম্মুখীন হ'ব লগাটো অৱশ্যম্ভাৱী হৈ পৰিলে শক্তি আৰু সাহসৰ অভাব নহ'ব। কংগ্ৰেছী লোকে ক্ষুদ্ৰ ক্ষুদ্ৰ কথা লৈ কাজিয়া কৰিবলৈ ললে বা দলগত ভেদাভেদত সোমাই পৰিলে বৰ পুতৌ লগা কথা হব। কংগ্ৰেছ ৱৰ্কিং কমিটীৰ কাৰ্য্যৰ পৰা কিবা বিৰাট বা মহৎ সাফল্য সম্ভৱ হ'ব লাগিলে, প্ৰতিজন কংগ্ৰেছী লোকৰ সমৰ্থন আৰু সন্দেহাতীত আনুগত্যৰ একান্তই প্ৰয়োজন। মই আৰু আশা কৰিছোঁ যে অন্যান্য ৰাজনৈতিক দলসমূহ আৰু সম্প্ৰদায়সমূহেও ৱৰ্কিং কমিটীৰ সুৰতে সুৰ মিলাই ব্ৰিটিছ চৰকাৰৰ পৰা তেওঁলোকক যুদ্ধ সম্বন্ধে কি মূলনীতি গ্ৰহণ কৰা হৈছে তাক জনাই দিয়াৰ স্পষ্ট দাবী তুলিব। আৰু এই দাবী সাব্যস্ত কৰিবৰ বাবে যুদ্ধকালীন অৱস্থাত সম্ভৱ সাপেক্ষে আন আন

বিধিব্যৱস্থাও গ্ৰহণ কৰিব। ব্ৰিটিছ চৰকাৰে যে গণতন্ত্ৰৰ দোহাই দি কথা কয়, তাৰ স্বাভাৱিক প্ৰমাণ পাব লাগিব ভাৰত আৰু সাম্ৰাজ্যবাদৰ কবলত থকা আন আন দেশবোৰক স্বাধীনতা আৰু সাৰ্ব্বভৌমত্ব দান কৰাতে। যদি যুদ্ধৰ উদ্দেশ্য ইয়াৰ পৰা পৃথক আৰু কম কিবা হয়, তেন্তে পৰাধীন দেশবোৰৰ সহযোগিতা স্বতঃপ্ৰণোদিত হ'ব নোৱাৰে। অৱশ্যে অহিংসাৰ মূলনীতিত থাকিলে কথা সুকীয়া।

ব্ৰিটেনৰ ৰাজনীতিজ্ঞসকলৰ মানসিক দৃষ্টিভঙ্গীৰ পৰিৱৰ্ত্তন এটা অহা উচিত আছিল। কথাষাৰ ইয়াতোকৈ সহজ কৰি কৰলৈ হ'লে কব লাগিব যে যুদ্ধৰ আগে আগে গণতন্ত্ৰত আস্থা প্ৰকাশ কৰি যি ঘোষণা কৰা হ'ল আৰু যি ঘোষণা এতিয়াও ব্ৰিটিছ মহলৰ পৰা মাজে মাজে কৰি থকা হৈছে সেই ঘোষণা অনুৰূপ কাৰ্য্যত প্ৰকাশ পাব লাগে। গ্ৰেট ব্ৰিটেনে কি বিচাৰে? অনিচ্ছুক ভাৰতবৰ্ষক যুদ্ধলৈ চোচোৰাই নিব খোজে নে প্ৰকৃত গণতন্ত্ৰ ৰক্ষাৰ কাৰ্য্যত ইচ্ছাকৃতভাৱে সহযোগ কৰা বা মিত্ৰশক্তি ৰূপে ভাৰতবৰ্ষক পাবলৈ বিচাৰে? ইংলণ্ড আৰু ফ্ৰান্সৰ বাবে কংগ্ৰেছৰ সমৰ্থন হ'ব সৰ্ব্বশ্ৰেষ্ঠ নৈতিক সম্পদ। কংগ্ৰেছে হিংসাৰ উপায়েৰে যুজ নকৰে। কৰে অহিংসা নীতিৰেহে, লাগিলে অহিংসাৰ আদৰ্শ যিমানেই দোষমুক্ত বা কঠোৰ নহওক।

সেৱাগ্ৰাম, ১৫ ৯ ১৯৩৯

হৰিজন ২৩-৯ ১৯৩৯

[৮৬]

এগৰাকী পোলেণ্ড ভগ্নীৰ মানসিক উৎকণ্ঠা

"এই সকলোবোৰ সত্ত্বেও আজি নিশাই জাহাজত উঠি ইৰাকৰ বাটেৰে আৰু তাৰ পাছত তুৰ্কিস্থান আৰু ৰুমানিয়াইদি পোলেণ্ডত উপস্থিত হ'বলৈ যত্ন কৰিম। অন্তৰৰ আহ্বান অদমনীয়। সৰ্ব্বসাধাৰণৰ দৃষ্টিত ই বলিয়ালি। এতিয়া মই মোৰ মাতৃ কিম্বা যি কোনো মুহূৰ্ত্তত নিজৰ প্ৰাণ আহুতি দিবলৈ প্ৰস্তুত হৈ যুদ্ধক্ষেত্ৰত অৱতীৰ্ণ হোৱা মোৰ বন্ধুসকলৰ কাৰণে নহয়—পোলেণ্ডৰ কাৰণেহে মই যাত্ৰা কৰিছোঁ। মোৰ বিশ্বাস দেশবোৰৰো আত্মা আছে। জাতিৰ আত্মা চিৰন্তন সত্তা। মোৰ কাৰণে ই কল্পনা বা অনুমান নহয়। উপস্থিত হৈ মোৰ প্ৰিয়সকলক নাপালেও মই পোলেণ্ডভূমিত পদাৰ্পণ কৰিব পাৰিলেই সন্তুষ্ট হম। দেশৰ আত্মা

আৰু কায়াই নিজক আহুতি দিবৰ কাৰণে এয়ে চৰম মুহূৰ্ত্ত। পোলেণ্ডে, ভাৰতবৰ্ষকে আদি কৰি সকলো দেশৰে ন্যায়, সত্য আৰু সকলো জাতিৰ স্বাধীনতাৰ কাৰণে ৰক্তপাত কৰিছে, কেৱল নিজৰ অধিকাৰৰ কাৰণে নহয়। মই সৰ্ব্বান্ত কৰণেৰে নিজকে হিন্দু আৰু 'ভাৰতীয় পোল' বুলি ভাবোঁ, জীৱনৰ শেষদিনলৈকে দুয়োখন মাতৃভূমিয়েই মোৰ অন্তৰত স্থান পাব। কিন্তু ৰক্তপাতেৰে জৰ্জ্জৰিত মোৰ মাতৃভূমিত উপস্থিত হৰলৈ যদি মই সম্ভাব্য সকলো চেষ্টা নকৰোঁ তেন্তে মই জীয়াই থাকিব নোৱাৰিম। মই যাত্ৰা পথৰ পৰা লিখিম, কিন্তু ৰণভূমি পোৱাৰ পাছত আৰু নিলিখোঁ। মই সদায় আপোনাৰ কথা ভাবিম আৰু যিমান পাৰোঁ মানসিক বাৰ্ত্তা প্ৰেৰণ কৰিম। বাপুজী, শত সহস্ৰ নিৰ্দ্দোষ পোলেণ্ডবাসীয়ে যি অবিশ্ৰান্ত দুখ যন্ত্ৰণা ভোগ কৰিছে, তেওঁলোকৰ কাৰণে আপোনাৰ মহান আৰু উদাৰ অন্তৰেৰে ঐকান্তিকভাবে ভগবানক প্ৰাৰ্থনা কৰিব। এই মুহূৰ্ত্তত তেওঁলোকৰ সহানুভূতি, আশীৰ্ব্বাদ আৰু মৰমিয়াল চিন্তাৰে আৱশ্যক।"

এগৰাকী পোলেণ্ড ভগ্নীয়ে বোম্বাই পোতাশ্ৰয়ৰ পৰা লিখা এইখন এখন চিঠি। মই তেওঁক কেইবাবছৰৰ পৰা চিনি পাওঁ। তেওঁ যিমান পোলেণ্ড জীয়ৰী, সিমানেই ভাৰতীয় হৈও পৰিছে। তেওঁ মগনৱাতীৰ মগন যাদুঘৰত কাম কৰিবলৈ সিদ্ধান্ত কৰিছিল। কিন্তু যুদ্ধৰ বাতৰিয়ে তেওঁক বিচলিত কৰিলে। পাৰ পত্ৰৰ অসুবিধাৰ কাৰণে তেওঁ পোলেণ্ডত থকা তেওঁৰ বৃদ্ধা মাতৃক লগত আনিব নোৱাৰিলে। যেতিয়া সচাকৈয়ে যুদ্ধ আৰম্ভ হ'ল, তেতিয়া তেওঁ মাকৰ সম্পৰ্কে একেবাৰে নীৰব হৈ পৰিল। কিন্তু তেওঁৰ আৱেগ-প্ৰৱণ স্বভাৱ বিনাদোষত আত্মীয় পৰিজনৰ জীৱন বিপদাপন্ন হোৱাৰ কাৰণে অস্থিৰ হৈ পৰিল। তেওঁ হাড়ে হিমজুৰে অহিংসনীতিত বিশ্বাসী। কিন্তু তেওঁৰ নিজৰ অহিংসনীতিয়েই তেওঁক অস্থিৰ কৰি তুলিলে। তেওঁৰ বিশ্বাসমতে, তেওঁৰ মাতৃভূমিৰ ওপৰত কৰা অন্যায়ৰ বিৰুদ্ধে তেওঁৰ সমগ্ৰ আত্মা বিদ্ৰোহী হৈ উঠিল। সেই কাৰণে কেৱল নিজৰ স্বাধীনতা ৰক্ষাৰ কাৰণে নহয়—নিজৰ স্বাধীনতা হেরুওৱা সমগ্ৰ দেশবোৰৰ কাৰণে শেষ পৰ্য্যন্ত যুদ্ধক্ষেত্ৰত অৱতীৰ্ণ হোৱা তেওঁৰ কল্পনাৰ দেশ পোলেণ্ডলৈ তেওঁ গৈছে। এই ক্ষেত্ৰত স্বভাৱতে তেওঁৰ ভালপোৱাৰ দ্বিতীয় স্থান অধিকাৰ কৰিছে ভাৰতবৰ্ষই। তেওঁৰ সপোন দিঠকত পৰিণত হওক। পোলেণ্ডৰ যদি অসীম বীৰত্ব আৰু সৰ্ব্বপৰ্য্যায়ৰ স্বাৰ্থ-ত্যাগ থাকে, তেনেহলে সেই দেশে যে হিংস-নীতিৰে আত্মৰক্ষা

কৰিছিল এই কথা ইতিহাসৰ বুকুত লুকাই যাব। পোলেণ্ডৰ হিংসানীতি অহিংস বুলি পৰিগণিত হ'ব।

সেৱাগ্ৰাম, ১৮-৯-৩৯

হৰিজন ২৩-৯-৩৯

[৮৭]

ভাৰতবৰ্ষ এখন সামৰিক দেশ নে ?

এই মাহৰ ৫ তাৰিখে ভাৰতৰ প্ৰতিৰক্ষা বিভাগৰ সৈন্যাধ্যক্ষই প্ৰচাৰ কৰা এক আমোদজনক অনাতাৰ ভাষণত তলত দিয়া অংশটোৱে ঠাই পাইছিল

"ভাৰতবৰ্ষ এখন সামৰিক দেশ, আৰু মই এজন সৈন্য। সেনাবাহিনী আধুনিক কৰণৰ ফলত বাহিনীৰ ওপৰত কি প্ৰতিক্ৰিয়া হব সেইবিষয়ে মোৰ ব্যক্তিগত মতামত প্ৰকাশ কৰিলে বোধকৰো ভুল কৰা নহব। ই মোৰ অনুমান নহয়, বৰং এই পৰ্য্যন্ত যি কৰা হল তাৰ ওপৰত ভিত্তি কৰি কোৱা কথাহে। নতুন বৈজ্ঞানিক অস্ত্ৰ শস্ত্ৰ আৰু আধুনিক যানবাহনে স্বভাৱতে নতুন ভাৱধাৰা আৰু দৃষ্টিভঙ্গীৰ সৃষ্টি কৰিব। আধুনিক কৰণে ভাৰতীয় সৈন্যৰ মাজত বৰ্ত্তমানে থকা উচ্চ শিক্ষাৰ মানত অধিক উত্তম যোগোৱাৰ সম্ভাৱনা আছে, আৰু যেতিয়া অৱসৰৰ পাছত প্ৰত্যেক সৈন্যই যন্ত্ৰপাতি আৰু মটৰ গাড়ীৰ বিষয়ে জ্ঞান আহৰণ কৰি ঘৰলৈ উভতিব তেতিয়া কৃষি আৰু জীৱন নিৰ্ব্বাহৰ কৌটিকলীয়া পদ্ধতিৰ ওপৰত স্পষ্ট প্ৰতিক্ৰিয়া হ'বৰ সম্ভাৱনা। সেইকাৰণে সৈন্যবাহিনীৰ আধুনিক কৰণে পৰোক্ষভাৱে ভাৰতীয় জীৱনৰ ওপৰত প্ৰতিক্ৰিয়া কৰিব। মোৰ শ্ৰোতা সকলৰ বহুতেই ঘোৰা এৰি দিয়াৰ কাৰণে দুখ কৰিব, কিন্তু কোনেও মোতকৈ অধিক দুখ কৰিব নোৱাৰে। কিন্তু সৈন্য হিচাপে আধুনিক ৰণক্ষেত্ৰত ঘোৰাৰ যি দুৰ্ভাগ্য হয় তাক মই জানো আৰু মানুহৰ এক পৰম বন্ধু এই ঘোৰা যুদ্ধৰ ত্ৰাসৰ পৰা ৰক্ষা পোৱাৰ কাৰণে মই আনন্দ কৰিছো।"

ভাৰতবৰ্ষ যে এখন সামৰিক দেশ—এই কথাত মই সম্পূৰ্ণভাৱে আৰু সশ্ৰদ্ধ মতভেদ প্ৰকাশ কৰিছো। মই ভগৱানক ধন্যবাদ দিওঁ যে ভাৰতবৰ্ষ সামৰিক দেশ নহয়। যদিহে সৈন্যাধ্যক্ষই বিশেষ অৰ্থত ইয়াক প্ৰয়োগ কৰিছে সেই কথা মই নাজানো। ভাৰতবৰ্ষ জানো কেৱল ভেওঁৰ অধীনত

থকা সামৰিক বাহিনীৰ দ্বাৰাই গঠিত? মোৰ মতে জাতি গঠনত সামৰিক বাহিনীৰ প্ৰাধান্য অতি তুচ্ছ। এই কথা দোহাৰিবৰ দৰকাৰ নাই যে সৈন্যবাহিনী আঁতৰাই নিলে জীৱন সদায় বিপদাপন্ন হ'ব। সৈন্যবাহিনী থকা সত্বেও জীৱন বিপদমুক্ত নহয়। অত্যাচাৰ, হত্যা, লুটপাট এতিয়াও হৈ আছে। সৈন্যবাহিনীয়ে এইবোৰৰ ক্ষেত্ৰত একো কৰিব পৰা নাই। দুষ্কাৰ্য্য সম্পন্ন হোৱাৰ পাছতহে তেওঁলোকে কামত হাত দিয়ে। কিন্তু সাহসী সৈন্যাধ্যক্ষই সকলো সৈনিকৰ দৃষ্টিৰে বিচাৰ কৰে। মই আৰু মোৰ লগত কোটি কোটি জনতা সামৰিক প্ৰভাৱেৰে প্ৰভাৱান্বিত হোৱা নাই। অতীতৰে পৰা ভাৰতত এটা সৈনিক জাতি আছে যাৰ সংখ্যা অতি নগণ্য। সেই জাতিৰ, ভাৰতীয় জাতিৰ লগত সম্পৰ্ক অতি ক্ষীণ। ভাৰত গঠনত তেওঁলোকৰ বৰঙণি কিমান এই কথা আলোচনা কৰা সময় এইটো নহয়। মই মোৰ সৰ্ব্বশক্তিৰে ইয়াকে মাথোন ক'ব খোজোঁ যে ভাৰতবৰ্ষ সামৰিক দেশ বুলি কোৱাটো সম্পূৰ্ণ ভুল। বিশ্বৰ সকলো জাতিৰ ভিতৰত ভাৰতবৰ্ষতেই সামৰিক প্ৰভাৱ অতি কম। যদিওবা এক চৰম মুহূৰ্ত্তত মানৱজাতিক ধ্বংসৰ মুখৰ পৰা ৰক্ষা কৰিবৰ কাৰণে অহিংসা নীতিয়েই একমাত্ৰ ৰক্ষা কৱচ বুলি কাৰ্য্যকৰী কমিটীক মই পতিয়ন নিয়াব পৰা নাই, তথাপি মই আশা পৰিত্যাগ কৰা নাই যে জনতাই যুদ্ধৰ নৰমেধ যজ্ঞৰ ওচৰত মূৰ নোদোঁৱাই নিজৰ ত্যাগৰ জৰিয়তে দেশৰ সন্মান ৰক্ষা কৰিব। পোলেণ্ডৰ নিঃসন্দেহ সামৰিক শৌৰ্য্যই কেনেকৈ জাৰ্মানি আৰু ৰুছিয়াৰ উন্নততৰ সামৰিক শক্তিৰ বিপক্ষে সহায় কৰিলে?

প্ৰতিশোধ নোলোৱাকৈ নিৰস্ত্ৰ পোলেণ্ডে মৃত্যু বৰণ কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হৈ এই যৌথ শক্তিৰ সন্মুখীন হোৱাহেতেন পৰিণাম ইয়াতকৈ বেয়া হলহেতেন নে? এইটো সম্পূৰ্ণ সম্ভৱ যে তেওঁলোকৰ প্ৰকৃতিয়ে নিৰ্দ্দোষ লোকক ধ্বংস কৰাত বাধা দিলেহেতেন।

বিশ্বৰ সকলো প্ৰতিষ্ঠানৰ ভিতৰত কংগ্ৰেছেই জীৱনৰ সত্যৰ উত্তম পথ, কিয়, একমাত্ৰ পথ প্ৰদৰ্শন কৰিবৰ কাৰণে অধিক যোগ্য অনুষ্ঠান। ভাৰতবৰ্ষই যদি বৰ্ত্তমান ৰক্তাৱগাহনৰ বিভীষিকাৰ পৰা উদ্ধাৰ হোৱাৰ বাট প্ৰদৰ্শন কৰিব নোৱাৰে তেন্তে এই অহিংসনীতিৰ অন্বেষণ বিফল হ'ব। যদি ভাৰতবৰ্ষই এই কথা প্ৰদৰ্শন কৰিব নোৱাৰে যে মনুষ্যত্বৰ মৰ্য্যাদা ৰক্ষাৰ কাৰণে ধ্বংসাত্মক শক্তিৰ প্ৰতিশোধ লবলৈ শক্তি সংগ্ৰহ কৰাতকৈ তাৰ প্ৰতিশোধ লবলৈ

অশান্তি হোৱাহে শ্ৰেয়, তেন্তে এই ধন আৰু জনৰ পাশবিক অপচয়ৰ ইয়াতেই অন্ত নপৰিব। মোৰ অকণমানো সন্দেহ নাই যে, যদি লাখ লাখ লোকক পাশবিক প্ৰবৃত্তিপূৰ্ণ হিংসাৰ শিক্ষা দিয়া সম্ভৱ, তেন্তে তেওঁলোকক মনুষ্যত্বৰ বিকাশ সাধন কৰিব পৰা অহিংস নীতিৰ প্ৰশিক্ষণ দান কৰাটো অধিক সম্ভৱ। যিয়েই নহওক, যদি সৈন্যাধ্যক্ষই প্ৰতিৰক্ষা বাহিনীৰ সিফালে দৃষ্টি নিক্ষেপ কৰে, তেন্তে তেওঁ আৱিষ্কাৰ কৰিব পাৰিব যে প্ৰকৃত ভাৰতবৰ্ষ সামৰিক নহয়—শান্তিপ্ৰিয়হে।

ভাৰতীয় সৈন্যই আধুনিক ধৰণে প্ৰশিক্ষণ লাভ কৰাৰ পাছত, মটৰ গাড়ীৰ বেগ মনত লৈ ঘৰলৈ ওভতাৰ সম্ভাৱনাৰ কথা মই নিতান্ত অস্বস্তিৰে চিন্তা নকৰা নহয়। দ্ৰুত গতিয়েই জীৱনৰ চৰম লক্ষ্য নহয়। মানুহে কৰ্ত্তব্য পথত বাটকুৰি বাই গলেহে অধিক দেখিবলৈ পায় আৰু অধিক সততাৰে জীয়াই থাকে।

চিমলালৈ যাওঁতে ৰেলত, ২৫ ৯ ৩৯

হৰিজন ৩ ৯ ১৯৩৯

[৮৮]

সাধৰ

এজন প্ৰখ্যাত কংগ্ৰেছকৰ্ম্মীয়ে এইদৰে সুধিছিল

১। অহিংস নীতিৰে সৈতে সঙ্গতি ৰাখি বৰ্ত্তমান যুদ্ধ সম্পৰ্কে আপোনাৰ ব্যক্তিগত অভিমত কি?

২। যোৱা যুদ্ধ সম্পৰ্কে আপোনাৰ যি অভিমত আছিল এতিয়াও সেই একেই নে বেলেগ?

৩। বৰ্ত্তমান সঙ্কটত হিংসাৰ ওপৰত প্ৰতিষ্ঠিত নীতি গ্ৰহণ কৰা কংগ্ৰেছৰ লগত আপুনি নিজে অহিংস হৈ কেনেকৈ সক্ৰিয় সহযোগ কৰিব বা কেনেকৈ কংগ্ৰেছক সহায় কৰিব পাৰে?

৪। অহিংস নীতিৰ ওপৰত প্ৰতিষ্ঠিত কি নিৰ্দ্দিষ্ট উপায়েৰে আপুনি বৰ্ত্তমান যুদ্ধ প্ৰতিৰোধ কৰিব বা তাৰ বিৰোধিতা কৰিব?

এই প্ৰশ্নবোৰ, মোক সঙ্গতিবিহীন যেন দেখা বা বুজিব নোৱাৰা বন্ধুৰ দীঘলীয়া আপত্তিসূচক এখন চিঠিৰ সাৰমৰ্ম। দুয়োটাই পুৰণা অভিযোগ—

অভিযোগকাৰীৰ পক্ষৰ পৰা সম্পূৰ্ণ ন্যায়সঙ্গত কিন্তু মোৰ নিজৰ পক্ষৰ পৰা সমূলি ন্যায়সঙ্গত নহয়। গতিকেই মোৰ অভিযোগকাৰীসকল আৰু মই বিভিন্ন মত প্ৰকাশ কৰাত একমত। এইখিনি কলেই মোৰ কাৰণে যথেষ্ট। অতীতত মই কি কৈছিলোঁ, লিখাৰ সময়ত মই তাক মনত নেপেলাওঁ। এটা নিৰ্দ্দিষ্ট প্ৰশ্নৰ বিষয়ে অতীতত মই কি কৈছিলোঁ তাৰ লগত সামঞ্জস্য ৰখাটো মোৰ লক্ষ্য নহয়, মোৰ লক্ষ্য হ'ল এটা নিৰ্দ্দিষ্ট মুহূৰ্ত্তত দেখা দিয়া প্ৰশ্নৰ লগত সত্যৰ সামঞ্জস্য ৰখাটোহে। ইয়াৰ ফলত মই সত্যৰ পৰা সত্যলৈ আগবাঢ়িছোঁ, মোৰ স্মৃতিশক্তিক অযথা ভাৰাক্ৰান্ত কৰাৰ পৰা অব্যাহতি দিছোঁ—তাতোকৈ ডাঙৰ কথা যেতিয়া মই পঞ্চাশ বছৰ পূৰ্ব্বে লিখাৰ লগত বৰ্ত্তমানৰ লিখা কথা ৰিজাই চাওঁ তেতিয়া দুয়োটাৰ মাজত কোনো অসামঞ্জস্য বা বিসঙ্গতি দেখা নাপাওঁ। বিসঙ্গতি দেখা বন্ধুসকলে মোৰ বৰ্ত্তমান লিখনিয়ে প্ৰকাশ কৰা অৰ্থ গ্ৰহণ কৰাই শ্ৰেয়, অৱশ্যে যদিহে তেওঁলোকে পূৰ্ব্বৰ লিখনি অধিক গ্ৰহণীয় বুলি নাভাবে। কিন্তু কোনটো গ্ৰহণীয় তাক নিৰ্ব্বাচন কৰাৰ পূৰ্ব্বে তেওঁলোকে আপাতত বিসঙ্গতিপূৰ্ণ যেন দেখা দুটা কথাৰ মাজত কিবা অন্তৰ্নিহিত আৰু চিৰন্তন সঙ্গতি আছে নে নাই তাক চাবলৈ যত্ন কৰা উচিত।

মোৰ দুৰ্ব্বোধ্যতা সম্পৰ্কে মোৰ বন্ধু বান্ধৱক ইয়াকে আশ্বাস দিব পাৰোঁ যে, উচিত বুলি ভবা কোনো চিন্তাধাৰাক কেতিয়াও মই দমন কৰিবলৈ যত্ন নকৰোঁ। সংক্ষিপ্ত হবলৈ ইচ্ছা কৰাৰ কাৰণে কেতিয়াবা তেনে হয় আৰু কেতিয়াবা মোৰ মতামত বিচৰা বিষয় সম্বন্ধে নিজৰ অজ্ঞতাৰ কাৰণেও তেনে হৈ উঠে।

দৃষ্টান্ত স্বৰূপে আমাৰ মনোভাৱৰ কোনো গোপনতা নথকা এজন বন্ধুৱে খণ্ডতকৈয়ো মনৰ দুখতহে মোলৈ এনেকৈ লিখিছিল

'ভাৰতবৰ্ষ এখন ৰণাঙ্গনত পৰিণত হোৱাৰ সম্ভাৱনা নথকা নোহোৱা সময়ত গান্ধীজীয়ে তেওঁৰ দেশবাসীক শত্ৰুৰ তৰোৱালৰ সন্মুখত বুকু উদঙাই দিবলৈ উপদেশ দিব নে? কিছু সময়ৰ আগলৈকে তেওঁ তাকে কৰিব বুলি নিশ্চিতভাবে কব পাৰিলোঁহেতেন, কিন্তু এতিয়া মই নিশ্চিত নহয়।'

মই তেওঁক ইয়াকে ভাৰসা দিব পাৰোঁ যে, মোৰ শেহতীয়া লিখনি সত্বেও তেওঁ এই বিশ্বাস পোষণ কৰিব পাৰে যে মই চেক আৰু আবিছিনিয়াবাসীক দিয়াৰ দৰে কিবা মই পূৰ্ব্বতে যি উপদেশ দিম বুলি তেওঁ আশা কৰিছিল এতিয়াও মই সেই উপদেশকেই দিম। মোৰ অহিংসনীতি কঠিন পদাৰ্থেৰে

গঠিত। ই বৈজ্ঞানিকসকলে চিনি পোৱা কঠিন ধাতুতকৈয়ো অধিক কঠিন। তথাপি কিন্তু, মই অতি দুখেৰে এই কথাৰ প্ৰতি সচেতন যে এতিয়াও ই স্বাভাৱিক কাঠিন্য লাভ কৰিব পৰা নাই। তেনে হোৱাহেতেন মই নিজেই অসহায়ভাৱে দেখি থকা অনেক স্থানীয় হিংসকাৰ্য্য হাতত লবলৈ পৰমেশ্বৰে মোক পথৰ সন্ধান দিলেহেতেন। গৰ্ব্বৰ ভাৱত এই কথা কোৱা নাই, বৰং বিশুদ্ধ অহিংস নীতিৰ স্পষ্ট জ্ঞান থকাৰ কাৰণেহে এনেকৈ কৈছোঁ। মোৰ দুৰ্ব্বলতা বা সীমাবদ্ধতাৰ কাৰণে অহিংস নীতিক অসম্মান কৰাৰ ক্ষমতা মোৰ নাই।

উল্লিখিত প্ৰশ্নবোৰৰ উত্তৰ স্বৰূপে কেইশাৰীমান—

১। এই যুদ্ধখনৰ প্ৰতি মোৰ ব্যক্তিগত প্ৰতিক্ৰিয়া হৈছে পূৰ্ব্বতকৈয়ো অধিক এক বিভীষিকা। বৰ্ত্তমানৰ দৰে মই কেতিয়াও ইমান বিষণ্ণ হোৱা নাছিলোঁ। কিন্তু এই ভীষণ বিভীষিকাই, যোৱা যুদ্ধৰ সময়ত হোৱাৰ দৰে স্বেচ্ছাকৃতভাৱে সৈন্য-সংগ্ৰহকাৰী চাৰ্জ্জেণ্ট হোৱাৰ পৰা মোক বিৰত ৰাখিব। তথাপি, এইটো বিস্ময়কৰ হব পাৰে যে, মোৰ সম্পূৰ্ণ সহানুভূতি মিত্ৰশক্তিৰ কাৰণেহে। ইচ্ছাপূৰ্ব্বকেই হওক বা অনিচ্ছাপূৰ্ব্বকেই হওক এই যুদ্ধ হেৰ হিটলাৰে দিয়া ৰূপৰ একনায়কত্ববাদী আৰু পাশ্চাত্য দেশসমূহে ৰূপ দিয়া গণতন্ত্ৰৰ মাজত অনুষ্ঠিত হৈছে। যদিও ইয়াত ৰুছিয়াৰ ভূমিকা দুঃখজনক, তথাপি আমি আশা কৰোঁ যে এই অস্বাভাৱিক যোগাযোগৰ ফল স্বৰূপে অনীপ্সিত আৰু কোনেও ভৱিষ্যৎবাণী কৰিব নোৱাৰা বিধৰ এক সুখদায়ক মিলন যেন সম্ভৱ হব। যদি মিত্ৰশক্তিৰ মনোবল নষ্ট নহয়—যিটো এতিয়াও সামান্য ভাৱেও পৰিলক্ষিত হোৱা নাই—তেন্তে এই যুদ্ধই ভৱিষ্যতে যুদ্ধ নোহোৱা কৰিব, অন্ততঃ আমি বৰ্ত্তমানে দেখা ইয়াৰ মাৰাত্মক ৰূপ ভৱিষ্যতে ধ্বংস কৰিব। মই আশা পোষণ কৰিছোঁ যে আভ্যন্তৰীণ বিভেদেৰে জৰ্জ্জৰিত যদিও ভাৰতবৰ্ষই বৰ্ত্তমানতকৈও অধিক বিশুদ্ধ গণতন্ত্ৰ স্থাপনৰ কাৰণে অৰিহণা যোগাব। বিশ্বত অনুষ্ঠিত হোৱা এই দুঃখজনক ঘটনাৰ প্ৰতি কাৰ্য্যকৰী কমিটীয়ে কেনে মনোভাৱ লয় তাৰ ওপৰত অৱশ্যে সকলো কথা নিৰ্ভৰ কৰিছে। এই নাটকৰ আমি একে সময়তে ভাৱৰীয়া আৰু দৰ্শকো। মোৰ পথ পৰিষ্কাৰ। কাৰ্য্যকৰী কমিটীৰ পথ প্ৰদৰ্শক হিচাপেই হওক, বা চৰকাৰে যদি একে কথা কোৱাত বেয়া নাপায়, তেন্তে তেওঁলোকৰ পথ প্ৰদৰ্শক হিচাপেই হওক মই, পথ লাগে যিয়ানেই মণিব নোৱাৰা হওক উভয় পক্ষকেই বা যি

কোনো এক পক্ষক অহিংস নীতি অবলম্বন কৰিবলৈ কম। এইটো অন্যন্তে পৰিকাৰ কথা যে কোনো পক্ষকে মই বাধ্য কৰিব নোৱাৰোঁ। মই মাত্ৰ এই মুহূৰ্তত ভগৱানে দিয়া শক্তিৰে মোৰ বুদ্ধি আৰু চিত্ত প্ৰয়োগ কৰিব পাৰোঁ।

২। মই ভাবোঁ প্ৰথম প্ৰশ্নৰ উত্তৰেই দ্বিতীয় প্ৰশ্নটোও সামৰিছে।

৩। অহিংসাৰ দৰেই হিংসা-নীতিৰো মাত্ৰা আছে। কাৰ্য্যকৰী কমিটীয়ে স্বইচ্ছাই অহিংস নীতিৰ পৰা আঁতৰি যোৱা নাই। এই কমিটীয়ে সবলভাবে অহিংস নীতিৰ প্ৰকৃত তাৎপৰ্য্য গ্ৰহণ কৰিব পৰা নাই। কাৰ্য্যকৰী কমিটীৰ ধাৰণা যে অলেখ কংগ্ৰেছ কৰ্মীয়ে এই কথা পৰিকাৰকৈ বুজা নাই যে বহিঃশত্ৰুৰ আক্ৰমণৰ সময়তো তেওঁলোকে অহিংসনীতিৰে নিজৰ দেশ ৰক্ষা কৰিব লাগিব। তেওঁলোকে মূঠতে ইয়াকেই বুজিছে যে তেওঁলোকে কেৱল ব্ৰিটিছ চৰকাৰৰ বিপক্ষে অহিংস হৈ থাকি কৃতকাৰ্য্যতাৰে যুজ দিব পাৰিব। অন্য ক্ষেত্ৰত অহিংস নীতি ব্যৱহাৰ কৰিবৰ কাৰণে কংগ্ৰেছ কৰ্মীসকলে কোনো প্ৰশিক্ষণ পোৱা নাই। উদাহৰণ স্বৰূপে তেওঁলোকে গুণ্ডামি, উচ্ছৃংখলতা আৰু সাম্প্ৰদায়িক সংঘৰ্ষৰ বিপক্ষে কৃতকাৰ্য্যতাৰে অহিংস নীতিৰ প্ৰয়োগ কৰাৰ পদ্ধতি বিচাৰি উলিয়াব পৰা নাই। মোৰ এই যুক্তি প্ৰকৃত অভিজ্ঞতাৰ ওপৰত প্ৰতিষ্ঠিত কাৰণেই মোৰ যুক্তি নিশ্চিত। প্ৰসাৰিত ক্ষেত্ৰৰ অনুশীলনত অহিংস-নীতি ব্যৱহাৰ কৰিব নোৱাৰাৰ কাৰণে মই যদি মোৰ সহকৰ্মীসকলক ত্যাগ কৰোঁ, তেনেহলে মই নিজেই অহিংস নীতিৰ সেৱা কৰা নহব। মই সেই কাৰণে এই বিশ্বাসেৰেই তেওঁলোকৰ লগত সহযোগ কৰি থাকিম যে তেওঁলোক অতি সীমিত ক্ষেত্ৰৰ বাবে আৰু অতি কম সময়ৰ বাবেহে অহিংস নীতিৰ পৰা আঁতৰি গৈছে।

৪। লজাই-পৰাই ৰখা কোনো নিৰ্দ্দিষ্ট আঁচনি মোৰ হাতত নাই। মোৰ কাৰণেও ই এখন নতুন ক্ষেত্ৰ। মাত্ৰ উপায় বা সাধন সম্পৰ্কে মোৰ কোনো বাছনিৰ কথা নাই। কাৰ্য্যকৰী কমিটীৰ সভ্যসকলৰ লগতেই পৰামৰ্শ কৰোঁ নাইবা ভাইচৰয়ৰ লগতে আলোচনা কৰোঁ, উপায় সদায় সম্পূৰ্ণ অহিংস হব লাগিব। সেই কাৰণে মই যি কৰি আছোঁ সিয়েই মোৰ এটা নিৰ্দ্দিষ্ট আঁচনি। নিতৌ ন ন কথা মনত জাগে আৰু সেইদৰেই মোৰ পৰিকল্পনা চলি আহিছে। ১৯২০ চনত কলিকতাত অনুষ্ঠিত হোৱা সৰ্বভাৰতীয় কংগ্ৰেছ মহাসভাৰ ২৪ ঘণ্টাভকৈয়ো কম সময়ৰ আগতেহে বিখ্যাত অসহযোগৰ প্ৰস্তাৱ মোৰ মনত

খেলাইছিল আৰু সেই প্ৰস্তাব কংগ্ৰেছ সভাত মই দাঙি ধৰিছিলোঁ। সেই একে ভাবেই ডাণ্ডি যাত্ৰাৰ কথাও মনত খেলাইছিল। ১৯০৬ চনত জোহানচ বাৰ্গত এছিয়াবাসীসকলৰ বিৰুদ্ধে লোৱা কাৰ্য্য ব্যৱস্থাৰ লগত যুঁজিবলৈ অনুষ্ঠিত হোৱা সভাত প্ৰথমে তেতিয়া 'নিষ্ক্ৰিয় প্ৰতিৰোধ' ৰূপে জনাজাত 'বেসামৰিক প্ৰতিৰোধৰ' বুনিয়াদ ৰচনা হৈছিল। মই কোনো পূৰ্ব্বপৰিকল্পিত প্ৰস্তাব লৈ সভালৈ যোৱা নাছিলোঁ। সভাস্থলীতেই ইয়াৰ জন্ম হৈছিল। এই সৃষ্টি এতিয়াও সম্প্ৰসাৰিত হৈ আছে। যদি পৰমেশ্বৰে মোক সকলো শক্তি দান কৰিলেহেতেন (যিটো তেওঁ কেতিয়াও নকৰে); মই তৎক্ষনাৎ ইংৰাজসকলক অস্ত্ৰ সম্বৰণ কৰিবলৈ কলোঁহেতেন আৰু তেওঁলোকৰ অধীনত থকা সকলো লোকক মুক্ত কৰি দি 'ক্ষুদ্ৰ ইংলণ্ডবাসী' বুলি গৌৰৱ কৰিবলৈ কলোঁহেতেন আৰু একনায়কত্ববাদীসকলে পৃথিবীত কৰি থকা সম্ভৱপৰ সকলো অন্যায়ৰ বিৰুদ্ধে ফেৰ পাতি উঠিবলৈ উপদেশ দিলোঁহেতেন। তেতিয়া ইংৰাজসকল প্ৰতিৰোধ নকৰাকৈ মৰিলহেতেন, কিন্তু অহিংস নীতিৰ বীৰ স্বৰূপে তেওঁ লোকৰ নাম ইতিহাসত লিখা থাকিলহেতেন। সত্যৰ কাৰণে দিয়া জীৱন আহুতিত তেতিয়া মই ইংৰাজসকলৰ লগত ভাৰতবাসীক সহযোগ কৰিবলৈ আহ্বান জনালোঁহেতেন। তেতিয়া ভাৰতবাসীৰ শত্ৰু বুলি পৰিগণিত হোৱাৰ পৰিবৰ্ত্তে ইংৰাজসকলৰ লগত ভাৰতবাসীৰ শোনিতেৰে লিখা অভিন্ন অংশীদাৰ হ'লহেতেন। কিন্তু মোৰ তেনে অসাধাৰণ শক্তি নাই। অহিংস নীতি মন্থৰ গতিত বঢ়া এটা পুলি। ই অনুভৱ কৰিব নোৱাৰাকৈ নিশ্চিত ভাৱে বাঢ়ে। মোৰ ওপৰত ভুল ধাৰণা হব বুলি সন্দেহ থকা সত্বেও মই ক্ষীণ ঐশ্বৰিক স্বৰৰ আহ্বানলৈ আনুগত্য জনাই মোৰ কাম কৰি যাব লাগিব।

বেলেৰে চিমলালৈ যোৱা পথত, ২৫ ৯ ৩৯

হৰিজন—৩ ৯-৩৯

[৮৯]

ভাৰতৰ মনোভাব

নিৰ্ব্বোধ যুদ্ধখন আৰম্ভ হোৱাৰ ঠিক আগতে, ২৭ আগষ্ট তাৰিখে শ্ৰীমতী কমলাদেৱী চট্টোপাধ্যায়ে মোলৈ জাপত দিয়াৰ হবে লিখিছিল '

'বৰ্ত্তমান পৰিস্থিতি সম্পৰ্কে ভাৰতবৰ্ষ আৰু প্ৰাচ্যৰ নিপেষিত জাতি-

সমূহৰ মনোভাব প্ৰকাশ কৰিবলৈ 'বোম্বে ক্ৰনিকোল' কাকতৰ জৰিয়তে আপোনাক অনুৰোধ জনাইছোঁ। এই সাম্ৰাজ্যবাদী ৰণৰ লগত ভাৰতবৰ্ষৰ কোনো সম্পৰ্ক নাই বুলি আগৰ পুৰণি কথাষাৰৰ পুনৰুক্তি হই বিচৰা নাই। তাতোকৈ অধিক কিবা এটা কৰাৰ প্ৰয়োজন বুলি ভাবিছোঁ। প্ৰধানকৈ প্ৰভাৱ বিস্তাৰৰ অঞ্চল বুলি শিষ্ট ভাষাত কোৱা হলেও— উপনিবেশৰ কাৰণে কৰা হেতা ওপৰাক কেন্দ্ৰ কৰিয়েই বৰ্ত্তমান সংঘৰ্ষৰ জন্ম। বিশ্বই ভাবে যে এই প্ৰশ্ন সম্পৰ্কে মাত্ৰ দুটা মতহে আছে, আৰু এই দুটা মতৰ কথাই শুনি অহা হৈছে। এটা মতে স্থিতাৱস্থাৰ সংৰক্ষণত বিশ্বাস কৰে, আনটো মতে একে ভিত্তিতে পৰিবৰ্ত্তন কামনা কৰে। আন কথাত কবলৈ হলে দ্বিতীয়টোৰ মতে লুণ্ঠিত সম্পদ আৰু নিষ্পেষণৰ অধিকাৰৰ পুনৰ্বণ্টন হব লাগে—যাৰ অৰ্থই হৈছে অৱশ্যে যুদ্ধ। এইটো স্বাভাবিক যে সশস্ত্ৰ সংগ্ৰাম বিনে এনে পুনৰ্বণ্টন কেতিয়াও হব নোৱাৰে। যুদ্ধৰ অন্তত অৱশ্যে ভোগ কৰিবলৈ কোনোবা জীৱিত থাকিব নে নাথাকে কিম্বা ভোগ্যবস্তুৰ কিবা বাকী ৰব নে নৰয় সেইটো বেলেগ কথা। কিন্তু পৃথিবী প্ৰধানকৈ এই দুই মততে বিদীৰ্ণ হৈছে। এক পক্ষৰ মত গ্ৰহণ কৰিলে দ্বিতীয় পক্ষৰ মতো গ্ৰহণ কৰিবলৈ বাধ্য। যদি ইংলণ্ড আৰু ফ্ৰান্সে বৃহৎ জাতিসমূহৰ বহলাংশ শাসন কৰিবৰ অধিকাৰ আছে, তেন্তে জাৰ্ম্মানি আৰু ইটালিৰো সমান অধিকাৰ আছে। হিটলাৰক বাধা প্ৰদান কৰিবৰ কাৰণে প্ৰথম দুখন দেশৰ কোনো নৈতিক অধিকাৰ নাই। তেওঁৰো (হিটলাৰৰো) নৈতিক যুক্তি আছে কিয়নো তেওঁ তেওঁৰ দাবী যুক্তিসংগত বুলি ভাবিছে।

পৃথিবীত এনে এটা তৃতীয় দৃষ্টিভঙ্গী বা মতামত আছে এই কথা কোনেও ভবা নাই, কিয়নো এই মত কাচিৎহে শুনা যায়। এই মতটোও প্ৰকাশ পোৱা নিতান্ত আৱশ্যক। সি হৈছে মাত্ৰ এই খেলৰ বন্ধকী বস্তুৰ দৰে হোৱা জনতাৰ কণ্ঠস্বৰ। ডানজিগ বা পোলেণ্ডৰ 'কৰিডৰ' এই বিবাদৰ কাৰণ নহয়। ইয়াৰ কাৰণ হৈছে এটা নীতি যিটোৰ ওপৰত সদৌ পাশ্চাত্য জগতৰ বৰ্ত্তমান সভ্যতা প্ৰতিষ্ঠিত হৈছে। সেয়ে হৈছে দুৰ্ব্বলক শাসন আৰু নিষ্পেষণ কৰিবৰ কাৰণে সবলৰ অধিকাৰ। গতিকে উপনিবেশবাদক কেন্দ্ৰ কৰিয়েই এই প্ৰশ্ন উঠিছে। হিটলাৰ আৰু মুছোলিনিয়ে বিশ্বক এই কথা বাৰে বাৰে সোঁৱৰাই দিবলৈ কেতিয়াও এৰি দিয়া নাই। সেই কাৰণে 'সাম্ৰাজ্য বিপদাপন্ন' বুলি ইংলণ্ডই ধ্বনি তুলিছে। এই প্ৰশ্নৰ লগত সেই কাৰণেই আমি ঘনিষ্ঠভাবে জড়িত।

আমি স্থিতাৱস্থাৰ বিৰোধী। আমি ইয়াৰ পৰিবৰ্ত্তন বিচাৰোঁ কাৰণেই

তাৰ বিৰোধিতা কৰিছোঁ। কিন্তু আমাৰ বিকল্প পথ সমৰ নহয়, কিয়নো তাত সমস্তাৰ প্ৰকৃত সমাধান নাই। আমি মাথোন এটা বিকল্প পথৰ সন্ধান দিব পাৰোঁ যিটো ভবিষ্যতে বিশ্বশান্তিৰ চাবি কাঠি হব আৰু যিটোৱে এই ভয়ানক বলিয়ালিৰ সমাধান দাঙি ধৰিব। তাকেই মই বিশ্ববাসীৰ আগত দাঙি ধৰাটো বাঞ্ছা কৰো। সি বৰ্ত্তমান সময়ত অৰণ্য ৰোদন যেন লাগিব পাৰে, তথাপি আমি জানো যে এহ বাণীয়েই অৱশেষত প্ৰাধান্য লাভ কৰিব আৰু বৰ্ত্তমুক্তিৰ আগত ক্ষীণ যেন লাগিলেও এই শক্তিয়েই ছিন্ন ভিন্ন মানৱসমাজক পুনৰ্গঠন কৰিব।

এই বাণী প্ৰচাৰ কৰিবলৈ আপুনিয়েই নি সন্দেহে যোগ্য ব্যক্তি। মই ভবামতে পৃথিবীৰ উপনিবেশবোৰৰ ভিতৰত ভাৰতৰ এটা বিশিষ্ট স্থান আছে। বহুত উপনিবেশৰ নথকা নৈতিক প্ৰতিষ্ঠা আৰু সংগঠিত শক্তি ভাৰতৰ আছে। অন্যবোৰে নানান বিষয়ত ভাৰতবৰ্ষই নেতৃত্ব দিব বুলি আশা কৰে। ভাৰতবৰ্ষই ইতিমধ্যে বিশ্ববাসীক এক উচ্চতৰ সংগ্ৰামৰ পদ্ধতি দেখুৱালে আৰু ইয়াৰ নৈতিক মূল্যায়ন কৰি বিশ্ববাসীয়ে ভবিষ্যতে এদিন স্বীকাৰ কৰিবলৈ বাধ্য হব। ৰক্তাক্ত পৃথিবীক সামৰিক বিপৰ্য্যয়ৰ পৰা ৰক্ষা কৰি শান্তি স্থাপন কৰিবলৈ বিপদগামী উন্মাদ পৃথিবীক ভাৰতবৰ্ষই কব লাগিব যে, পৃথিবীত আৰু এক পথ আছে যি পথেদি মানৱ সমাজ আগবাঢ়িব লাগিব। যিসকলে বৰ্ত্তমান নীতিৰ ফলত যাতনা ভোগ কৰিছে আৰু যি তাৰ পৰিবৰ্ত্তনৰ কাৰণে সাহসেৰে যুঁজিছে তেওঁলোকৰ নিজৰ কাৰণেই নহয়—বিশ্বৰ সকলো নিষ্পেষিত জাতিৰ কাৰণে এই কথা কব পাৰে।"

মই দুঃখিত যে 'বম্বে ক্ৰনিকোলত' প্ৰকাশ পোৱা শ্ৰীমতী কমলাদেৱীৰ চিঠি মই দেখা নাই। সকলো চেষ্টা কৰা সত্বেও মই সকলো বাতৰিকাকত পঢ়ি তাৰ প্ৰতি সম্যক বিচাৰ কৰা নাই। সময়ৰ অভাৱত চিঠিখন মোৰ ফাইলত পৰি আছিল। মই ভাৱো পলম হোৱা কাৰণে তেওঁৰ চিঠিৰ বিষয় বস্তুৰ অনিষ্ট সাধন হোৱা নাই। ভাৰতবৰ্ষৰ মনোভাব কেনে হোৱা উচিত এই কথা প্ৰকাশ কৰিবৰ কাৰণে সম্ভৱ হয়েই সম্পূৰ্ণভাবে মনোবিজ্ঞান সম্মত মুহূৰ্ত্ত। যুদ্ধৰতী দুয়োপক্ষৰ অভিপ্ৰায় সম্পৰ্কে কমলাদেৱীয়ে দিয়া ব্যাখ্যাৰ লগত মই একমত। উভয় পক্ষই তেওঁলোকৰ নিজৰ অস্তিত্ব আৰু নিজৰ নীতি সম্প্ৰসাৰণৰ কাৰণে যুদ্ধ কৰিছে। দুয়োটাৰ ভিতৰত অৱশ্যে এক বিৰাট পাৰ্থক্য আছে। মিত্ৰ পক্ষৰ ঘোষণা অসম্পূৰ্ণ আৰু দ্ব্যৰ্থক হলেও গণতন্ত্ৰক ৰক্ষা কৰিবৰ কাৰণে যুদ্ধত প্ৰবৃত্ত হোৱা বুলিয়েই বিশ্বই অৰ্থ কৰা যেন দেখা গৈছে। হেৰ হিটলাৰে

জাৰ্ম্মানিৰ সীমা সম্প্ৰসাৰণ কৰিবলৈ যুদ্ধত প্ৰবৃত্ত হৈছে। তেওঁক অৱশ্যে তেওঁৰ দাবী এক নিৰপেক্ষ বিচাৰালয়ত বিচাৰ কৰিবৰ কাৰণে পেছ কৰিবলৈ কোৱা হৈছিল। তেওঁ সগৰ্ব্বে শান্তিপূৰ্ণ সমাধানৰ পথ বৰ্জ্জন কৰি তৰোৱাল তুলি ললে। সেই কাৰণেই মোৰ সহানুভূতি মিত্ৰশক্তিৰ পক্ষে। কিন্তু মোৰ সহানুভূতিয়ে স্বীকৃত অধিকাৰ সাব্যস্তৰ কাৰণে তৰোৱালৰ আশ্ৰয় লোৱাটো সমৰ্থন কৰা বুলি কোনো প্ৰকাৰেই ব্যাখ্যা কৰিব নোৱাৰিব। স্বীকৃত দাবী সৎ উপায়েৰেই সাব্যস্ত কৰিব লাগিব—কোনো অশিষ্ট অৰ্থাৎ ৰক্তাক্ত উপায়েৰে নহয়। মানুহে যি কথা সত্য বুলি ভাবে তাক সাব্যস্ত কৰিবৰ কাৰণে নিজৰ ৰক্তপাত কৰিব পাৰে, আৰু কৰা উচিত। যি প্ৰতিদ্বন্দ্বীয়ে তেওঁৰ অধিকাৰ অস্বীকাৰ কৰে তেওঁৰ ৰক্তপাত কৰা অনুচিত। কংগ্ৰেছে প্ৰতিনিধিত্ব কৰা ভাৰতবৰ্ষই নিজৰ দাবী সাব্যস্ত কৰিবলৈ যুজ কৰিছে। তাকে কৰিবলৈ ভাৰতে তৰোৱাল তুলি লোৱাৰ পৰিবৰ্ত্তে অহিংস নীতি গ্ৰহণ কৰিছে। সপোনৰ স্বাধীনতা যদিও এতিয়াও নিলগত আমি আশা কৰোঁ বহুত নিলগত নহয়—তথাপি ভাৰতবৰ্ষই বিশ্বত এক বিশেষ সম্মানৰ স্থান অধিকাৰ কৰিছে। ভাৰতৰ অভিনৱ পদ্ধতিয়ে বিশ্ববাসীৰ মনত চিন্তাৰ উদ্ৰেক কৰিছে। ভাৰতবৰ্ষই এই যুদ্ধত এক নিশ্চিত ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰাটো স্বাভাৱিক। পৃথিবীৰ কোনো জাতিয়ে এনে কৰিব পৰা নাই। পৰাজিত জনক অসম্মান কৰি লুণ্ঠিত সামগ্ৰী বিজিত সকলে ভগাই লোৱাৰ পৰিবৰ্ত্তে স্থায়ী শান্তি প্ৰৱৰ্ত্তনৰ কাৰণে ভাৰতবৰ্ষই যত্ন কৰিব। কংগ্ৰেছৰ হৈ অভিমত দিবৰ অধিকাৰপ্ৰাপ্ত পণ্ডিত জৱহৰলাল নেহৰুৱে উচ্চ কণ্ঠে কৈছে যে শান্তিৰ অৰ্থ হৈছে যে পৃথিবীত সাম্ৰাজ্যবাদী দেশবোৰৰ অধিকাৰত থকা জাতিসমূহৰ মুক্তি দান। মই আশা কৰোঁ যে সুযুক্তিৰে কংগ্ৰেছে বিশ্ববাসীক দেখুৱাব যে সমৰ সজ্জাৰ সহায়ত নিজৰ দাবী প্ৰতিষ্ঠা কৰাতকৈ অহিংস নীতিৰে তাক সাব্যস্ত কৰাটো অধিক শ্ৰেয়। অন্যই কোনো যুক্তি প্ৰদৰ্শন কৰিব নোৱাৰে। ই কেৱল তেনে যুক্তি প্ৰদৰ্শন কৰা বুলি ভাওহে দিয়ে।

সেৱাগ্ৰাম, ৯ ১০-৩৯

হৰিজন ১৪ ১০ ১৯৩৯

[৯০]

পৰীক্ষা

ৱৰ্কিং কমিটীৰ সদস্যসকলৰ লগত কথা পাতোঁতে মই আৱিষ্কাৰ কৰিলোঁ যে তেওঁলোকৰ অহিংসা ব্ৰিটিছ চৰকাৰৰ সৈতে সেই অহিংসা অস্ত্ৰেৰে যুদ্ধ দিয়াৰ বাহিৰলৈ কেতিয়াও যোৱা নাই। মই এই ধাৰণাহে পুহি ৰাখিছিলোঁ যে বিশ্বৰ বৃহত্তম সাম্ৰাজ্যবাদী শক্তিৰ সৈতে যোৱা কুৰি বছৰে যুদ্ধ দিয়াত অহিংসা প্ৰয়োগৰ পৰা যি যুক্তিপূৰ্ণ ফললাভ হৈছিল তাক কংগ্ৰেছ কৰ্মীসকলে হৃদয়ঙ্গম কৰিব পাৰিছে। কিন্তু অহিংসাৰ পৰীক্ষা চলোৱাৰ নিচিনা ডাঙৰ ডাঙৰ পৰীক্ষা কাৰ্য্যত আনুমানিক প্ৰশ্নৰ ভূমিকা কমেইহে থাকে। মোক প্ৰশ্ন কৰাত মই কবলৈ ধৰিছিলোঁ যে যেতিয়া আমি প্ৰকৃততে স্বাধীনতা লাভ কৰিম তেতিয়া জানিব পাৰিম আমি নিজকে অহিংস ভাবে ৰক্ষা কৰিব পাৰিম নে নোৱাৰিম। কিন্তু আজি আৰু সেই প্ৰশ্নটো অনুমানৰ বস্তু হৈ থকা নাই। ব্ৰিটিছ চৰকাৰৰ পক্ষৰ পৰা অনুকূল ঘোষণা কৰা হওক নহওক, কংগ্ৰেছে স্থিৰ কৰিবই লাগিব ভাৰত আক্ৰান্ত হলে ই কি পন্থা অৱলম্বন কৰিব। কাৰণ চৰকাৰৰ সৈতে কিবা মীমাংসাত উপনীত নহলেও কংগ্ৰেছে নিজৰ নীতি ঘোষণা কৰিবই লাগিব আৰু কব লাগিব আক্ৰমণকাৰী সৈন্যবাহিনীৰ সৈতে ই হিংস ভাবে যুজিব নে অহিংসভাবে।

প্ৰায় থৰচি মাৰি আলোচনা কৰাৰ পিছত মই ৱৰ্কিং কমিটীৰ মনোভাব যিমান দূৰ বুজিব পাৰিছোঁ, সদস্যসকলে ভাবে যে সশস্ত্ৰ আক্ৰমণৰ বিৰুদ্ধে অহিংস প্ৰতিৰক্ষাৰ কাৰণে কংগ্ৰেছকৰ্মীসকল প্ৰস্তুত নহয়।

এইটো পৰিতাপৰ কথা। এজনৰ ঘৰৰ পৰা শত্ৰুক খেদি পঠাবলৈ গ্ৰহণ কৰা উপায়বোৰ, নিশ্চয় সেই শত্ৰুক ঘৰৰ পৰা বাহিৰত ৰখা উপায়বোৰৰ সৈতে কম বেছি পৰিমাণে একে ধৰণৰ হব লাগিব। যি ব্যৱস্থাই নহওক পিছৰটো ক্ষেত্ৰত ই সহজ হব। কিন্তু আচল কথা হৈছে, আমাৰ সংগ্ৰাম শক্তিমন্তৰ অহিংস প্ৰতিৰোধ হৈ উঠা নাই। ই হৈ উঠিছে দুৰ্ব্বলৰ নিষ্ক্ৰিয় প্ৰতিৰোধ। সেইকাৰণে অহিংসাৰ কাৰ্য্যকাৰিতাৰ প্ৰতি থাকিব লগীয়া অবিচল বিশ্বাস লৈ এই চৰম মুহূৰ্ত্তত আমাৰ হৃদয়ে স্বতঃস্ফূৰ্ত্ত সঁহাৰি দিয়া নাই। ৱৰ্কিং কমিটীয়ে সেইকাৰণে জানীলোকৰ দৰে কৈছে যে যুক্তিসঙ্গত পদক্ষেপৰ কাৰণে তেওঁলোক প্ৰস্তুত নহয়। এই পৰিস্থিতিৰ দুখজনক বিষয় এয়ে যে

ভাৰতক সশস্ত্র প্রতিৰক্ষা ব্যৱস্থা লাগে বুলি ভবাসকলৰ সৈতে কংগ্রেছে নিজৰ ভাগ্যক সাঙুৰি দিব লগা হলে সশস্ত্র যুদ্ধকৌশল শিকাৰ কংগ্রেছ কর্মীৰ যি প্রাথমিক কর্ত্তব্য হব লাগিছিল তাক যোৱা কুৰি বছৰে তেনেই আওহেলা কৰা হ'ল বুলিব লাগিব। মোৰ ভয় হয়, এই ৰণৰ সেনাপতি হিচাপে এনে শোকাবহতাৰ কাৰণে বুৰঞ্জীয়ে মোকেই জগৰীয়া কৰিব। ভবিষ্যৎ বুৰঞ্জীবিদে কব, মই বুজিব লাগিছিল যে জাতিটোৱে শক্তিমন্তৰ অহিংসা শিকা নাই, শিকিছে মাত্র দুর্ব্বলৰ নিষ্ক্রিয়তা, আৰু সেই কাৰণে মই কংগ্রেছ কর্মীবিলাকক সামৰিক শিক্ষা দিয়াৰ দিহা কৰা উচিত আছিল।

কিবা নহয় কিবা উপায়েৰে ভাৰতে প্রকৃত অহিংসা শিকিব, এই ধাৰণাটো মোৰ মনত বদ্ধমূল হৈ থকাত মোৰ সহকর্মীসকলক আহ্বান জনোৱাৰ কথা মোৰ মনত খেলোৱাই নাছিল যে তেওঁলোকে সশস্ত্র প্রতিৰক্ষাৰ বিষয়ে প্রশিক্ষণ লব লাগে। তাৰ বিপৰীতে মই সকলো ধৰণৰ তৰোৱাল খেলা আৰু বৰ বৰ লাঠী খেলৰ প্রদর্শন বন্ধ কৰাৰ কথাহে কৈ আহিছোঁ। অতীতৰ কাৰণে মই এতিয়াও অনুতপ্ত নহওঁ। মোৰ অদম্য বিশ্বাস আছে যে পৃথিৱীৰ ভিতৰতে ভাৰতেই একমাত্র দেশ যি অহিংসাৰ কৌশল শিকিব পাৰে, যি এতিয়াও যদি পৰীক্ষা কৰি চোৱা হয় তেন্তে বোধ হয় এনে হাজাৰ হাজাৰ পুৰুষ মহিলা ওলাব যিসকলে অত্যাচাৰীৰ প্রতি কোনো আখেজ নৰখাকৈয়ে মৃত্যু বৰণ কৰিবলৈ ইচ্ছা কৰিব। সমবেত জনতাৰ আগত মই জোৰ দি কৈ আহিছোঁ যে গুলি খাই মৰাকে ধৰি বহুতো কষ্ট তেওঁলোকে ভোগ কৰিব লগা হব পাৰে। সৈনিকে সহ্য কৰিব লগা ধৰণৰ দুখ-কষ্ট লোণ আন্দোলনৰ সময়ত হাজাৰ হাজাৰ পুৰুষ মহিলাই গা পাতি লোৱা নাছিল নে? যদি ভাৰতে আক্রমণ কাৰীৰ লগত যুজিব লগা হয় তেন্তে আগতে দেখুৱাতকৈ কোনো বেলেগ ক্ষমতাৰ প্রয়োজন নহব।

এটা কথা পাহৰি যোৱা উচিত নহব। নিৰস্ত্র ভাৰত বিষ গেচ নাইবা বোমাবর্ষণৰ দ্বাৰা ধ্বংস হোৱাৰ আৱশ্যক নাই। মেজিন' লাইনেহে ছিগফ্রিড্ লাইনৰ আৱশ্যকতা আনয়ন কৰিলে। আৰু তাৰ ওলোটাটোও সচা। বর্ত্তমান পদ্ধতিৰে ভাৰতৰ প্রতিৰক্ষাৰ প্রয়োজন হৈছে এই দেশ ব্রিটেনৰ এটা উপকৰা অংশ বুলি। স্বাধীন ভাৰতৰ কোনো শত্রু থাকিব নোৱাৰে। আৰু যদি ইয়াৰ জনসাধাৰণে দৃঢ়ভাৱে "নহয়" বুলি কবলৈ শিকে আৰু সেইমতে কাম কৰে, তেন্তে মোৰ বোধেৰে কোনেও এইদেশক আক্রমণ কৰিব নুখুজিব।

আমাৰ অৰ্থনীতিক এনে সাচত গঢ়ি তোলা হব যে শোষণকাৰীবো প্ৰলোভনৰ বাট নাথাকিব।

কিন্তু কিছুমান কংগ্ৰেছ কৰ্মীয়ে কব "ব্ৰিটিছসকলৰ বাহিৰে ভাৰতৰ সীমাৰ ভিতৰতে ইমান বিলাক সামৰিক জাতি আছে যে দেশখনৰ কাৰণে তেওঁলোকে যুদ্ধ দিব খুজিব পাৰে—দেশখন আমাৰ দৰে তেওঁলোকৰো।" এইটো তেনেই সচা কথা। সেইকাৰণে মই এই মুহূৰ্ত্তত কেবল কংগ্ৰেছ কৰ্মীৰহে কথা কৈছো। আক্ৰমণ হবলৈ হলে তেওঁলোকে কি কৰিব? আমি গোটেই ভাৰতখনক আমাৰ মতলৈ কেতিয়াও আনিব নোৱাৰোঁ যদিহে আমাৰ মতৰ কাৰণে আমি মৰিবলৈ সাজু নাথাকোঁ।

বিপৰীত পন্থাটোৱে মোৰ মন চুই যায়। ইতিমধ্যে, সৈন্যবাহিনীটো গঠিত হৈছে উত্তৰৰ মুছলমানসকল, শিখসকল আৰু গুৰ্খাসকলেৰে। দক্ষিণ আৰু মধ্য ভাৰতৰ জনসাধাৰণেও যদি সামৰিক বাহিনীত যোগ দিব খোজে তেন্তে তেওঁলোকক প্ৰতিনিধিত্ব কৰা বুলি ধৰি লোৱা কংগ্ৰেছে প্ৰথমোক্তসকলৰ লগত প্ৰতিযোগিতাত নামিব লাগিব। কংগ্ৰেছ তেতিয়া এক বিৰাট সামৰিক বাজেটৰ সমৰ্থক হব লাগিব। এই সকলোবিলাক কংগ্ৰেছৰ নোহোৱাকৈ হব পাৰে। কংগ্ৰেছে তাৰ প্ৰতি সমৰ্থন জনায় নে নজনায় সেইটো বিশ্বৰ বাবে এটা বৰ ডাঙৰ পাৰ্থক্যৰ কথা হব। বিশ্বই ভাৰতৰ পৰা কিবা এটা নতুন আৰু অভিনৱ বস্তু বিচাৰে। আজি বিশ্বই যি আওপুৰণি অস্ত্ৰসজ্জাকে গ্ৰহণ কৰি আছে ভাৰতেও যদি তাকেই লয় এই দেশ ভীৰৰ মাজত হেৰাই যাব। কংগ্ৰেছে উৎকৃষ্ট ৰাজনৈতিক অস্ত্ৰ হিচাপে অহিংসাৰ প্ৰতিনিধিত্ব কৰে কাৰণেহে ইয়াৰ এটা নাম হৈছে। যদি কংগ্ৰেছে অহিংসাৰ প্ৰতিনিধি স্বৰূপে মিত্ৰপক্ষক সহায় কৰে তেন্তে ই মিত্ৰপক্ষৰ উদ্দেশ্যক এটা সম্মান দিব, এটা শক্তি দিব, যিটো যুদ্ধৰ চূড়ান্ত মীমাংসা দিব কৰাত অমূল্য সম্পদ স্বৰূপ হব। কিন্তু ৱৰ্কিং কমিটীৰ সদস্যসকলে সাধুতা আৰু সাহসিকতা দেখুৱাই তেনে অহিংসা তেওঁলোকৰ আছে বুলি কোৱা নাই।

সেইকাৰণে মোৰ পৰিস্থিতিটো কেবল মোৰ মাজতে আবদ্ধ। মই বিচাৰি চাব লাগিব অকলশৰীয়া বাটত মোৰ কোনো সহযাত্ৰী আছে নে নাই। মই যদি একনীয়া সংখ্যালঘু, মই আনক মোৰ মতলৈ আনিবলৈ চেষ্টা কৰিব লাগিব। একেলেই হওক বা বহুতেই হওক, মই মোৰ বিশ্বাস এই বুলি ঘোষণা কৰিব লাগিব যে আনকি সীমান্ত ৰক্ষাৰ কাৰণেই হিংসা সম্পূৰ্ণৰূপে পৰিহাৰ

কাৰণেটো ভাৰতৰ বাবে মঙ্গলৰ কথা হব। ভাৰতৰ কাৰণে অস্ত্ৰসজ্জাৰ প্ৰতিযোগিতাত নমাটো আত্মহত্যা কৰাৰ তুল্য হব। অহিংসাই ভাৰতক হেৰুৱাব লাগিলে বিশ্বৰ শেষ আশাও যাব। যোৱা আধা শতিকা জুৰি মই যি মূলনীতি প্ৰকাশ কৰি আহিছোঁ তাক বজায় ৰাখিবই লাগিব, আৰু জীৱনৰ শেষ মুহূৰ্ত্তলৈকে মই আশা ৰাখিম যে ভাৰতে অহিংসাকে নিজৰ মূলনীতি কৰি লব, মানুহৰ মৰ্য্যাদা ৰক্ষা কৰিব, আৰু যি আদিম অৱস্থাৰ পৰা নিজকে ওপৰলৈ অনা বুলি ধৰি লোৱা হৈছে তালৈ পুনৰ উলটি যোৱাৰ পৰা মানুহক বাধা দিব।

সেৱাগ্ৰাম, ১০ ১০ '৩৯

হৰিজন ১৪ ১ ১৯৩৯

[৯১]

এটি প্ৰশ্ন

এজন ব্ৰিটিছ লোকে যুদ্ধ সম্বন্ধে নিজৰ অভিমত ব্যাখ্যা কৰি দীনবন্ধু এণ্ড্ৰুজলৈ এখন চিঠি লিখিছে। তেওঁ একান্ত শান্তিবাদী। দীনবন্ধুৱে চিঠিখনৰ ভাগ মোকো দিছে। তাত নিম্নলিখিত কথাখিনি আছে

"মই ভাবোঁতে ভাৰতৰ কাৰণেও এইটো বৰ সংকটৰ কাল। মই যি বিপদ দেখিবলৈ পাইছোঁ সি হৈছে এয়ে যে ব্ৰিটেনে পূৰ্ণ ডমিনিয়ন ষ্টেটাচ বা তেনেকুৱা কিবা দিবলৈ অঙ্গীকাৰ কৰিব পাৰে, আৰু তাৰ ফলত ভাৰতে এটা সৈন্যবাহিনী গঠন কৰিব আৰু ই আন এটা সামৰিক মনোভাৱাপন্ন জাতি হৈ পৰিব। তেতিয়া অহিংসাৰ আৰু আত্মা শক্তিয়ে দৰ্শোৱা পথৰ সাক্ষী ৰূপে ইয়াৰ পৰিচয় বহু পৰিমাণে কমি যাব।

এই পথেৰে চলোৱা যুদ্ধত ব্ৰিটেনৰ প্ৰতি ভাৰতৰ সমৰ্থন পাবৰ কাৰণে যুদ্ধৰ লক্ষ্য সম্বন্ধে অহিংসাত বিশ্বাসী গান্ধীজীয়ে কেনেকৈ ব্যাখ্যা বিচাৰিব পাৰে? তেওঁ কৰিব পৰা আৰু আমিও সকলোৱে কৰিব লগীয়া একমাত্ৰ কাম হৈছে পুৰুষ মহিলাৰ এনে এটা বাহিনী গঢ়ি তোলা যি প্ৰেম আৰু ক্ষমাৰ পথত চলিবলৈ আৰু হিংসা দূৰ পাতি লবলৈ কিন্তু কেতিয়াও হিংসাৰ প্ৰতিদান ওলোটাই হিংসাৰে নিদিবলৈ অঙ্গীকাৰ কৰে। ই কিদৰে আমাৰ দৈনন্দিন জীৱন সলনি কৰি দিয়ে তথা অন্যান্য সম্প্ৰদায় আৰু জাতিৰ প্ৰতি আমাৰ চিন্তা-চৰ্চ্চা, আমাৰ কাৰ্য্য-কলাপ কেনেকৈ

সলনি কৰি দিয়ে তাক চালি জাৰি চাব লাগিব। এই বিষয়ত আমি নিয়মানুবৰ্ত্তী হব লাগিব আৰু একগোট হৈ এজন মানুহৰ দৰে কাম কৰিবলৈকো শিকিব লাগিব। এই পথত মই বিৰাট সম্ভাৱনা দেখিবলৈ পাইছোঁ।

অৱশ্যে ভাৰতৰ পূৰ্ণ গণতন্ত্ৰৰ প্ৰয়োজন স্বীকাৰ কৰিবলৈ আৰু কাৰ্য্যকৰী কৰিবলৈ ব্ৰিটেনক ধৰিবলৈ আমি আমাৰ সকলোখিনি প্ৰভাৱকে খটুৱাব লাগিব, কিয়নো ই এটা উচ্চ নীতিৰ কথা যাৰ লগত ভাৰতে যুদ্ধত ব্ৰিটেনক সহায় কৰা নকৰাৰ কোনো সম্পৰ্ক নাই।

লেখকজনে অনুভৱ কৰা বিপদটো সত্য। এই বিষয়ে যোৱা সপ্তাহত মই আলোচনা কৰিছিলোঁ। মিত্ৰপক্ষৰ প্ৰতি মোৰ সহানুভূতি সম্বন্ধে লেখকে মিছা ওজৰ দেখুৱাইছে। মই অহিংসাৰ পূৰ্ণ বিশ্বাসী ৰূপে আন কি মোৰ বিশ্বাসৰ কাৰণেও এই সহানুভূতি দেখুৱাইছোঁ। সকলো হিংসাই বেয়া আৰু তাক বিমূৰ্ত্ত ভাবেৰে গৰিহনা দিবই লাগিব, যদিও আক্ৰমণকাৰী আৰু প্ৰতিৰক্ষকৰ মাজত পাৰ্থক্য ৰাখিবলৈ অহিংসা বিশ্বাসী এজনক দিব লাগিব, আনকি সেইটো কৰা তেওঁৰ কৰ্ত্তব্যও। তাকে উপলব্ধি কৰি তেওঁ অহিংস উপায়েৰে প্ৰতিৰক্ষকৰ পক্ষাবলম্বন কৰিব, অৰ্থাৎ প্ৰতিৰক্ষকক ৰক্ষা কৰিবলৈ নিজৰ জীৱন দিব। তেওঁৰ হস্তক্ষেপে বিবাদৰ পৰিসমাপ্তি ক্ষিপ্ৰতৰ ভাবে ঘটোৱাৰ সম্ভাৱনা আছে, আনকি প্ৰতিদ্বন্দ্বীৰ মাজত শান্তিস্থাপনো হৈ যাব পাৰে। এই যুক্তি, বৰ্ত্তমান যুদ্ধৰ বিষয়ত প্ৰয়োগ কৰি কওঁ, যদি অহিংস উপায়ে কংগ্ৰেছ সক্ৰিয়ভাবে মিত্ৰপক্ষৰ ফলীয়া হয় তেন্তে কংগ্ৰেছৰ সাহায্যই মিত্ৰপক্ষৰ সাহায্যক এটা উচ্চ নৈতিক পৰ্য্যায়লৈ উন্নীত কৰিব, আৰু শান্তিৰ উদ্দেশ্যে কংগ্ৰেছৰ প্ৰভাৱ কাৰ্য্যকৰী ভাবে নিয়োজিত হব। অধিক কি, যুদ্ধ শেষলৈকে চলাই যোৱা হলে বিজিতৰ ওপৰত যাতে লঘু-লাঞ্ছনা জাপি দিয়া নহয় সেইটোলৈ লক্ষ্য ৰখা কংগ্ৰেছৰ বিশেষ কৰ্ত্তব্য হব। কংগ্ৰেছৰ সেই ভূমিকাৰ কথাকে মই ভাবিছোঁ। স্বাধীনতা ঘোষণা কৰাটো এটা প্ৰয়োজনত পৰিণত হৈছে। প্ৰশ্নটো উত্থাপন কৰা হ'ল যেতিয়া কংগ্ৰেছে ব্ৰিটেনক সহায় কৰিব নোৱাৰে, যদিহে বিশ্বৰ আগত গণতন্ত্ৰ ৰক্ষাৰ্থে যুদ্ধ কৰিছে বুলি ঘোষণা কৰি ব্ৰিটেনে তলে তলে সাম্ৰাজ্যবাদৰ কাৰণে যুদ্ধ কৰি আছে। ব্ৰিটেন শুদ্ধ পথত থাকিবলৈ হলে তেওঁলোকৰ যুদ্ধৰ উদ্দেশ্য সম্বন্ধে এটা স্পষ্ট ঘোষণা দিয়াটো প্ৰয়োজনীয়, কংগ্ৰেছৰ নীতি লাগে যিয়েই নহওক।

সেৱাগ্ৰাম, ১৬-১০-'৩৯

হৰিজন ২১-১০ ১৯৩৯

[৯২]

হিন্দু-মুছলমানৰ সংঘৰ্ষ

কংগ্ৰেছৰ অহিংসা কাৰ্য্যত' স্থগিত ৰখা হিংসা বা নিষ্ক্ৰিয় হিংসা বুলি দেখুৱাবলৈ যদি প্ৰমাণৰ আৱশ্যক হয় তেন্তে হিন্দু মুছলমানৰ সংঘৰ্ষত কাৰ্য্যকৰী যদিও তেনেই বিশৃঙ্খল ভাবে প্ৰদৰ্শিত হিংসাৰ মাজতে সেই প্ৰমাণ আছে। খিলাফৎ আন্দোলনত অংশ গ্ৰহণ কৰা হাজাৰ হাজাৰ হিন্দু মুছলমান লোক যদি অন্তৰত অহিংস হলহেতেন তেন্তে পৰস্পৰৰ প্ৰতি তেওঁলোক কেতিয়াও হিংস নহলহেতেন, যিটো সদায়েই হৈ থকা দেখা যায়। এই কথাও কব নোৱাৰি যে সংঘৰ্ষত অংশ গ্ৰহণ কৰোঁতাসকল কংগ্ৰেছী নহয়। হিংস কাৰ্য্যত লিপ্ত হোৱা সকলো মানুহ অকংগ্ৰেছী বুলি যদি আমি ৰায় দিওঁ, তেনেহলে কংগ্ৰেছ এটা সৰ্ব্বসাধাৰণৰ অনুষ্ঠান হৈ নাথাকিব। কিয়নো এইবিলাক সংঘৰ্ষৰ প্ৰতিদ্বন্দ্বীসকল সৰ্ব্বসাধাৰণৰ মাজৰে। তদুপৰি আজি কালি দেখা যায় যে কংগ্ৰেছৰ সভাবিলাকত প্ৰতিদ্বন্দ্বী কংগ্ৰেছকৰ্ম্মীয়েই হিংস কাৰ্য্যত লিপ্ত হয়। কংগ্ৰেছৰ নিৰ্ব্বাচনবিলাকত চলা প্ৰবঞ্চনা বিৰাট অনুশাসনহীনতা এই-সকলোখিনি হৈছে কংগ্ৰেছৰ হিংসাৰ উদাহৰণ। গতিকে অহিংস কংগ্ৰেছ কৰ্ম্মীনো কোনবিলাক, যদিহে কোনোবা আছে, কোৱা টান। যদি তেওঁলোক কংগ্ৰেছত সংখ্যাগৰিষ্ঠ হ'লহেতেন আৰু যদি তেওঁলোকে হিন্দু মুছলমানৰ সংঘৰ্ষত কাৰ্য্যকৰী ভূমিকা ললেহেতেন তেনেহলে সেই সংঘৰ্ষ তেওঁলোকে বন্ধ কৰি দিব পৰিলেহেতেন, অথবা অন্ততঃ বন্ধ কৰিবৰ কাৰণে জীৱন আহুতি দিলেহেতেন। যদি সৰহভাগ কংগ্ৰেছকৰ্ম্মী প্ৰকৃতপক্ষে অহিংস হলহেতেন, তেন্তে মুছলমানসকলে স্বীকাৰ কৰিবলৈ বাধ্য হলহেতেন যে কংগ্ৰেছীসকলক মুছলমান-বিৰোধী মনোভাবাপন্ন বুলি অভিযুক্ত কৰিব নোৱাৰি। অশুদ্ধ মনোভাবৰ বাবে দোষী সাব্যস্ত হোৱা নাই বুলি কোৱাটোৱেই কংগ্ৰেছীৰ পক্ষে যথেষ্ট নহয়। মই আইনত শুদ্ধ বুলি প্ৰমাণিত হব পাৰোঁ, কিন্তু অহিংসাৰ তুলাচনীত মোৰ কাৰ্য্যাৱলী জুখি চালে মই শোচনীয় ভাবে বিফল হৈ যাব পাৰোঁ। কিন্তু এই অহিংসা হব লাগিব সাহসী আৰু শক্তিমন্তৰ অহিংসা। ই আহিব লাগিব অন্তৰৰ বিশ্বাসৰ পৰা, সেইকাৰণে মই কবলৈ দ্বিধা বোধ কৰা নাই যে কাপুৰুষতা ঢাকিবলৈ অহিংসাৰ পোছাক পিন্ধাতকৈ আমাৰ বুকুত হিংসা থাকিলে হিংস হোৱাই ভাল। যেতিয়াই হওক হিংসা

কাপুৰুষতাকৈ বাঞ্ছনীয়। হিংস মানুহ এজন অহিংস হৈ যোৱাৰ আশা আছে। কাপুৰুষৰ ক্ষেত্ৰত তেনে আশা নাই।

সেৱাগ্ৰাম, ১৭ ১০ '৩৯
হৰিজন ২১ ১ ১৯৩৯

[১৩]

বিনাচৰ্ত্তে সমৰ্থন ?

কেবাজনো ব্ৰিটিছ বন্ধুৱে বুজিব নোৱাৰি সুধিছে, "বাতৰি ওলাইছে যে আপুনি গ্ৰেট ব্ৰিটেনক বিনাচৰ্ত্তে সমৰ্থন জনাব বুলি হেনো কৈছে, আপুনি সচাই এইদৰে কৈছে নে ?" এইটো বাতৰিৰ গুৰি হৈছে ভাইচৰয়ৰ সৈতে আলোচনা কৰাৰ পিছত মই দিয়া পোন প্ৰথম বিবৃতিটো। 'বিনাচৰ্ত্তে সমৰ্থন' কথাষাৰ সেই বিবৃতিটোত নাই। কিন্তু মোৰ দৃষ্টিভঙ্গী কংগ্ৰেছে ভাল পোৱা হলে কংগ্ৰেছৰ সমৰ্থন চৰ্ত্তবিহীন হলহেতেন এই অৰ্থত যে ব্ৰিটেনৰ যুদ্ধৰ উদ্দেশ্য সম্বন্ধে কংগ্ৰেছে স্পষ্টীকৰণ নিবিচাৰিলেহেতেন। কিন্তু ৱৰ্কিং কমিটীয়ে সহজভাবেই সেই দৃষ্টিভঙ্গী গ্ৰহণ কৰিব নোৱাৰিলে। সেইকাৰণে ই সেই প্ৰস্তাৱটো গ্ৰহণ কৰিলে—কাৰণ তেনে কৰাৰ সকলো যুক্তি আৰু অধিকাৰ কমিটীৰ আছে। ৱৰ্কিং কমিটীয়ে গ্ৰহণ কৰা কাৰ্য্যপন্থাত যে সতৰ্কতা নিহিত আছিল তাক পিছৰ ঘটনাৱলীয়ে প্ৰমাণ কৰিছে। কিন্তু ই যদি যুদ্ধৰ উদ্দেশ্যৰ কথা ঘোষণা কৰাৰ দাবী এৰি দিলেহেতেন তেন্তে সমৰ্থন চৰ্ত্তবিহীন হলহেতেন। মনত ৰাখিব, নিয়মাৱলীমতে কংগ্ৰেছ এটা অহিংস অনুষ্ঠান। গতিকে ইয়াৰ সমৰ্থন হলহেতেন কেৱল নৈতিক সমৰ্থন। ইয়াৰ নাই যোগাবলৈ সৈন্য, নাই দিবলৈ ধন। কিন্তু আছে শুভেচ্ছা। মোৰ মতে সেই শুভেচ্ছা হলহেতেন বহু সৈন্যবাহিনীতকৈ বেছি। কংগ্ৰেছৰ সমৰ্থনে ব্ৰিটিছ উদ্দেশ্যক অনতিক্ৰম্য নৈতিক ভিত্তি এটা দিলেহেতেন। ই ব্ৰিটিছৰ বিষয়টোক অপৰিমেয়ভাবে ন্যায়যুক্ত কৰি তুলিলেহেতেন। পৃথিৱীৰ সকলো পৰাধীন জাতিয়ে স্বাধীনতাৰ অনিৰ্ব্বচনীয় আভা অনুভৱ কৰিলেহেতেন। ব্ৰিটিছৰ নৈতিক বল একে কোবেই বহুত বাঢ়ি গলহেতেন। কংগ্ৰেছৰ চৰ্ত্তবিহীন সমৰ্থনৰ অৰ্থ সেইটোৱেই হলহেতেন।

কিন্তু ঈশ্বৰৰ ইচ্ছা আছিল অন্য। কংগ্ৰেছৰ অহিংসা মতবাদত ব্ৰিটিছ

ৰাজনীতিজ্ঞসকলৰ যথেষ্ট আস্থা নাছিল। মই স্বীকাৰ কৰিবই লাগিব যে ন্যায়নিষ্ঠ হলেও কঠোৰ পৰীক্ষক এজনক সন্তুষ্ট কৰিব পৰাকৈ কংগ্ৰেছে পৰীক্ষাত উত্তীৰ্ণ হব নোৱাৰিলেহেতেন। যি কোনো প্ৰকাৰে মোৰ দৃষ্টিভঙ্গী বুজাত মোৰ ব্ৰিটিছ বন্ধুসকলে একো অসুবিধা নাপালেহেতেন। অৱশ্যে তেওঁলোকে এই বুলি তৰ্ক কৰাত বাধা নাছিল যে যুদ্ধ-প্ৰতিৰোধকাৰী হিচাপে মই নৈতিক সমৰ্থনো জনাব নোৱাৰিলোঁহেতেন। মই ইতিপূৰ্বেই এই স্তম্ভত কৈছোঁ যে মই তেনে মত গ্ৰহণ নকৰোঁ। দুজন প্ৰতিদ্বন্দ্বীৰ মাজত বিচাৰ কৰাত আৰু ন্যায়ৰ ফলীয়া জনৰ কৃতকাৰ্য্যতা কামনা কৰাত যুদ্ধ প্ৰতিৰোধ কাৰীৰ বাধা নাই। নিতান্ত দৰ্শক হৈ থকাতকৈ সেইদৰে বিচাৰ কৰি তেওঁ-লোক দুজনৰ মাজত শান্তি স্থাপন কৰাৰ বেছি সম্ভাৱনা আছে।

সেবাগ্ৰাম, ৩ ১০ ৩৯

হৰিজন ৪ ১১ ১৯৩৯

[৯৪]

পৰীক্ষাৰ সময়

"যদি ভাৰতে অস্ত্ৰৰ মতবাদ গ্ৰহণ কৰে তেন্তে খন্তেকীয়া জয়লাভ কৰিব পাৰিব পাৰে। তেতিয়া ভাৰত আৰু মোৰ অন্তৰৰ গৌৰৱৰ বস্তু হৈ নাথাকিব। মই ভাৰতৰ লৈতে জড়িত কাৰণ মোৰ সকলোখিনি ইয়াৰ পৰাই পাইছোঁ। মই সম্পূৰ্ণ বিশ্বাস কৰোঁ যে বিশ্বৰ কাৰণে ভাৰতৰ এটা 'মিছন' আছে। ই ইউৰোপক অন্ধভাবে অনুসৰণ কৰিব নালাগে। ভাৰতে অস্ত্ৰৰ মতবাদ গ্ৰহণ কৰাটো মোৰ পৰীক্ষাৰ সময় হব। আশা কৰোঁ তাৰ কাৰণে মই অনুপযুক্ত নহম। মোৰ ধৰ্ম্মৰ কোনো ভৌগোলিক সীমা নাই। ইয়াৰ প্ৰতি যদি মোৰ জীৱন্ত বিশ্বাস আছে তেন্তে সি ভাৰতৰ প্ৰতি থকা মোৰ ভালপোৱাকো চেৰাই যাব। অহিংসাধৰ্ম্মৰ যোগেদি ভাৰতক সেৱা কৰাত মোৰ জীৱন উছৰ্গিত আৰু সেইটোৱে মই ভাবোঁতে হিন্দু ধৰ্ম্মৰ মূল ভেটি।"

"অহিংসা ধৰ্ম্ম কেৱল ঋষি-মুনিৰ কাৰণেই নহয়। ই সাধাৰণ মানুহৰ কাৰণেও ধৰ্ম্ম।"

ৱৰ্কিং কমিটীৰ সৈতে

এই কেইষাৰ কথা গান্ধীজীয়ে ১৯২০ চনৰ আগস্টত লিখা এটা প্ৰবন্ধৰ পৰা মই উদ্ধৃত কৰিছোঁ, কিন্তু সেই কেইষাৰ কথা আজি কোৱা যেনহে লাগে। বিশ্বলৈ দিয়া ভাৰতৰ বিশিষ্ট অৱদান ৰূপে অহিংসাৰ প্ৰতি সেই জীৱন্ত বিশ্বাসেৰে তেওঁ আমাৰ জাহাজখনক ধুমুহা আৰু ভাবৰীয়া তুফানৰ মাজেদি সুকলমে চলাই নিবলৈ চেষ্টা কৰিছে। পানীৰ ছিটিকনিয়ে প্ৰায়ে আকাশখন ক'লা কৰিছে, কিন্তু তৰাৰ চিন কেতিয়াও হেৰোৱা নাই। বৰ্ত্তমান ধুমুহাই আমাৰ চকুৰ আগৰ পৰা তৰাৰ চিন মোহাৰি পেলাব খুজিছে, কিন্তু চালকজনে দিনে ৰাতিয়ে সেই তৰাটো হেৰুৱাৰ বিৰুদ্ধে আমাক সতৰ্ক কৰি দিবলৈ লৈছে, যিটো তৰাইহে কেৱল যাত্ৰাৰ শেষলৈকে আমাক বাট দেখুৱাই নিব পাৰিব।

সেইকাৰণে ৱৰ্কিং কমিটীৰ সভাৰ শেষত গান্ধীজীয়ে সদস্যসকলক প্ৰশ্নটো পুনৰ বিবেচনা কৰিবলৈ, আৰু কংগ্ৰেছ আৰু কংগ্ৰেছ কৰ্ম্মীসকলেনো কি কৰিব খুজিছে তাক চূড়ান্তভাবে থিৰ কৰিবলৈ কলে। কেৱল চৰকাৰৰ লগত আমাৰ সম্পৰ্কে প্ৰশ্নটোৱে প্ৰভাৱান্বিত নকৰে, বৰং সম্প্ৰদায় আৰু সম্প্ৰদায়ৰ মাজৰ সম্পৰ্ককো ই প্ৰভাৱান্বিত কৰে।

গান্ধীজীৰ পৰামৰ্শ কেবা ঘণ্টাও ধৰি আলোচনা কৰা হ'ল কিন্তু কোনো সিদ্ধান্তত উপনীত হব পৰা নহল। ৱৰ্কিং কমিটীৰ পৰবৰ্ত্তী অধিৱেশনত প্ৰশ্নটো পুনৰ উত্থাপিত হব আৰু চূড়ান্ত সিদ্ধান্ত এটা গ্ৰহণ কৰা হব। ইতি মধ্যে বিষয়টো সম্বন্ধে চিন্তা কৰিবলৈ সদস্যসকলে যথেষ্ট সময় পাব।

গান্ধী সেৱা-সংঘৰ সৈতে

প্ৰশ্নটোৱে গান্ধীজীৰ মন সকলো সময়তে অধিকাৰ কৰি আছে। আনকি পূৰ্ব্ব নিৰ্দ্দিষ্ট মতে সাক্ষাৎ দিয়া লোকসকলৰ বাহিৰে তেওঁ একেবাৰে মৌনতা অৱলম্বন কৰিছে, তেওঁ প্ৰায়েই এই বিষয়ে ভাবি ভাবি পুৱতিতে সাৰ পাই উঠে। ২৫ তাৰিখে নিশা এক বজাতে তেওঁ সাৰ পায়, আৰু পিছদিনা আবেলি লগ পাবলগীয়া গান্ধী সেৱা-সংঘৰ কাৰ্য্যনিৰ্ব্বাহকৰ সদস্যসকলক কি কব লাগিব সেই বিষয়ে ভাবিবলৈ ধৰে। গতিকে তেওঁলোকক তেওঁ কয়

সমস্যাটোৱে মোৰ গাত লাগিছে। ই মোক শান্তি নিদিয়া হৈছে। মই 'হৰিজনত' ৱৰ্কিং কমিটীৰ কনিষ্ঠ সদস্যসকলৰ দৃষ্টিভঙ্গী বৰ্ণনা কৰিছোঁ। তেওঁলোকৰ অৱস্থা আহকলীয়া নীতিৰ প্ৰতি আনুগত্য আৰু সহকৰ্মীৰ প্ৰতি

আনুগত্য—এই দুটাৰ দোমোজাত তেওঁলোক পৰিছে। কিন্তু তেওঁলোকৰ মনোভাব মোৰ আগত স্পষ্ট কৰি দিবলৈ আগ্রহ হোৱাটো অতিশয় আদৰণীয়। এইটোৱেই দেখুৱায় যে আমি সকলোটি সত্যৰ পূজাৰী আৰু আমাৰ মানসিক দ্বন্দ্ব আৰু সংঘাতসমূহো উন্তৱ হৈছে তাৰ প্রতি অনুগত হৈ থাকিবৰ উদ্বিগ্নতাৰ পৰা। কালি ৱৰ্কিং কমিটীত আমাৰ বৰ সুন্দৰ আলোচনা এটা হৈছিল। আৰু আমি পুংখানুপুংখকৈ সদস্যসকলৰ অৱস্থান সম্বন্ধে ব্যক্তি হিচাপে আৰু কংগ্রেছ তথা জনসাধাৰণৰ প্রতিনিধি হিচাপে আলোচনা কৰিছিলোঁ। আপোনালোকৰ প্রশ্নটো স্বকীয়া। আপোনালোক ইয়াত আছে ব্যক্তিগত-ভাবে, আৰু আপোনালোকে নিজৰ আচৰণ স্থিৰ কৰিব লাগিব, কংগ্রেছ আৰু কংগ্রেছকৰ্মীসকলে যিহকে নাভাবক। গতিকে আপোনালোকৰ বাবে প্রশ্নটো বহুত সৰল। আপোনজনক কষ্টকৰ আঘাত দিওঁতাৰ প্রতি আপোনালোকে ভ্রাতৃত্বৰ মনোভাব গ্রহণ কৰিব নে? ধৰি লওক ৰাজেন্দ্রবাবুক আক্রমণ কৰা হৈছে, আপোনালোকে প্রতিশোধ লব নে ৰাজেন্দ্রবাবু আৰু আঘাত হানোতাৰ মাজত থিয় হৈ তেওঁলৈ বুলি দিয়া আঘাতবোৰ হাঁহিমুখে গ্রহণ কৰিব? আপোনালোকে পিছৰটো কৰিব, যদিহে আপোনালোকে মৃত্যু আৰু হাত ভৰি ভগাৰ সকলো ভয় পৰিহাৰ কৰিছে, আপোনালোকক সাঙুৰি থোৱা ঘৰুৱা বন্ধনৰ বিবেচনা পৰিহাৰ কৰিছে। কিন্তু আপোনালোকক ঘৃণাসহকাৰে ব্যৱহাৰ কৰোঁতাসকলৰ প্রতি আপোনালোকৰ মনত ভ্রাতৃত্বভাৱৰ বাহিৰে আন একো নাই—এনেকৈ যদি ভাবিব নোৱাৰে তেন্তে বিপদে সম্পদে অহিংসা-নীতিকে মানি চলিব বুলি কৰা দৃঢ়তাৰ কোনো অৰ্থ নাথাকিব। ফোপোলা প্রস্তাৱ এটা লোৱাতকৈ সংঘটো ভাঙি দিয়া বহুত ভাল কাম হব।

"অহিংস বন্ধ ঘৰৰ ধৰ্ম্ম নহয় যে ই ঋষি আৰু গুহাবাসীৰ মাজতে আবদ্ধ থাকিব। ইয়াক লাখ লাখ মানুহে অনুসৰণ কৰিব পাৰে—ইয়াৰ গূঢ়াৰ্থ-সম্পূৰ্ণকৈ জানে বুলি নহয়, ই আমাৰ শ্রেণী জীৱৰ নীতিস্বৰূপ হোৱা বাবেহে। ই মানুহক পশুৰ পৰা পৃথক কৰে। কিন্তু মানুহে নিজৰ ভিতৰৰ পশুটোক পৰিহাৰ কৰা নাই। তাকে কৰাৰ চেষ্টা কৰিব লাগিব। এই চেষ্টাটো অহিংসা মানি চলাত খাটিব, ইয়াৰ প্রতি বিশ্বাস থকাত নহয়। এটা নীতিত বিশ্বাস কৰিবলৈ মই চেষ্টা কৰিব নোৱাৰোঁ হয় মই তাক বিশ্বাস কৰিম নহয় তাক বিশ্বাস নকৰোঁ। যদি মই তাক বিশ্বাস কৰোঁ তেন্তে তাক মানি চলিবলৈ মই সাহসেৰে চেষ্টা কৰিব লাগিব। অহিংসা

সাহসী সকলৰ গুণ। ভুই আৰু পানীৰ সম্পৰ্ক নথকাৰ দৰেই কাপুৰুষতা আৰু অহিংসাৰো সম্পৰ্ক নাই। এই অহিংসাকে গান্ধী সেৱা-সংঘৰ প্ৰত্যেক জন সভ্যই নিজৰ অন্তৰত গঢ়ি তুলিবলৈ সচেতন প্ৰচেষ্টা চলাব লাগিব।

"আমি এই প্ৰশ্ন সম্বন্ধে বহুবাৰ চিন্তা কৰিছোঁ, কিন্তু আমাৰ পৰীক্ষাৰ দিন আজি উপস্থিত হৈছে, যুদ্ধৰ-সংক্ৰান্ততো আৰু স্বৰাজৰ সংগ্ৰামৰ সংক্ৰান্ততো, আৰু সমানেই হিন্দু-মুছলমানৰ ঐক্যৰ সংক্ৰান্ততো। ইয়াকো মনত ৰাখিব যে আপোনালোকৰ অহিংসাই কাৰ্য্যকৰীভাবে কাম কৰিব নোৱাৰিব যদিহে অন্তৰত আপোনালোকৰ বিশ্বাস নাই। মই আপোনালোকক মোৰ চকুৰে চাই 'হিন্দ স্বৰাজ' পঢ়িবলৈ কওঁ আৰু ভাৰতক কি দৰে অহিংস কৰি তুলিব পাৰি সেই বিষয়ে লিখা অধ্যায়টো চাবলৈ কওঁ। আপোনালোকে কাৰখানা-সভ্যতাৰ ওপৰত, অহিংসা গঢ়িব নোৱাৰে, ইয়াক গঢ়িব পাৰি স্বয়ং-সম্পূৰ্ণ গাওঁৰ ওপৰত। আনকি হিটলাৰে ইচ্ছা কৰা হলেও সাতখন অহিংস গাওঁ ধ্বংস কৰিব নোৱাৰিলেহেতেন। তেনে কৰিবলৈ যাওঁতে তেওঁ নিজেই অহিংস হৈ পৰিলহেতেন। মোৰ কল্পনাৰ গ্ৰাম্য অৰ্থনীতিত শোষণ সম্পূৰ্ণ পৰিহাৰ কৰা হব, শোষণেই হৈছে হিংসাৰ মূল বস্তু। গতিকে অহিংস হোৱাৰ আগতে আপোনালোক গ্ৰাম্য মনোভাবাপন্ন হব লাগিব আৰু গ্ৰাম্য মনোভাবাপন্ন হবলৈ হলে অন্তৰত আপোনালোকৰ বিশ্বাস থাকিব লাগিব।"

প্ৰশ্নাৱলী

এই সম্বন্ধে সভ্যসকল নীৰৱ হৈ থাকিল আৰু পিছদিনা তেওঁলোকে গান্ধীজীক আকৌ লগ ধৰিলে। অসংখ্য প্ৰশ্নই তেওঁলোকক অশান্তি দিবলৈ ধৰিছিল, অহিংসাৰ পূজাৰী প্ৰত্যেককে তেনে প্ৰশ্নই অশান্তি দিয়াই উচিত। কিন্তু গান্ধীজীৰ সময়ৰ নাটনিলৈ লক্ষ্য ৰাখি তেওঁলোকে মাত্ৰ কেইটিমান প্ৰশ্নতে নিজক সীমাবদ্ধ কৰি ৰাখিলে।

"আপোনাৰ ধাৰণাৰ অহিংসাত বিশ্বাসী এজন লোক কেনেকৈ মন্ত্ৰী হব পাৰে?"

"মোৰ শঙ্কা হয় যে বৰ্ত্তমান অৱস্থাত নোৱাৰে।" গান্ধীজীয়ে কলে। "আমি দেখিছোঁ স্বায়ত্তশাসনৰ পূৰ্ব্বৰ ব্ৰিটিছ চৰকাৰৰ দৰেই আমাৰ মন্ত্ৰী সকলে হিংসাৰ আশ্ৰয় লব লগা হয়। বোধকৰো এইটো অপৰিহাৰ্য্য। কংগ্ৰেছ কৰ্মীসকল প্ৰকৃততে অহিংস হোৱা হলে ,বল প্ৰয়োগ কৰিব লগা

নহলহেঁতেন। কিন্তু কংগ্ৰেছৰ সংখ্যা গৰিষ্ঠতা অবিমিশ্ৰ অহিংসাৰ ওপৰত প্ৰতিষ্ঠিত নহয়। সিদিনাখন এজন মন্ত্ৰীয়ে কলে যে যদিও তেওঁ অহিংসা এক-বিন্দু পৰিত্যাগ কৰা নাই, তথাপি ন্যূনতম গুলি চালনাৰ আশ্ৰয় নোলোৱাকৈ তেওঁৰ নচলে। যিমানলৈকে অপৰিহাৰ্য্য সিমানলৈকেহে তেওঁ তাৰ আশ্ৰয় লৈছে। এই কথা তেওঁ তেতিয়াহে কৈছিল, মই নকৈ নোৱাৰোঁ যে তেওঁ আকৌ এই কথা কব নোৱাৰে। কাৰণ তেওঁ যদি আকৌ কয় তেন্তে তেওঁ তেওঁৰ অৱস্থাটো স্পষ্ট কৰি দিব পাৰিব, আৰু তেওঁ এনে এক সদনৰ প্ৰতিনিধিত্ব কৰিব যিখন সদন মুখ্যত অহিংস। অন্য কথাত, তেওঁ পদবী গ্ৰহণ কৰিব যদিহে তেওঁ নিশ্চিত হয় যে বাইজে তেওঁক অহিংসাৰ ভেটিত চৰকাৰ চলাই যাবলৈ দিব।"

"কিন্তু এনে হব নোৱাৰে নে যে এজন অহিংস মন্ত্ৰীয়ে হিংসাক নিম্নতম পৰিমাণত ৰাখিব আৰু আনহাতে অহিংসাত বিশ্বাস নথকা এজনে তেনে কোনো সংযম মানি নচলিব?"

"তেনে বিশ্বাস এটা ভ্ৰান্ত ধাৰণা। আজি হিংসা অনুসৰণ কৰা সকলোৱেই একে দাবীকে কৰে। হিটলাৰেও একে কথাকে কব। জেনেৰেল ডায়াৰক সেই সময়ৰ বীৰ বুলি লৰ্ডচ সদনে ঘোষণা কৰিছিল কাৰণ তেওঁৰ উদ্দেশ্য উন্মত্ত জনতাৰ হিংসা কাৰ্য্য বিস্তৃত হোৱাত বাধা দিয়াটো বুলি কোৱা হৈছিল। চোভিয়েত ৰুছিয়াই তেওঁলোকৰ হিংস কাৰ্য্যক হিংসাবিহীন সমাজ ব্যৱস্থা প্ৰতিষ্ঠাৰ এটা মধ্যৱৰ্ত্তী স্তৰ বুলি ভাবে। আমাৰ বৰ্ত্তমান বিশ্বাস আৰু কাৰ্য্য-পন্থাত প্ৰত্যেককে বিনা বাধাই উন্নতি কৰিবলৈ এৰি দি সংঘটো ভাঙি দিয়াই ভাল হব।"

"কিন্তু এই বুলিও কোৱা হৈছে," কিশোৰীলাল ভায়ে কলে, "যে সভ্যপদ আমি গঠনমূলক কামত নিযুক্ত লোকৰ মাজত সীমাবদ্ধ কৰি ৰাখিব পাৰোঁ।"

"সেইটো পৰামৰ্শ ভাল, আৰু আমি বোধকৰো সংঘটোক তেনে এটা অনুষ্ঠানলৈ ৰূপান্তৰ কৰিব পাৰোঁ, তাৰ পিছত প্ৰত্যেকেই ব্যক্তিগত ভিত্তিত নিজকে যিমান পাৰোঁ শুদ্ধ কৰি তুলিম। কাৰণ আত্মশুদ্ধীকৰণ বিনে অহিংসা সম্ভৱপৰ নহয়। গতিকে আহক আমি এটা আত্ম-শুদ্ধীকৰণ সঙ্ঘৰ সভ্য হওঁ, কিন্তু তাৰ কাৰণে কোনো সঙ্ঘৰ প্ৰয়োজন নাই। গতিকে আহক আমি প্ৰত্যেকেই নিজ নিজ পথেৰে যি অসুবিধা আৰু সমস্যা আছে তাৰে সন্মুখীন হবলৈ চেষ্টা কৰোঁ আৰু চাওঁ আমি কিমান দূৰ আগুৱাব পাৰোঁ। ছুৰছুৰ

আগতে দলিত মই নির্বাচনত সহায় কৰিবলৈ আৰু যিমান পাৰি ভাল ভাল লোকক বিধানসভালৈ পঠোৱাত সহায় কৰিবলৈ আপোনালোকক কৈছিলোঁ। সেই সময়ত যি পৰিবেশ আছিল সেই পৰিবেশতহে মই উপদেশ দিছিলো। আজি মই আপোনালোকক সেই উপদেশ দিব নোৱাৰোঁ। দৰাচলতে এনে সময় হয়তো আহিছে যেতিয়া মই ১৯৩৪ চনত কৰাৰ দৰে আপোনালোকৰ মাজৰ সাহসীৰ অহিংসাত বিশ্বাসী সকলে কংগ্ৰেছৰ পৰা আঁতৰি লব লগা হব।”

“জনসাধাৰণে অহিংসা মানি চলিব পাৰে বুলি আপুনি কেনেকৈ ভাবে, যিহেতু আমি জানো যে তেওঁলোক সকলো ক্ৰোধ, ঘৃণা, অসূয়াৰ প্ৰতি আসক্ত? অতি সামান্য বস্তুৰ কাৰণে যুদ্ধ বাগৰ কৰে বুলি তেওঁলোক জনাজাত।”

“তেওঁলোক তেনে হয়, তথাপি মই ভাবোঁ যে উমৈহতীয়া মঙ্গলৰ কাৰণে তেওঁলোকে অহিংসা মানি চলিব পাৰে। আপোনালোকে ভাবে নেকি যে বেআইনী লোণ সংগ্ৰহ কৰা হাজাৰ হাজাৰ তিৰোতা মানুহৰ মনত কাৰোবাৰ প্ৰতি অসূয়া আছিল? তেওঁলোকে জানিছিল যে কংগ্ৰেছ বা গান্ধীয়ে তেওঁলোকক কিছুমান কাম কৰিবলৈ দিছিল আৰু সেই কাম তেওঁলোকে বিশ্বাস আৰু আশাৰে কৰিছিল। মোৰ মনত অহিংসাৰ মনোবৃত্তি বিশুদ্ধকৈ প্ৰদৰ্শন হৈছিল চম্পাৰনত। ভূমি বিষয়ক অন্যায়ৰ বিৰুদ্ধে বিদ্ৰোহী হৈ উঠা হাজাৰ হাজাৰ ৰায়তে ধনিষ্ঠামানো অসদিচ্ছা চৰকাৰ নাইবা বাগিছাৰ গৰাকীসকলৰ বিপক্ষে পোষণ কৰিছিল নে? অহিংসাত তেওঁলোকৰ বিশ্বাস থকাটো অবোধগম্য আছিল, যেনেকৈ পৃথিবীখন ঘূৰণীয়া বুলি থকা বহুতৰে বিশ্বাস অবোধগম্য। কিন্তু নেতাসকলৰ প্ৰতি তেওঁলোকৰ আস্থা আছিল প্ৰকৃত আৰু সেইখিনিয়েই আছিল যথেষ্ট। যি সকলে নেতৃত্ব কৰে তেওঁলোকৰ কথাটো স্বকীয়া। তেওঁলোকৰ বিশ্বাসটো বোধগম্য হব লাগিব আৰু তেওঁলোকে ইয়াৰ তাৎপৰ্য্যৰ সম্মান ৰক্ষা কৰি চলিব লাগিব।”

“কিন্তু সমগ্ৰ বিশ্বৰ জনসাধাৰণেই তেনে নহয় নে?”

“তেনে নহয়, কাৰণ আনসকলৰ ক্ষেত্ৰত অহিংসাৰ সেই পটভূমি নাই।”

“কিন্তু যদিহে আমাৰ জনসাধাৰণৰ মাজত অহিংসা মজ্জাগত হৈ আছিল তেন্তে তেওঁলোক এই দাসত্বৰ অৱস্থাত পৰিছিলহি কিয়?”

“তাতেইহে মোৰ অৱদান হব বুলি ভাবি মই নিজকে ভাগৰি বোলাওঁ। দুৰ্বলৰ অহিংসা শুচি সাহসীৰ অহিংসা হোৱাটো মই বিচাৰোঁ। ই এটা

সপোন হব পাৰে, কিন্তু তাক সঠিকত পৰিণত কৰিবলৈ মই চেষ্টা কৰিব লাগিব।”

সেৱাগ্ৰাম, ২৯ ১০ '৩৯ ম দে

হৰিজন ৪ ১১ ১৯৩৯

[৯৫]

সিন্ধুৰ সংঘৰ্ষ

দুখেৰে আৰু মনোযোগেৰে মই সিন্ধুৰ সংঘৰ্ষৰ ঘটনাবিলাক অনুসৰণ কৰি আছোঁ। সকলোবোৰ বেয়া কামকে ভাল কৰিব পৰা কিবা শক্তি মোৰ আছে বুলি ধাৰণা কৰি বহুতো মানুহেই ভুল বিশ্বাসত পৰে। মহো ভাবোঁ, মোৰ যদি তেনেকুৱা কিবা এটা শক্তি থাকিলহেতেন। অৱশ্যে থাকিলেও সি যে কিবা এটা ঈশ্বৰৰ আশীৰ্বাদ হলহেতেন, সেইবুলি মই ভাবিব নোৱাৰোঁ। কাৰণ মোৰ হস্তগত সেইবোৰ শক্তি মই বেপৰোৱাভাবে ব্যৱহাৰ কৰাহেতেন তাৰ ফলত মানুহৰ দুৰ্গতিহে হলহেতেন। আনহাতে মই সেই শক্তি মুক্তভাৱে ব্যৱহাৰ কৰিব নোৱাৰিলেও সেইবোৰ মোৰ নিষ্ফল হলহেতেন। সেইবাবে মোৰ হাতত যেনে ধৰণৰ ক্ষমতা আছে তাক সেই ধৰণেই মই সম্পূৰ্ণভাৱে ব্যৱহাৰ কৰোঁ। ঈশ্বৰক ধন্যবাদ যে সেইবোৰ শক্তিৰ দ্বাৰা অনিষ্ট হোৱাৰ ক্ষমতা নাই। আত্মসাহায্যৰ কথা মানুহক শিক্ষা দিয়াটোৱেই হৈছে মোৰ মাই কাম।

চিকাৰপুৰৰ পৰা এইখন শোকাবহ টেলিগ্ৰাম আহিছে

> “সংঘৰ্ষ, লুটপাত, অগ্নিসংযোগ। চুক্কুৰ জিলাৰ গাওঁবোৰৰ হিন্দুসকলক নিৰ্দ্দয়ভাৱে হত্যা, মহিলা আৰু যুৱতীসকলক বলাৎকাৰ আৰু অপহৰণ। হিন্দুৰ জীৱন আৰু সম্পত্তি নিৰাপদ নহয়। পৰিস্থিতি অতিশয় সংকট-জনক। চৰকাৰৰ নীতি দৃঢ় নহয়। ব্যক্তিগতভাৱে পৰিস্থিতিৰ বুজ লবলৈ তদন্ত কমিটী শীঘ্ৰে পঠাবলৈ প্ৰাৰ্থনা।—সভাপতি, হিন্দু সাধাৰণ পঞ্চায়ত।”

সিন্ধুৰ পৰা অহা এইখন এনে ধৰণৰ তৃতীয় টেলিগ্ৰাম। ইয়াৰ আগৰ দুখন টেলিগ্ৰামত মই সিমান গুৰুত্ব দিয়া নাছিলোঁ; কাৰণ মাইকৈ মই এলাহাবাদত ব্যস্ত আছিলোঁ আৰু তেওঁলোকক দিবলৈ মোৰ তেনে লাই সান্ত্বনাও নাছিল। চিকাৰপুৰ পঞ্চায়তে সাহায্য বিচাৰি এজন ভুল মানুহৰ

ওচৰ চাপিল। কিয়নো মই নিজেই অসহায়। কংগ্ৰেছে এতিয়াও সংঘৰ্ষ বা বা তেনেবোৰ পৰিস্থিতিৰ সম্মুখীন হবৰ বাবে অহিংসাত যথেষ্টভাৱে আগবঢ়া নাই। কংগ্ৰেছে নিজৰ মৰ্য্যাদা ৰক্ষা কৰিবলৈ হলে অহিংসাক তেনেবোৰ পৰিস্থিতিৰ সম্মুখীন হব পৰাকৈ যথেষ্টভাবে বিকাশ কৰিব লাগিব। মই "শান্তিবাহিনী" গঠন কৰাৰ পৰামৰ্শ দিছিলোঁ, কিন্তু সেই পৰামৰ্শ কাৰ্য্যকৰী হওক নহওক, বৰ আগতীয়া হল। নিঃসন্দেহে চৰকাৰে নিজৰ এলেকাধীন বাইজৰ জীৱন আৰু সম্পত্তি ৰক্ষা কৰিবলৈ সমৰ্থ হোৱা উচিত। কিন্তু পৰিস্থিতি এতিয়া তেওঁলোকৰ আয়ত্তৰ সম্পূৰ্ণ বাহিৰত। সিন্ধু নামমাত্ৰ এখন স্বায়ত্ত শাসিত অঞ্চল আৰু সেই হিচাপে পূৰ্ব্বৰ চৰকাৰৰ তুলনাত ৰাইজৰ জীৱন আৰু সম্পত্তি ৰক্ষা কৰাত সিমান সক্ষম নহয়। কাৰণ এওঁলোকৰ পুলিচ আৰু মিলিটেৰী পৰিচালনাৰ কোনো পূৰ্ব্ব অভিজ্ঞতা নাই। মোৰ আগৰবোৰ লিখাতে মই দেখুৱাই আহিছোঁ যে ৰাইজৰ জীৱন আৰু সম্পত্তিৰ নাশত বাধা দিয়াত কেন্দ্ৰীয় চৰকাৰ একেবাৰে শক্তিহীন, সংঘৰ্ষৰ সময়ৰ ভিতৰত তেওঁলোক তাতোকৈয়ো অকিমলা। চৰকাৰে ইচ্ছা কৰিলে সংঘৰ্ষ ৰোধ কৰিব পাৰে। আৰু দুৰ্ব্বৃত্তবিলাকক শাস্তি দিব পাৰে। কিন্তু এই চৰকাৰটো গঠিত হৈছে কেৱল সাম্ৰাজ্যিক ব্যৱসায় বাণিজ্য ৰক্ষা কৰিবৰ বাবেহে আৰু ব্যৱসায় বাণিজ্যৰ নিৰাপত্তাৰ খাটিৰত যিমানখিনিলৈকে ৰাইজৰ শান্তি ৰক্ষা কৰাৰ প্ৰয়োজন সিমানখিনি কৰিলেই যেন হ'ল। সেইবাবে জনসাধাৰণৰ প্ৰকৃত নিৰাপত্তা দিব পৰা কোনো ব্যৱস্থা এই চৰকাৰৰ হাতত নাই। এনে নিৰাপত্তাৰ ব্যৱস্থাত জনসাধাৰণৰ আত্মৰক্ষাৰ বাবে প্ৰশিক্ষণৰ আৰু সাম্প্ৰদায়িক সংঘৰ্ষ বা তেনেবোৰ পৰিস্থিতিত জনসাধাৰণৰ সহযোগ লাভৰ প্ৰয়োজন হয়। কিন্তু সি হব নোৱাৰে; কাৰণ ইয়াৰ ফলত সাম্ৰাজ্যবাদী শাসনৰ নিজৰে বিপদ হয়।

এতিয়া একমাত্ৰ কাৰ্য্যকৰীভাৱে সিন্ধীসকলক মই দিব পৰা সাহায্য হৈছে তেওঁলোকক অহিংসাৰ পন্থা দেখুৱাই দিয়া। কিন্তু অহিংসা একে দিনতে শিকিব পৰা বস্তু নহয়। আনটো বিকল্প পন্থা হৈছে এতিয়ালৈকে পৃথিৱীয়ে গ্ৰহণ কৰি অহা পন্থাটোৱেই। অৰ্থাৎ জীৱন আৰু সম্পত্তি ৰক্ষাৰ বাবে সশস্ত্ৰ প্ৰতিৰক্ষা। নিজে নিজক সহায় কৰা সকলকহে কেৱল ঈশ্বৰেও সহায় কৰে। এই ক্ষেত্ৰত সিন্ধীসকল ব্যতিক্ৰম নহয়। তেওঁলোকে দস্যু, দুৰ্ব্বৃত্ত, আক্ৰমণকাৰী ইত্যাদিবোৰৰ পৰা নিজক ৰক্ষা কৰাৰ বিদ্যা আয়ত্ত নকৰিলে নহব। যদিহে তেওঁলোকে সেইদৰে নিজে নিৰাপদ নহয় বুলি ভাবে আৰু নিজক ৰক্ষা কৰাত

অতিশয় দুৰ্ব্বল, তেনেহলে তেওঁলোকৰ বাবে বিপদজনক হৈ পৰা সেই ঠাই এৰি গুচি যাব লাগে।

সেৱাগ্ৰাম, ২৮ ১১-'৩৯

হৰিজন ২ ১২ ১৯৩৯

[৯৬]

পৰম কৰুণাময়ৰ হাতত

"প্ৰিয় বন্ধু,

ব্যক্তিগতভাৱে মোৰ লগত আপোনাৰ পৰিচয় নাই, কিন্তু ১৯৩১ চনত যেতিয়া আপুনি লাংকাশ্বায়াৰৰ ডাৰৱেনত থকা গ্ৰীনফিল্ড কাপোৰ কলটো চাবলৈ আহে তেতিয়া মই আৰু মোৰ পত্নীয়ে আপোনাক প্ৰায় আলহীকৈ ৰাখিব খুজিছিলোঁ। সেই বছৰ লাংকাশ্বায়াৰত ব্যাপক নিবনুৱা সমস্যাই এক দুৰ্য্যোগৰ সৃষ্টি কৰিছিল আৰু আপুনিও ইংলণ্ডত থকা অৱস্থাতে আমাৰ কপাহ শিল্পজীৱীসকলক ব্যক্তিগতভাৱে লগ পাবলৈ ভাল পাব বুলি সম্ভৱ মতে প্ৰথমতে আশা প্ৰকাশ কৰিছিলোঁ। আৰু এই আশাকে মই মোৰ বন্ধু চি, এফ, এণ্ড্ৰুজৰ যোগেদি আপোনাক জনাইছিলোঁ। কিন্তু আপোনাৰ সেই সাক্ষাতৰ ঠিক আগমুহূৰ্ত্ততে আমি আমাৰ ডাৰৱেনৰ ঘৰ এৰি আৰু গ্ৰীনফিল্ড কাৰখানাৰো জনকল্যাণ পৰিদৰ্শকৰ কামৰ পৰা বদলি হৈ বাৰ্লিনৰ কোৱেকাৰ ইণ্টাৰনেশ্যনেল কেন্দ্ৰত আন এটা নতুন কাম আৰু নতুন জীৱন লবলৈ যাব লগা হ'ল। তেতিয়া আপোনাক আমাৰ বন্ধু আৰু আমাৰ পদৰ উত্তৰাধিকাৰী চাৰ্লচ আৰু হেৰিয়েট হাৱৰ্থে অভ্যৰ্থনা জনাইছিল।

জাৰ্ম্মানিত আমাৰ চাৰিটা সৰু লৰা ছোৱালীৰে পৰিয়ালটোৰ চাৰে পাঁচ বছৰ থকা হ'ল; আৰু এইখিনি সময়ৰ ভিতৰতে আমি এই দেশৰ বহুতো মানুহকে জনাৰ আৰু মিলাপ্ৰীতি হোৱাৰ সুযোগ পাইছোঁ, লগতে বৰ্ত্তমান সময়ত ইয়াত হবলৈ ধৰা নৈতিক আৰু ৰাজনৈতিক বিকাশৰ সকলোবোৰ কৰুণ ঘটনাৱলীকে পোনপটীয়াভাৱে লক্ষ্য কৰাৰ আৰু তাত অংশ লোৱাৰ সুযোগ পাইছোঁ। যোৱা যুদ্ধই নিঠৰুৱা কৰি থৈ যোৱা অন্নহাৰা শিশুসকলৰ সেৱাকাৰ্য্য কৰা কোৱেকাৰ সাহায্য প্ৰতিষ্ঠানৰ লগত আমিও সেৱাকাৰ্য্য কৰিবৰ সুবিধা পোৱাৰ ফলত আমি ইতিমধ্যে জাৰ্ম্মানি আৰু ইয়াৰ জনসাধাৰণৰ বিষয়ে সকলো কথা ভালদৰে জানি উঠিছোঁ।

এই যুদ্ধৰে আগছোৱাত আপুনি হৰিজন কাকতত লিখা কেইশাৰীমান কথা মই অতি আগ্ৰহ আৰু উৎসাহেৰে পঢ়িছিলোঁ আৰু সেইখিনি কথাই সেই অশান্তিৰ সময়ত মোক বৰ সাহায্য কৰিছিল আৰু সান্ত্বনা দিছিল। কথাখিনি আছিল এনেকুৱা "হিংসাৰ দ্বাৰা মোৰ স্বদেশৰ স্বাধীনতা অনাটো যদি সম্ভৱো হয়, তথাপি মই ব্যক্তিগতভাৱে তেনে স্বাধীনতা কিনি নালোঁ। মই এই কথা বিশ্বাস কৰোঁ যে তৰোৱালেৰে যি লাভ কৰা যায়, তাক সেইদৰে তৰোৱালৰ হাতত হেৰুৱাও যায়, আৰু মোৰ এই বিশ্বাস অবিনাশী।" যুদ্ধৰ এই প্ৰথম শোকাবহ সপ্তাহ কেইটাৰ ভিতৰত মোৰ মনত যিমানবোৰ কথাৰ উদয় হল সেইবোৰ মোৰ বন্ধু আগাথা হেৰিচনৰ আগত উল্লেখ কৰি উঠি এতিয়া মই সেইবোৰকে আপোনালৈ লিখিবলৈ আৰু আপোনাৰ আগত কৰলৈ উদ্‌গনি পাইছোঁ। যুদ্ধৰ ওপৰত আপুনি লিখা কেতবোৰ কথা তেওঁ মোক পঢ়ি চাবলৈ দিছিল আৰু সেইবোৰ পঢ়িয়েই যুদ্ধৰ প্ৰতি আপোনাৰ মনোভাৱৰ বিষয়ে মই জানিব পাৰিছোঁ, কিন্তু সেয়ে হলেও মোৰ মনত এনে কিছুমান গভীৰ সংশয়ৰ উদ্ৰেক হৈছে যিবোৰ কথাকে মই আপোনাৰ আগত কৰলৈ অনুমতি বিচাৰিছোঁ।

মই আজি কালি প্ৰায়েই আনকি শান্তিত বিশ্বাসী আৰু সুন্দৰ এনেবোৰ বন্ধুও লগ পাওঁ, যিসকলে জেকোস্লোভেকিয়া আৰু পোলেণ্ডৰ দৰে দেশৰ স্বাধীনতা অতি নিৰ্দ্দয়ভাৱে দমন হোৱা দেখি নিজকে এক নৈতিক সঙ্কটত পৰা যেন পাইছে। তেওঁলোকে ভাবে যে এনে পৰিস্থিতিত যুদ্ধ অনিবাৰ্য্য আৰু হেৰোৱা স্বাধীনতা পুনৰুদ্ধাৰ কৰাৰ কাৰণে যুদ্ধ কৰাটো তেওঁলোকৰ দেশৰ এটা কৰ্তব্যৰ ভিতৰত পৰিব—অৱশ্যে ব্যক্তিগত ভাৱে যদিও তেওঁলোকে যুদ্ধৰ পৰা সম্ভৱত আঁতৰি থাকিব। মই এই কথাত বিস্মিত হৈছোঁ যে এনে এটা সময়ত আপোনাৰ দৰে এজন সৰ্ব্বজন মান্য ঋষি আৰু নেতাই গোটেই পৃথিৱীকে যুদ্ধৰ এই মূৰ্খামি আৰু ধ্বংসৰ খেলাৰ সলনি আন পন্থা গ্ৰহণ কৰিবলৈ উদাত্ত আহ্বান নজনায় কিয়,—যিটো পন্থাৰ দ্বাৰা অকল বাদ বিসম্বাদৰ মীমাংসা কৰাই নহয়, দুষ্কৃতিৰ প্ৰতিৰোধ কৰা হ'ব আৰু আনকি ৰাজনৈতিক লক্ষ্য সাধন কৰাতো ততোধিক মূল্যবান পন্থা হিচাপে ব্যৱহৃত হ'ব। আমি ১৯১৪ ১৯১৮ চনৰ যুদ্ধৰ অভিজ্ঞতাৰ পৰাই দেখিছোঁ যে যুদ্ধৰ লক্ষ্য পোনতে যিমানেই সৎ উদ্দেশ্য প্ৰণোদিত নহওক লাগিলে, যুদ্ধৰ পন্থাই সেই লক্ষ্যক দূষিত কৰিবই; কিন্তু আনহাতে অহিংসাৰ নৈতিক উপায় আৰু নিষ্পাপ প্ৰেমে সেই লক্ষ্য শক্তিশালী আৰু পবিত্ৰ কৰিহে তুলিব, যদি সেই লক্ষ্য নৈতিক অধিকাৰ আৰু ন্যায়ৰ ভেটিত প্ৰতিষ্ঠিত হয়। ইয়াকে আপুনি আমাক শিকাইছে।

মই ভাবোঁ যে দুৰ্গত আৰু নিপীড়িত মানুহক,—ব্যক্তিয়েই হওক বা জাতিয়েই হওক—যুদ্ধতকৈ উৎকৃষ্টতৰ পন্থাৰে সহায় কৰা বিষয়ত নেতৃত্ব দিব পৰা কেৱল আপোনাৰ দৰে আধ্যাত্মিক শক্তিৰ অধিকাৰী পুৰুষ এজনেইহে আগবাঢ়ি আহি বৰ্ত্তমানৰ নৈতিক সঙ্কটত জুকলা হোৱা বহু লোকৰ অন্তৰত সঞ্জীৱনী শক্তি দিয়কহি, আৰু বৰ্ত্তমানৰ এই সঙ্কটৰ ফল স্বৰূপেই সভ্যতা আৰু স্বাধীনতা ৰক্ষাৰ নামত অথবা হিটলাৰীবাদক তাৰ নিজৰ অস্ত্ৰেৰেই ধ্বংস কৰাৰ নেতিবাচক লক্ষ্যেৰে এখন যি ধৰ্ম্মযুদ্ধ চলাই যোৱাৰ চেষ্টা হৈছে, সেই চেষ্টাক উৎসাহিত কৰিবলৈ গৈ বিকৃত আৰু অপবিত্ৰ কৰা আধ্যাত্মিক শক্তিক আপুনি আহি মুক্তি দিয়কহি।

বিচাৰ কৰাৰ কোনো নৈতিক অধিকাৰ মোৰ নাই, বৰঞ্চ সেই অধিকাৰ আপোনাৰহে আছে, কিন্তু মই জানো আপুনি স্পষ্টবাদিতাৰ প্ৰশংসা কৰে আৰু সেইবাবেই মই ভাবি বিমোৰত পৰা কিছুমান কথা আপোনাক কবলৈ সাহ পাইছোঁ। সেইটো হৈছে যে আপুনি চমকপ্ৰদ ভাবে চলাই যোৱা আপোনাৰ অতি উৎকৃষ্ট পন্থাটোৰ বিষয়ে প্ৰচাৰ কৰাৰ সুযোগ লৈ, আপুনি যেন ঘাইকৈ যুদ্ধৰ পৰিস্থিতিৰ পৰা ভাৰতৰ স্বাধীনতা লাভৰ বাবে কি ৰাজনৈতিক সুবিধা লাভ কৰিব পাৰে (মই নিশ্চিত যে মোক ভুল বুজিব), তাকেহে ভাবিছে। মানুহৰ এই ধাৰণাই হয় যে আপুনি যুদ্ধৰ সুযোগ লবলৈ বিচাৰে আৰু উচিত দৰদাম আদায় কৰিব পাৰিলে আপুনি মিত্ৰশক্তিক তেওঁলোকে যুদ্ধৰ জৰিয়তে লক্ষ্য সাধন কৰিব খোজাৰ প্ৰচেষ্টাক আনন্দেৰেই সহায় কৰিব।

ভাৰতৰ অৱস্থাৰ বিষয়ে মোৰ বিশেষ জ্ঞান নাই, কিন্তু ভাৰতৰ শ্ৰেষ্ঠ মতামতৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক ৰক্ষা কৰা মোৰ অন্তৰঙ্গ বন্ধুসকলৰ বুদ্ধি-বিবেচনাৰ ওপৰত নিৰ্ভৰ কৰি ময়ো মোৰ বন্ধুসকল আৰু আপোনালোকৰ আশা-আকাঙ্ক্ষা পূৰণ হোৱা দেখা পাবলৈ ইচ্ছুক। কিন্তু তাকে মই আশা কৰিম মোৰ ব্ৰিটিছ জনসাধাৰণ আৰু চৰকাৰৰ হোৱা উদাৰতাৰ প্ৰতি হৃদয় পৰিবৰ্ত্তনৰ ফল হিচাপেহে—যিটো হৃদয় পৰিবৰ্ত্তনৰ উদ্দেশ্যত আক্ৰমণ আৰু সাম্ৰাজ্যবাদী দমনেৰে ভৰা এখন পৃথিবীৰ স্বপ্ন, নাথাকি থাকিব এখন নতুন আৰু উৎকৃষ্ট জগতৰ প্ৰতি উদাৰ আকাঙ্ক্ষা আৰু দৃঢ়তা। কিন্তু সেয়ে নহৈ সাম্ৰাজ্যবাদী ব্ৰিটেনে নিজৰ হৃদয় পৰিবৰ্ত্তন নকৰাকৈ কেৱল যুদ্ধত জয়লাভৰ বাবে ভাৰতৰ সাহায্য লাভ কৰাৰ উদ্দেশ্যেৰেই দৰদাম কৰি আপোনালোকৰ আশা পূৰণ কৰাটো মই নিবিচাৰোঁ।

যুদ্ধই আপোনাৰ অন্তৰত যি বিষাদৰ সৃষ্টি কৰিছে তাত মোৰো অন্তৰে কান্দিছে। মই জাৰ্মান লোকসকলৰ ভাল গুণ বহুতৰোৰ দেখা পাইছোঁ,—আৰু মই তাৰ পাওঁ সেই ডেকাসকলৰ মাজত দেখিছোঁ

আত্মত্যাগৰ আদৰ্শ। লগতে মই তেওঁলোকৰ বেয়া কথাবোৰকো ঘনিষ্ঠভাবে জানিব পাৰিছো যুদ্ধত ক্ষতিগ্ৰস্ত হোৱা লোকসকলৰ সাহায্য কৰিবলৈ গৈ। মই এটা নাজী বন্দীশালালৈ গৈছিলোঁ। তালৈ গৈ মোৰ বিশ্বাস হল যে জাৰ্মানি আৰু মোৰ নিজৰ দেশৰ চকুজুৰোৱা লক্ষ লক্ষ যুৱকক পৰস্পৰে কটাকটি কৰি মৰিবৰ বাবে আমি যি পথ লৰলৈ ওলাইছো, তাৰ সলনি তেওঁলোকক সহায় কৰিব পৰা মহত্ত্বৰ পথ এটা যেন মই ৬ৰুই কষ্টকৰ ঠাইলৈ গৈ দেখিবলৈ পালোঁ। আমি লাহে লাহে এক দুৰ্ব্বৰ গভীৰলৈ সোমাই যাব ধৰিছো, কিন্তু অধিক পলম হোৱাৰ আগতেই যাতে তাৰ পৰা উদ্ধাৰ হোৱাৰ বাট পাব পাৰোঁ সেইটোকে সমগ্ৰ বিশ্বৰ বহুতো মানুহে আগ্ৰহেঁৰে বাট চাই আছে বুলি মই ভাবোঁ। হয়তো এই বিষয়ত অকল আপুনিয়েহে আমাক সহায় কৰিব পাৰে। আপোনাৰ ওপৰত এই ভাৰ দিব পাৰি নে নোৱাৰি সেই কথা ভাবি কৰলৈ মিনতি জনাই মই গভীৰ উদ্বেগেৰে এই চিঠি আপোনালৈ লিখিছো।

পৰম শ্ৰদ্ধা আৰু প্ৰীতিৰে,

৪৯ পাৰ্লিয়ামেণ্ট হিল,
লণ্ডন, এন ডব্লিউ ৩

আপোনাৰ একান্ত বন্ধু,
কৰ্ডাৰ কেচ পুল।"

মই জানো যে মোৰ পৰা এটা উৎকৃষ্ট পন্থা পাবলৈ আশা কৰা বহুতো ইংৰাজৰ মনৰ কথাকে এই চিঠিখনে প্ৰকাশ কৰিছে। মোৰ সত্তৰ বছৰ পূৰ হোৱা উপলক্ষে চাৰ ৰাধাকৃষ্ণনে সংগ্ৰহ কৰা প্ৰশস্তি প্ৰবন্ধাৱলীয়ে হাজাৰ হাজাৰ শান্তিপ্ৰেমী লোকৰ মনৰ আশা গভীৰ কৰিছে। কিন্তু সেই আশা পূৰ্ণ কৰাত যে মই কেনে এটা ক্ষুদ্ৰ যন্ত্ৰ তাক মই জানো। গুণমুগ্ধসকলে মোক মই পাবলগীয়া প্ৰশংসা জনায়। ভাৰতে যে পৃথিৱীৰ আগত সবলৰ অহিংসাৰ সুন্দৰ উদাহৰণ দাঙি ধৰিছে আৰু তেনে অহিংসাৰেই যে সশস্ত্ৰ প্ৰতিৰক্ষাৰ সলনি বিদেশী আক্ৰমণকাৰীক প্ৰতিৰোধ কৰিব পাৰি সেই কথাৰ প্ৰমাণ চাব মই এতিয়াও পৰা নাই। দুৰ্ব্বলৰ অস্ত্ৰ হিচাপে নিষ্ক্ৰিয় অহিংসাৰ কৃতকাৰ্য্যতা ভাৰতে নিঃসন্দেহে দেখুৱাই আহিছে। কিন্তু সন্ত্ৰাসবাদৰ সলনিহে ই এটা কাৰ্য্যকৰী পন্থা বুলি বিবেচনা কৰিলে মই তেতিয়া এই পন্থাৰ কোনো নতুনৰ দাবী নকৰো বা ইয়াৰ গুণৰ কথাও নকওঁ। শান্তি আন্দোলনত ই কোনো ৰৱঙণি নহয়।

কংগ্ৰেছৰ দাবীৰ সৈতে থকা মোৰ মিলখিনিৰ লগত মোলৈ চিঠি লিখোঁতাজনে উদ্ধৃতি দিয়া মোৰ পূৰ্ব্বৰ লিখাৰ অমিল হোৱা যেন লগাটো একো আচৰিত

কথা নহয়। অৱশ্যে অমিল একো হোৱা নাই। ভেতিয়াৰ দৰে এতিয়াও মই অহিংসাৰ বিনিময়ত স্বাধীনতা লাভ কৰিবলৈ নিবিচাৰোঁ। সমালোচকসকলে চিঞৰিব পাৰে যে ব্ৰিটিছ চৰকাৰে আমি বিচৰামতে ঘোষণা কৰিলেই মই মিত্ৰপক্ষক সহায় কৰিমগৈ আৰু তাৰ দ্বাৰা হিংসাত জড়িত হৈ পৰিম। ব্ৰিটেনে যদি ওপৰঞ্চি সাহায্য হিচাপে কংগ্ৰেছৰ পৰা সম্পূৰ্ণ নৈতিক সমৰ্থন পালেহেতেন তেতিয়া হলে সমালোচকসকলৰ সেই অভিযোগ যুক্তিসঙ্গত হলহেতেন। কংগ্ৰেছে ধন জন একোকে আগ নবঢায়। নৈতিক প্ৰভাবো ব্যৱহাৰ কৰা হব শান্তিৰ সপক্ষেহে। মই আগতেই এই শিতানতে কৈ আহিছোঁ যে মোৰ অহিংসাই হিংসাৰ বিভিন্ন প্ৰকৃতিক মানি লয়, সেই প্ৰকৃতি হৈছে প্ৰতিৰোধাত্মক আৰু আক্ৰমণাত্মক। বহু দিনৰ পিছত যে সেই পাৰ্থক্যৰ চিন নোহোৱা হৈ পৰে সেই কথা সচা, কিন্তু তাৰ প্ৰাৰম্ভিক গুণ থাকি যায়। এজন অহিংস মানুহে দুটা ভাল আৰু বেয়া কথাৰ মাজত পৰি নিজৰ মত দিব লগা হলে সদায় ভাল কথাটোৰ পক্ষে মত দিবই। সেইবাবে মই আবিছিনিয়া, স্পেন, জেকোশ্লোভেকিয়া, চীন আৰু পোলেণ্ডৰ জনসাধাৰণৰ কৃতকাৰ্য্যতা কামনা কৰিছিলোঁ—যদিও প্ৰত্যেকৰ ক্ষেত্ৰতে মই ভাবিছিলোঁ যে তেওঁলোকে অহিংস প্ৰতিৰোধেৰেই দেশ ৰক্ষা কৰিব পাৰিলেহেতেন। বৰ্ত্তমান ক্ষেত্ৰত কংগ্ৰেছে যদি মি চেম্বাৰলেনে ঘোষণা কৰা কথাৰ ওপৰত ব্ৰিটিছৰ প্ৰস্তাৱত মান্তি হব পাৰে তেনেহলে ভাৰত স্বাধীন হৈ নিজৰ সমস্ত নৈতিক শক্তিৰে শান্তিৰ সপক্ষে ভৰ দিব। মোৰ মতেৰে মই ইয়াত যি ভূমিকা লৈছোঁ, সি একেবাৰে অহিংস। চৰকাৰক আহুকালত পেলোৱাৰ ইচ্ছা মোৰ অকণো নাই। যথহকৈ কোনো আইন অমান্যও হোৱাৰ কথা নাই। কংগ্ৰেছৰ দাবীৰ বিপৰীতে তোলা প্ৰত্যেকটো ন্যায্য আপত্তিকে যাতে বিবেচনা কৰি চাব পৰা যায় আৰু ব্ৰিটেনে প্ৰয়োজনীয় ঘোষণা পত্ৰ তৈয়াৰ কৰাৰ ক্ষেত্ৰত হব পৰা প্ৰত্যেকটো বাধাকে যাতে সহজ কৰিব পৰা যায়, তাৰ বাবে যত্ন লোৱা হৈছে। ইয়াৰ ফলত আটাইতকৈ অসুবিধাত পৰিছে যুঁজিবলৈ উদ্যত হৈ থকা, অৱশ্যে অহিংসাৰে, কংগ্ৰেছকৰ্ম্মীসকল। শান্তি ওচৰ চপাই অনাত মই নিজে এটা কাৰ্য্যকৰী ভূমিকা লবলৈ বিচাৰোঁ। কিন্তু সেই কাম কৰিব পাৰোঁ যদিহে ভাৰত যথাৰ্থতে ব্ৰিটেনৰ এক স্বাধীন মিত্ৰ হব পাৰে,—যদিও যুদ্ধ শেষ নোহোৱা পৰ্য্যন্ত সেইটো আইনতঃ হৈ উঠোঁতে কিছু পলম হবগৈ পাৰে।

কিন্তু মই বা কোন? ঈশ্বৰে দিয়া শক্তিৰ বাহিৰে মোৰ কোনো শক্তি নাই। মোৰ দেশৰ জনসাধাৰণৰ ওপৰতো একমাত্র নৈতিকতাৰ বাহিৰে আন কোনো কৰ্তৃত্ব নাই। বিশ্বত বৰ্ত্তমান চলিবলৈ ধৰা ভয়াবহ হিংসাৰ বাজখৰ ঠাইত অহিংসাৰ প্ৰচাৰ কৰিবলৈ ভগৱানে যদি মোক তেওঁৰ পবিত্ৰ যন্ত্ৰ হিচাপে বাছি লৈছে তেনেহলে তেৱেঁই মোক শক্তি দিব আৰু পথৰ সন্ধান দিব। মোৰ সৰ্ব্বোত্তম অস্ত্র হৈছে নীৰৱ প্ৰাৰ্থনা। গতিকে শান্তিৰ কাৰণো আছে পৰম করুণাময়ৰ হাতত। তেওঁৰ ইচ্ছাৰ অবিহনে একো কামেই হ'ব নোৱাৰে। সেই ইচ্ছা তেওঁ চিৰন্তন পৰিবৰ্ত্তনহীন বিধানেৰে প্ৰকাশ কৰে। ঈশ্বৰেই হৈছে সেই বিধান। আমি এখন দাপোণত অন্ধকাৰৰ মাজেৰে চোৱাৰ বাহিৰে ঈশ্বৰনো কোন আৰু তেওঁৰ বিধান বা কি একোকে নাজানো। কিন্তু তেওঁৰ বিধান বুলি যিকণ সামান্য জিনিঙনিকে পাইছোঁ, সেয়েই ভৱিষ্যতে মোক আনন্দ, আশা আৰু বিশ্বাসেৰে পৰিপূৰ্ণ কৰি তুলিবলৈ যথেষ্ট।

সেৱাগ্ৰাম, ৫ ১২ ৩৯

হৰিজন ৯ ১২ ১৯৩৯

[৯৭]

সিন্ধুৰ শোকাবহ ঘটনা

মোৰ সন্মুখত সিন্ধুৰ পৰা অহা ভালেমান চিঠিপত্ৰ আৰু ড° চৈথৰামে পঠোৱা বিৰাট প্ৰতিবেদন এখন পৰি আছে। অলপতে চুকুৰ আৰু চিকাৰ-পুৰত হোৱা সংঘৰ্ষৰ কথাই তাত আছে। সিন্ধুৰ যে এটা ৰাষ্ট্ৰীয় চৰকাৰ আছে সেই কথাটো সিন্ধুৰ হিন্দুসকলে মনত ৰখা উচিত। গৌৰৱ বোধ কৰিবলৈকে মই প্ৰায়ে কংগ্ৰেছ চৰকাৰ বোলা কথাষাৰ সঘনে ব্যৱহাৰ কৰোঁ যদিও সেইষাৰ কথা প্ৰকৃততে শুদ্ধ হ'ব ৰাষ্ট্ৰীয় গণতান্ত্ৰিক চৰকাৰ বুলি কলেহে। তেতিয়াহে ই ক্ষমতাচ্যুত কৰা বিদেশী আমোলাতান্ত্ৰিক চৰকাৰৰ পৰা এটা সম্পূৰ্ণ বেলেগ ৰূপ প্ৰকাশ কৰিব। আমি যেতিয়া আমাৰ ঘৰুৱা বাদ বিসম্বাদ আৰু দলীয় ৰাজনীতিৰ আলোচনা কৰোঁ তেতিয়া আমি কংগ্ৰেছ আৰু মুছলিম লীগ চৰকাৰৰ কথা কব লগা হয়, কিন্তু তাৰ বাহিৰে আন সকলো কথাতে ৰাষ্ট্ৰীয় চৰকাৰ বুলি আমি কব আৰু ভাবিব লাগিব। আৰু সেইবাৰে যিসকলে অসন্তোষ পাইছে তেওঁলোকে নিজৰ প্ৰদেশৰ ৰাষ্ট্ৰীয় চৰকাৰৰ ওচৰলৈহে গৈ

আবেদন কৰিবৰগৈ লাগিব আৰু ন্যায়বিচাৰ আৰু ৰাজহুৱা জীৱনৰ শান্তি বিচাৰি নিজৰ সপক্ষে জনমত গঢ়ি তুলিব লাগিব। সদায় সকলো কথাকে সাম্প্রদায়িক ভাবেৰে চিন্তা কৰাটো ভুল। মই জানো যে কিছুমান নির্ঘাত সত্য কথাৰ প্রতি আমি চকু মুদি থাকিব নোৱাৰোঁ। কিন্তু সেই বুলি প্রত্যেক কথাকে সাম্প্রদায়িকতাৰ লগত যুক্ত কৰাটোৱে এটা হীনাত্মিকা ভাৱৰহে পৰিচয় দিয়ে। এই মনোবৃত্তিয়েই আমাৰ ৰাষ্ট্রীয় জীৱনত বর্ত্তমানলৈকে ঘটি থকা সাময়িক উত্তেজনাবোৰক চিৰস্থায়ী কৰি পেলাবৰগৈ।

কিন্তু মই আগতেই কৈ আহিছোঁ, দায়িত্বহীন আমোলাতন্ত্রৰ বিপৰীতে চালে ৰাষ্ট্রীয় চৰকাৰক কার্য্যক্ষেত্রত দুর্ব্বল যন্ত্র হিচাপে দেখা পোৱা যাব, তাৰ কাৰণ হৈছে যি জনসাধাৰণৰ নামত আৰু সদিচ্ছাতহে কেৱল তেওঁলোকে শাসন চলাব পাৰে সেই জনসাধাৰণৰ ওচৰত ৰাষ্ট্রীয় চৰকাৰ দায়ী থাকিব লগা হোৱাটো। গতিকে তেওঁলোকে অপৰাধ দমন কৰোঁতে কম বেছি পৰিমাণে কৃতকার্য্য হলেও সাম্প্রদায়িক সংঘর্ষৰ নিচিনা জনবিক্ষোভৰ সন্মুখত শক্তিহীন হৈ পৰে। তেওঁলোকৰ সাহায্যৰ বাবে ব্রিটিছৰ সামৰিক বাহিনীও সদায়ে পোৱা নাযাব। তদুপৰি কংগ্রেছৰ অহিংসাৰ নীতি যদি সকলোবোৰ দলৰে মাজত জনপ্রিয় হৈ পৰে, তেনেহলে সামৰিক বাহিনী আৰু আনকি পুলিচৰ সাহায্যও কাৰো প্রয়োজন নহব। অন্যান্য দলবিলাক অহিংস হবলৈ আশা কৰাৰ আগতে কংগ্রেছ কর্ম্মীসকলে অহিংসাক নিজৰ দৈনন্দিন কার্য্য-কলাপত যথোচিতভাবে প্রকাশ কৰিব লাগিব। সেইবোৰ বাৰু যিয়েই নহওক, মই মাথোন সিন্ধুৰ পীড়িতলোকসকলক কেৱল অহিংসাৰ কথাৰেহে উপদেশ দিব পাৰোঁ।

সিন্ধুৰ প্রশ্নটো বাস্তৱিকতে এটা হিন্দু আৰু মুছলমানৰ প্রশ্ন নহয়। প্রকৃততে ই হৈছে দুর্ব্বল আৰু সবলৰ প্রশ্ন। মুছলমানসকলে হিন্দুৰ লগত যেনেকৈ কটা কটি কৰে, তেনেকৈ নিজৰ ভিতৰতো কটা কটি কৰে। হিন্দুৱেও নিজৰ ভিতৰত যুদ্ধ কৰি আহিছে। কিন্তু এইবোৰ সংঘর্ষৰ নৃশংসতা কোন ক্ষেত্রত বেছি সেইটো সোণৰ তুলাচনীৰে জুখি চাবলৈ যোৱাটো ভুল কথা হব।

হিন্দু ধর্ম্ম দুর্ব্বলতাৰ আৰু ইচলাম ধর্ম্ম শাৰীৰিক শক্তিৰ প্রতীক হৈ পৰিছে। হিন্দুসকলে অহিংসাত বিশ্বাস কৰিবলৈকে শিক্ষা পাইছে। যদিও, তেওঁলোকে দৈহিক শক্তিৰ প্রতিপক্ষত থিয় হৈ সামগ্রিকভাৱে অহিংসাৰ শক্তি প্রদর্শন কৰা নাই আৰু ইয়াৰ শ্রেষ্ঠতাও কেতিয়াও দেখুওৱা নাই। মই এই কথাকে কৈ

আহিছোঁ যে দৈহিক শক্তিৰ ওপৰত শ্ৰেষ্ঠতাই হৈছে অহিংসাৰ মূল বস্তু, লাগিলে সেই দৈহিক শক্তি যিমানেই বিপুল নহওক, আৰু মই ইয়াকো কওঁ যে এই অহিংসাক মানুহে গাইগুটীয়াভাৱে আৰু সমূহীয়াভাৱেও প্ৰয়োগ কৰিব পাৰে, আনকি কোটি কোটি মানুহেও একেলগে ইয়াক প্ৰয়োগ কৰিব পাৰে। ইয়াৰ পৰীক্ষা এতিয়াও হোৱাৰ বাটত। এই পৰীক্ষা যে ফলদায়ক হৈ উঠিব তাৰ প্ৰমাণ দাঙি ধৰিবলৈ যোৱা কুৰিটা বছৰত ভালেমান সাক্ষ্য গোট খাইছে। এই পৰীক্ষা চলাই গলে সম্ভৱ কাৰো একো ক্ষতি নহয়, অৱশ্যে যদিহে সেই অহিংসা মানবিশিষ্ট হয়।

চুকুৰ আৰু চিকাৰপুৰৰ আনকি এজন মানুহেও অহিংসাত বিশ্বাস কৰাৰ আৰু সবলৰ অহিংসাৰ আচৰণ কৰাৰ এটা কথাও মোৰ দৃষ্টিগোচৰলৈ অহা নাই। তাত যদি তেনে এজন লোকো থাকিলহেতেন তেনেহলে আমি নিশ্চয় তেওঁৰ কথা জানিলোহেতেন, যিদৰে আমি জানিব পাৰিছোঁ গণেশ শঙ্কৰ বিদ্যাৰ্থীৰ কথা। তেনে এজন মানুহে, যেতিয়াই নহওক, এজন অস্ত্ৰে শস্ত্ৰে সুসজ্জিত মানুহতকৈ নিজৰ বেছি বীৰত্ব দেখুৱাব পাৰিব।

চুকুৰ আৰু চিকাৰপুৰত বহুতো কংগ্ৰেছ কৰ্মী আছে, কিন্তু তেওঁলোক অহিংসভাৱে সংগঠিত নহয়। তাৰ বাবে তেওঁলোকৰ দোষো নাই। আৰু অধিক উচিত কথা তেওঁলোকে নাজানেই। মই আজিকালি যিটো কথা বাৰে বাৰে কৈয়ে থাকোঁ যে আমাৰ অহিংসা সবলৰ অহিংসা হোৱাগৈ নাই। দুৰ্ব্বল মানুহে এই অহিংসাক অকস্মাতে কেতিয়াও ওপৰলৈ তুলিব নোৱাৰে। কিন্তু মোৰ হাতত আৰু আন একো ঔষধ নাই। মোৰ হাতত যি আছে মাথোন তাকেহে মই দিব পাৰোঁ আৰু ই কেতিয়াও বিফলে যোৱা নাই। গতিকে মই মাথোন ইয়াকে কব পাৰোঁ 'সকল যেতিয়ালৈকে নোহোৱা তেতিয়ালৈকে বাৰে বাৰে চেষ্টা চলাই থাকা।' প্ৰকৃত সাহসীজনৰ গাত কোনো ঘৃণা, ক্ৰোধ, অবিশ্বাস আৰু মৃত্যু অথবা শাৰীৰিক আঘাতলৈ ভয়— এইবোৰ একোকে নাথাকে। যি এইবোৰ গুণৰ অধিকাৰী নহয়, অহিংসা তেওঁলোকৰ বাবে কেতিয়াও হব নোৱাৰে। যতেই তেনে মানুহ আছে তেওঁলোকে দুৰ্ব্বলসকলক ৰক্ষা কৰিব পাৰিব লাগে, অৱশ্যে যদিহে দুৰ্ব্বলসকলে তেওঁলোক আশ্ৰয়দাতাসকলৰ কথা শুনে।

দুৰ্ব্বলসকলক অস্ত্ৰৰ সাহায্যৰ ওপৰত নিৰ্ভৰশীল হবলৈ কেতিয়াও দিব নালাগিব। এনে সাহায্যই তেওঁলোকক কেৱল আৰু বেছি দুৰ্ব্বলহে কৰিব।

তেওঁলোকৰ যদি অহিংস প্ৰতিৰোধৰ ক্ষমতা নাথাকে তেনেহলে তেওঁলোকে নিজে নিজে আত্মৰক্ষাৰ কৌশল শিকা উচিত। আত্মৰক্ষাৰ বাবে মানুহৰ সবল দেহৰ প্ৰয়োজন নাই, প্ৰয়োজন মাথোন সুদৃঢ় অন্তৰৰ। আফ্ৰিকাৰ নিগ্ৰোসকলৰ এনে অৱস্থা বা আজি পঁচিশ বছৰৰ আগতেও এনেহে আছিল যে অকণমানি চাহাব পোৱালি এটা সমুখত দেখা পালেই ভয়ত থৰহৰি কম্পমান হৈ পৰিছিল,—অথচ বিৰাট বপুৰ নিগ্ৰো এজনৰ তুলনাত সেই লৰাটো তেনেই কুটা এডাল যেন। বগা চাহাবসকলৰ লৰাছোৱালীক সৰুৰে পৰাই নিগ্ৰোক ভয় নকৰিবলৈ শিকায়। গতিকে নিজক ৰক্ষা কৰাৰ বিষয়ে শিকাৰুসকলে তেওঁলোকৰ প্ৰথম পাঠহিচাপে মৃত্যু বা আঘাতৰ ভয় মনৰ পৰা মছি পেলাব নাগিব। মই তেওঁলোকক খেল ধেমালিৰ নিয়ম বিধিলৈ চাবলৈ কম। চোৰৰ মাজত যেনেকৈ সন্মান আছে তেনেকৈ যুজাৰুসকলৰ মাজতো নিশ্চয় সন্মান থকা উচিত। শিশু আৰু বৃদ্ধসকলৰ লাঞ্ছনাৰ কথা প্ৰায়েই শুনিবলৈ পোৱা যায়। যদি মানুহ পশু হবই লাগে, তেতিয়া হলে তাৰ মাজত কিছু শালীনতা দেখা পোৱা যাব। ধৰ্মৰ নামত ব্যভিচাৰ কৰিলে ধৰ্মৰে ব্যভিচাৰ হয়। এই অসুখী দেশখনত আজিলৈকে হোৱা প্ৰায় আটাইবোৰ সংঘৰ্ষৰে পিছত ৰাজনৈতিক উদ্দেশ্য নিহিত থাকিলেও সেইবোৰ ধৰ্মৰ নামতে সংঘটিত হৈ আহিছে। মোৰ মুখ্য কথা হৈছে যে বৰ্ত্তমানৰ চলিত পৰিস্থিতি অসহনীয়। জাতীয় অভিধানত কাপুৰুষালিৰ কোনো স্থান থকা উচিত নহয়।

মই আগতে হিজৰতৰ উপদেশ দিছিলোঁ। এতিয়াও তাকে দিওঁ। ই অসম্ভৱ কথা নহয়। মানুহে ইয়াৰ মোল বুজা নাই। আগতেও উচ্চ আৰু ক্ষমতাশালী লোকসকলে ইয়াৰ আশ্ৰয় লোৱাৰ কথা আমি জানো। পৰিকল্পিত হিজৰতৰ বাবে আৱশ্যক হয় সাহৰ আৰু সংকল্পৰ। অ'ল্ড্ টেস্টামেণ্ট শাস্ত্ৰৰ দ্বিতীয়খন পুথিক 'একজ'ডাচ' অৰ্থাৎ দলে বলে স্থানত্যাগ বুলি কোৱা হয়। এই পুথিত ইজৰাইলবাসীসকলে পৰিকল্পিতভাৱে কেনেদৰে ঘৰবাৰী এৰি গুচি গৈছিল তাৰ বৰ্ণনা আছে। প্ৰবাসত গৈ তেওঁলোকে নিজক যুদ্ধৰ বাবে সাজু কৰিছিলগৈ। আধুনিক কালতো দুখুবোৰসকলে নিজৰ মত দাঙি ধৰিবলৈ গৈ অত্যাচাৰৰ ফলত ৰুছিয়াৰ পৰা পলাই যোৱাৰ উদাহৰণ দেখা পাওঁ। এওঁলোকৰ কোনো যুদ্ধ কৰাৰ প্ৰবৃত্তি নাছিল। তাৰ পৰিবৰ্ত্তে এওঁলোক আছিল অহিংস। গতিকে নিজে নিজে নিৰ্বাসন লোৱাটোত কোনো দোষ, অসন্মান বা কাপুৰুষালি নাই। তাৰত এখন

বিশাল দেশ। দেশখন দৰিদ্ৰ যদিও ইয়াৰ বিশেষকৈ যিসকল লোক সমৰ্থবান, কঠোৰ পৰিশ্ৰমী আৰু সৎ, তেওঁলোকে হিন্দু মুছলমানৰ লগত পৰস্পৰ ঠাই সলাই বসতি কৰাৰ কথাটো মানি লব পৰা যায়। চুকুৰ আৰু চিকাৰপুৰৰ লোকসকলৰ এই তিনিওটা গুণেই আছে। তেওঁলোকে চৰকাৰৰ ওচৰ চাপিব লাগিব। চৰকাৰে মাত্ৰ নগণ্য সাহায্যহে দিব পাৰে। ৰাজনৈতিক চুক্তি কৰাৰ বাহিৰেও হিন্দু আৰু মুছলমানসকলৰ স্থানীয় নেতাসকলে পৰস্পৰৰ উপকাৰৰ বাবে লগ হব পাৰে। এনে মিলনে কোনো দল বা অনুষ্ঠানৰ পৰস্পৰে কটাকটি কৰাৰ উৎসাহত খিউ নাঢালে আৰু বৰ্ত্তমানৰ বিদ্বেষ বঢ়াই নিদিয়ে। কিন্তু তাৰ পৰা যদি কোনো সম্মানজনক স্থানীয় মীমাংসা নোলায় আৰু যদি স্থানীয় লোকসকলে তেওঁলোকৰ নিজৰ জীৱন, পৰিয়াল আৰু সা সম্পত্তি অহিংস বা হিংস উপায়েৰে হলেও কোনোমতে ৰক্ষা কৰিব নোৱাৰে বুলি ভাবে, তেনেহলে মোৰ সন্দেহ নাই যে তেওঁলোকে চিৰদিন নিজৰ জীৱন আৰু তিৰোতাসকলৰ সম্মান ৰক্ষাৰ ভয় লৈ কটাব লগীয়া হোৱা সেই ঠাই এৰি গুচি অহা উচিত।

সেৱাগ্ৰাম, ১ ১ '৪০
হৰিজন ৬ ১ ১৯৪

[৯৮]

সিন্ধুৰ শোকাবহ ঘটনা

প্ৰশ্ন 'সিন্ধুৰ শোকাবহ ঘটনা' নামক প্ৰবন্ধত আপুনি সিন্ধুৰ পীড়িত হিন্দু লোকসকলক এইবুলি উপদেশ দিছে যে যদি তেওঁলোকে তাত থাকি নিজৰ সম্মান আৰু আত্মমৰ্য্যাদা ৰক্ষা কৰিব নোৱাৰে, তেনেহলে তেওঁলোকে 'হিজৰৎ' কৰিব লাগে। এই লোকসকলে সিন্ধু এৰি কলৈ গুচি যাব লাগে বুলি আশা কৰে? তেওঁলোক য'ত গৈ আশ্ৰয় লবগৈ তাতে বা কোনে তেওঁলোকক সকলোবোৰ প্ৰয়োজনীয় বস্তুৰ যোগাৰ কৰি দিবগৈ? লগতে মই এই কথাও আপোনাক সুধিব পাৰোঁ নে যে 'হিজৰত'ৰ ব্যৱস্থা আপুনি অকল হিন্দুসকলৰ ক্ষেত্ৰতহে দিছে নেকি? যিবোৰ কংগ্ৰেছী প্ৰদেশত তাৰ মুছলমান-সকলে 'নিৰ্য্যাতিত হোৱা' বুলি চিঞৰ-বাখৰ লগাই আছে, সেই মুছলমান-সকলক আপুনি 'হিজৰৎ' কৰিবলৈ নকয় কিয়? দেখা যায়, যিবোৰ প্ৰদেশত

মুছলমান সংখ্যাত তাকৰ তাত আপুনি তেওঁলোকৰ কালেই তৰ দিছে বেছি আৰু পঞ্জাৱত, য'ত তেওঁলোক সংখ্যাত সৰহ, তাত দিছে আইনসঙ্গত সংখ্যাগৰিষ্ঠতা।

উত্তৰ যিসকলে নিজক নির্য্যাতিত বুলি বিবেচনা কৰে আৰু কোনো এডোখৰ ঠাইত আত্মসম্মান হানি নকৰাকৈ জীয়াই থাকিব নোৱাৰে বুলি ভাবে সেই সকলোবোৰ মানুহকে মই দেশান্তৰ হবলৈ উপদেশ দিওঁ। সংখ্যালঘু হিচাপে কোনো এঠাইত বাস কৰা মুছলমানসকলেও যদি সচাকৈয়ে নিপীড়িত হৈ মোক আহি উপদেশ খুজিলেহেতেন, মই হিন্দুসকলক দিয়াৰ দৰেই একে উপদেশকে তেওঁলোককে দিলোঁহেতেন। কিন্তু সচৰাচৰ মুছলমানসকল সংখ্যালঘিষ্ঠ হলেও নিজৰ অৱস্থাক চম্ভালি লোৱাত সক্ষম। মই সিন্ধীসকলক আগতেই কৈছোঁ যে যদি সংখ্যাত তাকৰ হৈও তেওঁলোকে নিজক ৰক্ষা কৰিব পৰাৰ সাহস আছে তেন্তে তেওঁলোকে বসবাস কৰি থকা ঠাই এৰি কলৈকো যাব নালাগে। মোৰ দেশত্যাগৰ উপদেশ কেৱল সেইসকলৰ উদ্দেশ্যেহে দিছোঁ, যিসকল আত্মসম্মানৰ প্ৰতি সজাগ যদিও অহিংসাৰ পৰা উদয় হোৱা শক্তিৰে অথবা এমাৰৰ সলনি এমাৰেৰে নিজক ৰক্ষা কৰাত অক্ষম।

দেশত্যাগ কৰাৰ পিছত ভগনীয়া সকলে কি কৰা উচিত সেইটো পিছৰ কথা। ভাৰতৰ দৰে এখন বিশাল দেশত তেনে কেই হাজাৰমান লোকক সহজেই সামৰি লব পৰা যাব। সিন্ধীসকল উদ্যমশীল লোক। পৃথিৱীৰ সকলো ঠাইতে তেওঁলোক সিচৰতি হৈ আছে। তেওঁলোকৰ কাৰণে ৰাইজলৈ মুকলি ভাবে গোহাৰি জনাবৰ আৱশ্যক হব বুলিও মই নাভাবোঁ। সিন্ধীসকলৰ অৱগতিৰ বাবে জনাওঁ যে শিৱদীৰ পৰাও মানুহ ভগনীয়া হৈছে আৰু তেওঁলোকৰ সেই নির্ব্বাসন সাহসেৰে আৰু নীৰবে গ্ৰহণ কৰি লৈছে। তীব্ৰ সম্মানবোধে মানুহৰ সকলোবোৰ দুখ কষ্টকে আনন্দত পৰিণত কৰিব পাৰে। কিন্তু হয়তো দেশত্যাগৰ প্ৰয়োজন নহব। কাৰণ মই মুছলমান নেতাসকলৰ মাজত তেওঁলোকৰ দায়িত্বৰ প্ৰতি সজাগ হোৱাৰ ভাব দেখা পাইছোঁ আৰু ভুক্তভোগী হিন্দুসকলৰ মাজত নিৰাপত্তাৰ ভাব জগাবলৈ তেওঁলোকে চেষ্টা কৰাও দেখা পাইছোঁ। যদি সেয়ে হৈ উঠে তেন্তে সকলো ভালেই হব।

আলী ভ্ৰাতৃদ্বয়ৰ লগত মই বন্ধুত্বৰ সম্পৰ্ক ছেদ কৰাৰ প্ৰশ্নটো মই তোলা বৃহৎ প্ৰশ্নটোৰ সম্পৰ্কত অপ্ৰাসঙ্গিক। সাম্প্ৰদায়িক ঐক্যৰ সম্পৰ্কত মই কৰা কোনো কামৰ বাবেই মই দুঃখিত নহয়। ঠিক একে ধৰণৰ অৱস্থাত মই

আকৌ তাকেই কৰিম। কোনোটো সম্প্ৰদায়েই খিলাফতৰ দিনবোৰত একো হেৰুৱাব লগীয়া হোৱা নাই, যদিও সেইবোৰ দিন দুৰ্ভাগ্যবশতঃ ক্ষণস্থায়ী আছিল। সাম্প্ৰদায়িক সিদ্ধান্তৰ বাবে মোক জগৰীয়া কৰাটো আপোনাৰ ভুল হৈছে। আমি যে সেই সিদ্ধান্ত মতেই কাম কৰিছো আৰু তাৰ ঠাইত আন এটা সৰ্ব্বসম্মত সূত্ৰ যে আমি এতিয়াও উলিয়াব পৰা নাই, এই কথাৰ সত্যটোৰ বাহিৰে সাম্প্ৰদায়িক সিদ্ধান্তৰ কাৰণে কোনো সম্প্ৰদায়কে শলাগিবলগীয়া কথাও নাই।

সেৱাগ্ৰাম, ২৯ ১ '৪০

হৰিজন ৩ ২ ১৯৪০

[৯৬]

এজন শান্তিবাদীৰ সন্দেহ

শান্তিবাদৰ উন্নয়ন আৰু ক্ৰমবিকাশ সম্বন্ধে পাঠকক এটা আভাস দিবৰ বাবে মই এই বাহুল্য কথাবোৰ দাঙি ধৰিছোঁ। শান্তিবাদীসকলে ভাৰতে গ্ৰহণ কৰা নীতিৰ মৰ্ম্ম বুজি পায়ো যদি এইটো কথাহে তেওঁলোকে কোনো পধ্যে বুজি উঠিব নোৱাৰে যে গান্ধীজীয়ে মিত্ৰশক্তিৰ উদ্দেশ্য ন্যায় সঙ্গত বুলি ব্ৰিটেনৰ জয়লাভৰ বাবে প্ৰাৰ্থনা কৰিব বুলি কৈ আনপিনে তেওঁ কেনেকৈ কংগ্ৰেছক ব্ৰিটেনলৈ সহযোগ আগ নবঢ়াবলৈ কয়,—তেনেহলে তাত আচৰিত হবলগীয়া একো নাই।

প্ৰশ্নকৰ্ত্তাৰ এই বুজাৰ অসুবিধাটো শান্তিবাদৰ পৰাই উদয় হৈছে নে যুদ্ধৰ উদ্দেশ্য ঘোষণা কৰিবৰ বাবে জনোৱা কংগ্ৰেছৰ দাবীৰ পৰাই হৈছে, সেইটো পৰিষ্কাৰ হোৱা নাই। কিন্তু গান্ধীজীয়ে এই বুলি ব্যাখ্যা কৰিছিল যে কংগ্ৰেছে দিয়া যি কোনো সহযোগ বা অসহযোগেই হব নৈতিকহে, বস্তুগত নহয়। এই দুয়োটাৰে যিটোকে কংগ্ৰেছে কৰক তাৰ পৰা বাস্তৱতঃ ব্ৰিটেনৰ লাভ লোকচান একো নহয়, কাৰণ তলতীয়া দেশ হিচাপে ভাৰতৰ পৰা ধন আৰু জনৰ বৰঙনি ব্ৰিটেনলৈ গৈয়েই থাকিব। অহিংস ভাৰতে ব্ৰিটেনৰ জয়লাভৰ কামনা কৰিলে সেইটো ভাল ব্ৰিটেন বা বেয়া ব্ৰিটেনৰ জয়লাভ নহয়; সেই জয়লাভ হব জাৰ্ম্মানিৰ বিৰুদ্ধে যুদ্ধত নামি ভুল কাম কম কৰি ভাল কাম লবহখিনিকে কৰা ব্ৰিটেনৰহে। কিন্তু ভাৰত সম্পৰ্কে যুদ্ধৰ উদ্দেশ্য

নিহিত কোনো সন্তোষজনক ঘোষণা কৰা নহলে ব্ৰিটেনে পাব পৰা নৈতিক সমৰ্থন দিয়া নহয়। পন্থা সম্পৰ্কে কংগ্ৰেছ উদাসীন হলে তাৰ ফল সম্পূৰ্ণ বিপৰীত হব। তেতিয়া ভাৰতে বিদ্ৰোহৰ সূত্ৰপাত কৰিব আৰু হাতে কামে বাধা দিবলৈ আহিব।

"তেতিয়া এইটো জানো শাৰীৰিক হিংসা নহৈ মানসিক হিংসা হব?"— এই বুলি বন্ধুজনে প্ৰশ্ন কৰিলে।

গান্ধীজীয়ে উত্তৰত কলে—"হব পাৰে। কিন্তু তাৰ পৰা হব পৰা অসহযোগটো হব অহিংস। মানসিক হিংসাৰ কোনো দৈহিক বল নাই আৰু ই অকল তেনেলোককহে আহত কৰে যাৰ চিন্তাধাৰা হিংস। অন্যথা ই হৈছে মানসিক অহিংসা। ইয়াৰ এনে নিহিত শক্তি বিগ্যমান যাক আজিও পৃথিৱীয়ে নাজানে। আৰু মই বিচৰা বস্তুটোও হৈছে চিন্তা আৰু কামৰ অহিংসাহে।

"এনে অহিংস সমৰ্থন ব্ৰিটেনক দিয়া হব কেৱল ব্ৰিটেনৰ উদ্দেশ্য দেখদেখকৈ ন্যায়সঙ্গত হলেহে। আনকি এজন শান্তিবাদীৰ দৃষ্টিত ব্ৰিটেনৰ পন্থা হিংসাৰ আৰু সেইবাবে বেয়া বুলি বিবেচিত হলেও সেই সমৰ্থন দিয়া হব। ব্ৰিটেন যদি ভাৰতৰ প্ৰতি ন্যায়পৰায়ণ নহয়, অৰ্থাৎ যদি ব্ৰিটেনে স্বইচ্ছাৰে আৰু ভাৰতৰ কোনো দলকে লেটিয়াই নলৈ নিজৰ হাতৰ পৰা ভাৰতৰ সাম্ৰাজ্যবাদী শোষণৰ কলঙ্ক ধুই মচি নেপেলায়, তেনেহলে ব্ৰিটেনৰ উদ্দেশ্যও ন্যায়সঙ্গত হব নোৱাৰে। গতিকে, যেতিয়াই ব্ৰিটেনে খোলাখুলি ভাবে এইকথা ঘোষণা কৰিব যে ভাৰত এতিয়া কাৰ্য্যত স্বাধীন আৰু যথাসম্ভৱ শীঘ্ৰেই, হয়তো যুদ্ধৰ ভিতৰতে, তাক আইনসঙ্গত কৰা হব, তেতিয়াই অহিংস ভাৰতে যুদ্ধত ব্ৰিটেনৰ জয়লাভৰ বাবে প্ৰাৰ্থনা জনাব। কিন্তু সেই কাম ব্ৰিটেনে অন্তৰৰ পৰা কৰিব কেৱল নিজৰ বাহুবলতকৈ অহিংস ভাৰতৰ নৈতিক সমৰ্থনৰ কাৰ্য্যকাৰিতাৰ ওপৰত বেছি নিৰ্ভৰ কৰিবলৈ ধৰাৰ পিছতহে। যদি ইংলণ্ডই এই কাম কৰে তেন্তে অস্ত্ৰৰ বলত নহৈ নৈতিক বলৰ মাজেদি শান্তিত যুদ্ধৰ অৱসান হব।"

সেৱাগ্ৰাম, ১৫ ১ '৪০ ম দে

হৰিজন ২ ১ ১৯৪

[১০০]

সামগ্ৰিক সৈন্য ভৰ্ত্তিকৰণ

প্ৰশ্ন —আপুনি লক্ষ লক্ষ লোক নিৰস্ত্ৰ থকাৰ কথা আৰু তেওঁলোকে অস্ত্ৰ ধৰিব নজনাৰ কথা কৈছে। কিন্তু ভাৰত স্বাধীন হোৱাৰ পিছত গোটেই দেশকে যুদ্ধলৈ আহ্বান জনাই সকলো মানুহকে অস্ত্ৰৰ শিক্ষা দিয়াত কি অসুবিধা আছে ?

উত্তৰ —অৱশ্যে মুখেৰে কওঁতে গোটেই দেশৰ মানুহকে বাধ্যতামূলক সামৰিক প্ৰশিক্ষণ দিয়াত একো বাধা নাই। কিন্তু মই মাথোন ভাবোঁ যে আইনেৰে বাধ্যতামূলক কৰি দিলেও এই দেশৰ মানুহে সহজে অস্ত্ৰ ধৰিবলৈ নাহে। যি কোনো অৱস্থাতে নহওক, হাজাৰ হাজাৰ মানুহক অথবা কেইজন মানকো অস্ত্ৰ সজ্জিত কৰাৰ কথাটো মোৰ চিন্তাৰ বাহিৰত। এইটো মোৰ কাৰণে এটা অৰুচিকৰ কথা। কিন্তু মই যাক বাধ্যতামূলকভাবে কামত লগাম, সেইবোৰ হৈছে পৈনত আৰু অপৈনত উৎপাদনক্ষম বস্তুবা। মই ভাবোঁ এইটোৱেই এখন সমাজ শান্তিপূৰ্ণভাবে সংগঠন কৰাৰ উজু আৰু আটাইতকৈ কাৰ্য্যকৰী পদ্ধতি হব।

সেৱাগ্ৰাম, ২৮ ১ ৪০

হৰিজন ৩ ২ ১৯৪

[১০১]

প্ৰতিৰক্ষাৰ প্ৰশ্ন

প্ৰতিৰক্ষাৰ ক্ষেত্ৰত স্বাধীন ভাৰতে নিজৰ ব্যৱস্থা নিজে কৰি লোৱাটো নিশ্চয় প্ৰাথমিক কৰ্ত্তব্য হব। এনেকুৱাও হব পাৰে যে ভাৰতে সেই ব্যৱস্থা বাহুল্যভাবে কৰিবলৈ বিচাৰিব পাৰে আৰু তাৰ বাবে ব্ৰিটেনে সাহায্য দিব খুজিলে তাকো লবলৈ বিচাৰিব পাৰে। সাম্ৰাজ্যবাদী নীতিক এইবাবে ধন্যবাদ জনাব লাগিব যে কেবল ব্ৰিটিছ বেয়নেট আৰু ব্ৰিটিছ শক্তিয়ে তৈয়াৰ কৰা ভাৰতীয় সেনাৰ ওপৰত নিৰ্ভৰ কৰাৰ বাহিৰে নিৰস্ত্ৰ ভাৰতক সম্পূৰ্ণভাবে অৰক্ষিত অৱস্থাত ৰাখি থৈছে! এইটো ব্ৰিটেন আৰু ভাৰত উভয়ৰে বাবে সমানে লাজৰ বিষয়। ব্যক্তিগতভাবে এই বিষয়ে মুৰ নৰয়াও এইবাবেই যে

যদি মই ভাৰতক মোৰ মতেৰে নিব পাৰোঁ তেন্তে চোৰ ডকাইত বা তেনেবিলাক কথাৰ পৰা মানুহক ৰক্ষা কৰিব পৰা এটা পুলিচ বাহিনীৰ বাহিৰে মোক আন একোৰে আৱশ্যক নহব। কিন্তু দেশৰ প্ৰতিৰক্ষাৰ ক্ষেত্ৰত নিৰস্ত্ৰ শান্তিপূৰ্ণ ভাৰতে গোটেই বিশ্বৰে সদিচ্ছাৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব। কিন্তু মই জানো যে বৰ্ত্তমান মুহূৰ্ত্তত সেইটো এটা মাত্ৰ সপোনহে।

হৰিজন ১ ২ ১৯৪

[১০২]

অধিক অপবাদ

প্ৰশ্ন —ভাৰত আক্ৰমণ কৰি মুছলমান ৰাজত্ব স্থাপন কৰিবলৈ আমাগুল্লা খাঁক নিমন্ত্ৰণ কৰাৰ যি ষড়যন্ত্ৰ আলী ভ্ৰাতৃদ্বয়ে কৰিছিল, তাত যোগ দিয়াত আপুনি দ্বিধাবোধ কৰা নাছিল। ব্ৰিটিছৰ লগত চুক্তিত আবদ্ধ নহবলৈ পৰামৰ্শ দি সেই সময়ৰ আমীৰলৈ দিয়া টেলিগ্ৰামৰ খচৰাখন মৌলানা মহম্মদ আলীৰ হৈ আপুনিয়ে প্ৰস্তুত কৰিছিল। স্বৰ্গীয় স্বামী শ্ৰদ্ধানন্দজীয়ে উক্ত খচৰাখন দেখা বুলি বাতৰি ওলাইছে। আৰু এতিয়া,—আইনৰ শাসন চলোৱাৰ একমাত্ৰ উপায় হিচাপে সিন্ধুক বোম্বাই প্ৰদেশৰ লগত পুনৰ চামিলকৰণৰ দাবীৰ বিপৰীতে, আপুনি সিন্ধুৰ হিন্দুসকলে অত্যাচাৰী মুছলমানৰ হাতত তেওঁলোকৰ ঘৰবাৰী দানস্বৰূপে আগবঢ়োৱাটোকে বিচাৰিছে। আপুনি কিয় এইটো উপলব্ধি নকৰে যে এই শিক্ষা আৰু প্ৰগতিৰ যুগত সংখ্যালঘুসকলে তেওঁলোকৰ ন্যায্য স্বত্ব সফলতাৰে ৰক্ষা হোৱাটোহে বিচাৰে,—সম্পূৰ্ণ জীৱন সম্বন্ধে নৈতিক উপদেশমাত্ৰ নিবিচাৰে ?

উ এনে ধৰণৰ কেইবাখনো চিঠি মোৰ হাতত আছে। এতিয়ালৈকে সেইবোৰলৈ মই আওকাণ কৰি আহিছোঁ। কিন্তু এতিয়া দেখিছোঁ যে হিন্দু-মহাসভাত সেইবোৰে গৈ পৰিবৰ্ত্তিত আৰু পৰিবৰ্দ্ধিত আকাৰ পাইছে। এজন ক্ৰুদ্ধ পত্ৰলিখকে সাৱধান কৰি লিখিছে যে ইমান কৰ্তৃত্বশীলভাৱে ব্যক্ত হোৱা বাতৰিটি তেওঁলোকৰ দৰে মানুহে বিশ্বাস কৰিবলৈ আৰম্ভ কৰিব। সেইকাৰণে মোৰ সুনাম ৰক্ষাৰ বাবে প্ৰশ্নটোৰ উত্তৰ দিবই লাগিব। কিন্তু পত্ৰ লিখক-সকলে জনা উচিত যে যদি মোৰ বিষয়ে ওলোৱা প্ৰতিটো মিছা ৰটনা বা মোৰ ৰচনাৰ বিকৃত ব্যাখ্যাৰ প্ৰতিবাদ কৰাটোকে মই থিৰ কৰি লওঁ, তেনেহলেচোন

মোৰ বাবে জীৱনটো দুৰ্বহ হৈ উঠিব। এনেকুৱা বোকামাটিৰ প্ৰাচীৰেৰে বেৰি ৰাখিব নগীয়া সুনাম নথকাই ভাল।

আমীৰৰ লগত ষড়যন্ত্ৰ কৰা বুলি মোৰ ওপৰত যি দোষাৰোপ কৰা হৈছে, সেই কথাত অকণো সত্যতা নাই বুলি মই কব খোজোঁ। উপৰন্তু, মই জানো যে এই দোষাৰোপৰ কথা জনোৱাত (আলী) ভ্ৰাতৃদ্বয়ে তীব্ৰভাৱে অস্বীকাৰ কৰিছে। আৰু মই বিনা প্ৰশ্নই তেওঁলোকক বিশ্বাস কৰিছোঁ। মৌলানা মহম্মদ আলীৰ হৈ তেতিয়াৰ আমীৰলৈ পঠিওৱা কোনো টেলিগ্ৰামৰ খচৰা মোৰ মনত নপৰে। আলোচ্য সেই টেলিগ্ৰামখনো বিপদজনক বিধৰ নাছিল আৰু তাৰ মাজত ভৰা ধৰণৰ উদ্দেশ্য বিচৰাটোও অযুক্তিকৰ। স্বৰ্গগত স্বামীজীয়ে এই বিষয়ে মোৰ পৰা সত্যতা অনুসন্ধান কৰা নাছিল। কাৰো-বাৰ হাতত প্ৰত্যক্ষ প্ৰমাণ নাথাকিলে, আৰু প্ৰাসঙ্গিক বুলি স্পষ্টভাবে উল্লেখ নকৰাকৈ, মৃতব্যক্তিৰ বিপৰীতে একো মন্তব্য দিয়া উচিত নহয়। 'ইয়ং ইণ্ডিয়া'ত মই লিখা কথাবোৰতে ভেজা দি কল্পনাৰ জাল গোঁথা হৈছে। তাৰ পৰা যি ধৰণে উদ্দেশ্য খুচৰি উলিওৱা হৈছে,—সেয়া সম্পূৰ্ণভাবে অসঙ্গত। ইংৰাজক বহিষ্কাৰ কৰোৱাৰ উদ্দেশ্যে ভাৰত আক্ৰমণ কৰিবলৈ কোনো শক্তিক আমন্ত্ৰণ কৰাৰ দৰে অপৰাধ মই কৰিব নোৱাৰোঁ। এটা কাৰণ, সেয়া মোৰ অহিংসনীতিৰ পৰিপন্থী হব। আন এটা কাৰণ এয়ে যে ইংৰাজৰ সাহস আৰু অস্ত্ৰশস্ত্ৰৰ ওপৰত মোৰ যথেষ্ট বিশ্বাস আছে, আৰু সেয়ে মই ভাবোঁ বিভিন্ন ৰাষ্ট্ৰৰ এটি শক্তিশালী গোট নহলে ভাৰত আক্ৰমণ কৰি কেৱে কৃতকাৰ্য্য হব নোৱাৰে। যি কি নহওক, ব্ৰিটিছ শাসনৰ পৰিবৰ্তে ভাৰতত আন যি কোনো বিদেশী শাসন স্থাপন কৰাৰ ইচ্ছা মোৰ নাই। মই বিচাৰোঁ নিৰ্ভেজাল স্বৰাজ ('হোম ৰুল')—সেয়া লাগিলে যিমান নিম্ন খাপৰেই নহওক। মোৰ বিপৰীতে খটুৱাৰ খোজা 'ইয়ং ইণ্ডিয়া'ৰ সেই অনুচ্ছেদবোৰ লিখাৰ সময়ত মই যি ভাৱধাৰা পোষণ কৰিছিলোঁ, আজিও তাকেই মই খোপনি পুতি আছোঁ। মই মোৰ পাঠকসকলক পুনৰ সোঁৱৰাই দিব খোজোঁ যে মই কোনো ধৰণৰ গোপন পন্থাত বিশ্বাস নকৰোঁ।

সিন্ধুৰ ক্ষেত্ৰত মোৰ উপদেশ একেই। অন্যান্য দিশৰ পৰা বোম্বাই প্ৰদেশৰ লগত সিন্ধুক পুনৰ চামিলকৰণ এটা সুব্যৱস্থা হবও পাৰে বা নহবও পাৰে, কিন্তু এইটো নিশ্চিত যে সেয়া জীৱন আৰু ধন-সম্পত্তিৰ অধিক ৰক্ষা কৰাৰ বাবে উপযোগী নহয়। হিন্দুৱেই হওক বা আনেই হওক, প্ৰত্যেক ভাৰতীয়ই

নিজক ৰক্ষা কৰাৰ কৌশল আয়ত্ত কৰিবই লাগিব। প্ৰকৃত গণতন্ত্ৰৰ এইটোৱেই চৰ্ত। ৰাষ্ট্ৰৰ এটা কৰ্তব্য আছে। কিন্তু কোনো ৰাষ্ট্ৰই সেইসকল লোকক ৰক্ষা কৰিব নোৱাৰে—যি সকলে তেওঁলোকক নিজকে ৰক্ষা কৰাৰ দায়িত্বৰ ক্ষেত্ৰত ৰাষ্ট্ৰৰ লগত অংশীদাৰ নহয়।

দিল্লীৰ বাটত, ৪ ২ ৪০

হৰিজন ১ -২ ১৯৪

[১০৩]

নোৱাখালিৰ হিন্দুসকললৈ মোৰ উপদেশ

মই মালিকন্দাত থকা সময়ত মনোৰঞ্জন বাবু আৰু নোৱাখালিৰ আন বন্ধু-সকলে তেওঁলোকৰ অঞ্চলত হোৱা হিন্দুসকলৰ আলৈ আহুকালৰ বিষয়ে কৰলৈ মোক দেখা কৰিছিলহি। এই বিষয়ে মনোৰঞ্জন বাবুৱে কিছুদিনৰ পৰা মোৰ লগত পত্ৰালাপ কৰি আছিল। মই তেওঁলোকৰ অভিযোগবোৰ পৰীক্ষা কৰি চোৱা নাই। তাক কৰিবলৈ মোৰ সময়ো নাছিল, ইচ্ছাও নাই। প্ৰাদেশিক কংগ্ৰেছ কমিটী আৰু চূড়ান্ত পৰ্য্যায়ত কেন্দ্ৰীয় সংগঠনৰহে বিশেষ কৰ্ম্মপৰিধিৰ সেয়া অন্তৰ্গত। কিন্তু সাধাৰণ উপদেশ দিয়াত মোৰ কোনো অসুবিধা নাই। তেওঁলোকৰ সমস্যা কম বেছি পৰিমাণে চুকুৰৰ সমস্যাৰ লগত একে। অৱশ্যে পৰিমাণৰ ক্ষেত্ৰত বিৰাট তাৰতম্য আছে। কিন্তু মই নিশ্চিতভাবে অনুভব কৰোঁ যে নোৱাখালিত যি ধৰণৰ ব্যাপক গুণ্ডামি চলা বুলি বাতৰি ওলাইছে, তাক কোনো নিৰ্ব্বাচিত জনপ্ৰিয় চৰকাৰেই কৃতকাৰ্য্যতাৰে দমন কৰিব নোৱাৰে। এয়া মুখ্যত আত্মৰক্ষাৰ প্ৰশ্ন। আত্মসম্মান আৰু মৰ্য্যাদা আনৰ দ্বাৰা ৰক্ষা কৰাব নোৱাৰি। পুৰুষ মহিলা নিৰ্ব্বিশেষে প্ৰত্যেক ব্যক্তিয়ে নিজে নিজে তাক ৰক্ষা কৰিব লাগিব। চৰকাৰে বৰ বেছি অপৰাধীক শাস্তি দিব পাৰে,—অপৰাধটো সংঘটিত হোৱাৰ পাছতহে। গতিকে সেয়ে অপৰাধ নিৰ্মূলৰ নিশ্চয়তা দিব নোৱাৰে, মাত্ৰ একে অপৰাধৰ পুনৰাবৃত্তিৰ বিপৰীতে শাস্তিবিধানে যিকণ অৱিহনা যোগাব পাৰে সেয়েই সকলো। আত্মৰক্ষা আকৌ হিংসামূলক বা অহিংস ধৰণৰ হব পাৰে। মই সদায় অহিংস প্ৰতিৰোধৰ বাবে উপদেশ দিওঁ আৰু সেই পন্থাতে জোৰ দিওঁ। কিন্তু মই

বুজিছোঁ যে ইয়াকো হিংসামূলক প্ৰতিৰোধৰ দৰে অভ্যাস কৰি আয়ত্ত কৰিব লাগে। হিংসামূলক প্ৰতিৰোধৰ বাবে আৱশ্যকীয় অনুশীলনৰ তুলনাত অহিংসাৰ বাবে আনধৰণৰ প্ৰশিক্ষণৰ আৱশ্যক। সেইকাৰণে যদি অহিংস প্ৰতিৰক্ষাৰ বাবে আৱশ্যকীয় শক্তিৰ অভাৱ হয়, তেনেহলে হিংসামূলক উপায় অৱলম্বন কৰাত কোনো দ্বিধাবোধ কৰিব নালাগে। কিন্তু বহুদিনীয়া কংগ্ৰেছ-কৰ্ম্মী হিচাপে মনোৰঞ্জন বাবুৱে কৈছিল, "আপুনিয়েইতো কয় যে—মই আত্ম-ৰক্ষাৰ কাৰণেও প্ৰতিশোধ লব নোৱাৰোঁ ?"

'নিশ্চয়, সেইটো মোৰ মত,"—মই উত্তৰ দিছিলোঁ। "অৱশ্যে গয়া কংগ্ৰেছত সমৰ্থিত এটি প্ৰস্তাৱমতে আত্মৰক্ষাৰ বাবে কংগ্ৰেছীলোকক শক্তি প্ৰয়োগ কৰাৰ অনুমতি দিয়া হৈছিল। মই প্ৰস্তাৱটো ন্যায়সঙ্গত বুলি কেতিয়াও কোৱা নাই। যদি আত্মৰক্ষাৰ বাবে হিংসা অনুমোদন কৰা হয়, তেনেহলে অহিংস কথাষাৰেই অৰ্থহীন হৈ পৰে। আক্ৰমণকাৰী দেশৰ বিৰুদ্ধে জাতীয় প্ৰতিৰোধো আত্মৰক্ষাই নহয় নো কি ? সেই কাৰণে মই আৱশ্যক হলে কংগ্ৰেছৰ পৰা ওলাই অহাটোকে পৰামৰ্শ দিম, যদি তুমি বিৱৰি কোৱা ধৰণৰ পৰিবেশত তোমালোকৰ ৰক্ষাৰ কাৰণে শক্তি প্ৰয়োগৰ কথাকে ভাবিছা।"

মনোৰঞ্জন বাবুৱে কৈছিল, "কিন্তু, ধৰি লওক মই গয়া প্ৰস্তাৱ সমৰ্থন কৰোঁ, তেতিয়া জানো নিৰ্য্যাতিত হিন্দুসকলক তেনে উপায়েৰে ৰক্ষা কৰিবলৈ গ'লে মই সাম্প্ৰদায়িক আখ্যাৰে অভিযুক্ত হম ?"

"নিশ্চয় নহয়"—মই উত্তৰত কৈছিলোঁ, "প্ৰথম কথা, তুমি কংগ্ৰেছী হলা বুলি হিন্দু নোহোৱাকৈ নাথাকা। অৱশ্যে তুমি যদি উচিত অনুচিত বিবেচনা নকৰি হিন্দুসকলৰহে পক্ষ লোৱা, তেন্তে তুমি সাম্প্ৰদায়িকতাৰ দোষত দোষযুক্ত হবা। এই ক্ষেত্ৰত তুমি হিন্দুসকলক ৰক্ষাৰ কাম কৰিবা—এই কাৰণে নহয় যে তেওঁলোক হিন্দু,—এই কাৰণেহে যে তেওঁলোক নিৰ্য্যাতিত। যদি হিন্দুৰ দ্বাৰা মুছলমান নিৰ্য্যাতিত হোৱা দেখা যায়, তেন্তে মই বিচাৰিম তুমি একেদৰে মুছলমানৰ ৰক্ষাৰ বাবেও আগবাঢ়ি যাবা। এজন কংগ্ৰেছী লোকে কোনো ধৰণৰ সাম্প্ৰদায়িক বিভিন্নতা অনুভৱ নকৰে, কৰা উচিত নহয়।"

তাৰ পিচত সাক্ষাৎকাৰীসকলে কংগ্ৰেছৰ আভ্যন্তৰীণ ভেদভাৱৰ কথা আলোচনা কৰিছিল আৰু মোক কৈছিল যে বহুতো হিন্দুৱে কংগ্ৰেছৰ প্ৰতি হতাশ হৈ হিন্দু মহাসভাত যোগ দিছে। তেওঁলোকেও তেনে কৰিব পাৰে

নেকি মোক সুধিছিল। মই তেওঁলোকক কৈছিলোঁ তত্ত্বগতভাবে মই কোনো আপত্তিৰ থল নেদেখোঁ। স্থানীয় পৰিবেশে তেনে পন্থা লোৱাৰ যৌক্তিকতা দেখুৱায় নে নেদেখুৱায় সেইটো মই বিচাৰ কৰিব নোৱাৰোঁ কিন্তু যদি মই কংগ্ৰেছী হৈ দেখোঁ যে কংগ্ৰেছী হোৱা বাবে মই সফলতাৰে সক্ৰিয় হব নোৱাৰোঁ, তেনেহলে যি সংগঠনে কৃতকাৰ্য্য হোৱাত সহায় আগবঢ়াব পাৰে তেনে সংগঠনত যোগ দিয়াত দ্বিধা বোধ কৰা উচিত নহব। অৱশ্যে মই লগতে কৈছিলোঁ যে কোনো দায়িত্বশীল কংগ্ৰেছীলোকে কংগ্ৰেছ অনুষ্ঠানত থাকি লগতে হিন্দু-মহাসভাৰ সভ্য হব নোৱাৰে কাৰণ দেখদেখকৈ সেয়া এটা সাম্প্ৰদায়িক অনুষ্ঠান। গোটেই প্ৰশ্নটো অসুবিধাৰ কাঁইটেৰে ভৰা। এনে পৰিস্থিতিয়ে বিচাৰে প্ৰশান্তি, সত্যনিষ্ঠা আৰু সাহস। কংগ্ৰেছে যদি প্ৰকৃত অৰ্থত অহিংস হব নোৱাৰে, তেনেহলে সাম্প্ৰদায়িকতাই জয়লাভ কৰাটো নিশ্চিত। যদি ই অহিংসাৰ লগত ধেমালিহে কৰে, তেন্তে নিজেই কাৰ্য্যত সাম্প্ৰদায়িক ৰূপ লব। কাৰণ কংগ্ৰেছীলোকৰ সংখ্যাধিক্যই হিন্দু আৰু তেওঁলোকে যদি অহিংসাক সফলতাৰে ব্যৱহাৰ কৰিব নাজানে, তেনেহলে হিংসাৰ পিনলৈ স্বাভাৱিকতে আঁতৰি যাব। মোৰ মনত এইটো সম্পূৰ্ণভাবে স্পষ্ট হৈছে যে কংগ্ৰেছ অসাম্প্ৰদায়িক হৈ থাকিব পাৰিব যদিহে সকলো বিষয়তে এই অনুষ্ঠান অহিংস হয়। ই অকল শাসকসকলৰ ক্ষেত্ৰত অহিংস অথচ আনৰ প্ৰতি হিংস হব নোৱাৰে। তেনে পন্থা হব অসম্মানজনক আৰু ধ্বংসৰ পন্থা।

কলিকতা, ২৬ ২ '৪০

হৰিজন, ২ ৩-১৯৪

[১০৪]

যেতিয়া ব্ৰিটিছ আঁতৰি যাব

"যদি আপুনি সৰ্ব্বদলীয় চৰকাৰ এটা গঠন কৰাৰ সিদ্ধান্ত লয়, তেনেহলে ব্ৰিটিছ ৰক্ষণাবেক্ষণ উঠাই নিয়াৰ পিছত হিন্দু-মুছলমানৰ মাজৰ সংঘৰ্ষ এটালৈহে পথ ৰচনা কৰিব। আপোনাৰ অতি শক্তিশালী আকৰ্ষণীয় ব্যক্তিত্ব আৰু ব্ৰিটিছৰ বেয়নেটেহে কংগ্ৰেছক শক্তিত অধিষ্ঠিত কৰি ৰাখিছে, অহিংসাই নহয়। এই ব্যৱস্থাটো বাদ দি দুই বা তিনি মাহলৈ অহিংস

পদ্ধতি অনুশীলন কৰি চালেই, ওপৰত কোৱা কথাবাৰৰ সত্যতা উপলব্ধি কৰিব পাৰিব।"

এগৰাকী সম্মানিত পত্রলিখকে এনেদৰে লিখিছে। এই মন্তব্য সমৰ্থন কৰাত মোৰ কোনো আপত্তি নাই যে ব্ৰিটিছ বেয়নেটেহে কংগ্রেছ মন্ত্রীসভাসমূহক শক্তিত অধিষ্ঠিত কৰি ৰাখিছে। মোৰ 'আকৰ্ষণীয়তাই, নিৰ্ব্বাচনত জয়লাভৰ ক্ষেত্ৰত হয়তো কিবা কাম কৰিব পাৰে। কিন্তু মন্ত্রীসভাসমূহক শক্তিত অধিষ্ঠিত কৰি ৰখাৰ ক্ষেত্ৰত সেয়া সম্পূর্ণভাবে বিফল প্রমাণিত হৈছে। ব্ৰিটিছৰ বেয়নেটহে প্ৰকৃত সংৰক্ষক শক্তি। এয়ে মাত্র ইয়াকে দেখুৱায় যে জনসাধাৰণে এতিয়াও অহিংসাৰ তাৎপৰ্য্য গ্ৰহণ কৰা নাই।

এটা সৰ্ব্বদলীয় চৰকাৰেই ইয়াৰ প্ৰতিষেধক নহয়। তেনে চৰকাৰ বাইজৰ বাবে গঠিত বাইজৰ নিজা চৰকাৰ' নহব। সেয়া হব স্বাৰ্থসিদ্ধিৰ বাবে গঠিত দলীয় থলুৱা গোট এটাবহে চৰকাৰ। তেনে গোটৰ কৰ্ণধাৰাও আকৌ কংগ্রেছ মন্ত্রীসভাৰ কৰ্ণধাৰাতকৈ সহজসাধ্য নহব। সিও ব্ৰিটিছৰ তৰোৱালৰ ওপৰতে নিৰ্ভৰ কৰিব লাগিব। আনহাতে ব্ৰিটিছৰ তৰোৱাল আঁতৰাই নিনিলে, দেশত প্ৰকৃত স্থায়ী শান্তি হব নোৱাৰে। বিশৃঙ্খল সংঘাতৰ সম্ভাব্য দুৰ্য্যোগৰ সন্মুখীন হবই লাগিব। অহিংসা যদিহে জাতীয়জীৱনৰ অঙ্গ হবই লাগে, তেনেহলে এনেকুৱা সম্ভাব্য সংঘাতৰ মাজতে ই জন্মগ্রহণ কৰিব। দিনে দিনে এইটো পৰিষ্কাৰ হবলৈ ধৰিছে যে যেতিয়ালৈকে ব্ৰিটিছৰ তৰোৱালে জনসাধাৰণৰ যুক্ত চিন্তাধাৰাক বিনষ্ট কৰি থাকে, তেতিয়ালৈকে প্ৰকৃত ঐক্য নাহিব। এই জাপি দিয়া শান্তি, ঠিক যেন কবৰৰ হে শান্তি। মই ভাবোঁ, বিশৃঙ্খল সংঘাতো আদৰণীয় উপশমহে হব যদি তাকেই আমি স্বাধীনতাৰ মূল্য হিচাপে দিবই লাগে। কাৰণ সেই সংঘাতৰ পৰাই মই শান্তিৰ আগমনৰ সম্ভাৱনা উপলব্ধি কৰোঁ, বৰ্ত্তমান অবাস্তৱতাৰ পৰা নহয়। এহাতে সংঘৰ্ষৰ হাত সাৰিবলৈ আৰু আনহাতে ব্ৰিটিছৰ তৰোৱালৰ পৰা আঁতৰি আহিবলৈ হলে,—একমাত্র পন্থা হ'ল মুকলিভাবে অহিংসাক গ্ৰহণ কৰাটো। এই উদ্দেশ্যৰ বাবে মোৰ জীৱন উৎসৰ্গীকৃত আৰু তাৰ সম্ভাৱনা আৰু সফলতাৰ ওপৰত থকা মোৰ যি বিশ্বাস সেয়া মোৰ দৈহিক অৱলুপ্তিৰ পিছতো থাকিব।

বাৰ্ডৌলৈ যাওঁতে ট্ৰেনত, ৩-৩-'৪০

হৰিজন, ৯-৩-১৯৪০

[১০৫]

কিছুমান প্ৰশ্ন

"বিদায় লোৱাৰ আগতে মই আৰু এটা বা দুটা আৱশ্যকীয় প্ৰশ্ন সুধিব পাৰোঁ নে?" চীনা বন্ধুজনে কৈছিল। "ভাৰত স্বাধীন হোৱা দেখিবলৈ আপুনি আশা কৰে নে?"

"নিশ্চয় কৰোঁ," দ্বিধাহীন উত্তৰ আছিল। "মই মোৰ জীৱনকালত ভাৰত স্বাধীন হোৱাটো চাবলৈ বিচাৰোঁ। কিন্তু ঈশ্বৰে মোক জীৱনৰ সপোন সফল হোৱা দেখিবৰ বাবে উপযুক্ত বুলি নাভাবিবও পাৰে। তেতিয়া হলে মই কাজিয়া কৰিম, ঈশ্বৰৰ লগত নহয়, মোৰ নিজৰ সত্তাৰ লগত।"

"কিন্তু সৈন্যদল নোহোৱাকৈ আপুনি কেনেদৰে সফলকাম হব পাৰিব?"

"চাওক, এতিয়ালৈকে আমি এইখিনি কৰিছোঁ। এটা বন্দুকৰ গুলি নমৰাকৈ আমি আমাৰ লক্ষ্য স্থলৰ ওচৰ চাপি আছোঁ। যদি আমি কৃতকাৰ্য্য হওঁ, সেয়া এক অলৌকিক কথা হব। কিন্তু অহিংসা অস্ত্ৰৰ সফলতা সম্পৰ্কে সন্দেহ কৰাৰ কোনো যুক্তি মই বিচাৰি নাপাওঁ। অৱশ্যে আমাৰ ভিতৰত সেই শক্তি আৱশ্যক পৰিমাণৰ আছে নে নাই তাৰ প্ৰমাণ লবলৈ এতিয়াও বাকী আছে।"

"ব্ৰিটিছৰ বিপক্ষে বাইজৰ ঘৃণাভাব আছে নে নাই?"

"দুখৰ বিষয়—আছে। কিন্তু যদি আমি অহিংস হৈ থাকোঁ, তেনেহলে যিকোনো অব্যৱহৃত বস্তুৰ দৰে ঘৃণাও ক্ৰমে নাইকিয়া হৈ যাব।"

"জাপানৰ বিপৰীতে থকা ঘৃণাভাৱৰ পৰা অব্যাহতি পোৱাটো কিন্তু আমাৰ বাবে অতি কঠিন।"

"এৰা, আপোনালোকক তাৰ বাবে কেৱা পুৰুষো লাগিব, কাৰণ আপোনালোকে তেওঁলোকৰ বিপৰীতে হিংসাৰ পন্থা লৈ আহিছে। মই নকওঁ যে আপোনালোকে হিংসা পন্থাৰে আত্মৰক্ষা কৰা উচিত নাছিল, কিন্তু তেনে পৰিবেশত ঘৃণা ভাবৰ মৃত্যু নহয়।"

"আন জাতিৰ তুলনাত ব্ৰিটিছসকলৰ লগত বুজাপৰা কৰাত সহজ নেকি?"

"অহিংসাৰ দৃষ্টিৰে তেওঁলোকো আন যিকোনো জাতিৰ দৰেই বুজাপৰা কৰাৰ ক্ষেত্ৰত সহজ। কিন্তু আন কাৰো লগত বুজাপৰাৰ সুযোগ নোপোৱা

হেতুকে, মই বাস্তৱ অভিজ্ঞতাৰ পৰা সেইটো ভাঠি কব নোৱাৰোঁ। মুছলমানকে ধৰি ভাৰত বিজয়ী প্ৰতিটো শক্তিয়ে ভাৰতীয় সংস্কৃতি আৰু ভাৰতীয় আচাৰ ব্যৱহাৰৰ মহত্ত্ব খিনিৰ বিপৰীতে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰি আহিছে। মই বিশ্বাস কৰোঁ যে জাৰ্ম্মানেও তেনেকুৱাই কৰিলেহেঁতেন। আনহাতে ইংৰাজৰ প্ৰতিক্ৰিয়া আপেক্ষিকভাৱে কম হৈছে হয়তো' তওঁলোকৰ আচুতীয়া অৱস্থিতি আৰু বৰ্ণবৈষম্যৰ ধাৰণাৰ বাবে।"

সেৱাগ্ৰাম, ৭ ৪ '৪০

হৰিজন ১৩ ৪ ১৯৪

[১০৬]

আমেৰিকাৰ পৰা দুটা প্ৰশ্ন

আমেৰিকাৰ পৰা এজন বন্ধুৱে সমিধান বিচাৰি তলত দিয়া প্ৰশ্ন দুটা পঠিয়াইছে

১। "ধৰি লওঁ, ভাৰতৰ স্বাধীনতা লাভৰ বাবে সত্যাগ্ৰহ সমৰ্থ, কিন্তু তাক ভাৰতৰ ৰাষ্ট্ৰীয় মূলনীতি হিচাপে গ্ৰহণ কৰাৰ আনো সম্ভাৱনা আছে? আন কথাত শক্তিশালী স্বাধীন ভাৰতে আত্মৰক্ষাৰ পন্থা হিচাপে সত্যাগ্ৰহৰ ওপৰতে আস্থা ৰাখিব নে মূঠতে পুনৰ পুৰণিকলীয়া যুদ্ধব্যৱস্থাৰ মাজতে আশ্ৰয় বিচাৰি লবগৈ, তেহেলৈ সেই ব্যৱস্থা যিমানেই আত্মৰক্ষা-মূলকহে নহওক? সমস্যাটো তত্ত্বগত ভেটিত দাঙি ধৰিলে এনে হয়গৈ: আত্মত্যাগ ব্যৱস্থা সম্পূৰ্ণ কাৰ্য্যকৰী হোৱা সময়ৰ কষ্টসাধ্য সংগ্ৰামৰ ক্ষেত্ৰতহে সত্যাগ্ৰহক গ্ৰহণ কৰা হব, নে আত্মত্যাগৰ ভেটিত কোনো ব্যৱস্থাৰ আৱশ্যকতাৰ থল নথকা সাৰ্ব্বভৌম শক্তি এটাবো ই অস্ত্ৰ হব?"

২। ধৰক, স্বাধীন ভাৰতে সত্যাগ্ৰহকে ৰাষ্ট্ৰীয় নীতি হিচাপে গ্ৰহণ কৰিলে, তেনে ক্ষেত্ৰত আন এখন সাৰ্ব্বভৌম ৰাষ্ট্ৰৰ সম্ভাব্য আক্ৰমণৰ পৰা ভাৰতে নিজকে ৰক্ষা কৰিব কেনেকৈ? প্ৰশ্নটো সম্পূৰ্ণ তত্ত্বগত দৃষ্টিৰে দাঙি ধৰিলে এনে হব সীমান্ত আক্ৰমণকাৰী সৈন্যৰ সন্মুখীন হবলৈ সত্যাগ্ৰহীৰ বাবে কেনে ধৰণৰ কাৰ্য্যপন্থাৰ আৱশ্যক হব? বৰ্ত্তমানে ভাৰতত ভাৰতীয় জাতীয়তাবাদী আৰু ব্ৰিটিছ চৰকাৰৰ মাজত থকা বিৰোধৰ দৰে, আক্ৰমণকাৰীৰ লগত হোৱা সংঘৰ্ষৰ একে ক্ষেত্ৰত কেনে ধৰণৰ প্ৰতিৰোধ আগবঢ়াব পৰা হব? নে আক্ৰমণকাৰীয়ে

ৰাজ্যখন দখল নকৰালৈকে সত্যাগ্ৰহীয়ে তেওঁলোকৰ কাৰ্য্যপন্থা গ্ৰহণ কৰাৰ পৰা বিৰত থাকিব ?”

প্ৰশ্নবোৰ আনুমানিক বুলি স্বীকাৰ কৰা হৈছেই। সেইবোৰ সময়তকৈ আগতীয়াও, কাৰণ অহিংস পদ্ধতিৰ সকলোখিনি মই নিজে এতিয়াও আয়ত্ত কৰিব পৰা নাই। পৰীক্ষা নিৰীক্ষা এতিয়াও চলাই থকা হৈছে। সেয়াও আকৌ উন্নততৰ পৰ্য্যায় পোৱাগৈয়ে নাই; আনহাতে পৰীক্ষা নিৰীক্ষাবো বিশেষ ব্যৱস্থাই এদ্ধাৰ দিশত একো খোজকৈ ধীৰে আগবঢ়াত সন্তুষ্ট থকাটোৱেই বিচাৰে। সুদূৰৰ দৃশ্যপটলৈ তেনেলোকে মন কৰা উচিত নহয়। সেয়ে মোৰ উত্তৰবোৰো এনে ধৰণৰ তাত্বিকহে হব।

প্ৰকৃতপক্ষে, মই আগতে কোৱাদৰে, বৰ্ত্তমানে আমাৰ স্বাধীনতা অৰ্জ্জনৰ সংগ্ৰামতো আমি অবিমিশ্ৰ অহিংসা প্ৰয়োগ কৰিব পৰা নাই।

প্ৰথম প্ৰশ্ন সম্পৰ্কে কব পাৰোঁ যে বৰ্ত্তমানলৈকে যি দেখিছোঁ তাৰ পৰা সন্দেহ হয় যে অহিংসাক ৰাষ্ট্ৰনীতিৰূপে গ্ৰহণৰ আশা অতি ক্ষীণ। যদি স্বাধীনতা পোৱাৰ পিছত ভাৰতে অহিংসাক তেওঁলোকৰ নীতি হিচাপে নলয়েই, তেনেহলে দ্বিতীয় প্ৰশ্নটো অবাস্তৱ।

কিন্তু অহিংসাৰ ক্ষমতাৰ বিষয়ে মই মোৰ ব্যক্তিগত মত ব্যক্ত কৰিব পাৰোঁ। মই বিশ্বাস কৰোঁ যে এখন ৰাজ্য অহিংসাৰ ভেটিত শাসন কৰিব পাৰি, যদিহে জনসাধাৰণৰ অত্যধিক অংশ লোক অহিংস হয়। মই যিমানখিনি জানো, ভাৰতবৰ্ষই একমাত্ৰ দেশ য'ত এনে ধৰণৰ ৰাষ্ট্ৰস্থাপনৰ সম্ভাৱনা আছে। সেই বিশ্বাসেৰে মই পৰীক্ষা নিৰীক্ষা চলাইছোঁ। সেই কাৰণে, যদি ধৰি লোৱা হয় যে ভাৰতে নিৰ্ভেজাল অহিংসাৰে স্বাধীনতা পায়, তেনেহলে তাক একে উপায়ে ভাৰতে ৰক্ষা কৰিবও পাৰিব। অহিংস মানুহ বা সমাজে আগতীয়াকৈ বহিৰাক্ৰমণৰ সন্দেহ নকৰে। আনহাতে তেনে লোকে বা সমাজে বিশ্বাস কৰে যে তেওঁলোকৰ শান্তিত কোনেও ব্যাঘাত নোপজায়। অৱশ্যে যদি বেয়াটোৱেই ঘটেগৈ তেতিয়া হলে অহিংস পন্থীৰ বাবে দুটা পথ মুকলি আছে। দখলস্বত্ব ত্যাগ কিন্তু আক্ৰমণকাৰীৰ লগত অসহযোগ হল এটা উপায়। তেনেকৈ ধৰি লওক, 'নিৰো'ৰ কোনো আধুনিক সংস্কৰণৰ অত্যাচাৰীয়ে ভাৰতত পদাৰ্পন কৰেহি, তেনেহলে ৰাষ্ট্ৰৰ প্ৰতিনিধিবৰ্গই তেওঁক আহিবলৈ দিব কিন্তু লগতে কব যে তেওঁ ৰাইজৰ পৰা কোনো সহযোগ নাপায়, তেওঁলোকে আক্ৰমণকাৰীৰ আদেশ মানি লোৱাতকৈ মৃত্যুকে বৰণ

কৰিব। দ্বিতীয় পন্থা হ'ল,—অহিংস পদ্ধতিৰে প্ৰতিৰোধৰ প্ৰশিক্ষণ লোৱা বাইজৰ তেনে ধৰণৰ অহিংস প্ৰতিৰোধ। আক্ৰমণকাৰীৰ কামানৰ সমুখত তেওঁলোকে নিৰস্ত্ৰভাবে আত্মবলি দিবলৈ আগবাঢ়িব। দুয়োটা পন্থাৰে অন্তৰ্নিহিত বিশ্বাসটো হ'ল এয়ে যে আনকি এজন 'নিৰো'ও ইমান হৃদয়হীন হব নোৱাৰে। অন্তহীন শাৰী শাৰী নৰনাৰীয়ে আত্মসমৰ্পন কৰাতকৈ নি সংকোচে মৃত্যুবৰণ কৰাৰ অপ্ৰত্যাশিত দৃশ্যই নিশ্চয় অৱশেষত তেওঁৰ আৰু সেনাদলৰ অন্তৰ দ্ৰবীভূত কৰিব। বাস্তৱ দৃষ্টিভঙ্গীৰে কবলৈ হ'লে, তেনেক্ষেত্ৰত সম্ভৱত শক্তিৰে প্ৰতিৰোধ কৰিলে যিমান লোক ক্ষয় হলহেতেন তাতকৈ অধিক লোকক্ষয় নহব, তদুপৰি অস্ত্ৰশস্ত্ৰ আৰু দুৰ্গাদি নিৰ্মাণৰ ব্যয়ো নহব। ৰাইজে পোৱা অহিংসাৰ প্ৰশিক্ষণে অভাৱনীয়ভাবে তেওঁলোকৰ নৈতিক মৰ্য্যাদাক ক্ৰমে উচ্চৰ পৰা উচ্চস্তৰলৈ নিব। এই নৰনাৰীসকলে সশস্ত্ৰ যুদ্ধত দেখুওৱা ব্যক্তিগত সাহসতকৈ বহুগুণে শ্ৰেষ্ঠ ব্যক্তিগত বীৰত্ব প্ৰদৰ্শন কৰিব। দুয়োটা ক্ষেত্ৰতে, সাহস, মৃত্যুবৰণতহে, আনক হত্যা কৰাত নহয়। শেষত, অহিংস প্ৰতিৰোধত পৰাজয় বুলি কোনো কথা নাই। এনে ঘটনা আগতে ঘটা নাই বুলি কলেই কিন্তু মোৰ নিজস্ব ধাৰণাৰ বিপৰীতে প্ৰত্যুত্তৰ দিয়া নহব। মই কোনো অসম্ভৱ চিত্ৰ দাঙি ধৰা নাই। মই উল্লেখ কৰা ধৰণৰ ব্যক্তিগত অহিংসাৰ বহু উদাহৰণ বুৰঞ্জীত পোৱা যায়। যথেষ্ট পৰিমাণে প্ৰশিক্ষণপ্ৰাপ্ত এদল মুনিহ বা তিৰোতায়ো কাৰ্য্যক্ষেত্ৰত এটা গোট বা জাতি হিচাপে অহিংসপন্থাৰে কাম কৰিব নোৱাৰিব বুলি কোৱা বা ভবাৰ যুক্তি নাই। আচলতে মানব জাতিৰ এতিয়ালৈ আহৰণ কৰা অভিজ্ঞতাৰ থুলমূল কথা হ'ল এয়ে যে মানুহে কিবা নহয় কিবা উপায়ে জীয়াই থাকে। সেই কথাৰ পৰাই যুক্তিসহকাৰে মই কওঁ যে প্ৰেমৰ অনুশাসনেহে মানব জাতিক শাসন কৰে। যদিহে হিংসা অৰ্থাৎ ঘৃণাই আমাক শাসন কৰিলেহেতেন, তেনেহলে আমি কোন কাহানিবাই নিৰ্বংশ হৈ গলোহেতেন। অথচ, তথাপি দুখৰ কথা, তথাকথিত সুসভ্য মানুহ বা জাতিবোৰে এনে ধৰণৰ আচৰণ কৰে যে অনুমান হয় সমাজৰ মূলভেটি যেনিবা হিংসাহে। প্ৰেমেই যে সবাতোকৈ শক্তিশালী আৰু একমাত্ৰ জীৱনৰ নীতি—সেই কথাকে প্ৰমাণ কৰিবলৈ চলাই থকা পৰীক্ষা-নিৰীক্ষাই মোক অসীম আনন্দ দিয়ে। তাৰ বিপৰীতে দেখুওৱা উদাহৰণ বোৰেও মোক এই বিশ্বাসৰ পৰা টলাব নোৱাৰে। আনকি ভাৰতৰ বৰ্তমান মিশ্ৰিত ধৰণৰ অহিংসায়ো তাকেই সমৰ্থন কৰে। এইখিনি যুক্তি এজন

সন্দেহবাদীক পতিয়ন নিওৱাৰ বাবে যথেষ্ট নহলেও, যদি সেয়ে বন্ধুভাবাপন্ন মোৰ সমালোচকসকলক বিষয়টো অলপ সহানুভূতিৰ দৃষ্টিৰে চাবলৈ উদ্‌গনি দিয়ে তেনেহলেও যথেষ্ট হব।

সেৱাগ্ৰাম, ৮ ৪ '৪০

হৰিজন ১৩-৪ ১৯৪

[১০৭]

অহিংসাৰ সাৰ্থকতা কি ?

এগৰাকী ভাৰতীয় বন্ধুৱে লিখিছে

"বোমা আৰু মেচিনগানৰ গুলিৰ প্ৰকোপত কেনেদৰে সম্পূৰ্ণভাবে হতাশ আৰু ভয় ভীত হৈ নৰৱেৰ অধিবাসীসকলে নগৰ এৰি পলাইছে—তাৰ কৰুণ বিৱৰণ কালি ৰয়টাৰে প্ৰকাশ কৰিছে। এইটো সচাকৈয়ে অতিশয় দুখৰ কথা যে, ধ্বংসৰ উপায়সমূহক এটা নিপুণ কলা কৌশললৈ উন্নীত কৰাৰ ইচ্ছা নথকা বা তাৰ বাবে আৱশ্যকীয় সম্পদ নথকা কাৰণেই ইমানবোৰ সৰল মানুহ এনেদৰে হঠাতে অসহায় অৱস্থাত পৰিবলগীয়া হল। মই ভাবোঁ ইয়াৰ দ্বাৰা হিংসাৰ অসমৰ্থতা আৰু ইয়াৰ সফলতা যে ক্ষণস্থায়ী সেয়া প্ৰমাণিত হবলৈ ধৰিছে। নৰৱে ৰক্ষাৰ বাবে হিংসামূলক প্ৰতিৰোধৰ কি সাৰ্থকতা আছিল ? অৱশ্যে বৰ্ত্তমানলৈকে উগ্ৰতৰ জাৰ্মান হিংস্ৰতা যেনিবা কৃতকাৰ্য্য হৈ আছে। আমি আশা ৰখা উচিত হব যে প্ৰত্যেকেই হিংস্ৰপন্থাৰ অসমৰ্থতা উপলব্ধি কৰিব আৰু এটা নতুন যুগৰ দোকমোকালিয়ে দেখা দিব। কিন্তু আমি জানো সচাকৈয়ে বিশ্বৰ সমস্যা সমূহৰ ক্ষেত্ৰত এটা অহিংস পন্থাৰ বৰঙণি আগবঢ়াব পাৰিছোঁ ? নৰৱে, চুইডেন বা ডেনমাৰ্কৰ বাবে আমাৰ অহিংস পন্থাৰ কি আৱশ্যকতা থাকিব পাৰে ? প্ৰকৃত পক্ষে, আমি জানো আধ্যানিক থোপনি পোতাৰহে এটা সুবিধা দি থকা নাই ? সচা কথা, আমি গ্ৰেট ব্ৰিটেনক এটা অস্বস্তিৰ মাজত ৰাখিছোঁ, তাৰ বাহিৰে অধিক একো কৰা নাই। আৰু আমি কব পাৰোঁ যে এনে এটা অস্বস্তিকৰ পৰিস্থিতি এৰাব নোৱাৰা বিধৰ অথচ তাক আমি ইচ্ছাকৃত ভাবে সৃষ্টি কৰাও নাই। কিন্তু কথা হ'ল যে ইংলণ্ড বিপদত পৰিছে, আৰু আমাৰ কামৰ দ্বাৰা আমি অকল ইংলণ্ডকে নহয়—আক্ৰমণকাৰীৰ কবলত পৰা আন সকলো সৰল জাতিসমূহকো অস্বস্তিকৰ অৱস্থা এটাত পেলাইছোঁ। ধাৰণা হয় যে আমি ইংলণ্ডৰ অন্তৰ সলনি

কৰোঁৱাত কৃতকাৰ্য্য হব নোৱাৰিম। আনহাতে নৰৱেৰ দৰে নিৰ্য্যাতিত সকলে আমাৰ এই মনোভাৱক সুদৃষ্টিৰে কেতিয়াও চাব নোৱাৰিব। আমাৰ বৰ্ত্তমানৰ মনোভাৱৰ পৰিপ্ৰেক্ষিতত আন্তৰ্জাতিক বিশ্বই আমি যে অতীতত চীন আৰু স্পেনৰ দৰে আক্ৰান্তসকলৰ সহায় আগবঢ়াইছিলোঁ—সেই বিষয়েও বিকৃত অৰ্থ কৰিবলৈ যুক্তিসঙ্গতভাৱে চেলু পাব। বৰ্ত্তমানৰ নিৰ্য্যাতিতসকলতকৈ জানো তেওঁলোক আমাৰ সহায় পাবৰ বাবে অধিকতৰ যোগ্য আছিল? আৰু যদি নহয়, তেনেহলে কিয় এই পাৰ্থক্যবোধ? মাত্ৰ এইকাৰণে যে এটা সাম্ৰাজ্যবাদী শক্তিয়ে নিজৰ স্বাৰ্থৰ কাৰণে হলেও, কিবা এটা মহৎ আৰু নীতিসঙ্গত কাম কৰিবলৈ স্থিৰ কৰিছে। যোৱা যুদ্ধত সৈন্যবাহিনীত যোগ দিয়াবলৈ আপুনি সকলোকে দৃঢ়ভাবে আহ্বান জনাইছিল আৰু সেই কৰ্ম্মৰ বাবে কেতিয়াও অনুতাপ কৰা নাই। এইবেলি আপোনাৰ মনোভাৱ তীব্ৰভাবে বিপৰীত ধৰণৰ দেখা গৈছে, যদিও আপুনি কয় যে দুয়োটা মনোভাৱেই শুদ্ধ।"

ভেন বা নৰৱেজিয়ানসকলৰ দৰে অতি সুসংস্কৃত আৰু নিমাবিত জাতিৰ দুৰ্ভাগ্যৰ বাবে অকল পত্ৰলেখকজনেই দুমুনিয়াহ পেলোৱা নাই। এই যুদ্ধই হিংসাৰ অসাৰ্থকতা দেখুৱাব ধৰিছে। ধৰি লওক সংযুক্ত জাতিপুঞ্জৰ বিপৰীতে হিটলাৰ জয়ী হ'ল, তথাপি তেওঁ ইংলণ্ড বা ফৰাচীদেশক পদানত কৰি ৰাখিব নোৱাৰিব। আনহাতে ধৰি লওক সংযুক্ত জাতিপুঞ্জ জয়ী হ'ল, সেই বুলি বিশ্বৰ ব্যৱস্থা উন্নততৰ অৱস্থালৈ সলনি নহব। তেওঁলোক অধিক ভদ্ৰ হব পাৰে, কিন্তু কম হিংস্ৰ নহব, যদিহে যুদ্ধৰ সময়ত তেওঁলোকে অহিংসাৰ শিকনি নলয় আৰু যদিহে হিংসাৰ যোগেৰে পোৱা লাভখিনি ত্যাগ নকৰে। অহিংসাৰ প্ৰথম আৱশ্যকতাই হ'ল জীৱনৰ সকলো ক্ষেত্ৰত সম্পূৰ্ণ ন্যায় পৰায়ণতা। সম্ভৱত: মানবীয় স্বভাৱৰ ক্ষেত্ৰত এয়া দুৰাশা। মই কিন্তু তেনেদৰে নাভাবোঁ। মানুহৰ অৱনতি বা উন্নতিৰ বাবে মানৱ স্বভাৱৰ সক্ষমতা সম্পৰ্কে কোনেও বদ্ধমূল ধাৰণাৰ বশবৰ্ত্তী হোৱা উচিত নহয়।

ভাৰতীয় অহিংসাই পশ্চিমীয়া সভ্য জাতিসমূহৰ বাবে নিৰাময়ৰ ভাৰ অনা নাই, কাৰণ ই এতিয়াও নিয়মানৰ হৈ আছে। ইয়াৰ অসামৰ্থ্য লক্ষ্য কৰিবলৈ অধিক দূৰ যাব লাগিছে কেলৈ? কংগ্ৰেছৰ অহিংস নীতি সত্ত্বেও, আমি ভাৰতত ছেৰেলি-ভেদেলি হৈ পৰিছোঁ, কংগ্ৰেছো অবিশ্বাসৰ পাত্ৰ হৈ পৰিছে। কংগ্ৰেছ বা একে ধৰণৰ আন সংগঠনে যেতিয়ালৈকে শক্তিমানৰ অহিংসাৰহে প্ৰতিনিধিত্ব কৰিবলৈ সক্ষম নহয়, তেতিয়ালৈ বিশ্ব এই নীতিৰ

দ্বাৰা প্ৰভাৱিত নহয়। স্পেন আৰু চীনলৈ আগবঢ়োৱা ভাৰতৰ সহায় আছিল—মাত্ৰ নৈতিক সমৰ্থন। সা-সম্ভাৰৰ যি বৰঙণি, সেয়া আছিল তাৰে এটা নি কিন প্ৰতীক মাথোন। নিশাটোৰ ভিতৰতে স্বাধীনতা হেৰুওৱা নৰৱে আৰু ডেনমাৰ্কবাসীৰ বাবেও একে ধৰণৰ সহানুভূতি নোপজা ভাৰতীয় অতি কমেই আছে। তেওঁলোকৰ প্ৰশ্নটো স্পেন আৰু চীনৰ তুলনাত যদিও বেলেগ, ধ্বংসকাণ্ডৰ ক্ষেত্ৰত কিন্তু স্পেন আৰু চীনৰ তুলনাত এই দুই ৰাজ্যৰ অৱস্থা সম্পূৰ্ণভাবে শোচনীয়। আচলতে চীন আৰু স্পেনৰো পৰস্পৰৰ মাজত উল্লেখযোগ্য পাৰ্থক্য আছে। কিন্তু সহানুভূতিৰ ক্ষেত্ৰত কোনো পাৰ্থক্য থাকিব নোৱাৰে। এই ৰাষ্ট্ৰবিলাকলৈ বৰঙণি যোগাবৰ বাবে দেউলিয়া ভাৰতৰ অহিংসাৰ বাহিৰে আন একো নাই। কিন্তু মই আগতে কৈ অহা দৰে, ই এতিয়াও আনলৈ আগবঢ়াব পৰা অৱস্থা পোৱাগৈ নাই। সেয়া সম্ভব হব তেতিয়াহে, যেতিয়া ভাৰতে নিজে অহিংস পন্থাৰে স্বাধীনতা লাভ কৰিবলৈ সক্ষম হব।

তেনেহলে এতিয়া ৰ'লগৈ ব্ৰিটেনৰ প্ৰশ্নটো। কংগ্ৰেছে কোনো অস্বস্তিৰ সৃষ্টি কৰা নাই। মই ইতিমধ্যে ঘোষণা কৰিছোঁৱেই যে গ্ৰেট ব্ৰিটেনক অস্বস্তিকৰ পৰিস্থিতিত পেলোৱা কোনো কাম মই নকৰোঁ। ভাৰতত যদি অৰাজকতাৰ সৃষ্টি হয়, তেতিয়াহে ব্ৰিটেনৰ অস্বস্তি হব পাৰে। মোৰ শৃঙ্খলাৰ অনুশাসনত থকালৈকে কংগ্ৰেছে সেয়া সমৰ্থন নকৰিব।

কংগ্ৰেছে কৰিব নোৱাৰা কামটো হ'ল —ব্ৰিটেনক নৈতিক সমৰ্থনৰ প্ৰভাৱ আগবঢ়োৱাটো। যন্ত্ৰচালিতৰ দৰে নৈতিক সমৰ্থন কেতিয়াও দিব নোৱাৰি। তাক গ্ৰহণ কৰাটো ব্ৰিটেনৰ দায়িত্ব। সম্ভৱতঃ, কংগ্ৰেছৰ কিবা দিব পৰা থাকিব পাৰে বুলি ব্ৰিটিছ ৰাজনীতিবিদসকলে নাভাৱে। তেওঁলোকে হয়তো ভাবে যে এই যুদ্ধত পৃথিবীত একমাত্ৰ আৱশ্যক সা-সম্ভাৰৰ সহায়। যদি তেওঁলোকে তেনেদৰে ভাবে—চাবলৈ গলে বিশেষ ভুল হোৱা নাই। কাৰণ যুদ্ধত নৈতিকতা নিষিদ্ধ বস্তু। আনহাতে ব্ৰিটেনৰ পক্ষে দাঙি ধৰা প্ৰশ্নটোকে পত্ৰলিখকে সামৰি থোৱা যেনহে লাগিছে, কাৰণ তেওঁ কৈছে, "আমি ব্ৰিটেনৰ অন্তৰ সলনি কৰাত সফল নোহোৱাটোৱেই সম্ভৱ।" মই ব্ৰিটিছৰ অমঙ্গল কামনা নকৰোঁ। যদি ব্ৰিটিছৰ পতন হয়, মই মৰ্ম্মাহত হ'ম। কিন্তু যদি ব্ৰিটিছে ভাৰতক শাসন কৰাৰ পৰা বিৰত নহয়, তেনেহলে কংগ্ৰেছৰ নৈতিক সমৰ্থনৰ প্ৰভাৱৰ পৰা ব্ৰিটেন বঞ্চিত হব। এই অপৰিবৰ্তনীয় নীতিৰ ভেটিতে কংগ্ৰেছৰ কৰ্ম্মপন্থা চলি থাকিব।

'খেদা'ত সৈন্য ভৰ্ত্তিকৰণৰ বিষয়ে মোৰ মত আৰু আজিৰ মোৰ মনোভাৱৰ মাজত বন্ধু পত্ৰলিখকে কোনো পাৰ্থক্য দেখা নাই। যোৱা যুদ্ধত নৈতিক প্ৰশ্নটো উঠা নাছিল। কংগ্ৰেছো অহিংস পন্থা গ্ৰহণৰ বাবে প্ৰতিশ্ৰুত হোৱা নাছিল। বৰ্ত্তমানৰ দৰে তেতিয়া সৰ্ব্বসাধাৰণ ৰাইজৰ ওপৰত কংগ্ৰেছৰ নৈতিক প্ৰভাৱো নাছিল। মই যি কৰিছিলোঁ, সেয়া নিজৰ মতে নিজৰ দায়িত্বত কৰিছিলোঁ। আনকি মই 'ৱাৰ কনফাৰেন্স'তো যোগ দিছিলোঁ। আৰু মোৰ ঘোষণাৰ প্ৰতি নিষ্ঠাবান হবলৈ, স্বাস্থ্যভঙ্গ কৰি হলেও মই সৈন্য ভৰ্ত্তি কৰণৰ বাবে খাটিছিলোঁ। মই ৰাইজক কৈছিলোঁ যে যদি তেওঁলোকে অস্ত্ৰ বিচাৰে, তেনেহলে সেয়া পাবলৈ নিশ্চিত উপায় হল—সৈন্যবিভাগৰ চাকৰিত যোগদান। কিন্তু যদি তেওঁলোক মোৰ দৰে অহিংসাপন্থী তেনেহলে মোৰ এই আবেদন তেওঁলোকৰ বাবে নহয় বুলিও কৈছিলোঁ। মই যিমান দূৰ জানো তেতিয়া মোৰ শ্ৰোতাসকলৰ মাজত কোনো অহিংসাবাদী লোক নাছিল। ব্ৰিটেনৰ প্ৰতি বেয়া ধাৰণাই তেওঁলোকৰ আগ্ৰহহীনতাৰ কাৰণ আছিল। লাহে লাহে সেই ধাৰণাৰ ভেটিতে গঢ় ললে,—বিদেশী শাসন ওফৰাই পেলাবলৈ লোৱা যুক্তিসঙ্গত দৃঢ় সিদ্ধান্তই।

তেতিয়াৰ পৰা সকলো ক্ষেত্ৰতে বহুতো সলনি হ'ল। যোৱা মহাসমৰত ভাৰতৰ পৰা সৰ্ব্বসম্মতিক্ৰমে সমৰ্থন লাভ কৰা সত্বেও ব্ৰিটিছৰ মনোভাবে কাৰ্য্য ক্ষেত্ৰত ৰাওলাট এক্ট আৰু তেনে ধৰণৰ ব্যৱস্থাৰ মাজতহে ৰূপ ললে। ব্ৰিটিছৰ অন্যায়ৰ বিৰুদ্ধে কংগ্ৰেছে গ্ৰহণ কৰিলে অহিংস অসহযোগৰ ব্যৱস্থা। জালিয়ানৱালাবাগ, চাইমন কমিছন, ঘূৰণীয়া মেজমেল, কেইজনমানৰ কুকৰ্ম্মৰ বাবে বঙ্গভঙ্গ আদিৰ কৰুণ স্মৃতিও জাগি ৰ'ল। কংগ্ৰেছে অহিংস নীতি লোৱাৰ পিছত, এতিয়া মই ৰাইজৰ মাজত সৈন্যদলত যোগদানকাৰী বিচাৰি যোৱাৰ প্ৰশ্ন নুঠে। কিছুমান সৈন্য সংগ্ৰহ কৰি দিয়াৰ পৰিবৰ্ত্তে, কংগ্ৰেছৰ জৰিয়তে আজি মই তাতকৈ বহু বেছি শ্ৰেষ্ঠ সম্পদ যোগাব পাৰোঁ। অৱশ্যে এইটো স্পষ্ট যে, ব্ৰিটেনে তাৰ আৱশ্যকতা বোধ নকৰে। মই ইচ্ছুক কিন্তু নিৰুপায়।১

সেৱাগ্ৰাম, ৩০ ৪ '৪০

হৰিজন, ৪-৫ ১৯৪১

[১০৮]

গণতন্ত্ৰ আৰু অহিংসা

প্ৰ "আপুনি কিয় কয় যে, গণতন্ত্ৰক অহিংসাৰেহে ৰক্ষা কৰিব পাৰি ?" প্ৰশ্নকৰ্ত্তা এজন আমেৰিকাবাসী বন্ধু।

উ কাৰণ হিংসাৰ ওপৰত ভেজা দি থাকিব লগীয়া হ'লে, গণতন্ত্ৰই দুৰ্ব্বলসকলৰ বাবে সু ব্যৱস্থা কৰিব নোৱাৰে বা তেওঁলোকক ৰক্ষা কৰিব নোৱাৰে। গণতন্ত্ৰৰ বিষয়ে মোৰ ধাৰণা এয়ে যে, এনে ব্যৱস্থাত দুৰ্ব্বলতম জনেও আটাইতকৈ শক্তিশালী জনৰ সমানে সুযোগ সুবিধা পোৱা উচিত। অহিংস পন্থাৰ বাহিৰে সেয়া কেতিয়াও সম্ভৱ নহয়। আজি পৃথিৱীৰ কোনো দেশে দুৰ্ব্বলৰ প্ৰতি পৃষ্ঠপোষকতাৰ সহানুভূতিকণৰ বাহিৰে বিশেষ একো আগবঢাব পৰা নাই। আপোনালোকে কয়, দুৰ্ব্বলতম সকলেও কোনোমতে দেৱালত ভেজা দি থাকে। উদাহৰণৰ বাবে আপোনালোকৰ নিজৰ কথাকে ধৰক। আপোনালোকৰ ভূ সম্পদ এমুঠি ধনতান্ত্ৰিক মালিকৰ অধীনত। দক্ষিণ আফ্ৰিকাৰ বেলিকাও একে কথা। এই বিৰাট ভূ সম্পত্তিসমূহ সংৰক্ষণ কৰাৰ একমাত্ৰ উপায় হ'ল হিংসা,—সেয়া মুকলি ধৰণৰ নহলেও আবৰণৰ আঁৰৰ হিংসা। বৰ্ত্তমানে প্ৰচলিত পশ্চিমীয়া গণতন্ত্ৰ নাজীবাদ বা ফেচীবাদৰে পাতল ৰূপ। অতি বেছি সাম্ৰাজ্যবাদী নাজী বা ফেচিষ্ট পন্থাৰ প্ৰকৃত ৰূপ ঢাকি থৱলৈ ই যেনিবা এটি আৱৰণহে মাত্ৰ। আজিৰ এই যুদ্ধ কেলেই,— যদিহে সেয়া লুণ্ঠিত দ্ৰব্য ভাগ কৰি লোৱা প্ৰবৃত্তিৰ সন্তুষ্টিৰ বাবেই নহয় ? ব্ৰিটেনে ভাৰতক গণতান্ত্ৰিক পদ্ধতিৰে দখল কৰা নাছিল। দক্ষিণ আফ্ৰিকাৰ গণতন্ত্ৰৰ অৰ্থ ই বা কি ? শ্বেতকায়সকলক থলুৱা কৃষ্ণকায় অধিবাসীসকলৰ বিপৰীতে ৰক্ষাৰ ব্যৱস্থাৰ বাবেই সেই ঠাইৰ সংবিধানখন ৰচনা কৰা হৈছে। উত্তৰাঞ্চলৰ ৰাজ্যসমূহে দাসত্ব প্ৰথা বিলোপৰ কাৰণে কৰা প্ৰচেষ্টাৰ কথা স্বীকাৰ কৰিও কব লাগিব যে, আপোনালোকৰ নিজৰ বুৰঞ্জীখন সম্ভৱ আৰু অধিক কলঙ্কময়। আপোনালোকে নিগ্ৰোসকলক যেনেদৰে ব্যৱহাৰ কৰি আছে, সেয়ে তেনে কলঙ্কৰ স্বাক্ষৰ বহন কৰে। আৰু এনে ধৰণৰ তথাকথিত গণতন্ত্ৰকে ৰক্ষা কৰিবলৈ যুদ্ধ কৰা হয়। ইয়াৰ মাজত চৰম ভণ্ডামিৰ আভাস আছে। বৰ্ত্তমানে মই মাত্ৰ অহিংসাৰ পৰিপ্ৰেক্ষিতত চিন্তা কৰি আছোঁ। আৰু হিংসাৰ স্বৰূপ উদঙাই দেখুৱাবলৈ চেষ্টা কৰি আছোঁ।

ভাৰতে প্ৰকৃত গণতন্ত্ৰৰ অৰ্থাৎ হিংসাৰ আশ্ৰয় নোলোৱাকৈ স্থাপিত গণতন্ত্ৰৰ উদ্ভাৱনা কৰাৰ চেষ্টাত আছে। আমাৰ অস্ত্ৰবোৰ হ'ল সত্যাগ্ৰহৰ, তাৰেই মূৰ্ত্ত প্ৰকাশ যঁতৰ, কুটীৰ শিল্প, হাতৰ কামৰ জৰিয়তে প্ৰাথমিক শিক্ষা ব্যৱস্থা, অস্পৃশ্যতা বৰ্জ্জন, সাম্প্ৰদায়িক মিলাপ্ৰীতি, মাদক দ্ৰব্য নিবাৰণ আৰু আহমদা বাদত কৰা দৰে অহিংস বহুৱা সংগঠন। এইবোৰে গণ প্ৰচেষ্টা আৰু গণ শিক্ষাৰে ইঙ্গিত দিয়ে। এই কামবোৰ চলাবলৈ আমাৰ বৃহৎ সংগঠন আছে। সেইবিলাক সম্পূৰ্ণভাবে স্বেচ্ছামূলক আৰু সেইবিলাকৰ একমাত্ৰ কৰ্ম্মধাৰা হ'ল ক্ষুদ্ৰতম জনৰো সেৱা।

অহিংস প্ৰচেষ্টাৰ এইটোৱেই চিৰস্থায়ী দিশ। এই প্ৰচেষ্টাৰ পৰাই সৃষ্টি হয় অহিংস প্ৰতিৰোধৰ বাবে আৱশ্যকীয় শক্তিৰ,—যাক কোৱা হয় অসহযোগ আৰু আইন অমান্য আন্দোলন বুলি, আৰু সেয়ে শেষলৈ সমূহীয়াভাবে কৰ খাজনা নিদিয়া আন্দোলনৰ পৰ্য্যায়লৈ যাবগৈ পাৰে। আপুনি জানে, আমি এই অসহযোগ আৰু আইন অমান্য আন্দোলনক যথেষ্ট বৃহৎ পৰিসৰত আৰু যথেষ্ট কৃতিত্বেৰে পৰীক্ষা কৰি চাইছোঁ। এই পৰীক্ষা-নিৰীক্ষাৰ মাজত এটা উজ্জ্বল ভৱিষ্যতৰ প্ৰতিশ্ৰুতি আছে। এতিয়ালৈ আমাৰ প্ৰতিৰোধ দুৰ্ব্বলৰ প্ৰতিৰোধ হৈ আছে। আমাৰ লক্ষ্য হৈছে সেই প্ৰতিৰোধক সবলৰ প্ৰতি ৰোধৰ স্তৰলৈ উন্নীত কৰাটো। আপোনালোকৰ যুদ্ধবিগ্ৰহে গণতন্ত্ৰৰ নিৰাপত্তা কেতিয়াও নিশ্চিত নকৰে। ভাৰতৰ পৰীক্ষা নিৰীক্ষাই কিন্তু কৰিব—যদিহে বাইজ আৱশ্যকীয় স্তৰলৈ উঠিব পাৰে, নাইবা আন কথাত, ঈশ্বৰে মোৰ অন্বেষণক (পৰীক্ষামূলক প্ৰচেষ্টাটো) ফলৱতী কৰাৰ বাবে মোক আৱশ্যকীয় জ্ঞান আৰু শক্তি দিয়ে।

সেৱাগ্ৰাম, ১৩ ৫ '৪০
হৰিজন ১৮ ৫ ১'৪